অসম সাহিত্য সভাৰ সভাপতিসকল

(এক শতাব্দীৰ অৰ্ঘ্য)

সমীন কলিতা

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ ঃ গুৱাহাটী-১

Asam Sahitya Sabhar Sabhapatisakal : Life sketches of the Presidents of Asam Sahitya Sabha, written by Samin Kalita, Khudradadhi (Hajo), Kamrup and published by Sri Rajendra Mohan Sarma, Chandra Prakash, Panbazar, Guwahati-781001, Ph 2511946
Pnce Rs 150 00 (One hundred fifty) only

প্ৰকাশক ঃ শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ,
পানবজাৰ, গুৱাহাটী-১
দূৰভাষ-২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ১৯৯৯ চন
দ্বিতীয় প্ৰকাশ ঃ জুন ২০০৫ চন

মূল্য ঃ ১৫০ ০০ টকা

ডি টি পি ঃ ষ্টেণ্ডাৰ্ড ইম্‌প্ৰেছন
এ টি ৰোড, কালিপুৰ, গুৱাহাটী-৯

ছপা ঃ আৰ্ট প্ৰিন্টাৰ্চ
গুৱাহাটী

আগকথা

আমাৰ জীৱনী সাহিত্য চাৰি শতিকাজোৰা ঐতিহ্যৰে পুষ্ট। ১৬৩০ চন মানত কণ্ঠ ভূষণ দ্বিজৰ পুত্ৰ ভূষণ দ্বিজে 'শংকৰ চৰিত' ৰচনা কৰিছিল। প্ৰায় একে সময়তে মাধৱদেৱৰ ভাগিনীয়েক ৰাম চৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰে ৰচনা কৰিছিল 'শংকৰদেৱ-মাধৱদেৱ চৰিত'। এই পুথি দুখনেই সম্ভৱতঃ অসমীয়া ভাষাৰ প্ৰথম জীৱনী পুথি। পৰৱৰ্তী কালত শংকৰ-মাধৱৰ উপৰিও অন্যান্য বৈষ্ণৱ ধৰ্মাচাৰ্যসকলৰ বিষয়েও পদ্য-গদ্য উভয়তে ভালেমান পুথি লিখা হৈছিল। এইবোৰক অৱশ্যে জীৱনী পুথি নুবুলি বোলা হৈছিল চৰিত পুথি। (জীৱন-চৰিত অৰ্থৰ 'জীৱনী' শব্দটো আমাৰ ভাষাত অৰ্বাচীন।)

চৰিত পুথিসমূহৰ ভাষা আছিল প্ৰাচীন। অৱশ্যে আদি ব্ৰিটিছ যুগলৈকে এনে ভাষাৰে চৰিত পুথি লিখাৰ পৰম্পৰা চলি আছিল। দৃষ্টান্ত লক্ষ্মীনাথ বেজবৰুৱাৰ দেউতাক দীননাথ বেজবৰুৱাৰ 'বৰ চৰিত'। আধুনিক ভাষাত এনে জাতীয় পুথিৰ পথিকৃৎ হ'ল গুণাভিৰাম বৰুৱা। তেখেতে লিখা 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' খন আজিও অসমীয়া জীৱনী পুথিৰ আদৰ্শৰূপে বিবেচিত। তেতিয়াৰেপৰা আজিলৈকে অসমৰ বিভিন্ন খ্যাতিমন্ত লোকৰ জীৱনী আমাৰ ভাষাত লিখা হৈ আহিছে।

কেইবাগৰাকীও লোকৰ জীৱনী সংকলন কৰি পুথি ৰচনা কৰাৰ প্ৰথা আমাৰ ভাষাত আৰম্ভ হয় ওঠৰ শতিকাত। এই প্ৰথাৰ সূচনা কৰে চক্ৰপাণি বৈৰাগীয়ে তেওঁৰ সুবিখ্যাত 'গুৰু চৰিত কথা'ৰ জৰিয়তে। এই পুথিৰো ভাষা আছিল পুৰণি-কলীয়া। আধুনিক ভাষাত এনে ধৰণৰ পুথিৰ প্ৰবৰ্তক হ'ল ইন্দীবৰ বৰুৱা। ১৮১৯ চনত তেওঁ নীলকুমুদ বৰুৱা ছদ্মনামেৰে 'জীৱনাদৰ্শ' নামৰ যিখন পুথি প্ৰণয়ন কৰিছিল, সেইখনেই হ'ল, আমি জনাত, আধুনিক অসমীয়া ভাষাত প্ৰথম জীৱনী সংকলন। পদ্মনাথ গোহাঞিবৰুৱাৰ 'জীৱনী-সংগ্ৰহ' প্ৰকাশিত হয় ইয়াৰ চৌবিশ বছৰৰ পিছত ১৯১৫ চনত। ১৯২৯ চনত কাশীনাথ বৰ্মনে 'নাৰীৰত্ন' নাম দি বৰেণ্য নাৰীসকলৰ এজন জীৱনী পুথি সংকলন কৰিছিল।

জীৱনী-সংকলনৰ ক্ষেত্ৰত কেইগৰাকীমান বাটকটীয়া ব্যক্তিৰ নাম এইখিনিতে উল্লেখ কৰা হয়তো অসমীচীন নহ'ব। পোনতেই ল'ব লাগিব অসমৰ বিশিষ্ট বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূঞাৰ নাম। 'আনন্দৰাম বৰুৱা' নামৰ সুবিখ্যাত জীৱনী গ্ৰন্থখনৰ উপৰিও তেখেতে 'জোনাকী' আৰু 'চানেকি' নামৰ দুখন জীৱনী সংকলনো লিখি উলিযাইছিল। ভূঞাদেৱৰ লগতে মনলৈ আহিছে অসমৰ আন এগৰাকী অসম-প্ৰাণ ব্যক্তি বেণুধৰ শৰ্মাৰ নাম। তেখেতে 'মণিৰাম দেৱান'কে ধৰি কেইবাগৰাকীও অসম-ৰত্নৰ জীৱনীগ্ৰন্থ লিখাই নাছিল, নিজ নিজ ক্ষেত্ৰত কৃতিত্ব লাভ কৰা আৰু ভালেকেইগৰাকী অসমীযা ব্যক্তিৰ জীৱনীও ৰচনা কৰিছিল। 'অৰ্ঘ্যাৱলী' নামেৰে সেইবোৰৰ এটা সংকলন তেখেতৰ জীৱন-কালতে প্ৰকাশ পাইছিল। বেণুধৰ বন্ধু তীৰ্থনাথ শৰ্মাৰ 'ৰত্ন-সংগম' এই দিশৰ আন এখন উল্লেখনীয় পুথি। লক্ষ্মীনাথ ফুকনৰ 'মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ' প্ৰফুল্ল দত্ত গোস্বামীৰ 'বীৰ এজন পৰিল' আদিও এই সন্দৰ্ভত উল্লেখনীয় পুথি।

জীৱনী-সংকলনৰ ক্ষেত্ৰত আৰু দুগৰাকী প্ৰযাত ব্যক্তিৰ নাম আমি ল'ব লাগিব। তেখেতসকল হ'ল— মুনীন বৰকটকী আৰ নন্দ তালুকদাৰ। 'বিস্মৃত ব্যতিক্ৰম' আৰু মৰণোত্তৰভাৱে প্ৰকাশিত 'বন্দিত বৰেণ্য' — এই গ্ৰন্থ দুখনৰ যোগেদি বৰকটকীদেৱে অসমীযা জীৱনী সাহিত্যলৈ এক বুজন বৰঙণি আগবঢ়াই গৈছে। অসমীযা মানুহৰ বৌদ্ধিক জীৱনী (intelleetual biography) লিখা সম্ভৱতঃ তেখেতেই প্ৰথম অসমীযা। নন্দ তালুকদাৰৰ লেখনীত বুদ্ধিৰ দীপ্তি নাছিল যদিও তেখেত আছিল জীৱনী-সাহিত্য উৎগণিত-প্ৰাণ। সূৰ্যকুমাৰ ভূঞাকে ধৰি ভালে কেইগৰাকী অসমীযা ব্যক্তিৰ পূৰ্ণাংগ জীৱনী লিখাৰ উপৰিও 'জীৱন-স্মৰণ' আৰু 'চিৰ চেনেহী মোৰ ভাষা জননী' নামৰ দুখন জীৱনী-সংকলনো তেখেতে ৰচনা কৰিছিল। একে দিশৰ আন এখন লেখত ল'বলগীযা পুথি হ'ল প্ৰযাত হেমন্ত কুমাৰ শৰ্মাৰ 'জীৱনী সৌৰভ'।

জীৱনী সংকলকৰূপে খ্যাতি লাভ কৰা জীৱিত ব্যক্তিসকলৰ ভিতৰত শশী শৰ্মা, উপেন বৰকটকী, দুৰ্গেশ্বৰ শৰ্মা, অক্ষয কুমাৰ মিশ্ৰ আদিৰ নাম লেখত ল'বলগীযা। শশী শৰ্মাৰ 'হেৰাযো হেৰোৱা নাই', উপেন বৰকটকীৰ 'বৰণীয স্মৰণীয', 'ব্যক্তিত্বৰ সংবাদ আৰু সংঘাত', দুৰ্গেশ্বৰ শৰ্মাৰ 'জীৱনী চযন', অক্ষয কুমাৰ মিশ্ৰ সম্পাদিত তিনি খণ্ডৰ 'জীৱনী মালা' অসমীযা জীৱনী সাহিত্যলৈ উল্লেখযোগ্য অৱদান। এইখিনিতে

আৰু এগৰাকী ব্যক্তিৰ নাম নললে অনুল্লেখৰ পাপে চুব। তেখেত হ'ল প্ৰবীণ অভিনেতা, নাট্যকাৰ আৰু ৰাজনীতিক লক্ষ্যধৰ চৌধুৰী। তেখেতৰ 'মানুহ বিচাৰি' অসমীয়া জীৱনী সাহিত্যলৈ এক ব্যতিক্ৰমী অৱদান।

জীৱনী সংকলনৰ দিশত একেৰাহে লাগি থকা আন এগৰাকী ব্যক্তি হ'ল এই পুথিৰ লেখক শ্ৰীসমীন কলিতা। কলিতাক মই ব্যক্তিগতভাৱে জানো। সৰলমতীয়া এই ব্যক্তিগৰাকীৰ লগত কথা পাতিলে ভাৱ হয়, জীৱনীযেই যেন তেওঁৰ ধ্যান, তেওঁৰ প্ৰাণ। 'শিল্পীৰ পৃথিৱী'কে ধৰি ভালেমান জীৱনী-সংকলনৰ জৰিয়তে ইতিমধ্যে খ্যাতি অৰ্জা শ্ৰীকলিতাই সাম্প্ৰতিক পুথিখনত বৰ্ণনা কৰিছে অসম সাহিত্য সভাৰ প্ৰতিজন সভাপতিৰ চমু জীৱন কাহিনী — প্ৰথম গৰাকী সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰপৰা আৰম্ভ কৰি এতিয়া চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱলৈকে। জীৱনীসমূহৰ ভাষাশৈলী লেখকগৰাকীৰ ব্যক্তিত্বৰ দৰেই — সহজ-সৰল, পোনপটীয়া। গ্ৰন্থখনৰ উপস্থাপন পদ্ধতি বিতোপন। চন-তাৰিখ আদি শুদ্ধ তথ্যৰ প্ৰতি তেওঁ অত্যন্ত সচেতন। জীৱনীকাৰৰ বাবে ইয়ো এটা প্ৰয়োজনীয় কথা।

পুথিখন পঢ়ি আমাৰ পঢ়ুৱৈ সমাজ, বিশেষকৈ ইয়াৰ চেমনীয়া চামটো যে বিশেষভাৱে উপকৃত হ'ব, এই বিষয়ত মই নিঃসন্দেহ। পুথিখনৰ বহুল প্ৰচাৰ হওক, এই কামনাৰে —

গুৱাহাটী

১৭ ৯ ৯৯

শিৱনাথ বৰ্মন

এষাৰ

সমীন কলিতা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এটি চিনাকি নাম। পোনতে তেওঁক বাৰ্তাৰ পৰিবেশক ৰূপে পাইছিলোঁ। কিন্তু লাহে লাহে তেওঁক সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সঘনে লগ পাব ধৰিলোঁ। অতি কম সময়তে সাহিত্য-সংস্কৃতি আৰু সমাজ সেৱাত ব্ৰতী সাধক স্বৰূপে শ্ৰীকলিতা ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে। জীৱনী সাহিত্যৰ প্ৰতি আগবঢোৱা শ্ৰীকলিতাৰ অৱদান বহুজনে বহু ধৰণেৰে প্ৰশংসাও কৰিছে।

এতিয়া আকৌ শ্ৰীকলিতাই একক প্ৰচেষ্টাৰে এক মনোজ্ঞ জীৱনী সাহিত্য অতি কষ্টৰে আৰু আন্তৰিকতাৰে যুগুতাই প্ৰকাশৰ প্ৰস্তুতি চলাইছে। পুথিখনৰ শিতান 'অসম সাহিত্য সভাৰ সভাপতিসকল'। এই পুথিখন হাতেলিখা অৱস্থাতে পঢ়িবলৈ পাই আমি বৰ মোহিত আৰু আনন্দিত হৈছোঁ। পুথিখন প্ৰকাশ হৈ ওলালে অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক অমূল্য সম্পদৰূপে পৰিগণিত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস। প্ৰত্যেকটো পাঠৰ উপস্থাপন আৰু প্ৰকাশৰ কথন ভংগী অনুপম। প্ৰতিটো চৰিত্ৰ প্ৰাঞ্জল আৰু সাৱলীল ভাষাৰে অংকন কৰি এক মনোজ্ঞ জীৱনী-সাহিত্য গঢ় তুলিছে। গ্ৰন্থখনত অসম সাহিত্য সভা সম্পৰ্কীয় বহু প্ৰয়োজনীয় তথ্যও সন্নিবিষ্ট হৈছে।

আমাৰ বোধেৰে, গ্ৰন্থখন প্ৰকাশ হৈ ওলালে কুৰি শতিকাৰ এখন মনোজ্ঞ জীৱনী গ্ৰন্থৰূপে স্বীকৃতি পোৱাৰ উপৰিও একৈশ শতিকাৰ প্ৰজন্মলৈ আৰু সাহিত্য ভঁৰাললৈ এক অনবদ্য স্বৰূপ হ'ব। আমি শ্ৰীকলিতাৰ সংকল্প সাধনা প্ৰচেষ্টা আৰু সাফল্যৰ কথা সুঁৱৰি আনন্দিত হৈছোঁ। ইমানদিনে শ্ৰীমান কলিতাক মৰম আৰু চেনেহেৰে চাইছিলোঁ। এতিয়া তেওঁৰ প্ৰতি স্বতঃস্ফুৰ্তভাৱে শ্ৰদ্ধাৰ উদ্ৰেক হৈছে। সমীন কলিতালৈ আমাৰ আন্তৰিক ওলগ জনালো। তেওঁৰ কলম থমকি নৰৈ বোঁৱতী সুঁতিৰ দৰে বৈ থাকক, তাকেই কামনা কৰিলোঁ।

লক্ষ্যধৰ চৌধুৰী

আমবাৰী লেম্ব ৰ'ড

গুৱাহাটী - ১

১৭ '

একাষাৰ

শ্ৰীসমীন কলিতা কেৱল সাহিত্যানুৰাগী ব্যক্তি হৈ থকা নাই, ইতিমধ্যেই তেওঁ স্বপ্ৰেৰণামণ্ডিত হৈ লোক-সংস্কৃতি গৱেষণাত ব্ৰতী হোৱাৰ প্ৰমাণ দিছে আৰু সাহিত্যৰ প্ৰতি থকা একান্ত অনুৰাগৰো তেওঁ পৰিচয় দিছে তেওঁৰ এতিয়ালৈকে প্ৰকাশ পোৱা ৩৬ খনি গ্ৰন্থৰ জৰিয়তে। লোকগীত-মাত তেওঁ নিষ্ঠাৰে সংগ্ৰহ কৰিছে আৰু সেইখিনি মূল্যবানৰূপে স্বীকৃত হৈছে।

এইবাৰ তেওঁ অসম সাহিত্য সভাৰ দ্বাৰা নিৰ্ব্বাচিত হৈ সভাপতিৰ আসন অলঙ্কৃত কৰা ৬১ জন ব্যক্তিৰ চমু জীৱনী প্ৰস্তুত কৰিছে। এইটো নিসন্দেহে অতি প্ৰশংসনীয় কাম।

একোজন বৰেণ্য সভাপতিৰ জীৱনীৰ বিস্তৰ সাহিত্যকৰ্ম্মৰ চমু খতিয়ান দাঙি ধৰাটোও ধেমালিৰ কাম নহয়। তাৰ কাৰণে অশেষ পৰিশ্ৰম লাগে। শ্ৰীকলিতাই সভাপতিৰ জীৱনী, সাহিত্যকৰ্ম্ম, জীৱন দৰ্শন আদিৰ ব্যক্তিনিষ্ঠ অধ্যয়ন যৎপৰোনাস্তি চুটি কৰি লেখাৰ প্ৰয়াস কৰিছে। লগতে আৰম্ভণীৰ পৰা এতিয়ালৈকে অসম সাহিত্য সভাৰ বিস্তৰ কাৰ্য্যসূচী প্ৰস্তাব, সভাপতিৰ অভিভাষণৰ সাৰমৰ্ম্ম, আদৰণী সমিতি, কবি সন্মিলন, বুৰঞ্জী সন্মিলন, প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন, সংগীত সন্মিলন আদিৰ সভাপতিসকল তথা সভাৰ উপ সভাপতিসকল, প্ৰধান সম্পাদক, সহকাৰী সম্পাদকসকলৰ নাম ইত্যাদি সন্নিবিষ্ট কৰি তেওঁ একনিষ্ঠাৰে এই গ্ৰন্থ যুগুত কৰি — এক অভূতপূৰ্ব কাম কৰিছে।

তেওঁৰ এই পৰিশ্ৰমৰ প্ৰশংসা কৰিছোঁ, তেওঁৰ কৰ্ম্ম প্ৰেৰণাক উৎসাহিত কৰিছোঁ আৰু এনে গৱেষণামূলক কাৰ্য্যত ব্ৰতী হ'বলৈ আশীৰ্ব্বাদ দিছোঁ।

গ্ৰন্থখনিয়ে ৰাইজৰ সমাদৰ নিশ্চিতভাৱে পাব বুলি অনুভৱ হৈছে।

ডঃ নিৰ্মলপ্ৰভা বৰদলৈ

৭ ১০ ৯৯

সূচীপত্ৰ

১।	পদ্মনাথ গোহাঞি বৰুৱা	১
২।	চন্দ্ৰধৰ বৰুৱা	৪
৩।	কালিৰাম মেধি	৯
৪।	হেমচন্দ্ৰ গোস্বামী	১৪
৫।	অমৃতভূষণ দেৱ অধিকাৰী	১৭
৬।	কনকলাল বৰুৱা	২০
৭।	লক্ষ্মীনাথ বেজবৰুৱা	২৪
৮।	ৰজনীকান্ত বৰদলৈ	২৯
৯।	বেণুধৰ ৰাজখোৱা	৩৩
১০।	তৰুণৰাম ফুকন	৩৬
১১।	কমলাকান্ত ভট্টাচাৰ্য্য	৪১
১২।	মফিজু দ্দিন আহমদ হাজৰিকা	৪৮
১৩।	নগেন্দ্ৰ নাৰাযণ চৌধুৰী	৫৩
১৪।	জ্ঞানদাভিৰাম বৰুৱা	৫৬
১৫।	আনন্দ চন্দ্ৰ আগৰৱালা	৬০
১৬।	ৰঘুনাথ চৌধাৰী	৬৪
১৭।	কৃষ্ণকান্ত সন্দিকৈ	৭৫
১৮।	ডঃ মযিদুল ইছলাম বৰা	৮০
১৯।	নীলমণি ফুকন	৮২
২০।	অম্বিকাগিৰী ৰাযচৌধুৰী	৮৬
২১।	ডঃ সূৰ্য্য কুমাৰ ভূঞা	৯০
২২।	নলিনীবালা দেৱী	৯৫
২৩।	যতীন্দ্ৰ নাথ দুৱৰা	১০১
২৪।	বেণুধৰ শৰ্মা	১০৭
২৫।	পদ্মধৰ চলিহা	১১৩

২৬। অতুল চন্দ্ৰ হাজৰিকা ১১৬
২৭। ত্ৰৈলোক্যনাথ গোস্বামী ১২১
২৮। ৰত্নকান্ত বৰকাকতী ১২৬
২৯। মিত্ৰদেৱ মহন্ত ১৩১
৩০। ডিম্বেশ্বৰ নেওগ ১৩৬
৩১। বিনন্দ চন্দ্ৰ বৰুৱা ১৪১
৩২। নকুল চন্দ্ৰ ভূঞা ১৪৬
৩৩। জ্ঞাননাথ বৰা ১৪৯
৩৪। আনন্দ চন্দ্ৰ বৰুৱা ১৫২
৩৫। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ১৫৫
৩৬। তীৰ্থনাথ শৰ্মা ১৫৮
৩৭। হে বৰুবা ১৬১
৩৮। গিৰিধৰ শৰ্মা ১৬৫
৩৯। ডঃ মহেশ্বৰ নেওগ ১৬৯
৪০। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা ১৭৩
৪১। যজ্ঞেশ্বৰ শৰ্মা ১৭৭
৪২। চৈয়দ আব্দুল মালিক ১৮০
৪৩। প্ৰসন্নলাল চৌধুৰী ১৮৬
৪৪। অতুল ... বৰুৱা ১৯০
৪৫। যতীন্দ্ৰ ... গোস্বামী ১৯৩
৪৬। সীতানাথ ব্ৰহ্মচৌধুৰী ১৯৬
৪৭। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ১৯৯
৪৮। যোগেশ দাস ২০৭
৪৯। বীৰেন বৰকটকী ২১১
৫০। ডঃ মহেন্দ্ৰ বৰা ২১৫
৫১। কীৰ্ত্তিনাথ হাজৰিকা ২১৯
৫২। মহিম বৰা ২২৫

৫৩। নৱকান্ত বৰুৱা ২২৯
৫৪। ডঃ নির্মলপ্রভা বৰদলৈ ২৩৫
৫৫। লক্ষ্যধৰ চৌধুৰী ২৩৯
৫৬। ডঃ ভূপেন হাজৰিকা ২৪৩
৫৭। ডঃ লীলা গগৈ ২৬৩
৫৮। হিতেশ ডেকা ২৬৮
৫৯। ডঃ লক্ষ্মীনন্দন বৰা ২৭৫
৬০। ডঃ নগেন শইকীয়া ২৭৮
৬১। চন্দ্রপ্রসাদ শইকীয়া ২৮৩

পৰিশিষ্ট

অসম সাহিত্য সভাৰ উপসভাপতিসকল ২৮৭
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকসকল ২৮৭
অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকসকল ২৮৯
অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদকসকল ২৯১
আদৰণী সমিতিৰ সভাপতিসকল ২৯৩
বুৰঞ্জী সন্মিলনৰ সভাপতিসকল ২৯৫
সংগীত সন্মিলনৰ সভাপতিসকল ২৯৬
আলোচনা চক্ৰৰ সভাপতিসকল ২৯৭
প্ৰদৰ্শনী দ্বাৰ উন্মোচকসকল ২৯৮
কবি সন্মিলনীৰ সভাপতিসকল ২৯৯
সহায় লোৱা গ্ৰন্থ ৩০০

অসম সাহিত্য সভাৰ সভাপতিসকল

নিবেদন

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তিমতে অসম ইংৰাজসকলৰ হাতলৈ যোৱাত, অসমলৈ দুৰ্ঘোৰ অমানিশা নামি আহে। আনকি ভাষাটোও দুৰৱস্থাৰ সন্মুখীন হয়। ১৮৩৬ চনৰপৰা তেওঁলোকে অসমৰ পঢ়াশালি আৰু আদালতত বঙালী ভাষা প্ৰৱৰ্ত্তন কৰে। ভাষা হেৰুৱাব লগাৰ বেদনাই সেই সময়ছোৱাৰ অসমীয়াসকলৰ প্ৰাণ খুলি খুলি খাইছিল। বংগৰপৰা শাসন চলাবলৈ অনা কেৰাণী-মহৰীসকলে ব্যাখ্যা দি কৈছিল যে, অসমীয়া ভাষা বুলি বিভাষা বা দোবান কিবা থাকিলেও শিক্ষা আৰু প্ৰশাসন চলাবলৈ এই ভাষা মুঠে উপযোগী নহয়। কিন্তু ১৮৩৫-৩৬ চনত খ্ৰীষ্ট ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা আমেৰিকান বেপ্টিষ্ট মিছনেৰী ৰেভাৰেণ্ড নাথান ব্ৰাউন, ও টি ক'.., ডঃ মাইলছ ব্ৰনছন আদিৰ যত্নত অসমীয়া ভাষাই পুনৰ মুক্তিৰ পথ দেখে। ১৮৪৬ চনৰ জানুবাৰীৰ পৰা শিৱসাগৰৰ দিখৌৰপাৰৰ বেপ্টিষ্ট মিছনেৰী প্ৰেছৰপৰা প্ৰকাশ কৰিবলৈ লোৱা 'অৰুনোদই' কাকতেই অসমীয়া আধুনিক সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাত গুৰি ধৰে। 'অৰুনোদই'ক কেন্দ্ৰ কৰি অসমীয়া ভাষাৰ পুনৰ্বাসনৰ যুঁজত মিছনেৰীসকলক সহায় কৰিবলৈ ওলাই আহে আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে এচাম অসমীয়া। অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাত 'অৰুনোদই' কাকতৰ ভূমিকা সম্পৰ্কে উল্লেখ কৰি ডঃ মহেশ্বৰ নেওগে লিখিছে, "বেপ্টিষ্টসকলে অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান-বিজ্ঞানৰ পুথি লিখি আৰু প্ৰকাশ কৰি, আলোচনী-তথা খবৰ কাগজৰ উৎকৃষ্ট নিদৰ্শন 'অৰুনোদই' সাতত্ৰিশ বছৰকাল চলাই, পঢ়াশালি-আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লেখকক নতুন অসমীযা ভাষা লিখ্যুত কলম ধৰাই, অসমীয়া শব্দাবলীত ইংৰাজীৰ সম্ভাৰ আৰু অসমীয়া বাক্য-ৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে আৰু আটাইতকৈ ডাঙৰ, অসমীয়া মানুহক আত্ম-প্ৰত্যয় শিকালে।" শেষত ১৮৭৩ চনৰপৰা অসমৰ পঢ়াশালি আৰু আদালত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হয়।

কলিকতাত উচ্চ শিক্ষা লবলৈ তথা ব্যৱসায়-বাণিজ্য আৰু চাকৰি-বাকৰি কৰিবলৈ যোৱা এচাম অসমপ্ৰাণ ব্যক্তিয়ে অসমীয়া ভাষাক সমৃদ্ধ কৰিবলৈ নানাভাৱে অহোপুৰুষাৰ্থ কৰে। তেওঁলোকে ১৮৮৮ চনত 'অসমীযা ভাষা উন্নতি সাধিনী সভা' গঠন কৰে আৰু ১৮৮৯ চনত সভাৰ মুখপত্ৰ 'জোনাকী' নামৰ এখন মাহেকীযা আলোচনী প্ৰকাশ কৰি — এক সাহিত্যিক আন্দোলন গঢ়ি তুলি অসমীয়া আধুনিক সাহিত্যৰ

গৌৰৱ ঘোষণা কৰে। সেই চাম অসমপ্ৰাণ ব্যক্তিৰ ভিতৰত হ'ল — লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, গুণ্ডানন বৰুৱা, ৰাধাকান্ত সন্দিকৈ, গুণাভিৰাম বৰুৱা, জ্ঞানদাভিৰাম বৰুৱা, ৰমাকান্ত বৰকাকতী, বলিনাৰায়ণ বৰা, ৰত্নেশ্বৰ মহন্ত, গংগাগোবিন্দ ফুকন, আনন্দ চন্দ্ৰ আগৰৱালা, সাউদ ভোলানাথ বৰুৱা, বুদ্ধীন্দ্ৰ নাথ ভট্টাচাৰ্য্য, দেৱীচৰণ বৰুৱা, ঘনশ্যাম বৰুৱা, মথুৰামোহন বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা, শিৱৰাম বৰদলৈ, ৰাধিকাৰাম ফুকন আদি। এনে ক্ৰমবিকাশৰ মাজেৰে আহি আমাৰ ভাষা সাহিত্য উন্নতিৰ উচ্চ স্তৰত গতি কৰে। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠিত হোৱাৰ পিছত অসমীয়াসকলৰ মাজত এক নতুন জাতীয় জাগৰণৰ সূচনা হয়। এই অনুষ্ঠানৰ আদৰ্শ আৰু লক্ষ্যক আগত ৰাখি — অসমৰ চহৰসমূহতো অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ কিছুমান শাখা সভা গঠিত হয়। ১৯১৪ চনত গুৱাহাটী অ ভা উ সা সভাই সদৌ অসম ভিত্তিত একত্ৰিত হৈ এখন বৃহত্তৰ সাহিত্য সন্মিলন পতাৰ কথা চিন্তা কৰে। এই উদ্যোগত আগভাগ লৈছিল বিশেষকৈ চন্দ্ৰনাথ শৰ্মা বি-এল, কালিৰাম দাস বি-এল প্ৰভৃতি সভাৰ সদস্য সকলে।

এই চিন্তাই এদিন বাস্তৱৰূপ পালে। ১৯১৭ চনৰ ২৬, ২৭ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত হোৱা আহোম এছোচিয়েশ্যনৰ সভাতে 'সদৌ অসমৰ সাহিত্য সন্মিলনী'ৰ প্ৰথম অধিবেশনৰ অনুষ্ঠিত হয়। এই সন্মিলনীৰ সভাপতি আছিল পদ্মনাথ গোহাঞিবৰুৱা। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল গুণ্ডানন বৰুৱা। সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় শৰৎ চন্দ্ৰ গোস্বামী। প্ৰথম বছৰৰ কাৰ্য নিৰ্বাহক সমিতিৰ বিষয়-ববীয়াসকল হ'ল : পদ্মনাথ গোহাঞিবৰুৱা (সভাপতি), শৰৎ চন্দ্ৰ গোস্বামী (প্ৰধান সম্পাদক), দেৱেশ্বৰ শৰ্মা (সহকাৰী সম্পাদক)। সদস্যসকল : গুৱাহাটীৰ— সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্মা, আজিজৰ ৰহমান। যোৰহাটৰ— দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, পূৰ্ণানন্দ শৰ্মা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জেহিৰুল আহমদ। শিৱসাগৰৰ— গুণ্ডানন বৰুৱা, সিদ্ধেশ্বৰ গোঁহাই, লক্ষ্মীকান্ত বৰুৱা। ডিব্ৰুগড়ৰ— নীলমণি ফুকন, হৰিকৃষ্ণ দাস, মফিজুদ্দিন আহমদ হাজৰিকা। তেজপুৰৰ— পদ্মনাথ গোহাঞি বৰুৱা, মহাদেৱ শৰ্মা। মংগলদৈৰ— ৰমণীকান্ত বৰুৱা, তাৰানাথ চক্ৰৱৰ্তী। লক্ষীমপুৰৰ— ডম্বৰুধৰ গগৈ, ৰোহিতাশ্ব দাস। শদিয়াৰ— মেদেলাৰাম দাস, গিৰীশ চন্দ্ৰ ৰায়চৌধুৰী। গোলাঘাটৰ— কালিৰাম দত্ত, শ্ৰীনাথ বেজবৰুৱা। নগাঁৱৰ— ৰত্নকান্ত বৰকাকতী, মোছলেহউদ্দিন আহমদ। খিলঙৰ — সিংহদত্ত গোস্বামী, কমলাকান্ত বৰুৱা। বৰপেটাৰ— অম্বিকাগিৰী ৰায়চৌধুৰী, কমল কান্ত দাস। গোৱালপাৰাৰ— দুৰ্গেশ্বৰ শৰ্মা, কমলেশ্বৰ নাথ, চফিয়ৰ ৰহমান। ধুবুৰীৰ— অমৃতভূষণ অধিকাৰী, প্ৰমথ নাথ চক্ৰৱৰ্তী, কীৰ্তিনাথ বৰদলৈ।

কহিমাৰ— সীতানাথ বৰবৰা, চন্দ্ৰকুমাৰ বৰুৱা। প্ৰবাসী সদস্য— লক্ষ্মীনাথ বেজবৰুৱা, ৰাধানাথ ফুকন, লোহিত চন্দ্ৰ ভূঞা। দহখন শাখা সভা, দুখন স্বীকৃত সভা আৰু দহজন আজীৱন সভ্যৰে সন্মিলন আৰম্ভ কৰা হৈছিল।

১৯১৭ চনতে জন্ম লাভ কৰা অসম সাহিত্য সভাই তেতিয়াৰেপৰা অসমীয়া ভাষা সাহিত্যৰ গুৰি ধৰি, প্ৰতি বছৰে একাদিকক্ৰমে অধিবেশন পাতি ১৯৯৯ চনৰ হাজো অধিবেশন সুকলমে পাৰ কৰি এটা শতিকা সম্পূৰ্ণ কৰাৰ সভা গৌৰৱৰ ভাগি হৈছে। এই সময়ছোৱাত সভাৰ সিদ্ধান্ত আৰু কাৰ্য্যাৱলী চকুত লগা।

১৯১৮ চনৰ ২৭ ডিচেম্বৰত গোৱালপাৰাত অনুষ্ঠিত হোৱা সভাই 'প্ৰধান সম্পাদক'ৰ ঠাইত 'ঘাই সম্পাদক' কৰে। সেই সময়ত প্ৰধান সম্পাদক থকা ঠাই তেজপুৰতে সভাৰ মুখ্য কাৰ্যালয় আছিল। এই সন্মিলনত সদস্যৰ উপস্থিতি আছিল এশজন। শাখা সভাৰ সংখ্যা আছিল দহখন আৰু স্বীকৃত সভাৰ সংখ্যা আছিল ১১খন। ৰভাস্থলীতে সভালৈ ২২৪২.০০ টকা দানৰ প্ৰতিশ্ৰুতি পোৱা যায়।

১৯১৯ চনৰ ২৬ ডিচেম্বৰত বৰপেটাত অনুষ্ঠিত হোৱা অধিবেশনত অসম সাহিত্য সভাৰ সম্পাদকক 'ঘাই সম্পাদক' নুবুলি 'প্ৰধান সম্পাদক'হে বোলাৰ সিদ্ধান্ত হয়। এই সন্মিলনত সত্যনাথ বৰা 'প্ৰধান সম্পাদক' নিৰ্বাচিত হোৱাত, সম্পাদকৰ থকা ঠাই গুৱাহাটীয়ে সভাৰ মুখ্য কাৰ্যালয় হয়।

১৯২০ চনৰ তেজপুৰ অধিবেশনত শৰৎ চন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাত, সভাৰ মুখ্য কাৰ্যালয় সম্পাদক থকা ঠাই যোৰহাটলৈ যায়।

১৯২৪ চনৰ ৫ মে'ত (১৮৬০ চনৰ ২১ নং আইন অনুসৰি) অসম সাহিত্য সভা পঞ্জীয়ন ভুক্ত কৰা হয়। এই সময়ছোৱাতে 'চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড'ৰ টকাৰে 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' নিৰ্মাণ কৰা হয়। এই ভৱনৰ নামত চৰকাৰৰপৰা দুবিঘা দুকঠা দহ লোচা মাটি পোৱা হয়। 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰূপে ব্যৱহাৰ কৰা হয় ১৯২৫ চনৰ ২৮ ফেব্ৰুৱাৰীৰপৰা। ১৯২৬ চনৰ ২ ডিচেম্বৰত ভৱনৰ আনুষ্ঠানিক উদ্বোধন কৰে তেতিয়াৰ অসমৰ গৱৰ্ণৰ চাৰ জন হেনৰিয়ে। হেনৰিয়ে সভালৈ চাৰি হাজাৰ টকাৰ দান আগবঢ়ায়।

১৯২৫ চনৰ ২৭ ডিচেম্বৰৰ নগাঁও অধিবেশনত সভাৰ মুখপত্ৰ এখন ছপা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখপত্ৰৰ সম্পাদক নিৰ্বাচিত হয় চন্দ্ৰধৰ বৰুৱা। ১৯২৬ চনৰপৰা পত্ৰিকাৰ প্ৰথম সংখ্যা তিনিমহীয়াৰূপে প্ৰকাশিত হয়।

সভাৰ ১৯৩১ চনৰ ২৯ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত হোৱা ত্ৰয়োদশ অধিবেশনত লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয় আৰু এই সভাতে বেজবৰুৱাক 'ৰসৰাজ' উপাধি প্ৰদান কৰে।

১৯৪৪ চনত শিৱসাগৰত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাপতিয়ে গোটেই বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰাৰ সিদ্ধান্ত গ্ৰহণ হয়. তাৰ আগতে সভাপতিয়ে মুকলি অধিবেশনতহে কেৱল সভাপতিত্ব কৰাৰ নিয়ম আছিল।

সভাৰ একবিংশ মাৰ্ঘেৰিটা অধিবেশনৰ সভাপতি আছিল অম্বিকাগিৰী ৰায়চৌধুৰী। এই অধিবেশনতে অসমীয়া ৰাজ্য ভাষা হ'ব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ১৯৫০ চনৰ ১৬ জুলাইত ৰাজ্য ভাষা দিৱস পালন কৰা হয়।

১৯৫২ চনত অসম সাহিত্য সভাই ধৰ্মেশ্বৰী দেৱী বৰুৱানীক 'কাব্য-ভাৰতী' উপাধি প্ৰদান কৰে।

১৯৬৩ চনৰ ৭ এপ্ৰিলত ৰাজ্যপাল বিষ্ণু সহায়ে সভাৰ গুৱাহাটী 'ভগৱতী প্ৰসাদ বৰুৱা ভৱন'ৰ আধাৰ শিলা স্থাপন কৰে। ১৯৬৫ চনৰ ২ জানুৱাৰীত ভগৱতী প্ৰসাদ বৰুৱা ভৱন মুকলি কৰে ডঃ বাসুদেৱচৰণ অগ্ৰৱালে। এই ভৱন নিৰ্মাণ হোৱাৰ পিছত গুৱাহাটী ভৱনৰ বাবে এজন সহকাৰী সম্পাদক নিৰ্বাচন কৰাৰ সিদ্ধান্ত হয়।

১৯৬৮ চনৰ ৫ অক্টোবৰৰপৰা অসম সাহিত্য সভাই লক্ষ্মীনাথ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী পালন কৰে। এই সময়ছোৱাত বেজবৰুৱাৰ নামত ডাক টিকট, এখন তথ্য চিত্ৰৰ উপৰিও অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত দুই খণ্ডত বেজবৰুৱাৰ গ্ৰন্থাৱলী প্ৰকাশ পায়।

১৯৭১ চনত অসম সাহিত্য সভাই প্ৰকাশ কৰা 'হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী' গ্ৰন্থৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে।

১৯৭৩ চনৰ ১০ ফেব্ৰুৱাৰীত ৰঙিয়াত অনুষ্ঠিত হোৱা অধিবেশনত অসম সাহিত্য সভাৰ পত্ৰিকা মাহেকীয়াকপত প্ৰকাশিত হয়। এই বছৰ পত্ৰিকা সম্পাদক নিৰ্বাচিত হৈছিল ডঃ হেমন্ত কুমাৰ শৰ্মা। এই বছৰে গুৱাহাটীত সভাই এটি লেখক শিবিৰৰ আয়োজন কৰিছিল। এই লেখক শিবিৰ সঞ্চালনা কৰিছিল ডঃ মহেশ্বৰ নেওগে। শিবিৰত নবীন-প্ৰবীণ ৭০ গৰাকী সাহিত্যিকে অংশ গ্ৰহণ কৰিছিল।

১৯৭৪ চনৰ ৬ নবেম্বৰৰপৰা গুৱাহাটীত অসম সাহিত্য সভাই দ্বিতীয় লেখক শিবিৰ পাতে। এইখন আলোচনা চক্ৰৰো সঞ্চালক আছিল ড. ·হেশ্বৰ নেওগ।

১৯৭৫ চনৰ ২৭ আৰু ২৮ অক্টোবৰত অসম সাহিত্য সভাই আনন্দৰাম বৰুৱা সোঁৱৰণী বক্তৃতামালাৰ আয়োজন কৰে। এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে কাশী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ ঠাকুৰ প্ৰসাদ বৰ্মাই। এই বছৰৰে ২৪ ডিচেম্বৰত অসম সাহিত্য সভাই কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সোঁৱৰণী বক্তৃতা আয়োজন কৰে। এই বছৰৰে ২৫ আৰু ২৬ ডিচেম্বৰত তৃতীয় লেখক শিবিৰ অনুষ্ঠিত হয়।

১৯৭৬ চনৰ ১৮ জানুৱাৰীত অসম সাহিত্য সভাই যোৰহাটত হিতেশ্বৰ বৰবৰুৱা জন্ম শতবাৰ্ষিকী উৎসৱ পালন কৰে। এই উপলক্ষে সভাই 'হিতেশ্বৰ বৰ বৰুৱা স্মৃতিমাল্য' স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। সভাই এই বছৰৰে ২৪ ডিচেম্বৰত তেজপুৰত চতুৰ্থ লেখক শিবিৰৰ আয়োজন কৰে।

১৯৭৭ চনৰ ২২ জানুৱাৰীত অসম সাহিত্য সভাই 'তৰুণৰাম ফুকনৰ জন্ম শতবাৰ্ষিকী' উৎসৱ পালন কৰে।

১৯৭৮ চনৰ ১৯ মাৰ্চত অসম সাহিত্য সভাই বিশ্ব-বিশ্ৰুত প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈক 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে। অসম সাহিত্য সভাৰ হৈ সন্দিকৈৰ বাসগৃহত আনুষ্ঠানিক ভাৱে এই উপাধি প্ৰদান কৰিছিল অসম সাহিত্য সভাৰ সভাপতি চৈয়দ আব্দুল মালিকে।

১৯৭৯-৮০ চনৰ কাৰ্যকালৰ ভিতৰত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ চৌহদত সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদন নিৰ্মাণ কৰা হয়।

১৯৮২ চনৰ ১২ জুনত মিত্ৰদেৱ মহন্তক যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনুষ্ঠানিকভাৱে 'সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীয়ে।

১৯৮২ চনৰ ১৯ জুনত অতুল চন্দ্ৰ হাজৰিকাক গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে 'সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীয়ে।

১৯৮৮ চনৰ ১ অক্টোবৰত অসম সাহিত্য সভাই ডঃ মহেশ্বৰ নেওগক 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে।

১৯৮৯ চনৰ ৪ ফেব্ৰুৱাৰীত অসম সাহিত্য সভাই বিনন্দ চন্দ্ৰ বৰুৱাক সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰে।

১৯৮৯ চনৰ ৪ ফেব্ৰুৱাৰীত অসম সাহিত্য সভাই যজ্ঞেশ্বৰ শৰ্মাক 'সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰে।

১৯৮৯ চনৰ ৪ ফেব্ৰুৱাৰীত অসম সাহিত্য সভাই ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাক 'সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰে।

১৯৯১ চনৰ ৭ আৰু ৮ অক্টোবৰত অসম সাহিত্য সভাই সাহিত্য অকাডেমীৰ সহযোগত, তেজপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত দৰং কলেজত 'উত্তৰ পূব ভাৰতৰ ভাষাসমূহৰ শিশু সাহিত্য' আলোচনা চক্ৰ অনুষ্ঠিত কৰে। ২৪-৩০ অক্টোবৰলৈ সভাই আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সহযোগত গুৱাহাটী ভগৱতী প্ৰসাদ বৰুৱা

ভৱনত "অভিধানতত্ত্ব প্ৰশিক্ষণ কৰ্মশালা"ৰ আয়োজন কৰে। এই সময়ছোৱাত সভাই কেন্দ্ৰীয় মানৱ-সম্পদ মন্ত্ৰণালয়ৰপৰা ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবে এক লাখ টকাৰ অনুদান লাভ কৰে।

১৯৯২-৯৩ চনৰপৰা অসম সাহিত্য সভাই শংকৰদেৱৰ তিথি জাতীয় 'সংহতি দিৱস'ৰূপে পালন কৰে। সভাই ১৯৯৩-৯৪ চনৰ পৰা 'বেজবৰুৱা দিৱস' পালন কৰে।

১৯৯৭ চনৰ ২০ জুলাইত অসম সাহিত্য সভাৰ তৰফৰপৰা কৃষ্ণকান্ত সন্দিকৈৰ জন্ম-শতবাৰ্ষিকী উছৱৰ আৰম্ভণী অনুষ্ঠান পালন কৰে আৰু ১৯৯৮ চনৰ ৩১ অক্টোবৰ আৰু নবেম্বৰত সামৰণি অনুষ্ঠান পালন কৰে।

১৯৯৭ চনত অসম সাহিত্য সভাই যতীন্দ্ৰনাথ গোস্বামী আৰু চৈয়দ আব্দুল মালিকক "সাহিত্যাচাৰ্য্য" উপাধি প্ৰদান কৰে।

অসম সাহিত্য সভাৰ চতুষষ্টিতম বাৰ্ষিক অধিবেশনত (১৯৯৮) সংশোধিত আৰু গৃহীত মতে সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্যকাল দুবছৰীয়া হয়।

১৯৯৮ চনৰ ৫ ছেপ্টেম্বৰত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অসম তত্ত্ব গৱেষণা সংস্থানৰ শুভাৰম্ভ অনুষ্ঠান আৰু 'ৰাধাকান্ত সন্দিকৈ ভৱন'ৰ দুৱাৰ মুকলি অনুষ্ঠান পালন কৰে।

বৰ্তমান ১৯৯৯ চনত অসম সাহিত্য সভাৰ শাখা সভাৰ সংখ্যা ৬১৮ খন আৰু জিলা ২১ খন।

১৯৯৯ — ০১ বৰ্ষৰ বাবে অসম সাহিত্য সভাই প্ৰস্তাৱিত আঁচনি কিছুমান এক ঘোষণা পত্ৰ যোগে প্ৰচাৰ কৰিছে। ঘোষণা-পত্ৰত প্ৰচাৰিত প্ৰস্তাৱিত কেইটামান আঁচনি হ'ল —

১। প্ৰকাশন, গৱেষণা, সমন্বয়, সংগঠন, বিদ্যায়তনিক কাৰ্য ঃ

পূৰ্ববৰ্তী আঁচনি

(ক) অসম-তত্ত্ব গৱেষণা সংস্থানৰ কৰ্ম আঁচনি

(খ) জনগোষ্ঠীয় গৱেষণা কেন্দ্ৰৰ কৰ্ম আঁচনি

(গ) অসম সাহিত্য সভা প্ৰকল্পৰ প্ৰাৰম্ভিক কাম

(ঘ) ধ্ৰুপদী সাহিত্য প্ৰকাশ

(ঙ) শিশু জ্ঞান কোষ (চতুৰ্থ খণ্ড)

(চ) নতুন অসমীয়া শব্দকোষ আদি।

নতুন আঁচনি (হ্রস্বম্যাদী, বিদ্যায়তনিক)

(ক) লেখক শিবিৰ

(খ) এক বিংশ শতিকাৰ অসমীয়া ভাষাৰ নিৰ্দেশিকা যুগুত।

(গ) চৰ অঞ্চলৰ লোক-সংস্কৃতি শীৰ্ষক আলোচনা-চক্ৰ।

(ঘ) চাহ বাগিচা অঞ্চলৰ লোক সংস্কৃতি বিষয়ক অনুষ্ঠান আদি।

দীৰ্ঘম্যাদী প্ৰকাশন আঁচনি

(ক) অসমীয়া মানুহৰ ইতিহাস

(খ) অসম কোষ

(গ) পৃথিৱীৰ মহৎ চিন্তাৰাশিৰ এশখন ১০০ পৃষ্ঠাৰ গ্ৰন্থ

(ঘ) অসমীয়া বহু ভাষিক শব্দকোষ

হ্ৰস্বম্যাদী প্ৰকাশন আঁচনি

(ক) কোচ-ৰাজবংশীসকলৰ সামাজিক-সাংস্কৃতিক ইতিহাস

(খ) চাহ বাগিছাৰ শ্ৰমিকৰ ইতিবৃত্ত

(গ) জনগোষ্ঠীৰ ভাষাৰ কবিতাৰ সংকলন

(ঘ) হাজং সমাজ আৰু সংস্কৃতি

(ঙ) শিশু সাহিত্য প্ৰকাশ

(চ) প্ৰসন্নলাল চৌধুৰী ৰচনাৱলী

(ছ) অসমৰ উৎসৱ-পাৰ্বন

(জ) বস্তুকান্ত বৰকাকতী ৰচনাৱলী

(ঝ) মৰাণ মটকসকলৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাস।

২। বিশেষ কাৰ্যসূচী

(ক) ডিম্বেশ্বৰ নেওগৰ জন্ম-শতবাৰ্ষিকী উছৱ

(খ) মইদুল ইছলাম বৰাৰ জন্ম শতবাৰ্ষিকী

(গ) প্ৰেমনাৰায়ণ দত্তৰ জন্ম-শতবাৰ্ষিকী উছৱ

(ঘ) যমুনেশ্বৰী খাটনিয়াৰৰ জন্ম-শতবাৰ্ষিকী উছৱ

(ঙ) তুলসী নাৰায়ণ শৰ্মাৰ জন্ম-শতবাৰ্ষিকী উছৱ

৩। সংগঠন মূলক আঁচনি

(ক) শান্তি দিৱস

(খ) জিলা সভা, শাখা সভা গঠন আৰু সক্ৰিয়কৰণ

(গ) হিতৈষী সভ্য ভৰ্ত্তি অভিযান

(ঘ) চাহ বাগিচা উপ-সমিতিৰ যোগে গ্ৰহণ কৰা আঁচনিৰ ৰূপায়ণ

(ঙ) চৰ-চাপৰি উপ-সমিতিৰ যোগে গ্ৰহণ কৰা আঁচনি ৰূপায়ণ।

৪। ভাষা সমন্বয় মঞ্চ

(ক) স্বাক্ষৰতা অভিযান

(খ) অসমৰ থলুৱা ভাষা-সাহিত্যৰ বিকাশৰ কাৰণে গ্ৰহণ কৰা আঁচনি ৰূপায়ণ

(গ) সকলো থলুৱা জনগোষ্ঠীৰ সভাপতি আৰু সম্পাদকৰ সন্মিলন।

কেইটিমান বিশেষ কাৰ্যসূচীত আছে —

(ক) শ্ৰেষ্ঠ জিলা আৰু শাখা সভা বঁটা

(খ) শ্ৰেষ্ঠ সংগঠক শাখা সভা

(গ) শ্ৰেষ্ঠ সংগঠক জিলা সভা বঁটা

(ঘ) শ্ৰেষ্ঠ সংগঠক বঁটা।

অসম সাহিত্য সভাৰ ১৯৯৯ - ২০০১ বৰ্ষৰ পূৰ্ণাংগ কাৰ্য-নিৰ্বাহক সমিতি

১। চন্দ্ৰ প্ৰসাদ শইকীয়া (সভাপতি), ২। মঃ ইদ্ৰিছ আলি (উপ-সভাপতি) ৩। ডঃ বসন্ত কুমাৰ গোস্বামী (প্ৰধান সম্পাদক), ৪। ডঃ এন গোবিন্দ সিংহ (সহকাৰী সম্পাদক), ৫। জয়ন্ত তালুকদাৰ (সহকাৰী সম্পাদক), ৬। কৰেণ দাস (সহকাৰী সম্পাদক), ৭। অৰুণ বাযন (সহকাৰী সম্পাদক) ৮। ডঃ কুতুবুদ্দিন আহমেদ (ধনভঁৰালী, ৯। ডঃ পৰমানন্দ ৰাজবংশী (সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা), ১০। পাঁচুগোপাল চক্ৰৱৰ্তী (আহ্বাযক, জাতীয় ন্যাস পুঁজি), ১১। ৰাম চাচনি (আহ্বাযক, চাহ বাগিচা উপ-সমিতি), ১২। মঃ মজিবুৰ ৰহমান (আহ্বাযক, চৰ-চাপৰি উপ-সমিতি), ১৩। মঃ ইনামুল ইক্ৰাম (সচিব, অসমীযা ভাষা-জ্ঞান পৰীক্ষা সংসদ)।

মনোনীত সদস্য-সদস্যা ঃ ১৪। গীতা উপাধ্যায ১৫। ডঃ প্ৰদীপ জ্যোতি মহন্ত, ১৬। ড° কৰবী ডেকা হাজৰিকা ১৭। যোগেন চেতিয়া ১৮। ডাক্তৰ ধ্ৰুৱজ্যোতি বৰা ১৯। ডঃ নৰেন কলিতা

জিলা প্ৰতিনিধি ঃ ২০। মিনাৰাম কলিতা (যোৰহাট) ২১। ডম্বৰুধৰ কাকতি (শিৱসাগৰ) ২২। ইন্দ্ৰেশ্বৰ গোস্বামী (নগাঁও) ২৩। সঞ্জীৱ মেধি (কাছাৰ) ২৪। প্ৰসন্ন কুমাৰ দাস (ধুবুৰী) ২৫। জয়কান্ত গন্ধীয়া (তিনিচুকীয়া) ২৬। উত্তম চন্দ্ৰ শৰ্মা (গোৱালপাৰা) ২৭। হৰেন্দ্ৰ বৰা (মৰিগাঁও জিলা) ২৮। নন্দেশ্বৰ দেউৰী (ধেমাজী জিলা) ২৯। নিৰণ কুমাৰ বৰা (লক্ষীমপুৰ জিলা) ৩০। ৰাজেন্দ্ৰ ৰংপী (কাৰবি আংলং জিলা) ৩১। নৰ নাৰাযণ দেৱ শৰ্মা (বৰপেটা জিলা) ৩২। বীৰেন্দ্ৰ কুমাৰ (কামৰূপ জিলা) ৩৩। পৱিত্ৰ বৰবৰা (গোলাঘাট জিলা) ৩৪। মঃ চহিৰুদ্দিন আলি আহমেদ (দৰং জিলা) ৩৫। গুণকান্ত চুতীয়া (ডিব্ৰুগড জিলা) ৩৬। সন্ধিযাৰাম ৰায (কোকৰাঝাৰ জিলা) ৩৭। নৰেন্দ্ৰ হাজৰিকা (শোণিতপুৰ জিলা) ৩৮। প্ৰমোদ চন্দ্ৰ কাকতি (পঞ্চষষ্টিতম হাজো অধিবেশনৰ প্ৰতিনিধি) ৩৯। শৈলেন দাস (পদেন সদস্য, প্ৰাক্তন প্ৰধান সম্পাদক) ৪০। বঙাইগাঁও ৪১। নলবাৰী।

বিশেষভাৱে আমন্ত্ৰিত সদস্য ঃ ৪২। দেৱীপ্ৰসাদ বাগ্ৰাদিযা ৪৩। উপেন বৰকটকী ৪৪। ড° যোগেন্দ্ৰ নাৰাযণ ভূএগ ৪৫। ভদ্ৰেশ্বৰ বড়ো ৪৬। অমল কুমাৰ দাস ৪৭। অৰুণ গোস্বামী ৪৮। বিনেশ্বৰ ব্ৰহ্ম ৪৯। ড° শীলা বৰঠাকুৰ ৫০। চিত্ৰলতা ফুকন ৫১। ড° যতীন মিপুন ৫২। লংকাম টেৰণ ৫৩। প্ৰফুল্ল চন্দ্ৰ বৰা ৫৪। সুৰেশ গাৰোদিয়া ৫৫। প্ৰদীপ বৰদলৈ ৫৬। ডঃ অমৰেন্দ্ৰ নাৰাযণ দেৱ ৫৭। ভৱ গোস্বামী (আইন উপদেষ্টা)।

অসম সাহিত্য সভাৰ বঁটা-পুঁজি আৰু ন্যাস-পুঁজিসমূহ

বঁটা পুঁজি ঃ

১। কমলা দেৱী বঁটা-পুঁজি (১৯৪০)
দাতা ঃ বাদুলিপাৰৰ ৰাধা নাথ গোস্বামী
ধনৰ পৰিমাণ ঃ ত্ৰিশ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ শিশু গ্ৰন্থ প্ৰকাশ

২। গোপাল চন্দ্ৰ গোস্বামী বঁটা-পুঁজি (১৯৬৮-১৯৭৫)
দাতা ঃ হিৰন্ময়ী দেৱী আৰু অৰুণ গোস্বামী
ধনৰ পৰিমাণ ঃ সাময়িক দান
বঁটাৰ উদ্দেশ্য ঃ শ্ৰেষ্ঠ শিশু গ্ৰন্থৰ বাবে

৩। ডিগবৈ সাহিত্য-সেৱা সমিতি বঁটা-পুঁজি (১৯৬৫)

দাতা ঃ ডিগবৈ সাহিত্য-সেৱা সমিতি

ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ শ্ৰেষ্ঠ মৌলিক পূৰ্ণাংগ নাটৰ বাবে।

৪। প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা-পুঁজি (১৯৭০)

দাতা ঃ কমলেশ্বৰ দত্ত

ধনৰ পৰিমাণ ঃ দু হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ বছৰৰ শ্ৰেষ্ঠ শিশু সাহিত্যলৈ।

৫। বনমালী শইকীযা বঁটা-পুঁজি (১৯৭০)

দাতা ঃ বনমালী শইকীয়া

ধনৰ পৰিমাণ ঃ এহেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতালৈ।

৬। মোহন চন্দ্ৰ শৰ্মা বঁটা-পুঁজি (১৯৭৪)

দাতা ঃ মোহন চন্দ্ৰ শৰ্মা

ধনৰ পৰিমাণ ঃ দুহেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ বছৰৰ শ্ৰেষ্ঠ তত্ত্বগধুৰ মৌলিক গদ্য গ্ৰন্থলৈ

৭। শৰৎ চন্দ্ৰ গোস্বামী বঁটা-পুঁজি (১৯৭৬)

দাতা ঃ অসম সাহিত্য সভা

ধনৰ পৰিমাণ ঃ অসম সাহিত্য সভাৰ বাজেটৰপৰা।

বঁটাৰ উদ্দেশ্য ঃ অনা-অসমীযা ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতাৰ বাবে।

৮। হৰিহৰ চৌধুৰী বঁটা-পুঁজি (১৯৬১)

দাতা ঃ হৰিহৰ চৌধুৰী

ধনৰ পৰিমাণ ঃ এহেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ অৰুণাচলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতাৰ বাবে

৯। হৰিপ্ৰসাদ নেওগ সোঁৱৰণী মুদ্ৰণ আৰু অলংকৰণ বঁটা পুঁজি (১৯৭৪)

দাতা ঃ অসম সাহিত্য সভা

ধনৰ পৰিমাণ ঃ অসম সাহিত্য সভাৰ বাজেটৰপৰা

বঁটাৰ উদ্দেশ্য ঃ অসমীয়া ভাষাত প্ৰকাশিত মুদ্ৰণ আৰু অলংকৰণৰ বাবে বছৰৰ শ্ৰেষ্ঠ গ্ৰন্থলৈ

১০। মহানন্দ বৰুৱা— শশীপ্ৰভা বৰুৱা বঁটা-পুঁজি (১৯৮০)

দাতা ঃ দীপালী বৰুৱা

ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা।

বঁটাৰ উদ্দেশ্য ঃ ২৫ বছৰৰ তলৰ লেখকৰ মাজত গল্প প্ৰতিযোগিতাৰ বাবে।

১১। গিৰিধৰ শৰ্মা বঁটা-পুঁজি (১৯৭৮)

দাতা ঃ প্ৰশান্ত শৰ্মা

ধনৰ পৰিমাণ ঃ তিনি হেজাৰ পাঁচশ টকা

বঁটাৰ উদ্দেশ্য ঃ ন-লেখকৰ মাজত উপন্যাস প্ৰতিযোগিতা

১২। উগ্ৰতাৰা ন্যাস বঁটা-পুঁজি (১৯৭৩)

দাতা ঃ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ নামত গুৱাহাটীৰ উগ্ৰতাৰা সমবায় ষ্টʼৰ

ধনৰ পৰিমাণ ঃ দুহেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ বছৰৰ শ্ৰেষ্ঠ মৌলিক কাব্য গ্ৰন্থৰ বাবে।

১৩। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা-পুঁজি (১৯৮১)

দাতা ঃ অসম সাহিত্য সভা

ধনৰ পৰিমাণ ঃ অসম সাহিত্য সভাৰ বাজেটৰ পৰা

বঁটাৰ উদ্দেশ্য ঃ শ্ৰেষ্ঠ মৌলিক গ্ৰন্থৰ বাবে

১৪। অসম সংঘ (আমেৰিকা) বঁটা-পুঁজি (১৯৮৩)

দাতা ঃ আমেৰিকা প্ৰবাসী অসমীয়াসকল

ধনৰ পৰিমাণ ঃ দহ হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ কলেজ আৰু বিশ্ববিদ্যালযৰ ছাত্ৰ-ছাত্ৰী মাজত ৰচনা প্ৰতিযোগিতাৰ বাবে

১৫। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা-পুঁজি (১৯৮৫)

দাতৃ ঃ শুচিব্ৰতা ৰায়চৌধুৰী

ধনৰ পৰিমাণ ঃ দহ হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ সৃষ্টিশীল গ্ৰন্থৰ বাবে

১৬। উত্তম চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা-পুঁজি (১৯৮৫)

দাতা ঃ মৃণাল বৰুৱা

ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ পূৰ্ণাংগ শ্ৰেষ্ঠ নাটকৰ পাণ্ডুলিপিৰ বাবে

১৭। কুমাৰ কিশোৰ সোঁৱৰণী বঁটা-পুঁজি (১৯৯১)
দাতৃ ঃ লক্ষ্মীপ্ৰভা দেৱী
ধনৰ পৰিমাণ ঃ পোন্ধৰ হেজাৰ তিনিশ টকা
বঁটাৰ উদ্দেশ্য ঃ শ্ৰেষ্ঠ উপন্যাসৰ বাবে

১৮। ছগনলাল জৈন বঁটা-পুঁজি (১৯৯১)
দাতা ঃ ছগনলাল জৈন আৰু পৰিয়ালবৰ্গ
ধনৰ পৰিমাণ ঃ পযসত্তৰ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ মৌলিক শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে

১৯। গোপাল চন্দ্ৰ বৰুৱা বঁটা-পুঁজি (১৯৭৯)
দাতা ঃ বদন চন্দ্ৰ বৰুৱা
ধনৰ পৰিমাণ ঃ তিনি হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ বিজ্ঞান গ্ৰন্থৰ বাবে

২০। দুৰ্গাধৰ বৰকটকী সোঁৱৰণী বঁটা-পুঁজি (১৯৮৫)
দাতা ঃ মুনীন বৰকটকী
ধনৰ পৰিমাণ ঃ দহ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ পুৰণি পুথি সম্পাদনাৰ বাবে

২১। নকুল চন্দ্ৰ সভাপণ্ডিত সোঁৱৰণী বঁটা-পুঁজি (১৯৮৪)
দাতা ঃ তৰুণ চন্দ্ৰ সভাপণ্ডিত আৰু পৰিযালবৰ্গ
ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ শিশু সাহিত্য পাণ্ডুলিপিৰ বাবে

২২। সীতানাথ ব্ৰহ্মচৌধুৰী স্মাৰক বঁটা-পুঁজি (১৯৮৪)
দাতা ঃ সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী আৰু পৰিযালবৰ্গ
ধনৰ পৰিমাণ ঃ দহ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ অসমীয়া জাতি-উপজাতিৰ সমন্বয়-সংহতি ভিত্তিক গ্ৰন্থৰ বাবে

২৩। তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা (১৯৮৯)
দাতৃ ঃ হিৰন্ময়ী দেৱী আৰু পৰিযালবৰ্গ
ধনৰ পৰিমাণ ঃ ত্ৰিশ হেজাৰ টকা
বঁটাৰ উদ্দেশ্য ঃ মৌলিক নাটকৰ পাণ্ডুলিপিৰ বাবে

২৪। বাসন্তী বৰদলৈ বঁটা-পুঁজি (১৯৮৭)

দাতা ঃ সৰ্বেশ্বৰ বৰদলৈ

ধনৰ পৰিমাণ ঃ পঁচিশ হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ মহিলা লেখিকাৰ শ্ৰেষ্ঠ গ্ৰন্থলৈ

২৫। ৰামদেউ শৰ্মা বঁটা-পুঁজি (১৯৮৮)

দাতা ঃ দীনদযাল শৰ্মা

ধনৰ পৰিমাণ ঃ পোন্ধৰ হেজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমীয়া বিষযত সৰ্ব্বোচ্চ নম্বৰ পাওঁতালৈ।

২৬। হেম বৰুৱা সোঁৱৰণী সাহিত্য বঁটা (১৯৯০)

দাতৃ ঃ অণু বৰুৱা আৰু পৰিয়ালবৰ্গ

ধনৰ পৰিমাণ ঃ পঁচিশ হাজাৰ টকা

বঁটাৰ উদ্দেশ্য ঃ ৰাজনৈতিক বা ভ্ৰমণ কাহিনীৰ পটভূমিত ৰচিত গ্ৰন্থলৈ

২৭। অনিল শৰ্মা সোঁৱৰণী বঁটা

২৮। লক্ষ্মীনাথ ফুকন সাংবাদিক বঁটা

২৯। অসম ছাত্ৰ সন্থা (মাদ্ৰাজ) বঁটা

৩০। শ্ৰেষ্ঠ জিলা সভা বঁটা

৩১। শ্ৰেষ্ঠ শাখা সভা বঁটা।

অসম সাহিত্য সভাৰ সাময়িক বঁটাসমূহ ঃ

১ আলোচনী প্ৰতিযোগিতা (১৯৬৮)

২ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী উপলক্ষে সাহিত্য প্ৰতিযোগিতা (১৯৬৮)

৩ আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস প্ৰতিযোগিতা (১৯৮০)

৪ পদ্মধৰ চলিহা সোঁৱৰণী সাময়িক বঁটা (১৯৮৩)

৫ অম্বিকাগিৰী ৰায়চৌধুৰী জন্ম-শতবাৰ্ষিকী উপলক্ষে ৰচনা প্ৰতিযোগিতা (১৯৮৫)।

শ্ৰেষ্ঠ গ্ৰন্থৰ স্বীকৃতি ঃ

ত্ৰৈলোক্যনাথ গোস্বামীৰ 'আধুনিক অসমীয়া গল্প সাহিত্য' গ্ৰন্থখনক অসম সাহিত্য সভাই (১৯৬১-১৯৬৬) শ্ৰেষ্ঠ গ্ৰন্থৰ স্বীকৃতি দিযে।

ন্যাস-পুঁজি ঃ

১। দক্ষিণপাট অধিকাৰ গোস্বামী ন্যাস-পুঁজি (১৯২৬)

দাতা ঃ দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী নৰদেব গোস্বামী

ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা

উদ্দেশ্য ঃ প্ৰাচীন অসমীয়া আৰু সংস্কৃত পুথিৰ সংগ্ৰহ আৰু প্ৰকাশ।

২। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক-সমাৰোহ পুঁজি (১৯২৯)

দাতা ঃ ৰাধাকান্ত সন্দিকৈ

ধনৰ পৰিমাণ ঃ এহেজাৰ পাঁচশ পঞ্চাশ টকা

উদ্দেশ্য ঃ ৯ ছেপ্টেম্বৰত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত শিশু সমাৰোহৰ ব্যৱস্থা কৰা।

৩। চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা পুঁজি (১৯৬২)

দাতা ঃ কৃষ্ণ কান্ত সন্দিকৈ

ধনৰ পৰিমাণ ঃ বীমাকৃত ধনৰ পৰিমাণ এক লাখ টকা

উদ্দেশ্য ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বীমাকৰণ।

৪। জাতীয় ন্যাস-পুঁজি (১৯৮২-৮৩)

সভাক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে এক কোটি টকাৰ লক্ষ্যৰে সংগ্ৰহ

ধনৰ পৰিমাণ ঃ প্ৰায ১৪ লাখ টকা

৫। বিষ্ণুৰাম মেধি ন্যাস-পুঁজি (১৯৭২)

দাতা ঃ বিষ্ণুৰাম মেধি

ধনৰ পৰিমাণ ঃ পাঁচ হেজাৰ টকা

উদ্দেশ্য ঃ শিশু সাহিত্য প্ৰকাশ।

৬। ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ পুঁজি (১৯৭৪)

দাতা ঃ কৃষ্ণ কান্ত সন্দিকৈ

ধনৰ পৰিমাণ ঃ দু হাজাৰ পাঁচশ টকা

উদ্দেশ্য ঃ ২৬ জানুৱাৰীত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সামাজিক সমাৰোহৰ আযোজন কৰা।

৭। শ্বিলং কলা-পৰিষদ ন্যাস পুঁজি (১৯৮২)

দাতা ঃ শ্বিলং কলা পৰিষদ

ধনৰ পৰিমাণ ঃ তেৰ হাজাৰ একত্ৰিছ টকা

উদ্দেশ্য ঃ শংকৰী শিল্প-সাহিত্য সম্পৰ্কীয় আলোচনা-চক্ৰ আৰু পুথি প্ৰকাশনৰ ব্যৱস্থা কৰা।

৮। তীৰ্থৰাম বৰদলৈ স্মাৰক বক্তৃতা পুঁজি (১৯৮৫)

দাতা ঃ ডাঃ নবীন চন্দ্ৰ বৰদলৈ

ধনৰ পৰিমাণ ঃ পঞ্চাশ হেজাৰ টকা

উদ্দেশ্য ঃ ভাৰতীয পণ্ডিতৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সাহিত্য-সংস্কৃতিমূলক বক্তৃতাৰ আযোজন।

৯। চন্দ্ৰকান্ত বৰপূজাৰী স্মাৰক বক্তৃতা- পুঁজি (১৯৮৫)

দাতা ঃ হেৰম্বকান্ত বৰপূজাৰী

ধনৰ পৰিমাণ ঃ পযত্ৰিছ হাজাৰ টকা

উদ্দেশ্য ঃ অসমৰ প্ৰাচীন, মধ্যযুগীয়া বা আধুনিক কালৰ বুৰঞ্জীৰ বিষযে . বক্তৃতাৰ আয়োজন।

১০। ভোগেশ্বৰ কণকা সোঁৱৰণী ন্যাস- পুঁজি (১৯৮৮)

দাতা ঃ লম্বোদৰ গোহাঁই

ধনৰ পৰিমাণ ঃ ৫০,১৪১ ৫০ টকা

উদ্দেশ্য ঃ ধৰ্ম-দৰ্শন বিষযক বক্তৃতাৰ আযোজন কৰা।

১১। তাৰা প্ৰসাদ চক্ৰবৰ্তী সোঁৱৰণী ন্যাস- পুঁজি (১৯৮৭)

দাতা ঃ নিজৰা দেৱী চক্ৰৱৰ্তী

ধনৰ পৰিমাণ ঃ ১,০০,১৩৮ ৫০ টকা

উদ্দেশ্য ঃ শিশু সাহিত্য প্ৰকাশ কৰা আৰু 'তাৰা প্ৰসাদ চক্ৰৱৰ্তী সোঁৱৰণী শিশু গ্ৰন্থমেলা' পতা।

১২। চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস- পুঁজি

দাতা ঃ ৰাধাকান্ত সন্দিকৈ

ধনৰ পৰিমাণ ঃ ১৭,৪০০ ০০ টকা

উদ্দেশ্য ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন মেৰামতি কৰা।

অসম সাহিত্য সভাৰ নিয়মীয়া কাৰ্য-সূচী

১। 'অৰুনোদই' দিৱস — ১ জানুৱাৰী

২। জ্যোতি দিৱস — ১৭ জানুৱাৰী

৩। সাহিত্য সভা সপ্তাহ — ১৭-২৩ জানুৱাৰী

৪। ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ দিৱস — ২৬ জানুৱাৰী

৫। সাহিত্য দিবস (বেজবৰুৱা স্মৃতি দিৱস)— ২৬ মাৰ্চ

৬। বিষ্ণুপ্ৰসাদ ৰাভা দিৱস — ২০ জুন

৭। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মৃতি দিৱস — ৯ ছেপ্টেম্বৰ

৮। সংহতি দিৱস (অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতি দিৱস) — ১৮ ডিচেম্বৰ

৯। শৰৎ চন্দ্ৰ গোস্বামী স্মৃতি দিৱস — ১৯ ডিচেম্বৰ

১০। পদ্মনাথ গোহাঞিবৰুৱা স্মৃতি দিৱস — ২৬ ডিচেম্বৰ

১১। প্ৰতিষ্ঠা দিৱস — ২৭ ডিচেম্বৰ।

অসম সাহিত্য সভাই প্ৰদান কৰা উপাধি কেইটা ঃ

(ক) ৰসৰাজ (খ) সদস্য মহীয়ান (গ) কাব্য-ভাৰতী (ঘ) সাহিত্যাচাৰ্য্য

অসম সাহিত্য সভাৰ প্ৰকাশন ঃ

অসম সাহিত্য সভাই প্ৰায় চাৰিশখনৰো অধিক মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। সেই গ্ৰন্থসমূহৰ ভিতৰত কেইখনমান হ'ল — নীলকণ্ঠ দাসৰ শ্ৰীদেৱ দামোদৰ চৰিত্ৰ (১৯২৫), বলোৰাম দ্বিজৰ শ্ৰী শ্ৰী ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ (১৯৩৩), চন্দ্ৰকান্ত অভিধান (১৯৩৩), নকুল চন্দ্ৰ ভূঞাৰ 'চাহ বাগিচাৰ বনুৱা (১৯৬০), আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ভাষা' (সঃ ডঃ মহেশ্বৰ নেওগ ১৯৪৯), অতুল চন্দ্ৰ হাজৰিকাৰ সম্পদনা অসম সাহিত্য সভাৰ ভাষণাৱলী প্ৰথম ভাগ (১৯৫৫), অতুল চন্দ্ৰ হাজৰিকাৰ সম্পাদনা 'অসম সাহিত্য সভাৰ ভাষণাৱলী দ্বিতীয় ভাগ (১৯৫৭), অতুল চন্দ্ৰ হাজৰিকাৰ সম্পাদনা 'অসম সাহিত্য সভাৰ ভাষণাৱলী তৃতীয় ভাগ (১৯৬১), যতীন্দ্ৰ নাথ গোস্বামীৰ সম্পাদনা 'অসম সাহিত্য সভাৰ ভাষণাৱলী' চতুৰ্থ ভাগ (১৯৭৩), ডঃ মহেশ্বৰ নেওগৰ সম্পাদনাত বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া খণ্ড বাক্য কোষ' (১৯৬১), সংকলযিতা-সম্পাদনা ডঃ মহেশ্বৰ নেওগ 'পৱিত্ৰ অসম' (১৯৬০), বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে অনুবাদ কৰা বিশ্বনাথ কবিৰাজৰ 'সাহিত্য দৰ্পণ (১৯৬৪), ডঃ মুকুণ্ড মাধৱ শৰ্মাই অনুবাদ কৰা কবিৰাজ শেখৰৰ 'কৰ্পূৰ মঞ্জৰী (১৯৬৩), যতীন্দ্ৰ নাথ গোস্বামীৰ 'ৰাজ্যিক ভাষা অসমীয়া' (১৯৫৯), অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'ৰাজ্যিক ভাষাৰ সমৰ্থনত (১৯৬০), যতীন্দ্ৰ নাথ গোস্বামীৰ সম্পাদনাত লক্ষ্মীনাথ

বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' (১৯৬১), ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত 'অৰুনোদইৰ ধলফাট' (১৯৬৫), ডঃ মহেশ্বৰ নেওগ আৰু ডঃ হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত 'সাহিত্য সমীক্ষা' (১৯৬৩), হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈৰ সম্পাদনাত 'অসমীয়া সংস্কৃতি' (১৯৬৬), হৰিপ্ৰসাদ নেওগৰ সম্পাদনা 'অসম সাহিত্য সভা পৰিচিতি' (১৯৬৬), ড" হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত 'ৰজনীকান্ত বৰদলৈ ৰচনা মালা' (১৯৬৭), শশীকান্ত শৰ্মাৰ সম্পাদনাত 'চন্দ্ৰ কুমাৰ আগৰবালা প্ৰতিভা' (১৯৬৭), ডিম্বেশ্বৰ নেওগ স্মৃতি গ্ৰন্থ (১৯৬৭), অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতি গ্ৰন্থ (১৯৬৮), ৰঘুনাথ চৌধাৰী স্মৃতি গ্ৰন্থ (১৯৬৮), নকুল চন্দ্ৰ ভূঞা স্মৃতি গ্ৰন্থ (১৯৬৯), অতুল চন্দ্ৰ হাজৰিকাৰ সম্পাদনাত 'বেজবৰুৱাৰ গ্ৰন্থাৱলী' প্ৰথম খণ্ড (১৯৬৮), দ্বিতীয় খণ্ড (১৯৭০), ডঃ মহেশ্বৰ নেওগৰ সম্পাদনাত লক্ষ্মীনাথ বেজবৰুৱাৰ 'পত্ৰলেখা' (১৯৬৮), 'বেজবৰুৱাৰ দিন লেখা' (১৯৬৮), ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ সম্পাদনাত 'গোহাঞি বৰুৱাৰ প্ৰতিভা' (১৯৭১), আব্দুছ ছাত্তাৰৰ সম্পাদনাত 'মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী' (১৯৭০), বেণুধৰ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী (১৯৭২), বেণুধৰ শৰ্মাৰ সম্পাদনাত 'হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী' (১৯৭২), নলিনীবালা দেবীৰ 'অলকানন্দা' (১৯৬৭), হোমেন বৰগোঁহাঞিৰ সম্পাদনাত 'বিংশ শতিকাৰ অসমীয়া সাহিত্য' (১৯৬৭) নন্দ তালুকদাৰৰ সম্পাদনাত 'কনকলাল বৰুৱা ৰচনাৱলী' (১৯৭২) গিৰিধৰ শৰ্মাৰ সম্পাদনাত 'অসমীয়া জাতিৰ ইতিবৃত্ত' (১৯৭৪), ডঃ মহেন্দ্ৰ বৰা আৰু যতীন্দ্ৰ নাথ গোস্বামীৰ সম্পাদনাত 'আনন্দ চন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী' (১৯৭৪), বীৰেন্দ্ৰ নাথ দত্তৰ সম্পাদনাত 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ' (১৯৭৪), পবন শইকীয়াৰ 'দেউৰী চুতীয়া' (১৯৭৪), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মপিন উছৱ' (১৯৭৪), বিজয় চন্দ্ৰ ভাগবতীৰ ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা' (১৯৭৬), যতীন্দ্ৰ নাথ গোস্বামী আৰু নগেন শইকীয়াৰ সম্পাদনাত 'চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী' (১৯৭৪), শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী, শিশু জ্ঞান কোষ (৫ম খণ্ড), শিশু জ্ঞানকোষ (৩য় খণ্ড), দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা ৰচনাৱলী, তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলী, A Few Aspects Assamese Literature and Culture, অসমৰ নদ-নদী, শিল্প-আলোচনা, অসমৰ চিত্ৰকলা, মাযং অঞ্চলৰ লোক-সংস্কৃতি, অসমৰ ওজাপলি, ভগৱতী প্ৰসাদ বৰুৱা, পাণিপথ, অসমৰ বাদ্যযন্ত্ৰ আদি।

১৯১৯ চনৰ ২৬, ২৭ ডিচেম্বৰত বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ তৃতীয় অধিবেশনত সাহিত্য সভাৰ নাম 'আসাম সাহিত্য সভা'ৰ ঠাইত 'অসম সাহিত্য সভা' কৰাৰ প্ৰস্তাৱ উঠে। পিছে, ১৯৪০ চনতহে অসম সাহিত্য সভাৰ যোৰহাট

অধিবেশনত সভাৰ নাম অসম সাহিত্য সভা (Assam Sahitya Sabha) ৰখা হয়। ১৯৪৪ চনত শিৱসাগৰত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত সভাৰ নাম Asom Sahitya Sabha ৰখা হয়। ১৯৫৩ চনত অতুল চন্দ্ৰ হাজৰিকা সভাপতিত্বত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ শ্বিলং অধিবেশনত সভাৰ নাম অসম সাহিত্য সভা (Asam Sahitya Sabha) ৰখা হয়।

সভাৰ মূল শক্তি হ'ব— (ক) মূল সভা (খ) জিলা সভা (গ) শাখা সভা আৰু (ঘ) স্বীকৃত সভা। সভাৰ পাঁচ শ্ৰেণীৰ সভ্য আছে। তেওঁলোক হ'ল— (ক) সাধাৰণ সভ্য (খ) আজীৱন সভ্য (গ) সন্মানিত সভ্য (প্ৰাক্তন সভাপতিসকল) (ঘ) বিশেষ সভ্য আৰু (ঙ) হিতৈষী সভ্য। সভাৰ সভ্য হ'বলৈ অন্যূন ওঠৰ বছৰ হ'ব লাগে। সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিত থাকিব— ১। সভাপতি ২। উপ-সভাপতি ৩। প্ৰধান সম্পাদক ৪। সহকাৰী সম্পাদক — কেন্দ্ৰীয় কাৰ্যালয়, গুৱাহাটী কাৰ্যালয়, ডিফু আঞ্চলিক কাৰ্যালয় আৰু ধুবুৰী আঞ্চলিক কাৰ্যালয় ৫। ধনভঁৰালী, যোৰহাট ৬। ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব, যোৰহাট ৭। পত্ৰিকা সম্পাদক ৮। জাতীয় ন্যাস পুঁজিৰ আহ্বায়ক ৯। চাহ বাগিচা উপ-সমিতিৰ আহ্বায়ক ১০। চৰ-চাপৰি উপ-সমিতিৰ আহ্বায়ক ১১। প্ৰাৰম্ভিক বৈঠকে মনোনয়ন দিয়া ছয় গৰাকী বিশিষ্ট লেখক-লেখিকা ১২। প্ৰত্যেক জিলা সভাৰ সভাপতি নাইবা তেওঁৰ পৰিবৰ্তে এজনকৈ প্ৰতিনিধি ১৩। বিদায়ী প্ৰধান সম্পাদক পদেন সদস্য হ'ব পাৰে যদিও তেওঁলোকৰ ভোটাধিকাৰ নাথাকে।

সভাৰ চাৰি ঠাইত কাৰ্যালয় আছে — ১। কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট — ৭৮৫০০১ ২। গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী ৭৮১০০১ ৩। ডিফু কাৰ্যালয় ঃ বাংহিনা ভৱন, ডিফু ৭৮২৪৬০ ৪। ধুবুৰী কাৰ্যালয় ঃ সাহিত্য সভা ভৱন, ধুবুৰী ৭৮৩৩০১।

সভাৰ পতাকা উত্তোলনৰ গীত আৰু জাতীয় সংগীতটি হ'ল ঃ

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন সুৰলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত

পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই। (লক্ষ্মীনাথ বেজবৰুৱা)

অসম সাহিত্য সভাৰ আৰম্ভণী গীতটো হ'ল :

চিৰ চেনেহী মোৰ ভাষা জননী
আই ধন্য পুণ্যে হৃৎ পাৱনী
প্ৰকৃতি পৰশ বসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চম্পাৰ ক'লি
টৌৱে টৌৱে টৌৱে তুলি
বিণিকি বিণিকি কোনে তোলে ৰাগিনী।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ।
হিয়াত বিলীন হয় হিয়াভৰা গান।।
কাৰ নিচুকনি সনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে' মোৰ মধুৰ ননা মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী।। (মিত্ৰদেৱ মহন্ত অধিকাৰ)

অসম সাহিত্য সভাই দলগত ৰাজনৈতিক, সাম্প্ৰদায়িক আৰু স্বাৰ্থৰ ঊৰ্ধত থাকি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ চিন্তা কৰি আহিছে, যদিও সভাৰ আৰু অধিক সক্ৰিয়তা বাইজে বিচাৰে। বিশেষকৈ এচাম সাহিত্যিক সভাৰ পৰা আঁতৰি থকা বুলি ওলোৱা কথাটো উদ্বেগজনক। অসমীয়া লেখকৰ গ্ৰন্থ প্ৰকাশনৰ সমস্যা আৰু লেখকৰ প্ৰাপ্য ৰয়েলিটীৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সম্পৰ্কে অসম সাহিত্য সভাই কোনো ভূমিকা লোৱা পৰিলক্ষিত হোৱা নাই। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে। প্ৰকৃত সাহিত্যিকৰ মাজত সাহিত্যিক পেন্সন বিতৰণ আৰু অভাৱগ্ৰস্ত সাহিত্যিকলৈ

অনুদান যোগানৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ বহুখিনি কৰণীয় আছে বুলি ৰাইজে ভাবে। উল্লেখ্য যে, ইতিমধ্যে বহুকেইজন সাহিত্যিকে সা'হিত্যিক পেন্সন নোপোৱাকৈ তথা অভাৱৰ তাডনাত পৰি মৃত্যু মুখত পৰিছে। বহুতো প্ৰখ্যাত লেখকৰ পাণ্ডুলিপি ধনৰ অভাৱত লেখকৰ হাততে নষ্ট হোৱাৰ প্ৰমাণ পোৱা যায। সমগ্ৰ অসমৰ গাঁৱে-ভূঁএে গঢ়ি উঠা ইংৰাজী বিদ্যালয আৰু দুই-এখন প্ৰান্তীয ৰাজ্যৰ ভাষাৰ বিদ্যালযে অসমীযা ভাষাৰ মহা সংকট নমাই অনাৰ দিশটো অসম সাহিত্য সভাই কোনো গুৰুত্ব সহকাৰে ল'ব নোৱৰাৰ বিষযটোৱে অসমীযা ৰাইজক চিন্তিত কৰিছে। অসমত ২ ২৩ কোটিৰ অধিক জনসংখ্যা থকা ৰাজ্যখনত এজন লেখকৰ কোনো এখন গ্ৰন্থৰ দুই হাজাৰখন প্ৰকাশিত গ্ৰন্থ বিক্ৰী হওঁতে দহ-বাৰ বছৰৰ অধিক কালৰ প্ৰযোজন হয বুলি প্ৰাযে প্ৰকাশকসকলে অভিযোগ কৰে। চাবলৈ গ'লে, অসমীয়া লেখকৰ বাবে এইটো বৰ হতাশাজনক আৰু অপমান বোধক কথা। আজি অসম সাহিত্য সভাই এই বিষয়টোহে প্ৰথম স্থানত লৈ চিন্তা-চৰ্চা আৰম্ভ কৰিব লাগিছিল। আন পটুৰে বাদ দিও, অসম সাহিত্য সভাৰ সদস্যসকলে, জিলা সভা আৰু শাখা সভাসমূহে একপিকৈও কিতাপ কিনিলে, এখন কিতাপৰ দুই হাজাৰখন বিক্ৰী হ'বলৈ সময নিশ্চয মুঠে নালাগিব। তদুপৰি প্ৰতিখন প্ৰাথমিক বিদ্যালয়, উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয, মহাবিদ্যালয, বিশ্ববিদ্যালয, চৰকাৰী তথা বেচৰকাৰী পুথিভঁৰালসমূহে এখনকৈও কিতাপ কিনাৰ অভ্যাস গঢ়ি তুলিলে, লেখকৰ কিতাপ বিক্ৰীৰ সমস্যা নিশ্চয নেথাকিলহেতেন। অসম সাহিত্য সভাই সভাৰ অধিবেশনলৈ জন সমাবেশ গঢ়ি তোলাত যিটো গুৰুত্ব দিয়ে, আমি ভাবো এই দিশটোতহে সভাই সেই গুৰুত্ব দিয়া উচিত আছিল।

অসমৰ কাৰ্যালয়সমূহত এতিয়াও অসমীযা ভাষাৰ প্ৰযোগ আৰু প্ৰচলনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব নোৱৰাত সাহিত্য সভাৰ ভূমিকা সম্পৰ্কে ৰাইজৰ প্ৰশ্ন জাগিছে। অসমৰ সকলো লেখকৰ এখন পূৰ্ণাংগ গ্ৰন্থৰ তালিকা আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী অসম সাহিত্য সভাই আমাক দিব পাৰিব লাগিছিল। এখন পূৰ্ণাংগ অসমীযা অভিধান আৰু এখন ভাল ব্যাকৰণো অসম সাহিত্য সভাই আমাক দিব পাৰিব লাগিছিল।

সাহিত্য অকাডেমী বঁটা পোৱা অসমীয়া গ্ৰন্থ এখনকৈ পাঠকৰ যিটো আকৰ্ষণ, অসম সাহিত্য সভাৰ বঁটা পোৱা গ্ৰন্থখনলৈ সেই আকৰ্ষণ মুঠে নাই। একে অসমীয়া কিতাপৰে এই দুয়োটা পুৰস্কাৰৰ মাজত ৰুচিৰ কিয ইমান ভিন্নতা হ'বলৈ পাইছে, সভাই তাৰো চিন্তা-চৰ্চা কৰা উচিত বুলি আমি ভাবোঁ।

অসম সাহিত্য সভাক এটা শ্ৰদ্ধা জনোৱা অনুষ্ঠানৰূপেও আমি সদায় আগস্থান দিব লাগিব। অসম সাহিত্য সভাৰ সভাপতিৰ চিনাকিটোৱে জাতীয সাহিত্যৰ শেষ

চিনাকিৰ নিচিনা হৈছে। অসমত এই পদৰ বাবে যোগ্যজন বহুত আছে। বহু যোগ্যজনে ইতিমধ্যে এই সন্মানৰ মুখ নেদেখাকৈ মৃত্যুৰ গৰাহত পৰিছে। আগতে প্ৰতিবছৰে এজনে এই সন্মান লাভ কৰিছিল। এতিয়া একৈছ শতিকাৰ পৰা অসম সাহিত্য সভাৰ অধিবেশন দুবছৰীয়া হ'ব। ইয়াৰ দ্বাৰা আমি সভাপতিৰ সংখ্যাহে কমালোঁ। অৰ্থাৎ এতিয়াৰেপৰা সভাপতি পদৰ কাৰণে তুমুল প্ৰতিদ্বন্দ্বিতা হ'ব আৰু বহুজনে যে সেই সন্মানৰপৰা বঞ্চিত হ'ব, সি ধ্ৰুৱপ। সভাক কেৱল সাহিত্যিকৰ অনুষ্ঠান হিচাপে নাৰাখি, মেলা মুখিতালৈৰূপ দিয়াৰ কাৰণতে নিশ্চয় এই সিদ্ধান্ত ল'ব লগা হ'ল। সভাক এবছৰীয়াৰ ঠাইত দুবছৰীয়া কৰাত আমাৰ কিন্তু সদায় আপত্তি থাকিব।

অসমৰ পৰ্বত-ভৈয়াম জাতি-জনজাতিৰ মাজত ঐক্য সংহতিৰ কথা সদায় কোৱা হয়। কিন্তু চাওঁতে চাওঁতে প্ৰায় গোটেই অসমখনে ডোখৰ ডোখৰ হৈ ছেদেলি-ভেদেলি হ'ল। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ ঐক্যৰ সেতুখনহে আমাৰ দৃষ্টিগোচৰ নহ'ল।

অসম সাহিত্য সভাৰ গুৱাহাটী ভগৱতী প্ৰসাদ বৰুৱা ভৱন কাৰ্যালয়ত অসমৰ পুৰণি কীৰ্ত্তি-ঐতিহ্য, পুৰণি পুথি-পাঁজি, ন-পুৰণি সকলো অসমীয়া লেখকৰ গ্ৰন্থ সংগ্ৰহ, অসম সাহিত্য সভাৰ সকলো প্ৰকাশন অধিবেশনৰ শাখা সন্মিলনীৰ সভাপতিৰ অভিভাষণ, মূল সভাৰ সভাপতিৰ অভিভাষণ, অভ্যৰ্থনা সমিতিৰ সভাপতিসকলৰ অভিভাষণ, অসমীয়া ভাষাৰ সকলো বাতৰি কাকত-আলোচনী আদি সকলো পাঠকৰ বাবে সকলো সময়তে মুকলি ৰখাৰ দিহা কৰা উচিত।

তদুপৰি অসম সাহিত্য সভাই তেওঁলোকৰ কাৰ্যালয়ত যিবোৰ কৰ্মচাৰী নিয়োগ কৰে, সেই কৰ্মচাৰী সাহিত্য-সাধকৰ মাজত অগ্ৰাধিকাৰ ভিত্তিত নিযোগ কৰি দৃষ্টান্ত দেখুৱাব পাৰে।

গুৱাহাটীত থকা ৰবীন্দ্ৰ ভৱনৰ দৰে, গুৱাহাটীতে তেনে গুৰুত্ব লাভ কৰা এটি অনুষ্ঠান 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নিৰ্মাণ কৰাৰ বাবে অসম সাহিত্য সভাই উদ্যোগ লোৱা উচিত। আমাৰ প্ৰান্তীয় ৰাজ্যতো সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বা আমাৰ অন্য সাহিত্যিকৰ নামে ভৱন বা অন্য চকুত লগা বিধৰ স্থায়ী কাম কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক সভাই প্ৰস্তাৱ দিয়া উচিত বুলি আমি ভাবোঁ।

অসম সাহিত্য সভাৰ সভাপতিসকল সকলোৰে শ্ৰদ্ধেয় আৰু সন্মানীয় ব্যক্তি। তেওঁলোকৰ অৱদানে আমাৰ ভাষা-সাহিত্যক ধন্য কৰিছে, মহীয়ান কৰিছে জাতিক। এই জ্ঞানতপস্বী, জীৱনজোৰা সাধকসকলক সামান্যতম হলেও শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে, আমাৰ যৎপৰোনাস্তি চেষ্টাৰে এই গ্ৰন্থখন প্ৰস্তুত কৰি উলিয়ালোঁ। ইয়াৰ আগতে ১৯৯২ চনত 'অসম সাহিত্যসভাৰ সভাপতিসকল' শীৰ্ষক গ্ৰন্থ এখন ছপা কৰিছিলোঁ। ১৯১৭ চনত জন্ম লাভ কৰা 'অসম সাহিত্য সভা'ই বৰ্তমান এটা শতাব্দী পাৰ কৰিলে। শতাব্দীৰ

অৰ্ঘ্য হিছাপে বৰ্তমান 'অসম সাহিত্য সভাৰ সভাপতিসকল' পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ।

গ্ৰন্থখন প্ৰস্তুত কৰোঁতে বিভিন্ন লেখকৰ ৰচনাৰাজিৰ সহায় লোৱা হৈছে। বহুতো লেখকৰ জন্ম চনটোৱে আমাক বহু সময়ত বিপাঙত পেলাইছে। কোনো কোনোজন লেখকে নিজৰ জন্ম চন কুষ্টিৰ মতেও উল্লেখ কৰে আৰু কেতিয়াবা স্কুলত ভৰ্ত্তিৰ মতেও উল্লেখ কৰে। এনে চন-তাৰিখ নিৰ্দ্ধাৰণ কৰা টান। চন-তাৰিখ সংগ্ৰহৰ অন্যান্য সমস্যাও আছে। সাহিত্য সভা সম্পৰ্কেও তথ্য সংগ্ৰহত এনে সমস্যাৰ সন্মুখীন হৈছোঁ সকলোবোৰ চালি-জাৰি চাই শুদ্ধ তথ্য ব্যৱহাৰত চেষ্টাৰ ত্ৰুটী কৰা নাই। আৰু কিছুমান তথ্য কিতাপখনত সন্নিবিষ্ট কৰাৰ আশা আছিল। বহু চেষ্টা কৰিও, চিঠি-পত্ৰ লিখি, সাহিত্য সভাৰ দুই চাৰিজন সংশ্লিষ্ট ব্যক্তিক লগ কৰি বিচৰা তথ্য আহৰণত ব্যৰ্থ হ'ব লগা হ'লোঁ।

"এই গ্ৰন্থখনৰ বাবে আগ্ৰহেৰে 'আগকথা' এটি লিখি আমাক উৎসাহিত কৰা বাবে মননশীল লেখক, বিশিষ্ট জীৱনীকাৰ, গুৱাহাটী আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা ডঃ শিৱনাথ বৰ্মনৰ আন্তৰিক শলাগ ললোঁ। প্ৰথিতযশা শিল্পী-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীযুত লক্ষ্যধৰ চৌধুৰী আৰু প্ৰথিতযশা কবি, সুপণ্ডিতা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী শ্ৰদ্ধেয়া ড' নিৰ্মল প্ৰভা বৰদলৈয়ে কিতাপখন সম্পৰ্কে একোটিকৈ অভিমত লিখি দি আমাক অতিকৈ কৃতাৰ্থ কৰিছে। কিতাপখনৰ বেটুপাতটি অংকন কৰি দিয়া বাবে প্ৰবীণ চিত্ৰশিল্পী বেণু মিশ্ৰৰ ওচৰত কৃতজ্ঞ হ'লোঁ। ভিতৰৰ পৃষ্ঠাৰ সভাপতিসকলৰ ছবি সমূহ বন্ধুবৰ ধনঞ্জয় শৰ্মাই আঁকি দিয়াত তেওঁৰ শলাগ ললোঁ। গ্ৰন্থখন আগ্ৰহেৰে প্ৰকাশৰ দায়িত্ব লোৱা বাবে চন্দ্ৰ প্ৰকাশনৰ বিশিষ্ট প্ৰকাশক, ৰাজেন্দ্ৰ মোহন শৰ্মাৰো শলাগ ললোঁ। আশাকৰো, গ্ৰন্থখনে ৰাইজৰ সমাদৰ লাভ কৰিব।

সমীন কলিতা

২৯ ১১ ৯৯ — ক্ষুদ্ৰদধি (হাজো)

পদ্মনাথ গোহাঞি বৰুৱা



আধুনিক অসমীয়া সাহিত্যক প্ৰতিষ্ঠা কৰিবলৈ যিসকল ব্যক্তিয়ে আপ্ৰাণ চেষ্টা চলাইছিল, সেইসকলৰ ভিতৰত পদ্মনাথ গোহাঞি বৰুৱা অন্যতম। তেওঁ আছিল একেধাৰে কবি, ঔপন্যাসিক, নাট্যকাৰ, জীৱনীকাৰ, হাস্যৰসিক, প্ৰবন্ধকাৰ আৰু সাংবাদিক।

গোহাঞি বৰুৱাৰ জন্ম হয় ১৮৭১ চনৰ ২৪ অক্টোবৰত (আঘোণ মাহৰ ৯ তাৰিখে) উত্তৰ লক্ষীমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাঁৱত। তেওঁৰ পিতাকৰ নাম ঘিণাৰাম গোহাঞি বৰুৱা আৰু মাতৃ লম্ভী দেৱী। ১৮৭৯ চনত তেওঁ উত্তৰ লক্ষীমপুৰ প্ৰাথমিক বিদ্যালয়ত ভৰ্ত্তি হয়। তাৰপিছত ১৮৮৪ চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলত পঢ়ি, ডিব্ৰুগড় কেন্দ্ৰত পৰীক্ষা দি ১৮৯০ চনত তেওঁ এন্ট্ৰেঞ্চ (প্ৰৱেশিকা) পৰীক্ষা পাছ কৰাৰ পিচত তেওঁ উচ্চ শিক্ষা লাভ কৰিবলৈ কলিকতালৈ যায় আৰু তাৰ ৰিপণ কলেজত ভৰ্তি হয়। তেওঁ কলিকতাত এফ এ পঢ়োতে চেণ্ট জেভিয়াৰ্চ, জেনেৰেল এছেম্বলি আদি কলেজতো পঢ়িব লগীয়া হৈছিল। তেওঁ ওকালতি শ্ৰেণীটো নাম লগাইছিল। কিন্তু পঢ়া শেষ নকৰাকৈ অসমলৈ উভতি আহে।

অসমলৈ আহি কহিমা চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ত তেওঁ প্ৰধান শিক্ষকৰূপে নিযুক্ত হয়। তেওঁ কৰ্মময় জীৱনত 'তেজপুৰ নৰ্মাল স্কুল', তেজপুৰ চৰকাৰী হাইস্কুল,

যোৰহাট চৰকাৰী হাইস্কুল আদিতো কাম কৰে। কহিমাত থাকোতে তেওঁ লীলাবতীৰ লগত বিবাহ পাশত আবদ্ধ হয়। লীলাবতীৰ অকাল মৃত্যু হোবাত তেওঁ 'হীৰাবতী'ৰ লগত দ্বিতীয়বাৰৰ বাবে বিবাহ পাশত আবদ্ধ হয়। এওঁৰ গৰ্ভতে সাতজনী ছোৱালী আৰু এটি লৰাৰ জন্ম হয়। কহিমাত থাকোতে তেওঁ অ ভা উ সা সভা আৰু কহিমা সাহিত্য সভা প্ৰতিষ্ঠা কৰে। এই দুয়োখন সভাৰে তেওঁ আছিল প্ৰতিষ্ঠাপক সম্পাদক। তেজপুৰ নৰ্মাল স্কুলত প্ৰধান শিক্ষকৰূপে কাম কৰি থাকোতে, তাত তেওঁ তেজপুৰ অ ভা উ সা সভাৰ সম্পাদক নিৰ্বাচিত হয়। তেওঁৰ যত্নতে তেজপুৰত 'নামঘৰ' আৰু 'বাণ ৰংগ মঞ্চ' স্থাপন হয়। তেওঁ কিছুকাল ধৰি অসম ব্যৱস্থাপক সভাৰ সদস্য থকাৰ উপৰিও তেজপুৰ পৌৰসভাৰ সভাপতি আছিল। গোহাঞি বৰুৱা 'অসম ৰায়ত সভা' সদৌ অসম শিক্ষক সন্মিলনী আহোম সভা, অসম মণ্ডল কাননগো সন্মিলনী, জয়মতী উৎসৱ সমিতি আদিৰ লগতো জড়িত আছিল। ১৯১৮ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্মিলনৰ তৃতীয় বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰিছিল গোহাঞি বৰুৱাই।

গোহাঞি বৰুৱাই লক্ষীমপুৰৰ ছাত্ৰবৃত্তি স্কুলত পঢ়া সময়ৰে পৰা সাহিত্য চৰ্চা আৰম্ভ কৰে। তেওঁৰ বন্ধু পানীন্দ্ৰ নাথ গগৈৰ লগত লগ লাগি দুয়ো সাহিত্য সাধনাত ব্ৰতী হয়। ১৮৯০ চনত তেওঁ কলিকতাত পঢ়া কালত 'জোনাকী'ৰ সংস্পৰ্শলৈ আহে। সেই সময়ছোৱাতে তেওঁ বেণুধৰ ৰাজখোৱাৰ সৈতে লগ লাগি প্ৰকাশ কৰে 'ডেকা গাভৰু'। 'ডেকা গাভৰু' আছিল এখনি বিহু গীতৰ গ্ৰন্থ। এই গ্ৰন্থখনকো 'জোনাকী'য়ে অশ্লীল বুলি অভিমত দিয়াত ৰাজখোৱা আৰু গোহাঞি বৰুৱাই ক্ষুণ্ণ হয় আৰু তেতিয়াৰে পৰা তেওঁলোকে 'জোনাকী'ৰ সৈতে সম্পৰ্ক ছেদ কৰে। লগে লগে সমান্তৰালভাৱে তেওঁলোকে প্ৰকাশ কৰে 'বিজুলী' আৰু 'অসম লিটাৰেৰী ক্লাব'। 'বিজুলী'ৰ প্ৰথম প্ৰধান সম্পাদক কৃষ্ণ প্ৰসাদ দুৱৰা। কৃষ্ণ প্ৰসাদ দুৱৰাই কলিকতা এৰিব লগীয়া হোৱাত, দ্বিতীয় বছৰৰপৰা 'বিজুলী'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে গোহাঞি বৰুৱাই। পিছে তেওঁ কলিকতা এৰিব লগীয়া হোৱাত, 'বিজুলী'ৰ প্ৰকাশ বন্ধ হয়। ১৯০১ চনত তেজপুৰৰ 'আসাম চেন্ট্ৰেল প্ৰেছ'ৰ পৰা প্ৰকাশ পায় 'আসাম বন্তি'। এই কাকতৰ প্ৰথম সম্পাদক আছিল মথুৰা মোহন বৰুৱা। এই 'আসাম বন্তি'ৰো তেওঁ সম্পাদনা আৰু পৰিচালনাৰ ভাৰ গ্ৰহণ কৰিবলগীয়া হৈছিল। ১৯৪৬ চন পৰ্যন্ত ই প্ৰকাশিত হয়। তেওঁৰ সম্পাদনাতে তৃতীয়খন আলোচনী 'ঊষা' প্ৰকাশিত হয়। এই সময়ছোৱাতে লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পায় 'বাঁহী' আলোচনী। ১৯১১ চনত 'ঊষা'ৰো প্ৰকাশ বন্ধ হয়।

গোহাঞি বৰুৱাই অসমীয়া সাহিত্যলৈ যাউতিযুগীয়া বৰঙণি আগবঢ়াইছে। ছাত্ৰাৱস্থাতে তেওঁৰ বন্ধু পানীন্দ্ৰ নাথ গগৈৰ সৈতে ৰচনা কৰিছিল 'পদ্মপাণি' নামে

এখনি কবিতা পুথি। তেওঁৰ প্ৰথমা পত্নী 'লীলাৱতী'ৰ মৃত্যুত ৰচনা কৰে 'লীলা কাব্য'। 'জুৰণি' (১৯০১) আৰু 'ফুলৰ চানেকি' (১৯৪১) তেওঁৰ আন দুখন কবিতা গ্ৰন্থ।

তেওঁ কেইবাখনো জাতীযতাবোধক নাটক ৰচনা কৰিছে। স্কুলীয়া অৱস্থাতে কামাখ্যলৈ আহোতে বঙালী 'অভিমন্যু বধ' যাত্ৰাভিনয চাই, শিৱসাগৰত মঞ্চ সাজি এই যাত্ৰাভিনয কৰে। সেই সমযত অসমত বঙালী নাটকৰ প্ৰভাৱ বেছি আছিল। এই অভাৱ দূৰ কৰাৰ বাবে তেওঁ অসমৰ ইতিহাস ভিত্তিত কেইবাখনো নাট ৰচনা কৰি উলিযাইছিল। সেই নাটকৰ ভিতৰত হ'ল— জযমতী (১৯০০), গদাধৰ (১৯০৭), সাধনী (১৯১১) আৰু 'লাচিত বৰফুকন (১৯১৫) আদি। তেওঁৰ প্ৰহসনমূলক নাটক তিনিখন হ'ল— গাওঁ বুঢ়া (১৮৯৭), টেটোন তামুলী (১৯০৯) আৰু ভূত নে ভ্ৰম (১৯১৫)। পৌৰাণিক নাটক — 'বাণ ৰজা' (১৯৩২)। তেওঁ তেজপুৰৰ বাণ ৰঙ্গমঞ্চৰ এগৰাকী পৃষ্ঠপোষক আছিল।

তেওঁৰ উপন্যাস দুখন হ'ল— ভানুমতী (১৮৯০) আৰু লাহৰী (১৮৯২)। আত্মজীৱনী— 'মোৰ সোঁৱৰণী' (১৯৭২)। ধৰ্মমূলক গ্ৰন্থ— শ্ৰী কৃষ্ণ (১৯৩০)। মদ্ভাগৱত গীতাৰ আলমত ৰচনা কৰে— 'গীতাসাৰ' (১৯৩৫)। অসমীয়া শিক্ষাৰ্থীসকলৰ পাঠ্যপুথিৰ অভাৱ দূৰ কৰিবলৈ ৰচনা কৰে— নীতি শিক্ষা আদি শিক্ষা, মহাৰাণী বুৰঞ্জীবোধ, অসম বুৰঞ্জী, হিন্দু বুৰঞ্জী, সাহিত্য সংগ্ৰহ (১৮৯০), জীৱনী সংগ্ৰহ (১৯১৫), বুৰঞ্জীবোধ, ভূগোল দৰ্পণ, দেশী কছৰৎ, শিক্ষাবিধি আদি গ্ৰন্থ।

১৯১৭ চনত অসম সাহিত্য সভাৰ জন্ম হয। এই সভাৰ প্ৰথম সভাপতি নিৰ্বাচিত হয পদ্মনাথ গোহাঞি বৰুৱা। ২৬ আৰু ২৭ ডিচেম্বৰত শিৱসাগৰত এই সভা অনুষ্ঠিত হৈছিল। সেইদিনা সভাপতিৰ আসনৰ পৰা গোহাঞি বৰুৱাই কৈছিল, "জাতীয অন্তৰতম ভাৱ, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাদে সুগম বাট আন নাই। আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ। সেই কাৰণে জাতীযত্বৰ চিনাকি দিযাত জাতীয সাহিত্য তাতোকৈ এখোজ আগুৱাই যায। গতিকে মানুহৰ জাতি আৰু ধৰ্ম সাহিত্যৰ ভেঁটি হলেও সি সাহিত্যৰ আঁচলত ধৰিহে আগবাঢ়িব পাৰে। সাজ-পাৰ আদিয়েও এই বিষযত সাহিত্যক পিছ পেলাই আগ বাঢ়িব নোৱাৰে।" ১৯১৮ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বাবে তেওঁ সম্পাদক নিৰ্বাচিত হয। এই সভাৰ সভাপতি নিৰ্বাচিত হৈছিল চন্দ্ৰধৰ বৰুৱা। ১৯৩৩ চনত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত অসম সাহিত্য সভাত তেওঁক সম্বৰ্দ্ধনা জনোৱা হয। ১৯০৬ চনত তেওঁক ইংৰাজ চৰকাৰে সাহিত্যিক পেন্সন আগবঢ়ায। সেই সমযত সাহিত্যিক পেন্সন ২৫ টকীয়া আছিল।

অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক গোহাঞি বৰুৱাৰ পৰলোকপ্ৰাপ্তি হয ১৯৪৬ চনৰ এপ্ৰিল মাহত। ❐

চন্দ্ৰধৰ বৰুৱা

"আমি হঠাৎ পেট্ৰিয়ট
(আমাৰ) হঠাৎ মহৎ মত্
আন কোনো লোকে আমাৰ মতৰ
নোবাৰে ধৰিব তৎ ।

আমিহে সকলো জানো
জনা নাই আৰু কোনো
আমাৰ বাহিৰে নাই নাই জ্ঞান
কাৰো এধানি মানো।

আমাৰ কথাই বেদ
(আমি) য'তে যাওঁ ত'তে ভেদ
আজি Extremist কালি

Moderate
পৰহি retrograde
(আমি) ঘনাই সলাও ৰীতি
(আমাৰ) হঠাৎ বদলে নীতি
(আমি) যেনে মাছ দেখোঁ তেনে জাল গোথোঁ
ইটি এৰি ধৰো সিটি।

(আমি) নুশুনো যুক্তি কাৰো
নেমানো প্ৰমাণ আৰু
আমাৰ লগত মত নিমিলিলে
তুমি বিযাগোম গৰু।

আমি বুজাটোহে সঁচা
ইবোৰ সকলো মিছা
আমাৰ নিচিনা কাৰ আছে আৰু
বুধিটো জোঙালি চঁচা ?
আমি কৰা মতে ধাৰ্য
চলিব দেশৰ কাৰ্য
দেশখন খালি আমি কেজনৰে
বাপতি সাহোন ন্যায্য।

আমি খালি সভ্য
আমিহে অকল নব্য
(আমি) আঁতৰি আঁতৰি ভেকুৰি থাকোতে
চুকতে হঠাৎ ভব্য।"

এই তীব্ৰ ব্যংগ কালজয়ী কবিতাটোৰ ৰচকগৰাকীযে হ'ল চন্দ্ৰধৰ বৰুৱা। তেওঁ কবিতাৰ মাজেৰে সমাজৰ অনাচাৰ, উৎপীড়ন, ভণ্ডামী, অন্ধ আভিজাত্য, মানৱ সভ্যতাৰ অন্ধৰূপ, তথাকথিত শিক্ষিতৰ অন্তঃ সাৰশূন্যতা, নীচাত্মিকা মনোভাৱ উদঙাই

দেখুৱাইছে। সংসাৰত আমি কিমান সৰু, কিমান নগণ্য তাকো তেওঁ কবিতাৰ মাজেৰেই দাঙি ধৰিছে ঃ

"যিদিনা মৰিম মই , সেইদিনা বাৰু
জগতৰ কেনি হানি হ'ব ?
মৰিলোঁনে আছোঁ মই এই কথাকেনো
পৃথিৱীৰ কিমানে জানিব ?
মই মৰিলেও দিন গ'লে ৰাতি হ'ব
জোন বেলি ওলায়ে থাকিব ,
গছত ফুলিব ফুল বতাহ্ বলিব
নিজ বাটে নক্ষত্ৰ ঘূৰিব।"

চন্দ্ৰধৰ বৰুৱাৰ জন্ম হয় ১৮৭৪ চনৰ ১৫ অক্টোবৰত, যোৰহাট চহৰত।

তেওঁ সৰুকালৰ শিক্ষা যোৰহাট চহৰতে লাভ কৰে। ১৮৯২ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা তেওঁ এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপিছত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায। তেওঁ কলিকতাৰ মেট্ৰোপলিটান কলেজত ভৰ্ত্তি হয়। তাৰপৰা তেওঁ এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ, চেন্ট জেভিয়াৰ্ছ কলেজত বি এ পঢ়িবলৈ লয। কিন্তু ঘৰুৱা অসুবিধাৰ কাৰণে তেওঁ বি এ উপাধি নোলোৱাকৈ ঘৰলৈ উভতি আহিব লগীযা হয। ১৯০০ চনত তেওঁ আইন পৰীক্ষাত উত্তীৰ্ণ হয আৰু যোৰহাটত ওকালতি ব্যৱসায আৰম্ভ কৰে। কিছু বছৰ ওকালতি কৰি, তেওঁ চাহ খেতিত মনোযোগ দিযে।

চন্দ্ৰধৰ বৰুৱাই আমাৰ সাহিত্য, ৰাজনীতি আৰু সমাজ জীৱনলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁ কলেজীযা জীৱনত কলিকতাত থাকোতে, অসমীযা ভাষা উন্নতি সাধিনী সভাৰ সদস্যৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। অ ভা উ সা সভাৰ সপ্তম বছৰত তেওঁ সহকাৰী সম্পাদক আছিল। সেই বছৰ সম্পাদক আছিল ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱা। সেই সমযতে তেওঁ 'জোনাকী'তো লিখিবলৈ আৰম্ভ কৰে। ৰাজনৈতিক অনুষ্ঠান 'অসম এচোচিযেচন'ৰ তেওঁ সদস্য পদত অধিষ্ঠিত হোৱাৰ উপৰিও ১৯১৬ চনত তেওঁ যোৰহাট পৌৰ সভাৰ উপ-পৌৰপতি নিৰ্বাচিত হয। অসম ব্যৱস্থাপক সভাৰ সদস্য আৰু তেওঁ কাউন্সিল অৱ ষ্টেটচ্‌তো'সদস্য নিযুক্ত হয়। ১৯৩০ চনত লণ্ডনত অনুষ্ঠিত প্ৰথম আৰু দ্বিতীয় ঘূৰণীযা মেজ মেলত যোগদান কৰি তেওঁ অসমক প্ৰতিনিধিত্ব কৰিছিল।

তেওঁ আছিল একেধাৰে নাট্যকাৰ, কবি আৰু গীতিকাৰ। তেওঁৰ প্ৰকাশিত নাটক কেইখনৰ ভিতৰত হ'ল — 'মেঘনাদ বধ' (১৯০৪), 'ভাগ্য পৰীক্ষা' (১৯১৫), 'তিলোত্তমা সম্ভৱ' (১৯২৬) আৰু ৰাজৰ্ষি (১৯৩৭)। তেওঁ 'মেঘনাদ বধ' নাটক মধুসূদন দত্তৰ 'মেঘনাদ কাব্য'ৰ ছাঁ লৈ লিখিছে। 'ভাগ্য পৰীক্ষা' ধেমেলীয়া নাটক। তেওঁৰ আনকেইখন নাটক হ'ল — 'পুনৰ্জন্ম', 'মোগল বিজয', 'আহোম সন্ধ্যা' আদি। 'ৰঞ্জন' (১৯২৭) তেওঁৰ কবিতা সংকলন। তেওঁৰ 'কামৰূপ জীয়ৰী' আৰু 'বিদ্যুৎ বিকাশ ছোৱা ছোৱাকৈ আৱাহনত প্ৰকাশিত হৈছিল। তেওঁ 'শান্তি' (১৯৪৩) নামেৰে এখন উপন্যাস ৰচনা কৰে আৰু বিলাত ভ্ৰমি আহি ৰচনা কৰে 'বিলাতৰ কথা । 'ৰত্ন কোষ' চন্দ্ৰধৰ বৰুৱাৰ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৰিহণা। দুটা খণ্ডত প্ৰকাশিত এই গ্ৰন্থৰ প্ৰথম খণ্ডত 'খণ্ড বাক্য' আৰু দ্বিতীয় খণ্ডত 'ফকৰা-যোজনা' সন্নিবিষ্ট কৰা হৈছে। তেওঁৰ অন্যান্য কেইখনমান গ্ৰন্থ হ'ল— 'নতুন পাঠ', 'মুক্তাৱলী', 'উজু সাহিত্য', জিৰণিৰ চিন্তা আদি। ১৯৭৫ চনত 'চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী' প্ৰকাশিত হৈছে।

১৯১৮ চনৰ ২৭ ডিচেম্বৰত গোৱালপাৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশনৰ তেওঁ সভাপতি আছিল। সেই অধিবেশনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল পদ্মনাথ গোহাঞি বৰুৱা। সেইদিনা সভাপতিৰ আসনৰ পৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত চন্দ্ৰধৰ বৰুৱাই কৈছিল, "যি শিক্ষাই স্বভাৱটো ঘঁহি-পিহি নিমজ কৰি দিযে, মানুহৰ চকু গজাই দিযে মনক উদাৰ আৰু বুদ্ধিক প্ৰখৰ কৰি দিয়ে আৰু কাৰ্য-ক্ষমতা আৰু যোগ্যতা বৃদ্ধি কৰি মানুহক সমাজৰ নিমিত্তে লাগতিযাল কৰি তোলে, মই তাকেহে শিক্ষা বুলিছোঁ। কিন্তু যি শিক্ষাৰ পৰা কেৱল গোটা দিযেক 'ক ক ম ম' আওৰাই লৈ মানুহ অহংকাৰেৰে পৰিপূৰ্ণ আৰু সকলো লাগতিযাল কাৰ্য্যৰ নিমিত্তে অনুপযুক্ত কিবা এটা অদ্ভুত প্ৰাণী হৈ পৰে, সি শিক্ষা নহয়েই বৰং অশিক্ষাতকৈও সহস্ৰগুণে অধম আৰু ভযংকৰ। এই কথা কি মতা মানুহ কি মাইকী মানুহ সকলোৰে শিক্ষাৰ পক্ষে সমানে খাটে। এনে শিক্ষাই মতা আৰু মাইকী দুইকো সমানে অকৰ্মণ্য কৰিব।" তেওঁ কৈছিল, "সকলো সাহিত্যানুৰাগীক একেলগে গোট খুৱাই, এটা সন্মিলিত শক্তি গঠন কৰি, কাৰ্য্যক্ষেত্ৰত লগাই দিযাৰ সময় হ'ল। এই সন্মিলিত মহাশক্তিৰ বলত অসমীয়া সাহিত্যৰ ক্ষেত্ৰত অসাধ্য সাধন হ'ব। এনে মহা শুভক্ষণত এই মহৎ উদ্দেশ্যেৰে এই অসম সাহিত্য সভাৰ জন্ম হৈছে। ই সকলো অসমীযাৰে আদৰৰ ধন, সকলো অসমীয়াৰে চেনেহৰ পাত্ৰ, সকলো অসমীয়াৰে ভৰসাৰ স্থল আৰু সকেলাৰে পৰা নথৈ মৰম পাব বুলি পৰম আশা কৰিছে, কাৰণ এনে আশা কৰিবৰ ইয়াৰ সম্পূৰ্ণ অধিকাৰ আছে।"

আসাম সংগীত সংঘৰ তৃতীয় বছৰেকীয়া অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "গীত, বাদ্য আৰু নৃত্যৰ সমাবেশকে সংগীত বোলে। এই সংগীত সকলো দেশতে, সকলো সমাজতে, সকলো কালতে অতিশয় আদৰৰ বস্তু। সংগীতে ভাবুকৰ মনত ভাবৰ সোঁত বোৱায়, প্ৰেমিকৰ প্ৰেমক মধুৰতৰ কৰে, দুৰ্বলৰ হৃদযত বল জন্মায়, শোকৰ উচ্ছ্বাস পাতল কৰে আনন্দৰ বেগ প্ৰবল কৰে আৰু সকলো দুখ-বেজাৰ, ভাগৰ, অশান্তি পাহৰাই দি, মানুহৰ মন বিমল স্বৰ্গীয় অমিযাৰে পৰিপূৰ্ণ কৰে।" সংস্কৃত সঞ্জীৱনী সভাৰ দ্বাদশ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেওঁ 'কামৰূপ' শব্দটিৰ ব্যাখ্যা দাঙি ধৰিছিল এনেদৰে, "কামৰূপ, এই শব্দটি অসমীয়াৰ কাণত অতিশয় মধুৰ। ইযাত কত স্মৃতি, কত গৌৰৱ, কত বীৰত্ব, কত জ্ঞান, কত কীৰ্ত্তি জৰিত আছে।"

১৯২৬ চনৰ পৰা প্ৰকাশ পোৱা অসম সাহিত্য সভাৰ পত্ৰিকাৰ তেওঁ প্ৰথম গৰাকী সম্পাদক আছিল। অসম সাহিত্য সভাৰ পঞ্চদশ মংগলদৈ অধিবেশনতো চন্দ্ৰধৰ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। ১৯২৯ চনত লক্ষ্মীনাৰাযণ চট্টোপাধ্যাযৰ সভাপতিত্বত কটন কলেজত অনুষ্ঠিত কামৰূপ সঞ্জীৱনী সভাই তেওঁক 'সাহিত্য-ৰত্ন' সন্মানেৰে বিভূষিত কৰে। তেওঁ অসম অলিম্পিক এচোচিযেচনৰো সভাপতি আছিল।

১৯৬১ চনৰ ২৬ অক্টোবৰত যোৰহাটৰ নিজ বাসভৱনতে তেওঁৰ পৰলোকপ্ৰাপ্তি হয। ❒

কালিৰাম মেধি



"সাহিত্যৰ উন্নতিৰ লগত জাতীয় উন্নতি, সমাজৰ উন্নতি, কৃষি-বাণিজ্যৰ উন্নতি আৰু জাতীয় শিল্পৰ উন্নতি বন্ধা।" এইদৰে লেখক সমাজক আহ্বান জনোৱা বিশিষ্ট সাহিত্যিক গৰাকীয়ে কালিৰাম মেধি। তেওঁ লেখক সমাজক স্বাধীন চিন্তাৰে সমাজৰ দোষ-গুণ, অভাৱ-অভিযোগ, আশা-আকাঙ্খাৰ চিত্ৰ প্ৰতিফলন কৰিবলৈও আহ্বান জনাই কৈছিল, — "যদি আমাৰ সাহিত্যিক দলে অসমীয়া সমাজৰ দুখ, অভাৱ আৰু আশাৰ কথা নাট, উপন্যাস আদিত অবিকৃতভাৱে অঙ্কিত কৰি দেখুৱাবলৈ সমৰ্থ হয়, যদি তেওঁলোকে আমাৰ গাঁৱলীয়া জীৱন, কৃষি জীৱন আৰু দৰিদ্ৰ জীৱনৰ চিত্ৰ ফটফটিয়াকৈ দেখুৱাব পাৰে, তেনেহ'লে স্বাধীন চিন্তা আৰু আত্মকেন্দ্ৰিকতাৰ বাট মুকলি হ'ব, সমাজ আৰু সাহিত্য উভয়ে উন্নতিৰ পথ ধৰিব।"

কালিৰাম মেধিৰ জন্ম হয় ১৮৭৮ চনৰ অক্টোবৰত কামৰূপ জিলাৰ ৰামদিয়া গাঁৱত। তেওঁৰ পিতাকৰ নাম ভুকলি মেধি আৰু মাকৰ নাম সোণতৰা। তেওঁলোকৰ পূৰ্বপুৰুষ সৰভোগ অঞ্চলৰ। সৰুতে তেওঁ ৰামদিয়া সত্ৰৰ শেহৰাম আতৈৰ সংস্পৰ্শলৈ আহি বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত হয়।

১৮৯১ চনত গাঁৱৰ প্ৰাথমিক বিদ্যালযৰ পৰা শিক্ষা শেষ কৰি, গুৱাহাটী কলেজিয়েট হাইস্কুলত ভৰ্ত্তি হয। ১৮৯৭ চনত তেওঁ প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষাত তেওঁ কুৰি টকীয়া জলপানী এটা লাভ কৰে। তদুপৰি তেওঁ এই পৰীক্ষাত সংস্কৃত বিষযত অসমীযা ছাত্ৰৰ মাজত সৰ্ব্বোচ্চ স্থান লাভ কৰা বাবে হেমচন্দ্ৰ বৰুৱা পদক আৰু হেমধৰ বৰুৱা পদকো লাভ কৰিবলৈ সক্ষম হয। তাৰপিচত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায। কলিকতাৰ চিটী কলেজত তেওঁ ভৰ্ত্তি হয। এই কলেজৰ পৰাই ১৮৯৯ চনত তেওঁ প্ৰথম বিভাগত এফ এ পৰীক্ষাত উত্তীৰ্ণ হয। তাৰপিচত তেওঁ এই চিটী কলেজৰ পৰাই ১৯০২ চনত পদাৰ্থ আৰু ৰসাযন বিষযত দ্বিতীয় শ্ৰেণীৰ সন্মানসহ অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ বি এ পৰীক্ষা পাছ কৰে। এই পৰীক্ষাত বিশেষ কৃতকাৰ্যতাৰে উত্তীৰ্ণ হোৱা বাবে তেওঁক বিষ্ণুপ্ৰিযা দেৱী পুৰষ্কাৰেৰে সন্মানিত কৰা হয়। ১৯০৩ চনত তেওঁ পদাৰ্থ বিজ্ঞানত দ্বিতীয় শ্ৰেণীৰ চতুৰ্থ স্থান লাভি কৰি এম এ পৰীক্ষাত উত্তীৰ্ণ হয।

কালিৰাম মেধিযে ১৯০৪ চনৰ পৰা চাকৰি জীৱন আৰম্ভ কৰে। পোনতে তেওঁ উপপ্ৰতি সমাহৰ্তাৰূপে কামত যোগদান কৰে। তাৰ পিছত নিজৰ কৰ্মদক্ষতা গুণে ক্ৰমে এছিচষ্টেণ্ট ছেটেলমেন্ট অফিচাৰ, ই এ চি, মহকুমাধিপতি আৰু জিলাৰ উপাযুক্ত নিযুক্ত হয। ১৯৩৬ চনত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ চাকৰি জীৱনত গুৱাহাটী, নগাওঁ, ডিব্ৰুগড, গোলাঘাট, গোৱালপাৰা, তুৰা, মগংলদৈ আদি ঠাইত ঘূৰি ফুৰিব লগীয়া হৈছিল। মেধিৰ চাকৰি সেৱাত সন্তুষ্ট হৈ চৰকাৰে দুবছৰৰ বাবে বিশেষ দণ্ডাধীশ নিযুক্তি দিযে। তাৰপিছত দ্বিতীয বিশ্বযুদ্ধৰ সমযত তেওঁ স্পিচিযেল ৱাৰ ৰিকচ্ ইঞ্চিৰেনছ অফিচাৰ নিযুক্ত হয। ১৯৪৬ চনৰ ১ জানুবাৰীত বৃটিছ চৰকাৰে তেওঁক 'ৰাযবাহাদুৰ' খিতাপেৰে বিভূষিত কৰে।

কালিৰাম মেধিযে দাযিত্বশীল প্ৰশাসনীয বিষযাৰূপে কাৰ্য নিৰ্বাহ কৰাৰ মাজতে তেওঁ জাতীয সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢাইছে। বিশেষকৈ অসমীযা ভাষা, পুৰণি অসমীয়া সাহিত্য তথা বৈষ্ণৱ সাহিত্য চৰ্চ্চাত গভীৰভাৱে মনোনিবেশ কৰিছিল। ৰামদিযাৰ সত্ৰীয়া সংস্কৃতিৰ মাজত ডাঙৰ-দীঘল হোৱা কালিৰাম মেধিক চাকৰি জীৱনত নগাঁৱৰ জীৱনে সাহিত্য-সংস্কৃতিৰ দিশত বিশেষ ৰেখাপাত কৰে। নগাঁৱত চাকৰি কৰা কালছোৱাত তেওঁ বিজ্ঞান বিষযক নানা গ্ৰন্থ অধ্যযন কৰাৰ উপৰিও শংকৰী সাহিত্য, সত্ৰ-নামঘৰৰ নাম প্ৰসঙ্গ, নাট-ভাওনা আদি সম্পৰ্কে বিশদ অধ্যযন কৰে। তেওঁ নগাঁৱৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ লগতো জডিত হয। তেওঁ নগাঁৱত 'অসমীযা ভাষা উন্নতি সাধিনী সভা' প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো আগ ভাগ লয। এই অনুষ্ঠানৰ অন্যান্য

গুৰি ধৰোঁতাসকল আছিল— শৰৎ চন্দ্ৰ গোস্বামী, দেবানন্দ ভঁৰালী, ধনাই বৰা, কমলাকান্ত বৰুৱা আদি। কালিৰাম মেধিয়ে ১৯০৩ চনত 'জোনাকী'ত 'প্ৰলয়' নামৰ প্ৰবন্ধৰে সাহিত্যিক জীৱন আৰম্ভ কৰে। তাৰপিছত ১৯০৯ চনৰপৰা 'আলোচনী' আৰু 'আসাম বান্ধৱ'ৰ জৰিয়তে নানা প্ৰবন্ধ লিখিবলৈ ধৰে। তেওঁ 'বাঁহী', 'চেতনা', 'জয়ন্তী', 'সুৰভি', 'আৱাহন', 'অসম সাহিত্য সভা পত্ৰিকা', 'আসাম হিতৈষী', 'ৰামধেনু' আদিতো বিভিন্ন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ কৰে। তেওঁ অসমীয়াৰ উপৰিও এলানি মূল্যবান তথ্যগধুৰ প্ৰবন্ধ "The Journal of the Assam Research Society" আৰু "Bhakti" আলোচনীত প্ৰকাশ কৰে। তেওঁ ৰচনা কৰা কেইটামান উল্লেখযোগ্য প্ৰবন্ধৰ ভিতৰত হ'ল — 'হেলীৰ নেজাল তৰা', 'আযন আৰু বৈদ্যুতিক পৰমাণু', 'সূৰ্য', 'পৃথিৱী', 'অসমৰ গাঁৱলীয়া কিছুমান প্ৰমাণী ঔষধ', 'অসমীয়া নাট', 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব', 'শঙ্কৰদেৱ - চৈতন্যদেৱ', 'কালীয়া দমন নাট', 'কবি পুৰুষোত্তম গজপতি', 'শ্ৰী মথুৰাদাস বুঢ়া আতা', 'প্ৰাগজ্যোতিষেশ্বৰ ভাস্কৰ বৰ্মাদেৱ', 'ইন্দ্ৰপাল ৰজাৰ গৌহাটী তামৰ ফলি', 'কৌটিল্যৰ সময়ৰ প্ৰাগজ্যোতিষ', 'গোবালপাৰাৰ প্ৰাচীন কীৰ্ত্তি, গৌৰব', লিখাৰ সজুলি', 'অসমীয়া খেল', 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ', 'মহাপুৰুষ শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্ম', 'কবি মনকৰ', 'প্ৰাচীন কামৰূপীয়া গীত', 'শূদ্ৰ', 'পৰিশ্ৰমৰ সন্মান', 'ওজা-ভাৱৰীয়া' আদি।

তেওঁ লিখা কেইটামান ইংৰাজী প্ৰবন্ধ হ'ল — "The Kalitas", "Origin of Assames Dramas", "Brajavali Literature of Assam", "Philosophic Aspects of the Assamese Brajavali Literature" আদি।

তেওঁ 'গৌৰৱ' নামৰ প্ৰবন্ধত 'গৌৰৱ'ৰ কাৰণ আৰু উৎপত্তি বিচাৰ কৰি লিখিছে, "গৌৰৱ তুলনাৰ পৰা ওপজে। কোনো মানুহ কোনো অংশে আন এজনতকৈ হীন হ'লে দ্বিতীয়জনে প্ৰথমজনক মনে মনে অলপ ঘিণ কৰে। দ্বিতীয়জনৰ সেইটোৱেই গৌৰৱৰ কাৰণ, মগনীয়াৰ খুদ-চাউলৰ মোনাও গৌৰৱৰ কাৰণ। ৰাণীৰ অলংকাৰ যেনে গৌৰৱৰ কাৰণ, বান্দীৰ বাঢনীটাৰো তেনে গৌৰৱৰ কাৰণ। সকলো মানুহে সকলো অৱস্থাতে গৌৰৱ কৰিবৰ কাৰণ বিচাৰি পায। গৌৰৱ তিনি ঠাইৰ পৰা উৎপন্ন হয় — সৌভাগ্য, শৰীৰ আৰু মন।" 'ওজা-ভাৱৰীয়া' প্ৰবন্ধত ওজাপালী সম্পৰ্কে কৈছে, "ওজা পদ সংস্কৃত 'উপাধ্যায' শব্দ ভিন্ন আন একো নহয। কিন্তু ওজা বৰ্ত্তমানত অধ্যাপক নহয়। ওজা-পালী গ্ৰীচ দেশৰ ক'ৰাচ (Chorus)ৰ অনুৰূপ। ৪ বা ৫ জন মতা বা মাইকী মানুহৰ একো থ'ৰা গাযন নাচনিযাৰৰ নাম ওজা-পালী। প্ৰতি যোৰাত একোজন প্ৰধান গায়ক থাকে, তেঁৱেই ওজা। বাকী কেইজন পালী। প্ৰধান পালীৰ নাম ডায়েনাপালী।" তেওঁ নাট্যকলা সম্পৰ্কে কৈছে, "যিহে সৌন্দৰ্যৰ উত্তেজনা কৰি দেখা

বা শুনা মাত্রকতে মানুহৰ মনত নিৰ্মল আনন্দ দিয়ে সেয়ে কলা। যেনে — কবিতা, সঙ্গীত, চিত্ৰাঙ্কন, ভাস্কৰ্য্য ইত্যাদি। নাট- বিদ্যাও এবিধ কলা। কলাৰ ভাগ দুটা -- শিল্প কলা আৰু ললিত কলা। নাট্য কলা এবিধ ললিত কলা।"

কালিৰাম মেধিৰ কেইবাখনো গ্ৰন্থ প্ৰকাশিত হৈছে। তাৰ ভিতৰত সম্পাদিত গ্ৰন্থ তিনিখন। সেই গ্ৰন্থ তিনিখন হ'ল — প্ৰহ্লাদ চৰিত্ৰ (১৯১৩), মহাপুৰুষ শংকৰদেৱৰ বাণী (১৯৪৮) আৰু অঙ্কাৱলী (১৯৫০)। তেওঁৰ মৌলিক গ্ৰন্থখন হ'ল — অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব (১৯৩৬)। তেওঁ ৰচনা কৰা আন কেইখনমান গ্ৰন্থ হ'ল — অসমীয়া ভাষাৰ মূল (১৯১৮), বীজগণিত (১৯৩৬), অসমীয়া প্ৰাথমিক প্ৰাকৃতিক বিজ্ঞান (১৯৩৭) আদি। তেওঁৰ আন এখন মূল্যবান গ্ৰন্থ হ'ল 'অৰিজিন অৱ দি আছামিজ ড্ৰামা।'

১৯১৯ চনত বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ তৃতীয় অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "যদি কোনো এটা শব্দ সমাজৰ এক অংশত প্ৰচলিত আছে বাকী অংশত নাই, তেন্তে তাক সাহিত্যত ঠাই দিব লাগিব, কিয়নো সি জাতীয় ভাষাৰ বহিৰ্ভূত নহয়। যদি কোনো এটা বস্তু বুজুৱা দুটা পৃথক শব্দ সমাজৰ দুটা অংগত আছে, তেন্তে উভয়কে সাহিত্যত ঠাই দিব লাগিব, উভয়ে জাতীয় ভাষাৰ অঙ্গ. উভয়ে উভয়ৰ কথা শিকিব আৰু শিকাব লাগিব,তেহে ভাষা জাতীয় ভাষা হ'ব। ভাষাৰ প্ৰধান উদ্দেশ্য আনৰ আগত মনৰ ভাব প্ৰকাশ কৰা আৰু আনক বুজুৱা। সমাজত যি ভাষাৰে সেই কাম কৰিব পাৰি, যি ভাষাৰে ভাৱৰ আদান-প্ৰদান কৰিব পাৰি, যি ভাষাৰে সমপ্ৰাণতাৰ সোঁত বোৱাব পাৰি সেইযে জাতীয় ভাষা, সেইযে সাৰ্বজনীন ভাষা।" তেওঁ কৈছিল, "ভাষা কেৱল সাহিত্যৰ সঁজুলি নহয়। ই জাতীয় জীৱন আৰু জাতীয় ইতিহাসৰ স্মৃতি চিহ্ন আৰু ই সমাজৰ উন্নতিৰ সংকেত। ই মেঘৰ গাজনিৰ দৰে আকাশতে ওলাই আকাশতে মাৰ নাযায়, কিন্তু সাহিত্যৰ পাষাণময গাত খোদিত হৈ থাকে। শব্দৰ আৰু ব্যাকৰণৰ বুৰঞ্জী আছে , তাত ধৰ্ম, নীতি, জাতি আৰু অতীত কাহিনী নিহিত আছে।"

মেধিয়ে অসম সাহিত্য সভাৰ শাখা সাহিত্যসমূহক সক্ৰিয় কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। ১৯৩৭ চনত তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সদস্য নিৰ্বাচিত হৈছিল। ১৯৪৩ চনত তেওঁ এই সমিতিৰ মুখপত্ৰ "The Journal of the Assam Reserch Society"ৰ সম্পাদক নিযুক্ত হয়। পিচত তেওঁ এই সমিতিৰে সভাপতিও নিৰ্বাচিত হয়। তেওঁ ৰাজ্যিক সংগ্ৰহালয়ৰো সভাপতিৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ লগতো জড়িত আছিল। তেওঁ বিশ্ববিদ্যালয়ৰ একজিকিউটিভ

কাউন্সিলৰো এগৰাকী সদস্য আছিল। ১৯৪৮ চনত বৰপেটাত অনুষ্ঠিত হোৱা শংকৰদেৱৰ পাঁচশ বছৰীয়া জন্মোৎসৱৰ সভাপতি ৰূপে তেওঁক বৰণ কৰা হৈছিল।

সংসাৰত তেওঁ তিনিজন পুত্ৰ আৰু ছয়জনী কন্যাৰ উপৰিও ভাই-ভতিজাকে ধৰি আত্মীয়-স্বজনৰ এটা ডাঙৰ পৰিয়াল এৰি যায়। তেওঁৰ বৰ পুত্ৰ ৰামভদ্ৰ মেধিয়ে পিতাকৰ পৰিচয় দি লিখিছে, "দেউতাই নিজৰ কাম-কাজ আৰু লেখা-পঢ়াত ব্যস্ত থাকিলেও আমি কি পঢ়িছোঁ, কি শিকিছোঁ, সেই কথাৰ খবৰ ৰাখিছিল। মই প্ৰৱেশিকা পৰীক্ষাৰ বাবে পঢ়ি থাকোতে Algebra ৰ Surd, Indico শিকাইছিল আৰু কে, পি, বসুৰ বীজগণিত আৰু যাদব পাটীগণিতৰ সকলোবোৰ অংক আৰু প্ৰশ্নৰ কাকতত থকা অংকবোৰ কৰিবলৈ দিছিল, আৰু মই কৰিছো নে নাই খবৰ লৈছিল। পিছত ল' পৰীক্ষা দিয়াৰ সময়তো প্ৰশ্ন দি উত্তৰ লিখিবলৈ দিছিল আৰু সেইবোৰ চাই কেনেকৈ উত্তৰ লিখিব লাগে বুজাই দিছিল। পৰৱৰ্তী কালত আমাৰ ল'ৰা-ছোৱালীবোৰকো সেইদৰে নিজে পঢ়ুৱাইছিল।" মেধি সম্পৰ্কে ডঃ হেমন্ত কুমাৰ শৰ্মাই লিখিছে — "তামোলৰ লগত লং খাই বৰ ভাল পাইছিল, কিন্তু তেওঁ আছিল পৰিমিতাহাৰী। পঢ়া-শুনা, খোৱা-শোৱা সকলো কাম এটা নিযমিত গতিৰ মাজেদি কৰিছিল। অলপ দিনৰ ভিতৰতে তেওঁৰ পত্নীৰ উপৰিও দুজনী কন্যাৰ মৃত্যু হৈছিল, কিন্তু তেওঁ এনেবোৰ মৃত্যু-শোকতো বিচলিত নহৈ নিজৰ কৰ্তব্য স্বাভাৱিক ভাবেই কৰি গৈছিল। এনে এজন বিৰাট ব্যক্তিত্ব-সম্পন্ন, দৃঢ়মনা সিংহপুৰুষৰ আদৰ্শৰাজি আমাৰ সকলোৰে কাৰণে নিশ্চয় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।"

১৯৫৪ চনৰ ২৪ জানুৱাৰীত গুৱাহাটীৰ নিজ বাসভৱনত তেওঁৰ মৃত্যু হয়। ❑

হেমচন্দ্ৰ গোস্বামী



অসমীয়া সাহিত্যত ইটালিয়ান গীতি কবি পেট্ৰাৰ্কাৰ আৰ্হিত প্ৰথম ছনেট লিখি সুখ্যাতি অৰ্জন কৰা বিশিষ্ট কবিগৰাকীযে হেমচন্দ্ৰ গোস্বামী। অসমীয়া সাহিত্যত এক বিশিষ্ট স্থান লাভ কৰা অভিনৱ সেই ছনেটটি হ'ল ঃ

"সৌন্দৰ্যৰ বুকুৰ কাঁচলি উদঙাই
প্ৰকৃতিৰ চোঁ ঘৰ চালো পিত্ পিত্,
কুকুৰাঠেঙীয়া এই আখৰকিটিত
যি অমিয় ঘঁহা আছে, ক'তো আৰু নাই।
কবি-নিকুঞ্জত ফুলি কত কবিতাই
মলয়াত উটি উটি ফুৰে পৃথিবীত,
তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত,
কবিতাৰ কাব্যে তাৰ গোন্ধকে নাপায়।
ফুল ফুলে, সৰি যায়, শুকায় বননি,
বসন্তৰ কুঁহি-পাত ৰ'দত লেৰেলে,
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী,

নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।
মত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।"

হেমচন্দ্র গোস্বামীৰ জন্ম হয় গোলাঘাটৰ ঢেকিয়াল মৌজাৰ গৌৰাং সত্ৰত, ১৮৭২ চনৰ ৮ জানুৱাৰীত। তেওঁৰ পিতাকৰ নাম ডম্বৰুধৰ গোস্বামী আৰু মাতৃ ঘনকান্তী দেৱী। ডম্বৰুধৰ গোস্বামী আছিল গৌৰাঙ্গ সত্ৰৰ সত্ৰাধিকাৰ আৰু ঢেকিয়াল মৌজাৰ মৌজাদাৰ। তেওঁ গাঁৱৰ বিদ্যালযৰ পৰাই তিনিটকীয়া বৃত্তি লাভ কৰি প্ৰাথমিক বিদ্যালয পাচ কৰে। তাৰপিছত গোলাঘাটৰ উইলিযামচন মাইনৰ স্কুলত ভৰ্ত্তি হয়। ১৮৮৮ চনত তেওঁ নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত এন্ট্ৰেন্স (প্ৰবেশিকা) পৰীক্ষাত উত্তীৰ্ণ হয। তেওঁৰ এই মেধা শক্তিৰ বাবে কুৰিটকীযা এটি জলপানীও লাভ কৰিবলৈ সক্ষম হয। তাৰপিছত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ ৰাওণা হয় আৰু কলিকতাৰ প্ৰেছিডেন্সি কলেজত ভৰ্ত্তি হয। তাত তেওঁ চাৰিবছৰ কাল অধ্যয়ন কৰে। কিন্তু তেওঁ বি-এ উপাধি লাভ নকৰাকৈযে গুৱাহাটীলৈ উভতি আহে। তেওঁ গুৱাহাটীলৈ আহি, ১৮৯৪ চনত সোণাৰাম হাইস্কুলত প্ৰধান শিক্ষকৰূপে শিক্ষকতা কৰিবলৈ লয। কিন্তু স্কুল কৰ্তৃ পক্ষৰ লগত মতৰ বিৰোধ হোৱাত, তেওঁ সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষকৰ পদ ইস্তফা দি গুচি যায। ১৮৯৫ চনত তেওঁ এডৰ্ৱাড গেইটৰ সহাযত শ্বিলঙৰ সচিবালযত এটি চাকৰিত নিযুক্তি লাভ কৰে। ১৮৯৭ চনৰপৰা চৰ ডেপুটি কলেক্টৰ, পিছত ই এ চি আৰু ডেপুটী মেজিষ্ট্ৰেট হয। ১৯২৫ চনত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

কলিকতাত এফ এ পঢ়ি থকা কালতে, অসমীযা সাহিত্যৰ বিকাশৰ কাৰণে চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামীযে মিলি প্ৰধান ভূমিকা লৈ গঠন কৰে 'অসমীযা ভাষা উন্নতি সাধিনী সভা' আৰু প্ৰকাশ কৰে মাহেকীযা আলোচনী 'জোনাকী'। ১৮৮৮ চনৰ ২৫ আগষ্টত কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেছতে চাহমেলৰ সভাত গঠিত হয় 'অসমীযা ভাষা উন্নতি সাধিনী সভা'ৰ। ইযাতে চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ হয মাহেকীয়া আলোচনী 'জোনাকী'। দ্বিতীয় বছৰৰ পৰা 'জোনাকী'ৰ সম্পাদনাৰ দায়িত্বভাৰ গ্ৰহণ কৰে হেমচন্দ্র গোস্বামীযে। তৃতীয আৰু চতুৰ্থ বছৰ 'জোনাকী'ৰ সম্পাদকৰ দাযিত্বভাৰ লয় লক্ষ্মীনাথ বেজবৰুৱাই। এই 'জোনাকী' আলোচনীতে হেমচন্দ্র গোস্বামীৰ চনেট 'প্ৰিয়তমাৰ চিঠি' প্ৰকাশ পায। ১৯১৬ চনত তেওঁ 'অকণ' নামে শিশু আলোচনী এখন সম্পাদনা কৰে।

অসমীয়া সাহিত্যলৈ হেমচন্দ্র গেস্বামীযে উল্লেখযোগ্য অৰিহণা আগবঢাইছে। তেওঁ সৰু কালৰে পৰা সাহিত্য সাধনাত ব্ৰতী হয। নগাওঁ হাইস্কুলত পঢ়ি থাকোতে

'আসাম বন্ধু'ত লেখিবলৈ লয। তেওঁৰ কবিতা সংকলন 'ফুলৰ চানেকি' ১৯০৭ চনত প্ৰকাশিত হয়। তেওঁ চাকৰি জীৱনত চৰকাৰৰ নিৰ্দেশত বহুতো পুৰণি পুথি সংগ্ৰহ কৰে। তেওঁ অসমৰ গাওঁ-ভুঁই, নগৰ-চহৰ, সত্ৰ, মঠ-মন্দিৰ আদি ঘূৰি ছয় মাহ মানৰ ভিতৰতে বাৰশখন মান পুথি সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। এই পুথিবোৰ কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁৰালত সংৰক্ষিত হৈছে। তেওঁ ১৩৩৪ খন সাঁচিপতীয়া পুথি অধ্যয়ন কৰি ২৩৩ খন পুথিৰ বিষয়-বস্তুৰ আভাস দি ইংৰাজীত ইযাৰ এখনি বৰ্ণনামূলক তালিকাও প্ৰস্তুত কৰিছিল। এই তালিকা 'A Descriptive Catalogue of Assamese Manuscripts' নামেৰে অসম চৰকাৰে ১৯২৭ চনত প্ৰকাশ কৰে। পুৰণি তামৰ ফলি, শিলালিপি, মুদ্ৰালিপি আৰু পুথি উদ্ধাৰ কৰাৰ বাবে হেমচন্দ্ৰ গোস্বামীয়ে লোৱা চেষ্টাৰ প্ৰতি বেণুধৰ শৰ্মাই তেওঁক ভূয়সী প্ৰশংসা কৰি গৈছে। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আশুতোষ মুখাৰ্জীৰ অনুৰোধ মতে ১৯১৮ চনৰ পৰা 'অসমীয়া সাহিত্যৰ চানেকি' যুগুত কৰা কামত ব্ৰতী হয়। ১৯২৯ চনত এই গ্ৰন্থ প্ৰকাশিত হয়। তিনিটা ভাগত সাতটি খণ্ডত ই সম্পাদিত হয়। এই গ্ৰন্থ সাউদ ভোলানাথ বৰুৱাৰ দানৰ টকাৰে প্ৰকাশিত হয়। কৰ্ণেল পি টি আৰ গৰ্ডনৰ তৎপৰতাত ১৯০০ চনত হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ উদ্ধাৰ কৰি তাক সম্পদনা কৰি উলিয়ায হেমচন্দ্ৰ গোস্বামীয়ে। তেওঁৰ আন এখন সম্পাদিত মূল্যবান গ্ৰন্থ 'ভট্টদেৱৰ কথাগীতা' (১৯১৮)। সূৰ্যখৰি দৈবজ্ঞৰ 'দৰং ৰাজবংশাৱলী', হস্তিবিদ্যা ৰ্ণৱ, শ্ৰী হস্তমুক্তাৱলী, পুৰণি অসমীযা বুৰঞ্জী (১৯২১) আৰু 'কাম ৰত্নতন্ত্ৰ' গোস্বামীৰে সম্পাদিত প্ৰাচীন গ্ৰন্থ। 'কথাগীতা'ও (১৯১৮) তেওঁ সম্পদনা কৰে। হেমচন্দ্ৰ গোস্বামীয়ে অ ভা উ সা সভা, কামৰূপ অনুসন্ধান সমিতিৰ দৰে অসম সাহিত্য সভা অনুষ্ঠানটিৰ লগতো জন্ম লগ্নৰে পৰা জড়িত আছিল। ১৯২০ চনত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্যৰ সভা অধিবেশনৰ তেওঁ স ভাপতি নিৰ্বাচিত হৈছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "সাহিত্য হৈছে এটা জাতিৰ জাতীয জীৱনৰ প্ৰতিকৃতি। এটা জীৱনৰ চৰিত্ৰই যেনেকৈ এজন মানুহৰ আকৃতি- প্ৰকৃতি, স্বভাব-চৰিত্ৰ, সকলো প্ৰকাশ কৰে, সেইদৰে জাতীয সাহিত্যই এটা জাতিৰ আকৃতি-প্ৰকৃতি, স্বভাৱ-চৰিত্ৰ, উন্নতি-অৱনতি সকলোবিলাক প্ৰকাশ কৰে।" তেওঁ কয়, "সঁচা কথা কব লাগিলে এতিয়াহে অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত আচ ল কামৰ দিন আহিছে। অতদিনে তাৰ জীৱনৰ ৰক্ষাৰ নিমিত্তে যুঁজ বাগৰ কৰোঁতেই গ'ল। এই শুভ মুহূৰ্তত অসমীযা সাহিত্য সভা জন্ম হৈছে। এই সভাৰ জন্মৰ লগত যে অসমীয়া জাতিৰ জীৱনৰ ঘনিষ্ঠ সম্বন্ধ হৈছে তাক বিবৰি কবৰ একো সকাম নাই।"

হেমচন্দ্ৰ গোস্বামীয়ে জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে ১৯২৮ চনৰ ২ মে'ত, গুৱাহাটীৰ নিজ বাসভৱনত। ❏

অমৃতভূষণ দেৱ অধিকাৰী

১৮১০ শকৰ কথা। এই চনতে গৌৰীপুৰৰ ৰজা বাহাদুৰে গৌৰীপুৰত এখন 'নিখিল গোৱালপাৰা সন্মিলন' অনুষ্ঠিত কৰিছিল। এই সন্মিলন অনুষ্ঠিত কৰাৰ অন্তৰালত দেৱানৰ এক গভীৰ পাকচক্ৰ নিহিত আছিল, যিটো গৌৰীপুৰৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাযো মুঠে বুজিব পৰা নাছিল। এই সন্মিলনৰ উদ্দেশ্য আছিল গোৱালপাৰা জিলাক বঙালী ভাষী কৰা। এই ষড়যন্ত্ৰক মষিমুৰ কৰিবলৈ চেষ্টা চলোৱা সকলৰ ভিতৰত অমৃতভূষণ দেৱ অধিকাৰীও এজন।

অমৃতভূষণ দেৱ অধিকাৰীৰ জন্ম হয় ১৮৫৮ চনত, (১২৬৬, ১৭ পুহ) গোৱালপাৰাৰ দলগোমা সত্ৰত। তেওঁৰ পিতাকৰ নাম কণ্ঠভূষণ দেৱ অধিকাৰী আৰু মাতৃ আকাশীলতা। এওঁলোকৰ পূৰ্বপুৰুষ ৰামচৰণ ঠাকুৰৰ তৃতীয় পুত্ৰ নৰহৰিদেৱৰ বংশধৰৰূপে জনাজাত। নৰহৰিদেৱে গোৱালপাৰাৰ দলগোমাত সত্ৰ পাতিছিল।

তেওঁৰ সৰুতে পিতৃ বিয়োগ হয়। পিতৃৰ অবিহনে অমৃতভূষণ দেৱ অধিকাৰী বৰ

অসহায়ত পৰে। কিন্তু তেওঁৰ পঢ়াৰ প্ৰতি প্ৰবল ধাউতি। সেই গুণে তেওঁ ককাযেক ৰাজেন্দ্ৰ ভূষণৰ আশ্ৰয়ত থাকি পঢ়িবলৈ লয়। দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি, তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায। কলিকতাৰ জেনেৰেল এচেমব্লি ইনষ্টিটিউছনত (বৰ্তমান স্কটিছ চাৰ্চ) ভৰ্তি হয। কিন্তু বি এ পৰীক্ষালৈ অলপ দিন থাকোতে, ককাযেক ৰাজেন্দ্ৰ ভূষণৰ মৃত্যু হয। ককাযেকৰ অবিহনে তেওঁৰ পঢ়া-শুনাৰ ক্ষেত্ৰত চেছাঁ পানী পৰে। সিমানতে পঢ়া শেষ কৰি, তেওঁ ঘৰলৈ উভতি আহে।

ঘৰলৈ উভতি আহি, তেওঁ বেছিদিন বহি থাকিবলগীয়া নহ'ল। যোৰহাট বেজবৰুৱা হাইস্কুলত সহকাৰী প্ৰধান শিক্ষকৰ পদ এটা পাই, প্ৰথম তাতে তেওঁ নিযুক্ত হয। এনেতে গৌৰীপুৰত হাইস্কুল এখন স্থাপন হোৱাত, প্ৰভাত চন্দ্ৰ বৰুৱাৰ আমন্ত্ৰণ ক্ৰমে তেওঁ এই বিদ্যালয়লৈ আহি সহকাৰী প্ৰধান শিক্ষকৰূপে যোগদান কৰে।

অমৃতভূষণ দেৱ অধিকাৰী অসমীযা ভাষা সাহিত্যৰ এজন নিষ্ঠাবান সেৱক আছিল। তেওঁ বিভিন্ন বিষযৰ নানা প্ৰবন্ধ পাতি বাঁহী, আৱাহন আদিত প্ৰকাশ কৰিছিল। বিশেষকৈ বৈষ্ণৱ সাহিত্যত তেওঁৰ ভাল জ্ঞান আছিল। তেওঁ সংস্কৃত সাহিত্যৰো এজন সুপণ্ডিত আছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থ — 'শ্ৰীমন্নাম ঘোষা' (১৮৩৩ শক)। এই গ্ৰন্থ মাধৱদেৱৰ নামঘোষাৰ সৰল ব্যাখ্যা। মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী' সানুবাদ টীকা আদি লিখি প্ৰস্তুত কৰে যদিও ই প্ৰকাশ পোৱা নাই।

তেওঁ এগৰাকী পুথি বছা সমিতিৰো সদস্য আছিল।

১৯২৩ চনত ৩১ মাৰ্চ আৰু ১ এপ্ৰিলত যোৰহাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "যি শাস্ত্ৰৰ সহাযত মানুহে দুঃখময সংসাৰত সুখময ভাৱ লৈ, নানা বিষযক জ্ঞান লভি, শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতি সাধি অতি সুকলমে জীৱন নিযাব পাৰে সেযে সাহিত্য। সাহিত্য মানুহৰ বৰ লাগতিযাল, যাৰ অভাৱত মানুহ বুলি পৰিচিত হ'ব আৰু উন্নতিৰ বাটত আগবাঢ়িব নোৱাৰে। সাহিত্য সেৱা মানুহৰ অন্যতম ধৰ্ম। সাহিত্য সেৱা আৰু তাৰ অনুশীলন কৰি, তাত ওপজা অনুপম ৰসাস্বাদ কৰা মানুহৰ অন্যতম কৰ্ম্ম। বিষয-বাসনা ভোগৰ পৰা ওপজা সুখ, ধনজনৰ সহায় সম্পদৰ পৰা সমুদ্ভূত সুখ নাইবা যি সুখ আন কোনো উপায়ে মানুহে পাবলৈ বাঞ্ছা কৰে, কেনোটোৱেই সাহিত্য-সেৱা জনিত সুখৰ নিছিনা নহয়। সাহিত্য-সেৱাৰ সুখ অতি নিৰ্দ্দোষ আৰু বিমল আনন্দ দাযক। সাহিত্য সেৱাত আত্মপ্ৰসাদ আছে আৰু ই জ্ঞান বৃদ্ধিৰ ঘাই কাৰণ। যি জাতিৰ সাহিত্য আছে, তাৰ সকলো আছে। সেই জাতি গণ্য-মান্য, ধন্য আৰু জগতৰ সভ্য

ৰূপে পৰিচিত। যি জাতিৰ সাহিত্য নাই, সাহিত্যৰ চৰ্চা নাই, সেই জাতিৰ শিক্ষা নাই, জ্ঞান নাই, নীতি নাই আৰু ধৰ্মৰ বিষযেও সেই জাতি বহুত অৱনত। যি জাতিৰ একতা নাই, জাতীয়তা নাই সেই জাতি জগতত কেতিযাও সভ্য জাতি বুলি গণ্য হ'ব নোৱাৰে।"

অসমীযা মানুহে পুথি অধ্যযন নকৰা আৰু অসমীযা লেখকক সমাদৰ নকৰাত তেওঁ গভীৰ আক্ষেপ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত আমাৰ চুবুৰীয়া বঙ্গ ৰাজ্যই লেখকৰ ক্ষেত্ৰত কেনে দৃষ্টিভংগী গ্ৰহণ কৰিছে, সেই বিষয়ে উল্লেখ কৰি লেখিছে, " বংগদেশত বহুত শিক্ষিত জমিদাৰ, তালুকদাৰ আৰু ধনী মানুহে সাহিত্যৰ চৰ্চা কৰে, আলোচনা কৰে, চিন্তা কৰে আৰু গ্ৰন্থ ৰচনা কৰে। নিঃকিন নিঃস্ব গ্ৰন্থকাৰক অৰ্থ সাহায্য কৰি উৎসাহ দিয়ে। তেওঁলোকৰ সমবায় চেষ্টা আছে, নষ্ট আৰু লুপ্ত প্ৰায় গ্ৰন্থ বা হস্তলিপি অহোপুৰুষাৰ্থ অৰু ধন খৰচ কৰি বিচাৰি লয় আৰু প্ৰকাশ কৰে। দুখীযা গ্ৰন্থকাৰৰ পুথি প্ৰকাশ কৰি দিওঁতা বংগদেশত এক শ্ৰেণীৰ মানুহ আছে। এই শ্ৰেণীৰ মানুহৰ চেষ্টা আৰু যত্নত বংগ সাহিত্য অলেখ পুথিৰ ভঁৰাল হৈছে। স্বাধীন চিন্তা কৰিবৰ, মূলতত্ত্ব বিচাৰিবৰ আৰু তাক প্ৰবন্ধকাৰে প্ৰকাশ কৰিবৰ বহুত সুযোগ সুবিধা ঘটিছে। তাৰ ফলত নানা তৰহৰ পুথিৰ প্ৰকাশ আৰু প্ৰচাৰ হৈছে আৰু দিনে দিনে পুথিৰ সংখ্যা বাঢ়ি গৈ বঙ্গ সাহিত্য ভঁৰাল ভৰি গৈছে। বঙ্গ দেশৰ ৰাইজৰ পুথি আৰু বাতৰি কাকত পঢ়াৰ অনুৰাগ আৰু অভ্যাস আছে।'

তেওঁৰ মৃত্যু হয ১৯৪২ চনত (১৮৬৪ শকৰ ১৩ আঘোণ)। ❒

কনকলাল বৰুৱা

'জোনাকী' আৰু অঃ ভাঃ উঃ সাঃ সভাৰ জৰিয়তে যিসকলে পোনতে অসমীয়া সাহিত্যৰ উন্নতিৰ হকে পদক্ষেপ গ্ৰহণ কৰিছিল, তাৰ ভিতৰত কনকলাল বৰুৱাও অন্যতম। তেওঁ একেৰাহে আছিল সাহিত্যিক, বুৰঞ্জীবিদ, প্ৰত্নতাত্বিক, প্ৰশাসনিক বিষয়া আৰু মন্ত্ৰী। ১৯২৪ চনৰ ১৯ এপ্ৰিলৰ পৰা ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম সহিত্য সভাৰ ষষ্ঠ অধিবেশনৰ কনকলাল বৰুৱা সভাপতি আছিল। সেইদিনা সভাপতিৰূপে জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "অসমীয়া ভাষা আৰু সাহিত্য আজি-কালিৰ নকৈ গজা নহয়, ই বহুতদিনৰ পুৰণিকলীয়া, এই কথা অসমীয়াৰ বাহিৰেও আজি-কালি অনেকে মুক্ত কণ্ঠে স্বীকাৰ কৰিছে। অসমীয়া সাহিত্যৰ বুনিয়াদী গুৰি দেখি আমাৰ প্ৰতিবেশীসকলৰ কোনোবাই চকুপানী টুকিলেও ইয়াৰ প্ৰাপ্য উচ্চ আসন এতিয়া নিদি থকা নাই। ঢাকাত মৌলবী ছহিদুল্লাই দেখুৱাইছে যে প্ৰায় ৯০০ বছৰ পূৰ্বে ৰচনা কৰা অসমীয়া ভাষাত গীত বৌদ্ধ গানত আছে। তাৰে এটি কামৰূপৰ ৰজা ইন্দ্ৰপালৰ দ্বাৰা ৰচিত আৰু এটি 'ৰাজনী' (ৰাণী) নিবাসী সৰহপালৰ দ্বাৰা ৰচিত। উভয়েই তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মত দীক্ষিত আছিল। মৌলবী ছহিদুল্লাই কৈছে যে এই গীতবিলাকেই অনুমান অসমীয়া সাহিত্যৰ আদি চানেকি। ইয়াতকৈয়ো যে আগৰ লিখিত

অসমীয়া সাহিত্য পোৱা নেযাব তাক কোনে ক'ব পাৰে?" কনকলাল বৰুৱাৰ জাতিলৈ স্মৰণীয় অৱদান হ'ল যে, তেওঁ অসমৰ লুপ্তপ্ৰায় বহুতো প্ৰত্নতত্ত্ব আৰু বুৰঞ্জীৰ সমল উদ্ধাৰ কৰিছে। এই সম্পৰ্কত তেওঁ কৈছিল, "ভৱিষ্যতে উন্নতিৰ বাট সুগম কৰাৰ নিমিত্তেই অতীতৰ বুৰঞ্জী চৰ্চা কৰা আৱশ্যক।"

কনকলাল বৰুৱাৰ জন্ম হয় ১৮৭২ চনৰ ১৬ ডিচেম্বৰত (১৭৯৪ শকৰ ২৫ আঘোণ) গুৱাহাটীত। তেওঁৰ পিতাকৰ নাম লক্ষ্মীলাল বৰুৱা আৰু মাতৃ পদ্মাৱতী। তেওঁলোকৰ পূৰ্বপুৰুষ নামতীয়াল কাকতী বংশৰ লোক বুলি জনাজাত। এই বংশক নামতীয়াল বৰুৱা বংশ বুলিও কোৱা হয়। এই বংশৰ আদি পুৰুষ পীতাম্বৰ ঘোষ। তেওঁ অসমৰ বাহিৰৰ লোক আছিল। ১৬১৯ চনত স্বৰ্গদেউ প্ৰতাপ সিংহ বা বুদ্ধি স্বৰ্গনাৰায়ণৰ (১৬০৩-১৬৪১) সময়ছোৱাতে পীতাম্বৰ ঘোষক মাটি পিযলৰ কামত অসমলৈ অনা হৈছিল বংগদেশৰ নবাবৰ অনুমতিক্ৰমে। লক্ষ্মীলালৰ পিতৃ দুতিৰাম বৰভাণ্ডাৰ বৰুৱা। দুতিৰামৰ পুত্ৰ চাৰিগৰাকী। তেওঁলোক যথাক্ৰমে— প্ৰিয়লাল, লক্ষ্মীলাল, মোহনলাল আৰু নন্দলাল। দুতিৰামৰ পত্নী তিনিগৰাকী। প্ৰথম পত্নী মণিৰাম দেৱানৰ ভনীয়েক আছিল। ১৮৭৮ চনত ছয় বছৰ বযসত ভৰি দিযাত কনকলাল বৰুৱাৰ বিদ্যাশিক্ষা আৰম্ভ হয় বৰপেটাত। তেওঁ শিক্ষা লাভ কৰে বঙলা ভাষাৰ মাধ্যমেৰে। সেই সময়ৰ কনকলাল বৰুৱাৰ পিতাক বৰপেটাত মুন্সিপ আছিল। চাকৰিৰ বাবে কনকলালৰ পিতৃযে বৰপেটাৰ উপৰিও ডিব্ৰুগড, ধুবুৰী, গোৱালপাৰা আদি ঠাইবোৰ ঘূৰি ফুৰিছিল। কনকলালেও পিতাকৰ লগত এইবোৰ ঠাইতে শৈশৱৰ কালছোৱা কটায়। কনকলাল বৰুৱা আঠ বছৰ বযসত ভৰি দিযাত, তেওঁ পিতাকক হেৰুৱাব লগা হয়। তেওঁৰ এই অসহায় অৱস্থাত চোৱা-চিতাৰ ভাৰ লৈছিল বৰ ভিনিয়েক হোমেশ্বৰ বৰুৱা আৰু সৰু ভিনিযেক মাণিকচন্দ্ৰ বৰুৱাই। তেওঁলোকৰ তত্ত্বাৱধানতে তেওঁ ডাঙৰ-দীঘল হয। হেমচন্দ্ৰ বৰুৱাইও তেওঁৰ পঢ়া-শুনাত নজৰ দিছিল। পিতাক ঢুকুৱাৰ পিচত তেওঁ গুৱাহাটী ইংৰাজী বিদ্যালয়ত ভৰ্তি হৈছিল। তেওঁ পঢ়াত অতি মেধাবী ছাত্ৰ আছিল। সৰুতে তেওঁ হেমচন্দ্ৰ বৰুৱা সম্পাদিত 'আসাম নিউজ' (১৮৮২-'৮৫) আৰু গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু' (১৮৮৫-৮৬) পঢ়িবলৈ লৈছিল। ১৮৮৮ চনত তেওঁ কটন কলেজিয়েট বিদ্যালয়পৰা দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপিচত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায। তেওঁ কলিকতাৰ জেনেৰেল এচেমব্লি ইনষ্টিটিউছনত ভৰ্ত্তি হয়। ১৮৯১ চনত তেওঁ এফ এ পৰীক্ষাত উত্তীৰ্ণ হয়। এই কলেজৰ পৰাই তেওঁ ১৮৯৪ চনত বি-এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৯৬ চনত তেওঁ বি-এল উপাধি লাভ কৰে।

কনকলাল বৰুৱা কলিকতাত থাকোতে লগ পায, ৰজনীকান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, বিনন্দিচন্দ্ৰ ফুকন, তীৰ্থনাথ কাকতী, লক্ষ্মীপ্ৰসাদ বৰুৱা, চন্দ্ৰকুমাৰ বৰুৱা, কৃষ্ণকুমাৰ বৰুৱা, যজ্ঞেশ্বৰ শৰ্মা নেওগ, হৰকান্ত চৌধাৰী, চন্দ্ৰকমল বেজবৰুৱা আদিক। কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ এই মেছবাসীযে মিলি অসমীযা সাহিত্যৰ উন্নতিৰ হকে গঠন কৰিছিল 'অসমীযা ভাষা উন্নতি সাধিনী সভা'। এই সভাৰ জন্ম লগ্নৰে পৰা কনকলালবৰুৱা সদস্য আছিল। অঃ ভাঃ উঃ সাঃ সভাৰ ১৮৯৫ চন, সপ্তম বছৰ সভাৰ বাবে কনকলাল বৰুৱা আৰু ৰমাকান্ত বৰকাকতী সহযোগী সম্পাদক নিৰ্বাচিত হৈছিল। সেই বছৰত অ ভা উ সা সভাই 'অসমীযা পুথিৰ তালিকা' প্ৰস্তুত কৰি প্ৰকাশ কৰিছিল। এই সভাৰ তেওঁ যুটীযা সম্পাদকো আছিল। তেওঁ পঞ্চম বছৰ 'জোনাকী' আলোচনী সম্পদনা কৰে। এই সমযছোৱাতে তেওঁ সাহিত্য সাধনাত মনোনিবেশ কৰি, মৌ, 'উযা' 'বাঁহী' আৰু 'জোনাকী' আদিত ভালেমান কবিতা আৰু প্ৰবন্ধ ৰচনা কৰে। ১৮৯১ চনত তেওঁ ৰজনীকান্ত বৰদলৈ আৰু গোপালকৃষ্ণ দে মিলি ৰচনা কৰে পৌৰাণিক নাটক 'সাবিত্ৰী সত্যবান'। ১৮৯০ চনত কলিকতাত অসমীযা ছাত্ৰসকলে অভিনীত কৰা 'ভ্ৰমৰঙ্গ' নাটকতো কনকলাল বৰুৱাই অভিনয কৰে। কলিকতাত থকা কালতে তেওঁ 'ভূগোল শিক্ষা' প্ৰকাশ কৰে।

তেওঁ গুৱাহাটীলৈ আহি আইন ব্যবসায আৰম্ভ কৰে। ১৮৯৮ চনত তেওঁ বিবাহ পাশত আবদ্ধ হয, উত্তৰ গুৱাহাটীৰ ভিবিৰাম বৰুৱাৰ বৰ জীযৰী ভূবনেশ্বৰীৰ লগত। পাঁচটি সন্তান জন্ম পোৱাৰ পিচত, ভুৱনেশ্বৰীৰ মৃত্যু হয। কনকলালে দ্বিতীয বিবাহ কৰাই ভিবিৰামৰে কন্যা প্ৰেমদা বৰুৱাক। তেওঁৰ ফালৰ সন্তান সাতোটি।

১৯০০ চনত তেওঁ ই এ চি নিযুক্ত হয, শিৱসাগৰত। সেই সমযত শিৱসাগৰত ডেপুটী কমিচনাৰ আছিল মিঃ এইচ চি. বাৰ্ণছ। ১৯০৫ চনত তেওঁ টুনামগঞ্জত মহকুমাধিপতিৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯০৯ চনৰ ১ নবেম্বৰত তেওঁ বৰপেটাত মহকুমাধিপতিৰূপে কাৰ্যনিৰ্বাহ কৰে। মহকুমাধিপতি হৈ থাকোতে তেওঁক 'ৰাযবাহাদুৰ' উপাধিৰে সম্মানিত কৰা হয। তেওঁক যোৰহাটৰ ডেপুটী কমিচনাৰৰূপে নিযুক্ত কৰিছিল যদিও খালীপদ নথকাত তেওঁ গোৱালপাৰাত মহকুমাধিপতিৰূপে কাম কৰিব লগা হয। তেওঁ শিল্প কমিচনৰো সভ্য আছিল। ১৯১৮ চনৰপৰা তেওঁ শ্বিলঙত ৰেজিষ্ট্ৰাৰ অব কো-অপাৰেটিভ আৰু শিল্প বিভাগৰ সঞ্চালক নিযুক্ত হয়। ১৯২৩ চনৰপৰা কৃষি বিভাগৰ সঞ্চালক হৈ, ১৯২৮ চনৰ ১ জানুৱাৰীৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৯২৯ চনত তেওঁ অসম ব্যৱস্থাপক সভাৰ সভ্য নিৰ্বাচিত হৈ, স্বাযত্ত শাসন বিভাগৰ মন্ত্ৰী নিযুক্ত হয। এই পদত তেওঁ ১৯৩৭ চনলৈ কাৰ্যনিৰ্বাহ কৰে।তেওঁ কামৰূপ অনুসন্ধান সমিতি

আৰু অসম ৰাজ্যিক সংগ্ৰহালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। এই দুযোটা অনুষ্ঠানৰ সম্প্ৰসাৰণ আৰু উন্নযনৰ হকে তেওঁ যথেষ্ট ত্যাগ স্বীকাৰ কৰিছে। ১৯২৮-২৯ চনৰ বাবে তেওঁ কামৰূপ অনসন্ধান সমিতিৰ সভাপতি আছিল। এই অনুষ্ঠানৰ মুখপত্ৰ 'Journal of the Assam Research Society'ৰ ১৯৩৩ চনৰ পৰা তেওঁ সম্পাদক আছিল।

১৯৩৭ চনত তেওঁ গুৱাহাটীত বহা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতি আছিল। তেওঁ 'ৰয়েল এচিয়াটিক চোচাইটি অব বেঙ্গল', 'ৰযেল এচিযাটিক চোচাইটি অব গ্ৰেট ব্ৰিটেইন এণ্ড আয়াৰলেণ্ড', ৰয়েল ইকনমিক চোচাইটি অব লণ্ডন আদিৰো সভ্য আছিল।

চাকৰিৰ ব্যস্ততাৰ মাজতে তেওঁ নিৰৱচ্ছিন্নভাৱে সাহিত্য সাধনা কৰি গৈছে। তেওঁৰ ইংৰাজী লেখাই সৰহ। "Early Hisrory of Kamrupa (১৯৩৩) তেওঁৰ উল্লেখযোগ্য সাহিত্য-কৃতি। এই গ্ৰন্থত প্ৰাচীন কামৰূপ সম্পৰ্কে বিস্তৃত তথ্য প্ৰকাশ পাইছে। তেওঁ ৰচনা কৰা প্ৰবন্ধ সমূহৰ মাজতো অতীত অসমৰ বিবৰণ পোৱা যায। তেনে মূল্যবান প্ৰবন্ধ সমূহৰ ভিতৰত কেইটামান হ'ল- অসমত উৎপন্ন বাণিজ্য বস্তু, কামৰূপ সাম্ৰাজ্য, আমাৰ শিল্প, কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ, অসমীয়া হিলৈ, সহানুভূতি আদি। তেওঁ ৰচনা কৰা ইংৰাজী প্ৰবন্ধ সমূহৰ ভিতৰত হ'ল— Some Noles on Assam Coins, Kamrup in the Sixth Century, Kamrupa and vajrayana, was there a Buddhist Temple at Hajo, Maharaja of Koch-Behar আদি। "The Journal of the Assam Reseach Society" আৰু "The Indian Culture" আলোচনীত প্ৰকাশিত প্ৰবন্ধ সমূহ ডঃ মহেশ্বৰ নেওগে "Early History of Assam" (১৯৭২) নামে প্ৰকাশ কৰিছে আৰু জোনাকী, উষা, বাঁহী, আৱাহন আদিত প্ৰকাশিত অসমীযা প্ৰবন্ধসমূহ নন্দ তালুকদাৰে "কনকলাল বৰুৱাৰ ৰচনাৱলী" (১৯৭২) নামে সম্পাদনা কৰি প্ৰকাশ কৰিছে।

কলিকতাত অনুষ্ঠিত সৰ্বভাৰতীয় হিষ্টৰিকেল ৰেকৰ্ড কমিচনত যোগদান দিবলৈ গৈ, ১৯৪০ চনৰ ৮ জানুৱাৰীত কলিকতাৰ মেডিকেল ট্ৰপিকেল স্কুলত কনকলাল বৰুৱাৰ মৃত্যু হয়। ❒

লক্ষ্মীনাথ বেজবৰুৱা

"অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুনী দেশ
এনেখন সুৰলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰিয়া মাত
অ' মোৰ সুবদি মাত
পৃথিবীৰ কতো বিচাৰি নোপোৱা
জনমটো কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই।"

উল্লিখিত এই সংগীতে যুগে যুগে অসমীয়া জাতিক প্ৰাণ শক্তি আৰু জীৱনী শক্তি প্ৰদান কৰি আহিছে। অসমৰ এই জাতীয় সংগীতটোৰ ৰচকগৰাকীয়ে লক্ষ্মীনাথ

বেজবৰুৱা। বেজবৰুৱা আছিল আধুনিক অসমীয়া সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা। তেওঁ অসমীয়া জাতিৰ বুকুৰ মাণিক, সাহস আৰু অনুপ্ৰেৰণাৰ প্ৰতীক ঃ

"আমি অসমীয়া নহও দুখীয়া কিহৰ দুখীয়া হম?
সকলো আছিল সকলো আছে 'নুগুণো নলও গম।"
বাজক ডবা বাজক শঙ্খ বাজক মৃদং খোল
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।"

লক্ষ্মীনাথ বেজবৰুৱা জন্ম হ্য ১৮৬৪ চনৰ নবেম্বৰত নগাঁৱৰ আহঁতগুৰিৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ বুকুত নাৱৰ ওপৰত। তেওঁৰ জন্ম আৰু নাম সম্পৰ্কে 'মোৰ জীৱন-সোঁৱৰণ'ত নিজে এনেদৰে লিখিছে, "পিতৃদেৱতা মুঞ্চেফ কামত নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেই কালত আসামত আজি-কালিৰ নিচিনা জাহাজ চলাচল যে নাছিল, সেইটো কোৱাই বাহুল্য। আহঁতগুৰি নামে এডোখৰ ঠাইত বালিত গধুলি নাও বন্ধা হ'ল। মাতৃদেৱীয়ে বালিত আঁৰ কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল। এনেতে তেওঁৰ গা বেয়া কৰাত, তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুন্ধিলৈ আহিল আৰু আজিৰ এই জীৱন-সোঁৱৰণ লেখক তেতিয়াৰ কোনো এক শুভ মুহূৰ্ত্তত ভূমিষ্ঠ নহৈ নৌকাস্থ হ'ল। শুনিছিলো, সেইদিনা হেনো পূৰ্ণিমা আৰু লক্ষ্মী পূজা আছিল। সেই দেখিয়ে এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল।" তেওঁৰ পিতাকৰ নাম দীননাথ বেজবৰুৱা আৰু মাতৃৰ নাম থানেশ্বৰী দেৱী। পিতৃ-মাতৃৰ তেৰটি পুত্ৰ আৰু ছয় জনী কন্যা ওপজে। বেজবৰুৱা পিতৃ-মাতৃৰ পঞ্চম সন্তান। আহোম স্বৰ্গদেউ পুৰন্দৰ সিংহই দীননাথক ৰাজকুলৰ 'বেজবৰুৱা' পাতিছিল। বৃটিছ চৰকাৰে দীননাথ বেজবৰুৱাক দেৱানী চিৰস্তদাৰ পদ দিযে আৰু পিছত মুন্সিফ পদত নিযুক্তি দিয়ে। থানেশ্বৰী দেৱীৰো বিশেষ পৰিচয় আছিল যে, তেওঁ ৰামায়ণ আৰু দশমৰ পদ ভাঙোতাৰূপে খ্যাত অনন্ত কন্দলীৰ ঘৰৰ জীয়ৰী। দীননাথ বেজবৰুৱা চৰকাৰী মুন্সিফ আছিল কাৰণে অসমৰ গুৱাহাটী, বৰপেটা, তেজপুৰ, উত্তৰ লক্ষীমপুৰ আদি প্ৰায়বোৰ ঠায়ে ঠায়ে ঘূৰি ফুৰিব লাগিছিল আৰু সেই সুযোগতে বেজবৰুৱাৰ বিভিন্ন ঠাইৰ বিভিন্ন লোকৰ লগত পৰিচয় ঘটিছিল। এনে পৰিবেশে তেওঁক প্ৰতিমা সজা, ছবি আঁকা, বৰশী বোৱা, নাওমাৰা, সাঁতোৰা আদি নানা বিদ্যাত পাকৈত কৰি তোলাত সহাযক হৈছিল।

বেজবৰুৱাই পঢাশালিয়া জীৱন আৰম্ভ কৰে লক্ষীমপুৰত। পিছত শিৱসাগৰ চৰকাৰী উচ্চ বিদ্যালয়ত তেওঁ নাম ভৰ্ত্তি কৰে। দীননাথ বেজবৰুৱাৰ ইচ্ছা আছিল

পুতেকক আয়ুৰ্বেদিক বিদ্যাত পাৰ্গত কৰা। কিন্তু লক্ষ্মীনাথ শিৱসাগৰ বিদ্যালযত পঢ়ি ইংৰাজী শিক্ষাৰ প্ৰতিহে বেছিকৈ আকৰ্ষিত হয়। বেজবৰুৱা প্ৰৱেশিকা পৰীক্ষাত দুবাৰো অকৃতকাৰ্য হয। ১৮৮৬ চনত তেওঁ দ্বিতীয় বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয, বৃত্তিও লাভ কৰে।

বেজবৰুৱাই উচ্চ শিক্ষা লবলৈ কলিকতালৈ যোৱাৰ ক্ষেত্ৰত, পোনতে মাক-পিতাকে বাধা দিছিল। কিন্তু তেওঁৰ ককায়েক গোবিন্দ বেজবৰুৱাই লক্ষ্মীনাথক কলিকতালৈ পঠোৱাৰ ক্ষেত্ৰত উৎসাহ যোগায়। তেওঁ কলিকতালৈ গৈ প্ৰথমতে কালিঘাটৰ এটা পৰিযালত থাকি ৰিপণ কলেজত মনোযোগেৰে পঢ়া-শুনা কৰিবলৈ আৰম্ভ কৰে। কিন্তু খোৱা-লোৱাৰ অসুবিধা ভোগ কৰি তেওঁ কলিকতা এৰি ঘৰলৈ উভতি আঁহে। পুনৰ তেওঁ কলিকতালৈ গৈ এইবাৰ কলিকতাৰ চিটী কলেজৰ পৰা ১৮৮৮ চনত এফ এ আৰু ১৮৯০ চনত এচেমব্লি কলেজৰ পৰা বি-এ পাচ কৰে। বেজবৰুৱাই আইন আৰু ইংৰাজী বিষযত এম-এ পঢ়িছিল যদিও ই অসম্পূৰ্ণ হয।

১৮৯১ চনৰ ১১ মাৰ্চত তেওঁ বংগদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ তৃতীয পুত্ৰ আৰু কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জ্যেষ্ঠ ভাতৃ হেমেন্দ্ৰনাথ ঠাকুৰৰ কন্যা প্ৰজ্ঞা সুন্দৰী দেৱীৰ সৈতে বিবাহ পাশত আৱদ্ধ হয। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে তেওঁক এটি সোণৰ কলম উপহাৰ দি কৈছিল যে, তেওঁৰ এই কলমৰ পৰা সুনিপুণ লেখা বাহিৰ হ'ব। উল্লেখ্য যে, বিয়াত কন্যা পক্ষৰ পৰা বিবাহ উপলক্ষে আগবঢ়োৱা দহ হেজাৰ টকাৰ যৌতুক তেওঁ গ্ৰহণ কৰা নাছিল।

বেজবৰুৱা আছিল স্বাধীনচেতিযা মনৰ। বৃটিছৰ তলত তেওঁৰ কোনো চাকৰি-নকৰি কৰাৰ মুঠে ইচ্ছা নাছিল। সেযে তেওঁ কৰ্মময় জীৱন আৰম্ভ কৰে ব্যৱসাযৰ মাজেৰেহে। অসমৰ বিখ্যাত ব্যৱসাযী ভোলানাথ বৰুৱাৰ সৈতে লগ লাগি আৰম্ভ কৰে কপাহৰ ব্যৱসায। তাৰ পিছত ভোলানাথ বৰুৱাৰ সৈতেই আৰম্ভ কৰে কাঠৰ ব্যৱসায। মিচচেলেনিয়াচ ষ্টোৰ্চ নামে কলিকতাতে তেওঁ এখন দোকানো আৰম্ভ কৰে। কাঠৰ ব্যৱসায়ত ভোলানাথৰ সৈতে তেওঁৰ মনোমালিন্য হোৱাত তেওঁ নিজাকৈও ব্যৱসায়ত লাগে। কিন্তু তাতো লাভ নোহোৱাত, ১৯১৬ তেওঁ বাৰ্ড কোম্পানীৰ চাকৰিত সোমায়। এই চাকৰি কালতে তেওঁ বংগদেশ আৰু উৰিষ্যাৰ নানা ঠাইলৈ যাব লগীয়া হৈছিল। ১৯২৭ চনত কোম্পানীয়ে তেওঁক পঠায় অসমলৈ। ১৯২৮ চনত তেওঁ কোম্পানীৰ চাকৰি ইস্তাফা দিয়ে আৰু এইবাৰ তেওঁ সম্বলপুৰত নিজাকৈ কাঠ ব্যৱসায় আৰম্ভ কৰে। বেজবৰুৱাই জীৱনৰ সৰহভাগ দিন কটায় উৰিষ্যাৰ সম্বলপুৰত।

লক্ষ্মীনাথ বেজবৰুৱাই যিয়ে নকৰক, য'তে নেথাকক-তেওঁৰ এটাই চিন্তা আছিল, অসমীযা সাহিত্য সাধনা। তেওঁ আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰৰ বাবে সমগ্ৰ জীৱন অতিবাহিত কৰিছে। তেওঁৰ এই সাধনাৰ বাবে তেওঁ আজি আমাৰ মাজত সাহিত্যৰথী আৰু ৰসৰাজ নামে জনাজাত। তেওঁ আজি অসমৰ সৰ্বজন পূজ্যব্যক্তি। কবিতা, নাটক, উপন্যাস, চুটি গল্প, সমালোচনা, ৰস ৰচনা, জীৱনী আদি নানা সাহিত্যৰে তেওঁ ভাষা আৰু জাতিক সমৃদ্ধ কৰিছে। ১৮৮৮ চনত তেওঁ কলিকতাত থাকোতে বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া সাহিত্যৰ উন্নতিৰ হকে প্ৰতিষ্ঠা কৰে অ ভা উ সা সভা। আমাৰ সাহিত্যৰ ইতিহাসত এই তিনিগৰাকী 'ত্ৰিমূৰ্ত্তি' ৰূপেও খ্যাত। অ ভা উ সা সভাৰ তেওঁ আছিল সম্পাদক আৰু ধন ভঁৰালী। একে সময়তে প্ৰকাশ পায় 'জোনাকী'। তৃতীয় আৰু চতুৰ্থ বছৰত তেওঁ এই আলোচনী সম্পাদনা কৰে। 'জোনাকী'য়েই অসমীযা সাহিত্যলৈ ৰোমাণ্টিক ভাবধাৰা বোৱায। ১৯১০ চনত বেজবৰুৱাই 'বাঁহী' সম্পাদনা কৰে। সোতৰ বছৰে 'বাঁহী' প্ৰকাশ পায। 'বাঁহী'তে প্ৰকাশিত হয় তেওঁৰ 'অ' মোৰ আপোনাৰ দেশ'। 'আসাম বন্ধু'ত প্ৰকাশিত 'মৃত্যু-শয্যা' কবিতাটোৱে বেজবৰুৱাৰ প্ৰথম ৰচনা বুলি জনা যায়।। 'জোনাকী'ত প্ৰকাশিত 'কন্যা' তেওঁৰ প্ৰথম গল্প। তেওঁৰ ৰচনাৰাজি হ'ল — কবিতা ঃ কদমকলি (১৯১৩)। উপন্যাস— পদুম কুঁৱৰী (১৯০৫)। গল্প— সুৰভি (১৯০৯) সাধুকথাৰ কুকি (১৯১২), জোনবিৰি (১৯১৩), কেহোঁকলি (১৯৬৮)। সাধুকথা— জুনুকা (১৯১০), বুঢ়ী আইৰ সাধু (১৯১১) ককাদেউতা আৰু নাতি ল'ৰা (১৯১২), বাখৰ (১৯১৫)। ধেমেলীযা নাট — লিতিকাই (১৮৯০), নোমল (১৯১৩), পাচনি (১৯১৩), চিকৰপতি নিকৰপতি (১৯১৩)। বুৰঞ্জীমূলক নাটক — জযমতী (১৯১৫), চক্ৰধ্বজ সিংহ (১৯১৫), বেলিমাৰ (১৯১৫) আদি। জীৱনী— শ্ৰীশ্ৰী শংকৰদেৱ (১৯১১), মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ (১৯১৪), দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত্ৰ (১৯০৯), বেজবৰুৱাৰ বংশাৱলী, পত্ৰলেখা, দিনলেখা (১৯৬৯)। আত্মজীৱনী— মোৰ জীৱন সোঁৱৰণ (১৯৪৪)। কৃপাবৰ বৰুৱা ছদ্মনামত — কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা (১৯০৪), কৃপাবৰ বৰুৱাৰ ওভোতনি (১৯০৯), বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (১৯৫১), বৰবৰুৱাৰ বুলনি (১৯৬৪) আদি। আলোচনামূলক — কামত কৃতিত্ব লভিবৰ সংকেত (১৯০৩), ভাগৱত কথা (১৯১৫), ভাৰতবৰ্ষৰ বুৰঞ্জী (১৯১৯), তত্ত্বকথা (১৯৬৩), কৃষ্ণকথা, অসমীযা ভাষা আৰু সাহিত্য, ভাগৱত কথা আদি।

১৮৯১ চনত এলাহাবাদত আৰু ১৯০৩ চনত মাদ্ৰাজত অনুষ্ঠিত ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাত বেজবৰুৱাই ভাষণ দিযে। ১৯১৬ চনত গুৱাহাটীত আৰু ১৯২১

চনত গুৱাহাটীত বহা অসম ছাত্র সন্মিলনৰ তেওঁ সভাপতিত্ব কৰে। ১৯৩১ চনত অসম সাহিত্য সভাই শিৱসাগৰ অধিবেশনত তেওঁক 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰে। ১৯৩৩ চনত বৰোদাৰ ৰজা মহাৰাজ গাই কোঁৱৰে তেওঁক আমন্ত্ৰণ জনায়। তাত তেওঁ বৈষ্ণৱ ধৰ্ম সম্পৰ্কে ভাষণ দিয়ে।

১৯২৪ চনৰ ২৬, ২৭, আৰু ২৮ ডিচেম্বৰত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, "কোনো এটা জাতিৰ ৰাজনৈতিক, সামাজিক আৰু ধৰ্ম সম্বন্ধীয় সকলো কথাৰ ভূ সেই জাতিৰ সাহিত্যৰ ভিতৰেদি পোৱা যায়। যি দেশৰ জাতীয় জীৱন যিমান সৌষ্ঠৱপূৰ্ণ সেই দেশৰ সাহিত্যও সৌষ্ঠৱপূৰ্ণ। জীৱন্ত ভাষা দেশৰ সকলো ভাবৰ বাহন।" বেজবৰুৱা সম্পৰ্কে ডঃ বাণীকান্ত কাকতিয়ে লিখিছে, "জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰস এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে।"

১৯৩৭ চনৰ ২৩ আগষ্টত ভগ্ন স্বাস্থ্য লৈ তেওঁ অসমলৈ আহে। জীৱনৰ শেষ কালডোখৰ কন্যা ৰত্না বৰুৱা আৰু জোৱায়েক ৰোহিণী বৰুৱাৰ লগতে ডিব্ৰুগডত কটায়। জোৱায়েক ৰোহিণী বৰুৱা অসমৰ এগৰাকী নামজ্বলা চাহ খেতিয়ক আছিল।

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৩৮ চনৰ ২৬ মাৰ্চত ডিব্ৰুগড চহৰত। কিন্তু বেজবৰুৱাৰ কীৰ্ত্তি সংসাৰত সদায় অক্ষয় হৈ থাকিব। তেওঁৰ কবিতাৰ ভাষাৰেই ঃ

"ফুলিল মালতী ফুল, সৰি পৰি গ'ল,
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ'ল।
ভাগি গ'ল বীণখনি, ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয় জোঁকাৰ।" ❒

ৰজনীকান্ত বৰদলৈ

'জোনাকী যুগ'ত অসমীয়া সাহিত্য প্ৰতিষ্ঠাৰ বাবে যি কেইগৰাকী ব্যক্তিয়ে আশাশুধীয়া প্ৰচেষ্টা চলাইছিল তাৰ ভিতৰত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াও এজন। তেওঁৰ হাতত অসমীয়া উপন্যাসে পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰে। তেওঁ উপন্যাসসমূহৰ মাজেৰে অতীত অসমৰ বহুতো গৌৰৱময় আৰু অশ্ৰুসিক্ত লোমাহৰ্ষক কাহিনী পোহৰলৈ আনিছে। তেওঁৰ এই সুখপাঠ্য উপন্যাসসমূহৰ বাবে অসমীয়া সাহিত্যত তেওঁক উপন্যাস-সম্ৰাট, অসমীয়া উপন্যাসৰ পিতা, অসমীয়া স্কট, অসমৰ বঙ্কিমচন্দ্ৰ আদি আখ্যাৰে সন্মানিত কৰা হৈছে।

ৰজনীকান্ত বৰদলৈ জন্ম হয় ১৮৬৭ চনৰ ২৪ নবেম্বৰত, গুৱাহাটীৰ (কুকুৰমুতাত) হেদায়ৎপুৰত। তেওঁৰ পিতৃ হ'ল নৱকান্ত বৰদলৈ আৰু মাতৃ হ'ল স্বৰ্ণময়ী দেৱী। তেওঁলোকৰ পূৰ্বপুৰুষ দিহিঙৰ আৰু তাত তেওঁলোক দিহিঙীয়া বৰদলৈ বুলি জনাজাত। বৰদলৈৰ ককাদেউতাক তুৰাৰাম বৰদলৈ। তুৰাৰাম বৰদলৈয়ে মানৰ আক্ৰমণত নদীয়া-শান্তিপুৰলৈ যায়। মানৰ আক্ৰমণ কমাত তেওঁ বজালী অঞ্চললৈ আহি- তাতে ঘৰ-মাটি কৰি স্থায়ীভাবে বস-বাস কৰিবলৈ লয়। এই বজালীতে বৰদলৈ পিতৃ নৱকান্তৰ

জন্ম হয়। নৰকান্তই বজালী ত্যাগ কৰি, ক্ৰমে হাজো, উত্তৰ গুৱাহাটী আৰু পিছত গুৱাহাটীতে বসতি কৰিবলৈ লয়। ৰজনীকান্ত বৰদলৈৰ মোমায়েকৰ ঘৰ উত্তৰ গুৱাহাটীত আছিল। তেওঁ উত্তৰ গুৱাহাটীত মোমায়েকৰ ঘৰত থাকিয়ে প্ৰাথমিক শিক্ষা আৰম্ভ কৰে।

১৮৮৫ চনত তেওঁ গুৱাহাটীৰ চৰকাৰী হাইস্কুলৰ পৰা এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষাত তেওঁ এটি কুৰি টকীয়া বৃত্তিও লাভ কৰে। তাৰ পিচত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায়। কলিকতাৰ মেট্ৰোপলিটান কলেজত তেওঁ ভৰ্তি হয। ১৮৮৭ চনত তেওঁ সেই কলেজৰ পৰা এফ এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাত তেওঁ বি টি কলেজত আৰু মেডিকেল কলেজতো ভৰ্ত্তি হয়। কিন্তু বি টি আৰু মেডিকেল পঢা তেওঁৰ সম্পূৰ্ণ নহ'ল। ১৮৮৯ চনত তেওঁ বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতাত পঢ়া কালত তেওঁ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ লগত জড়িত হয়। সেই সময়ত কলিকতাৰ পৰা প্ৰকাশিত 'জোনাকী'ত তেওঁ 'শৰীৰ তত্ব' শীৰ্ষক এলানি প্ৰবন্ধ ৰচনা কৰিছিল।

১৮৯০ চনত তেওঁ গুৱাহাটী উপায়ুক্তৰ কাৰ্যালয়ত কেৰাণীৰ চাকৰিত নিযুক্ত হয। এনে সময়তে এদিন গেইট চাহাবে তেওঁক অসম সম্পৰ্কে কিবা- কিবি প্ৰশ্ন কৰাত আৰু সেই প্ৰশ্নৰ উত্তৰ তেওঁ দিব নোৱৰাত, গেইট চাহাব তেওঁৰ প্ৰতি অসন্তুষ্ট হয়। কিন্তু বৰদলৈৰ আন গুণত মুগ্ধ হৈ, ১৮৯১ চনত তেওঁক গেইট চাহাবে চব ডেপুটী কলেক্টৰ পদ লাভ কৰাত সহায কৰি দিযে। গেইত চাহাবকো তেওঁ "A History of Assam" গ্ৰন্থ ৰচনা কৰোঁতে নানা তথ্যৰ সমল গোটাই দিছিল বৰদলৈযে। বৰদলৈৰ চাকৰি জীৱনত পদোন্নতি হৈ উত্তৰ লক্ষীমপুৰ চব ডেপুটী কলেক্টৰ আৰু তাৰপিচত বৰপেটালৈ বদলি হয়। ১৯০১ চনত তেওঁ একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ আৰু ১৯০৯ চনত নগাঁৱৰ উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯১৮চনত তেওঁ চাকৰিৰপৰা অৱসৰ পায়।

ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁ আছিল একেধাৰে ঔপন্যাসিক, কবি, প্ৰবন্ধকাৰ, নাট্যকাৰ, হাস্য-ৰসিক। তেওঁ কলেজীযা জীৱনতে ৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ আৰ্হিৰে এলানি উপন্যাস ৰচনা কৰাৰ সংকল্প লৈছিল। এই পটভূমিৰে ৰচিত তেওঁৰ বুৰঞ্জীমূলক উপন্যাস সমূহ হ'ল— মনোমতী (১৯০০), দন্দুৱাদ্ৰোহ (১৯০৯), ৰঙ্গিলী (১৯২৫), নিৰ্ম্মল ভকত (১৯২৬), তাম্ৰেশ্বৰীৰ মন্দিৰ (১৯২৬), ৰহদৈ লিগিৰী (১৯৩০), ৰাধা-ৰুক্মিণীৰ ৰণ

আদি। মিৰি সমাজৰ পটভূমিত ৰচিত তেওঁৰ প্ৰথম অসমীয়া সামাজিক উপন্যাস হ'ল— 'মিৰি জীয়ৰী' (১৮৯৫)। তেওঁৰ আনখন উপন্যাস হ'ল, "খাম্বা- থুইবীৰ সাধু"। তেওঁৰ উপন্যাস সমূহ সম্পৰ্কে ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে এনেদৰে, "বৰদলৈয়ে উপন্যাস সমূহ আদৰ্শাত্মক দৃষ্টিভঙ্গীৰ ৰচনা কৰিছে। উপন্যাস কেইখনত প্ৰণয়ৰ উদ্ভৱ আৰু বিকাশ যদিও প্ৰধান বিষয় হৈ পৰিছে, তথাপি প্ৰাসঙ্গিকভাৱে ধৰ্ম, সংস্কৃতি আৰু সমাজৰ অন্যান্য দিশৰ ওপৰতো যথেষ্ট পোহৰ পেলাইছে। তেওঁৰ উপন্যাসৰ প্ৰেম দেহজ স্তৰত আৰম্ভ হৈ আদৰ্শাত্মক অৱস্থাত পৰিণতি লাভ কৰিছে। তেওঁ সৰু-বৰ, সৎ-অসৎ সকলো চৰিত্ৰকে সহানুভূতিশীল দৃষ্টিৰে আঁকিছে। প্ৰাকৃত বা সৰল চহা জীৱনৰ প্ৰতি গভীৰ প্ৰীতি, নদ-নদী, পৰ্বত-টিলাৰে পৰিপূৰ্ণ অসমৰ নৈসৰ্গিক পৰিবেশৰ লগত গভীৰ প্ৰীতিপূৰ্ণ পৰিচয়, ঈশ্বৰৰ মাঙ্গলিক বিধানৰ ওপৰত গভীৰ নিষ্ঠা, বৈষ্ণৱ আদৰ্শৰ প্ৰতি আস্থা আৰু আশাবাদী দৃষ্টিয়ে বৰদলৈৰ উপন্যাসসমূহ ৰঞ্জিত কৰিছে। বৰদলৈৰ উপন্যাস সমূহ নায়িকা প্ৰধান। দুষ্টা, ব্যাভিচাৰিণী, নিৰ্দয়া বা শঠতাৰেপূৰ্ণ কোনো নাৰী চৰিত্ৰ পোৱা নাযায়। চৰিত্ৰসমূহ পোনপটীয়া সৰল, মাননীসিক দ্বন্দ্ব স্ত্ৰী বা পুৰুষ কোনো চৰিত্ৰতে নাই বুলিলেও হয়। মানবীয় দুৰ্বলতা চৰিত্ৰত নথকা নহয়, কিন্তু লিখকৰ সহানুভূতিশীল চৰিত্ৰাঙ্কনৰ ফলত পাঠকৰ সহানুভূতি আকৰ্ষণ কৰিব পাৰিছে। বৰদলৈৰ উপন্যাসত মনস্তাত্বিক বিশ্লেষণ নাই, প্ৰাযবোৰ প্ৰধান চৰিত্ৰই এক বৈশিষ্ট্যপূৰ্ণ।" 'জ্ঞান-সপোন' (১৮৯৭) আৰু 'মনোবিজ্ঞান' তেওঁৰ দুখন মূল্যবান গ্ৰন্থ। তেওঁৰ গল্প সম্ভাৰ হ'ল— গা-ধন (১৯৩১), প্ৰেমৰ উপাসক (১৯৩২), সৌন্দৰ্য্যৰ উপাসক (১৯৩২) আদি। কবিতা— মানুৰ প্ৰতি আক্ৰমণৰ গীত আদি। 'ভোলাই শৰ্মা' নামেৰে ৰচনা কৰা তেওঁৰ ধেমেলীয়া ৰচনা-সম্ভাৰৰ ভিতৰত হ'ল— মই স্বাধীন নে? আত্মবিনোদক থিয়েটাৰৰ দল, নগৰ সংকীৰ্ত্তন আদি। তেওঁৰ ৰচিত প্ৰবন্ধ সম্ভাৰৰ ভিতৰত হ'ল— অসম চুতীয়া সম্মিলন, মণিপুৰী জাতি, মায়ামৰা সত্ৰসকলৰ বিষয়ে, শ্ৰীশ্ৰীভট্টদেব, শদিয়া ৰাজ্যৰ পুৰণি তত্ত্ব, দক্ষিণপাট সত্ৰৰ নৰদেৱ সত্ৰাধিকাৰ, দেৱদামোদৰ আৰু হিন্দু ধৰ্ম, অসমত উপন্যাসৰ সঁজুলি, আত্মজীৱন চৰিত্ৰ, মোৰ জীৱনৰ অভিজ্ঞতা, মোৰ সাহিত্যিক জীৱনৰ অতীত কাহিনী, মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আদি। তেওঁৰ এই প্ৰবন্ধসমূহ আসাম হিতৈষী, আৱাহন, বাঁহী, মিলন, জোনাকী, উষা আদি আলোচনীত প্ৰকাশিত হৈছিল। তেওঁ 'অসম প্ৰদীপিকা' (১৯২৫) নামে আলোচনী এখনো সম্পাদনা কৰে।

১৯২৫ চনৰ ২৭ ডিচেম্বৰৰ পৰা নগাৱঁত অনুষ্ঠিত অসম সাহিত্য সভাৰ অষ্টম অধিবেশনৰ বৰদলৈ সভাপতি আছিল। সভাপতি আসনৰ পৰা ৰাইজৰ উদ্দেশ্য দিয়া

ভাষণত তেওঁ কৈছিল, "জাতিটো ৰবলৈ হ'লে আমাক ধনবল, জনবল দুয়োটা লাগে। কিন্তু আমি দুয়োটা বিষয়তে দুখীয়া। কানি, ভাং, চিগাৰেট অসমীয়াই এৰক। দেখিব তেতিয়াহ'লে অসমীয়াৰ শৰীৰলৈ এটা নতুন জীৱনী শক্তি আহিব। যি জাতি যিমান উন্নত, সেই জাতিৰ ভাষা আৰু সাহিত্যও সিমান উন্নত।" উপন্যাস সম্পৰ্কে কয়, "অসমীয়া উপন্যাস যেন অসমৰ চৰিত্ৰৰ, অসমীয়া সমাজৰ কাব্য কাননৰ সফল ফটফটীয়া দাপোণ আৰু উপন্যাসৰ সিদ্ধান্তই যেন পাঠকক ঈশ্বৰমুখী কৰি উন্নতিৰ বাটলৈ নিয়ে। ফাচহ বজৰুৱা উপন্যাস যেন অসমীয়াই নিলিখে।" তেওঁ কৰ্তব্য পালন কৰা সম্পৰ্কে কয়," পৃথিৱীত আচল ধৰ্ম হৈছে কৰ্তব্য পালন কৰা। তাৰ লগে লগে সত্য, সংযম, ধৈৰ্য্য, পৰোপকাৰ, দান, দয়া, স্বাৰ্থত্যাগ, পবিত্ৰতা, ক্ষমা, নম্ৰতা, বিনয়, সমাজ ৰক্ষাৰ্থে ন্যায় কৰ্ম ইত্যাদি আচৰণ কৰা, ঈশ্বৰত বিশ্বাস আৰু ভক্তি ৰখা।"

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৪০ চনৰ ২৫ মাৰ্চত, গুৱাহাটীত। ❒

বেণুধৰ ৰাজখোৱা

'মই অসমীযা ভাষা আৰু অসমীয়া মানুহক অতি ভাল পাওঁ, ইমানেই। মোৰ মন্ত্র অসমীয়াৰ উন্নতিৰ বাট মুকলি কৰা। যি সেই উন্নতিৰ বাটত ভেটা দিব তাকেই বাটৰপৰা একতীয়া কৰিবলৈ যত্ন কৰোঁ।" এই অসমপ্রাণ ব্যক্তি গৰাকীয়ে সাহিত্য সাধক বেণুধৰ ৰাজখোৱা।

বেণুধৰ ৰাজখোৱাৰ জন্ম হয় ১৮৭২ চনৰ ১১ ডিচেম্বৰত, ডিব্রুগড়ৰ ওচৰত খোৱাঙত। তেওঁৰ পিতাকৰ নাম সুচান্দৰাম আৰু মাকৰ নাম হীৰাৱতী। পিতৃ সুচান্দৰাম জয়পুৰ মৌজাৰ এজন মৌজাদাৰ আছিল। জয়পুৰতে বেণুধৰ ৰাজখোৱাৰ সৰু কালৰ শিক্ষা আৰম্ভ হয় আৰু তাৰ মজলীয়া ইংৰাজী স্কুলত ভৰ্ত্তি হয়। ১৮৮৬ চনত তেওঁ মজলীয়া স্কুল উত্তীর্ণ হয়। তাৰপিছত তেওঁ ডিব্রুগড় চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত ভৰ্ত্তি হয়। ১৮৮৯ চনত তাৰপৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পিছত তেওঁ উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায় আৰু তাৰে প্রেছিডেন্সী কলেজত ভৰ্ত্তি হয়। কিন্তু কলিকতাৰ চিটী কলেজৰপৰাহে ১৮৯২ চনত তেওঁ এফ এ পৰীক্ষাত উত্তীর্ণ হয়। ১৮৯৬ চনত তেওঁ ৰিপণ কলেজৰপৰা বি. এ পাছ কৰে। তেওঁ কলিকতাত এম এ

আৰু আইন পৰীক্ষাত পটিবলৈ লৈছিল। ১৮৯৮ চনত তেওঁ উপ-প্ৰতিসমাহৰ্ত্তাৰ পদত নিযুক্তি লাভ কৰি, ১৮৯৯ চনৰপৰা শিবসাগৰত চাকৰি জীৱন আৰম্ভ কৰে। এই সময়ছোৱাতে তেওঁ ডিব্ৰুগড়ৰ দুতিৰাম বৰুৱাৰ জীয়েক ৰত্নকুমাৰী বৰুৱাৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেওঁ শিবসাগৰ জিলাৰ উপায়ুক্তৰূপে ১৯৩২ চনত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। ব্ৰিটিছ চৰকাৰে তেওঁক 'ৰায় চাহাব' খিতাপ প্ৰদান কৰিছিল।

বেণুধৰ ৰাজখোৱাই সমাজৰ বিভিন্ন উন্নয়নমূলক কামত ব্ৰতী হৈছিল। শিক্ষা বিস্তাৰৰ কাৰণে তেওঁ বিশেষ ভূমিকা পালন কৰিছল। তেওঁ ডিব্ৰুগডত ছোৱালী হাইস্কুল প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লৈছিল। ডিব্ৰুগড কানৈ কলেজ স্থাপনৰ ক্ষেত্ৰতো আগভাগ লৈছিল আৰু এই কলেজৰ পৰিচালনা সমিতিৰ তেওঁ সভাপতি আছিল। এই কলেজত তেওঁ কিছুদিনৰ বাবে অধ্যাপনাও কৰিছিল।

বেণুধৰ ৰাজখোৱাই সৰু কালৰেপৰা সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। ১৮৮০ চনৰপৰা তেওঁ 'সঞ্জীৱনী' নামৰ বঙালী কাকতত লিখা মেলা কৰিবলৈ লয। তেওঁ 'জোনাকী' আৰু 'বিজুলী' আলোচনীতো লিখিবলৈ লৈছিল। প্ৰথম বছৰ 'জোনাকী'ত তেওঁৰ প্ৰকাশ পায 'মাতৃ-ভক্তি'। তেওঁ কলিকতাত পটি থকা কালত এ এচ এল ক্লাব আৰু অ ভা উ সা সভাৰ লগতো জড়িত আছিল। কলেজীয়া জীৱনত তেওঁৰ সাহিত্য চৰ্চাৰ অনুৰাগে পঢা-শুনাত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল। তেওঁ তৃতীয বছৰ 'বিজুলী'ৰ সম্পাদনাৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। তেওঁ আমাৰ সাহিত্যলৈ বিশেষকৈ কবিতা, নাটক আৰু প্ৰবন্ধ দিশত উল্লেখযোগ্য বৰঙণি আগবঢাইছে। তেওঁৰ প্ৰকাশিত কবিতাৰ পুথি হৈছে— পঞ্চকবিতা (১৮৯৫), দশ গীত (১৮৯৯), সৰু ল'ৰাৰ গীত (১৮৯৯), চন্দ্ৰসম্ভৱ (১৯০০), অসমীয়া ভাই (১৯০১), বাঁহী (১৯০৩), জীৱন সন্ধিযা (১৯২৯), দেহৰ প্ৰলয (১৯৩০), সিপুৰীৰ বাতৰি (১৯৩০), পুনৰুত্থান (১৯৩১) আদি। নাটকসমূহৰ ভিতৰত হ'ল— সেউজী কিৰণ (১৮৯৬), ডেকা গাভৰু (১৮৯৯, পদ্মনাথ গোহাঞিবৰুৱাৰ লগত যুটিয়াভাৱে ৰচিত), দুৰ্যোধনৰ উৰুভংগ (১৯০৪), দক্ষযজ্ঞ (১৯০৮), কুৰি শতিকাৰ সভ্যতা (১৯০৮), দৰবাৰ (১৯১২), কলিযুগ (১৯১২), তিনি ঘৈণী (১৯২৮), চোৰৰ দৃষ্টি (১৯৩১) আদি। ১৯১৭ চনত তেওঁ ৰচনা কৰে 'অসমীয়া খণ্ড বাক্য কোষ'। অসমীয়া ভাষাত ই এখন উল্লেখযোগ্য গ্ৰন্থ। 'মহাসতী জযমতী', 'মোৰ জীৱন দাপোণ' 'বিহু' আদি আন তিনিখন উল্লেখযোগ্য গ্ৰন্থ। তেওঁৰ কেইখনমান ইংৰাজী বিষয়ৰ গ্ৰন্থ হ'ল- Assamese Demonology (1905), Notes on the Sylhetes Dialect (1913), Short Account of Assam (1915), Assamese Popular Super Stitions (1920), A note on the Miri Tribe in

Assam আদি। তেওঁৰ ইংৰাজীলৈ অনুবাদ হ'ল— বিপ্ৰ দামোদৰ (১৯১৩), নামঘোষা (১৯১৯), কাণখোৱা (১৯২০), গুণমালা (১৯২৩)। ১৮৯২ চনত তেওঁ 'আদিকাণ্ড' ৰামায়ণ সম্পাদনা কৰে। তেওঁ কেইবাখনো পাঠ্যপুথিৰ ৰচক। তেওঁৰ পঢ়াশলীয়া পুথিৰ ভিতৰত হ'ল— ল'ৰা পুথি, সাহিত্য প্ৰবেশ, নীতি পাঠ, লীলাৱতী (বীজগণিত) আদি।

১৯২৬ চনত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ নৱম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "ভাৰতৰ সকলো জাতিয়েই নিজৰ বাটে উধাওক। ব্ৰহ্মপুত্ৰ ব্ৰহ্মপুত্ৰৰ ভাগে, গংগা গংগাৰ ভাগে, যমুনা যমুনাৰ ভাগে, কাবেৰী কাবেৰীৰ ভাগে, সিন্ধু সিন্ধুৰ ভাগে আগবাঢ়ক আৰু বৈ যাওঁক। কাকো কাৰো লগত লগ লগাবলৈ যেন যত্ন কৰা নহয়। আটাইবিলাক গৈ শেষত ভাৰত মহাসাগৰত পৰিবগৈ আৰু সেয়ে ভাৰতীয় মহাজাতি। ভাৰতীয় মহাজাতি সৃষ্টি কৰিবলৈ আন উপায়েৰে কাৰবাৰ কৰিলে লেঠা বাঢি যাব আৰু ভাৰতীয় মহাজাতি পানীৰ ঔ-টেঙা হ'ব।"

"সাহিত্য ধৰ্মত প্ৰতিষ্ঠিত হ'ব লাগে, নহলে সি ঠাৰিব নোৱাৰে। মিছাৰে সাহিত্য সৃষ্টি নহয়। সাহিত্যৰ মুখ্য উদ্দেশ্য, পৃথিৱীত ধৰ্মৰাজ্য স্থাপন। প্ৰজাপুঞ্জইহে দেশৰ মূল বল। সৰ্ব-সাধাৰণে উধাব নোৱাৰিলে সেই দেশ উধাব নোৱাৰে।"

বেণুধৰ ৰাজখোৱাৰ মৃত্যু হয় ১৯৫৫ চনৰ ২২ জুনত। ❐

তৰুণৰাম ফুকন



তৰুণৰাম ফুকন আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী আগশাৰীৰ প্ৰখ্যাত নেতা। তদুপৰি তেওঁ আছিল একেধাৰে বিশিষ্ট সাহিত্যসাধক, বাগ্মীবৰ, চিকাৰী আৰু খ্যাতিসম্পন্ন উকিল। তেওঁক দেশভক্ত আখ্যা দিয়া হৈছে। তেওঁৰ কাব্যৰ মাজেৰেও স্বদেশ প্ৰেমৰ ভাব ফুটি ওলাইছে ঃ

মোৰ আই অসম

আই মোৰ অসম নিছলা অসম
দুখুনী অসম আমাৰ দেশ,
কিয়নো আই তোৰ এনুৱা বিলাই
কিয়নো আই তোৰ এনুৱা বেশ।
কিযনো আই তই চকুলো টুকিছ
নাবান্ধ আই তই মূৰৰ কেশ,
লাখে লাখে তোৰ ল'ৰা-ছোৱালীয়ে
সাদৰি মাতিছে আমাৰ দেশ।

উপজি যি ঠাইত শঙ্কৰ-মাধৱ
বৈষ্ণৱ ধৰ্মৰ সাধিলে জয়,
আজিও যি ধৰ্ম ভাৰত বৰিৱে
ভকতি-প্ৰণত চৰণ লয়।
অনন্ত কন্দলি ৰাম সৰস্বতী
যাৰ কীৰ্তি দিলে বিয়াপি দেশ,
সেয়েনো নহলে আই এই অসম
সেয়েনো নহলে আমাৰ দেশ?
তোমাৰ সুপুত্ৰ ৰজা ভগদত্তে
ভাৰত যুদ্ধত কৰিলে ৰণ,
তোমাৰ জীয়াৰী ৰুক্মিণী সুন্দৰী
ৰূপত কৃষ্ণৰ মোহিলে মন।
সীতাৰ আদৰ্শ কুঁৱৰী জয়মতী
পতিৰ হন্তে তেজিলে প্ৰাণ,
সেয়েনো নহলে আই আমাৰ
সেযে নিশ্চয় নোহোৱা আন।

তৰুণৰাম ফুকনৰ জন্ম হয় ১৮৭৭ চনৰ ২২ জানুৱাৰীত, গুৱাহাটীৰ ভৰলুমুখত। তেওঁৰ পিতাকৰ নাম বলোৰাম ফুকন আৰু মাতৃৰ নাম ভাগীৰথী দেৱী। তেওঁলোকৰ পূৰ্বপুৰুষ উজনীৰ টীয়কীয়া অধ্যাপকৰ বংশধৰ। তেওঁলোকৰ পূৰ্বপুৰুষ পৰশুৰাম শিশু কালতে অনাথ হৈ গুৱাহাটীলৈ আহে। এই অনাথ শিশুটিক প্ৰতিপালন কৰে লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে। এই পৰশুৰামৰে পুত্ৰ যজ্ঞৰাম। যজ্ঞৰামৰ পুত্ৰ বলোৰাম। বলোৰাম ফুকনৰ চাৰিজন পুত্ৰ। তৰুণৰাম ফুকন কনিষ্ঠ পুত্ৰ। তৰুণৰাম ফুকন আনন্দৰাম ঢেকিয়াল ফুকনৰ ভতিজাক। বলোৰাম ফুকন এগৰাকী প্ৰখ্যাতলোক আছিল। তেওঁ বিজনীৰ দেৱান আছিল। তেওঁ এগৰাকী বিখ্যাত চিকাৰী আছিল আৰু তেওঁৰ হাতীৰ মহল আছিল।

তৰুণৰাম ফুকন এগৰাকী মেধাবী ছাত্ৰ আছিল। তেওঁ গুৱাহাটীৰ কলেজিয়েট স্কুলৰপৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ, উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায়। কলিকতাৰ প্ৰেচিডেন্সী কলেজত ভৰ্ত্তি হয়। এই কলেজতে তেওঁ এফ এ পাছ কৰি, বি-এ পঢ়িবলৈ লয়। তাৰ পিছত তেওঁ বেৰিষ্টাৰী পঢ়িবলৈ লণ্ডনলৈ যায়। তাত তেওঁ চাৰিবছৰকাল বেৰিষ্টাৰী পঢ়ি, বেৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ- ভাৰতলৈ ঘূৰি

আছে। ফুকন আছিল অসমৰ তৃতীয়গৰাকী বেৰিষ্টাৰ। প্ৰথম বেৰিষ্টাৰ আনন্দৰাম বৰুৱা আৰু দ্বিতীয় আব্দুল মজিদ। পোনতে তেওঁ কলিকতাৰ উচ্চ ন্যায়ালয়ত ওকালতি কৰিবলৈ লয়। ফুকনে বিলাসী জীৱন যাপন কৰি ভাল পাইছিল। কলিকতাত থকা কালত, তেওঁ বাইছাইকেলত উঠি ঘূৰা-ফুৰা কৰিছিল। সেই সময়ত গুৱাহাটীত কিয়, কলিকতাতে হেনো বৰ কম সংখ্যক বাইছাইকেল আছিল। তেওঁ গুৱাহাটীলৈ আহিও ছাইকেলত উঠি ঘূৰি-ফুৰিছিল। ছাইকেলত উঠোতা ফুকন প্ৰথমগৰাকী অসমীয়া। তেওঁ কলিকতাত থকা কালত ফ্ৰেঞ্চ মটৰ কোম্পানীৰ গাড়ীও কিনি চলাইছিল। কিন্তু কংগ্ৰেছত যোগদান কৰাৰ পিছত, তেওঁ বিলাসী জীৱন ত্যাগ কৰিছিল। কলিকতাত পঢ়া কালতে ভাৰতবাসীয়ে তেওঁৰ কৃতিত্বৰ পৰিচয় পাইছিল। মাতৃভাষা অসমীযাৰ উপৰিও ইংৰাজী, সংস্কৃত, বঙলা, আদি ভাষাত তেওঁৰ অগাধ ব্যুৎপত্তি আছিল আৰু এইবোৰ ভাষাত তেওঁ দিয়া অনৰ্গল বক্তৃতাৰ বাবে সকলোৱে তেওঁক বাগ্মীপুৰুষ আখ্যা দিছিল। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে তৰুণৰাম ফুকনৰ প্ৰতি মোহিত হৈ, নিজৰ কন্যাক ফুকনলৈ বিয়া দিযাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু ফুকনে সদায় ফুকন হৈ থাকিব খোজে। ৰবীন্দ্ৰনাথৰ ছোৱালী বিয়া কৰালে লোকে তেওঁক 'ৰবি বাবুৰ জামাই' বুলি কোৱা কথাষাৰ যেন তেওঁৰ সহিবলৈ টান হ'ব পাৰে। সেযে তেওঁ ৰবীন্দ্ৰনাথৰ ছোৱালীযে বিয়া কৰাব নুখুজিলে। তেওঁ বিয়া কৰায়, ডিব্ৰুগড়ৰ পৰশুৰাম খাউণ্ডৰ জীয়াৰী বিদ্যুৎত প্ৰভাক। তেওঁ কলিকতাত ওকালতি এৰি, গুৱাহাটীত ওকালতি কৰিবলৈ লয। তেওঁৰ ওকালতি জীৱনৰ পৰিচয় দি, প্ৰাক্তন মুখ্যমন্ত্ৰী, ভাৰত-ৰত্ন গোপীনাথ বৰদলৈয়ে লিখিছে, "বেৰিষ্টাৰিত তেখেতে যি খ্যাতি লাভ কৰিছিল, সি বহুতৰ ভাগ্যত ঘটা নাই। এই সময়ৰ ভিতৰত অসম উপত্যকাৰ প্ৰায় সকলো জানিবলগীয়া মোকৰ্দমাতেই তেখেত বেৰিষ্টাৰ আছিল। আউনী আটিসত্ৰ সম্বন্ধে হোৱা মোকৰ্দমাত তেখেতে ১০,০০০ টকা বাযনা লয় আৰু জয়ী হয়। এইদৰে বহু মোকৰ্দমাত ২০০০ পৰা ৫০০০ লৈকে ফিজ লোৱা কথা মই জানো। বেৰিষ্টাৰি ব্যৱসাযত ফুকন ডাঙৰীয়াৰ বাগ্মিতা অতি প্ৰবল আৰু উপস্থিত বুদ্ধি অতি প্ৰখৰ আছিল বুলি সকলোৱে স্বীকাৰ কৰে। বহু সময়ত মোকৰ্দমাৰ নথি সামান্য ৰকমে পঢ়িয়েই আৰু কেৱল জুনিয়ৰ উকীলৰ লগত ভালকৈ পৰামৰ্শ কৰিযেই এনে উত্তমভাৱে তৰ্ক কৰিব পাৰিছিল যে, তেখেতৰ উপদেশদাতাসকলে তবধ মানিছিল। ছেছন মোকৰ্দমাত জুৰি-বিচাৰত তেখেতক সদায় চৰকাৰী উকীলে ভয় কৰিছিল।"

গুৱাহাটীত শিক্ষাৰ উন্নতিৰ কাৰণে তৰুণৰাম ফুকনে অক্লান্ত পৰিশ্ৰম কৰে। গুৱাহাটী আৰ্লল কলেজ স্থাপন ক্ষেত্ৰত ফুকনৰ যথেষ্ট অৱদান আছে। এই কলেজৰে তেওঁ অধ্যাপকো নিযুক্ত হয়। ১৯২১ চনত ভাৰতৰ স্বাধীনতা আন্দোলনৰ অসহযোগ

আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ নেতৃত্ব দিছিল মহাত্মা গান্ধীয়ে। এই আন্দোলনত চাকৰিয়াল, ছাত্ৰ-ছাত্ৰী আৰু উকিলসকলে ওকালতি বাদ দি অংশ গ্ৰহণ কৰে। অসমৰপৰা এই আন্দোলনত জপিয়াই পৰে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, দেশভক্ত তৰুণৰাম ফুকন আদি নেতাসকলে। এই আন্দোলনত নেতৃত্ব দিয়া বাবে নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন আদি নেতাসকলক জেলত আৱদ্ধ কৰা হয়। জেলৰ পৰা মুকলি হোৱাত, তেওঁলোকে কংগ্ৰেছৰ নানা গঠনমূলক কামত মনোযোগ দিয়ে। ১৯২১ চনত মহাত্মা গান্ধী প্ৰথম অসমলৈ আহোতে তৰুণৰাম ফুকনৰ ঘৰতে আছিল। তৰুণৰাম ফুকনে মহাত্মা গান্ধীৰ উপস্থিতিতে, তেওঁৰ ঘৰৰ সন্মুখত জাপ জাপ বিলাতী কাপোৰ ভস্মীভূত কৰে। এনে সময়তে কংগ্ৰেছী নেতাসকলৰ মাজত মনোমালিন্য হৈ দুভাগ হয় কংগ্ৰছ। পণ্ডিত মতিলাল নেহৰু আৰু দেশবন্ধু চিত্তৰঞ্জন দাসে নেতৃত্ব দিয়ে 'স্বৰাজ্য দল'ৰ। ৰাজা গোপালাচাৰিয়া আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ নেতৃত্বত গঠিত আনটো দলে মহাত্মা গান্ধীৰ গঠনমূলক আঁচনিত গুৰুত্ব আৰোপ কৰে। ফুকনে স্বৰাজ্য দলৰ নেতৃত্ব মালি চলিবলৈ সংকল্প লয়। এই সময়তে হোৱা দেশীয় নিৰ্বাচনতত কেন্দ্ৰীয় বিধান সভা আৰু অসম বিধান সভালৈ একক সংখ্যা গৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হৈছিল স্বৰাজ্য দলে। ফুকনেও এই নিৰ্বাচনত জয়ী হৈ হুইপ হয়। ১৯২৪ চনত তেওঁ গুৱাহাটী লোকেল বৰ্ডৰ চেয়াৰমেন নিৰ্বাচিত হয়। ১৯২৬ চনত পাণ্ডুত অনুষ্ঠিত হোৱা কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল তৰুণৰাম ফুকন। ১৯২৭ চনত তেওঁ কংগ্ৰেছৰ কাৰ্যকাৰী কমিটীৰ সদস্য মনোনীত হয়। ১৯২৯ চনৰ ২৯ ডিচেম্বৰত জাতীয় কংগ্ৰেছৰ মহাসভা লাহোৰত অনুষ্ঠিত হয। এই অধিবেশনতে পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ গৃহীত হৈছিল । ফুকনে এই অধিবেশনত যোগদান দিছিল। ১৯৩৪ চনত ফুকনে কেন্দ্ৰীয় বিধান সভাৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ নেচনেলিষ্ট দলৰ মনোনীত প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰিছিল। ১৯৩৬ চনৰ নিৰ্বাচনতো ফুকনে মিলিত জন সংঘৰ প্ৰাৰ্থীৰূপে পৰাজয় বৰণ কৰিছিল। ইয়াৰ পিছত পুনৰ তেওঁ কংগ্ৰেছলৈ ঘূৰি আহিছিল।

তৰুণৰাম ফুকন এগৰাকী বিখ্যাত চিকাৰিও আছিল। তদুপৰি তেওঁ আছিল এগৰাকী বিশিষ্ট সাহিত্যিক। তেওঁৰ প্ৰকাশিত গ্ৰন্থ কেইখনৰ ভিতৰত হ'ল— স্মৃতিমালা (১৯২৬), যৌনতত্ব (১৯৩৩) আৰু মোৰ চিকাৰ কাহিনী (১৯৭১) আদি। ১৯২৭ চনত গোৱালপাৰাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভা অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "আমাৰ বহুতো সম্পদ আছিল, সেইটো গৌৰৱৰ কথা। যি আছিল তাক বঢাবপৰা নাই। কিন্তু যি আছিল তাক লোপ পাব দিয়াটো বিশেষ শোক আৰু লাজৰ কথা হ'ব। ই জাতীয় মৃত্যুৰ পূৰ্ব লক্ষণ, নিশ্চয় মৃত্যুৰ নিশ্চিত

প্ৰমাণ। উঠি অহা জাতিৰ জীৱনৰ চিন হৈছে পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা। তাকে নহৈ আজি আমি আত্মৰক্ষাত অসমৰ্থ। পৰাধীনতো হয়েই, কিন্তু পৰাধীন ওচৰ চুবুৰীয়াকো আমাক নিঃকিন দেখি গ্ৰাস কৰিবলৈ চেষ্টা কৰিছে। ভাই অসমীয়া, অতীত গৌৰৱৰ স্মৰণ কৰি বৰ্তমান অৱস্থা উপলব্ধি কৰা, যুক্তি-যুক্ত অনুমানৰ দ্বাৰা ভৱিষ্যত প্ৰত্যক্ষ কৰা, শৰীৰত তেজ মাংস যদিহে প্ৰকৃততে আছে গা শিঁয়ৰি উঠিব, মন উত্ৰাৱল হ'ব, হৃদয় অশান্তিৰে ভৰি পৰিব। কিন্তু শোক কৰিলেই নহব। শোকৰ ঘাই কাৰণ গুচাবলৈ যথা সাধ্য চেষ্টা কৰিব লাগিব। মৃতপ্ৰায় জননীক জাতীয়তাৰ দ্বাৰাই অনুপ্ৰাণিত কৰিব লাগিব। সাহিত্য আলোচনাৰ ভিতৰেৰে অসমীয়াৰ অতীত-গৌৰৱৰ পুনৰুদ্ধাৰ সাধন কৰিব লাগিব।" তেওঁ কৈছিল, "শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা, শিক্ষাৰ্থীক ন ন ভাব দি ভৱিষ্যৎ জীৱন- যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বপ্ৰকাৰে যোগ্যবান কৰা।" ১৯২৮ চনত তেজপুৰত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত ফুকনে পৌৰোহিত্য কৰে।

তেওঁৰ মৃত্যু হয় ১৯৩৯ চনৰ ২৮ জুলাইত।

তৰুণৰাম ফুকনৰ ব্যক্তিত্ব সম্পৰ্কে আভাস দি, লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে লিখিছে, "তেখেতৰ আত্মা নিৰ্ভৰশীলতা আদৰ্শ স্বৰূপ। ছাত্ৰ জীৱনৰপৰা আৰম্ভ কৰি জীৱনৰ শেষ মুহূৰ্ত্তলৈকে এই মহাশক্তিয়ে তেখেতক এখন্তেকো এৰা দিয়া নাছিল। 'মোক পৰমেশ্বৰে সকলো শক্তিকেই দিছে, তেনে অৱস্থাত কোনো কুথাৰ কাৰণে আনৰ ওপৰত কিয় নিৰ্ভৰ কৰিম?'— এই নীতি তেখেতে যেনেকৈ গাঁৱে গাঁৱে প্ৰচাৰ কৰি ফুৰিছিল তেনেকৈ নিজৰ জীৱনৰ প্ৰত্যেক ক্ষণতে তাৰ প্ৰমাণ দিছিল। এই আত্ম-নিৰ্ভৰশীলতাৰ কাৰণে তেখেতে এজন অপূৰ্ব নিৰ্ভীকলোক আছিল। কোনো কষ্ট বা নিৰ্যাতনৰ ভযত, কোনো অপমান বা হিংসাৰ ভয়ত তেখেতে যি কাম সজ বুলি ভাবিছিল তাক কৰিবলৈ কেতিয়াও ভয় নকৰিছিল। অসহযোগ আন্দোলনৰ যুঁজত খোজ লওঁতে তেখেতৰ অলপ পলম হৈছিল সঁচা, কিন্তু খোজ লোৱাৰ পিছত এপদো পাছ হোঁহকা নাছিল। সেইদৰে স্বৰাজ আন্দোলনত, আনকি অসমত মন্ত্ৰিত্ব গ্ৰহণ সম্বন্ধে আন্দোলনতো একে নিৰ্ভীকতাৰ পৰিচয় দিছিল। প্ৰত্যেক বাৰেই এই স্বাধীন চিন্তা আৰু নিৰ্ভীকতাৰ ফল- নিৰ্যাতন, কাৰাগাৰ, অপমান আদি ভোগ কৰিবলৈ তেওঁ অলপো সংকোচ নকৰিছিল। এই অদম্য সাহসৰ পৰিচয় তেখেতৰ ব্যক্তিগত জীৱনতো পোৱা গৈছিল। তেজপুৰলৈ যাওঁতে প্ৰলয়ঙ্কৰ বতাহত বুৰিব লগীয়া জাহাজ ৰক্ষা কৰা সেই শক্তিৰেই পৰিচায়ক মাত্ৰ। এই মহাশক্তিৰ কাৰণেই তেখেত এজন নিভাঁজ আৰু প্ৰকৃত জননায়ক আছিল— যাৰ তুলনা অসমত ইমান বিৰল।" □

কমলাকান্ত ভট্টাচাৰ্য্য

"বুৰঞ্জী লিখক জাতীয় গৌৰৱ
কিবা চিন পাবা অসম দেশৰ
যত কবিকুল জাতি পদ্মফল
লভিলে জনম ফলে কি পাপৰ।
হায়! হায়! হায়! বুকু ফাটি যায়
যি জুয়ে পুৰিছে হৃদয় সদায়।
উহ! পাহৰণি যেন ৰাক্ষসিনী
গিলিলি বহুত অসম গৌৰৱ,
কোনে উলিয়াব কোনে বা দেখাব
জন্মিছেনে এনে মহা অনুভৱ?
ঠিক অসমীয়া মানুহ নহয়
অসম শ্মশান নোহে কোনে কয়?"
"ই অসভ্য দেশ মনুষ্যত্ব লেশ
নাই একেবাৰে ভাৰত মাজে,

উলঙ্গ দেশৰ কাম কি ধোবাৰ?
নোশোভে লোকক কাপোৰ সাজ।"

জাতীয় অধঃপতনৰ সময়ত এনে অমোঘ বাণী শুনাই মৃতপ্ৰায় অসমীয়াসসকলক জাগ্ৰত কৰিব বিচৰা, অসমপ্ৰাণ কবিগৰাকীয়ে কমলাকান্ত ভট্টাচাৰ্য্য। কমলাকান্ত ভট্টাচাৰ্য্যই এই অসমীয়াসকলকে উদ্‌গনি দিছে এনে ধৰণে ঃ

"উঠা উলাহেৰে ভাই অসমীয়া
পোহৰে পূবত ভাগ্যৰ বেলি।
কেনে ৰঙ্গমনে অন্য জাতি গণে
উন্নতি সাধিছে চোৱা চকু মেলি।।
কৰিছে ধেমালি সকলোৰে মিলি
বঢাই কিদৰে নিজৰ বিভৱ।
ভাই অসমীয়া শুই থাকিলেনো,
ভাবানে লভিবা উন্নতি গৌৰৱ?
আমি অসমীয়া সদা এলাহত,
নিয়ালোঁ মিছাই অনেক দিন,
নেভাবানে নীচ, পৰি থকা পিছ,
হই নপুংসক পৌৰুষ হীন ?"

কমলাকান্ত ভট্টাচাৰ্য্যৰ জন্ম হয় তেজপুৰৰ বিশ্বনাথ চাৰিআলিৰ ওচৰৰ গড়েহাগি গাঁৱত। তেওঁৰ জন্ম চনটো কোনোৱে ১৮৫২, কোনোৱে ১৮৫৩ আৰু কমলাকান্ত ভট্টাচাৰ্য্যই নিজে আত্মজীৱনীত লিখিছে, "মোৰ জন্ম পত্ৰিকাখন হেৰাল, এই নিমিত্তে মোৰ বয়স এতিয়া ১৯২৬ ইংৰাজী চন পৰ্য্যন্ত কিমান কব নোৱাৰোঁ। সম্ভৱতঃ ১৮৫৫ কি ৫৬ খৃষ্টাব্দত মোৰ জন্ম হৈছিল।" তেওঁৰ পিতাকৰ নাম বাণেশ্বৰ ভট্টাচাৰ্য্য। বাণেশ্বৰ ভট্টাচাৰ্য্য পুলিচৰ দাৰোগা আছিল। তেওঁলোকৰ পূৰ্বপুৰুষৰ বিষয়ে আভাস দি কমলাকান্ত ভট্টাচাৰ্য্যই লিখিছে, "দেউতাই কোৱা শুনিছোঁ কনৌজৰপৰা বাৰ- ভূঞাৰ লগত অসমলৈ অহা ছয় ঘৰ ব্ৰাহ্মণ আৰু ছয় ঘৰ কায়স্থৰ ভিতৰতে আমাৰ আদি পূৰ্বপুৰুষ ৰবিদেৱো আছিল। তেওঁৰ চাৰিটা পুত্ৰ হয়, চতুৰ, মিচিৰ, কংসাৰি আৰু সুনন্দ। ইয়াৰপৰা আৰু পাহৰিলো। ঠাল ঠেঙালি বাঢ়ি অনেক ঘৰ ব্ৰাহ্মণ হল। কোনোৱে নিজ বেদ এৰি যজুৰ্বেদ

ললে। গোবিন্দ নামেৰে এজনে নৱদ্বীপৰ শান্তিপুৰত গৈ বৰ বিদগ্ধ পণ্ডিত হৈ আহে। তেওঁ বঙ্গদেশত বহুদিন থকাৰ কাৰণে আৰু আমি বৈদিক শ্ৰেণীৰ ব্ৰাহ্মণ গতিকে চক্ৰৱৰ্তী উপাধি পাই আহিছিল, সেই নিমিত্তে তেওঁৰ নাম গোবিন্দ চক্ৰৱৰ্তী হয়। এওঁৱেই বিশ্বনাথ দেৱালয়ৰ বৰ ঠাকুৰ হয়। অসম ৰজা জয়ধ্বজ সিংহৰ দিনত আমাৰ ভট্টাচাৰ্য্যদেউ বিশ্বনাথলৈ আহে।" কমলাকান্ত ভট্টাচাৰ্য্যই নিজৰ ল'ৰাকালৰ বিষয়ে লিখিছে, "মোক দেউতাই তেজপুৰৰ পৰা শিশু শিক্ষা কিতাপ এখন আনি দিছিল। সেই দিনত বঙ্গলা ভাষা শিক্ষাহে আছিল। তেতিয়াৰ দিনৰ বঙ্গলা শিশু শিক্ষাখন এতিয়াৰ দৰে নহয়। সেই শিশু শিক্ষাখনত 'অ' ফলাৰেপৰা ধৰি 'ক্ষ' লৈকে যি আছে, ক্ষ খকে ধৰি সকলোবিলাক যুক্ত অক্ষৰো আছে আৰু শুভঙ্কৰীৰ অঙ্ক এক দুইৰপৰা আৰম্ভ কৰি তেৰেজ, হৰণ ভগন, ত্ৰৈৰাশিক পৰ্য্যন্ত সুপিযেই আছে, খনাৰ বচনো আছো। ইয়াৰ বাহিৰেও চাণক্য শ্লোক, দাতাকৰ্ণ আখ্যানৰ পঢাৰ আদি অনেক কথা আছে। নিতাই ঠাকুৰে এই কিতাপ মোক পঢাব নোৱাৰি ঘনে ঘনে ধপাত খাবলৈ বুলি ভিতৰলৈ যায়। এই কথা আয়ে তত ধৰিছিল। এসময়ত দেউতা ঘৰলৈ আহোঁতে নিতাই ঠাকুৰে মোক পঢাব নোৱাৰা কথা আয়ে কলে, পিছে দেউতাই আমাৰ সদায কাম কৰা পূজাৰী বাণেশ্বৰ ঠাকুৰক মতাই আনি মোক পঢাবলৈ অনুৰোধ কৰিলে। পিছে তেঁৱেই আহি ঘৰতে পঢাব ধৰিলে। এনেতে দেউতাই তেজপুৰত স্কুল ডিপুটী ইনস্পেক্তৰক লগ পাই আমাৰ ঘৰতে পঢ়াশালি পতা মঞ্জুৰ কৰালে আৰু বাণেশ্বৰ ঠাকুৰে চৰকাৰৰপৰা মাহিলী ৫ টকাকৈ পোৱা ঠিক হ'ল। বাণেশ্বৰ ঠাকুৰৰ আনন্দৰ সীমা নাই। এবাৰ দেউতাই আহি গাঁৱৰ মানুহক সেই পঢাশালিত লৰা পঢোৱাবলৈ কৈ দিলে। তেতিয়াৰে পৰা খাঁহি গাঁও আৰু চিলাবন্ধা গাঁও আনকি পানী গাঁৱৰপৰাও ল'ৰাই আহি লাহে লাহে এই পঢাশালিত পঢিব ধৰিলে। পঢ়াশালিখন পোনতে আমাৰ চ'ৰা ঘৰতে পতা হয়। চ'ৰা ঘৰটিও ডাঙৰ। তাতোকৈও বলি কটা ঘৰটি ডাঙৰ। বলিকটা ঘৰৰে সৈতে লগালগিকৈ মূৰতে গোসাঁনী ঘৰটি, তাত সদায় শালগ্ৰাম পূজা আৰু মাজে মাজে শান্তি কৰম আৰু কেতিয়াবা কেতিয়াবা শ্যামা পূজাও পতা হয়। দুৰ্গাপূজাৰ সময়ত কেবা ঠাইৰ কেবা খেলৰ মানুহে আহি গোসাঁনীৰ আগত ৰাতি ভাওনা পাতে আৰু দিনত ঢুলীয়া খুলীয়াই ৰং ধেমালি পাতে দেখি বলিকটা ঘৰটি বৰ ডাঙৰ। দুৰ্গা পূজাৰ সময়ত বিহু পতাও মই দেখিছোঁ। গোসাঁনীৰ আগত যিমান অবাইচ মাত মতা হয তিমান বোলে গোসাঁনী সন্তুষ্ট হয় এই বিশ্বাস আছিল। ছাত্ৰ সংখ্যা যেতিয়া বৰ বেছিহৈ উঠিল তেতিয়া বলিকটা ঘৰত পঢাশালি পতা হ'ল। আগেয়ে প্ৰাথমিক শিক্ষাৰ পঢ়াশালী এইফালে নাছিল— এই খনেই প্ৰথম। বাণেশ্বৰ শৰ্মা পণ্ডিতে অতি উৎসাহেৰে আমাক পঢাব ধৰিলে। মই ছয়মাহমানৰ ভিতৰতে

শিশু শিক্ষা কিতাপখন পটি প্ৰায় শেষ কৰিলো— আৰু চাণক্য শ্লোকবিলাক প্ৰায় মুখস্থ হৈ পৰিল।" ল'ৰাকালৰ বিষয়ে তেওঁ আৰু লিখিছে, "মই এবছৰৰ ভিতৰতে আখৰো গঢ় লগাই লেখিব পাৰিলোঁ আৰু মহাভাৰত আৰু কীৰ্ত্তিবাসৰ ৰামায়ণ এই দুখন আৰু এখন কালীকৈবল্যদায়িনী এই তিনিখন কিতাপ দেউতাই মোক তেজপুৰৰপৰা কিনি আনি দিছিল। তাক মই উৰাই ঘূৰাই পঢ়িছিলোঁ। এসময়ত ডিপুটী ইনস্পেক্তৰ বঙ্গালী বাবুজনে আমাৰ মহলালৈ মোক বৰ প্ৰশংসা কৰিলে। পঢ়াশালী মাজ ঠাইৰ এটি নামঘৰ পতাৰ কাৰণ চিলাবন্ধাৰ ৰাইজে খাতিছিল। আমাৰ বলি কটা ঘৰৰ বেৰ নাই, বতাহ বৰষুণ হলে পঢ়াৰ বৰ অসুবিধা হয়, এই কাৰণে চৈয়নিচুকৰ নামঘৰলৈ পঢ়াশালী উঠাই নিয়া হয়। সেই ঠাই আমাৰ ঘৰৰপৰা প্ৰায় আধা মাইলমান হব। তাত গৈ পঢ়িছিলোঁ। 'অৰুনোদয়' কাকতখন শিৱসাগৰৰ পৰা মিছনেৰিয়ে পঢ়াশালিলৈ এনেয়ে পঠায়। মই তাক পঢ়িছিলোঁ। আনন্দৰাম ঢেকিয়ালফুকনৰ বিয়াত গোৱা নাম ছপা হৈ ওলাইছিল— "অলনি দলনি পকা দলিয়নি, যাওঁতে আমাৰ হাত ভৰি ভাগে, তেওঁ নপটিয়ায় আমাৰে চাকোদেউ, তেও বোলে গাভৰুক লাগে" — এই নামটি মই ৰিঙিয়াই ৰিঙিয়াই গাই ফুৰো, গাঁৱৰ বুঢ়ী, গাভৰু আৰু জীয়াৰী বোৱাৰীসকলোৰে মোক বেৰি লৈ, কোনোৱে কোলাত হৈ হাঁহে, একো একোজনী বুঢ়ী নিজে নিজে কন্যা হৈ মোৰে সৈতে বিয়া পাতে। মই খণ্ডতে জ্বলি উঠি এছাৰি এডাল লৈ সিহঁতক খেদি লৈ ফুৰোঁ।"

প্ৰাথমিক শিক্ষা শেষ কৰি, তেওঁ তেজপুৰ হাইস্কুলত ভৰ্ত্তি হয়। কিছুদিন তেজপুৰ হাইস্কুলত পঢ়ি, গুৱাহাটীলৈ গৈ তাৰ কলেজিয়েট হাইস্কুলত ভৰ্ত্তি হয়। গুৱাহাটীত পঢ়াকাল ডোখৰৰ বিষয়ে আভাস দি তেওঁ লিখিছে, "গুৱাহাটী স্কুলত পঢ়োতে মই এজন প্ৰচণ্ড ল'ৰা আছিলোঁ। মোৰ চোকা বুদ্ধি দেখা পাই মাষ্টৰসকলে বৰকৈ শলাগিছিল। মোক কোনো কোনো শিক্ষকে 'ফিলোচফাৰ' বুলি মাতিছিল। গুৱাহাটী হাইস্কুলত পঢ়োতে ৰঙ্গলাল বন্দোপাধ্যায়ৰ 'স্বাধীনতাই কে বাঁচিতে চায়ৰে, দাসত্ব শৃঙ্খল বল কে পড়িবে পায়ৰে' এই কবিতাই আৰু হেমচন্দ্ৰ বন্দোপাধ্যায়ৰ কবিতাবিলাকে মোৰ, দুৰ্গাকান্ত বৰুৱাৰ, ভোলানাথ বৰুৱা আৰু গোবিন্দ মিশ্ৰৰ মন এনে ওপত কৰি তুলিছিল যে স্বদেশৰ কল্যাণ সাধিবলৈ প্ৰতিজ্ঞা কৰিবলৈ শপত খাই মাৰ বান্ধিছিলোঁহক। আগৰণুৱা (Champion) আছিলোঁ মই।" ১৮৭১, ১৮৭২ চনত অসম আছিল বংগদেশৰ অধীন। তেনেস্থলত অসমত অসমীয়া ভাষাৰ পৰিবৰ্তে বঙালীভাষা চলোৱাৰ সিদ্ধা কৰা হ'ল। তেতিয়াৰ বংগ আৰু অসমৰ লেফটেনেণ্ট গৱৰ্ণৰ আছিল ছাৰ জৰ্জ কেম্বেল চাহাব। এই বিষয়ে অসমীয়াসকলকৰ কাৰোবাৰ কিবা আপত্তি আছে নেকি জানিবলৈ গেজেট যোগে কেম্বেল চাহাবে মতামত বিচাৰিছিল। এই কথাত কমলাকান্ত ভট্টাচাৰ্য্যই

দপদপাই উঠিল। লগে লগে তেওঁ অসমূত অসমীয়া ভাষা হে প্ৰচলন হুব লাগে বুলি এক প্ৰচণ্ড আন্দোলন গঢ়ি তুলিলে। এই সম্পৰ্কে তেওঁ লিখিছে, "এতিয়া দেশৰ ডাঙৰ ডাঙৰ নেতাসকলে সঁচা কথা কলে মই ফিতাহি দেখুৱা বুলি ভাবিব পাৰে , কিন্তু পোনপ্ৰথমেই অসমত মাতৃভাষা চলোৱাৰ গুৰি মৰেই।"

হাইস্কুলত পঢ়ি থকা কালতে তেওঁৰ পিতৃ ঢুকায়। সেয়ে সংসাৰৰ মহাভাৰ তেওঁৰ মূৰৰ ওপৰত পৰাত দশমমান শ্ৰেণীলৈ পঢ়ি, চাহ বাগিচাৰ কেৰাণীৰ কামত সোমায়। তেওঁ হাতীৰ ব্যৱসায়, ৰবৰ ব্যৱসায় আৰু সঁৰিয়হ ব্যৱসায়তো মনোযোগ দিছিল।

১৮৮৫ চনত কলিকতাত জাতীয় কংগ্ৰেছৰ মহাসভা অনুষ্ঠিত হৈছিল। এই মহাসভাত অসমৰ প্ৰতিনিধিৰূপে যোগদান কৰিছিল কমলাকান্ত ভট্টাচাৰ্য্যই।

কমলাকান্ত ভট্টাচৰ্য্যই অসমীয়া সংবাদ জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। ভট্টচাৰ্য্য 'আসাম বান্ধৱ' আৰু 'টাইমচ্ অৱ আসাম' কাকত দুখনৰো অন্যতম উদ্যোক্তা আছিল। ১৯২৪ পৰা তেওঁ কলিকতাত থাকি, ১৯২৫ চনত কুমাৰ দেৱ মুখোপাধ্যায়ৰ সৈতে লগ লাগি তেওঁ "আসাম হিতৈষী" পয়েকীয়া আলোচনী প্ৰকাশ কৰে। এই আলোচনীৰ তেওঁ এবছৰ সহযোগী সম্পাদক আছিল। তেওঁ ইংৰাজী অসমীয়া সংবাদপত্ৰ 'আসাম বন্তি' ৰ অসমীয়া ভাগ সম্পাদনা কৰিছিল। পদ্মনাথ গোহাঞি বৰুৱাও এই অসমীয়া ভাগৰে আন এগৰাকী সম্পাদক আছিল। কমলাকান্ত ভট্টাচাৰ্য্যৰ প্ৰথম ৰচনা 'অৰুণোদই সংবাদ পত্ৰ'তে প্ৰকাশ পোৱা বুলি জনা যায়। 'টাইমচ অৱ আসাম', 'এডভোকেট অৱ আসাম', জোনাকী, 'Bengalee', 'বন্দে মাতৰম', 'আসাম বান্ধৱ,' 'বাঁহী,' 'চেতনা' আদিত তেওঁ ইংৰাজী আৰু অসমীয়াত এলানি চিন্তাগধুৰ প্ৰবন্ধ ৰচনা কৰিছিল।

কমলাকান্ত ভট্টাচাৰ্য্য সৰু কালৰপৰা সাহিত্য চৰ্চাত ব্ৰতী হৈছিল। সৰুতে তেওঁ স্কুলত পঢ়িছিল বঙলা ভাষা। সেযে বঙলা ভাষাতে সৰু কালতে ৰচিছিল এই কবিতা ঃ

"নিৰাশায় আশা বাড়ে বিপদে অভয়,
ভাৰত পাৰত উঠ এইতো সময়।"

তেওঁৰ কবিতা পুথি চিন্তানল (প্ৰথমছোৱা) প্ৰকাশ হয় ১৮৯০ চনত। ইয়াত উদ্‌গনি, পূৰ্ণিমাৰ ৰাতিলৈ চাই, এইনো আসাম-নহয়নে শ্মশান ? জাতীয় গৌৰৱ, মৰিশালি-এন্ধাৰ নিশা, সম্বোধন, ভিক্ষা, পাহৰণি আদি কেইবাটাও জাতীয়তাবাদী আৰু দাৰ্শনিক ভাবপন্ন কবিতা সন্নিবিষ্ট হৈছে। কবিতাখনৰ প্ৰথম তাঙৰণৰ পাতনিত কবিয়ে লিখিছে, "চিন্তানল", অকল মোৰ নিজৰ বুকুৰ জুই এনে নহয়। স্বদেশৰ অনুৰাগী ডাঙৰীয়াসকলে

এই পুথিখনি এবাৰ আগৰপৰা গুৰিলৈকে পটি চালেই মোৰ যত্নৰ সফল হ'ল বুলি তেওঁলোকৰ ওচৰত চিৰকাললৈ বন্ধুৱা থাকিলোঁ। পুথিখনিৰ ছন্দ-বন্ধ একো লাগবান্ধ নথকাৰ বাবে পটিবলৈ মিঠা নালাগিবও পাৰে, কিন্তু কথাখিনি হ'লে মোৰ হৃদয়ৰ বহুদিনীয়া উমাই উমাই থকা তুঁহ জুই।" 'চিন্তানল'ৰ শেষছোৱা প্ৰকাশ ১৯২২ চন। 'চিন্তাতৰংগ (আগছোৱা) প্ৰকাশ হয় ১৯৩৩ চনত। ইয়াত সন্নিবিষ্ট কৰা কবিতা কেইটাৰ ভিতৰত হ'ল— হিমালয়ৰ প্ৰতি সম্বোধন, জোনাকীৰ প্ৰতি সম্বোধন, প্ৰিন্স এলবাৰ্ট ভিক্টৰৰ আদৰণি, বাসন্তীৰ বিয়া, বহাগ বিয়া, খাচিয়া পৰ্বতৰ ওপৰত থিয় দি মনৰ ভাব, সন্ধ্যাৰ চিন্তা, চকুলোৰে ৰেখা, একুৰা জুই আদি। পাতনিত এই কবিতাখন সম্পৰ্কে তেওঁ লিখিছে, " আমাৰ ভিতৰত এটি বৰ দোষ হৈ পৰিছে যে, আমাৰ ইংৰাজী শিক্ষিত ডেকাসকলে বৰ্তমান ৰামায়ণ, মহাভাৰতৰ কথাকে কব নোৱাৰে, ইউৰূপৰ ফালৰ পুৰাণ আৰু বুৰঞ্জীকেহে সঁচা বুলি মানে। অনেকে ইংৰাজী পটি ৰামকো নথকা পাতে কৃষ্ণকো নথকা পাতে আৰু মহাভাৰত ৰামাযণৰ সকলো কথাকে কবি কল্পনা পাতে। এই গ্ৰন্থখনিৰ 'হিমালযৰ প্ৰতি সম্বোধন' পদ্যটি ডেকাসকলৰ অজ্ঞানতা দোষ খণ্ডাবৰ নিমিত্তে লেখা হৈছে, বাকী পদ্যবিলাক তাহানি দিনৰ পুৰণি 'জোনাকী'ত লেখাৰপৰা উদ্ধাৰ কৰি প্ৰকাশ কৰা হৈছে।"

কমলাকান্ত ভট্টাচাৰ্য্যৰ প্ৰকাশিত মূল্যবান প্ৰবন্ধসমূহৰ ভিতৰত কেইটামান হ'ল— আসামৰ উন্নতি (১), আসামৰ উন্নতি (৬), ৰত্নেশ্বৰ বৰুৱা হাকিম, গুটিদিয়েক চিন্তাৰ ঢৌ— (৫, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০), ব্ৰহ্মাৰ মুখে তন্ত্ৰৰ ব্যাখ্যা, তন্ত্ৰৰ ব্যাখ্যাৰ পৰিশিষ্ট, অষ্টবক্ৰৰ আত্মজীৱনী (১, ২, ৩) আদি। 'কঃ পন্থা' ইংৰাজী ১৯১৯ চনত লিখা। এই গ্ৰন্থৰ পাতনিত তেওঁ যি লিখিছে, আমাৰ জাতিৰ বাবে অতি প্ৰেৰণাদাযক ঃ "যেতিয়া মোৰ হাতীৰ কাৰবাৰ ফেইল হ'ল তেতিয়া মোৰ মনৰ চিন্তা বৰকৈ দেশৰ অৱস্থাৰ ফালে ঢাল খালে। দেখিলোঁ যে অসমীয়া মানুহৰ জ্ঞান- উন্নতি পিনে অলপো মন কাণ নাই। অনেক ডেকাসকলৰ ভিতৰত বি-এ, এম-এ মহলা দি উঠা আৰু আইনৰ মহলাত উঠি উকীল হোৱাও দেখা পাইছোঁ। কিন্তু প্ৰকৃত জ্ঞান শিক্ষালৈ মন-কাপ প্ৰায় অনেকৰ কম দেখা যায়। যিকোনো দেশ মাতৃভাষাৰ উন্নতিয়েইহে জ্ঞানী কৰি তোলে, দুখৰ বিষয় আমি অসমীয়া মানুহে মাতৃভাষাৰ উন্নতিৰ পিনে একো চেষ্টা নকৰোঁ। পৃথিৱীত যতবিলাক সভ্য দেশ আগৰপৰা গুৰিলৈকে শক্তিশালী আৰু পৰাক্ৰমী হৈ উঠিছিল আৰু উঠিছে সকলোবিলাক দেশেই যে মাতৃভাষাৰ উন্নতি সাধনৰ দ্বাৰাই তেনে হৈছে তাৰ ভুল নাই। বিজ্ঞান, দৰ্শন, বুৰঞ্জী আৰু একেশ্বৰবাদ ধৰ্মশাস্ত্ৰ মাতৃভাষাৰ চৰ্চ্চাৰ লগে লগে যিকোনো জাতি ভিতৰত বহল হৈ পৰে সেয়ে

জাতিটিৰ ভাবৰাজ্য গঢ়ি তোলে।”

তেওঁৰ এই ভাৱৰাশিৰ বাবে জাতিয়ে তেওঁক দাৰ্শনিক তথা অগ্নিকবিৰূপে আদৰিছে।

১৯২৯ চনৰ ৩০ মাৰ্চত যোৰহাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ একাদশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰ পৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, “অসমীয়া সাহিত্যৰ বিজয়-দুন্দুভি আকৌ গৌৰৱেৰে নিনাদিত কৰি, আমাৰ মহিমান্বিত জন্মভূমি কীৰ্তিশালিনী কামৰূপৰ উপযুক্ত সন্তান বুলি পৰিচয় দিবলৈ আমি যেন সমৰ্থ হওঁ। ইয়ালৈকে দেহে-কেহে আশাশুধীয়া যত্ন কৰাটো প্ৰত্যেক শিক্ষিত অসমীয়াৰ একান্ত কৰ্তব্য। এই কথা যেন আমাৰ সদায় মনত থাকে।” সাহিত্য সম্পৰ্কে তেওঁ কৈছে, “সাহিত্য কি? নানাবিধ ঠাল ঠেঙুলি আৰু পাতফুলেৰে ধুনীয়াকৈ সজাই, শুৱলা কৰা ভাষাকে সাহিত্য বুলিব লাগে। ভাষা মানুহৰ ভিতৰত যেনেকৈ আছে, জন্তুৰ ভিতৰতো আছে। গৰুজনী হেম্বেলিয়ালে তাৰ উদ্দেশ্য পোৱালিটোৱে বুজে। গছৰ ভিতৰতো ভাষা আছে। মানুহৰে, গছৰে, জন্তুৰে সকলোৰে মিলি এটা ভাষা আছে, সেই ভাষা হৈছে — বিশ্বজ্ঞান। সেই বিশ্ব ভাষাৰ উপাদান বিশ্বজ্ঞান।”

“কোনটো জাতি কিমান উন্নত তাৰ একমাত্ৰ সাক্ষী সেই জাতিৰ সাহিত্য।”

কমলাকান্ত ভট্টাচাৰ্য্যৰ পৰলোকপ্ৰাপ্তি হয় ১৯৩৬ চনৰ ১৪ ডিচেম্বৰত, গুৱাহাটীৰ নিজা বাসভৱন ‘পূৰ্ণ কুটিৰ’ত। ❒

মফিজুদ্দিন আহমদ হাজৰিকা

"হেৰা অসমীয়া! সিয়নিতে শোৱা,
নিজৰেই দেশতে নিজে কেলেহুৱা।
মাটি-ভেটি ললে বিদেশী সাউদে,
কেৰু-মণি গ'ল মহাজনী সুদে।
তথাপি নেৰিলা এলাহৰ নিহালী
নুগুচিলে তয়ু মিছা গণ্ডপালি।
নামকো সলালা বঙলা ধৰণে,
বিদেশী যে হ'লা চলনে-কৰণে,
পাগুৰি এৰি দি টকলা মূৰেৰে,
ফুৰা সভ্য হই গহীনে- গম্ভীৰে।
পিঠা পনা এৰি, ললা লুচি-পুৰি
হ'লা মতলীয়া কলিকতা ফুৰি।"

অসমীয়া জাতিৰ এনে জাতীয় অধঃপতন দেখি খেদ আৰু ক্ষোভ প্ৰকাশ কৰা অসম প্ৰাণ বিশিষ্ট কবিগৰাকীয়ে হ'ল মফিজুদ্দিন আহমদ হাজৰিকা।

মফিজুদ্দি আহমদ হাজৰিকাৰ জন্ম হয় ১৮৭০ চনৰ ৩০ আগষ্টত, ডিব্ৰুগড়ৰ যোৰহটীয়াপট্টীত। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত পৰি সেই ঠাইৰপৰা শান্তিপাৰা, এদিন শান্তিপাৰাও এৰি মলখুবছাৰ বৈৰাগীমঠত বস-বাস কৰিবলৈ লয়। তেওঁৰ পিতাকৰ নাম হিস্মতুদ্দিন আহমদ হাজৰিকা আৰু মাতৃ হ'ল ৰাহনুৰী। তেওঁলোকৰ পূৰ্বপুৰুষ বাঘ (বাঘা) হাজৰিকাৰ লোকবুলি জনা যায। বাঘ হাজৰিকাৰ প্ৰকৃত নাম ইচমাইল চিদ্দিকি। অসম বুৰঞ্জীয়ে এওঁক 'গড়গঞা সেনাপতি' বুলি আখ্যা দিয়ে। এই বাঘ হাজৰিকাই শৰাইঘাটৰ ৰণত মোগলৰ বিপক্ষে গডগঞা পালি সেনাপতিৰূপে যুদ্ধ পৰিচালনা কৰিছিল। বাঘ হাজৰিকা আছিল দিল্লীৰ লোক। ২৫ বছৰ বয়সতে তেওঁ দিল্লীৰপৰা অসমলৈ আহিছিল আৰু আহোম সম্প্ৰদায়ৰ এগৰাকী ছোৱালীৰ পাণি গ্ৰহণ কৰি অসমত তেতিয়াৰে পৰা স্থায়ীভাৱে বস-বাস কৰিবলৈ লৈছিল। হিস্মতুদ্দিনৰ সন্তানসকলৰ ভিতৰত হ'ল— ফাইজুদ্দিন, মফিজুদ্দিন, বদিওজ্জামাল, চৈফুদ্দিন, মজিদ বখত আৰু শ্বৰিফুদ্দিন।

মফিজুদ্দিন আহমদ হাজৰিকাই সৰুতে পঢ়া-শুনা কৰে ডিব্ৰুগড়ত। ডিব্ৰুগড় হাইস্কুলত পঢ়ি, ১৮৯২ চনত তেওঁ এণ্ট্ৰেন্স পৰীক্ষা দিয়ে যদিও উত্তীৰ্ণ হ'ব নোৱাৰিলে। কিন্তু এই কালছোৱাত, তেওঁ ডিব্ৰুগড়ত 'ব্যায়াম বীৰ' খ্যাতি অৰ্জন কৰিছিল। লাঠি ঘূৰোৱা, তৰোৱাল চলোৱা আৰু তাজিয়াৰ গধকা খেলাতো তেওঁ বিশেষ কৃতিত্ব দেখুৱাব পাৰিছিল।

১৮৯৩ চনত তেওঁ বন বিভাগৰ ফৰেষ্টাৰ চাকৰিত যোগদান কৰে। তাৰপিছত ১৮৯৬ চনৰ ১ জুনৰপৰা তেওঁ লক্ষীমপুৰ কাছাৰীত তহচিলদাৰৰূপে নিযুক্ত হয়। সেই সময়ত এই চাকৰিত তেওঁ মাহে দৰমহা পাইছিল ৩০ টকা। ইযাত কেইবছৰমান কাম কৰি ১৯০২ চনৰ ৭ জনুৰ পৰা ডিব্ৰুগড় কাছাৰীলৈ বদলি হৈ যায। ১৯২৬ চনত 'চিভিল পেন্সাৰ' ৰূপে তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ সময়ত তেওঁ মাহে দৰমহা লাভ কৰিছিল এশ টকাকৈ। মফিজুদ্দিন আহমদ হাজৰিকাই হাফিজা খাতুনক বিয়া কৰাইছিল। সংসাৰত তেওঁ সাতজন পুত্ৰ আৰু সাতজনী ছোৱালী এৰি গৈছে।

মফিজুদ্দিন আহমদ হাজৰিকা বিভিন্ন সামাজিক, সাংস্কৃতি, শিক্ষামূলক, সাহিত্যমূলক অনুষ্থান-প্ৰতিষ্ঠানৰ লগতে জড়িত আছিল। সেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ ভিতৰত হ'ল — যুটীয়া সংগঠক -- ডিব্ৰুগড় সাহিত্য সভা (১৮৯৭), যুটীয়া প্ৰতিষ্ঠাতা— ফাইজী আম-মাদ্ৰাছা, ডিব্ৰুগড় (১৯০২), প্ৰতিষ্ঠতা— ডিব্ৰুগড় কচমপলিটান হাইস্কুল (১৯০২), উপ সভাপতি— ইছলামিক ষ্টাডি এছোচিয়েচন,

ডিব্ৰুগড (১৯২০-২৫), সভাপতি— শিৱসাগৰ ছাত্ৰ সন্মিলন (১৯২৮), জেল পৰিদৰ্শক — ডিব্ৰুগড (১৯৩২), সঞ্চালক — কোঅপাৰেটিভ টাউন বেংক, ডিব্ৰুগড (১৯৩৬), সভাপতি— ডিব্ৰুগড জ্ঞান দায়িনী সভা (১৯৩৯) আদি। ১৯৫১ চনত অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটীত আয়োজন কৰা কবি সন্মিলনত কবিতা পাঠ কৰিছিল।

সাহিত্যৰ দিশতো মফিজুদ্দিন আহমদ হাজৰিকাই এক বিশিষ্ট আসন দখল কৰিছে। মাত্ৰ এখন কবিতা পুথি ৰচি তেওঁ যি খ্যাতি অৰ্জন কৰিছে, সি বিৰল। তেওঁৰ সেই কবিতা পুথিখন হ'ল — জ্ঞান মালিনী' (১৮৯৬)। 'তত্ত্ব পাৰিজাত'ত চাৰিটা কবিতা সন্নিবিষ্ট হৈছে। তেওঁৰ আন এখন কবিতাৰ পুথি হ'ল 'মালিনীৰ বীণ' (এই পুথি এতিয়াও উদ্ধাৰ হোৱা নাই)। 'জ্ঞান-মালিনী'ত সন্নিবিষ্ট কবিতাসমূহ হ'ল — বিশ্ব-খনিকৰ, মৰিশালীখনি, মুনিচুনি বেলি আৰু নৱ-জীৱনৰ দুটি বাট, মই মতালি ভাবৰ ভেটি উছন, আত্মন আৰু দিন-কণা। 'তত্ত্ব পাৰিজাত'ত সন্নিবিষ্ট কবিতাকেইটা হ'ল— মাজ নিশাৰ 'মই'-চিতনি, বুঢ়া মাজী আৰু ভগা নাও, সময়-জ্ঞান আৰু বাটৰুৱা। তেওঁৰ আন তিনিটা মূল্যবান কবিতা হ'ল— অসমীয়া, মিলন-সংগীত আৰু ভুঁই কঁপ।

মফিজুদ্দিন আহমদ হাজৰিকা কবিতাৰ ভাব-ভাষা গতিশীল, সহজ আৰু হৃদয়স্পৰ্শী।

"আহা! কেনে নিমজীয়া-কেনে নিজঞ্জাল।
যেনি চাওঁ, দেখা পাওঁ,-নিমাত নিটাল।
কাঁহ পৰি যায় জীণ,-গভীৰ গহীন'
কিযে এটি বাজি আছে নিৰাশাৰ বীণ।
কিযে এটি কেনে জানো ৰিঙা ভাৱ-ধৰা,
ৰই ৰই বায়ু বয় মৈদামৰপৰা।
কিযে এটি চাটি ফুটি বেজাৰৰ ঠাই,
শুনু যেন কিবা হেন কান্দে-হায়! হায়!"

তেওঁৰ কবিতাৰ মাজত আধ্যাত্মিক তথা তত্ত্ব গধুৰভাব বিৰাজ কৰিছে ঃ

"হেৰা । হেৰা হাটৰুৱা
মৰমৰ ভাইহঁত।
নেৰিবা নেৰিবা মোক,
এই মায়া বজাৰত।"
"এই বিশ্ব জগতৰ

কিম্বা স্বৰ্গ-মৰতৰ
আছে আছে গুপুতেৰে এটি কাৰিকৰ
নিশ্চয় নিশ্চয় এটি বিশ্ব খনিকৰ।"

জাতীয় ঐক্য সংহতিৰ বাবে, জাতীয় প্ৰগতিৰ গুৰিতে তেওঁ মিলন সংগীত গাইছে ঃ

"নহ'লে একতা হিন্দু-মুছলমান,
নহ'ব প্ৰগতি আৰু কোনো দিনে।
উটি-বুৰি শেহে যাবা ৰসাতলে,
যদিহে নোহোৱা লগা নলে-গলে।"

তেওঁ ডেকাসকলক উদ্দেশ্য কৰি ৰচিছে ঃ

"হেৰা। হেৰা। টপটলৌ ডেকা ল'ৰাহঁত
অলপতে কিয এনে হৈছা উধাৰত ?
আলিবাটে চালি ধৰি ধিতিঙালি কৰি
অতপালি কৰা কিয় মুৰে ভৰি কাটি ?"

১৯২৬ চনত তেওঁ সাহিত্যিক পেন্সন লাভ কৰে। সেই সমযত সাহিত্যিক পেন্সনৰ ধনৰ পৰিমাণ আছিল ২৫ ০০ টকা।

১৯৩০ চনৰ মাৰ্চত গোলাঘাটত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বাদশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া ভাষণত সাহিত্য আৰু তাৰ উৎপত্তি সম্পৰ্কে এনেদৰে কৈছে, "সাহিত্য 'সহিত' শব্দৰপৰা হৈছে দেখি, জ্ঞানৰ সহিত, বুদ্ধিৰ সহিত, ভাৱৰ সহিত মিলাই শুৱলা অলঙ্কাৰেদি লগাই ল-নি নিমজ, ওখ ভাৱৰ আৰু উন্নতি ধৰণৰ লিখা ভাষাকেই সাহিত্য বোলে। তাকে অলপ ফঁহিয়াই এইদৰেও দেখুৱাব পাৰি। বাহিৰৰ জগতৰ বস্তুবিলাকৰ গঢ- গতি, দেহ- ৰূপ, চলন-ফুৰণ, ক্ৰিয়া কলাপৰ ছাঁ বা প্ৰতিবিম্ববোৰ অনুভূতিয়ে (গমে) সূৰ্য্য ৰশ্মিৰ সহায়েৰে ইন্দ্ৰিয়বিলাকৰ মাজেদি কটিযাই কটিযাই মগজুৰ ঠাই বিশেষত (অৰ্থাৎ Seat at understanding অত) গোটাই দি থাকে আৰু তাৰ পৰাই যি এটা বস্তুৰ উৎপত্তি হয় তাৰ নাম 'বুজ'। সেই বুজবিলাকৰ সমিল মিলৰ পূৰঠ বা পৈণত অৱস্থাই হৈছে "জ্ঞান"। জ্ঞানৰ পৰা মনৰ পুখুৰীত ঢৌ উঠাদি একোটি ঢৌ উঠে, সেয়েই হৈছে— 'ভাৱ' (thought)। ভাব ডুখুৰীয়াকৈ মুখেদি ফুটি বাহিৰ জগতলৈ প্ৰকাশ পালেই হয় "শব্দ"। অলঙ্কাৰাদি নোহোৱা সাধাৰণ ভাব বুজোৱা কেতখিনিমান শব্দৰ জুমুৰি হোৱা কথাকেই

বোলে "দোৱান"। অৰ্থ থকা ল-নি, শুদ্ধ আৰু নিমজ্জ ধৰণৰ দোৱানকে বোলে "ভাষা"। অতি সুন্দৰ অলঙ্কাৰাদি লগোৱা শুৱলা গহীন ভাবৰ আৰু উন্নত ধৰণৰ লিখা ভাষাকেই বোলে "সাহিত্য"। তেওঁ কৈছিল, "মহৎ লোকসকলৰ অন্তৰ ভাবৰূপী মণি- মুকুতাৰ ভঁৰাল, জ্ঞান-গৱেষণাৰ খনি, দয়া- ধৰমৰ আকাৰ। সেই বিলাকৰ চকমকনি, সাহিত্যৰ ভিতৰেদি জিলিকি উঠি পৰুৱৈ সকলৰ মন উদ্বাউল কৰে। আজি যি একতা বা মিলৰ নিমিত্তে সকলোৱে মন ব্যাকুল, সেই একতাৰ ডোলগছো এই সাহিত্যই। সাহিত্যই 'মৃত- সঞ্জীৱনী'ৰ দৰে মৰাক জীয়াব পাৰে, কানীয়া সোৰোপাক তীখা মখৰা কৰিব পাৰে, সিঁচৰি মনক একেডালি জৰীৰে গাঁথিব পাৰে।"

১৯৫৮ চনৰ ২৯ অক্টোবৰত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ কবৰ স্থানৰ সমাধি আছে ডিব্ৰুগড়ৰ আমোলাপট্টীত। ❐

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

অসমীয়া সাহিত্য সংস্কৃতিৰ অতন্দ্ৰ প্ৰহৰীসকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীও এজন। তেওঁ আছিল আবাহন কাকতৰ জন্মদাতা আৰু বিশিষ্ট গল্প লেখক। তেওঁ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আছিল।

নগেন্দ্ৰনাৰাযণ চৌধুৰীৰ জন্ম হয ২৭ ডিচেম্বৰ ১৮৮১ চনত, গোৱালপাৰা জিলাৰ লক্ষীমপুৰত। তেওঁৰ জন্ম হয এটা জমিদাৰ পৰিয়ালত। তেওঁৰ পিতামহ মেছপাৰাৰ জমিদাৰ পৃথ্বীৰামেই গঢ়ে লক্ষীমপুৰ চহৰখন। তেওঁৰ পিতাকৰ নাম খগেন্দ্ৰনাৰায়ণ চৌধুৰী আৰু মাকৰ নাম সাৰদাপ্ৰিয়া দেৱী। থানা কমললোচনকে তেওঁলোকৰ পূৰ্বপুৰুষ বুলি জনা যায়। তেওঁৰ পিছৰসকল ক্ৰমে শোভাৰাম, লক্ষ্যৰাম, ৰণৰাম, মহীৰাম আৰু পৃথ্বীৰাম চৌধুৰী। এওঁলোক মেছপাৰাৰ জমিদাৰৰূপে খ্যাত। সেই সময়ত মেছপাৰাত তেওঁলোকৰ মাটিকালি আছিল ৫৫৫০ বৰ্গ মাইল। জমিদাৰ পৃথীৰাম চৌধুৰীৰ পত্নী আছিল তিনিগৰাকী। তেওঁলোকৰ সাতজন পুত্ৰ জন্ম হয়। তেওঁলোক হ'ল— তিলক, ভোলানাথ, লোকনাথ, খগেন্দ্ৰ, উদ্ধৱৰাম, কমলাকান্ত আৰু ভদ্ৰেশ্বৰ। খগেন্দ্ৰ নাৰায়ণৰ পুত্ৰ হ'ল — নৰেন্দ্ৰ নাৰায়ণ, নগেন্দ্ৰ নাৰায়ণ, সত্যেন্দ্ৰ নাৰায়ণ, প্ৰভাতচন্দ্ৰ, তেজেন্দ্ৰ নাৰায়ণ আৰু দীনেন্দ্ৰ নাৰায়ণ। ছোৱালী দুগৰাকী।

তেওঁ বাল্যকালৰ শিক্ষা বঙলা ভাষাৰ মাধ্যমেৰে গ্ৰহণ কৰিবলগীয়া হয়। বঙলা ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰিবলগীয়া হোৱাত তেওঁ অত্যন্ত দুঃখিত হৈছিল। তেওঁ বাল্যকালতে নানা খেল- ধেমালি আৰু কলা সেৱাত ব্ৰতী হৈছিল। লাঠি খেলা আৰু ঘোড়া খেলাত তেওঁ বৰ পাৰ্গত আছিল। তেওঁ গোৱালপাৰা আৰু ধুবুৰীৰ পৰা হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল। তেওঁ কলিকতা, বৈদ্যনাথ, গয়া আদিৰপৰা শিক্ষালাভ কৰে।

তেওঁ এণ্ট্ৰেন্সলৈকে পঢ়ি, সিমানতে পঢ়াশলীয়া শিক্ষাৰ সামৰণি মাৰে। তাৰ পিছত তেওঁ কলিকতাৰ জুবুলী আৰ্ট অকাডেমিত ভৰ্ত্তি হয়। এই সময়ছোৱাকে তেওঁ বিভিন্ন ওস্তাদৰ তলত ধ্ৰুপদী সংগীতৰ শিক্ষা গ্ৰহণ কৰে। তেওঁ যাদু বিদ্যাও শিকে। তদুপৰি তেওঁ এটা চাৰ্কাছ দলো গঢ়ে। তেওঁ কবিৰাজি বিদ্যাতো সুখ্যাতি অৰ্জন কৰিছিল। তেওঁ কলিকঁতাত থকা কালত চামৰাৰ বাকচৰ ফেক্টৰী আৰু এটি চাবোন ফেক্টৰী প্ৰতিষ্ঠা কৰা বুলি জনা যায। চৌধুৰীয়ে প্ৰথম বিবাহ কৰায় কোচবিহাৰত। তেওঁ প্ৰথম পত্নীৰ অকাল বিয়োগত পুনৰ দ্বিতীয় বিবাহ কৰায়। তেওঁ দ্বিতীয় বিবাহ কৰায় — আহোম ৰাজকুমাৰ কেশৱকান্ত সিংহৰ কন্যা প্ৰফুল্লবালাক।

নগেন্দ্ৰনাৰায়ণ চৌধুৰী আছিল বিশিষ্ট সাহিত্য সাধক। তেওঁ অসমীয়া ভাষা সাহিত্যৰ উন্নতি কল্পে, ১৯২৯ চনত কলিকতাৰ পৰা প্ৰকাশ কৰে 'আৱাহন' আলোচনী। এই আলোচনীৰ সম্পাদনাৰ দায়িত্বভাৰ গ্ৰহণ কৰে ডাঃ দীননাথ শৰ্মাই। এই 'আৱাহন'ৰ পাতত এচাম নতুন লেখকৰ সৃষ্টি হ'ল। সেই লেখকসকলৰ ভিতৰত কেইগৰাকীমান হ'ল — মহীচন্দ্ৰ বৰা, হলীৰাম ডেকা, ৰাধিকামোহন গোস্বামী, লক্ষীধৰ শৰ্মা, ৰমা দাশ, বিৰিঞ্চিকুমাৰ বৰুৱা, কৃষ্ণ ভূএগ, ত্ৰৈলোক্যনাথ গোস্বামী, মুনীন বৰকটকী, দীননাথ শৰ্মা, চৈয়দ আব্দুল মালিক আদি। এই 'আৱাহন'ৰ পাতত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়েও গল্প লেখিবলৈ আৰম্ভ কৰে। প্ৰতিজ্ঞা, পৰিবৰ্তন, বগীতৰা, বীণাৰ ঝংকাৰ, উছৰ্গা, নয়নতৰা, তামৰ তাবিজ, মধুমালতী, লাহৰী আদি তেওঁৰ উল্লেখযোগ্য গল্প। তেওঁ এই গল্পবোৰৰ মাজেৰে আমাৰ সমাজ জীৱনৰ বিভিন্ন ছবি প্ৰতিফলিত কৰিছে। তেওঁৰ গল্পসমূহ দুটা খণ্ডত প্ৰকাশ হৈ ওলাইছে। 'নগেন্দ্ৰ নাৰাযণ চৌধুৰীৰ গল্প' (১৯৬৩) আৰু আনটো খণ্ড 'বীণাৰ ঝংকাৰ' (১৯৬৪)।

নগেন্দ্ৰনাৰাযণ চৌধুৰীয়ে এলানি প্ৰবন্ধ ৰচনা কৰিছে। সেই প্ৰবন্ধসমূহৰ ভিতৰত হ'ল-মোৰ জীৱন স্মৃতি, ৰাজেন্দ্ৰ নাৰায়ণ চৌধুৰী জমিদাৰ, বাৰ এট-ল দেৱৰ জীৱনী, লুপ্ত অতিকায প্ৰাণী, চিয়াহী, ভাৰতীয় নৃত্য, সংগীত, পোলো খেলা, লাঠিখেলৰ সাৰ্থকতা, আহোম ভাষাৰ পুথি আদি।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী এগৰাকী বিশিষ্ট কবিৰূপেও খ্যাত। তেওঁৰ কবিতাৰ

মাজেৰে গভীৰ অনুভূতি প্ৰকাশ পোৱাৰ উপৰিও স্বদেশ প্ৰেমৰ ভাবৰাজি বিকশিত হৈছে।

"অসমা শস্য শ্যামলা
বিৰাজে যথা কমলা,
ফুলে ফলে কুঞ্জ ভৰি,
উঠিছে গীত লহৰি
তোমাৰ আৰতি কৰি।"

নগেন্দ্ৰনাৰাযণ চৌধুৰী এগৰাকী অভিনেতা আৰু নাট্যকাৰো আছিল। তেওঁ নিজে পৰিচালনা কৰা কেইবাখনো অসমীয়া আৰু বঙালী নাটক লক্ষীমপুৰৰ মঞ্চত মঞ্চস্থ কৰা হৈছিল। তেওঁৰ দ্বাৰা ৰচিত 'খশ বিক্ৰম বা প্ৰমীলা পৰিণয়' নাটকে মঞ্চত বিশেষ জনপ্ৰিযতা লাভ কৰিছিল। এই পৌৰাণিক অসমীয়া নাটকখন তেওঁ ৰচনা কৰিছিল কলিকতাত থাকোতে ১৯৪১ চনত।

১৯৩১ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধিবেশনৰ নগেন্দ্ৰনাৰাযণ চৌধুৰী সভাপতি আছিল। এই সভাতে সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাক 'ৰসৰাজ' উপাধি প্ৰদান কৰে নগেন্দ্ৰ নাৰাযণ চৌধুৰাযে। সেইদিনা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "আমাৰ দেশত যিমান দিনলৈকে পাঠক সমাজ গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয সাহিত্যৰ উন্নতি বা মংগলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থ ত্যাগ কৰি কাকত বা কিতাপ বিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ চেষ্টা কৰা উচিত। নহ'লে কিতাপ লেখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালকসকল ব্যক্তিগত স্বাৰ্থ-ত্যাগৰপৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত।"

"এতিয়া আৰু কথাৰ দন নাই। এতিযা এই ঘোৰতৰ প্ৰতিযোগিতাৰ দিনত অকল কামহে লাগে। মানুহৰ ভাব যেনে অনন্ত সাহিত্যৰ শাখাও তেনে অনন্ত। যি সমাজে তাৰ যিখিনি আয়ত্ত কৰি লব পাৰিছে তাৰ সাহিত্য সমানে পূৰ্ণতাৰ ফালে আগবাঢ়িছে। জাতিৰ গতি ইচ্ছাতে হ'ক নাইবা অনিচ্ছাতে হ'ক আগবাঢ়িবই। গতিকে আমিও আগবাঢ়বই লাগিব। আৰু মনত ৰাখিব লাগিব— এই আগবঢ়াৰ ভিতৰতো যিজনে বা সমাজে প্ৰতিযোগিতাত জয়ী হব পাৰিব, জীৱন যুদ্ধত কেৱল তেওঁৰে জয়ৰ আশা। সাহিত্য জ্ঞানৰ ভঁড়াল আৰু জ্ঞান বা বুদ্ধিয়েই প্ৰধান বল। এতেকে ৰাইজসকল আহক, আজি বলী-নিৰ্বল, জ্ঞানী অজ্ঞান সকলোৱে এই মহাযজ্ঞত যোগদান কৰি জাতীয় সাহিত্যৰ গতি আগবঢ়াই দিয়কহি।"

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে ১৯৪৭ চনত ১৩ নবেম্বৰত সন্যাসৰোগত আক্ৰান্ত হৈ, লক্ষীমপুৰৰ নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। ❑

জ্ঞানদাভিৰাম বৰুৱা

"অসম, অসম যে বৃহৎ এই কথা এনেকৈ দীঘলাই বহলাই নকলেও হয়। কিন্তু দিন কাল আজিকালি এনে বিষ দুষ্ট আৰু বিসদৃশ দেখো যে অসময়ে সময়ে, সুযোগ সুবিধা পালেই এই কথা আটাইকে কোৱা ভাল। বুকু-মন ওখ কৰি কোৱা ভাল। মই অসমীয়া, যেনেকৈ আগেয়ে ৰোমান সাম্রাজ্যৰ মানুহে কৈছিল, ওখ হৈ থিয় দি বুকু স্ফীত কৰি কৈছিল, Ego Romanus Sum, মই ৰোমান। চাওক কেনে সুন্দৰ শুনি। এতিয়াও ইংৰাজবিলাকে যেনেকৈ কয়, "I am an English man " আৰু কিবা বস্তু বেযা লাগিলে "This is not English" তেনেকৈ আমাকো নিজৰ বিষয়ে আমাৰ ভাষাত আমি ক'ব পাৰোঁ "I am an India" "I am an Assamese "

এনেদৰে অসমীযা বুলি নিজকে পৰিচয় দি গৌৰৱবোধ কৰা, জাতীয়প্ৰাণ বীৰগৰাকীয়ে হ'ল জ্ঞানদাভিৰাম বৰুৱা।

জ্ঞানদাভিৰাম বৰুৱা জন্ম হয় ১৮৮০ চনৰ ১৯ আগষ্টত, নগাঁবৰ ফৌজদাৰী পট্টিত। তেওঁৰ পিতাকৰ নাম গুণাভিৰাম বৰুৱা আৰু মাকৰ নাম বিষ্ণুপ্ৰিয়া। গুণাভিৰাম বৰুৱা অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক। তেওঁ ৰাম নৱমী, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত, অসম বুৰঞ্জী আদি কেইবাখনো মূল্যবান গ্ৰন্থৰ লেখক। গুণাভিৰাম বৰুৱাই 'আসাম বন্ধু' নামেৰে এখন আলোচনীও সম্পাদনা কৰিছিল।

ছয় বছৰ বয়সত তেওঁক নগাঁৱৰ স্কুলত চেভেনথ ক্লাচত ভৰ্তি কৰোৱা হৈছিল। ১৮৯৫ চনত তেওঁ উচ্চ শিক্ষা লবলৈ বিলাতলৈ যায়। বিলাতৰ পৰাই তেওঁ এণ্ট্ৰেন্স আৰু বেৰিষ্টাৰী পাছ কৰে। তেওঁ বেৰিষ্টাৰী পাছ কৰে লণ্ডনৰ গ্ৰে কলেজৰপৰা। বেৰিষ্টাৰী পাছ কৰাৰ পিছত তেওঁ ১৯১০ চনত নিজৰ দেশলৈ উভতি আহে আৰু কলিকতা উচ্চ ন্যায়ালযত ওকালতি জীৱন আৰম্ভ কৰে। ১৯০৬ চনত তেওঁ ৰবীন্দ্ৰ নাথ ঠাকুৰ পৰিযালৰ লতিকা দেবীৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। এটি মুন্সিফ পদত নিযুক্তি পাই, তেওঁ অসমলৈ আহে। ১৯১৪ চনত গুৱাহাটীত আইন মহাবিদ্যালযত স্থাপন হয়। জ্ঞানদাভিৰাম বৰুৱা এই আইন মহাবিদ্যালয়ৰ অধ্যক্ষ নিযুক্ত হয়। চলুকীয়া অৱস্থাৰপৰা এই মহাবিদ্যালয়খনক অসমত এখন জাকত জিলিকা মহাবিদ্যালয়ৰূপে গঢ়ি তোলাত জ্ঞানদাভিৰাম বৰুৱাৰ ত্যাগ আৰু চেষ্টা সদায আদৰ্শনীয হৈ থাকিব। ১৯৩৭ চনত তেওঁ অধ্যক্ষ পদৰপৰা অৱসৰ লয।

জ্ঞানদাভিৰাম বৰুৱাক মানুহে জে, বৰুৱা বুলিহে জানিছিল। অনুজসকলে সম্বোধন কৰিছিল— জ্ঞান দা, হাকিম থকাকালত জা বৰুৱা হাকিম, বংশ পৰম্পৰা চলি অহা নাম অভিৰাম।

জ্ঞানদাভিৰাম বৰুৱা আছিল অসমীযা ভাষা সাহিত্যৰ এজন নিষ্ঠাবান সাধক। তেওঁ বাঁহী, আৱাহন, বৰদৈচিলা, ৰামধেনু আদিত ভালেমান মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল— ভেনিচৰ সাউদ (১৯২২), পঞ্চৰত্ন (১৯১৯), দদাইৰ পঁজা (১৯৩০), বিলাতৰ চিঠি (১৯৩৯), মোৰ কথা, সাহিত্য-কথা আদি। তেওঁ ইংৰাজী ভাষাত ৰচনা কৰিছে — Folk Tales of Assam (১৯১৫)। হৰিনাথ দে, শ্ৰীদামোদৰদেৱ, ˇবেজবৰুৱা, ˇবুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য, ˇৰামানুজম এফ-আৰ-এছ, বুকাৰ ৱাশ্বিংটন, আসাম আইৰ সু-সন্তান ˇহেমচন্দ্ৰ আদি তেওঁৰ আন কিছুমান মূল্যবান প্ৰবন্ধ। তেওঁৰ কেইবাখনো মূল্যবান পত্ৰলেখা আছে। সেইবোৰৰ ভিতৰত হ'ল— হেমচন্দ্ৰ গোস্বামীলৈ, মথুৰামোহন বৰুৱালৈ, লক্ষ্মীনাথ বেজবৰুৱালৈ, বেণুধৰ শৰ্মালৈ, ডিম্বেশ্বৰ নেওগলৈ, জনশিক্ষাৰ সম্পাদকলৈ, মহাত্মা গান্ধীলৈ, ৰামধেনুৰ সম্পাদকলৈ লিখা চিঠি। 'ভেনিচৰ সাউদ' সম্পৰ্কে তেওঁ কৈছে, "বিলাতত শ্যেক্স পিয়েৰৰ কেথনমান নাটৰ ভাবনাও দেখিছিলোঁ। সেইদেখি শ্যেক্স পিয়েৰৰ মাৰ্চেণ্ট অৱ ভেনিচ বুলি কিতাপখনৰ অসমীয়া ভাঙনি কৰি অসমীয়া ৰাইজসকলৰ আগত দাঙি ধৰিলোঁ। আমি যে শ্যেক্স পিয়েৰৰ অনুবাদকৰ্তা পদৰ যোগ্য তাক নকওঁ। অসমীয়া ভাষাত শ্যেক্স পিয়েৰৰ ভ্ৰমৰঙ্গৰ বাহিৰে আন কোনো কিতাপ নোহোৱাৰ কাৰণেই আমাৰ ভেনিচৰ সাওদ উলিওৱাৰ প্ৰধান কাৰণ।" 'দদাইৰ পঁজা'ৰ পাতনিত লিখিছে,

"এই কিতাপখনি Uncle Tom's Cabin মোৰ অসমীয়া ভাষাত অনুবাদ হোৱা মই শুনা নাই, সেইদেখি মোৰ অতি সসীম বুদ্ধিৰে এই কিতাপখনিৰ অলপ আভাস মোৰ ভাষাত লেখি অসমীযা জনা আৰু পঢ়া মানুহক দিম বুলি এই সৰু কিতাপখনি লেখিলোঁ। এই কিতাপখনি সকলো ভাষাত লেখা হৈছে। অসমীয়াত নাই।" 'সাহিত্য-কথা'ত লেখিছে, "পুৰণা পুথি আমাৰ ভাষাৰ ৰত্ন। এনেবোৰ পুথি যিমান ছাপা হয়, সিমান আমাৰ ভাষা আৰু জাতিৰ মংগল।" তেওঁৰ ৰচনা-ৰীতি সহজ-সৰল, সাৱলীল আৰু বিষয়-বস্তুৰ প্ৰতি থকা অভিজ্ঞতাই তেওঁৰ সাহিত্য জনমুখী কৰি তুলিছিল। ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্টম অধিবেশনত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আসনৰপৰা তেওঁ নগাঁৱৰ পৰিচয় দাঙি ধৰিছিল এনেদৰে, "গুৱাহাটী আৰু নগাঁও বেলেগ। গুৱাহাটীৰ প্ৰাকৃতিক শোভা নগাঁৱৰ নাই। গুৱাহাটীৰ আমনি নলগা ব্ৰহ্মপুত্ৰ নদীৰ দৃশ্য ইযাত নাই, চিৰ সুন্দৰ উমানন্দ নাই, মনোহৰ নীলাচল নাই, গুৱাহাটীৰ সুশোভন শ্যামল পৰ্ব্বত ইয়াত নাই। কলঙত ডুব দি উঠি চালে পঞ্চতীৰ্থ আমি নেদেখোঁ। কিন্তু এইবোৰ মনোভিৰাম আৰু নয়নাভিৰাম দৃশ্য নগাঁৱৰ নেথাকিলেও এই নগাঁৱত এনে এটি বস্তু আছে যাৰ নিমিত্তে এই নগাঁও সকলো অসমীযাৰে পবিত্ৰ পুণ্যভূমি, সকলো অসমীয়াৰে তীৰ্থক্ষেত্ৰ, সকলো অসমীয়াৰে গৌৰৱৰ স্থল, কিযনো পূজনীয় মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ এই সুন্দৰ সুশোভন পৃথিৱীক আৰু সুন্দৰ সুশোভন কৰিবলৈ, জগতত আসামক ওখ আসন দান কৰিবলৈ, আসামক নতুন ধৰ্ম্মজীৱন দিবলৈ এই জিলাৰে বৰদোৱাত জন্ম লয়হি। ধন্য নগাঁও জিলা। তোমাৰ আন কোনো গৌৰৱ নেথাকিলেও এই গৌৰৱৰ নিমিত্তেই ভাৰতৰ আন আন শীৰ্ষস্থানৰ মাজত তুমি আসন পাইছা।"

জ্ঞানদাভিৰাম বৰুৱা এগৰাকী সুঅভিনেতা ৰূপেও পৰিচিত। তেওঁ কলিকতাত থকা কালত, জোৰা সাকোৰ ঠাকুৰ পৰিয়ালৰ মাজত অনুষ্ঠিত হোৱা নাট অভিনযত অংশ গ্ৰহণ কৰিছিল। তেওঁ "বাল্মীকি প্ৰতিভা" নাটকত দস্যু চৰ্দ্দাৰৰ ভূমিকা লৈছিল। সেইখন নাটকতে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও অভিনয কৰিছিল। তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ইন্দ্ৰ মালতী'ত অভিনয় কৰিছিল।

১৯৩৩ চনৰ ২৭ আৰু ২৮ ডিচেম্বৰত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুৰ্দ্দশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "যি বিদ্যাই জ্ঞান বঢ়াই মানুহক এন্ধাৰৰপৰা পোহৰলৈ লৈ যায়, সি সকলোৱেই সাহিত্য।" জাতিৰ সেৱাত ব্ৰতী হ'বলৈ উদগনি দি তেওঁ কৈছিল, "বন্ধুসকল, যদি আমি দেশৰ, ভাষাৰ, সাহিত্যৰ, জাতিৰ উপকাৰ কৰিব খোজোঁ, তেনেহলে নিজৰ

যিখিনি কাম আছে সেইখিনি কাম কৰি যেন এইসকল কামৰ নিমিত্তেও প্ৰতিদিন অলপ সময় দিওঁ।" তেওঁ আৰু কৈছিল, "অসমীয়া অসমীয়া, সেই অসমীয়াই ভামাস্কাচতেই ভাল কাম কৰক বা হনলুলুতেই ভাল কাম কৰক, যি ঠাইতে তেনে অসমীয়া মানুহ থাকে তেওঁ আমাৰ ভাই আৰু তেওঁ আমাৰ ককাই। তেনে অসমীযাক আমি যদি নিজৰ ব্যথা নকওঁ, কাক ক'ম? আমাৰ মনৰ যদি ঠেক ভাব বহল কৰিব পাৰোঁ, তেনেহলে আমাৰ সাহিত্যও বহল হ'ব। ডাঙৰ হ'ব। সকলো বস্তুৰেই মানুহৰ মনৰপৰা উৎপত্তি। মন বাপেক-মাক, যেনে বাপেক-মাক তেনে কাম।" তেওঁ অসমীযা সকলক সতৰ্ক কৰি দি কৈছিল, "অনা অসমীয়া মানুহসকলৰ সৈতে আমি প্ৰতিযোগিতাত যদি হাৰো তেনেহলে আমাৰ ধ্বংস নিশ্চিত। যাতে আমি জিকোঁ সেই বিষয়ে ধীৰভাৱে চিন্তা কৰিব লাগে। আমাৰ ব্যৱসায-বাণিজ্য নিজৰ হাতত নাই। কোনো জাতিয়েই বিনা ব্যৱসায বাণিজ্য ডাঙৰ হোৱা নাই। আৰু আন আন কাৰণ থাকিলেও ব্যৱসায বাণিজ্যই এটি প্ৰধান উপাদান।"

জ্ঞানদাভিৰাম বৰুৱাৰ পৰলোকপ্ৰাপ্তি হয় ১৯৫৫ চনৰ ২৭ জানুৱাৰীত, গুৱাহাটীত। ❒

আনন্দচন্দ্ৰ আগৰৱালা

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হলে আয়ু বেলি মাৰ গলে
থই যাব পাৰো খোজ সময় বালিত।"

এই গূঢ়াৰ্থময়, জনপ্ৰিয় কবিতাৰ ৰচক গৰাকী হ'ল আনন্দচন্দ্ৰ আগৰৱালা। আগৰৱালা অসমীয়া সাহিত্যত 'ভাঙনি কোঁৱৰ' ৰূপে জনাজাত। তেওঁ অসমৰ উন্নতিৰ হকে সদায় মনে-প্ৰাণে চেষ্টা কৰিছিল। তেওঁ কৈছিল, "অসমক সকলো প্ৰকাৰে অসমীয়া বা অতুলনীয় কৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আবদ্ধ হৈ সমবেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ বাবে লাগে ঐক্য, গভীৰ স্বদেশা নুৰাগ আৰু স্বজাতি প্ৰেম, লাগে অদম্য উদ্যম, একগ্ৰতা, সেৱা পৰায়ণতা আৰু স্বাৰ্থত্যাগ, লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুলাই তুলিবলৈ একান্ত চেষ্টা।"

আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম হয় ১৮৭৪ চনৰ ৫ ছেপ্তেম্বৰত, তেজপুৰৰ ওচৰৰ কলংপুৰ মৌজাত। তেওঁৰ পিতাকৰ নাম কাশীৰাম আৰু মাকৰ নাম ৰাধিকা। এওঁলোকৰ

পূৰ্ব পুৰুষ, ৰাজপুতনাৰ। নওৰংৰামকে অসমত এই বংশৰ প্ৰতিষ্ঠাতাৰূপে জনা যায়। এওঁ অসমলৈ ব্যৱসায় কৰিবলৈ আহি পোনতে গোৱালপাৰাৰ বিশ্বনাথত কিছুকাল থাকি, পিছত গমিৰিত থাকিবলৈ লয়। এওঁ অসমীয়া পৰিয়ালৰ লগত সম্পৰ্ক কৰে। তেওঁ প্ৰথমে ৰাজখোৱা পৰিয়ালৰ সাদৰী নামৰ এগৰাকী ছোৱালীৰ পাণি গ্ৰহণ কৰে আৰু পিছত শইকীয়া পৰিয়ালৰ সোণপাহী নামৰ এগৰাকী ছোৱালী বিয়া কৰায়। এই সাদৰীৰে পুত্ৰ হৰিবিলাস আৰু সোণপাহীৰ গৰ্ভত জন্ম গ্ৰহণ কৰে কাশীৰামে।

তেওঁ তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা ১৮৯১ চনত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। তাৰপিছত উচ্চ শিক্ষা লবলৈ কলিকতালৈ যায় আৰু তাতে মেট্ৰোপলিটান কলেজত ভৰ্ত্তি হয। কিন্তু তেওঁ এফ এ পাছ কৰিব নোৱাৰিলে। কলিকতাত থাকি বৰদেউতাক হৰিবিলাস আগৰৱালাক ব্যৱসাযত সহায় কৰে। পিছত তেওঁ শিৱসাগৰলৈ আহি, শিৱসাগৰ বেজবৰুৱা হাইস্কুলত এবছৰমান শিক্ষকতা কৰে। পিছত শিক্ষকতা এৰি, ১৮৯৪ চনত পুলিচৰ হেড কনিষ্টবল চাকৰিত সোমায়। চাকৰিত পদোন্নতি হৈ জিলাৰ অধীক্ষক পদ পায়। কিন্তু ১৯৩০ চনত তেওঁ এই চাকৰিৰপৰা স্বেচ্ছামূলকভাৱে অৱসৰ লয়। উল্লেখ্য যে, ১৯০৬ চনত তেঁৱে পুলিচ মেনুৱেল ৰচনা কৰে। চৰকাৰে তেওঁক ১৯১৬ চনত 'ৰায়চাহাব' আৰু ১৯২১ চনত 'ৰায় বাহাদুৰ' খিতাপ প্ৰদান কৰে।

তেওঁৰ সৰু কালৰেপৰা সাহিত্য সেৱাৰ প্ৰতি প্ৰবল ধাউতি আছিল। ১৮৯১ চনত ছাত্ৰাৱস্থাতে কেইজনমান বন্ধুৰ লগ লাগি 'ধৰ্ম সংগীত' নামৰ এখন গানৰ কবিতা পুথি প্ৰকাশ কৰিছিল। এই কবিতাখনত ১৪১ টা গীত সন্নিবিষ্ট কৰা হৈছিল। তেওঁ সৰু কালতে কৰুণাভিৰাম বৰুৱা সম্পাদিত 'ল'ৰা বন্ধু'ত প্ৰথম লিখিবলৈ লৈছিল। তেওঁ কলিকতালৈ যোৱাৰ পিছত, 'জোনাকী' আৰু অঃ ভাঃ উঃ সাঃ সভাৰ লগত জড়িত হৈ ইয়াৰ উন্নতিৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। তেওঁ অঃ ভাঃ উঃ সাঃ সভাৰ সহকাৰী সম্পাদকৰূপেও সেৱা আগবঢাইছিল। 'জোনাকী' আলোচনী, উষা, বাঁহী, আৱাহন, জয়ন্তী আদিত তেওঁ বহুতো কবিতা আৰু প্ৰবন্ধ প্ৰকাশ কৰিছিল। তেওঁ বহুতো ইংৰাজী কবিতা অসমীয়ালৈ ভাঙনি কৰি, ভাঙনি-কোঁৱৰৰূপে প্ৰখ্যাত লাভ কৰে। ইংৰাজী কবিতা 'The Better Land' ৰ ভাঙনি 'সুখৰ ঠাই', ইংৰাজ কবি Gray ৰ "The Shepher and the philosopher" ৰ ভাঙনি 'চহা আৰু পণ্ডিত," Charlotte Eliott ৰ "Thy will be done" ৰ ভাঙনি "ইচ্ছা তযু পূৰ্ণ হোক হেৰাঁ দয়াময়", ইংৰাজ কবি Longfellow ৰ "psalm of life" ৰ ভাঙনি "জীৱন-সংগীত" আদি আনন্দচন্দ্ৰ আগৰৱালাৰ অসমীয়া কাব্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান। তেওঁৰ কাব্য সংকলন 'জিলিকনি' প্ৰকাশ পায় ১৯২২ চনত। ঈশ্বৰ, নৱবৰ্ষ, আজি আৰু কালি, মৰমৰ আই, শোক সংগীত, সুখৰ ঠাই, জীৱন-সংগীত, সুখ, মেঘ আদি কৰি ৪১ টা কবিতা সন্নিবিষ্ট

হৈছে। তেওঁ কবিতাৰ মাজেৰে সুখৰ ছবি দাঙি ধৰিছে এনেদৰে ঃ

"সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ,
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।"

জীৱনৰ সংগীত গাইছে এনেদৰে ঃ

"শোকৰ কবিতা ৰচি, দুধাৰি চকুলো মচি,
নক'বা জীৱন মিছা নিশাৰ সপোন,
অসাৰ সংসাৰ ভাই, ইয়াত সকাম নাই,
মোহময় মায়াময় সকলো মাথোন।"

আনন্দচন্দ্ৰ আগৰৱালাই বহুতো মূল্যবান প্ৰবন্ধ ৰচনা কৰিছে। সেই প্ৰবন্ধবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল— কামৰূপ তীৰ্থ বিবৰণ, সোণৰ অসম, পুৰণি অসম, অসমীয়া আখৰ— জোঁটনিৰ নিয়ম, 'জোনাকী'ৰ আত্মকথা, লম্বোদৰ বৰা, অসম-কোষ, ক্ষমা, দযা আদি। তেওঁ 'কামৰূপ তীৰ্থ বিবৰণ' প্ৰবন্ধত লিখিছে, "ভাৰতৰ ভিতৰত প্ৰাগজ্যোতিষ বা কামৰূপ আৰু কাশ্মীৰ শ্ৰেষ্ঠ ঠাই। কামৰূপ ভাৰতৰ উত্তৰ পূৱে, কাশ্মীৰ উত্তৰ-পশ্চিমে। এই প্ৰাগজ্যোতিষ দুই প্ৰদেশৰ ভিতৰত মাহাত্ম্য আৰু কামৰূপ প্ৰাচীনতাত কামৰূপ কাশ্মীৰতকৈ শ্ৰেষ্ঠ। কামৰূপ আদিভূমি আদি স্বৰ্গ , সুৰালয বা দেৱভূমি। কামৰূপৰ কামাখ্যা পীঠৰ মনোভাব গুহাত আদি মানৱ-দম্পতিৰ জন্ম হৈছিল।" তেওঁ কোমল পাঠ (১৯১০) আৰু আদি পাঠ (১৯২০) নামৰ পাঠ্যপুথি ৰচনা কৰাৰ উপৰিও An Account of Assam আৰু "গোৱালপাৰাৰ পুৰণি বিবৰণ' শীৰ্ষক আন দুখন গ্ৰন্থ ৰচনা কৰিছে।

১৯৩৪ চনৰ ডিচেম্বৰ মাহত মংগলদৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চদশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল,

"উঠা অসমীয়া চোৱা চকু মেলি
এলাহ পাটীত নেলাগে লাজ?
কণ্ডালি টোপনি ভাঙি উঠি বহা
পেলোৱা পেলোৱা টোকোনা সাজ।
নোহোৱা নিৰ্জীৱ পাৰিবা উঠিব

কলামলা ইটো টোপনি-জাল,
একে ছিপে উঠি ভূমিত ভৰি দি
প্ৰতিজ্ঞা টঙালি বান্ধা কঁকাল।
হাতত কোৰ লৈ প্ৰথমেই পোতা
এলাহ-শতুৰু গাতলৈ যোৱা,
জয়ৰ হুঙ্কাৰে কঁপাই জগৎ
কিৰীটি শিৰত লোৱা।
জীৱনৰ আৰ্হি থাপি অসমীয়া
উধাৰী দুখুনী অসম আই,
পূৰ্ব্বৰ কাহিনী সোঁৱৰা মাথোন
অভাৱ তোমাৰ একোৱেই নাই।
উঠা অসমীয়া উঠ এইবাৰ
পিচ পৰি ৰ'লা নেলাগে লাজ?
জীৱন্ত উছাহে একে উশাহতে
লোৱাহিহে আহি বীৰৰ সাজ।
আহা সকলোৱে কৰোঁ এই পণ,
দেশৰ কল্যাণ কৰিম সাধন,
দেশৰ কাৰণে চকুৰে কান্দিম,
দেশৰ কাৰণে মুখেদি মাতিম,
দেশৰ কাৰণে লেখনী লিখিম,
দেশৰ কাৰণে স্বাৰ্থ তিযাগিম,
জাতীয় প্ৰেমত সকলো মজিম,
জাতীৰ উন্নতি অৱশ্যে সাধিম,
সাহিত্য, সঙ্গীত, জ্ঞান, বিজ্ঞানত,
কৃষি, শিল্প, বেহা-বেপাৰত,
জনমভূমিৰ মুখ উজলাম,
ৰাখিম ধৰাত অসমীয়া নাম,
আই অসমৰ গৌৰৱ বঢ়াম।"

আগৰৱালা তেজপুৰৰ বিভিন্ন সামাজিক কামৰ লগতো জড়িত আছিল। তেওঁ তেজপুৰ গৌৰসভাৰো সভাপতি আছিল।

তেওঁৰ মৃত্যু হয় ১৯৩৯ চনৰ ১৬ ডিচেম্বৰত তেজপুৰৰ নিজা ঘৰত। ❐

ৰঘুনাথ চৌধাৰী



"অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা
কোন মূৰ্চ্ছনাত তোৰ বাজে দোতাৰা
মিলন মাধুৰী লই
আহিছ সাদৰী অই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা,
পদূলিতে আছে ৰই গুলঞ্চি কতৰা।
আলোক নে অন্ধকাৰ সুদূৰ প্ৰান্তৰ
কোন সাগৰৰপৰা
অমৃত গৰল ভৰা
মেলি দিছ সঁফুৰাটি মোহিনী কণ্ঠৰ
বই গ'ল বিশ্ব ব্যাপি দিক্ দিগন্তৰ।"

এইদৰে চৰাই-চিৰিকতি, ফুল-ফল, তৰু-তৃণ, গছ-লতিকা আদি প্ৰকৃতিৰ সৌন্দৰ্য্যৰ মাজেৰে মৰতলৈ প্ৰেমৰ বাণী কঢ়িয়াই অনা বিশিষ্ট কবিগৰাকীয়ে ৰঘুনাথ চৌধাৰী। তেওঁৰ কবিতাত ঘাইকৈ চৰাই বিষয়ক প্ৰাধান্যতাৰ বাবে, তেওঁক বিহগী কবিৰূপে আখ্যা দিয়া হৈছে।

ৰঘুনাথ চৌধাৰীৰ জন্ম হয় নলবাৰী জিলাৰ মুকালমুৱাৰ ওচৰৰ লাউপাৰা গাঁওত, ১৮৮০ চনত (১৮০১ শকৰ ৬ মাঘ গণেশ চতুৰ্থীত)। বৰ্তমান লাউপাৰা গাওঁ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। তেওঁৰ পিতাকৰ নাম ভোলানাথ চৌধাৰী আৰু মাকৰ নাম দয়ালতা চৌধাৰী। বিখ্যাত কলিতা চৌধাৰী বংশত তেওঁৰ জন্ম। মাক কমাৰকুছিৰ জীয়াৰি। ৰঘুনাথৰ জন্মৰ সময়ত কুল পুৰোহিত বিজয় চক্ৰৱৰ্তীয়ে কৈছিল, "এওঁ বংশৰ ৰঘুনাথ হ'ব।" কিন্তু গণনা মতে তেওঁৰ নাম 'সোমনাথ' থোৱা হৈছিল যদিও কুল পুৰোহিত প্ৰথমে উচ্চাৰণ কৰি থোৱা নাম 'ৰঘুনাথ' নামেৰেহে তেওঁ পৰিচিত হ'ল। তেওঁৰ গুপ্তনাম ৰখা হৈছিল 'ঘননাথ'।

ন মহীয়া অৱস্থাত তেওঁ কাঠীৰপৰা বাগৰি শিলত চেপা খাই সোঁ ভৰিখন অকামিলা হয় আৰু বাওঁ ভৰিখনো নিশকতীয়া হৈ পৰে। চাৰি বছৰ বয়সত তেওঁ জহনী ৰোগত মাকক হেৰুৱায়। তাৰ এসপ্তাহ পিচত ককাযেক বাযেকক হেৰুৱায়। ভাৰ্য্যা আৰু পুত্ৰ কন্যাৰ এনে অকাল বিয়োগত তেওঁৰ পিতৃয়ে মস্তিষ্কৰ ভাৰসাম্য হেৰুৱাই বলিয়া হয়। এনে অৱস্থাত পৰিয়ালটোক ওচৰ-চুবুৰীয়াই সহায়-সহানুভূতি দেখুৱাব দূৰৰ কথা, সেই সুযোগত ভোলানাথৰ সা-সম্পত্তিখিনিও বংশৰ লোকে আত্মসাৎহে কৰে। এনেদৰে শৈশৱতে পিতৃ মাতৃ, ঘৰ দুৱাৰ সকলোকে হেৰুৱাই, ৰঘুনাথ বৰ অসহায়ত পৰে। কিন্তু গাঁৱৰে জয়পাল দাস নামৰ এজনলোকৰ তেওঁ আশ্ৰয় লাভ কৰে। জয়পাল দাসে তেওঁৰ গাভৰু জীযেক সোণমাইক শিশু ৰঘুনাথক লালন-পালন কৰাৰ দায়িত্ব দিযে। ইযাৰ প্ৰায এবছৰ পিছত, জেঠাক বালকৰাম চৌধাৰীৰ পুত্ৰ গৰ্গৰাম চৌধাৰীয়ে ৰঘুনাথক গুৱাহাটীলৈ লৈ যায়। গৰ্গৰাম চৌধাৰী আছিল নিঃসন্তান। সেয়ে গৰ্গৰামে ৰঘুনাথক নিজৰ সন্তানৰ দৰে হৃদয়ত স্থান দিযে। গৰ্গৰামে গুৱাহাটীৰ উজান বজাৰত বাস কৰিছিল। তেওঁ গুৱাহাটী কাছাৰীত নাজিৰ কাম কৰিছিল।তেওঁ আছিল হাজোৰ ওচৰৰ ক্ষেত্ৰী হাৰদিযাৰ লোক। এইখন ঘৰে ৰঘুনাথ চৌধাৰীৰ ঘৰ হ'ল।

ছয় বছৰ বয়সতে তেওঁ গাঁৱৰ কাশীনাথ নামৰ এজন শিক্ষকৰ ওচৰত পোনতে বিদ্যাশিক্ষা আৰম্ভ কৰে। কিছুদিন কমাৰকুছিত থাকিও উচ্চ প্ৰাইমাৰী স্কুলত পঢ়িছিল। তাৰপিচত গৰ্গ ৰাম চৌধাৰীয়ে তেওঁক গুৱাহাটীৰ বঙলা উচ্চ প্ৰাইমাৰী বিদ্যালয়ত ভৰ্ত্তি কৰাই দিয়ে। সেই সময়ত তেওঁলোকে বঙলা ভাষাতহে বিদ্যাশিক্ষা কৰিব লগা হৈছিল। শ্ৰেণীত তেওঁ মদন মোহন তৰ্কালংকাৰৰ বঙলা পুথি 'শিশু পাঠৰ' প্ৰথম আৰু দ্বিতীয খণ্ড পঢ়িব লগা হৈছিল। তাৰ পিছত তেওঁ চৰকাৰী এম ভি স্কুলত ভৰ্ত্তি হয়। ১৮৯৬ চনত ছাত্ৰবৃত্তি পৰীক্ষাত উত্তীৰ্ণ হয। ইযাৰ পিচত তেওঁ গুৱাহাটী কলেজিয়েট স্কুলত ভৰ্ত্তি হয়। হাইস্কুলীয়া জীৱনৰ তেওঁৰ কেইগৰাকী মান সহপাঠীৰ ভিতৰত হ'ল- কামাখ্যাৰাম বৰুৱা, বিষয়চন্দ্ৰ বিশ্বাসী হেমন্ত লাহিড়ী আদি। হাইস্কুলৰ সপ্তমমান শ্ৰেণী

পাওঁতে শিক্ষকৰ দোষত অংক বিষয়ত পাবলগা নম্বৰ নোপোৱাৰ কাৰণে তেওঁ পঢা জীৱনে শেষ কৰে। কিন্তু ককায়কে গৰ্গৰামে তেওঁক বুজাই-বৰাই পুনৰ স্কুললৈ পঠিয়াবলৈ চেষ্টা কৰাত, সেই খণ্ডতে তেওঁ ঘৰ ত্যাগ কৰি তেজপুৰলৈ পলায় যায়। পিচত গৰ্গৰামে বিচাৰি তেওঁক গুৱাহাটীলৈ ঘূৰাই আনে।

স্কুল বাদ দিয়াত, গৰ্গৰামে ৰঘুনাথক অফিচৰে কাম-কাজ শিকোৱাৰ বাবে কাছাৰীলৈ নিয়ে। কিন্তু এই কামতো ৰঘুনাথে মুঠে মনবহুৱাব নোৱাৰিলে। তেওঁৰ ইচ্ছা যেন শিক্ষকতাৰ প্ৰতি। সেয়ে উজানবজাৰত থকা এখন প্ৰাথমিক বালিকা বিদ্যালয়তে তেওঁ শিক্ষকতা জীৱন আৰম্ভ কৰে। তেওঁ এই চাকৰি কালত মাহে দৰমহা পাইছিল পোন্ধৰ টকা। এই সময়ছোৱাত (১৮৯৯ চনত) তেওঁৰ পিতৃ বিয়োগ হয়। এই চনতে তেওঁ কাম কৰা স্কুলখনো উঠি যায়। তেওঁৰ চাকৰি নোহোৱা হয়। এই সময়ত তেওঁ সংস্কৃত শিক্ষাৰ প্ৰতি মনোযোগ দিয়ে। গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাটত থকা এখন সংস্কৃত টোলত মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য আৰু বালমুকুন্দ ঝাৰ অধীনত সংস্কৃত ব্যাকৰণ আৰু কাব্য অধ্যয়ন কৰে। তেওঁ বিশেষকৈ কালিদাস, ভৱভূতি, মাঘ আৰু ভাৰৱিৰ গ্ৰন্থসমূহ অধ্যয়ন কৰে। ১৯০১ চনত তেওঁ পুনৰ শিক্ষকতা জীৱনলৈ ঘূৰি যায় আৰু এইবাৰ তেওঁ উজান বজাৰৰ লতাশিল প্ৰাথমিক বিদ্যালযত শিক্ষকৰূপে নিযুক্ত হয়। কিন্তু ১৯০৩ চনক গৰ্গৰাম চৌধাৰীৰ মৃত্যু হোৱাত সেই ঘৰখনৰ দায়িত্ব ৰঘুনাথ চৌধাৰীৰ ওপৰতে পৰে।

ঘৰখনত তেতিয়া বিধবা বৌৱেক স্বৰ্ণময়ী আৰু চাৰি বছৰীয়া ভতিজাক উমেশ চন্দ্ৰ চৌধাৰী (গীতি কবিৰূপে খ্যাত)। সেই সময়ত গৰ্গ চৌধাৰীৰ গুৱাহাটী আৰু ইযাৰ ওচৰে-পাজৰে কেইবা শ পুৰা মাটি-সম্পত্তি। এই মাটি-সম্পত্তিবোৰ চম্ভলাৰ নিমিত্তেই তেওঁ শিক্ষকতা চাকৰি বাদ দিব লগা হয। ১৯০৫ চনৰ পৰা তেওঁ গুৱাহাটীৰ বীৰকুছিৰ মাটিত (বৰ্তমান শোধনাগাৰ অৱস্থিত) কৃষি পাম আৰম্ভ কৰে। এই পামত ধান, মাহ সঁৰিয়হ, কুঁহিয়াৰ আদিৰ উপৰিও যথেষ্ট পৰিমাণে কৰি খেতিৰ উৎপাদন কৰিছিল। ১৯০৭ চনলৈকে তেওঁ এই বীৰকুছি খাটত খেতি -বাতিত লাগি থাকে।

ৰঘুনাথ চৌধাৰীৰ কাব্য জীৱন বীৰকুছিতে আৰম্ভ হয়। এই সময়ছোৱাত তেওঁ এক নিৰিবিলি জীৱন যাপন কৰি চৰাই-চিৰিকতি, গছ-গছনি, নৈ-নিজৰা, পৰ্বত-পাহাৰ ফুল আদি মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্যৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত আৰু মোহিত হয়। তেওঁ এই পামতে কৰি খেতিৰ লগতে কবিতা খেতিও আৰম্ভ কৰে। ইংৰাজ কবি ৱৰ্ডছৱৰ্থ, শেলী, কীটছ আদিৰ দৰে ৰঘুনাথ চৌধাৰীৰো কবিতাৰ বিষয় হৈ পৰে প্ৰকৃতি, প্ৰকৃতিৰ সৌন্দৰ্যবোধ। তেওঁ 'কেতেকি' চৰাইৰ মাতক স্বৰগৰ কৰুণা বাণী বুলি আৱাহন জনাইছে।

"ক'ৰপৰা তই আহিলি সোনাই
কোন দিশে যাব উৰি
কিয় বা ফুৰিছ দূৰ দূৰনীতে
অকলই ঘূৰি ঘূৰি?
বুজিছনে পখী মায়া কাননত
বিহাৰিছ হৈ আহি,
মায়া ভাও জুৰি মায়াবীসকলে
লগাব ডিঙিত ফাঁচি?
নিস্বাৰ্থ মৰম নাপাবি ইয়াত
নাপাবি অমিয়া সুখ
আদৰি সাদৰি কোনেনো মাতিব
কোনে পতিয়াব দুখ।"
"আহিয়েই তই ভুলালি সাগৰ
ভুলালি পৰ্ব্বত বন
অমৃত বৰষা এযাৰি মাততে
ভুলালি সংসাৰখন।"
"প্ৰেমৰ শিকনি শিকালি মৰ্ত্ত্যক
পিয়ালি অমৃত বিন্দু।
তোকে আজি লই তৰাৰ মাজত
হাঁহিছে বিমল ইন্দু।"

বিশেষকৈ তেওঁ চৰাইক 'প্ৰতীক' হিচাপে লৈ মানুহৰ জীৱনৰ আশা-আকাংক্ষা, চিন্তা-ভাবনা, সুখ-দুখ, শোষণ-লাঞ্চনা, উৎপীড়ন, জীৱন দৰ্শন প্ৰতিফলিত কৰিছে। বিহগ প্ৰীতিকে তেওঁ ঈশ্বৰ প্ৰীতি জ্ঞান কৰিছে ঃ

"নিচিনো, নাজানো কোন তই পখী
চিন্তাৰ অতীত মোৰ
কিবা এটি যেন আছে ঐশী শক্তি
ক্ষুদ্ৰ হৃদয়ত তোৰ।"

ৰঘুনাথ চৌধাৰীৰ প্ৰাকৃতিক সৌন্দৰ্যবোধ কল্পনা প্ৰৱণতাৰ মনটো অনন্যৰূপে ফুটি ওলাইছে "বহাগীৰ বিয়া" কবিতাৰ মাজেৰে—

"পাটৰ চেলেং গাত মেৰিয়াই
পাটমাদৈ চুচি মাজি,

জোৰোণ পিন্ধাব আহিল সুন্দৰী
পাট গাভৰুটি সাজি।
সোণ বৰণীয়া ডৰীয়া কাঞ্চন
সোণাৰু, কনক, চম্পা,
ৰচিলে ধুনীয়া বেণীৰ পাকেৰে
কন্যাৰ লাহতী খোপা।"
"শিমলু পলাশ অশোক মন্দাৰ
শ্যামল বিটপীৰাজি,
জীৰ্ণ আভৰণ সলাই আহিছে
ৰঙালী সাজেৰে সাজি।
কামিনী কাঞ্চন চম্পা নাগেশ্বৰ
সুগন্ধি কুসুম মালা,
ন ন ৰূপধৰি পুষ্প কাননত
পাতিছে প্ৰেমৰ খেলা।'
"পিন্ধালে ময়ূৰে গোমচেং মেখেলা
ভমকা ফুলীয়া চাই,
দিলে বুটা তুলি ফুল বছা ৰিহা
ৰচকী পখিলা বাই।"

তেওঁ চৰাইক মৰ্ত্যবাসীৰ মাজত প্ৰীতিৰ সোঁত বোৱাবলৈ অহা স্বৰ্গীয়, দূতৰূপে অভিহিত কৰিছে ঃ

"মৰ্ত্যবাসী মানৱক দিবলৈ জুৰণি,
তোমা হেন প্ৰিয় নিধি
পঠিয়াই দিলে বিধি
স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি ,
গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনি!"
"মৰতত যেন অমিয়াৰ সোঁত
দিগন্ত বিয়পি ব'লে ,
অফুট সঙ্গীতে লগে লগে মোৰ
প্ৰাণ মন আকৰ্ষিলে।"

কবিযে 'গোলাপ'ত সুকোমল সৌন্দৰ্যৰ মূৰ্ত প্ৰকাশ বিচাৰি পাইছে ঃ

"ফুলিবি নে মোৰ মানস কুঞ্জত
অ'মোৰ দৰদী ফুলাম পাহি?
উঠিব নে বাজি প্ৰিয়া পাপিয়াৰ
পুলক ভৰা মিলন বাঁহী।"

তেওঁৰ কবিতাত বৈৰাগ্যৰ ভাবো ফুটি ওলাইছে ঃ

"ভাৰ্য্যা পুত্ৰ ধন জন দিলোঁ মই বিসৰ্জ্জন
মিতিৰ কুটুম কেও নাই লগৰীয়া,
আশা পখী উৰি গ'ল শূন্য হিয়া পৰি ৰ'ল
সংসাৰত আজি মই অকলশৰীয়া।"
"সকলোৰে এৰি আশ অৰণ্যত ললো বাস
মন গলে অকলই ফুৰো বনে বনে,
বিবিধ চৰাই পহু ঠায়ে ঠায়ে আছে বহু
সিহঁতেই সঙ্গী মোৰ জীৱন মৰণে।"

তেওঁ কবিতাত অতীত গৌৰৱ স্মৃতি আৰু পুণ্য কথা সোঁৱৰি ৰচিছে ঃ

"বহল শ্যামল ক্ষেত্ৰ শিলনিৰে গঁথা,
লেখা আছে বশিষ্ঠৰ হৃদয় দুৰ্গত—
"কৃত যুগ মাৰ গ'ল কালৰ সোঁতত,
আজিও বশিষ্ঠাশ্ৰম আছে একেভাৱে,
আৰ্যৰ গৌৰৱ ঘোষি মৰ্ত্য ভুৱনতে,
বিজেতাৰ হেন্দোলনি সহিছে নীৰৱে।"

"শ্ৰীশঙ্কৰদেৱ" তেওঁৰ বীৰ-প্ৰশস্তিমূলক কবিতা ঃ

"নৰৰ আদৰ্শ কবি কন্দুৱাই ধৰা,
স্বৰ্গীয় আসন শোভি আছা ধ্ৰুৱতৰা
পুণ্যভূমি অসমত পূৰ্ণ অৱতাৰ,
ধৰিছিলা সৌম্যমূৰ্তি আৰ্য্য বংশধৰ ,"
"জালিকতা যি কেড়ালি আছে পুষ্পহাৰ,
সেয়েহে মাথোন ভাষা কৰিছে পোহৰ।

আহা দেৱ, ধৰ্মবীৰ পুৰুষ প্ৰধান,
সাধিলা যতনে বহু বিশ্বৰ কল্যাণ।"

কবিয়ে জীৱনৰ সকলো দুখ-কষ্টকে ভগৱানৰ অৱদান বুলি গ্ৰহণ কৰিব বিচাৰিছে ঃ

"যাতনাত নিপীড়িত ওৰে জীৱনত
কঢ়িয়ালোঁ যত আবৰ্জ্জনা
তোমাৰেই অৱদান বুকুত সাৱটি
অন্তিমত লভিম সান্ত্বনা"।

সৰ্বসাধাৰণ ৰাইজৰ মাজত ৰঘুনাথ চৌধাৰীৰ বিশেষ জনপ্ৰিযতা আৰু সমাদৰ লাভ কৰা কবিতা দুটাৰ-ভিতৰত এটা 'ঈশ্বৰ' আৰু আনটো 'মৰমৰ পখী'।

"নিচিনো তোমাক ক'ত আছা প্ৰভু
আমি অতি সৰু ল'ৰা,
চিএৰি চিএৰি মাতিলে তোমাক
নামাতা দূৰৈৰ পৰা।
নাজানো তোমাক মিনতি কৰিব
আমি অতি সৰু ল'ৰা
আছা নেকি প্ৰভু স্বৰগত তুমি
হই জোন বেলি তৰা।"— ঈশ্বৰ।

"নিস্বাৰ্থ প্ৰেমৰ কঠিন বান্ধনি
অলক্ষিতে সোলোকাই
নেদেখা নুশুনা দিগছৌ বনলৈ
গ'ল পখী পুনৰায।
বিৰহৰ টৌ হিয়াত বাগৰি
বোৱালে চিন্তাৰ ধাৰ,
ই জীৱনে আৰু নাপাওঁ সি সুখ
মিলন মাধুৰী পাৰ।"—মৰমৰ পখী।

ৰঘুনাথ চৌধাৰীৰ প্ৰথম কবিতা পুথি 'সাদৰী' (১৯১০)। ইযাত ভিক্ষা, আৱাহন, বহাগীৰ বিয়া, মাধুৰী, গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী, মৰমৰ পখী, কেতেকী চৰাই, গোলাপ, ভেঁটকলি, জোন আৰু জোনাকী, বিশ্ব, উপমা, ছায়াচিত্ৰ, সখীলৈ, গছৰ পাত, ফল্গু, বশিষ্ঠাশ্ৰম, মাতৃদেৱী, শঙ্কৰদেৱ, বৰ্ষা, নইৰ বুকত, হেঁপাহ, বিষাদ, বণিজৰ

কথা, বিৰহীৰ উক্তি, সন্তাপ, মৰণ আদি কবিতা সন্নিবিষ্ট হৈছে। এই 'সাদৰী' সম্পৰ্কে মন্তব্য কৰি ডঃ বাণীকান্ত কাকতিযে লিখিছে, "বহাগীৰ বিযা", প্ৰিয় বিহঙ্গিনী, "ভেঁটকলি" "কেতেকী চৰাই" আদি কবিতাবোৰৰ প্ৰত্যেকটোৰেই চৰাই আৰু উদ্ভিদ জগতৰ মনোৰম সাধুকথাৰ নিচিনা।" তেওঁৰ দ্বিতীয় কবিতা পুথি 'কেতেকী' ১৯১৮ চনত প্ৰকাশ পায়। 'কেতেকী' সম্পৰ্কে মন্তব্য কৰি ডঃ বাণীকান্ত কাকতিয়ে লিখিছে, "কেতেকী কবিতাত কবিৰ মনত সাঁচি থোৱা চিৰকলীয়া ভাববোৰ পৰিণত অৱস্থাত স্তুপীকৃত সৌন্দৰ্য্যৰূপে প্ৰকাশ পাইছে। এই কবিতাৰ ভাষা অতি সৰল আৰু বৰ্ণনাত এখন হুবহু ছবি আগত দাঙি ধৰিছে।" চৌধাৰীৰ তৃতীয় কবিতা পুথি "কাৰবালা (১৯২৩) চনত প্ৰকাশ পায়। ১৯৩১ চনত প্ৰকাশিত হয় তেওঁৰ চতুৰ্থখন কাব্য "দহিকতৰা"। 'দহিকতৰা'ত দহিকতৰা, গিৰিমল্লিকা, যুগল-তৰা, জোনলৈ, পুঁৱতি তৰা, বিভূতি, সৌন্দৰ্য্যসাধক, অভিসাৰ, মাধৱী, মধুলিহ আদি পঁচিশটা কবিতা সন্নিবিষ্ট হৈছে। এই কবিতা পুথিখন সম্পৰ্কে ডঃ বাণীকান্ত কাকতিযে লিখিছে, " চৌধাৰী প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাত সিদ্ধহস্ত , কিন্তু কেৱল বৰ্ণনা থাকিলেই পদ্য ৰচনা প্ৰকৃত কৱিতাত পৰিণত নহয়। তেনে হোৱাহেতেন প্ৰাণী আৰু উদ্ভিদ-বিদ্যাৰ গ্ৰন্থবোৰ কবিতাৰ পুথি হলহেঁতেন : কোনো প্ৰাকৃতিক বৰ্ণনা কৱিতাত পৰিণত হ'ব লাগিলে সেই বৰ্ণনা আমাৰ ভূত, ভবিষ্যত আৰু বৰ্তমানৰ সুখ দুখাত্মক ভাৱৰ লগত ওতপ্ৰোতভাৱে মিলি থকা যেন লাগিব লাগে। যি বৰ্ণনা মানুহৰ সুখ, দুখ বা সৌন্দৰ্য্য স্মৃতিৰ বাহিৰত, সি আমাৰ কল্পনাক স্পৰ্শ কৰিব নোৱাৰে বা আমাৰ আপোন যেন নেলাগে। চৌধাৰী ডাওৰীযাৰ বৰ্ণনাই তেওঁৰ বৰ্ণনাৰ বিষয়ক 'অজ্ঞাত কুলশীল' আচহুৱা আলহী নকৰি পূৰ্ব্বৰ স্মৃতিৰ বিজড়িত বহুদিনৰ চিনাকি বন্ধুৰ দৰে উপস্থিত কৰে। বৰ্ত্তমান কবিতাবোৰৰ যেই সেই কবিতাৰ পৰাই এইটো প্ৰতিপন্ন কৰিব পাৰি। আঁমাৰ ভিতৰত বহুতে গিৰি-মল্লিকা ফুল দেখা নাই। কিন্তু কৱিৰ বৰ্ণনাত ই পৌৰাণিক কল্পনাৰ অপ্সৰী, মদন ভস্ম আদিৰ লগত সান-মিহলি হৈ বহুকলীয়া চিনাকি লগৰী যেন লাগে আৰু কবিয়ে যেতিয়া গায়—

> "প্ৰাণ প্ৰিয়া আজি মোৰ বিজন কুঞ্জত,
> তুলিবানে লয়লাযে হাঁহিৰ তৰঙ্গ,
> নিষ্প্ৰভ ফুলনি মোৰ হোক জ্যোতিৰ্ম্ময।"

ৰঘুনাথ চৌধাৰীৰ গদ্য পুথি "নৱমল্লিকা" ১৯৫৮ চনত প্ৰকাশিত হয। "নৱ মল্লিকা"'ক কথা কবিতা বুলি কোৱা হয। ইয়াত ফুল, তন্ময়তা, চন্দ্ৰমল্লিকা, এলাগীবন, প্ৰেমৰ জয়, মৌনবেদনা, জীৱনৰ হাবিযাস, গছা আৰু চাকি, খদা আৰু জাপি আদি ন টি ৰচনা সন্নিবিষ্ট হৈছে। তেওঁ 'কৰণি' (অপ্ৰকাশিত) নামেৰে গল্প পুথি এখনো ৰচনা

কৰিছে। তেওঁ ৰচনা কৰা সৰহভাগ কবিতাই "জোনাকী" "আলোচনী' "বাঁহী" আদিত প্ৰকাশিত হৈছিল।

সত্যনাথ বৰা সম্পাদিত দ্বিতীয় খণ্ড 'জোনাকী'ত তেওঁ সহকাৰী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯২৩ চনত তেওঁ 'মইনা', ১৯৩৭ চনত 'জয়ন্তী' আৰু ১৯৪০ চনত তেওঁ 'সুৰভি' সম্পাদনা কৰে।

ৰঘুনাথ চৌধাৰী ভাৰতৰ স্বাধীনতা আন্দোলনৰো এগৰাকী মুক্তি যোদ্ধা আছিল। ১৯২০ চনত তেওঁ জাতীয় কংগ্ৰেছত যোগদান কৰে। ১৯২১ চনত মহাত্মা গান্ধীযে আহ্বান দিয়া অসহযোগ আন্দোলনত ৰঘুনাথ চৌধাৰীযে জপিয়াই পৰে। আন্দোলনত গুৱাহাটীৰ কৰ্মীসকলে বেলতলা অঞ্চলত খাজানা বন্ধৰ কাৰ্যসূচী পালন কৰিছিল। এই কাৰ্যসূচীত যোগদান দিয়া বাবে চৰকাৰে ৰঘুনাথ চৌধাৰীক পোন্ধাৰ মাহত কাৰাদণ্ড বিহে।

১৯২২ চনত জেলৰ পৰা মুক্তি লাভ কৰি বোন্দাৰ খাটত খেতি বাতিৰ মাজত সোমাই পৰে। এই কালছোৱাত তেওঁ বিভিন্ন সামাজিক, সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰে। গুৱাহাটীৰ প্ৰগতি সংঘ আৰু সবিতা সভাৰো তেওঁ অন্যতম প্ৰতিষ্ঠাপক।

ৰঘুনাথ চৌধাৰীযে জীৱনত বিবাহ বন্ধনত প্ৰবেশ কৰা নাছিল।

কামৰূপ সঞ্জীৱনী সভাই তেওঁক 'কবিৰত্ন' উপাধিৰে বিভুষিত কৰে আৰু ন্যাযাধীশ হৰিৰাম ডেকাই তেওঁক 'বিহগী কবি' আখ্যাৰে সন্মানিত কৰে।

১৯৩৬ চনৰ এপ্ৰিলত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষষ্ঠদশ অধিবেশনৰ ৰঘুনাথ চৌধাৰী সভাপতি আছিল। তেওঁ কৈছিল, "হাতীক হাতেৰে বগৰাই দিব নোৱাৰি। অসমীয়া জাতি বাৰিষাৰ ঢলত জাঁজীত উটি নাযায। মোগল আক্ৰমণ, মানৰ উপদ্ৰৱ, প্ৰৱল ভূমিকম্প আদি খণ্ড প্ৰলয়ৰপৰা অসমীয়া জাতিযে নিজৰ বৈশিষ্ট ৰাখি আহিছে, ভৱিষ্যতলৈ থাকিব। যিটো জাতি বাণ, নৰক, ভগদত্ত আদি মহাপৰাক্ৰমী ৰজাসকলৰ দিনৰেপৰা আছে, যিটো ভাষাই দীপিকা ছন্দ, ডাকৰ বচনৰ দিনৰেপৰা গৌৰৱ ৰক্ষা কৰি আহিছে, সেই গৌৰৱমণ্ডিত জাতি বা ভাষা পচোৱা বতাহত উৰি নাযায়।" "বৰ্তমানে আমাক আদৰ্শ চৰিত্ৰ, সত্যনিষ্ঠ, জ্ঞান তপস্বী শিক্ষক এক শ্ৰেণীৰ আৱশ্যক হৈছে যি শিক্ষক শ্ৰেণী তৰুণৰ দলক মানুহ কৰি তুলিব পাৰিব, যি তৰুণ দলে সত্যৰ কাৰণে প্ৰাণ দিব পাৰিব, দধীচিৰ দৰে আত্মত্যাগ কৰিব পাৰিব, আপোনাৰ চৰিত্ৰৰ মাহাত্ম্যত আৰু প্ৰগাঢ পাণ্ডিত্য গুণত জগতৰ শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিব।" "জীৱন আশা-আকাঙ্খা, দুৰ্জ্জয় বাসনা, অদম্য জ্ঞান লিপ্সা সকলো সাহিত্যতহে বিকাশ হয। ই প্ৰকৃতিৰ অপূৰ্ব দান।"

১৯৪৮ চনত তেওঁ বিশ্ব শান্তি পৰিষদৰ অসম শাখাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৫২ চনত সৰ্বভাৰতীয় শান্তি পৰিষদৰ কলিকতাৰ অনুষ্ঠিত হোৱা অধিবেশনৰ কৃষ্টি শাখাত সভাপতিত্ব কৰে ৰঘুনাথ চৌধাৰীয়ে। ১৯৫৫ চনত তেওঁ সৰ্বদলীয় সীমা নিৰ্ধাৰণ সমিতিৰ সভাপতি হয়। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ছোৱাত ৰঘুনাথ চৌধাৰীয়ে অংশ গ্ৰহণ কৰি শ্বিলঙলৈ যায় আৰু মন্ত্ৰীসকলক লগ কৰি অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰূপে স্বীকৃতি দিয়াৰ দাবী জনায়।

চৌধাৰীক ভাৰত চৰকাৰৰ ফালৰপৰা সাহিত্যিক পেঞ্চন আগবঢ়াইছিল।

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৬৭ চনৰ ১৮ নবেম্বৰত।

ৰঘুনাথ চৌধাৰীলৈ সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই শ্ৰদ্ধাৰ্ঘ আগবঢ়াইছিল এইদৰে ঃ

(১)

চৌধাৰী বংশৰ যশস্বী সন্তান,
লাওপাৰা গ্ৰাম যাৰ জন্মস্থান।
কবিতা-কুঞ্জৰ বিহগীৰ পিতা
সংহতি-সত্ৰত ৰঘুনাথ আতা।

(২)

দেৱভাষা মথি বাণী আৰাধক,
কবি ধীৰেশ্বৰ পথ-প্ৰদৰ্শক।
ওৰে জীৱনেই কামত অৰ্পিলা,
মুকলি জগতে জোগালে প্ৰেৰণা।

(৩)

প্ৰাগজ্যোতিষৰ জীৱন-যৌৱন,
লাওলোটা লৈ যাত্ৰা আৰম্ভণ।
যাত্ৰাৰ শেষত যোগী ভোগেশ্বৰ,
বাধাহীন কবি ৰাজ ৰাজেশ্বৰ।

(৪)

'সাদৰী'যে দিলে ভিক্ষা পাত্ৰ তুলি
কৌমাৰ্য্য ব্ৰতত ত্যাগ ভস্ম ধূলি।
'কেতেকী'যে দিলে অমৰ সঙ্গীত,
উধাৱত চিত বিহঙ্গ ভঙ্গীত।

(৫)

'দহিকতৰাই' দিলে ঐক্যতান
ললিত পঞ্চমে গালে জয়গান।
গিৰি কন্দৰত গিৰিমল্লিকাই,
দিলে লাজাঞ্জলি অঞ্জলি ভৰাই।

(৬)

ৰমক জমক 'বহাগীৰ বিয়া'
উখলমাখল দৰদী হিয়া।
কেৱলীয়া কবি নিজে উদাসীন,
'ফুল-শয্যা' চিতা তাতেই বিলীন।

(৭)

'অযত্ন-পালিতা' ভেটফুল পাহি,
মিলালে যাচিলে লাজুকীয়া হাঁহি।
বছোৰাৰপৰা 'গোলাপো' আহিলে
শ্যামলী পাতৰ ওৰণি দাঙিলে।

(৮)

'নৱমল্লিকা'ৰ শুভ্ৰ আসনত
'কাৰবালা'ৰ মৰু উদ্যানত ,
বীণধ্বনি বাই তুলিলা তুফান।
সাৰ্থক কাব্যত শ্বহীদৰ দান।

(৯)

মহাত্মা গান্ধীৰ মোহন মায়াত
মুক্তি সেনানীৰ অহিংস যুদ্ধত ,
স্বৰাজ আশ্ৰয় হ'ল কাৰাগাৰ
পংগু ৰঘুনাথ যুঁজাৰু দুৰ্বাৰ।

(১০)

সাহিত্য সভাৰো হ'ল কণ্ঠমণি
ধৰ্ম-কৰ্ম সমাজ সবাৰে ধৰণী,
গায়ক-নায়ক জাতীয়তাবাদী
ৰঘুনাথ আতা কবি অপ্ৰমাদী। ☐

কৃষ্ণ কান্ত সন্দিকৈ

'যেন মই আৰু এটা পুথিভঁৰালহে কিনিলোঁ। বিদেশৰপৰা পঢ়ি শুনি উভতি অহাৰ পিছত পিতাকে যিজন পুতেকৰ প্ৰতি এনে মন্তব্য কৰিছিল, অধ্যয়নত মগ্ন থকা অৱস্থাত এবাৰ ভূমিকম্প আহোতে লগুৱা ল'ৰাটোৱে গৰাকীৰ ওচৰলৈ গৈ ক'লে, "দেউতা, ভূমিকম্প আহিছে।" "যা, অলপ বহিবলৈ দে। মই গৈ আছোঁ।" যিজনে এইদৰে উত্তৰ দিছিল—তেৱেঁ হৈছে জ্ঞানলিপ্সু, অসাধৰণ প্ৰতিভাশালী ব্যক্তি, বিশ্ববিশ্ৰুত পণ্ডিত, মনীষী কৃষ্ণ কান্ত সন্দিকৈ।

"জ্ঞান-সাধনা হৈছে এটা ব্ৰত, সি জীৱনৰে এটা ৰূপ," "পাৰ্থিৱ খ্যাতি বায়ুৰ নিশ্বাস-প্ৰশ্বাসৰ বাহিৰে আন একো নহয়" এনে আদৰ্শৰে জীৱন অতিবাহিত কৰা সন্দিকৈক তেওঁৰ "কৃষ্ণ কান্ত সন্দিকৈৰ ৰচনা-সম্ভাৰ (১৯৮৪) শীৰ্ষক গ্ৰন্থৰ বাবে মৰণোত্তৰভাৱে ১৯৮৫ চনৰ সাহিত্য অকাডেমি বঁটাৰে সম্মানিত কৰা হৈছে। সন্দিকৈয়ে তেওঁৰ জীৱনৰ বিভিন্ন সময়ত লিখা (১) চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি, গ্ৰীক নাটকৰ গান আদি কুৰিটা প্ৰবন্ধ (২) অনৰেবল ডক্টৰ সতীশ চন্দ্ৰ বন্দোপাধ্যায় আৰু ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহাৰ দুখন জীৱনী মূলক ৰচনা (৩) সঙ্গীত অধ্যাপক লক্ষীৰাম বৰুৱা আৰু ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহাৰ দুটা অশ্ৰু-অঞ্জলি (৪) অসম সাহিত্য সভা আৰু অসম ছাত্ৰ সন্মিলনীৰ সভাপতিৰ অভিভাষণকে ধৰি চাৰিটা

ভাষণ (৫) ঋগবেদৰ তিৰোতা কবিসকলৰ বিষয়ে, অসমীয়া ন-লিখাৰুৰ মহাবিদ্যা আৰু চাৰিটা বিবিধ টোকা (৬) চন্দ্ৰকান্ত অভিধান আৰু ব্যাকৰণৰ বিষয়ে একাষাৰ শীৰ্ষক এখন শেষ চিঠি (৭) সৰস্বতীৰ বৰ, তামৰ গৰু আদি চাৰিখন শিশু উপযোগী ৰচনা (৮) শকুন্তলা নাটক, সপোনৰ সুৰ আদি চাৰিটা ভূমিকা (৯) আবেগ অন্তৰ, গৌৰী শংকৰ, আনন্দৰাম, দেৱী আসাম চাৰিটা কবিতা (১০) প্ৰতিমা বন্দনা আদি এঘাৰটা গান আদিয়ে গ্ৰন্থখনৰ সমল। ৰচনাবোৰ বিভিন্ন আলোচনীৰ পাতৰপৰা সংগ্ৰহ কৰা হৈছে আৰু ৰচনাবোৰৰসৈতে পাঠকৰ কমেহে পৰিচয় ঘটিছে। গ্ৰন্থখন সম্পাদনা কৰি এটা ডাঙৰ অভাৱ আৰু মহৎ কাম কৰিছে নীৰৱ সাহিত্য সাধক-যতীন্দ্ৰ নাথ গোস্বামীয়ে। গ্ৰন্থখন সম্পৰ্কত ডঃ নগেন শইকীয়াই লিখিছে, "পটুৱৈয়ে সহেজ ঢুকি নোপোৱাকৈ সিচঁৰিত হৈ থকা এমুঠি ৰচনাই এই পণ্ডিত গৰাকীৰ জ্ঞানৰ বিস্তৃতি আৰু গভীৰতা আভাস দিয়াঁৰ উপৰিও এই ৰচনাসমূহে অনেক বিষযত নতুন আলোকপাত কৰি গৈছে। তেখেতৰ দৃষ্টি আৰু ৰুচিৰ পৰিচয়ো ইবোৰৰ মাজত বিযপি আছে।"

পালি-প্ৰাকৃত আৰু সংস্কৃতৰ বিদগ্ধ পণ্ডিত, টীকাকাৰ, সমালোচক, কৃষ্ণকান্ত সন্দিকৈৰ আন তিনিখন মূল্যবান গ্ৰন্থ হৈছে — নৈষধ চৰিত, যশস্তিলক আৰু সেতুবন্ধ। ছাত্ৰাৱস্থাৰপৰাই সাহিত্য সেৱাত আগ্ৰহ থকা, আজীৱন সাহিত্য সাধক সন্দিকৈৰ প্ৰথম গ্ৰন্থখন হৈছে শ্ৰীহৰ্ষৰ সংস্কৃত মহাকাব্য 'নৈষধ চৰিত'ৰ (১৯৩৪) ইংৰাজী অনুবাদ। 'নল-দময়ন্তীৰ'ৰ কাহিনীৰ ভিত্তিত এই মহাকাব্য ৰচিত। যশস্তিলক' সন্দিকৈৰ দ্বিতীয় গ্ৰন্থ। গ্ৰন্থখনৰ মূল ৰচক দশম শতিকাৰ জৈন কবি সোমদেব। 'যশস্তিলক' আৰু ভাৰতীয় সংস্কৃতি' (১৯৪৯) নামৰ এই গ্ৰন্থখনত জৈন ধৰ্ম আৰু ভাৰতীয় সংস্কৃতিৰ গৱেষণামূলক আলোচনা দাঙি ধৰিছে। তেওঁৰ আনখন গ্ৰন্থ 'সেতুবন্ধ', পঞ্চম শতিকাৰ প্ৰবৰ সেন মহাকবি ৰচিত প্ৰাকৃত গ্ৰন্থ 'সেতুবন্ধ' ইংৰাজী অনুবাদ। ৰামায়ণৰ উত্তৰ ভাগৰ কথা বস্তুকলৈ এই গ্ৰন্থ ৰচিত হৈছে। সন্দিকৈৰ তিনিওখন গ্ৰন্থই জগতজোৰা খ্যাতিৰ অধিকাৰী হৈছে। তেওঁৰ ভালেমান মূল্যবান ইংৰাজী প্ৰবন্ধ সিচঁৰতি হৈ আছে।

উল্লেখ যে কলিকতাৰ পৰা লোহিতচন্দ্ৰ ভূঞাই প্ৰকাশ কৰা শিশু আলোচনী 'অৰুণ'ৰ সম্পাদনা বিভাগৰ লগতো তেওঁ ঘনিষ্ঠভাৱে জড়িত আছিল। তাত তেওঁ 'জীৱ-জন্তু নামে কিছুমান প্ৰবন্ধ লিখিছিল। সেই সময়ত তেওঁ বি-এ শ্ৰেণীৰ ছাত্ৰ আছিল।

সুপ্ৰসিদ্ধ সাতঘৰীয়া আহোমৰ সন্দিকৈ পৰিয়ালত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হয়, ১৮৯৮ চনৰ ২০ জুলাইত। পিতৃ দানবীৰ ৰাধাকান্ত সন্দিকৈ, মাতৃ নাৰায়ণী সন্দিকৈ। তেওঁ প্ৰাইমাৰী স্কুলত নপঢ়াকৈয়ে যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলত নাম লগায় আৰু তাৰপৰা ১৯১৩ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৫ চনত কটন

কলেজৰপৰা আই-এ আৰু ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত কলেজৰপৰা সংস্কৃত বি-এ আৰু ১৯১৯ চনত সংস্কৃতৰ বৈদিক শাখাত এম এ পাছ কৰে। ১৯২৩ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰপৰা আধুনিক বুৰঞ্জী বিষয়ত পুনৰ তেওঁ এম এ পাছ কৰে। তেওঁ পেৰিচ আৰু বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধীনত জাৰ্মান, ফৰাচী, ৰুচ, গ্ৰীক, লেটিন, ইটালিয়ান, স্পেনিচ আদি বিভিন্ন ভাষা অধ্যযন কৰিছিল আৰু সেইবোৰ ভাষাত ব্যুৎপত্তি লভিছিল। তেওঁ প্ৰায় ১৩টা ভাষা জানিছিল।

তেওঁ ফুলনিৰ বাগিচা পাতি আৰু ফুলনিৰ কণা ফুলৰ ঠাৰি পাত কাটি ফুলবোৰ আপডাল কৰি মনত পৰম তৃপ্তি পাইছিল। সন্দিকৈৰ সদায় সময়ৰ নাটনি আছিল কাৰণে, তেওঁ মানুহৰ লগত কথা পাতিব লাগিলেও প্ৰায়ে হাতৰ ঘড়ীটোলৈ চাইছিল। তেওঁৰ লগত কথা পাতিব লাগিলে কিমান সময় কথা পাতিব বা দেখা কৰিলেও আগধৰি জনাব লাগিছিল। এবাৰ এজন মন্ত্ৰীযে তেওঁক দেখা কৰিবলৈ আহি আগতীয়াকৈ নজনোৱাৰ কাৰণে সাক্ষাৎ নেপাই নিৰাশ হ'বলগীয়া হোৱাৰ দৃষ্টান্তও আছে। তেওঁ সদায় সময়ানুবৰ্তিতাত গুৰুত্ব দিছিল। তেওঁ দিনে কেইবাঘণ্টাও ধৰি অধ্যয়ন কৰিছিল। পঢ়ি থাকোতে কোনোদিনা ৰাতি তেওঁৰ দুই তিনিটাও বাজিছিল। ৰাতি বেছি সময়লৈকে পঢ়াৰ কাৰণত-খোৱা শোৱাৰ অনিয়ম হৈ স্বাস্থ্যৰ অৱনতি ঘটিছিল। তেওঁ নিজৰ স্বাস্থ্যলৈ লক্ষ্য কৰি, সময়ৰ সংকেতৰ বাবে শেষত ঘড়ীটোকে সদায় এক বা ডেৰ ঘণ্টা আগবঢ়াই ৰখা কৰিছিল।

তেওঁৰ পিন্ধা সাজ-পাৰ সাধাৰণ আছিল যদিও অতি পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল। বগা কাপোৰ পিন্ধি তেওঁ ভাল পাইছিল আৰু খুব পৰিপাটি আছিল। তেওঁ সকলো কাম পৰিকল্পনা মতেই সম্পাদনা কৰিছিল। তেওঁ তেওঁৰ লিখা-মেলাবিলাকত কাট-কুট নকৰাটো লক্ষণীয আছিল। তেওঁৰ জীৱন নীতি সম্বন্ধে আব্দুল ছাত্তাৰে তিনিষাৰ কথাৰ উল্লেখ কৰিছে — (১) তেওঁৰ সম্বন্ধে কোনেও একো নক'লেই আটাইতকৈ বেছি ভাল পায়। (২) নিন্দাবাদ কৰিলে তেওঁ তুচ্ছ জ্ঞান কৰে। (৩) অলপ বেছিকৈ প্ৰশংসা কৰিলে তেওঁ তোষামোদ কৰা বুলি ভাবে।

তেওঁ চাকৰি জীৱনত ১৯৩০ চনৰপৰা জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ আৰু ১৯৪৮ চনৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আছিল। তেওঁ ১৯৩৭ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতি আছিল। সেইদিনা তেওঁ সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, "ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ।

অভিজ্ঞতাৰ গাম্ভীৰ্য্য আৰু বৈচিত্ৰ নহলে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশৰ থল হৈছে সাহিত্য।" "অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হলেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলগ্ বা যাদুঘৰ নহয়। নিৰ্ব্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহাযেৰে অভিজ্ঞতাৰ কেঁচা সঁজুলি গটি-পিতি ললেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।"

অসম সাহিত্য সভাৰ উপৰিও তেওঁ আন ভালেমান ঐতিহ্যপূৰ্ণ অনুষ্ঠানত সভাপতিত্ব কৰিছিল। ১৯৫১ চনত লক্ষ্ণৌ বিশ্ববিদ্যালয় অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ প্ৰাচীন সংস্কৃত শাখাত তেওঁ সভাপতিত্ব কৰিছিল। ১৯৫২ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত বহা ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য আৰু প্ৰতিনিধিসকলৰ সভাত তেওঁ সভাপতিত্ব কৰে। ১৯৬১ চনত শ্ৰীনগৰত অনুষ্ঠিত সৰ্ব ভাৰতীয় প্ৰাচ্য সন্মিলনৰ তেওঁ সভাপতি নিৰ্বাচিত হৈছিল। ১৯২৯ চনত তেওঁ অসম ছাত্ৰ সন্মিলনৰ সভাপতি আছিল। ১৯৫৫ চনত তেওঁক ভাৰত চৰকাৰে 'পদ্মশ্ৰী' আৰু ১৯৬৭ চনত 'পদ্মভূষণ' উপাধি প্ৰদান কৰে। মহাৰাষ্ট্ৰৰ ডেক্কান কলেজে তেওঁক সন্মানিত ডি লিট আৰু তেওঁক অসম সাহিত্য সভাৰ তৰফৰ পৰাও 'সদস্য মহীয়ান' উপাধিৰে সন্মানিত কৰে। সন্দিকৈৰ বিশাল ব্যক্তিত্বৰ উপযুক্ত মূল্যায়ন কৰি আব্দুছ ছাত্তাৰে লিখিছে, "ব্যক্তিত্বত যিজন সুগভীৰ, চৰিত্ৰ যাৰ-সুনিৰ্মল, আদৰ্শ যাৰ জ্ঞান সাধনা প্ৰচাৰ বিমুখতা যিজনৰ জীৱনৰে বৈশিষ্ট্য, মতত যিজন সুদৃঢ়, জ্ঞান-লিপ্সা যাৰ অপূৰণীয় আৰু অতুলনীয়, যিজন পণ্ডিতৰ সমালোচনা স্পষ্ট আৰু বিচাৰ প্ৰণালী যুক্তি সংগত, অনুসন্ধিৎসা যিজনৰ জীৱনৰ ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিৱ খ্যাতিৰ প্ৰতি যিজন অনাসক্ত সেইজন অসাধাৰণ গৱেষক ব্যক্তিযেই হৈছে — কৃষ্ণ কান্ত সন্দিকৈ।"

তেওঁ কৈছে, "সাহিত্য আৰু সমাজ এটা ঘনিষ্ঠ সম্বন্ধত পৰস্পৰ সংশ্লিষ্ট হৈ আছে। সাহিত্যহীন সমাজ পঙ্গু আৰু বৰ্ব্বৰ আৰু সমাজ ৰ লগত সম্পৰ্ক নথকা সাহিত্য ক্ষীণ আৰু দুৰ্বল। উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱন-ব্যাপী সাধনা নহলে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়।"

অসমত দানবীৰ বুলি খ্যাতি থকা ৰাধাকান্ত সন্দিকৈৰ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈয়ো পিতাকৰ দৰে দানী বুলি যশস্যা আৰ্জিছে। তেওঁৰ এই দানে বিশেষকৈ অসমৰ সাংস্কৃতিক জীৱনলৈ গুৰুত্বপূৰ্ণ অৰিহণা দিছে। সন্দিকৈয়ে তেওঁৰ ব্যক্তিগত পুথিভঁৰালটোও গুৱাহাটী বিশ্ববিদ্যালয়লৈ উছৰ্গা কৰিছে।

ইংৰাজী, সংস্কৃত, পালি, প্ৰাকৃত ফ্ৰেন্স, জাৰ্মান, ইটালিয়ান, স্পেনিচ, লেটিন গ্ৰীক আৰু ৰাছিয়ান আদি প্ৰায় এঘাৰটা ভাষাৰ প্ৰায় তিনি লাখ টকাৰ কিতাপ তেওঁৰ পুথিভঁৰালত আছিল। ৫০ টা আলমাৰিত এইবোৰ কিতাপ তেওঁ যতনাই ৰাখিছিল।

লক্ষ্মী-সৰস্বতীৰ বৰপুত্ৰ সন্দিকৈৰ ১৯৮২ চনৰ ৭ জুনত দেহাৱসান ঘটাৰ লগে লগে বিশ্বই এক কিংবদন্তী পুৰুষক হেৰুৱালে। কবি নলিনীবালা দেৱীৰ ভাষাৰে-

"মহীয়ান দানবীৰ পিতৃৰ সন্তান।
নোহোৱা মাথোন তুমি অসমৰ গৌৰৱ
ভাৰতগৌৰৱ তুমি! বিশ্বৰ জ্ঞান মন্দিৰত।"
"হে ৰাজৰ্ষি, তোমাৰ নিভৃত জীৱনৰ
সাধনাৰ অভিনৱ পথে
সোঁৱৰাই অতীতৰ ঋষিৰ জীৱন।" ❐

ডঃ ময়িদুল ইছলাম বৰা

১৯৪০ চনৰ ডিচেম্বৰ মাহত যোৰহাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্টদশ অধিবেশনৰ সভাপতি আছিল ডঃ ময়িদুল ইছলাম বৰা। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "হিন্দু আৰু মুছলমান ভাৰতৰ সন্তান। আমি সদায় একেলগে আছোঁ আৰু থাকিব লাগিব, তেন্তে অনাহকতে এজনে আনজনৰ মনত কষ্ট দি কিয় ঘৃণাৰ ভাব সৃষ্টি কৰোঁ? আমাৰ ভিতৰত মিলা-প্ৰীতিৰ ভাব স্থাপন কৰিম আৰু প্ৰত্যেকক নিজ ধৰ্ম্ম আৰু সমাজৰ নিয়ম পালি চলিবলৈ দিম বুলি যদি প্ৰত্যেক মানুহে মনত বান্ধি লৈ কাৰ্য্যত পৰিণত কৰি দেখুৱায় আৰু সাহিত্যিকসকলে এই বাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰে, তেন্তে বৰ্তমান সাম্প্ৰদায়িক সমস্যা পানীত ঔটেঙা উটি যোৱাদি উটি গৈ বঙ্গ সাগৰত লয় পাবগৈ।" "স্বদেশ প্ৰেম কোনো বিশেষ সম্প্ৰদায়ৰ শ্ৰেণী বা ব্যক্তিৰ একচেটিয়া সম্পত্তি নহয়। ই কোনো সীমাৰ ভিতৰত আবদ্ধ নাথাকে। প্ৰত্যেক ব্যক্তি আৰু প্ৰত্যেক সম্প্ৰদায়ে নিজ নিজ শক্তি অনুসাৰে দেশৰ উন্নতিৰ কাৰণে কাৰ্য্য কৰিব পাৰে। ইয়াত মতভেদ বা বিভিন্ন কাৰ্য্য-প্ৰণালী থাকিব পাৰে, কিন্তু কাম্য উদ্দেশ্য সকলোৰে এক।" তেওঁ আৰু কৈছিল, "যি আদৰ্শই মানুহৰ মনত উচ্চ আশা, আত্ম-গৌৰৱ, আত্ম-সম্মান, সৎসাহ, অপৰাজিতা উদ্যম, আনন্দ আৰু সুখৰ সৃষ্টি কৰে, সেই আদৰ্শহে আমি প্ৰচাৰ কৰা উচিত।"

মফিদুল ইছলাম বৰাৰ জন্ম হয় ১৮৯৯ চনত, শিৱসাগৰ চহৰত (ৰংপুৰ নগৰ)। তেওঁৰ জন্ম হয় এটি সম্ভ্ৰান্ত মুছলমান পৰিয়ালত। তেওঁৰ পিতাকৰ নাম মৰহুম মৌলবী মেহেৰুদ্দিন বৰা। তেওঁলোকৰ পূৰ্বপুৰুষে আহোম ৰজা ঘৰৰপৰা বৰা বিষয়া পদ লাভ কৰিছিল।

সৰুতে তেওঁৰ পিতাক ঢুকায়। পিতাকক হেৰুৱায় তেওঁ বৰ অসহায়বোধ কৰে। কিন্তু ককায়েকৰ যত্নত তেওঁ ডাঙৰ-দীঘল হয় আৰু আৰু পঢ়া-শুনা কৰে। তেওঁ পঢ়াশলীয়া জীৱন শিৱসাগৰতে আৰম্ভ কৰে। ১৯১৭ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা তেওঁ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তেওঁ কলেজীয়া শিক্ষা আৰম্ভ কৰে কটন মহাবিদ্যালয়ত। ১৯১৯ চনত তেওঁ প্ৰথম বিভাগত আই- এ পৰীক্ষা পাছ কৰে। এই পৰীক্ষাত তেওঁ এটি কুৰিটকীয়া জলপানীও লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯২১ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৩ চনত তেওঁ ঢাকা বিশ্ববিদ্যালয়ৰপৰা এম এ পাছ কৰে। এই পৰীক্ষাত তেওঁ ফাৰ্চী সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম হয়। তাৰপিছত তেওঁ ঢাকা মহাবিদ্যালয়ত সহকাৰী অধ্যাপক ৰূপে নিযুক্ত হয়। ১৯২৯ চনত তেওঁ বিলাতলৈ যায়। ১৯৩০ চনত তেওঁ লণ্ডনৰ স্কুল অৱ অৰিয়েণ্টাল এণ্ড আফ্ৰিকান ষ্টাডিজত গৱেষণা কৰি পি এইচ ডি উপাধি লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল দিল্লীৰ ফাৰ্চী কবি আমীৰ হাছানৰ জীৱন আৰু কাৰ্য্যাৱলী। উল্লেখ্য যে, লণ্ডনৰপৰা 'ডক্টৰেট' উপাধি লাভ কৰা তেঁৱে প্ৰথম অসমীয়া। মীৰ্জা নাথনে ফাৰ্চী ভাষাত লিখা "বাহাৰিস্তান-ই- ঘায়েমী' (Baha-ristan-i-Ghaybi)" গ্ৰন্থখন তেওঁ ইংৰাজীলৈ ভাঙনি কৰিছিল। তেওঁ '১৭ শতিকাৰ অসমীয়া ৰণবল'কে ধৰি কেইবাটাও মূল্যবান প্ৰবন্ধ ৰচনা কৰিছিল। তেওঁ ৰচনা কৰা ইংৰাজী পাঠ্যপুথি দুখন হ'ল- My first Reader আৰু My Second Reader ১৯৩৪ চনত যোৰহাটত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্মিলনৰ অষ্টাদশ অধিবেশনৰ তেওঁ সভাপতি আছিল। যোৰহাটত অনুষ্ঠিত হোৱা বাণী-সন্মিলনৰ বহাগী অধিবেশনত তেওঁ সভাপতিত্ব কৰে। ১৯৩৫ চনত কটন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিভা দেৱী সোঁৱৰণী বক্তৃতা অনুষ্ঠানত তেওঁ মুছলমান বুৰঞ্জীবিদৰ ৰচনাত অসম বুৰঞ্জীৰ সমল সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। তেওঁ ঢাকাত থকা কালত এ এছ এল ক্লাবৰ লগত জড়িত আছিল।

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৪৪ চনৰ ৫ মেত, লক্ষ্ণৌ চহৰত। □

নীলমণি ফুকন

"সময়ৰ টিকনিডাল হেনো আগফালে। কাজেই সময়তকৈ দুখোজ সদায় আগবাঢ়ি যাব নোৱাৰিলে, সময়ে পাখি লগা কাঁড়ৰ দৰে উৰা মাৰিব খুজিলে পাছফালৰপৰা সেই টিকনিত ধৰি ৰখা টান হয়। এই কাৰণেই জ্ঞানী আৰু কৰ্মীলোকে নিৰ্দ্ধাৰিত সময়ৰ দুই-চাৰি মিনিট আগেয়ে হ'লেও প্ৰস্তুত থাকে। ইস চকুৰ আগতেই ৰেলখন এৰিলে বুলি আধা মিনিট সময় বেলি কৰি দিনটো ষ্টেশ্যনত বৈ থাকিবলগীয়া হোৱা ঘটনাও নঘটা নহয়। নিৰ্দ্ধাৰিত সময়ত উপস্থিত হ'ব নোৱাৰাত অৰ্থ-হানি, মনস্তাপ হোৱা দৃষ্টান্তও পোৱা যায়। পাছৰ পৰা বল দিয়া সেনা গৈ পোৱা পাঁচ মিনিট পলম হোৱা বাবেই দিগ্বিজয়ী নেপোলিয়নে বাটাৰ্লু যুদ্ধত ঘাটিল বুলি কোৱা হৈছে। যুদ্ধ-বিগ্ৰহত সময়ৰ মূল্য দিহে জয়ী হ'ব পাৰি, এই কথা ভালদৰে হৃদয়গম কৰি লাচিতে মোমায়েকৰ মূৰটো কাটিও কাৰ্য-সিদ্ধি কৰিছিল। সেই কথা বুজিছিল বাবে লাচিত আজি মহাবীৰ।"

সময়ৰ এই শিকনি দিয়া, বিশিষ্ট সাহিত্যিকগৰাকীযে নীলমণি ফুকন।

নীলমণি ফুকনৰ জন্ম হয় ১৮৮০ চনৰ ২২ জুনত, ডিব্ৰুগড়ত। তেওঁৰ পিতাকৰ নাম লম্বোদৰ খাৰঘৰীয়া ফুকন আৰু মাকৰ নাম চন্দ্ৰাৱলী ফুকননী। তেওঁলোকৰ আদি পুৰুষ গৌড়ধ্বজ। গৌড়ধ্বজ কনৌজৰ লোক। ১৫৩২ চনত গৌড়ৰ নবাবৰ সেনাপতি তুৰ্বকে দ্বিতীয়বাৰ অসম আক্ৰমণ কৰিছিল। সেই সময়ত আহোম ৰজা আছিল চুহুংমুং।

এই তুৰ্বকৰ লগতে ক্ষত্ৰিয় সেনাপতি গৌড়ধ্বজো আহিছিল। ৰণত আহোমৰ হাতত তুৰ্বকৰ মৃত্যু হয়। পিছত দুয়ো পক্ষৰ মাজত সন্ধি স্থাপন হয়। এই সন্ধি স্থাপন কৰাৰ ক্ষেত্ৰত গৌড়ধ্বজে আগভাগ লোৱা কাৰণে তেওঁৰ ওপৰত সন্তুষ্ট হৈ চুহুংমুং ৰজাই গৌড়ধ্বজক মাটি-বাৰী দান কৰি বস-বাস কৰাৰ সুবিধা দিয়ে। পিছত এই বংশই দুৱৰা কাকতী বংশ ৰূপে জনাজাত হয়। স্বৰ্গদেও গৌৰীনাথ সিংহৰ দিনত গৌড়ধ্বজ বংশৰ ঘনশ্যামৰ বুদ্ধিমত্তা দেখি, স্বৰ্গদেৱে তেওঁক খাৰঘৰীয়া ফুকনৰ বাব দিয়ে। তেতিয়াৰপৰা এই বংশ খাৰঘৰীযা ফুকনৰ বংশ বুলি জনাজাত হয়। ঘনশ্যাম খাৰঘৰীযা ফুকনৰ তিনিজন পুত্ৰ। তেওঁলোক হ'ল- গংগাধৰ, বগাধৰ আৰু লম্বোধৰ। লম্বোদৰ খাৰঘৰীযা ফুকনৰ দ্বিতীয় পুত্ৰ নীলমণি ফুকন।

নীলমণি ফুকনৰ সৰু কালৰ শিক্ষা ডিব্ৰুগড়ত আৰম্ভ হয। সেই সময়ৰ অসমীযা ভাষাৰ প্ৰচলন নথকা বাবে, তেওঁ বঙালী ভাষাৰ স্কুলত পঢ়িব লগা হয। ১৮৯৩ চনত তেওঁ ছাত্ৰ বৃত্তি স্কুল পাছ হয়। ১৯০০ চনত তেওঁ ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয। সেই সময়ত অসমত মহাবিদ্যালয নোহোৱা বাবে, তেওঁ কলিকতালৈ যায আৰু তাৰে প্ৰেচিডেন্সী মহাবিদ্যালযত নাম লিখে। কিন্তু গুৱাহাটীত কটন মহাবিদ্যালয় স্থাপন হোৱাত, তেওঁ গুৱাহাটীলৈ আহি কটন মহাবিদ্যালযত পঢ়িবলৈ লয। ইয়াৰ পৰা তেওঁ ১৯০৫ চনত এফ এ পাছ কৰে। ১৯০৭ চনত তেওঁ কোচবিহাৰৰ ভিক্টোৰীয়া মহাবিদ্যালযৰপৰা বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কলিকতাত দুবছৰ আইনো পঢ়িবলৈ লৈছিল। কিন্তু তেওঁ সেই শিক্ষা শেষ নকৰাকৈ ঘৰলৈ উভতি আহে আৰু ডিব্ৰুগড়ত নকৈ স্থাপন হোৱা জৰ্জ ইনষ্টিটিউচনৰ প্ৰধান শিক্ষকৰূপে যোগদান কৰে। এই বিদ্যালযখন ঠন ধৰাই তুলিবলৈ তেওঁ অশেষ ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। ১৯১১ চনৰপৰা ১৯২৮ চনলৈ তেওঁ এই বিদ্যালয়ত কাম কৰে। এই সময়ছোৱাতে তেওঁ ডিব্ৰুগড়ত 'নীলমণি চাহ বাগিচা' নাম দি চাহ বাগিচা এখন আৰম্ভ কৰে। ১৯২২ চনৰপৰা ১৯২৭ চনলৈ তেওঁ স্বতন্ত্ৰভাবে অসম ব্যৱস্থাপক সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৩৫ চনত তেওঁ কংগ্ৰেছ দলত সোমায। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰি তেওঁ কাৰাবৰণ খাটিব লগীযা হয। ১৯৪৮-১৯৫২ আৰু ১৯৫২-১৯৫৭ চনত তেওঁ কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয।

ফুকনে সংবাদ জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। ফুকনে ১৯৩০ চনত যোৰহাটৰপৰা 'বাতৰি' নামেৰে এখন সাপ্তাহিক বাতৰি কাকত প্ৰকাশ কৰে। ১৯৩৫ চনৰ ১২ আগষ্টৰপৰা এই কাকতখন 'দৈনিক বাতৰি' ৰূপে প্ৰকাশ কৰে। এই কাকত

১৯৩৭ চনলৈ চলে। ১৯৩৪ চনত তেওঁ 'ন-জোন' নামেৰে এখন মাহেকীয়া আলোচনীও প্ৰকাশ কৰিছিল। ডিব্ৰুগড়ৰপৰা প্ৰকাশিত 'আলোচনী' কাকতৰো তেওঁ সম্পাদক আছিল।

নীলমণি ফুকন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত আছিল। তেওঁ সমাজৰপৰা মদ, ভাং আৰু চিগাৰেট খোৱা বন্ধ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁ সদৌ অসম হাইস্কুল শিক্ষক সন্মিলন, সদৌ অসম কৃষক সন্মিলন, সদৌ অসম কৈবৰ্ত্ত সন্মিলনৰ গুৰি ধৰিছিল আৰু এইবোৰ অনুষ্ঠানৰ তেওঁ সভাপতিও আছিল। তেওঁ সাহিত্য অকাডেমী ঢাকা বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয, বৃন্দাবন বৈষ্ণৱ, বিশ্ববিদ্যালয় আদি কোৰ্টৰ সদস্য আছিল। ফুকন 'সংৰক্ষিনী সভা' লগত জড়িত আছিল।

১৯৬৮ চনত তেওঁ এফ্ৰ'এচিযান সন্মিনলনতো আংশ গ্ৰহণ কৰে। ১৯৭২ চনত তেওঁক সাহিত্য অকাডেমীযে 'সদস্য মহত্বম' উপাধিৰে বিভূষিত কৰে। ১৯৭৬ চনত তেওঁক গুৱাহাটী বিশ্ববিদ্যালয়ে ডি লিট উপাধিৰে সন্মানিত কৰে। অসম চৰকাৰৰ পৰা তেওঁ সাহিত্যিক পেন্সন লাভ কৰে। তেওঁ ৰাজনৈতিক পেন্সনো লাভ কৰে। ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত কৰে। নলবাৰী সংস্কৃত সঞ্জীৱনী সভাই তেওঁক 'সাহিত্য-ৰত্ন' সন্মান প্ৰদান কৰে। অসম সাহিত্য সভাই তেওঁক 'বাগ্মীবৰ' উপাধি দিয়ে। গুৱাহাটী 'শংকৰ কৃষ্টি বিকাশ সংঘ'ই তেওঁক 'সন্মানিত সদস্য' উপাধি দিছিল। জীৱিত নেতাসকলৰ ভিতৰত তেওঁ বযসত আটাইতকৈ ডাঙৰ আছিল বাবে সকলোৱে তেওঁক 'ককা' সম্বোধন কৰিছিল। ১৯৭৭ চনত তেওঁক অসম সাহিত্য সভাৰ হীৰক জয়ন্তী অধিবেশনত সম্বৰ্দ্ধনা জনোৱা হয। ১৯৬৯ চনত তেওঁ বাৰ্লিনত অনুষ্ঠিত বিশ্ব শান্তি পৰিষদত যোগদান কৰিছিল।

নীলমণি ফুকন অসমীয়া ভাষা-সাহিত্যৰ এজন নিষ্ঠাবান সাধক আছিল। তেওঁ এগৰাকী কবি আৰু প্ৰখ্যাত কথা-শিল্প। তেওঁৰ প্ৰকাশিত কবিতা পুথি— জ্যোতিকণা (১৯৩৮), জিঞ্জিৰি (১৯৩৮), গুটিমালী (১৯৫০), অমিত্ৰা (১৯৫২), সন্ধানী (১৯৫৩), আহুতি (১৯৬১), মৰ্মবাণী (১৯৬২), তৰুণ অসম (১৯৬৫), মৰা ডালত কুঁহিপাত (১৯৬৫), মানস প্ৰতিমা (১৯৭২), মানসী (১৯৮৩) আদি। গদ্য বিষয়ক — সাহিত্য-কলা (১৯৪০), চিন্তামণি (১৯৪২), জয়াতীৰ্থ (১৯৪১), মহাপুৰুষীয়া ধৰ্ম (১৯৫২), কীৰ্তনৰ লৱণু (১৯৭৩), জগতগুৰু শ্ৰীমন্ত শংকৰৰ ভক্তিমাৰ্গ দৰ্শন আদি। তেওঁৰ সম্পাদকীয় প্ৰবন্ধৰ সংকলন— "বাতৰিৰ বিভূতি'।

নীলমণি ফুকন অসম সাহিত্য সভাৰ জন্মলগ্নৰে পৰা জড়িত আছিল। ১৯১৭ চনত যোৰহাটত অনুষ্ঠিত এই প্ৰথম অধিবেশনখনত তেওঁ কাৰ্য্যকৰী সমিতিৰ এগৰাকী সদস্য আছিল। দুই-এখনৰ বাদে, তেওঁ অসম সাহিত্য সভাৰ প্ৰতিখন অধিবেশনতে

উপস্থিত আছিল। ১৯৪৪ চনৰ অক্টোবৰ মাহত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ঊনবিংশ অধিবেশন আৰু ১৯৪৭ চনৰ ৪, ৫, আৰু ৬ এপ্ৰিলত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা বিংশ অধিবেশনৰ নীলমণি ফুকন সভাপতি আছিল। ঊনবিংশ অধিবেশনৰ সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "মানুহে হাতে ঢুকি পোৱা শিকলিডালকৈ মনে ঢুকি পোৱা মধ্যাকৰ্ষণ শক্তিৰ কঠিনতা কম অনুভৱ নকৰে। যিটো প্ৰেৰণাই মানুহক সভ্যতা সৃষ্টি কৰিবলৈ উদগালে, সেই সভ্যতাৰ পৰিপুষ্টিৰ বাবেই সাহিত্য শিল্প-কলাৰ সৃষ্টি হ'ল। সেই কাৰণেই, সাহিত্য কলাই সভ্যতাৰ ঘাই ভেঁটি। এই ভেঁটিৰ ওপৰতে সভ্যতা থিয় হৈ আছে। ভৰি থোৱা মাটিৰপৰা মনে ঢুকি নোপোৱা আকাশৰ গ্ৰহ-নক্ষত্ৰলৈকে যদি সভ্যতাৰ বিস্তাৰ ভূমি, তেন্তে-ভৰিৰ ধূলি-মাকতিৰপৰা আকাশৰ উজ্জ্বল তৰালৈকে সাহিত্যৰ বিষয়-বস্তু হ'ব পাৰে, অৰ্থাৎ গোচৰীভূত নোহোৱা কোনো বিষয়-বস্তু সৃষ্টিৰ মাজত দেখিবলৈ পোৱা নাযায়।" বিংশ অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "যেতিয়া ভাষাৰ ভেঁটিতেই সংযুক্ত স্বাধীন ভাৰতৰ প্ৰাদেশিক ৰাষ্ট্ৰবিলাক গঠন কৰা হ'ব, সৰ্বভাৰতীয় ৰাষ্ট্ৰভাষা হিন্দুস্তানী হোৱাৰ দৰে, প্ৰাদেশিক ৰাষ্ট্ৰভাষাও যেতিয়া সেই প্ৰদেশৰ মাতৃ ভাষাই হ'ব, এতিয়া প্ৰাদেশিক ভাষা আৰু সাহিত্যৰ ঠাই আৰু আহল-বহল হ'ব লাগিব। এতিয়া অসমীয়া ভাষা খিলঞ্জীয়া, সাতামপুৰুষীয়া অসমীয়া মানুহেই হৈ থাকিব নোৱাৰিব। অসমত স্থায়ী ভাবে বসবাস কৰা পমুৱা বনুৱা আদি লোকসকল, বেহা-বেপাৰ, চাকৰি-বাকৰি কৰা লোকেও দাঁতি কাষৰীয়া উপজাতি সকলেও অসমীয়া ভাষা ৰাষ্ট্ৰভাষা হিচাপে শিকিবই লাগিব।"

তেওঁ চিৰকুমাৰ আছিল।

১৯৭৮ চনৰ ২০ জানুৱাৰীত তেওঁ নশ্বৰ দেহ ত্যাগ কৰে। ❑

অম্বিকাগিৰী ৰায়চৌধুৰী



অসমীয়া জাতিৰ ন্যায্য স্বাৰ্থ, বিপন্ন হোৱা অস্তিত্ব-সংহতি, সাংস্কৃতিক পুনৰুজ্জীৱন তথা নিজৰ কৰ্তব্যনিষ্ঠাৰ প্ৰতি ডেকা শক্তিক উদাত্ত কণ্ঠেৰে আহ্বান জনাই সদাসৰ্ব্বদা সজাগ কৰি ৰাখিব বিচৰা সাহিত্যিক গৰাকী অম্বিকাগিৰী ৰায়চৌধুৰী। তেওঁ একাধাৰে কবি, প্ৰবন্ধকাৰ, সাংবাদিক, নাট্যকাৰ, সংগীতজ্ঞ, সুৰশিল্পী, সমাজ সংস্কাৰক জাতীয় বীৰ। তেওঁৰ কথা-কাম, সাহিত্যৰ চিন্তাধাৰাৰ মাজত সদায় জাতীয় চেতনা আৰু দেশপ্ৰেমবোধৰ ভাব পৰিলক্ষিত হয়। অম্বিকাগিৰীয়ে সদায় আমাৰ জাতিৰ কাণ্ডাৰীৰূপে থিয় হৈছিল। তেওঁ আছিল সাহস, ত্যাগ, ধৈৰ্য্য, বীৰত্ব সত্য, কৰ্মপ্ৰেৰণাৰ প্ৰতীক। যাৰ বাবে তেওঁ আখ্যায়িত কৰা হৈছিল 'অসম কেশৰী বা অসম সিংহ'ৰূপে।

বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তি অম্বিকাগিৰীয়ে অসমীয়া সাহিত্যলৈ আগবঢোৱা তেওঁৰ অৰিহণাসমূহ হ'ল— তুমি (১৯১৬), বীণা (১৯১৬), স্থাপন কৰ স্থাপন কৰ (১৯৫৮), বন্দো কি ছন্দেৰে (১৯৫৮), বেদনাৰ উল্কা (১৯৬৪) দেশেই ভগৱান (১৯৬৫) আদি।

তেওঁ 'বেদনাৰ উল্কা' কাব্য গ্ৰন্থখনৰ বাবে ১৯৬৬ চনৰ সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। তেওঁৰ মৃত্যুৰ পিছতহে এই বঁটা ঘোষিত হৈছিল। 'বেদনাৰ উল্কা'ত ৪৭

টা কবিতা সন্নিবিষ্ট হৈছে আৰু তাৰ সৰহভাগ কবিতাই কবিৰ বৃদ্ধ বয়সৰ ৰচনা। অসমৰ সাহিত্য- সংস্কৃতি, ৰাজনীতি অৰ্থনীতি আদিৰ পঁযা লগা ৰূপটোক অগ্নিস্ফুলিংগ বীজ মন্ত্ৰৰে জাগ্ৰত কৰি তুলি তাক কৰ্মবিমুখিতা কৰাই যেন 'বেদনাৰ উল্কা'ৰ অন্তৰ্নিহিত আদৰ্শ। কবিগৰাকীয়ে নিজে লিখিছে, 'উল্কা যি, সি উল্কাই—বেদনাৰে হওক বা নিৰ্বেদনাৰেই হওক। তাত জুই ছাই দুয়োটা থাকে। কিন্তু উত্তাপ দুয়োটাই বহন কৰে। যি প্ৰাণৱন্ত তাৰ গাত উত্তাপৰ চেঙা লাগিব—যি অপ্ৰাণৱন্ত তাক সকলোৱে খলা নলা, বাট ঘাট সকলোতে দেখিয়েই আছোঁ। লিখাবিলাক বিষয় আৰু স্তৱকত সজাই দিয়া হোৱা নাই। উল্কা কোনো স্তৱক গাঁথি নপৰে। ভিতৰৰ শক্তি উহ আৰু বাহিৰৰ বা-মাৰলিয়ে তাৰ গতি স্থিতি নিৰ্ণয় কৰে। চিটিছিন হই পৰি থকা, লিখাবিলাক বুটলি কোঁচাই যেনে-তেনেকৈ দিয়া হ'ল।' এই গ্ৰন্থখন সম্পৰ্কত ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে—'এহাতে সময়োপযোগী আনহাতে সৰ্বকালৰ বাবে এক সুস্থ আবেদন 'বেদনাৰ উল্কা'ত মূৰ্ত হৈ আছে।' তেওঁ 'বেদনাৰ উল্কাত' আমাক কৰ্মৰ বাণী দিছে এনেদৰে—

'কামেই ধৰ্ম, কামেই জীৱন,
কামেই কবিতা, শিল্প, কলা
কাম বিহনে জীৱন-জেউতি
ৰস-ৰূপ গোন্ধ-শূন্য-সোলা।
কামৰ ফিৰিঙতি যিটো
জ্বলে আলোক-শিখা ঢউ,
জাতিষ্মাৰ হই তাতহে জমে
জীৱন-জেউতি অমিয় ম'উ।' (কামেই জীৱন)

'কৰ কৰ কাম, ধৰ ধৰ কাম, কেৱল কাম কেৱল কাম—
কামৰ সোঁতত ৰাখ নিগমন দেহ মন প্ৰাণ অবিৰাম—
(কৰ্ম গীতিকা)

সমাজৰ অন্যায়-অনীতিত তেওঁ বেদনাক্লিষ্ট হৈ কৈছে—

'বুকু আছে, হৃদয় নাই,
হৃদয় আছে, মহত্ব নাই—'
'এইতো নহয় আত্মাবাদী নৱ-জীৱনৰ আচল ৰূপ
কলুষ এৰি জীৱন ধামত জ্বলোৱা নিকাৰ আলোক ধূপ।'
(আকাৰ আছে-মানুহ নাই)

তেওঁ মানুহ, মানুহ হোৱা বিচাৰে—
মানুহ হ'—মানুহ হ'—

কথাই কামে, চিন্তা ভাৱে , সাজে-কাছে মানুহ হ'
মানুহ যদি নোবাৰ হব, বাঘ নহবি শগুণ হ'—
(মানুহ হ'—মানুহ হ'—)

'বন্দো কি ছন্দেৰে' কবিতা গ্ৰন্থৰ কবিতামালাৰ দ্বাৰা তেওঁ আমাক স্বদেশ প্ৰেমেৰে উদ্বুদ্ধ কৰিছে, দেশপ্ৰেমেৰে চৌৱাইছে 'স্থাপন কৰ স্থাপন কৰ' ৰ মাজেৰে। এই কবিতাসমূহৰ মাজত কবিৰ তীব্ৰ জাতীয়তাবোধ আৰু আধ্যাত্মিক সুৰো বাজি উঠিছে। 'তুমি' আৰু 'বীণা'ত কবিৰ অতীন্দ্ৰিযবাদৰ মৃদু সুৰৰ ঝংকাৰ ভাহি উঠিছে। তেওঁ 'আহুতি' আৰু 'ডেকা-ডেকেৰীৰ বেদ' নামৰ দুখন প্ৰবন্ধ সংকলন প্ৰকাশ কৰিছে। এই প্ৰবন্ধবোৰৰ মাজেৰেও তেওঁ আমাৰ অবক্ষয় হোৱা সমাজ-সংস্কৃতি, অৰ্থনীতি, ভাষা, ধৰ্মৰ জটিল বিষয়বোৰ উপস্থাপন কৰি তাৰ বাণী শুনাইছে।

অম্বিকাগিৰীয়ে বাৰ বছৰতে 'বন্দিনী ভাৰত মাতা' নাটক লিখি অভিনয কৰিছিল। অসমীয়া ভাষাত নাটকৰ অভাৱ দূৰ কৰিবলৈ তেওঁ লিখিছিল— 'জযদ্ৰথ বধ', 'ভক্ত গৌৰব' আৰু 'কল্যাণমযী' নাটক। অকল সেযে নহয়, 'সনাতন সংগীত সমাজ' গঠন কৰি নাটবোৰ অভিনয় কৰি দেখুৱাইছিল। 'বন্দিনী ভাৰত মাতা' গুৱাহাটীৰ কটন কলেজিযেটত অভিহীত হোৱাত পুলিচে নাটখন বাজেযাপ্ত কৰিছিল।

অম্বিকাগিৰীয়ে দুখন আলোচনীও সম্পাদনা কৰিছিল। 'চেতনা' আৰু 'ডেকা অসম'। এই আলোচনীয়ে এচাম সাহিত্যিক গঢ়াৰ লগতে অসমৰ ৰাজনীতি অৰ্থনীতি, সাহিত্য-সংস্কৃতিৰ ভাঙি পৰা দিশটোৰ নেতৃত্ব দিছিল। এই আলোচনী ছপা কৰাৰ কাৰণে তেওঁ 'অৰুণা' নামৰ এটা প্ৰেছ প্ৰতিষ্ঠা কৰিছিল।

তেওঁ ভাৰতৰ অসহযোগ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। এই আন্দোলনত অংশ গ্ৰহণ কৰা বাবে তেওঁ জেললৈ যাবলগীয়া হৈছিল। এই সময়ছোৱাত তেওঁ স্বদেশ প্ৰেমমূলক ভালেখিনি কবিতা ৰচিছিল। এই কবিতাখিনি ডঃ বাণী কান্ত কাকতি আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই 'Songs of the Cell' (১৯৪২) নামে ইংৰাজী ভাঙনি কৰে।

১৯২৬ চনত তেওঁ 'অসমীযা সংৰক্ষণী সভা' প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ স্বাৰ্থৰ হকে যুঁজ দিছিল। 'অসমখন গেল গেল, কিবা এটা কৰ।' বুলি সেই মঞ্চৰ পৰা যেন এই উদাত্ত আহ্বান শুনাইছিল। ১৯৩২ চনত ই 'অসম জাতীয় মহাসভা'লৈ পৰিবৰ্তিত হৈছিল। এই জাতীয় মহাসভাই ভাৰত চৰকাৰে জাপি দিয়া গ্ৰুপিঙৰ তীব্ৰ বিৰোধিতা কৰিছিল।

১৯৬৫০ চনৰ মাৰ্চ মাহত মাৰ্ঘেৰিতাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ একবিংশতিতম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ

কৈছিল— 'সাহিত্যটো সাহিত্যকাৰৰ জীৱনৰ প্ৰতিবিম্ব। জীৱনটোৰ যেনে ৰূপ, তেনে প্ৰতিবিম্ব লৈয়ে সাহিত্যই জন্ম লাভ কৰে।' 'ভাষা- সংস্কৃতিৰ সমাজ অৰ্থনীতিৰ ঘোৰ দুৰ্দিনত কঠোৰ সেৱাব্ৰতেৰে কৰ্মক্ষেত্ৰত জপিযাই পৰক, যাওক, এনে সেৱাব্ৰতী শৃংখলিত এদল আমাৰ পৰ্বতীয়া ভাইসকলৰ ঘৰে ঘৰে, যাওক এদল থকা মিলা খোৱা লোৱাত, অনভিজ্ঞ অশিক্ষিত, এন্ধাৰত পৰি থকা প্ৰত্যেকখন গাঁৱৰ চোতালে পদুলীয়ে, যাওক এদল পতিত হৈ পৰি থকা মাটি কেইডুখুৰিলৈ। পৰ্বতীযা অসমীয়াসকলক নিজৰ বুকুলৈ টানি আনক, গাঁৱলীযাসকলৰ মনত শিক্ষাৰে জাতীয় চেতনা জগাই তোলক—নিজ দেশৰ মাটিখিনিৰ লগত, নিজ দেশৰ ভাই-ভনীকিটিৰ নাড়ীৰ সম্বন্ধ স্থাপন কৰি একাগ্ৰতাৰে বিৰাট সাহিত্য সৃষ্টি কৰক- হাট বজাৰৰ বেহা বেপাৰ হাতত লওক—মাটি কেডুখৰিত খেতি কৰি অপৰ্য্যাপ্ত খাদ্য শস্য উৎপন্ন কৰক—অসমীয়া সাহিত্যৰ বিৰাট স্ফুৰণ ঘটাই তোলাৰ পথ বিৰাটভাৱে মুকলি কৰক।'

অম্বিকাগিৰীৰ জন্ম ১৮৮৫ চনৰ ডিচেম্বৰত, বৰপেটাৰ বিখ্যাত ৰায়চৌধুৰী পৰিয়ালত। তেওঁৰ পিতৃ কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃ দৈৱকী দেৱী। অম্বিকাগিৰী সাত বছৰতে পিতাক ঢুকায়। তেওঁ মোমাযেকৰ ঘৰত থাকি প্ৰাথমিক স্কুল পাছ কৰোঁতে বৃত্তি লাভ কৰিছিল। তাৰ পিছত তেওঁ গুৱাহাটীলৈ আহি সম্বন্ধীয় ককাই হৰমোহন চৌধুৰীৰ আশ্ৰয়ত থাকি সোণাৰাম হাইস্কুলত পঢ়ে। তেওঁ অষ্টমমান শ্ৰেণীলৈ পঢ়ি, স্বদেশী আন্দোলনত জপিয়াই পৰিছিল। তেওঁ কিছুদিন শিক্ষকতা কৰাৰ উপৰিও পুলিচ অফিচত টাইপিষ্টৰ কামত সোমাইছিল। তদুপৰি 'কামৰূপ মায়াবিনি কেমিকেল ৱাৰ্কছ' নামেৰে এটি প্ৰতিষ্ঠান আৰম্ভ কৰি তাত 'অসম ইংক', চেনেহী চিয়াঁহী', জয়মতী স্নো', 'জিলিকনি' (জোতাৰ ৰং) আৰু 'মায়াবিনী (তেল) প্ৰস্তুত কৰি স্বাবলম্বী জীৱন কটাই সেই আদৰ্শৰে দহে অনুপ্ৰাণিত হোৱাটোও তেওঁ কামনা কৰিছিল।

১৯৬৭ চনৰ ২ জানুৱাৰীত তেওঁৰ পৰলোকপ্ৰাপ্তি হয়।

অম্বিকাগিৰী আজি আমাৰ মাজত নাই সঁচা, কিন্তু চাৰিওফালে দেখো শুনো কেৱল— তেওঁৰে বাণী—

'তই ভাঙিব লাগিব শিল,
সহিব লাগিব কিল,
নোৱাৰো বুলিলে নহ'ব যে ভাই
টিলতে পৰিল টিল।'
'ধৰ মাড ধৰ ভাই, আৰু চাবৰ সময় নাই,
চাই থাকোঁতে মুখত তোৰ, ভৰিল কাজল চূণ ছাই।' ☐

ডঃ সূৰ্য্য কুমাৰ ভূঞা



"মহাত্মা মেধাবী পুৰুষসকলে দেশৰ পোন পাকে কিবা কৰক বা নকৰক, আওপাকে এইটো উপকাৰ কৰি যায় যে সেই জাতিৰ অন্তৰ্নিহিত ভবিতব্যতা বা একেবাৰে ওখ খাপলৈকে উধাবপৰা শক্তি বা চৰম উৎকৰ্ষৰ সম্ভাৱনা আঙুলিয়াই দেখুৱাই যায়। আনন্দৰাম বৰুৱাযো জগতৰ মহাসভাত অসমীয়া জাতিৰ এই মানসিক উৎকৰ্ষৰ সম্ভাৱনা ঘোষণা কৰি গৈছে। তেওঁ দেখুৱাই গৈছে যে অসমীয়া মানুহ সোপাটিলা অকামিলা বা অকল 'খৰিকতীয়া বা পানীতোলা' শ্ৰেণীৰ মানুহ নহয়। তেওঁলোকৰ মাজতো অসাধাৰণ মগজ হৈ মেধাবী পুৰুষৰ জন্ম হোৱাৰ সম্ভৱ। এই সম্ভাৱনাৰ জ্ঞান, এয়ে আমাৰ জাতীয় উন্নতিৰ বিশেষ সহায় কৰিব। তাহানি বীৰবৰ লাচিত বৰফুকনে সমৰক্ষেত্ৰত অসমীয়াৰ এক উৎকৰ্ষৰ সম্ভাৱনা কই গ'ল, মহাপুৰুষ শংকৰদেৱে আধ্যাত্মিক ক্ষেত্ৰত অসমীয়াৰ ভবিতব্যতা দেখুৱালে, মহামতি পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই ৰাজনৈতিক ক্ষেত্ৰত অসমীয়াৰ চৰম উৎকৰ্ষ দেখুৱাই থৈ গ'ল, সেইদৰে আনন্দৰাম বৰুৱায়ো সাহিত্য ক্ষেত্ৰত লক্ষ্মী-সৰস্বতীৰ বৰপুত্ৰ হৈ অসমীয়াৰ ভবিতব্যতা দেখুৱাই থৈ গ'ল। আমি সেই দেখিয়েই আনন্দৰাম বৰুৱাক পূজা কৰিম ; যদি কায়মনোবাক্যে ইমান দিনে আমি তেওঁক পূজা কৰা নাই, এতিয়াৰেপৰা আমি তেওঁক পূজা কৰিম। কাৰণ তেওঁৰ অসাধাৰণ প্ৰতিভাশক্তিৰ পূজা কৰিবলৈ পূব আৰু পছিমৰ পণ্ডিত সভাই পিচ হোঁহোকা নাই,

এনেস্থলত আমি যদি তেওঁক পূজা নকৰোঁ তেন্তে আমাৰ গাত উপকাৰীৰ অজ্ঞগৰে খোৱা অজীৰ্ণ পাতকীৰ চেকা পৰিব।" এইদৰে বীৰ পূজা কৰা বিশিষ্ট সাহিত্যিকগৰাকীয়ে ডঃ সূৰ্য্যকুমাৰ ভূঞা। তেওঁ আছিল আজীৱন শিক্ষাব্ৰতী আৰু সাহিত্যসেৱী।

ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ জন্ম হয় ১৮৯২ চনৰ ২৭ জানুৱাৰীত, (প্ৰমাণ-পত্ৰ মতে, ১৮৯৪ চনৰ ১৩ জানুৱাৰীত) নগাঁৱৰ কলঙৰ পাৰৰ ফৌজদাৰী পট্টিত। তেওঁৰ পিতাকৰ নাম ৰবিলাল ভূঞা আৰু মাকৰ নাম ভুবনেশ্বৰী ভূঞা। তেওঁলোকৰ পূৰ্বপুৰুষ কৌনৰ সিংহ। তেওঁ বিহাৰৰ পূৰ্ণিয়া জিলাৰ এগৰাকী আঢ্যৱন্তলোক। তেওঁৰ জন্মৰ সময় ১৭০৯ চন। কৌনৰ সিংহৰ দুজন পুত্ৰ আৰু এজনী কন্যা। পুত্ৰ দুজন হল— সহদেউ সিংহ আৰু মংগল সিংহ। সহদেউ সিংহ আৰু কন্যাগৰাকী ঢুকায়। মংগল সিংহই ইষ্ট-ইণ্ডিয়া কোম্পানীৰ তলত সৈনিকৰ চাকৰিত সোমায়। এসময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমীয়া সৈন্যক প্ৰশিক্ষণ দিবলৈ এদল তেওঁলোকৰ সৈন্য অসমলৈ পঠিয়ায়। অসমলৈ অহা সেইদল সৈন্যৰ ভিতৰত মংগল সিংহও এজন। দিখৌ পাৰৰ কান্দুলীমাৰী চাপৰিত তেওঁলোকে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছিল। পিছে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ কৃপা লাভ কৰি, তেওঁ মাটি-সম্পত্তিও লাভ কৰে। তেওঁ অসমীয়া সমাজখনৰ লগত মিলি যাবলৈ ইচ্ছা কৰি, শিৱসাগৰৰ শনি ভূঞাৰ পৰিয়ালৰ এজনী কন্যাৰ পাণি গ্ৰহণ কৰে। এইজন মংগল সিংহই আছিল সূৰ্য্যকুমাৰ ভূঞাৰ আজো ককাক।

সূৰ্য্যকুমাৰ ভূঞাৰ সৰুকালৰ শিক্ষা নগাঁও সদৰ মজলীয়া স্কুলত আৰম্ভ হয়। সেইকালত তেওঁ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে পাইছিল গোলকচন্দ্ৰ চক্ৰবৰ্তীক। প্ৰখ্যাত কবি ধনাই বৰাকো তেওঁ বিদ্যায়ত শিক্ষকৰূপে তথা ঘৰুৱা শিক্ষকৰূপে পাইছিল। ১৯০১ চনত তেওঁ নগাঁও চৰকাৰী হাইস্কুলত ভৰ্তি হয়। এই বিদ্যালয়ত তেওঁ প্ৰধান শিক্ষকৰূপে পাইছিল ৰাজেন্দ্ৰনাথ দত্তক। ঘৰুৱা শিক্ষকৰূপে পাইছিল হলিৰাম ভূঞাক। সূৰ্য্যকুমাৰ ভূঞাৰ পিতাকে নগাঁও উপায়ুক্তৰ কাৰ্যালয়ত কেৰাণী চাকৰি কৰিছিল। পিছত তেওঁ সেই চাকৰি সলনি কৰি ১৯০৪ চনৰপৰা শ্বিলঙৰ সচিবালযত যোগদান কৰে। পিতাকৰ লগত তেওঁ শ্বিলঙলৈ যায় আৰু শ্বিলং চৰকাৰী হাইস্কুলত ভৰ্তি হয়। ১৯০৯ চনত তেওঁ সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। এণ্ট্ৰেন্স পৰীক্ষাত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হয়। ১৯১১ চনত তেওঁ কটন মহাবিদ্যালয়ৰ পৰা আই এ আৰু ১৯১৩ চনত প্ৰেছিডেন্সী মহাবিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত অনাৰ্ছসহ বি এ পৰীক্ষা পাছ কৰে। ১৯১৬ চনত তেওঁ এম. এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৪ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা বি এল উপাধি লাভ কৰে। ১৯৩৬ চনত তেওঁ বিলাতলৈ যায়। বিলাতত থাকি তাৰ লণ্ডন স্কুল অৱ ওৰিয়েন্টেল ষ্টাডিজত "An Anglo Assamese

Relation" শীৰ্ষক গবেষণা গ্ৰন্থ লিখি, ১৯৩৮ চনত পি এইছ ডি উপাধি লাভ কৰে। ১৯৫১ চনত তেওঁ ডি লিট উপাধি লাভ কৰে।

ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ চাকৰি জীৱন যোৰহাটত আৰম্ভ হয়। ১৯১৬ চনৰপৰা তেওঁ যোৰহাট বেজবৰুৱা হাইস্কুলত শিক্ষকৰূপে নিযুক্ত হয়। ১৯১৭ চনত তেওঁ লক্ষেশ্বৰী ভূঞাৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। ১৯১৮ চনত তেওঁ যোৰহাট মিছন স্কুলত শিক্ষকতা কৰিবলৈ লয। এই চনৰে ৪ জুলাইৰপৰা তেওঁ কটন মহাবিদ্যালয়ত ইংৰাজী বিষয়ৰ অধ্যাপক নিযুক্ত হয। ১৯২৮ চনত তেওঁ অসম বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ সহকাৰী সঞ্চালক নিযুক্ত হয়। ১৯৩৩ চনৰপৰা তেওঁ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ সঞ্চালক নিযুক্ত হয। ১৯৪১ চনৰ পৰা তেওঁ অসম উপত্যকাৰ ভাৰপ্ৰাপ্ত স্কুল পৰিদৰ্শক নিযুক্ত হয। ১৯৪৩ চনৰপৰা ১৯৪৫ চনলৈ তেওঁ প্ৰভিন্সিয়েল পাব্লিচিটি আৰু ৰিক্ৰুটিং বিষযা নিযুক্ত হয। ১৯৪৬ চনত তেওঁ কটন মহাবিদ্যালয়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ নিযুক্ত হয়। ১৯৪৭ চনৰ পৰা তেওঁ অসম বৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পূৰ্ণ পৰ্যায়ৰ সঞ্চালক নিযুক্ত হয। ১৯৪৮ চনৰপৰা তেওঁ অসমৰ শিক্ষাধিকাৰৰূপে কাৰ্য নিৰ্বাহ কৰে। ১৯৪৯ চনৰপৰা ৩১ মাৰ্চত তেওঁ চৰকাৰী চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ এই বছৰতে তেওঁ পুনৰ অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক নিযুক্ত হয়। ১৯৫৭ চনৰপৰা ১৯৬০ চনলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ উপাচাৰ্য্যৰূপে কাৰ্য নিৰ্বাহ কৰে।

তেওঁ বিভিন্ন সামাজিক, শিক্ষামূলক আৰু সাহিত্য বিষয়ক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ১৯১৮, ১৯২২ আৰু ১৯২৬ চনত তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সম্পাদকৰূপে সেৱা আগবঢায। ১৯২৪ চনৰপৰা ১৯২৭ চনলৈ তেওঁ গুৱাহাটী পৌৰ-সভাৰ চৰকাৰী মনোনীত সদস্যৰূপে কাৰ্য নিৰ্বাহ কৰে। ১৯২৬ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ তেওঁ বুৰঞ্জী শাখাৰ সভাপতি নিৰ্বাচিত হৈছিল। ১৯৩৩ চনত তেওঁ নগাঁও ছাত্ৰ সন্মিলনীৰ সভাপতি নিৰ্বাচিত হয়। ১৯৩৪ চনত তেওঁ 'ৰয়েল এচিয়াটিক চোছাইটি অৱ বেংগল' আৰু ১৯৩৬ চনত "ৰয়েল এচযাটিক চোছাইটি অৱ গ্ৰেট বিটেইন এণ্ড আয়াৰলেণ্ড'ৰ সদস্য নিৰ্বাচিত হয়। ১৯৪০ চনত তেওঁ অসম ৰাজ্যিক সংগ্ৰহালয় ন্যাস সমিতিৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫২ চনৰপৰা ১৯৫৪ চনলৈ ৰাজ্যসভাৰ সদস্য মনোনীত হয়। ১৯৫২ চনত গোৱালিযৰত অনুষ্ঠিত হোৱা ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ আধুনিক বুৰঞ্জী শাখাৰ তেওঁ সভাপতি নিৰ্বাচিত হয়। ১৯৬২ চনত তেওঁ অসম প্ৰকাশন পৰিষদৰ কাৰ্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হয়।

১৯৩৩ চনত ব্ৰিটিছ চৰকাৰে তেওঁক ৰায় বাহাদুৰ আৰু ১৯৪৬ চনত এম বি ই

খিতাপ প্ৰদান কৰে। ১৯৫১ চনত লণ্ডন বিশ্ববিদ্যালয়ে তেওঁক ডি লিট উপাধি প্ৰদান কৰে। ১৯৫৬ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে।

সূৰ্য্যকুমাৰ ভূঞা সৰু কালৰেপৰা সাহিত্য চৰ্চাত ব্ৰতী হয়। তেওঁ সাহিত্য জগতত আত্মা প্ৰকাশ কৰে কবিৰূপে। ১৯০৭ চনত 'উষা'ত তেওঁৰ 'সু আৰু কু' নামৰ প্ৰথম কবিতাটি প্ৰকাশ পায়। তদুপৰি তেওঁ 'আসাম বান্ধৱ', আলোচনী, বাঁহী আদিত ভালেমান গল্প, কবিতা, প্ৰবন্ধ আদি প্ৰকাশ কৰে। ১৯০০ চনত তেজপুৰৰপৰা প্ৰকাশিত 'অসম বন্তী'ত তেওঁ শ্বিলঙৰপৰা বাতৰি পৰিবেশন কৰিছিল। ১৯০৭ চনততেওঁ 'সেউতি' নামৰ হাতেলিখা আলোচনী এখন উলিয়াইছিল। ১৯২৮ চন সপ্তম বছৰ আৰু ১৯২৯ চনত অষ্টম বছৰসংখ্যা "The Cotton College Magazine" ৰ তেওঁ সম্পাদক আছিল।

ভূঞা ডাঙৰীয়া ১৯২৪ চনৰপৰা অসম সাহিত্য সভাৰ লগত জড়িত হয়। ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ আদৰণি সমিতিৰ তেওঁ সভাপতি আছিল।

ভূঞা ডাঙৰীযাই অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ হ'ল ঃ জীৱনী— মহাত্মা গোপালকৃষ্ণ গোখলে (১৯১৬), ৰবীন্দ্ৰনাথ ঠাকুৰ (১৯২০), আনন্দৰাম বৰুৱা (১৯২০), জোনাকী (১৯২৮), চ্যানেকি (১৯২৮), ৰমণী গাভৰু (১৯৫১), হৰিহৰ আতা (১৯৬০) আদি। বুৰঞ্জীমূলক— আহোমৰ দিন (১৯১৮), কোঁৱৰ বিদ্ৰোহ (১৯৪৮), বুৰঞ্জীৰ বাণী (১৯৫১), বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা (১৯৫৫), মীৰজুমলাৰ অসম আক্ৰমণ (১৯৫৬), অসম জীয়ৰী (১৯৩১), স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (১৯৭৫), অসম বুৰঞ্জী (১৯৩০), কামৰূপৰ বুৰঞ্জী (১৯৩০), লাচিত বৰফুকন (১৯৬২), তুংখুঙীয়া বুৰঞ্জী (১৯৩২), দেওধাই অসম বুৰঞ্জী (১৯৩৩), অসমৰ পদ্য বুৰঞ্জী (১৯৩৩), পাদশ্যাহ বুৰঞ্জী (১৯৩৪), কছাৰী বুৰঞ্জী (১৯৩৬), জয়ন্তীয়া বুৰঞ্জী (১৯৩৭), অসম বুৰঞ্জী (১৯৪৫), সাতসতী অসম বুৰঞ্জী (১৯৬০), ত্ৰিপুৰা বুৰঞ্জী (১৯৩৮) আদি। কবিতা — নিৰ্মালি (১৯২৮)। গল্প সংকলন — পঞ্চমী (১৯২৭)। তেওঁৰ ইংৰাজী বিষয়ক গ্ৰন্থসমূহৰ ভিতৰত হ'ল— An Assamese Nurjahan (১৯২৬), Early British Relation with Assam (১৯২৮), Assamese Historical Literature (১৯২৮), Assamese Literature Ancient and Modern (১৯৩৬), An Account of Assam (১৯৪০), Lachit Barphukan and His Times (১৯৪৭), Anglo-Assamese Relations (১৯৪৯), Studies in the Literture of Assam (১৯৫৬), Men I Have Met (১৯৬২) আদি। তেওঁ ছপাবৰ বাবে ভালেসংখ্যক ইংৰাজী গ্ৰন্থ প্ৰস্তুত কৰি ৰাখিছিল।

১৯৫৩ চনৰ ৮ নবেম্বৰত শ্বিলঙত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। তেওঁ সভাপতিৰ আসনৰপৰা কৈছিল, "প্ৰজাৰ মংগলেই হৈছে শাসনৰ একমাত্ৰ উদ্দেশ্য। এই আদৰ্শত স্থিৰচিত্ত হৈ থাকিবলৈ হলে মনৰ নৈতিক বলৰ প্ৰয়োজন। এই নৈতিক বলৰ প্ৰেৰণা দিব পাৰে অকল সাহিত্যই। নহলে দেশত সংসদ সদস্যৰ উভৈনদী হ'লেও ৰাইজৰ মংগল সাধন নোহোৱাকৈ থাকিব পাৰে। সেই দেখি গণতন্ত্ৰৰ যুগত সত্য সাহিত্যৰ প্ৰচাৰ নিতান্ত আৱশ্যক, যাতে সাধাৰণ নাগৰিক ভোটাৰৰপৰা আৰম্ভ কৰি সৰ্ব্বোচ্চ শাসকলৈকে সকলোৱে নৈতিক আদৰ্শৰ দ্বাৰা প্ৰণোদিত হৈ দেশ শাসনৰ কাম পৰিচালনা কৰিব পাৰে। এই নৈতিক আদৰ্শৰ অভাৱ ঘটিলে, আমি হয়তো তৰ্ক যুদ্ধৰ জয়-পৰাজয়ৰ লীলা সদায় চকুৰে দেখা পাই থাকিম, কিন্তু ৰাইজৰ অৱস্থা সেই কোটিকলীয়া আন্ধাৰতে পৰি থাকিব। স্তৰে স্তৰে শাসকসকলৰ প্ৰকৃত কৰ্তব্য নিৰূপণ কৰাত গণতান্ত্ৰিক যুগৰ সাহিত্যৰ এটি প্ৰধান উদ্দেশ্য হোৱাটো বাঞ্ছনীয়।"

এই কৰ্মযোগী, জ্ঞানসাধক সাহিত্যিকগৰাকীৰ ১৯৬৪ চনৰ ৫ জুলাইত জীৱন-বন্তি নিৰ্বাপিত হয়। ❑

নলিনীবালা দেৱী

স্কুল-কলেজৰ উপাধি নোহোৱাকৈ কাব্য ৰচনাত ব্ৰতী হৈ সাহিত্য অকাডেমিৰ নিচিনা সন্মানীয় আৰু গৌৰবোজ্জ্বল বঁটা লাভ কৰিবলৈ সক্ষম হোৱা অসমীয়া মহিলা কবিগৰাকীয়ে হ'ল নলিনীবালা দেৱী। ১৯৬৮ চনত সাহিত্য অকাডেমিয়ে তেওঁৰ 'অলকানন্দা' (১৯৬৭) কাব্যখনক উক্ত বঁটাৰ বাবে নিৰ্বাচিত কৰে। 'অলকানন্দা'ৰ কবিতাখিনি গীতিকা আৰু কবিতা শীৰ্ষক দুটা ভাগত বিভক্ত কৰা হৈছে। গীতিকাৰ সংখ্যা ১১৪টা আৰু কবিতাৰ সংখ্যা ৫০ টা। কবিৰ এইবোৰ শেষ বয়সৰ ৰচনা। কবিতাবোৰ বীৰ প্ৰশস্তিমূলক, জাতীয়তাবাদী আৰু আধ্যাত্মিক ভাবধাৰাৰ। 'অলকানন্দা'ৰ মাজেৰে বাজি উঠা সুৰটি হ'ল—

'জীৱন মাথোন এটি আৱহ সঙ্গীত
মই গীতিকাৰ
গাইছো জীৱন গীত অনাদি কালৰ
সীমাহীন সুৰ পাৰাপাৰ।' (বিশ্বসুৰ)

বীৰ-বীৰাংগনা প্ৰশস্তিমূলক কবিতাসমূহৰ মাজত ভাৰতৰ যুগমীয়া দেউলৰ বিজয় প্ৰদীপ জ্বলোৱা পুৰুষ মহিলাসকলৰ প্ৰতি কবিয়ে অকুণ্ঠচিত্তে শ্ৰদ্ধা নিবেদিছে ঃ

'সতী-সাবিত্ৰী মই, প্ৰেমৰ বেদীত তিয়াগিলো ৰাজসুখ
পৰাজি মৃত্যুক ঘুৰাই আনিলোঁ প্ৰাণ মৃতক স্বামীৰ।'
'সতী মই, জয়মতী, সত্যাগ্ৰহ যোগধাৰিণী
দেশ স্বামী ৰক্ষাৰ কাৰণে প্ৰাণ বিসৰ্জ্জিলোঁ
অত্যাচাৰী শাসকক
ধৰিত্ৰী শক্তিৰে পৰাজিলোঁ
ৰণত পুৰুষ বেশে যুঁজো মূলা ৰাধা ৰুক্মিণী
কনকলতা মই ভাৰত কিশোৰী—
বুকু পাতি গুলি লৈ মৰণ সাদৰো
দেশৰ স্বাধীনতা হকে মই হাঁহি হাঁহি মৰো।'
(মই ভাৰতৰ নাৰী)।

তেওঁৰ জাতীয়তাবাদী কবিতাসমূহৰ মাজত দেশৰ প্ৰতি নিবিড় প্ৰেম, শ্ৰদ্ধা আৰু মাটিৰ মোহ বিৰাজ কৰিছে। 'জনমভূমি' কবিতাটি তেওঁৰ স্বদেশ প্ৰেমমূলক কাব্য প্ৰতিভাৰ বিৰল নিদৰ্শন। এই কবিতাটিৰ সুৰ নুবুজা বা কবিক আপোন ভাবত নোলোৱা মানুহ নোলাব। তেওঁ মানুহৰ মাজত থকা প্ৰেম-প্ৰীতি, ত্যাগৰ আদৰ্শ আৰু শান্তিৰ পৰিবেশত মুগ্ধ হৈ, এইখন দেশতে তেওঁ আকৌ জনম লোৱাৰ হাবিয়াস কৰিছে —

'দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
এনোখনি পূণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।'
(জন্মভূমি)

তেওঁ স্বদেশতে শান্তিৰ সৰগ ৰচিব পাৰিছে — এইখন মৰ্ত্যক স্বৰ্গভূমিৰূপে কল্পনা কৰিব পাৰিছে।

'মহিমাৰে ভৰা স্বৰ্গ ভাৰত
লুকাই ছদ্মবেশ
মৰম ত্যাগৰ প্ৰেমৰ আমাৰ
শান্তিৰ অমিয়া দেশ।'
(মাতৃ কবচে সজ্জিত আমি)
'জনমভূমিত মোৰ ন ৰূপ পৰশ বুলাই
সোনোৱালী জোনাক বাকিম

সুৰ বাকি নীলিমা মাজত নৰূপ
নপ্ৰতিভাত
সুৰে সুৰে সপোন আঁকিম।
(সুৰে সুৰে সপোন আঁকিম)।

তেওঁৰ আধ্যাত্মিক ভাবধাৰাৰ কবিতাসমূহৰ মাজত ভাৰতীয় দৰ্শনৰ ধ্যান-ধাৰণাই পৰিপুষ্টি লাভ কৰিছে। স্বামীহাৰা সন্তানহাৰা অভাগী নাৰী হৃদয়ত দুখৰ মাজতো আশা আৰু সান্ত্বনাৰ কবি হৃদয়ত স্থান আছে —

'আজিৰে নোহোৱা তুমি সুন্দৰী পৃথিৱী
জনমৰ যুগমীয়া তুমি
তুমি মোৰ জীৱনৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্নলীলা ভূমি।'

তেওঁৰ কবিতাত ভাৰতীয় দৰ্শনৰ চিৰন্তন সুৰটো শুনিবলৈ পাওঁ—

'কিয় আহিছিলোঁ বাৰু
গৈছিলো কিযনো উভতি?
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
বাৰে বাৰে আহিছো উলটি।'

হিংসা-দ্বেষ, খিয়লা খিয়লি, কপটালি, চতুৰালি, ধূৰ্তালি আদি দেখি কবি নলিনীবালা দেৱী বিতুষ্ট। লক্ষ-ঝম্প-দম্ভ লালসা সিবোৰ কবিৰ কাম্য নহয়। কবিয়ে বিচাৰে হিংসাশূন্য এখন শান্তিৰ বিমল পৃথিৱী, য'ত প্ৰেম অলকানন্দাহে বৈ থাকে—

'হিংসাৰে ভৰা এই পৃথিৱীত
মত্ত ৰণৰ অভিযান
জীৱনে বিচাৰে শান্তিৰ বাণী
মানৱতাৰ দান।
দম্ভৰে ভৰা তীব্ৰ লালসা
নাই তাৰ নাই তৃপ্তি
লোভ হুতাশনে চিত্ত আৱৰে
ম্লান বিবেক দীপ্তি।
তুমি ক'ত আজি শান্তি দেৱতা
কোনে দিব সন্নিধান

প্ৰেম অলকানন্দা বোৱাই
মত্ত ৰণৰ অভিযান।'

নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' (১৯২৮), 'সপোনৰ সুৰ' (১৯৪৮), 'পৰশমণি (১৯৫৫), 'যুগদেৱতা (১৯৫৮), 'জাগৃতি' (১৯৬২) আৰু 'অন্তিমৰ সুৰ' (১৯৭৭) আদি অন্যান্য কবিতা পুথি। তেওঁৰ অপ্ৰকাশিত কবিতা পুথিকেইখন হ'ল—জোনাকী স্বপ্ন সুৰভি, মন্দাকিনী, সন্ধিয়াৰ সপোন পৰশ, সাঁজৰ পুৰবী আৰু মেঘদূত (অনুদিত)।

পিতাক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ বিষয়ে লিখা জীৱনী 'স্মৃতিতীৰ্থ (১৯৪০) তেওঁৰ অনুপম গদ্যৰ চানেকি। 'এৰি অহা দিনবোৰ' (১৯৭৬) কবিৰ আত্মজীৱনী। 'চৰ্দ্দাৰ বল্লভ ভাই পেটেল ' (১৯৬৬) আৰু 'বিশ্বদীপা' (১৯৬১) তেওঁৰ দুখন জীৱনী গ্ৰন্থ। 'শান্তিপথ' (১৯৭১) প্ৰবন্ধমূলক গ্ৰন্থ। 'মানস তীৰ্থ' আৰু 'নাৰদীয ভক্তিসূত্ৰ' তেওঁৰ প্ৰকাশ পাবলৈ বাকী।

তেওঁ এলানি নাটিকাও ৰচনা কৰিছিল। সেই নাটিকাসমূহ হ'ল— 'শেষ পূজা' (১৯৫৮) 'পাৰিজাত অভিষেক', 'প্ৰহ্লাদ' (১৯৫৮), 'মীৰাবাঈ' (১৯৬৮)। জয়মতী, জন্মাষ্টমী, পৰাজয়, পুঁৱতি পোহৰৰ কুঁপনি, মহিষাসুৰ মৰ্দ্দিণী, নৱজন্ম হোলি, নেতাই ধুবুনী ঘাট, নটী পূজা, ভাৰত বিদুষী, অসম আঁউসী আদি তেওঁৰ অপ্ৰকাশিত নাটিকা। তেওঁৰ 'সন্ধিয়াৰ সুৰ', সপোনৰ সুৰ' আৰু 'পৰশমণি' আদি কবিতাপুথি কেইখন কলিকতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলেজৰ পাঠ্যৰূপে অনুমোদত লাভ কৰিছিল।

১৯৫৪ চনত তেওঁক অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ যোৰহাট অধিৱেশনৰ সভানেত্ৰীৰূপে বৰণ কৰা হৈছিল। সেইদিনা তেওঁ সভাপতিৰ আসনৰপৰা কৈছিল— 'সাহিত্যৰ ঠাই ৰাজনীতিৰ ভেদমূলক ব্যৱস্থাৰ পৰা বহু উৰ্দ্ধত। সাহিত্যিকৰ জীৱন ব্ৰত সাহিত্য সাধনা, মানৱ কল্যাণ, দেশ কল্যাণ কেন্দ্ৰিক ভাৱত সাহিত্যিকে সাহিত্য সৃষ্টি কৰে। দেশৰ সাহিত্যিক শক্তি এটা অজেয় শক্তি। এই শক্তিয়ে পৃথিৱীৰ কত ৰূপান্তৰ আনিব পাৰে। সাহিত্য সচেতনতাই জনকেন্দ্ৰিক ভাৱধাৰাৰ পুষ্টিসাধন কৰে। দেশক সম্পূৰ্ণ যুগ উপযোগীতাৰূপ দিবলৈ হ'লে সাহিত্যিকসকলৰ আৰু শিল্পীসকলৰ ঐকান্তিক নিঃস্বাৰ্থ কল্যাণকামী সৃষ্টিযেই যুগ নিৰ্ণায়কৰূপে সম্মিলিত মনোভাৱ এটি গঢ়ি তুলিবলৈ সমৰ্থ হ'ব পাৰে। জনকল্যাণকামী প্ৰত্যেকজন সাহিত্যসেৱীৰ নিঃস্বাৰ্থ সেৱাই নতুন যুগৰ অসমক নতুন ৰূপত ৰূপায়িত কৰি তুলিব লাগিব।'

১৯৫৬ চনত সৰ্বভাৰতীয সংস্কৃত সঞ্জীৱনী শাখাৰ নলবাৰী অধিৱেশনে তেওঁক 'কাব্য ভাৰতী' উপাধি প্ৰদান কৰে। ১৯৫৭ চনত সৰ্বভাৰতীয় কবি সন্মিলনলৈ আমন্ত্ৰিত হৈ, তেওঁ দিল্লীলৈ যায়। ১৯৫৮ চনত তেওঁ 'পদ্মশ্ৰী' উপাধি লাভ কৰে। ১৯৭৫ চনত তেওঁ 'বিশ্বহিন্দী সন্মিলন'ত অসমৰ হৈ প্ৰতিনিধিত্ব কৰিছিল আৰু তাত স্বৰচিত কবিতা

পাঠ কৰিছিল। ইয়াৰ আগতে, ১৯৪৭ চনত তেওঁ দিল্লীত বহা সদৌ ভাৰত লেখক সম্মিলনলৈ আমন্ত্ৰিত হৈ তাত কবিতা পাঠ কৰিছিল। তেওঁ অসম সংঘৰ সভানেত্ৰী আৰু প্ৰাদেশিক মহিলা সমিতিৰ নগাওঁ অধিবেশনৰ (১৯৪৭) সভানেত্ৰী আছিল। 'সদৌ অসম মইনা পাৰিজাত' গঠনৰ গুৰিতে আছিল নলিনী বালা দেৱী।

নলিনীবালা দেৱীৰ জন্ম হয় ১৮৯৮ চনৰ ২৩ মাৰ্চত, বৰপেটাত। মাক হেমন্ত কুমাৰী আৰু পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। নলিনীবালাৰ শৈশৱ কাল আছিল অতিকৈ মধুৰ। তেওঁলোকৰ উজান বজাৰৰ বঙলাত দেখিছিল ফল-মূল, শাক-পাচলি, মেটমৰা ধানৰ ভঁৰাল, গোহালিত কুৰি-দুকুৰি খীৰতী গাই, ক'লা-বগা বিলাতী ঘোঁৰাৰ ঘোঁৰাবাগী। তেওঁলোকৰ ঘৰৰ চৌহদত অনেক খেজুৰ গছ আছিল আৰু সেই খেজুৰৰ ৰস খাই তেওঁ সৰুতে বৰ তৃপ্তি পাইছিল। তেওঁলোকৰ 'যাত্ৰা নামৰ হাতী এটা আছিল আৰু সেই হাতীত সময়ে সময়ে নলিনীবালাই উঠিছিল। তেওঁ সৰুতে খটখটী বগাই খুব ভাল পাইছিল। তেওঁ কাম্যাখ্যালৈ গলে খটখটি বগাইছিল। তেওঁ নাৱেৰে অশ্বক্ৰান্ত, উমানন্দ আৰু কুৰুৱা আদিলৈ গৈ আনন্দ লাভ কৰিছিল। তেওঁলোকৰ পৰিয়ালে কুৰুৱাৰ বালিলৈ প্ৰায়ে বনভোজ খাবলৈ গৈছিল। তাৰ বালিত তেওঁ কাঁচৰ কণী বিচাৰিছিল আৰু কণী পালে সিজাই খাইছিল। তেওঁ ডিব্ৰুগড়ৰ মোমায়েকৰ ঘৰলৈ যাওঁতে জাহাজেৰে গৈছিল। জাহাজেৰে যাওঁতে তেওঁক নদীৰ দুয়োপাৰৰ দৃশ্যাবোৰে অতিকৈ আকৃষ্ট কৰিছিল। তেওঁ সৰুতে গৰুৰ গাড়ীত উঠি উষা নগৰ, অগ্নিগড, গণেশঘাট, মহাভৈৰব আদি চাই বিমল শান্তি লভিছিল।

তেজপুৰৰ বঙলা বালিকা প্ৰাথমিক বিদ্যালয়তে তেওঁৰ প্ৰথম বিদ্যাৰম্ভ হয়। তেওঁ সৰুতে আইত্তাকৰ মুখে আখৰা কৰিছিল বৰগীত, স্তোত্ৰপাঠ, স্নানমন্ত্ৰ, গোসাঁই সেৱা আৰু ককাক মাধৱ বৰদলৈৰ পৰা শিকিছিল দুৰ্গাবৰী গীত, ভটিমা পদ, লেচাৰিৰ সুৰ। তেওঁ গ্ৰামোফোনৰ বাইজীৰ গীত শুনি ভাল পাইছিল। তেওঁৰ সৰুৰেপৰা ধৰ্মৰ প্ৰতি প্ৰগাঢ় বিশ্বাস জন্মিছিল। শুই উঠিয়ে তেওঁ ফুলৰ কুঁকি হাতত লৈ ফুল তুলিবলৈ গৈছিল আৰু পুৱাই গা ধুই চন্দন পিহি গোসাঁইক ফুলৰ মালা পিন্ধাইছিল।

মাধৱ বৰদলৈয়ে য'তে চৰাই পাইছিল, সেই চৰাই নলিনীবালালৈ আনিছিল। এইদৰে অনা চৰাইৰে যেনে মইনা, ভাটৌ, টিয়া শালিকা, পাটমাদৈ, ভীমৰাজ, পাতিহাঁহ, চীনাহাঁহ, ৰাজহাঁহ আদিৰে তেওঁলোকৰ ঘৰত এখন চৰাইখানা বুলিবপৰা হৈছিল।

সৰুতে তেওঁ গৃহ শিক্ষকৰ দ্বাৰা শিক্ষা লাভ কৰিছিল। গোপাল কৃষ্ণ দে তেওঁৰ গৃহ শিক্ষক আছিল। তেৱেঁ তেওঁক সৰুতে কাব্য আৰু সংস্কৃত পঢ়ায়। আন ঘৰুৱা শিক্ষকো তেওঁৰ আছিল। এই শিক্ষকৰ সহায়ত ঘৰতে তেওঁ ইংৰাজী, অসমীয়া, বুৰঞ্জী, অংক, ভুগোল আদি বিষয়ত জ্ঞান আহৰণ কৰিছিল। সৰুতে তেওঁ ৰচনা কৰিছিল

কাব্য। বাল্য কালতে তেওঁ পিতা' বুলি কবিতা ৰচিছিল—

'হেৰা প্ৰভাতৰ অৰুণ কিৰণ,
ক'ত পালা এনে উজ্জ্বল বৰণ,
ইমান কোমল মাধুৰী সনা,
যিজনে বিলালে এই শোভাৰাশি
সেইজনেই আমাৰ পিতা।'

'পিতা' কবিতাৰ পিছত 'সখীলৈ উপহাৰ' আৰু 'সন্ধ্যা' কবিতা ৰচনা কৰে। তেওঁ আঠবছৰ বয়সতে চাণক্য শ্লোক কণ্ঠস্থ কৰিছিল।

১৯০৯ চনত বাৰ বছৰ বয়সত তেওঁ সংসাৰ ধৰ্মত প্ৰৱেশ কৰিছিল। শিৱসাগৰৰ নিত্যানন্দা চতুৰ্বেদীৰ বংশৰ কৃষ্ণপ্ৰাণ চাংকাকতীৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতীৰ সৈতে তেওঁ বিবাহ হৈছিল। চাৰিটা সন্তানৰ মাতৃ হোৱাৰ পিছত ১৯১৭ চনত নলিনীবালাৰ স্বামীৰ অকাল মৃত্যু ঘটে। স্বামীৰ মৃত্যুৰ অলপদিনৰ পিছতে তেওঁৰ পঞ্চম সন্তানটিৰো জন্ম হয়। বৈধব্য সাজ-পাৰ পিন্ধি, তেওঁ পিতৃ গৃহলৈ উভতি আহোঁতে, পিতৃয়ে নলিনীবালাৰ হাতত 'ভগৱদগীতা' এখন তুলি দি কৈছিল,— 'তুমি মহাশ্বেতা' হোৱা। ইয়াৰ পিছতো নলিনীবালাৰ জীৱনলৈ পুত্ৰ শোককে ধৰি আন কেইবাটাও পাহৰিব নোৱৰা বিপদ নামি আহিছিল। তেওঁ এই সকলো শোকৰ সান্ত্বনা লভিছিল গীতাৰ মাজত। পিতৃ বাণীও যেন ফলিয়ালে। সঁচাকৈয়ে সেই নলিনীবালাই মহাশ্বেতা হ'ল। তেওঁক আমি হেৰুৱাও ১৯৭৭ চনৰ ২৪ ডিচেম্বৰত। ❑

যতীন্দ্ৰনাথ দুৱৰা

ছাত্ৰবৃত্তি স্কুলত নিজৰ মাতৃভাষা অসমীয়াৰ পৰিবৰ্তে বঙলা ভাষাৰ মাধ্যমেৰে শিক্ষা অৰ্জন কৰিবলগীয়া হোৱাত অসমীয়া ছাত্ৰ এজনৰ মুখত পোৱা বেজাৰ ভাৱটোলৈ লক্ষ্য কৰি, স্কুলৰ প্ৰধান শিক্ষক ৰামমোহন মিত্ৰই ছাত্ৰজনক সুধিলে— "তুমি যে মাতৃভাষা মাতৃভাষা কৰা, মাতৃভাষা বুলিলে কি বুজা ?" "মাকৰ কোলাত পিয়াহ খাওঁতে যি ভাষাৰে প্ৰথম 'আই' শব্দটো ওলায়— সেয়ে তেওঁৰ মাতৃভাষা।" জলজলীয়া চকুৰে ছাত্ৰজনৰ এয়া আছিল উত্তৰ।

মাতৃ ভাষাৰ কাৰণে এনেদৰে বেজাৰ কৰা এদিনৰ লোকজনেই হৈছে ১৯৫৫ চনত অসমীয়া ভাষাৰ কাৰণে প্ৰথম সাহিত্য অকাডেমি বঁটা পাওঁতা যতীন্দ্ৰনাথ দুৱৰা ডাঙৰীয়া। তেওঁ আমাৰ মাজত যদু কবি, গীতি-কবি, অসমীয়া শ্যেলী, প্ৰেমৰ কবি, কাব্যযোগী নামে জনাজাত। সাহিত্য অকাডেমি বঁটা লাভ কৰা 'বনফুল' (১৯৫২) দুৱৰাৰ চতুৰ্থ প্ৰকাশিত কাব্য গ্ৰন্থ। বনফুল অৰণ্যত ফুলে, কিন্তু দুৱৰাৰ বনফুলৰ সুৰভিয়ে অসমীয়া সমাজত সদায় আমোলমোলায় থাকিব। বনফুলৰ কবিতাবোৰত কবিজনৰ জীৱনৰ সৎ কৰ্ম, আদৰ্শ জীৱনৰ ওপৰত গুৰুত্ব দিয়া যেন লাগে।

"কোনোৱে দূৰতে চায় কোনোৱেবা চুই যায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল।
সপোন আঁতৰি গলে দিঠকে জনাই দিয়ে,
বাটৰ কাষৰ মই বননিৰ ফুল।"

(বনফুল)

এই কবিতা পুথিখনত বনফুল, জীৱন মহিমা, দূৰণিৰ সুৰ, সমৰ্পণ, তুমি মোৰ নাভাঙিবা ভুল, শিলৰ সপোন, শিলটোৰো সপোন ভাঙিল, এটি উৰি যোৱা ৰাজহাঁহলৈ, অতীত ভৱিষ্যত, আন্ধাৰবো আছে তেনে মান আদি কৰি পঞ্চাশটা কবিতা সন্নিবিষ্ট হৈছে। সৰহভাগ কবিতাতে নোপোৱাৰ ব্যক্তিগত বেদনা আৰু হেৰোৱা সৌন্দৰ্য্যৰ প্ৰতি আকুলতাই বিশেষ প্ৰাধান্য পাইছে। 'বনফুল'ৰ কবিতাৰ প্ৰতিটো স্তৱক আমাৰ সমাজ জীৱনৰ যেন একোটা প্ৰতিবিম্ব। ইয়াত জীৱনৰ ব্যথা-বেদনা, বিচ্ছেদ বিষাদ, অসহায়তা, অতৃপ্তিৰ হুমুনিয়াহ, মিলন আকাংক্ষা, সংসাৰ তিক্ততা, লাঞ্ছনা, অৱহেলা-অৱসাদে হৃদয়ৰ সপ্তবৰ্ণ ৰঞ্জিত ইন্দ্ৰধনুৰ সৃষ্টি কৰিছে।

'হৃদি সাগৰত হয় মাধুৰী বিকাশ
ইন্দ্ৰধনু সাত বৰণীয়া
আশীষ শিৰত লই,
প্ৰেমৰ সঁজুলি আনি,
সাজে ঘৰ কৰি যুগমীয়া,
ভাৱে প্ৰেম যাউতিযুগীয়া
ইন্দ্ৰধনু সাত বৰণীয়া।"

দুৱৰাক প্ৰেমৰ কবি, সৌন্দৰ্য্যৰ আৰাধনাক বুলি কোৱা হয়। তেওঁ 'প্ৰেমৰ সপোন দেখে, প্ৰেমৰ কবিতা লিখে' বুলি ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে। দুৱৰাৰ প্ৰেম মানৱ প্ৰেম। মানুহক ভাল পোৱা, মানুহৰ সেৱা কৰা, তেওঁৰ যেন আছিল জীৱনৰ ব্ৰত। তেওঁ এই সৌন্দৰ্য চৰাই চিৰিকতিৰ মাত, মৌ মাখিৰ গুঞ্জন, ফুলৰ সুষমা, বিজুলীৰ চিকমিকনি, নিজৰাৰ কুলু কুলু ধ্বনি, পুৱাৰ, পোহৰ বাৰিষাৰ বগা ডাৱৰ, জোনৰ পোহৰত তিৰবিৰাই জিলিকি থকা লুইতৰ ৰূপালী চাপৰি আদি বিশ্ব প্ৰকৃতিৰ বিভিন্ন ৰূপ-ৰাশিৰ মাজৰে বিচাৰিছে। ইবোৰৰ মাজত তেওঁ এক অতীন্দ্ৰিয় অনুভূতি লাভ কৰিছে। তেওঁ প্ৰেম আৰু সৌন্দৰ্যক একে পাহি ফুলেৰে বিভাজন ব্যৰ্থ বৰ্ণ আৰু সৌৰভ বুলি কৈছে। তেওঁ কৈছে যে, য'তে প্ৰেম ত'তে সৌন্দৰ্য্য।

'বনফুল' দুৰ্বৰাৰ শেষ বয়সৰ ৰচনা। এই কবিতাকেইটাৰ ক্ষেত্ৰত ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই কেনে দায়িত্ব পালন কৰিছিল, সেই সম্পৰ্কত দুৰ্বৰাই কৈছে— " এইখনেই মোৰ শেষ কবিতাৰ পুথি। নতুনকৈ লেখাও নাই আৰু নোৱাৰিম, কাৰণ অৱস্থা প্ৰতিকূল। তুমি জানাই যে মই অৱস্থাৰ দাস আৰু তুমি নোহোৱাহেঁতেন মোৰ কবিতাবোৰ হাতে লিখা অৱস্থাতে মৰহি গ'লহেতেন।" এই গ্ৰন্থৰ ওপৰত অভিমত দি পণ্ডিত ডঃ বাণীকান্ত কাকতিয়ে লিখিছে— "বনফুল কেৱলীয়া গ্ৰন্থকাৰৰ আপডাল নোপোৱা অন্তৰ বকৰাণিত আপোনা-আপোনি ফুটি ওলোৱা ফুলৰ কৰণি। বনফুল যেতিয়া গোন্ধৰ বাবে কবি দায়ী হ'ব নোৱাৰে। কোন ফুলৰ গোন্ধৰ কেনে ৰাগী পটুৱৈয়ে শুণ্ডি চাব। কবিৰ নাড়ীজ্ঞান থকা পাতনি লিখকৰ মতে কিন্তু গন্ধৰ সৌৰভ কবিক উন্মনা কৰি তুলিছে — যেনেকৈ নাভি কমলত ফুটি ওলোৱা গন্ধ কলাইৰ গোন্ধে গন্ধ পহুৰ দিকবিদিক জ্ঞান হেৰুৱায়।"

'ওমৰ তীৰ্থ' (১৯২৫) ফাৰ্চী ছুফী কবি ওমৰ খায়ামৰ ৰুবায়তৰ ভাবানুবাদ। ৰুবায়তৰ গুৰুত্ব সম্পৰ্কে দুৰ্বৰাই কৈছে, 'য়ুৰোপৰ এনে এখন ঠাই নাই য'ত কবিৰ 'ৰুবায়ত'ৰ আদৰ নাই আৰু এনে ভাষা নাই য'ত ইয়াৰ একাধিক অনুবাদ পোৱা নাযায়। আকাশত এটি নতুন তৰাৰ আৱিষ্কাৰ হ'লেই গোটেই বৈজ্ঞানিক জগত যেনেকৈ চঞ্চল আৰু উৎফুল্ল হৈ উঠে মনোৰাজ্যত এই তৰাটিৰ আৱিষ্কাৰ হোৱাত য়ুৰোপত কবি সমাজ ঠিক তেনেদৰেই চঞ্চল আৰু উৎফুল্ল হৈ উঠিছিল।" এই গ্ৰন্থ অনুবাদ হ'লেও, তেওঁৰ মৌলিক সৃষ্টি যেন লাগে। ইয়াৰ ভাষা স্বতঃস্ফূৰ্ত, কোমল, সাবলীল আৰু ওজঃগুণসম্পন্ন। এই সম্পৰ্কে ডঃ কাকতিয়ে কৈছে,— "ভাববোৰ বুকুৰ তপত তেজৰ উম দি সজীৱ কৰা।' 'ওমৰ তীৰ্থ' আৰু 'ওমৰ-খায়াম'ৰ পাৰ্থক্য বিচাৰ কৰি হেম বৰুৱাই কৈছে, 'ছন্দ প্ৰয়োগৰ ফালৰপৰা চাবলৈ হ'লে দুৰ্বৰাৰ ছন্দৰ গতি ক্ষিপ্ৰ। লয়লাস সোৱাদ লগা যদিও উৰণীয়া। ইয়াত আছে কিশোৰীৰ চঞ্চল পদধ্বনি। মূল ছন্দৰ গতি ধীৰ, মন্দাক্ৰান্তা প্ৰায়।' সমালোচকসকলে দুৰ্বৰাৰ 'ওমৰ তীৰ্থ'ক তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কাব্য কীৰ্তিৰূপে অভিহিত কৰিছে। দুৰ্বৰাৰ মতে এই গ্ৰন্থ ওমৰৰ ভাবৰ এটি চানেকি, এটি ছাঁ। ইবোৰ সম্পূৰ্ণৰূপে ভাঙনিও নহয়, কিছুমান পংক্তিৰ ই যেন ভাবাৰ্থ। দুৰ্বৰা কবিয়ে তেওঁৰ 'ওমৰ তীৰ্থ'ৰ মাজেৰে ওমৰৰ কু-সংস্কাৰৰ বিৰুদ্ধে বিদ্ৰোহ, সামাজিক চিন্তা-চেতনা, ধ্যান ধাৰণা, দৰ্শন আদি সম্পৰ্কে সুন্দৰকৈ আমাক পৰিচয় ঘটাব পাৰিছে। ওমৰে যে কাহানিও অতীত-ভৱিষ্যতক লৈ মূৰ ঘমাব খোজা নাছিল তাৰ বতৰাও' আমি ইয়াৰ মাজেৰে পাওঁ। তেওঁৰ কাৰণে সঁচা আছিল বৰ্তমান। অতীত ভৱিষ্যতক সুৰাৰ সোঁতত (সুৰা অৰ্থ দৈৱ প্ৰেম) উটোৱাই দি— বৰ্তমানত তেওঁ প্ৰাণৰ পিয়লাৰ (মানৱ হৃদয়) মাজত জীৱন মদিৰা ভৰাই দিয়াৰ আকাংক্ষা কৰিছে—

"অতীত ভৱিষ্যত ভাবিলে কি হ'ব
ভাবনাৰ দেখো বিৰাম নাই,
ঢালা সুৰা ঢালা পিয়ালা ভৰাই
প্ৰতি নিমিষতে সময় যায়।
'আজি' যদি মোৰ ৰঙতেই যায
অতীতৰ 'কালি' দুৰতে থক,
কাইলৈ কি হ'ব? ভবিচ্য ভাবনা
সুৰাৰ সোঁতত উটোৱা যক।"
"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা।
জীৱন মদিৰা ভৰাই দিযা,
অতীত ভৱিষ্যত শোক দুখ ভয
আজিৰ ভাৱনা উটাই দিয়া।
আজিয়েই দিয়া কালিলৈ কিয
কোনে জানে মোৰ কালি কি হ'ব?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থ'ব।"

শেষত সুৰাৰ পিয়লাইহে যেন কবিৰ চাতেকি প্ৰাণৰ নিমিষতে প্ৰকৃত ধৰ্মতত্ত্ব শুনাব পাৰে বুলি পতিয়ন গৈছে —

"ইয়াতে সকলো
ইপাৰ সিপাৰ একোৰেই নাই
পান কৰা সখা থাকোঁতে জীৱন
নহ'লে জীৱন বিপলে যায়।"

'কথা-কবিতা (১৯৩৩) অসমীয়া সাহিত্যত দুৰ্বাৰ এক অপূৰ্ব আৰু একক সৃষ্টি। ৰুছ সাহিত্যিক আইভান টুৰ্গেনিভৰ "Poems in prose" ৰ পৰা দুৰ্বাই কিছুমান কবিতাৰ ভাবানুবাদ, ছাঁয়ানুবাদ আৰু অনুবাদ কৰি, তাক স্বকীয় প্ৰতিভাৰে এক সুকীয়া ৰূপত সজাই তুলিছে। ইয়াত দুকুৰি কথা-কবিতা সন্নিবিষ্ট হৈছে। কবিতাবিলাকৰ মাজেৰে কবিৰ ধ্যান-ধাৰণা, সৌন্দৰ্য-অনুভূতি, প্ৰেম আদি সম্পৰ্কত কবিৰ অনুভূতি অনুভৱ ফুটি ওলাইছে। কথা-কবিতাবিলাকত তেওঁ ভাবক প্ৰাণবন্তৰূপে দেখুৱাব খুজিছে। ইয়াক কবিত্বময়ী কথা-ভংগীৰে আৰু ৰূপকাত্মকৰূপে চিত্ৰিত কৰা হৈছে। তেওঁৰ কথা-কবিতা

সম্পৰ্কে মন্তব্য দি ডঃ কাকতিয়ে লিখিছে— "ই তেখেতৰ কোমল বুকু ভেদ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে।"

দুৰ্ব্বা কবিৰ আন এখন অনবদ্য অৱদান হ'ল— 'আপোন সুৰ' (১৯৩৮)। ইয়াত আঠইছটা কবিতা সংযোজিত হৈছে। কবিতাবোৰৰ মাজত কবিৰ নিজৰ যৌৱনৰ ভাব-অনুভূতিৰ উপৰিও আশা-নিৰশা, সুখ-দুখ, প্ৰেম-বিৰহ, প্ৰকৃত-প্ৰীতি আদিৰ সুৰ শুনিবলৈ পোৱা যায়। 'মিলনৰ-সুৰ' (১৯৬০) দুৰ্ব্বাৰ দহটা স্তৱকৰ সমষ্টি। তাৰ প্ৰধান সুৰ ছুফীবাদ। 'মৰমৰ সুৰ' (১৯৭৬) কবিৰ শেহতীয়া প্ৰকাশ। কবিতাখনত বিভিন্ন ভাবৰ কবিতা দেখিবলৈ পোৱা যায়। মৰম আকলুৱা কবিয়ে ৰচিছে—

"জগতত মৰম নেপাই
তোলা কিয় সুৰ নিৰাশাৰ,
মৰমেই তোমাৰ ধৰম,
আছোঁ মই কাষতে তোমাৰ।"

দুৰ্ব্বাই কবিৰ সংজ্ঞা দি লিখিছে, "কবিয়ে নিজৰ প্ৰাণৰ বীণত এনে এটা সুৰ বজায় যি সুৰ গোটেই মানৱ জাতিৰ হৃদয়ত প্ৰতিধ্বনিত হয়। এই বিশ্বজনীন সুৰ যাৰ প্ৰাণত বাজে সেয়ে কবি।" দুৰ্ব্বা কবিৰ প্ৰতিটো কবিতাতে এই আবেদনকে আমি শুনিছোঁ।

দুৰ্ব্বাই অতি সৰুকালৰেপৰা কবিতা ৰচিছিল। "Twinkle Twinkle little star" কবিতাটি পঢি ৰচিছিল-

"চিকিমিকি চিকিমিকি সৰু তৰাটি
কেনেকৈ শোভা কৰে ওখ আকাশত,
চিকমিক্ কৰি কৰি হীৰাৰ নিচিনা জ্বলি
সন্ধিয়া দিয়েহি পোহৰ"।

বেজবৰুৱাৰ 'বাঁহী'ৰ পাততে তেওঁৰ সাহিত্যিক জীৱন গঢ় লৈ উঠিছিল। সাহিত্য ৰচিবলৈ তেওঁ বেজবৰুৱাৰপৰা যথেষ্ট উৎসাহ আৰু অনুপ্ৰেৰণা লভিছিল। এই ক্ষেত্ৰত ডঃ কাকতিৰপৰাও তেওঁ অনুপ্ৰাণিত হৈছিল।

দুৰ্ব্বা সৰুতে বৰ লাজকুৰীয়া ধৰণৰ আছিল। সেই কালতে তেওঁ সময়ক অমূল্য ধনৰূপে ব্যৱহাৰ কৰিবলৈ শিকিছিল আৰু সেই বাবে পঢা—শুনাত অধিক সময় অতিবাহিত কৰিছিল। সৰু কালত তেওঁক ঘৰত মতা নাম আছিল 'কেদাৰ'। তেওঁ 'যদু' নামেৰেও খ্যাত আছিল। য মানে যতীন্দ্ৰ আৰু দু মানে দুৰ্ব্বা। এই নামে তেওঁ বহুতো কবিতা ৰচিছিল।

চিৰকুমাৰ দুবৰাই একনিষ্ঠাৰে অসমীয়া ভাষা-সাহিত্যলৈ যি বৰঙণি আগবঢ়াইছে তাৰ কৃতজ্ঞতাৰ চিন স্বৰূপে ১৯৫৫ চনৰ ২৬,২৭ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিবেশনৰ বাবে তেওঁ সভাপতি আছিল। সেইদিনা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "জগতৰ হৈ থকা ঘটনা বিলাকে মনৰ মাজত যি ভাৱৰ উদয় কৰে, আনৰ মন মুহিব পৰা শক্তিৰে সৈতে সেই ভাৱৰ বিকাশেই সাহিত্য। মন আৰু কল্পনাই তাৰ সৃষ্টিকৰ্তা। ভাব তাৰ অংগ, মানৱ সমাজেই তাৰ প্ৰকাশৰ স্থল। সাহিত্যৰ মধুময় ৰসে মানৱ সমাজক মোহিত কৰি লয়— এই সাহিত্যৰ ৰসেই সেই ধনী, দুখিয়া সকলোৰে মন মোহাই তেওঁলোকৰ কল্পনাত এখনি অনিন্দ্য-সুন্দৰ ৰাজ্যৰ সৃষ্টি কৰি তেওঁলোকৰ মনত আনন্দ দিয়াৰ লগে লগে আনৰ মনতো আনন্দ দিবলৈ সমৰ্থ হয়।"

দুবৰাৰ জন্ম হয় শিৱসাগৰ নগৰৰ দিখৌ নৈৰ পাৰৰ আমোলাপট্টিত, ১৮৯২ চনৰ ৪ মাৰ্চত। পিতৃ শ্যাম সুন্দৰ আৰু মাতৃ পুণ্যদা। ১৯০৯ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত তেওঁ উত্তীৰ্ণ হোৱাৰ পিছত, কলেজীয়া শিক্ষা কটন কলেজ আৰু কলিকতাৰ স্কটিছ্ চাৰ্চ কলেজৰ পৰা লাভ কৰে।

কিছুদিন স্কটিচ চাৰ্চ স্কুলত শিক্ষকতা কৰি ১৯৩৮ চনৰ পৰা ১৯৪৭ চনলৈ কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। ১৯৪৮ চনৰ পৰা ১৯৬১ চনলৈ তেওঁ ডিব্ৰুগড় কানৈ কলেজৰ অধ্যাপক নিযুক্ত হৈছিল। কলিকতাত থকা কালত, তেওঁ কলিকতাৰ এ-এছ-এস ক্লাবৰ লগত জড়িত হৈ পৰিছিল আৰু তাৰ সভাপতিৰূপেও কাৰ্য্যনিৰ্বাহ কৰিবলগীয়া হৈছিল। ১৯৬৪ চনৰ ৫ জুলাইত দুবৰাই শেষ নিঃশ্বাস ত্যাগ কৰে। কিন্তু নিজগুণে দুবৰা কবিয়ে অসমৰ এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তিৰূপে আমাৰ মাজত সদায় বৰ আসন পাই থাকিব। ❑

বেণুধৰ শৰ্মা



বেণুধৰ শৰ্মা এই নামটি আমাৰ জাতীয় জীৱনৰ এক প্ৰাণৱন্ত, তেজোদীপ্ত নাম। তেওঁৰ বহুগুণিয়ে অসমীয়া জাতিক ধন্য কৰিছে। তেওঁ একেবাৰে সাহিত্যিক, প্ৰত্নতত্ত্ববিদ, সাংবাদিক, সমাজ সংস্কাৰক আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী আগশাৰীৰ মুক্তিযোদ্ধা আছিল। অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰ অধঃপতনত অগ্নিকাগিৰীৰ যেনেদৰে বেদনাৰ উল্কা জ্বলিছিল, নিজৰ ভাষাটো, মাত কথা বা পুৰণি সম্পদৰাজিক আদৰ কৰিব নজনা, নুবুজাজনৰ প্ৰতিও গা বেজ-বেজোৱা বা তেনেজনক লগে লগে টান কথা এষাৰো শুনাব খোজাজনেই আমাৰ বেণুধৰ শৰ্মা। 'আসামীৰা জংঘলী' বোলোঁতে ছাট কৰে গাত লাগি কলিকতীয়া অধ্যাপকজনক 'হয় অধ্যাপকজনে সেই কথা তুলি লওক, নহয় প্ৰমাণ কৰক।' এনেদৰে তীব্ৰ প্ৰতিবাদ জনোৱা, ভুল উচ্চাৰণ শুনিলে গা বেজ বেজ কৰা, 'গুৰি চাৰিওত হেডালিখন গোটেই অসমত বুলি নিজৰ পৰিচয় দিবপৰা লোকজনেই বেণুধৰ শৰ্মা।

'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ' (১৯৫৯) ৰচনা কৰি তেওঁ আমাৰ সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ উহ পাই টেপা খাই থকা অসমীয়া গাঁৱলীয়া মানুহৰ মন পদুম ফুলৰ দৰে স্বতঃস্ফূৰ্তভাৱে মেল খাই কিভাৱে আন্দোলনটো

গ্ৰহণ কৰিছিল বা কিভাবে আন্দোলনটোত জপিয়াই পৰিছিল, সমাজৰ একেবাৰে সাধাৰণ হালৈ হোজা মকৰা পেহুৰ, চিংফৌ খহুৰা মেধি, লক্ষ্মীনাথ কটকী, পৰ্শুৰাম চুতীয়া গাওঁবুঢ়া, লোকনাথ কাকতী বা গুলৈ, সভাৰাম বৰকাকতী, ৰাম চন্দ্ৰ ভূএগ্ৰ, তুৰা ৰাম দুবৰা, দোম খনিকৰ, সাতোলা আদিলৈকে, কত বিচিত্ৰ বিখ্যাত অখ্যাত মানুহৰ জীৱনৰ আলেখ্য স্বৰূপ 'কংগ্ৰেছৰ কাঁচিয়লি ৰদ'। ১৯২১ চনতে, অসমত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাঁচিয়লি ৰ'দৰ পোহৰ পৰেহি। সেই ৰ'দৰ অসহযোগ চেৰেঙা পাই টেপা খাই থকা গাঁৱলীয়া মানুহৰ মন পদুম পাহিৰ দৰে আপোনা-আপুনি মেল খাই আহিল। লগে লগে নতুন ভাব, নতুন আদৰ্শৰ স্ফুৰণ হ'ল। এই স্ফুৰণ বা বতাহত উৰি ফুৰোঁতেই ওচৰতে চাপপৰা চকুৰে যি দেখিলোঁ দীঘলাই দেওা মেলিব নোৱৰা মনেৰে যিমানলৈকে চুকি পালোঁ আৰু কুমলি যোৱা অন্তৰেৰে সৰল চহাৰ যিখিনি মৰম চেনেহ অনুভব কৰিলোঁ, তাকেই সোণে পোৱালে গঁথা দি 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ'ত গাঁথি সুমাই থলোঁ।' এয়া হ'ল লেখকৰ ভাষাৰে কিতাপখনৰ ভিতৰুৱা কথা। গ্ৰন্থখনৰ বিষয়-সূচীৰ মাজেৰে স্বৰাজৰ ব্যাখ্যা, যোৰহাটত মহাত্মাৰ প্ৰথম পদাৰ্পণ, যোৰহাটত কংগ্ৰেছ খিলাফটৰ কাম, শিৱসাগৰত অসহযোগ ফণা, ঘৰৰ ল'ৰা ঘৰলৈ আহি, চাৰিং কংগ্ৰেছ কমিটী জৰাবাৰী কংগ্ৰেছ, চাৰিং কংগ্ৰেছ, ঢেকুৰা ঠাৰি সিজোৰা, বোকাৰপৰাও সোণ বুটলিবা, অসহযোগৰ শেষ সভা, বন্ধু-বান্ধৱৰ লগত পত্ৰালোচনা, অসহযোগৰ পুৰস্কাৰ, শিৱসাগৰ জেলত, যোৰহাট জেলত, গাঁৱত ধৰাগৈ, ১৯৩০ চনৰ অসহযোগ, স্বৰাজ্য লাভৰ নতুন পথ, পাণ্ডু কংগ্ৰেছৰ এচেৰেঙা আদি দাঙি ধৰা হৈছে। 'চাৰিওৰ পৰিস্থিতি'ত তেওঁ লিখিছে, "ৰাতিপুৱা কাউৰিয়ে কা কৰিলে মাত্ৰকে, জা জলপান যি এমুঠি পাওঁ, তাকে খাই গাঁও ফুৰিবলৈ ওলাও। মানুহৰ ঘৰলৈ অহা যোৱা বাট-পদুলি নাই। আলিৰ নামত আছিল কেৱল নগা আলিটো। যিবা বাট একোটা আছিল সিও গৰু বাটৰ নিচিনা, কাতিমহীয়াও শঙ্কাকুল, বাৰিষা যে ঠায়েই নাই। আলি ছিগাবোৰত পানীও আঠুৱনীয়া দ, বোকাও লিকটীয়া। তথাপি, তাকে গচকি ঘৰে ঘৰে মহাত্মা, কংগ্ৰেছ আৰু অসহযোগৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলোঁ। একোঘৰ মানুহৰ ঘৰলৈ সোমাবলৈ হ'লে কিমান যে জেওৰা-জপনা পাৰ হ'বলগীয়া হয়, তাৰ লেখ দিব নোৱাৰি। সেইবোৰৰ অঘৈয়াত লাগি চুৰিয়া কাপোৰ ফটাৰো সীমা নাই। গান্ধী টুপী লগা মানুহ দেখিলেই (তেতিয়া গাঁৱত গান্ধী টুপী ওলোৱা নাছিল।) ৰৌ ৰৌ কৰে কুকুৰে যি ভুকিবই নে, গাঁৱৰ ডেকাডুমা ল'ৰা-ছোৱালীবোৰেও বেটি বেটি ফিচিঙা ফিচিং কৰিব। হৰি-সমুখ হোৱা ভকতসকলে গান্ধীৰ নামত জুইতো কুটা এডাল নিদিয়ে। গান্ধী ভলণ্টিয়াৰৰ গতিগোত্ৰ দেখিলেই সেইসকলে গান্ধীক পোৰাসুঠাম (কালাপাহাড়) বুলি ভাবিছিল। ভলণ্টিয়াৰ দেখিলেই

কানীয়া ভণ্ডুবাই খঁৰা দা লৈ কাটিবলৈ খেদি আহে। কানি দোকানত পুলিচ, মৌজাদাৰৰ ঘৰত পুলিচ, অইন কি কেএৱা ঘৰতো পুলিচ। চি আই ডি অফিচাৰে গান্ধী টুপীৰ ছাঁও খেদি ফুৰিছিল। চি আই ডি অৰ্থাৎ 'মই তোমাক দেখিছোঁ' বোলা বিধৰ ছুৰ্কাৰী গুপ্তচৰ চোৰাংগিৰি কৰি কোন ক'লৈ হৈ গছে দিনে দিনে জিলাৰ চাহাবলৈ বাতৰি দি আছিল। আমাৰ যানবাহনো নাছিল। থকা হ'লেও চলোৱা অসম্ভৱ। তেতিয়া মটৰ গাড়ীৰ কথাকে নকওঁ, বাই চাইকেলেই ওলোৱা নাছিল, যদিও ওলাইছিল সিও কেবল নগৰতহে। গতিকেই, পদব্ৰজেই ভ্ৰমণ কৰিবলৈগীয়া হৈছিল। আৰু আঁতৰৰ গাঁবলৈ যাওঁতে টাঙ্গি টোপোলাবোৰ এচলীযাঁকৈয়ে কান্ধত ওলোমাই নিব লাগিছিল।" গ্ৰন্থখনত শৰ্মা ডাঙৰীয়াই ব্যক্তি পৰিচয় দাঙি ধৰিছে এনেদৰে, 'অকাইসত্ৰৰ শ্ৰীযুত লোকনাথ মহন্তও আছিল, নিলগে নিলগে তলে তলে গান্ধীবাদ প্ৰচাৰ কৰা কৰ্মী। তেওঁৰ কাৰ্যস্থল আছিল মিৰি গাঁও। মাজুলী, দিখৌমুখ, দিচাংমুখত থকা মিৰি ৰাইজৰ মাজত তেওঁ পুতলা নাচ দেখুৱাই মাদকতা বৰ্জন আৰু অস্পৃশ্যতা বৰ্জনৰ বক্তৃতা দি ফুৰিছিল। শ্ৰীযুত লোকনাথ মহন্তৰ 'পুতলা নাচ'ৰ অভিনয় কৌশল দেখিলে, মহন্তদেৱে সুৰুচিপূৰ্ণ কলা কৌশলী নুবুলি নোৱাৰি। মিৰি গাঁৱত এতিযাও তেখেতৰ বিস্তৰ প্ৰভাৱ।'

এই গ্ৰন্থখনৰ বাবে বেণুধৰ শৰ্মাই ১৯৬০ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। সাহিত্য অকাডেমি বঁটা লাভ কৰোঁতা তেওঁ দ্বিতীয গৰাকী অসমীয়া। অসমীয়া সাহিত্যলৈ আগবঢোৱা তেওঁৰ বৰঙণিসমূহৰ ভিতৰত হৈছে— ৰবিঞ্চন ক্ৰুচ (১৯১৮), কংগ্ৰেছ গাইড (১৯২৬), Wadıs Account of Assam (১৯২৭), জৱাহৰলাল নেহৰুৰ আত্মজীৱনী, ৰাংপতা (১৯৪৩), মঙ্গলতিৰ কণ্ঠী মালা (১৯৪৬), সাতাৰুন ছাল (১৯৪৭), গংগাগোবিন্দ ফুকন (১৯৪৮), মণিৰাম দেৱান (১৯৫০), দুৰবীণ (১৯৫১), অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ অভিভাষণ (১৯৫৩), অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ ১৯৫৩, Rebellıon of 1857, vıs a vıs Assam (১৯৫৭), কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ (১৯৫৯), লাতুমণি (১৯৫৯), দুনৰি (১৯৬৩), অৰ্ঘ্যাৱলী (১৯৬৪), দক্ষিণপাট সত্ৰ (১৯৬৬), ফুল চন্দন (১৯৬৮), মৰমৰ কাৰেং (১৯৬৮), চটাই-চ'ৰাৰ কথা (১৯৬৯), হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী (১৯৭১), হেমচন্দ্ৰ গোস্বামীৰ জীৱনী (১৯৭১), মণিৰাম দেৱানৰ গীত (১৯৭৬) আদি। তেওঁৰ কেইবাখনো অপ্ৰকাশিত সম্পূৰ্ণ আৰু অপ্ৰকাশিত অসম্পূৰ্ণ গ্ৰন্থও আছে। তেওঁৰ এই গ্ৰন্থসমূহ ঘাইকৈ বুৰঞ্জীমূলক, চিন্তামূলক, ৰম্য-ৰচনা, শিশু সাহিত্য, জীৱনী, গল্প, অনুবাদ, প্ৰবন্ধমূলক আৰু সম্পাদনামূলক।

এগৰাকী সাংবাদিকহিচাপেও বেণুধৰ শৰ্মাৰ নাম স্মৰণীয় হৈ ৰ'ব। ১৯০৫ চনৰপৰাই

তেওঁ 'আসাম বন্তি' 'আসাম বিলাসিনী, 'অসমীয়া', 'অমৃত বাজাৰ পত্ৰিকা', ষ্টেটছ্‌মেন আৰু পায়নীয়াৰ আদি কাকতত লিখিবলৈ আৰম্ভ কৰিছিল। ১৯৩৫ চনৰপৰা তেৰ বছৰ তেওঁ 'দৈনিক বাতৰি'ৰ সহকাৰী সম্পাদক আৰু ১৯৩৭ চনৰপৰা দুবছৰ ধৰি 'তৰুণ অসম' কাকতৰ তেওঁ সম্পাদনা কৰে। তেওঁ সাংবাদিকৰূপে সংবাদপত্ৰত সদায় শুদ্ধ ভাষা, সত্যনিষ্ঠতা, থলুৱা শব্দৰ ব্যৱহাৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

স্বাধীনতা সংগ্ৰামৰ এগৰাকী সৈনিকৰূপেও বেণুধৰ শৰ্মা জনাজাত। তেওঁ মহাত্মা গান্ধীৰ আদৰ্শত অনুপ্ৰাণিত হৈ ১৯২০ চনত দিব লগা বি এ পৰীক্ষা নিদি, কলিকতাৰপৰা ঘৰলৈ গুচি আহিছিল আৰু কংগ্ৰেছৰ কামত লাগিছিল। অসহযোগত অংশ গ্ৰহণ কৰা বাবে ১৯২২ চনৰ ২৬ জানুৱাৰীত তেওঁ জেল জীৱন কটায়। জেলত তিনিমাহ সশ্ৰম কাৰাদণ্ড আৰু তিনিশ টকা জৰিমনা বিহা হৈছিল।। অসমৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদ মণিৰাম দেৱানৰ জন্ম চাৰিং। ১৯৩১ চনৰ ফেব্ৰুৱাৰীত তেওঁ মণিৰাম দেৱানৰ প্ৰথম তিথি উৎসৱৰ আযোজন কৰি মণিৰাম দেৱানক শ্ৰদ্ধা জনায়। তেওঁ কিছুদিনৰ কাৰণে জাঁজী হাইস্কুলত শিক্ষকতা কৰি, ইঞ্চিওৰেন্সৰ কামত মনোনিবেশ কৰিছিল। ১৯৩৩-৩৪ চনৰ সময়ছোৱাত তেওঁ পেট্ৰল কম পোৰা বডী বিক্ৰী কৰিছিল, ৰায়ত সভা আৰু বিভিন্ন সভা সমিতিতো যোগদান কৰি ঘূৰি ফুৰিছিল। ১৯৩৭ চনত তেওঁ লোকেল ব'ৰ্ডৰ সদস্যপদৰ কাৰণে নিৰ্বাচন খেলি হাৰিছিল। তেওঁ কংগ্ৰেছ প্ৰতিদ্বন্দ্বীৰ বিপক্ষে নিৰ্বাচনী যুঁজত নামিছিল আৰু সেইবাবে কংগ্ৰেছে তেওঁক দুবছৰলৈ কংগ্ৰেছৰপৰা বহিষ্কাৰ কৰিছিল। তেতিয়াৰপৰাই তেওঁ কংগ্ৰেছ ত্যাগ কৰি— 'ঘৰফলীয়া কংগ্ৰেছ' নামৰ এটি সমান্তৰাল অনুষ্ঠান গঠন কৰিছিল। ১৯৩৮ চনৰ বছৰটোত তেওঁ একান্তভাবে চাৰিঙৰ ৰাজহুৱা কামত মনোনিবেশ কৰিছিল। ১৯৪২-৪৩ চনত তেওঁ ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ লগত নেছনেল ৱাৰ ফণ্টৰ কাম কৰিবলৈ লৈছিল।। ১৯৪৩-১৯৪৬ চনৰ সময়ছোৱাত তেওঁ চাৰিঙৰ খেতি পথাৰ চলোৱাৰ উপৰিও কো-অপাৰেটিভ ষ্ট'ৰ আৰম্ভ কৰিছিল। ১৯৫১ চনৰ পৰা তেওঁ গুৱাহাটীত নিগাজীকৈ বসবাস কৰিবলৈ লৈছিল। ১৯৫২-১৯৫৩ চনৰ সময়ছোৱাত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ পৰা এশ বিছ টকীয়া সাহিত্যিক পেঞ্চন লাভ কৰে।

১৯৫৬ চনৰ ২৭ আৰু ২৮ ডিচেম্বৰত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চবিংশ ৰূপালী জয়ন্তী অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "অসম সাহিত্য সভাৰ নাম কিন্তু অসমীয়া নহয়, অসমহে। গতিকে, অসমেই যাৰ, মাতৃভূমি আৰু অসমৰ অন্নেৰেই যি লালিত-পালিত, সেই সকলোলৈকে অসম সাহিত্য সভাৰ দুৱাৰ

মুকলি। অসম প্রদেশৰ হিতাকাংখী মাত্রেই ইয়াত ভুক্ত হৈ মুক্তভাৱে অসমীয়া ভাষাৰ 'মধুচক্র' ৰচনা কৰিব পাৰে।" "মূল ভাষা, ধাতু, কৃৎপ্রত্যয়, তৎদ্ধিত প্রত্যয়, বর্ণ-বিন্যাস বা আখৰ জোঁটনি, সমাস, কাৰক, একবচন, বহুবচন, এইবিলাকৰ সদ্ব্যবহাৰ নেজানিলে বা কৰিব নোৱাৰিলে ভাষা বিশুদ্ধ হ'ব নোৱাৰে। নপটি-নুশুনি ওজা হোৱা ক'তো শুনা নাই।" "কঠোৰ ব্রহ্মাচার্য্য ব্রত পালন কৰিব পাৰে যি, সাহিত্যও জীৱন্ত কৰিব পাৰে সিহে।" ১৯৭৩ চনত অসম চৰকাৰে তেওঁক চাৰিশ টকীয়া সাহিত্যিক পেন্সন আগবঢ়ায়। ১৯৭৮ চনত তেওঁক গুৱাহাটী সবিতা সভাই সম্বর্ধনা জনায় আৰু গুৱাহাটী জোনাকী সাহিত্য সমাজে 'ইতিহাস ৰত্ন' উপাধি প্রদান কৰে। তেওঁক দিল্লীৰ অসমীয়া সমাজেও সম্বর্ধনা জনায়। ১৯৭৯ চনত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ দ্বাৰা তেওঁক সম্বর্ধনা জনোৱাৰ লগতে এক হাজাৰ টকাৰ এটা ধনৰ টোপোলাও উপহাৰ দিয়ে । ১৯৮০ চনত তেওঁ জালিয়ানৱালাবাগ শ্বহীদ দিৱসত সভাপতিত্ব কৰে। তেওঁ অসমৰ প্রায়বোৰ গাঁৱলৈকে গৈছে আৰু সেই গাঁওসমূহে তেওঁক ৰাজহুৱা অনুষ্ঠান পাতি সম্বর্ধনা জনাইছে।

বেণুধৰ শর্মাৰ জন্ম হয় শিৱসাগৰৰ চাৰিঙত, ১৮৯৪ চনৰ ১৫ নৱেম্বৰত। তেওঁৰ পিতৃ হৈছে ডিম্বেশ্বৰ শর্মা আৰু মাতৃ তুলসী দেৱী। ১৯০১ চনত চমাৰ গাওঁ পাঠশালাত ভর্তি হয়। তেওঁ পাঠশালা পাছ কৰোঁতে বৃত্তি পায়। আৰু ১৯০৫ চনত শিৱসাগৰ গৱৰ্ণমেণ্ট হাইস্কুলত ভর্তি হয়। ১৯১৫ চনত তেওঁ মেট্রিকুলেছন পৰীক্ষাত উত্তীর্ণ হৈ এই চনতে তেওঁ ফুলেশ্বৰী স্কুলত শিক্ষকতা কৰিবলৈ লয়। ১৯১৫ চনতে তেওঁ বিবাহ পাশত আবদ্ধ হয। ১৯১৬ চনৰ ২৩ জুনত তেওঁ উচ্চ শিক্ষা ল'বলৈ কলিকতালৈ যাত্রা কৰে আৰু তাৰ বংগবাসী কলেজত ভর্তি হয়। ১৯২০ চনত তেওঁ বি-এ পৰীক্ষাত নবহি, গান্ধীৰ বক্তৃতা শুনি অসহযোগত যোগদান কৰে।

১৯৮১ চনৰ ২৬ ফেব্রুৱাৰীত বেণুধৰ শর্মাৰ মৃত্যু হয়। দমদমা হাইস্কুলৰ (বর্তমান উচ্চতৰ) এখন সভালৈ আহোঁতে বেণুধৰ শর্মাক আমি প্রথম দেখিছিলোঁ। তাৰ পিছত, 'প্রকৃত বন্ধু' নামে আমাৰ সৰু কিতাপ এখন প্রকাশ পোৱাত, সেই কিতাপ এখন উপহাৰ দিবলৈ গৈ, গুৱাহাটীৰ ঘৰত তেওঁক লগ কৰিছিলো। সেইদিনা বেণুধৰ শর্মাৰ লগত ভয়ে ভয়ে দুই এটা সাহিত্যৰ কথা পতাৰো আমাৰ সৌভাগ্য ঘটিছিল। সেইদিনা বেণুধৰ শর্মাই আমাৰ লগত কথা-বতৰা পতাৰ মাজতে, কিতাপখনৰ দুই-এটা পাত পঢ়িও গৈছিল। শেষত কৈছিল— 'তুমি যত্ন নেৰিলে অসমীয়া সাহিত্যলৈ কিবা এটা নিশ্চয় দিব পাৰিবা। তোমাৰ চকুযুৰিত তাকে দেখিছো। তোমাৰ চকু যুৰিয়ে জীৱনৰ সূচী। 'তেওঁ আমাৰ চকু যুৰিত কি সূচী সূচনা কৰিলে, সেইদিনাৰ পৰা আজিলৈকে তাকে

বুজিবলৈ চেষ্টা কৰিছো, কিন্তু বুজিবলৈ হলে পৰা নাই। জানো নেজানো, বুজো নুবুজো, মই নিৰৱচ্ছিন্নভাবে কিন্তু লেখিয়ে আছোঁ। বেণুধৰ শৰ্মাক সাক্ষাৎ কৰি অহাৰ কিছুদিন পিছত, নভবাকৈ বেণুধৰ শৰ্মাৰ চিঠি এখন আমি পালোঁ। চিঠিখনৰ পূৰ্ণপাঠ তলত তুলি দিলোঁ–

শ্ৰী বেণুধৰ শৰ্মা
সুৱাগপুৰ
গুৱাহাটী-৭৮১০০৮
অসম

Benudhar Sharma
Suwagpur
Gauhatı
Assam-৭৮১০০৮

শ্ৰীমান সমীন কলিতাই 'প্ৰকৃত বন্ধু' নাম দি অকণ অকণ ল'ৰা-ছোৱালীৰ নিমিত্তে যিখনি পুস্তিকা প্ৰণয়ন কৰিছে, দেখি আৰু পঢ়ি বৰ সন্তোষ পাইছোঁ। পুৰণি সাহিত্য ভঁড়ালৰপৰা এনেকুৱা সৰু সৰু লখিমী বুটলি আনি আমাৰ পিতৃ পুৰুষক পাহৰি যোৱা চেমনীয়াৰ মাজত প্ৰচাৰ কৰিবলৈ লোৱাটো মোৰ বোধেৰে সমীন কলিতাৰ চেষ্টাই প্ৰথম চেষ্টা। সমীৰণৰ দৰে সমীনৰ পুৰণি মৌ বিছনী হেন সাহিত্যই উঠি অহা আমাৰ সাহিত্য সেৱকসকলৰ প্ৰাণত নতুন শক্তিৰ সঞ্চাৰ কৰিব।

শ্ৰীবেণুধৰ শৰ্মা
১/৪/৭৮ ❐

পদ্মধৰ চলিহা

"নাই দুখীয়াৰ পূজাৰ সমল ৰত্ন মুকুতা মণি,
দুটি তল সৰা ভাব-কুসুমেৰে সজাওঁ চৰণখনি।
জননী জনমভূমিৰ মহিমা অপাৰ।
জনমভূমি জনমভূমি
সৰগতো অধিক তুমি
জন্মে জন্মে যুগে যুগে
থাকোঁ যেন আই চৰণ চুমি।
জীৱন পুণ্য তোমাৰ সেৱাত,
মৰণ ধন্য তোমাৰ কোলাত,
তুমি ভক্তৰ মুক্তি নিলয়
জীৱন-হোতাৰ যজ্ঞ ভূমি।"

এনেদৰে জননী জনমভূমিৰ মহিমা বন্দনা কৰা বিশিষ্ট লেখকগৰাকীয়ে পদ্মধৰ চলিহা।

পদ্মধৰ চলিহাৰ জন্ম হয় ১৮৯৫ চনৰ শাওন মাহত, শিৱসাগৰ চহৰত। তেওঁৰ পিতাকৰ নাম ফণীধৰ চলিহা আৰু মাকৰ নাম গুণদালতা। গুণদালতা মণিৰাম দেৱানৰ

নাতিনী। ফণীধৰ চলিহা এগৰাকী শিক্ষাবিদ আৰু সমাজকৰ্মী আছিল। তেওঁলোকৰ পূৰ্বপুৰুষ ৰামৰায়। তেওঁ আছিল কনৌজৰলোক। স্বৰ্গদেও জয়ধ্বজ সিংহৰ দিনত তেওঁ অসমলৈ আহিছিল। তেওঁৰ পাণ্ডিত্যত মুগ্ধ হৈ ৰজাই বিষয়-বাব দিয়াৰ উপৰিও মাটি- সম্পত্তি দি সংস্থাপিত কৰে। অসমৰ চলিহা কাকতি বংশৰ এওঁকে আদি পুৰুষ বুলি জনা যায়।

পদ্মধৰ চলিহাই শিৱসাগৰত পঢাশলীয়া জীৱন আৰম্ভ কৰে। ১৯০৮ চনত তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স আৰু ১৯১০ চনত কটন মহাবিদ্যালয়ৰপৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১২ চনত কলিকতাৰ প্ৰেচিডেন্সী মহাবিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত সন্মানসহ স্নাতক আৰু গুৱাহাটী আৰ্লল মহাবিদ্যালয়ৰ পৰা বি-এল উপাধি লাভ কৰে। ১৯১৬ চনত কলিকতাৰপৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ উপাধি লাভ কৰে।

তেওঁ কিছুদিন ফুলেশ্বৰী হাইস্কুল আৰু উত্তৰ গুৱাহাটী হাইস্কুলত শিক্ষকতা কৰে। তাৰ পিচত ডিব্ৰুগডত আইন ব্যৱসায় আৰম্ভ কৰে। পিছত তেওঁ শিৱসাগৰত ওকালতি কৰিবলৈ লয়। তেওঁ ১৯৪৫-৪৬ চনৰ সময়ছোৱাত অস্থায়ী ই এ চি পদ গ্ৰহণ কৰে। ১৯৪৭ চনৰপৰা তেওঁ শিৱসাগৰ মহাবিদ্যালযৰ অধ্যক্ষৰূপে কাৰ্য নিৰ্বাহ কৰে। এই মহাবিদ্যালযৰ পৰাই তেওঁ অৱসৰ গ্ৰহণ কৰে।

তেওঁ ১৯৩০ চনৰ ভাৰতৰ জাতীয আন্দোলনত অংশ গ্ৰহণ কৰি, আইন ব্যৱসায ত্যাগ কৰিছিল।

তেওঁ অসমীযা সংবাদ জগতলৈও বিশিষ্ট বৰঙণি আগবঢাইছে। তেওঁ চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত 'অসমীযা' কাকত সম্পাদনা কৰাৰ উপৰিও লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' আলোচনীৰ সহকাৰী সম্পাদক আছিল। ১৯২৩ চনত তেওঁ সিংহ দত্তদেৱ অধিকাৰীৰ সৈতে 'অৰ্ঘ্য' নামৰ আলোচনী এখন যুটীযাভাৱে সম্পাদনা কৰে। পযেকীযা আলোচনী 'অসম জ্যোতি'ৰো তেওঁ সম্পাদক আছিল।

পদ্মধৰ চলিহা এগৰাকী সুঅভিনেতাৰূপেও জনাজাত আছিল। তেওঁ আছিল এগৰাকী নাট্যকাৰ। তেওঁ বিশেষকৈ নায়িকাৰ ভূমিকা ৰূপায়িত কৰিছিল। ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সাংস্কৃতিক অনুষ্ঠানত পদ্মনাথ গোহাঞি বৰুৱাৰ ৰচিত নাটক 'জযমতী' পৰিবেশন কৰা হৈছিল। সেইদিনা সেই নাটকত পদ্মধৰ চলিহাই 'জয়মতী'ৰ চৰিত্ৰটি ৰূপাযিত কৰি দৰ্শকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

১৯১৭ চনত তেওঁ অসম ছাত্ৰ সন্মিলনত প্ৰথম সম্পাদক নিযুক্ত হৈছিল।

পদ্মধৰ চলিহা অসমীয়া ভাষা সাহিত্যৰ এজন নিষ্ঠাবান সেৱক আছিল। তেওঁ সাহিত্যৰ বিভিন্ন দিশলৈ স্মৰণীয বৰঙণি আগবঢাইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ

ভিতৰত হ'ল— কবিতা-শৰাই (১৯২৮) ৰংপুৰে কথা কয় (১৯৫৬), পদুমণি (১৯৬৬) আদি। নাটক— অমৰ লীলা (১৯২০), নিমন্ত্ৰণ বা অতো নষ্ট ততো ভ্ৰষ্ট (১৯১৭), কেনেমজা (১৯২৩) আদি। গীতৰ পুথি— ফুলনি (১৯১৫), স্বৰাজ সংগীত (১৯২১) গীত লহৰী (১৯২৮) আদি। সম্পাদিত— গল্পমালা (১৯৩২)। আত্মজীৱনী- জীৱন বীণৰ সুৰ (১৯৬৩)। তেওঁৰ আন কেইখনমান গ্ৰন্থ হ'ল— মহাবীৰ লাচিত বৰফুকন (১৯৫৫), অসমীয়া সাহিত্যলৈ ৰংপুৰৰ বৰঙণি (১৯৫৬), পৰ্বত-ভৈযাম, The Sahitya rathi of Assam (১৯৫৪) আদি।

১৯৫৮ চনৰ ২০ এপ্ৰিলত তিনিচুকীয়াত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষডবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "জীৱন মৰণৰ এই সন্ধিক্ষণত সাহিত্যৰ ভাবধাৰাৰ মাজেদি শান্তি, ঐক্য, বিশ্ব প্ৰেমৰ অমোঘ মন্ত্ৰ উদাত্ত স্বৰে উচ্চাৰিত আৰু প্ৰচাৰিত হওক। উদ্বিগ্ন নিৰানন্দময জগতত বিমল আনন্দৰ মৌ বৰষক , আঁউসীৰ ঘোপমৰা আন্ধাৰতে জগতে নতুন পোহৰৰ সন্ধান পাওক। বিজ্ঞান, সাহিত্য, সংস্কৃতি ভিন ভিন আদৰ্শবাদ সকলোৰে সুমধুৰ সমন্বযৰ আৰু শান্তিপূৰ্ণ সহ-অৱস্থিতিৰ জৰিযতে নতুন পৃথিৱী, ধুনীযা দুনিযাৰ আবিৰ্ভাৱ হওক।"

পদ্মধৰ চলিহাৰ মৃত্যু হয় ১৯৬৯ চনৰ ১২ জুনত। ❐

অতুল চন্দ্ৰ হাজৰিকা



১৯৬৯ চনৰ 'মঞ্চলেখা' (১৯৬৭) গ্ৰন্থৰ বাবে সাহিত্য একাডেমি বঁটা পোৱা লেখক অতুল চন্দ্ৰ হাজৰিকাই লেখাৰ আনন্দক লেখকৰ লাখটকীয়া সম্পত্তি জ্ঞান কৰিছিল। অসমীয়া ভাষাত সৰ্বাধিক কিতাপ ৰচনা কৰি অভিলেখ অৰ্জন কৰা, অতুল চন্দ্ৰ হাজৰিকাই জীৱনত ৰচনা কৰা কিতাপৰ সংখ্যাবোৰলৈ চাই নিজেও বিস্ময়াভিভূত, 'পৰ্বতৰ টিঙত উঠি তললৈ চালে যেনেকৈ আচৰিত হ'ব লাগে, ঠিক তেনেকৈ মই মোৰ এৰি অহা বাটটোত বিভিন্ন পৰ্য্যায়ৰ কিতাপবিলাকলৈ মন কৰিলে মই নিজেই বিস্ময়াভিভূত হওঁ, কেনেকৈ ইমান কিতাপ লিখিছিলো সেই কথা ভাবি।'

হাজৰিকাৰ সমগ্ৰ সাহিত্যিক জীৱনৰ কীৰ্তি স্তম্ভৰূপে 'মঞ্চলেখা' আৰু 'স্মৃতিলেখাকে' আঙুলিয়াব পাৰি। এই দুযোখন কিতাপ লিখি তেওঁ আন কিতাপ ৰচনা নকৰিলেও, অসমীয়া সাহিত্যত হাজৰিকাৰ নাম যাউতিযুগীয়া হ'লহেতেন। হাজৰিকাৰ 'মঞ্চলেখা' অসমীয়া নাট্য-সাহিত্যৰ এখন প্ৰামাণিক দলিল। ১৪৬৮ চনৰপৰা ১৯৬৭ চনলৈ অসমীয়া নাট জীৱনৰ এখন সুবৃহৎ ইতিহাস তেওঁ লিখি উলিয়াইছে। ইয়াক সাতটা বৃহৎ খণ্ড বিভক্ত কৰা হৈছে। এই গ্ৰন্থ ৰচনাৰ উৎস আৰু অনুপ্ৰেৰণা সম্পৰ্কে তেওঁ লিখিছে,– '১৯৫৭ চনৰ কথা । ৰংপুৰৰ ভগৱতী বৰুৱা ঘূৰণ মঞ্চৰ উদ্বোধন উছৱৰ সভাপতি হৈ এই লিখক শিৱসাগৰলৈ যাব লগীয়া হৈছিল। সভাত পঢ়িবলৈ

অসমৰ নাট্যাভিনয় সম্পৰ্কীয় কেইখিলামান পাত লৰালৰিকৈ লিখি নিছিলো আৰু তাকে আমাৰ ভাষণ হিচাপে অধ্যাপক শ্ৰীপৰাগধৰ চলিহাই পটি দিছিল। কথাখিনি শুনি সমজুৱাসকলে ভাল পোৱা বুলি গম পালোঁ— জনচেৰেক সভাৰ থলীতে প্ৰশংসা কৰিলে। গ'ল কথা গুচিল। কথাটোৰ বুজ পাই তেতিয়াৰ অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক ডঃ শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মাদেৱে আমাৰ সেই ভাষণখন পত্ৰিকাত প্ৰকাশ কৰিব খোজাত আমি পুনৰ তাত হাত ফুৰাই অলপ ডাঙৰকৈ লিখি দিলোঁ। বন্ধুবৰ শৰ্মাই সেই প্ৰবন্ধটো দু সংখ্যা পত্ৰিকাত প্ৰকাশ কৰিলে। তেতিয়ালৈকে অসমৰ মঞ্চৰ ইতিবৃত্ত লিখিব লগীয়া দুৰন্ত ভাৱটোৱে আমাৰ মনত ঠাই পোৱা নাছিল আৰু সেই উদ্দেশ্যে আমি একো সা-সমল গোটাই ৰখা নাছিলোঁ। পিছে পত্ৰিকাত ওলোৱা প্ৰবন্ধটো পটি বন্ধু-বান্ধৱসকলৰ অনেকে আমাক শলাগনি জনাযে নেৰিলে, তাক সম্প্ৰসাৰণ কৰি অসমৰ নাটঘৰৰ বহল বুৰঞ্জী এখন লিখিব লাগে বুলিও পৰামৰ্শ-আগবঢালে আৰু পিছলৈ লগ পালেই সঘনে বুৰঞ্জীখনৰ বা বতৰা ল'বলৈ ধৰিলে। এইদৰে কথাটো ক্ৰমাত গুৰুতৰ হৈ অহাত আমিও এক প্ৰকাৰ বাধ্যত পৰিযেই এনে এটা গধুৰ দায়িত্ব মূৰ পাতি ল'বলগীয়া হ'ল আৰু সত্যব্ৰত ৰজাৰ কণমান দৰিকণা মাছটো বাঢ়ি বাঢ়ি বৃহৎকায মৎস্য অৱতাৰ হোৱাৰ নিচিনাকৈ এই পুথিৰ কলেৱৰেও বৃহৎ মঞ্চলেখাৰ ৰূপ ধাৰণ কৰিলে।'

গ্ৰন্থখনৰ আদিতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ শিষ্য মাধৱদেৱে অংকীয়া নাট ভাওনাৰ সৃষ্টি কৰি, কলা লক্ষ্মীৰ সন্মুখত যিগচি অখণ্ড প্ৰদীপ জ্বলালে, সেই সম্পৰ্কে তেওঁ লিখিছে,— "চিহ্নযাত্ৰা নাটৰ ভাওনা কৰিযেই (১৪৬৮ চন) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ নাট্য জগতত পোন প্ৰথমবাৰৰ দীপাৱলী পাতিছিল। অৱশ্যে তাৰো আগৰেপৰা প্ৰচলিত হৈ থকা ওজাপালি, ঢুলীয়া-ভাওনা আদি থলুৱা অনুষ্ঠানক এই অভিনয়ৰ প্ৰাথমিক স্তৰ বুলি কব পাৰি। সেয়ে হ'লেও সেই চিহ্ন যাত্ৰা ভাওনা যে এখনি পূৰ্ণাঙ্গ নাটকৰ অভিনয় আছিল সেই বিষয়ে সন্দেহৰ থল নাই। মঞ্চসজ্জা, দৃশ্য, নৃত্য, গীত, আলোক-সম্পাত আদিৰে এই অভিনয় পৰিপূৰ্ণ আছিল।'

যেতিয়া আহোম স্বৰ্গদেৱসকলৰ ৰাজদণ্ড উটি গ'ল, বৃটিছৰ আগমন ঘটিল, বৰদোৱা-বেহাৰ মাজুলীৰ ভোৰতালৰ মাত আচম্বিতে বন্ধ হ'ল—সেই সময়ছোৱাৰ মঞ্চভিনয়ৰ কথা উল্লেখ কৰি লিখিছে— 'সাধাৰণতে দুৰ্গোৎসৱ বা আন কোনো ৰাজহুৱা উৎসৱ উপলক্ষে অস্থায়ী নাটশাল সাজি একোখনি অভিনযৰ দিহা কৰা হৈছিল কিযনো সেই সময়ত অৰ্থাৎ উনবিংশ শতিকাৰ শেষ ভাগলৈকে অসমৰ প্ৰায়বোৰ ঠাইতেই স্থায়ী ৰঙ্গমঞ্চ নাছিল। সেই অভিনয়ৰ বাবে নতুনকৈ অসমীয়া নাট লিখি লৈ কাম চলোৱা হৈছিল। বঙলা নাটৰপৰা তৰ্জমা কৰা ৰীতি তেতিয়া নাছিল বুলি কলেও মিছা

কোৱা নহয়। সেই গৰুগাড়ীৰ যুগত এতিয়া বেলগাড়ী বিমানৰ যুগৰ দৰে কলিকতা মহানগৰী দুই চাৰিঘণ্টা বাটৰ দূৰত নাছিল। সেইবাবে হয়তো "পৰত আশ বনত বাস' বুলি ভাবি আমাৰ মানুহে থলুৱা বস্তুতেই অধিক গুৰুত্ব আৰোপ কৰিবলৈ বাধ্য হৈছিল। তাৰ ফলতেই কেবাখনো বাছকবনীয়া নাট সাময়িক প্ৰয়োজনত ৰচনা কৰি অভিনয় পতা হৈছিল। দুখৰ বিষয় সেই সময়ত ৰচিত প্ৰায় সকলোবিলাক মঞ্চ সফল নাটেই আজি বিলুপ্ত হ'ল। দুই এখনেহে ছপাৰ পোহৰ দেখা এই যুগৰ প্ৰথম অসমীয়া নাট্যকাৰ—

শুনিবাহা সভাসদজন
ৰাম-নৱমীৰ বিৱৰণ।
তাহাঙ্ক তাসত্য নামানিবা কদাচিৎ
এচৰু আজ্ঞাৰ এটা চাই
সমস্তৰে যেন বাৰ্তা পাই
সেই পটন্তৰ পাইবাহা নিশ্চিৎ।

এয়া ৰাম-নৱমী নাটৰ সূত্ৰধাৰৰ বচন। সূত্ৰধাৰজন হৈছে অসম বুৰঞ্জী লিখক গুণাভিৰাম বৰুৱা ডাঙৰীয়া (১৮৩৪-৯৪) ৰাম নৱমী নাট ৰচনা কৰি তেওঁ অসমীয়া নাট্য সাহিত্যৰ এই যুগৰ প্ৰথম নাট্যকাৰ হিচাপে খ্যাতিমান হ'ল।'

হাজৰিকাৰ তুলিকাৰপৰা নিগৰি অহা কিতাপৰ সংখ্যা প্ৰায় ডেৰশ খন মান হব। তেওঁৰ কবিতাৰ পুথি ২৬ খন। তাৰ ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল— দীপালী (১৯৩০), মুকুতামালা (১৯৩০), মণিমালা, পাঞ্চজন্য (১৯৩১), মাণিকী মধুৰী (১৯৪৯), ৰুণুক জুনুক (১৯৫৩), তপোবন (১৯৫৫), মনমাধুৰী (১৯৭১), মণিকূট (১৯৭৩), শতাব্দীৰ অৰ্ঘ (১৯৭৭), শৰতৰ সুৰ (১৯৭৬), সন্ধ্যা আৰতী (১৯৭৯), ৰুণজুনৰ জিলমিল (১৯৮০) আদি। তেওঁৰ নাটকৰ সংখ্যা ২৮ খন। অপ্ৰকাশিত অনাতাৰ নাট ১১খন। নাটবোৰ হ'ল— বেউলা (১৯৩৩), নন্দদুলাল (১৯৩৫), কুৰুক্ষেত্ৰ (১৯৩৬), নৰকাসুৰ (১৯৩০), শ্ৰীৰামচন্দ্ৰ (১৯৩৬), ৰুক্মিণী হৰণ (১৯৪৯), সাবিত্ৰী (১৯৩৯), সীতা (১৯৫২), দময়ন্তী (১৯৫২), সতী (১৯৬২), শকুন্তলা (১৯৪৩), কনৌজ কুঁৱৰী (১৯৩৩), ছত্ৰপতি শিৱাজী (১৯৪৭), টিকেন্দ্ৰজিৎ (১৯৫৯), মৰ্জিয়ানা (১৯৩৯), মানস প্ৰতিমা (১৯৪৮), আহুতি (১৯৫২), অশ্ৰুতীৰ্থ (১৯৪৮), বণিজ কোঁৱৰ (১৯৪৫) আদি। শিশু সাহিত্য ৰচনা কৰিছে প্ৰায় ৩৭ খন। সেইবোৰৰ ভিতৰত কেইখনমান হ'ল- আইতাৰ সাধু (১৯৬৮), কথা কীৰ্তন (১৯৪৫), কথা দশম (১৯৪৬),

অংকীয়া নাটৰ সাধু (১৯৫০), কাব্য কাহিনী (১৯৫৩), ৰামায়ণৰ ৰহঘৰা (১৯৫৬), ভাৰত জেউতি (১৯৪৭), লৰাৰ জাতক (১৯৫০), ৰণুক জুনুক (১৯৫৩), মাণিকি মাধুৰী (১৯৪৯), নীলা চৰাই (১৯৪৮), গ্ৰীচৰ সাধু (১৯৬০), এগুৰাছনৰ সাধু (১৯৬১), ঈছপৰ সাধু (১৯৫১), ৰাণী হিমাণী (১৯৬২) আদি। 'সাহিত্য সভা বাৰ্ষিকী ১ম, ২য় আৰু ভাষণাৱলীৰ ১ম, ২য় আৰু ৩য় খণ্ড হাজৰিকাৰ সম্পাদনাতে প্ৰকাশ পায়। কেইবাখনো পঢ়াশলীয়া পুথিৰো তেওঁ ৰচক। তেওঁৰ ৫ খন বিবিধ গদ্য, ২৯ খন সংকলন আৰু সম্পাদনামূলক গ্ৰন্থও আছে। উছৱৰ ভোগজৰা, উছৱৰ ৰংচৰা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ গ্ৰন্থাৱলী ১ম আৰু ২য় খণ্ড উল্লেখযোগ্য। 'স্মৃতিৰ পাপৰি' আন এখন তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ।

তেওঁ মাণিক চন্দ্ৰ মধ্য ইংৰাজী স্কুলত পঢ়ি থকা দিনৰে পৰা লিখিবলৈ আৰম্ভ কৰিছিল। সেই স্কুলৰ হাতে লিখা মুখপত্ৰখনো তেওঁ সম্পাদনা কৰিছিল আৰু সেই স্কুলত পঢ়ি তথা কালতে 'মাধুৰী ' নামৰ কবিতাৰ পুথি এখন যুগুত কৰিছিল। তাত কেঁচা হাতৰ পৰশ থকা যেন ভাবি কিতাপখন ছপা কৰাৰ চিন্তা কৰা নাছিল। গুৱাহাটীৰ কলেজিয়েট স্কুলৰ অষ্টমমান শ্ৰেণীৰ ছাত্ৰ থাকোঁতে, তেওঁ প্ৰথম কবিতা লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশিত হৈছিল ।কবিতাটোৰ নাম আছিল 'বসন্তকাল'। তেওঁৰ প্ৰথমখন কবিতাৰ কিতাপ হৈছে 'পাঞ্চজন্য। কলেজিয়া জীৱনতে এই গ্ৰন্থ প্ৰকাশিত হৈছিল।

অতুল চন্দ্ৰ হাজৰিকাৰ জন্ম ১৯০৩ চনত, গুৱাহাটী চহৰত। তেওঁৰ পিতাকৰ নাম ৰমাকান্ত হাজৰিকা আৰু মাকৰ নাম নিৰুপমা হাজৰিকা। উজান বজাৰৰ পদ্ম পণ্ডিতৰ পাঠশালাত তেওঁ প্ৰথম বিদ্যাৰম্ভ কৰিছিল। ১৯২৩ চনত তেওঁ কলেজিয়েট হাইস্কুলৰপৰা প্ৰবেশিকাত উত্তীৰ্ণ হৈ, ১৯২৮ চনত কটন কলেজৰপৰা বি এ আৰু আৰ্ল ল কলেজৰপৰা বি-এল উপাধি লাভ কৰে। কেইবাখনো স্কুলত শিক্ষকতা কৰাৰ উপৰিও তেওঁ কিছুদিন ছাব-ইন্সপেক্টৰ অব স্কুলছ হিচাপে কাম কৰিছিল। কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি-টি শ্ৰেণীৰো তেওঁ অধ্যাপক আছিল। তেওঁ অসম ছাত্ৰ সন্মিলনৰ লগতো জড়িত আছিল। তেওঁ 'মিলন' আৰু 'দীপক' আলোচনী সম্পাদনা কৰি সুনাম অৰ্জন কৰিছিল।

ন-লেখাৰু সকলে হাজৰিকাৰপৰা সদায় উৎসাহ অনুপ্ৰেৰণা লাভ কৰিছিল। ১৯৭১ চনত 'ভাগ্যচক্ৰ' নামেৰে এটি প্ৰচলিত কাহিনী সংগ্ৰহ কৰি কিতাপ আকাৰে ছপাবলৈ ইচ্ছা কৰি, তাৰ বাবে পাতনি এখন বিচাৰি আমি অতুল চন্দ্ৰ হাজৰিকাৰ কাষ চাপিছিলোঁ। আগ্ৰহেৰে তেওঁ পাতনিখন লিখি দিছিল। কিন্তু সেই পাতনিখন প্ৰেছৰপৰা হেৰাল,

গ্ৰন্থত সন্নিবিষ্ট নহ'ল। কোনো সংবাদ পত্ৰ বা আলোচনীয়ে তেওঁ লেখা বিচাৰি গ'লে, নিৰাশ হ'ব নেলাগিছিল। সভা-সমিতিবিলাকলৈ মাতিলেও তেওঁ দহো কাম কাটি কৰি এৰি ৰাইজৰ মাজত উপস্থিত হৈছিল। .

সাহিত্যৰ এই ভীমকৰ্মা ব্যক্তিগৰাকীক ১৯৮২ চনত অসম সাহিত্য সভাই 'সাহিত্যাচাৰ্য্য' উপাধিৰে সন্মানিত কৰিছে। ১৯৭১ চনত কেন্দ্ৰীয় চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰিছে। ১৯৫৯ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া ভাষণত কৈছিল, 'সাংস্কৃতিক উৎসৱ পতাৰ উপৰিও অসমীয়া ডেকা-গাভৰুসকলে অন্ততঃ এটা চুবুৰীয়া বা থলুৱা জন জাতীয ভাষা শিকিব লাগে। অসমীয়া পণ্ডিসকলে সেইবোৰৰ আলোচনা গৱেষনা চলাব লাগে। তেতিয়াহলে জনজাতিসকল আৰু আমাৰ মাজত পাৰম্পৰিক ভাৱৰ আদান প্ৰদানৰ মাজেদি বন্ধুত্বৰ ভাবৰ সৃষ্টি হব । তেওঁলোকেও অসমীয়া ভাষা শিকিবলৈ আগ্ৰহ কৰিব লাগিব। পৰস্পৰে মনত ৰাখিব লাগিব তেজ ধুলে উটে, মঙহ ধুলে নুটে। মুঠতে সেৱা আৰু ত্যাগ নহ'লে আমি আনৰ হৃদয় জয় কৰিব নোৱাৰো। মিছনেৰী চাহাবসকল, ৰামকৃষ্ণ মিছনৰ কৰ্মীসকলৰ আদৰ্শ অনুকৰণীয়। আমাৰ কোনো সাম্ৰাজ্যবাদী মনোবৃত্তি নাই, কোনো কূট ৰাজনীতি নাই, আছে স্বজন প্ৰীতি, আছে মহাপুৰুষে দি থৈ যোৱা মানৱ প্ৰীতিৰ মাংগলিক অৱদান। আমাৰ ভিতৰত আকৌ নগাৰ নৰোত্তম আতৈ, গাৰোৰ গোবিন্দ আতৈ নোলাব নে?'

১৯৮৬ চনৰ ৭ জুনত তেওঁৰ দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত ডঃ মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ সুদীৰ্ঘ এটা যুগৰ অন্ত পৰিল বুলি দুখ প্ৰকাশ কৰিছে। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে,— 'সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা অসমীয়া সাহিত্যৰ বৰ চ'ৰাত এনে এখন আসন গ্ৰহণ কৰিবপৰা ব্যক্তি, সকলো দিশৰপৰা চালে, দ্বিতীয় এজন সহজে ওলাব বুলি আশা কৰা নাযায়।' ❑

ত্ৰৈলোক্যনাথ গোস্বামী

১৯৬৭ চনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা অসমীয়া গ্ৰন্থখন হ'ল, 'আধুনিক গল্প সাহিত্য' (১৯৬৫) আৰু উক্ত গ্ৰন্থৰ লেখক গৰাকী হ'ল-বিশিষ্ট সমালোচক, গল্পকাৰ, নন্দন তাত্বিক, সুবক্তা, শিক্ষাবিদ ত্ৰৈলোক্যনাথ গোস্বামী ডাঙৰীয়া। এই গ্ৰন্থক ১৯৬১-৬৫ চনৰ অসমীয়া ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থ ৰূপেও অসম সাহিত্য সভাই পুৰস্কৃত কৰে। গ্ৰন্থখনত চুটিগল্প, পাশ্চাত্য গল্প সাহিত্যৰ চমু পৰিচয়, গল্পকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু প্ৰেমচন্দ্ৰ, অসমীয়া চুটি-গল্পৰ ক্ৰমবিকাশ শীৰ্ষক আলোচনা সন্নিবিষ্ট হৈছে। প্ৰথম খণ্ডত চুটি গল্পৰ সমাদৰ, চুটি গল্পৰ কাহিনী, দ্বন্দ্ব, ৰচনা কৌশল, কথা-বস্তু আদি , দ্বিতীয় খণ্ডত ওৱাছিংটন আৰভিং, এলেন পো, গগল, টুৰ্গেনিভ, মোপাছাঁ, চেখভ, হেমিংওৱে, জ্যাঁপল ছাৰ্ত্ৰে, ক্যেমু আদি ; তৃতীয় খণ্ডত প্ৰখ্যাত গল্পকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু হিন্দী গল্পকাৰ মুন্সি প্ৰেমচন্দ্ৰৰ সাহিত্যিক প্ৰতিভা আদি আৰু চতুৰ্থ খণ্ডত ৩৭ গৰাকী অসমীয়া গল্পকাৰৰ গল্পৰ বিশ্লেষণ আৰু আলোচনা দাঙি ধৰিছে। গ্ৰন্থখন সম্পৰ্কত লেখকে লেখিছে— 'আধুনিক গল্প সাহিত্য' পুথিখন যুগুত কৰোঁতে দীঘলীয়া সময় লাগিল। আলোচনা কৰিব খোজা ভালেমান গল্প ন-পুৰণি আলোচনীৰ পাতৰপৰা উলিয়াই ল'ব লগা হ'ল। সংগ্ৰহ সম্পূৰ্ণ নোহোৱাৰ কাৰণে লেখকৰ দুটা এটা ভাল

গল্পৰ আলোচনা নহ'বও পাৰে। নোহোৱাটোৱেই বেছি সম্ভৱ। পুথিখনৰ একাংশত পাশ্চত্যৰ কেইগৰাকীমান খ্যাতনামা লেখকৰ গল্প বিশ্লেষণ আৰু চমু আলোচনা সন্নিবিষ্ট কৰা হৈছে। উদ্দেশ্য, পাশ্চাত্য দেশৰ গল্প সাহিত্যৰ বিভিন্ন ধাৰাৰ লগত আমাৰ অসমীয়া পাঠকৰ সহজ পৰিচয় সুবিধা। গল্পবোৰ আলোচনা কৰাৰ সময়ত সাহিত্যৰ মূল্যবোধৰ আদৰ্শ সদায় চকুৰ আগত আছে।' গ্ৰন্থখনৰ আলোচনাত তেওঁ চুটিগল্পৰ সমাদৰ সম্পৰ্কে কৈছে, 'গল্পকোৱা আৰু গল্প শুনাৰ প্ৰবৃত্তি মানুহৰ এক আদিম প্ৰবৃত্তি। নিজৰ জীৱনৰ সুখ দুখৰ কাহিনী আনৰ আগত প্ৰকাশ কৰিলে মন পাতলে আৰু আনৰ সুখ-দুখৰ কাহিনী শুনিলেও অন্তৰত সহানুভূতি জাগে। মানুহৰ মনৰ এই আদিম প্ৰবৃত্তিৰ পৰাই প্ৰাচীন কালত নানা ধৰণৰ সাধুকথা নৰ সমাজত প্ৰচলিত হৈ পৰে।' পাশ্চাত্য গল্প সাহিত্যৰ চমু পৰিচয়ত তেওঁ কৈছে, 'আমেৰিকাৰ সাহিত্যৰ বুৰঞ্জীত গল্প লেখকৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। উনবিংশ শতিকাৰ মাজ ভাগলৈকে আমেৰিকাৰ সাহিত্যৰ ওপৰত ইংৰাজী সাহিত্যৰ প্ৰভাৱ স্পষ্ট। কিন্তু গল্পৰ ক্ষেত্ৰত আমেৰিকাৰ সাহিত্যৰ লেখকসকলৰ এটা বিশেষত্ব আছে। সেইটো হ'ল হাস্য ৰস। হাঁহি আৰু কৌতুকৰ বৈশিষ্ট্যই একালত ইংৰাজী গল্পৰপৰা আমেৰিকান গল্পৰ পাৰ্থক্য বুজাইছিল। ওৱাচিংটন আৰভিঙৰ সময়ৰেপৰা আৰম্ভ কৰি আজিলৈকে এই বিশেষত্বৰ ছাপ সম্পূৰ্ণৰূপে আঁতৰি যোৱা নাই। আৰভিঙৰ গল্প ৰীতি পোন। ঘটনাৰ কালানুক্ৰমিক বিন্যাসৰ মাজেদি তেওঁৰ গল্প পৰিণতিৰ পিনে আগুৱাই যায়।' অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশৰ ধাৰাত তেওঁ নিজৰ বিষয়ে আলোচনা আগবঢ়াইছে এনেদৰে, 'ত্ৰৈলোক্য গোস্বামীৰ তিনিখন গল্প-পুথি প্ৰকাশিত হৈছে। 'অৰুণা', 'মৰীচিকা', আৰু 'শিল্পীৰ জন্ম।' এই তিনিখন পুথিত গল্পৰ উপৰিও আলোচনীত প্ৰকাশিত হোৱা কিছুমান গল্প আলোচনীৰ পাততে পৰি আছে। সমাজৰ দুখ-দৈন্য, অনাচাৰ-অবিচাৰ নিষ্পেষিত স্ত্ৰী-পুৰুষৰ চৰিত্ৰ গোস্বামীৰ গল্প আছে। তেওঁৰ 'সাদৰী', 'প্ৰায়শ্চিত্ত', মৰীচিকা' প্ৰভৃত্তি ৰোমাণ্টিক গল্পসমূহতো মতা তিৰোতাক সমাজৰপৰা আঁতৰাই আনি ভাব বিলাসী কৰাৰ চেষ্টা নাই। পুৰণি সমাজখনৰ মাজত ব্যক্তি স্বাতন্ত্ৰ্যৰ ঠেক সুৰুঙাইদি যিখিনি পোহৰ সোমাই ব্যক্তি হিয়াৰ মাজত লুকাই থকা গুপুত ভাব আৰু গোপন আকাংক্ষা পোহৰাই তুলিছে তাৰ আভাস ওপৰৰ গল্প তিনিটাত পোৱা যায়। 'অপৰাধৰ দান' ৰ গঠন উপন্যাসধৰ্মী হ'ল। শান্তিৰ সাহসিকতা আৰু প্ৰণয়ৰ গভীৰতাৰ লগে লগে প্ৰেমিকৰ অন্তৰত জগা খন্তেকীয়া তৃপ্তিৰ বৰ্ণনা সৰস। এই তৃপ্তিয়ে অৱশ্যে পিছলৈ নায়কৰ মনোৰাজ্য অধিকাৰ কৰিব পৰা নাই। সন্দেহৰ বিষাক্ত কীট সোমাই তেওঁৰ অন্তৰৰ শান্তি খুলি খুলি খাই পেলাইছে।'

অসমীয়া সাহিত্যলৈ আগবঢোৱা গোস্বামী ডাঙৰীয়াৰ অৱদানসমূহ হ'ল—(ক) চুটি গল্প—অৰুণা (১৯৪৮), মৰীচিকা (১৯৪৮), শিল্পীৰ জন্ম (১৯৫৭) আৰু জীৱনৰ জীয়া জুই (১৯৭০)। (খ) ব্যংগ উপন্যাস—জীয়া মানুহ (গ) সাহিত্য সম্বন্ধীয় আলোচনা— সাহিত্য আলোচনা (১৯৫০), সমুদ্ৰ মন্থন (১৯৬৮), ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ (১৯৭০), সাহিত্য আলোচনা, নন্দন তত্ত্ব ঃ প্ৰাচ্য আৰু প্ৰাশ্চাত্য (১৯৮০), এই গ্ৰন্থ প্ৰকাশন পৰিষদৰ দ্বাৰা পুৰস্কৃত) আদি। (ঘ) সম্পাদিত— প্ৰবন্ধ চয়ন (১৯৬৫), মন্দাকিনী (আলোচনী, ১৯৬৬)। (ঙ) অপ্ৰকাশিত নাটক— পদুম কুঁৱৰী, বজাৰৰ এফাল। (চ) উপন্যাস— পমিলা। (ছ) কবিতা—প্ৰায় দুকুৰি কবিতা লিখিছে।

তেওঁ হাইস্কুলৰ পঞ্চম মান শ্ৰেণীত পঢোতে, দদায়েকৰ মেজৰ আগত এটা হাতেলিখা কবিতা আঁৰি থোৱা দেখি—তাকে পঢ়ি তেওঁৰো কবিতা লিখাৰ সাহস ওপজে। ষষ্ঠমান শ্ৰেণীৰ পৰীক্ষা দি উঠি ছাত্ৰ লাইব্ৰেৰীৰ পৰা হেমলেটৰ কাহিনী পঢ়ি অভিভূত হৈছিল। বিশ্ববিশ্ৰুত শ্বেক্সপীয়েৰৰ নাট্য বস্তুৰ লগত সেয়া তেওঁৰ প্ৰথম পৰিচয় আছিল। মাইনৰ শ্ৰেণীত থাকোতে তেওঁ হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী', হিতেশ্বৰ বৰুৱাৰ 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী,' দণ্ডীনাথ কলিতাৰ 'ফুল', চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' পঢ়িছিল। 'ফুল' উপন্যাসৰ গদ্যৰীতিয়ে তেওঁক আকৰ্ষিত কৰিছিল। 'আহোম ৰমণী'ৰ অমিত্ৰাক্ষৰ ছন্দয়ো তেওঁক আকৃষ্ট কৰিছিল। প্ৰথমে তেওঁ কবিতা আৰু গল্প দুয়োটাতে হাত দিছিল। কটন কলেজত নাম লিখাৰ পিছত তাৰ লাইব্ৰেৰীৰ যোগেদি পাশ্চাত্যৰ লেখকসকলৰ পৰিচয় পোৱাৰ সুযোগ পাইছিল। সেই সময়ছোৱাত তেওঁক প্ৰভাৱ পেলোৱা কিতাপকেইখন আছিল—ভিক্টৰ হিউগোৰ 'লা মিজাৰেবল', শ্বেক্সপীয়েৰৰ 'মেকৰেথ', গেটেৰ 'ফাউষ্ট', ৰৰ্বাট ব্ৰাউনিঙৰ 'এন্দ্ৰিয় ডেল ছাৰ্টো", 'ফ্ৰা লিপ্লো লিপ্পি' আদি। সেই সময়ছোৱাৰ তেওঁৰ প্ৰেৰণাদায়ক স্বনামধন্য ব্যক্তিসকল হ'ল— কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, হেমচন্দ্ৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, শৰৎ চন্দ্ৰ গোস্বামী, আৱাহনৰ সম্পাদক দীননাথ শৰ্মা আদি। তেওঁ 'ঘৰ জেউতি'ত 'ভাৰত ৰমণী' কবিতাটি লিখি সাহিত্য জগতত প্ৰথম আত্মপ্ৰকাশ কৰে। তাৰ পিছত 'আৱাহন' আৰু 'বাঁহী'ত গল্প আৰু সমালোচনা লিখে।

গোস্বামী ডাঙৰীয়াৰ জন্ম ১৯০৬ চনৰ ৩ মাৰ্চত নলবাৰী সত্ৰত। পিতৃ যামিনীকান্ত আৰু মাতৃ অমৃতপ্ৰিয়া। তেওঁ স্কুলীয়া শিক্ষা নলবাৰীৰপৰাই লাভ কৰি, ১৯২৬ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩০ চনত দৰ্শন বিষয়ত বি এ পাছ কৰে। ১৯৩২ চনত এম এ আৰু ১৯৩৫ চনত বি এল উপাধি অৰ্জন কৰে।

তেওঁ চাকৰি জীৱনত কিছুদিন কলিকতাৰ 'অক্সফোর্ড ইউনিভাৰ্চিটী প্ৰেছ'ত কাৰ্যাধ্যক্ষৰ সহায়কাৰীৰূপে কাম কৰিছিল। তাৰ পিছত তেওঁ শিক্ষক জীৱন আৰম্ভ কৰে। পোনতে নলবাৰীৰ গৰ্ডন স্কুল, তাৰ পিছত উত্তৰ গুৱাহাটীৰ কমলদেৱ ইনষ্টিটিউটত প্ৰধান শিক্ষকৰূপে, তাৰ পিছত যোৰহাটৰ চৰকাৰী হাইস্কুলৰ সহাকাৰী শিক্ষকৰূপে, মাজতে কটন কলেজ আৰু শ্ৰীহট্টৰ মুৰাৰীচান্দ কলেজৰতো অধ্যাপনা কৰে। তেওঁ ধুবুৰী চৰকাৰী হাইস্কুলতো শিক্ষকতা কৰিছিল। ১৯৪৫ চনত নলবাৰীৰ কলেজ প্ৰতিষ্ঠা হোৱাত, উক্ত কলেজৰ অধ্যক্ষৰূপে তেওঁ যোগদান কৰে। নলবাৰী কলেজত একেবাৰে তেইছ বছৰ অধ্যক্ষৰূপে কাম কৰি ১৯৬৮ চনৰ ৰ অক্টোবৰৰপৰা অৱসৰ গ্ৰহণ কৰে।

গোস্বামী জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বাধীন সমাজবাদী দলৰ এগৰাকী ৰাজনৈতিক কৰ্মীও আছিল। ১৯৫১ চনৰ সাধাৰণ নিৰ্বাচনত পূব নলবাৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থীৰ বিৰুদ্ধে অসম বিধান সভালৈ প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল।

তেওঁৰ যত্নতে চল্লিছৰ দশকত নলবাৰী সাহিত্য সমাজ আৰু ১৯৫৬ চনত নলবাৰী লেখক সংঘ প্ৰতিষ্ঠা হয়।

জাতিৰ বাবে আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে অসম সাহিত্য সভাই তেওঁক দুবাৰো সভাপতিৰূপে বৰণ কৰিছে। ১৯৬০ চনৰ অক্টোবৰ মাহত অনুষ্ঠিত অসম সাহিত্য সভাৰ অষ্টাবিংশ মিৰ্জা-পলাশবাৰী অধিবেশনৰ আৰু ১৯৬১ চনত ঊনবিংশ গোৱালপাৰা অধিবেশনৰ তেওঁ সভাপতি আছিল। অষ্টাবিংশ অধিবেশনত তেওঁ কৈছিল, 'ভাৰতৰ সংবিধানত স্বীকৃত ১৪টা ভাষাৰ ভিতৰত অসমীয়া এটা মুখ্য ভাষা। সংবিধানত স্বীকৃত এটা ভাষাৰ কাৰণেও এটা সুকীয়া এলেকা থাকিব লাগিব। এই এলেকা বোম্বাই, উত্তৰ প্ৰদেশ, বিহাৰ বা বংগদেশৰ ভিতৰত হ'ব নোৱাৰে, কিয়নো এইবোৰ ঠাইত অসমীয়া ভাষা-ভাষীৰ সংখ্যা তেনেই নগণ্য। যি অসম প্ৰদেশৰ শতকৰা ৬০ জন লোকেই অসমীয়া কথা কয়, অসমীয়া পঢ়ে আৰু ভাষাৰ এটা গৌৰৱময় অতীত আৰু উজ্জ্বল ভৱিষ্যত আছে সেই ভাষাই অসমৰ একমাত্ৰ ৰাজ্যিক ভাষা ঘোষিত হোৱাৰ যুক্তিৰ বাহিৰে আন দ্বিতীয় যুক্তি নাই।' গোৱালপাৰা অধিবেশনপৰা কৈছিল,— 'এটা জটিল সমস্যাৰ মাজত আজিৰ যুগৰ সাহিত্যিকসকল থিয় দিছে। ভাব বিলাসত আপোন পাহৰা হৈ পৰা সময় আজিৰ সাহিত্যিকৰ নাই। জীৱনৰ গধুৰ সমস্যাবোৰ তেওঁলোকৰ মূৰৰ ওপৰত। সাহিত্যিকৰ সন্ধানী মনোবৃত্তিয়ে এইবোৰৰ সমাধান বিচাৰৰ প্ৰয়োজন হৈ পৰিছে। সেইবোৰ অকল প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাৰ মাজতে নাইবা কেতেকীৰ মধুৰ সংগীততে আপোন পাহৰা হৈ পৰা সাহিত্যিকৰ সংখ্যা আদিৰ যুগ ম। নানান সমস্যাৰে ভৰা বাস্তৱ জীৱনৰ প্ৰতি সৃষ্টিকামী মন উদাসীন হ'ব নোৱাৰে। বৈজ্ঞানিক

নানান উন্নতিৰ মাজতো ক্ৰমবৰ্দ্ধমান সমাজৰ ভোক আঁতৰি যোৱা নাই। সেইবাবে প্ৰাকৃতিক সম্পদেৰে পৰিপুৰ্ণ ৰত্নগৰ্ভা বসুমতী আজিৰ লেখকৰ চকুত বন্ধ্যা। বিচিত্ৰ বাসনা বুকু আজি শুকান।

ত্ৰৈলোক্যনাথ গোস্বামীৰ লগত আমাৰ সাধাৰণ চিনাকি আছিল। তেওঁৰ ঘৰলৈ গ'লে, আলহীক আদৰ-আপ্যায়ন কৰি, তেওঁ বৰ সন্তুষ্ট হোৱা যেন আমাৰ ধাৰণা হৈছিল। তেওঁ সাধাৰণ জীৱন যাপন কৰিছিল আৰু সদায় সঁচা কথা কোৱাৰ শিকনি দিছিল। তেওঁ কৈছিল, 'মোৰ জীৱন তেনেই গতানুগতিক। অভাৱ-অনাটন বা দুখ দুৰ্গতিৰ ঠেলা হেঁচাৰ বাগৰি নপৰাকৈ থিয় হৈ থকাটোৱে মোৰ বৈশিষ্ট।' তেওঁ সদায় মানুহক ভাল কিতাপ পঢ়িবলৈ কৈছিল, লিখোতে সহজ-সৰল ভাষাত লিখিবলৈ আৰু পঢ়োতে থৰচি মাৰি পঢ়িবলৈ কৈছিল। তেওঁৰ যেন নতুন লেখকক প্ৰেৰণা যোগোৱাই এটা কাম আছিল। তেওঁক লগ পোৱা বা তেওঁৰ লগত কথা বতৰা পতা মানুহে নিশ্চয় উপলব্ধি কৰিব তেওঁ কেনে শান্ত, মৰমিয়াল আৰু দয়ালু। তেওঁৰ কিতাপ এখনৰ বিষয়ে কোনোবাই বেযাকৈ লিখা বুলি কৈ, তেওঁ বৰ অসন্তুষ্ট হোৱা আমি লক্ষ্য কৰিছিলোঁ। তেওঁ ৰসাল ভাষাৰে বক্তৃতা দিব পাৰিছিল। তেওঁ জীৱনটো বৰ কৰ্ম-ব্যস্ততাৰে পাৰ কৰিছিল। পুৱা দহ বজাৰ পৰা নিশা ন বজালৈ কলেজৰ কামত সোমাই থাকি, তাৰ মাজতে অনেক বন্ধু-বান্ধবৰ সৈতে আলাপ-আলোচনা আৰু অনেক সভা-সমিতিত যোগ দিও সাহিত্য সাধনাত আত্মনিয়োগ কৰিছিল। এই শান্ত সৌম্য মানুহজনৰ আঁৰত আছিল মানৱতা আৰু নৈতিকতা, যি তেওঁৰ সাহিত্যৰ একমাত্ৰ সম্বল আছিল। তেওঁ সৃষ্টিৰ আনন্দক লেখকৰ আত্মপ্ৰকাশৰ এক নিজা আনন্দ বুলি কৈছে।

এনেভাৱে আঢৈ কুৰি বছৰে অসমীয়া সাহিত্যৰ উন্নতিৰ হকে অক্লান্ত পৰিশ্ৰম আৰু নিৰৱকাশ সাধনাৰে জাতিক ধন্য কৰি যোৱা ত্ৰৈলোক্যনাথ গোস্বামীৰ ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহত জীৱনাসান ঘটে। চুটি গল্প আৰু সমালোচনা সাহিত্যত গোস্বামী ডাঙৰীয়াৰ সদায় বিশেষ আসন এখন থাকিব। ❒

ৰত্নকান্ত বৰকাকতী



"আজিৰ আধুনিক সাহিত্যিকে প্ৰেমৰ কথা নিলিখে, লিখে কামৰ (Lust) কথা। তেওঁলোকে বৰ্ণনা কৰে পৰাজয়ৰ কথা, যি পৰাজয়ৰপৰা কোনেও কোনো মূল্যবান বস্তু নেহেৰুৱায়, তেওঁলোকে বিজয়ৰ কথা কয়, যাৰ কোনো আশা নাই। আটাইতকৈ ডাঙৰ কথা হ'ল ; তেওঁলোকে দয়া কৰুণা এইবোৰৰ কথা নকয়। তেওঁলোকৰ বিষাদত সাৰ্বজনীন দুখৰ কথা নাই। তেওঁলোকে লিখে কেৱল গ্ৰন্থিৰ (Glands) কথা, হৃদয়ৰ কথা তাত নাই।

সাহিত্যিকসকলে আকৌ নতুনকৈ এইবোৰ কথা জানি লওক, নহলে তেওঁলোক মানব জাতিৰ শেষ অৱস্থাৰ বা প্ৰলয়ৰ মাজত থিয় হৈ লিখাৰ নিচিনাহে হ'ব।

মানুহ জাতিৰ আৰু জগতৰ অন্তিমকাল উপস্থিত হ'ল বুলি মই ভাবিবলৈ মান্তি নহওঁ—।

মানুহ জাতিৰ কোনো মতে লেলাই-ধেন্দাই জীয়াই থাকিব, সেইটোৱেই কথা নহয়। মানুহ টিকি থাকিব, সেয়ে নহয় — মানুহ সকলোৰে ওপৰত জয়ী হ'ব।

মানুহৰ আশা আছে, মানুহৰ এখন স্নেহ, ত্যাগ আৰু সহ্য কৰিবপৰা হিয়া আছে, সেইবাবেই মানুহ অমৰ।"

মানুহৰ অন্তৰ এনেদৰে উন্নত কৰিবলৈ আহ্বান জনোৱা, মানুহ জাতিৰ চিৰন্তন গৌৰৱৰ বস্তু-সাহস, সন্মান, আশা-ত্যাগৰ কথা এনেদৰে সৌৰৱাই দিয়া বিশিষ্ট

সাহিত্যিকগৰাকীয়ে ৰত্নকান্ত বৰকাকতী।

ৰত্নকান্ত বৰকাকতীৰ জন্ম হয় ১৮৯৭ চনৰ মে' মাহত, নগাঁও জিলাৰ ঢিং মৌজাৰ আঠগাঁৱত। তেওঁৰ পিতাকৰ নাম ৰায়চাহাব ভূধৰ বৰকাকতী আৰু মাকৰ নাম তুলসীময়ী বৰকাকতী। ভূধৰ বৰকাকতী ঢিং মৌজাৰ এগৰাকী জমিদাৰ আছিল। তেওঁলোকৰ পূৰ্বপুৰুষ সাতঘৰীয়া কাকতীৰ পৃথু বৰকাকতীৰ বংশধৰ ৰূপে জনাজাত। তেওঁ বাল্যকালৰ শিক্ষা আঠগাঁৱৰ নিম্ন প্ৰাইমাৰী বিদ্যালয়ত আৰম্ভ কৰে। ৫ বছৰৰপৰা ৮ বছৰলৈ তেওঁ এই বিদ্যালয়ত পঢ়ে। ১৯০৬ চনত ৯ বছৰ বয়সত তেওঁ নগাঁও চৰকাৰী হাইস্কুলত ভৰ্তি হয়। ১৯১৫ চনত তেওঁ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপিছত তেওঁ ১৯১৫ চনৰ জুলাই মাহত গুৱাহাটীত কটন মহাবিদ্যালয়ত ভৰ্ত্তি হয়। কিন্তু কটন মহাবিদ্যালয়ত তেওঁ নাম লিখিলে যদিও তেওঁ গুৱাহাটীত পঢ়াৰ ইচ্ছা নকৰিলে। তেওঁ কলিকতাত পঢ়াৰ কথাহে ঠিৰাং কৰিলে। কটন মহাবিদ্যালয়ৰপৰা সলনি কাকত লৈ তেওঁ কলিকতালৈ গৈ তাৰ ৰিপণ মহাবিদ্যালয়ত ভৰ্তি হ'ল। এই সম্পৰ্কে তেওঁ লিখিছে, "১৯১৫ চনৰ প্ৰথম ভাগত মই কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত পঢ়ি, পিছত কলিকতালৈ সলনি কাকত লৈ ৰিপণ কলেজত ভৰ্তি হলোঁগৈ ঘাইকৈ দুটা কাৰণত। প্ৰথমটো, গুৱাহাটীত বৰ কটকটীয়া— শাসন-কলেজ হোষ্টেলত সদায় ফাটেকৰ কয়েদীৰ দৰে আবদ্ধ থাকিব লাগে। গধূলি ছয় বাজিল মাত্ৰকে লৰি আহি হোষ্টেল সোমাবহি লাগে। ৰাতি কেতিয়াবা ৰং-ধেমালী চাবলৈ যাবৰ সাধ্য নাই। তদুপৰি সপ্তাহটোত বহুতো tutorial ৰ হেঁচা। দ্বিতীয় কাৰণ হ'ল— Metropolis— ৰাজধানীত থাকিলে কলেজৰ শিক্ষাৰ লগে লগে বৃহৎ জীৱনৰ সংস্পৰ্শত এটা বিস্তৃত মানসিক উৎকৰ্ষতা লাভৰ সুবিধা হ'ব , এই হেঁপাহ। ১৯১৫ চনৰ প্ৰায় শেষলৈকে কলিকতাত মই প্ৰথমবাৰ কলেজ জীৱন যাপন কঁৰে।" কিন্তু ঘৰুৱা অসুবিধাৰ কাৰণে তেওঁ পঢ়া জীৱন এৰি ঘৰলৈ উভতি আহে। ১৯১৭ চনৰ মাজ ভাগত তেওঁ নলবাৰী হাইস্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰে। ১৯১৯ চনৰ জুলাইত পুনৰ তেওঁ কলিকতালৈ পঢ়িবলৈ যায়। কিন্তু পৰীক্ষাৰ সময়ত তেওঁৰ জ্বৰ হোৱাত, পৰীক্ষাত বহিব নোৱাৰিলে। ১৯২০ চনত তেওঁ মহাবিদ্যালয় এৰি-নিজৰ ঘৰলৈ উভতি আহে। ১৯২০ চনৰ জুলাইত পুনৰ কলিকতাত Pleader ship পঢ়িবলৈ যায়। হুগলী মহাবিদ্যালয়ত তেওঁ ভৰ্তি হৈছিল। কিন্তু ১৯২১ চনৰ অসহযোগ আন্দোলনে এইবাৰো তেওঁ পঢ়াত ব্যাঘাত ঘটায় আৰু ইমানতে তেওঁ পঢ়া জীৱনৰ সামৰণি মাৰে। এইবাৰে তেওঁ পিতাকৰ মৌজাৰ মৌজাদাৰৰ দায়িত্ব মূৰ পাতি লয়। ১৯২১ চনৰপৰা ১৯২৫ চনলৈকে ঢিং মৌজাৰ একটিং মৌজাদাৰ ৰূপে মৌজা চলায়। এই সময়ছোৱাত তেওঁ মৰাপাট ব্যৱসায়তো মনোযোগ দিয়ে। ১৯৩১ চনত মৌজা পোৱাত, তেওঁ শেষ জীৱনলৈ মৌজাদাৰৰূপে জীৱন কটায়।

ৰত্নকান্ত বৰকাকতী আছিল স্বভাৱজাত কবি-সাহিত্যিক। জীৱনত তেওঁৰ এটাই চিন্তা আছিল, সেইটো হ'ল সাহিত্য। তেওঁ নিচেই সৰু কালৰপৰা নিষ্ঠা আৰু আন্তৰিকতাৰে সাহিত্য সাধনাত ব্ৰতী হৈছিল। তেওঁ ছাত্ৰ অবস্থাতে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল এনেদৰে ঃ

"মাতৃৰ স্তনেৰে সতে থুনুক থানাক মাতে
কৰিছিলো যি ভাষাত নিতৌ অমৃত পান
সেয়ে মোৰ পৰাণৰ মাতৃভাষা সৰগ সমান।
শংকৰ-মাধৱ, কবি মাধৱ কন্দলি
ফুলালেহি যি ভাষাত কাব্য ফুল কলি
যি ভাষাৰ পতি কৰি হেম বৰুৱাই
সাধিলে জাতীয় হিত 'কোষ' উলিয়াই ,
সেয়ে মোৰ শৰীৰৰ শিৰে শিৰে নচা
সেয়ে মোৰ মৰমৰ সেযে মাতৃ ভাষা।"

১১ বছৰৰপৰা ১৮ বছৰৰ ভিতৰত তেওঁ ১৯ টা পদ্য ৰচনা কৰিছিল। সেই সময়ত ৰচনা কৰা কবিতাৰ এফাঁকি হ'ল ঃ

"চিকমিক চাকমাক্ বিজুলী পোহৰ।
চাই থাকো ঘনে ঘনে কেনে মনোহৰ।"

পঞ্চম মান শ্ৰেণীত পঢ়োতে ভালেমান ছাত্ৰৰ সৈতে লগ লাগি 'হিত সাধিনী' নামে এখন সভা পাতিছিল। সেই সভাৰ তেওঁ সম্পাদক আছিল। এই বিষয়ে তেওঁ লিখিছে, " সেই সভাত ৰচনা পঢ়ো, বক্তৃতা দিওঁ, যেন সেই হিতসাধিনী সভাইহে যত হিত আছে আটাইবোৰ ঘাটি পেলাব। ৰচনাৰ বিষয় আছিল অসম দেশৰ উন্নতি, জাতীয় জীৱন ইত্যাদি। সেই সভাৰ কাৰ্য বিবৰণী অসম বন্তিলৈ পঠিয়াও। ডাঙৰ ডাঙৰ ছপাৰ আখৰেৰে যেতিয়া সেই কাৰ্য্য বিবৰণীত 'হেডিংটো' ছপা হৈ আহে, তেতিয়া গৌৰবৰ আনন্দত মতলীযা হৈ পৰোঁ।"

১৪ বছৰ বয়সত 'উষা'ত তেওঁৰ 'নতুন বছৰ' নামৰ এটি কবিতা প্ৰকাশিত হয়। স্কুলীয়া জীৱনতে 'বাঁহী'ত প্ৰকাশিত হোৱা তেওঁৰ প্ৰথম কবিতা 'প্ৰণয়ৰ প্ৰতিদান'। একে সময়তে তেওঁ 'আলোচনী'তো কবিতা লিখিছিল। এই সময়ছোৱাৰ তেওঁৰ সাহিত্যচৰ্চাৰ আভাস দি, তেওঁ লিখিছে, "হাইস্কুলত পঢ়া বছৰৰ পিছৰেপৰা অৰ্থাৎ মোৰ ১৫ বছৰ বযসৰ পৰা মোৰ সাহিত্য স্পৃহাৰ অঙ্কুৰ হয়, সেই সময়তে তেজপুৰৰপৰা 'উষা' কাকত ওলায,— 'উষা'ৰ লগে লগেই মোৰ মনৰ সাহিত্য স্পৃহাৰ ফেহুজালি। উষাখন কি প্ৰথমে মই একো বুজিব নোৱাৰিছিলো। কিছুমান দিনৰ মূৰত বুজিলোঁ যে

সেইখন মাহেকীয়া আলোচনী আৰু সেইখননেইহে মাহেকীয়া আলোচনী পদ্মনাথ গোহাঞিবৰুৱাৰ এটা নতুন সৃষ্টি ঃ প্ৰায় ৪/৫ মাহমান পাছতহে বুজিব পাৰিলোঁ যে পৃথিবীৰ বহুতো মাহেকীযা আলোচনীৰ ভিতৰত উষাও এখন, কিন্তু সেয়ে অতি উৎকৃষ্ট।”

তেওঁৰ প্ৰকাশিত কবিতা পুথি হ'ল— শেৱালি (১৯৩২), তৰ্পণ (১৯৫৩) আৰু চন্দ্ৰহাৰ (১৯৬৩)। 'শেৱালি' সম্পৰ্কে তেওঁ লিখিছে, “শেৱালি মোৰ ১৯৩০ চনলৈকে লিখা প্ৰায়বোৰ কবিতাকে সন্নিবিষ্ট কৰা হৈছে। শেৱালীযে সকলোৰে পৰা আদৰ পাইছে যদিও আজিলৈকে ৫০০ কিতাপৰ ভিতৰৰ ৩০০ খন কিতাপ ঘৰত পৰি আছে। সাহিত্যৰথী বেজবৰুৱাই 'বাঁহী'ত শেৱালিৰ সমালোচনাত প্ৰশংসা কৰাৰ উপৰিও ঘৰুৱা চিঠি এখনত এইদৰে মন্তব্য প্ৰকাশ কৰিছে ঃ “নকলেও হ'ব যে মই তোমাৰ কবিতা খুব ভাল পাওঁ। তোমাৰ কবিতাৰ এটা নতুন সুৰ, নতুন ধাৰা আছে, আন আন অসমীয়া কবিৰ কবিতাত নাই।” তেওঁ 'অলকা' আৰু 'চিত্ৰলেখা' নামেৰে দুখন নাটকো ৰচনা কৰে। তেওঁ ওমৰ খাযামৰ ৫০টা ৰুবাযতৰ অনুবাদ কৰিছে। ১৯২১ চনত তেওঁ মহাত্মা গান্ধীৰ ইংৰাজীত লিখা 'হিন্দ স্বৰাজ'ৰ অসমীযা অনুবাদ প্ৰকাশ কৰে। ১৯২৮-২৯ চনত তেওঁ 'চৰাই চিৰিকতিৰ বিবাহ পদ্ধতি' শীৰ্ষক জন্তু বিজ্ঞানমূলক কিতাপ এখনো ৰচনা কৰে। ১৯৫৩ চনত 'Our Script Question'শীৰ্ষক ইংৰাজী গ্ৰন্থ এখনো ৰচনা কৰিছিল। তেওঁ লিখা প্ৰবন্ধ সমূহ 'ৰত্নকান্ত বৰকাকতীৰ গদ্য সম্ভাৰ'ত সন্নিবিষ্ট হৈছে।

অসমীযা আখৰ জোঁটনি, কোৱা ভাষা আৰু লিখা ভাষা, বেজবৰুৱাৰ ডালিমী, চেতনা, সাহিত্যৰ জাত বিচাৰ, সাহিত্যৰ স্বৰূপ, ভাৰতীয় সংস্কৃতিৰ গুৰিৰ কথা, আমাৰ লিপি প্ৰশ্ন, ঋতু উৎসৱ আদি তেওঁৰ মূল্যবান প্ৰবন্ধ। তেওঁ কোৱা ভাষা আৰু লিখা ভাষা,' প্ৰবন্ধত এইদৰে লিখিছে, “প্ৰথমতঃ কোনো কোনোৱে কয়, কোৱা ভাষা আৰু লিখা ভাষা একে হ'ব লাগে। অৰ্থাৎ আমি মুখেৰে যেনেকৈ কওঁ, লিখোঁতে অবিকল তেনেকৈ লিখিব লাগে। কোনোৱে আকৌ কয়, কোৱা ভাষা আৰু লিখা ভাষা একে হবই নোৱাৰে। কওঁতে তুমি যেনেকৈ কোৱা ক'বা, কিন্তু লিখোঁতে তাৰ ওচৰ সীমায়ো যাব নোৱাৰো। অৰ্থাৎ লিখোতে শ্ৰুতি মধুৰ কৰিবৰ অৰ্থে প্ৰতিমা সজাদি তুমি এটা ভাষা সাজি উলিযাবা। এই দ্বিতীয মতটো কোনো মতেই সমৰ্থন কৰিব নোৱাৰি, কাৰণ লিখা ভাবাৰ উদ্দেশ্যতো কিবা এটা একেবাৰেই অসাধৰণ কৰা নহয়, সাধাৰণক বুজোৱাহে তাৰ উদ্দেশ্য। গতিকে সি যদি তেনেই কৃত্ৰিম হয়, তেন্তে উদ্দেশ্যই নিষ্ফল হ'ব। ভাষা মানুহৰ অস্বাভাবিক উচ্ছ্বাস, গতিকে সি যদি তেনেই অস্বাভাবিক হয় তাৰ ভাষাতত্ত্বই নাথাকিব, সি মুঠেই কিছুমান কিম্ভূত কিমাকাৰ শব্দ সমষ্টিত বাজে আন একো নহ'ব। দ্বিতীয়ত ঃ শ্ৰুতিমধুৰ কৰিবলৈ যে এটা দুৰ্বোধ্য ভাষা লিখিব লাগিব তাৰ কোনো মানে নাই, ভাষাৰ শ্ৰুতি মধুৰটা মানুহৰ সৌন্দৰ্য্যবোধ শক্তিৰ ওপৰতহে ঘাইকৈ নিৰ্ভৰ কৰে।

শ্ৰুতি-মাধুৰ্য্যও এটা সৌন্দৰ্য্য বিশেষ। তাৰ এটা (Absolute standard) পুৰা জোৰ বা নিৰ্দ্দিষ্ট সীমা নাই। সেই দেখি শ্ৰুতিমধুৰ, শ্ৰুতিকটু ঠিক কৰিবৰ ভাৰ সৌন্দৰ্য্য বোধৰ গাতহে ঘাইকৈ পৰে।"

১৯৫৯ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা আকাশবাণী কেন্দ্ৰৰ কবি সন্মিলনত তেওঁ অংশ গ্ৰহণ কৰিছিল। তেওঁ মাদ্ৰাজত (তামিলনাডু) অনুষ্ঠিত হোৱা সৰ্বভাৰতীয লেখক সমাৰোহতো অংশ গ্ৰহণ কৰে। তেওঁ মৌজাদাৰ সন্মিলনৰো সভাপতি আছিল।

১৯৬৩ চনৰ ২০ এপ্ৰিলত নাজিৰাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "কেৱল মানুহৰ মাতৰ প্ৰতিধ্বনি শুনোৱাই কবিৰ কাম নহয়-মানুহ সকলো অৱস্থাৰ ওপৰতে জয়ী হ'বলৈ সহায় কৰাহে।" "অসমীয়া হিছাপে আমাৰ বৰ্তমান পৰিস্থিতিত আমি ভালকৈ হৃদয়ংগম কৰিব লগা হৈছে যে সবল অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যইহে সবল অসমীয়া জাতিৰ মেৰুদণ্ড। এই সম্পৰ্কত পৃথিৱীৰ ভিতৰত আয়াৰলেণ্ড (Ireland) আমাৰ পক্ষে বহু পৰিমাণে অনুসৰণ যোগ্য যেন লগা হৈছে। আয়াৰলেণ্ড সংস্কৃতিৰ ক্ষেত্ৰত বিশ্বমুখী হৈও আত্মাৰক্ষাৰ ক্ষেত্ৰত একেবাৰেই আইৰিচ (Irish people) বুলি সুকীয়া হৈ পৰিছে। আইৰিচ ভাষা ভাষী মানুহ মাথোন ২৭ লাখ। তাৰেই আইৰিচ এটা সুকীয়া জাতি হৈছে। আয়াৰলেণ্ড গ্ৰেট বৃটেইনৰ পৰা একেবাৰে আলাদা হোৱাদি আমি অৱশ্যে ভাৰতৰপৰা একেবাৰে আলাদা হ'ব নোৱাৰো। কিন্তু আমাৰ অসমীয়াত্ব অক্ষুন্ন থকাৰ সম্ভাৱনা যেন লগা হৈছেগৈ। মুঠ কথা, ভাষাৰ ঐক্যটো বৰ ডাঙৰ ঐক্য আৰু নতুনকৈ সৰ্বভাৰতীয় জাতি গঠনত ই এটা গুৰুত্বপূৰ্ণ কথা।"

১৯৬৩ চনৰ ২১ এপ্ৰিলত বৰকাকতীৰ জীৱন বন্তি নিৰ্বাপিত হয।

বৰকাকতী আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁ প্ৰতিভাৰ গুণে মৰিও অমৰ হৈ থাকিব। আজি তেওঁৰ কবিতা মানুহৰ মুখে মুখে ঃ

"এটি ঘৰত মাথোন দুটি মানুহ ধৰে,
এটি খেলে লুকাই সপোন, এটি জলি মৰে।
এটি হাঁহে তৰাৰ মুখত ফুলৰ গন্ধ টানি,
এটি কান্দে ধৰাৰ বুকত কুলৰ বন্ধ মানি।
এটি আছে প্ৰিয়াৰ ৰূপত চুচুক-চামাক কৰি ,
ইটি থাকে ৰুদ্ধ ঘৰত শূন্য শয়ন ভৰি।"

"তিলতিলকৈ
হৰিলা বিশ্ব
তিলোত্তমা হৈ
কৰিলা নিঃস্ব" ❐

মিত্ৰদেৱ মহন্ত

“চিৰ চেনেহী মোৰ ভাষা জননী।
আই ধন্যে পুণ্যে হৃৎ পাৱনী।।
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদি জলে ধালে পৰিমল
কোমল চম্পাৰ কলি
ঢৌৰে ঢৌৰে ঢৌ তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়া ভৰা গান
কাৰ নিচুকনি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰ লয় জিৰণি।।
জীৱনে মৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে মোৰ মধুৰাননা

মাগিছো মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী।।"

অসম সাহিত্য সভাৰ অধিবেশনত এই গীতটি আৰম্ভণী গীত হিছাপে পৰিবেশন কৰা হয়। কালজয়ী, হৃদয়স্পৰ্শী এই মাতৃবন্দনাটিৰ ৰচকগৰাকীযে হ'ল মিত্ৰদেৱ মহন্ত। মিত্ৰদেৱ মহন্ত অসমীয়া ভাষা-সাহিত্যৰ এজন অক্লান্ত সেৱক।

মিত্ৰদেৱ মহন্তৰ জন্ম হয ১৮৯৪ চনৰ ১৩ জুনত (১৮১৬ শকৰ ২৭ জেঠ), যোৰহাটৰ ওচৰৰ সৰ্বাইবন্ধাৰ লেটুগ্ৰাম সত্ৰত। তেওঁৰ পিতাকৰ নাম নিৰঞ্জনদেৱ অধিকাৰ আৰু মাকৰ নাম বগীতৰা।

তেওঁৰ চাৰি বছৰ বযসত বিদ্যাৰম্ভ হয। তেওঁৰ ককাক আছিল হৰিদেৱ অধিকাৰ। তেঁৱে তেওঁক গোসাঁই ঘৰত এখন ফলি দি, ফলিত 'ক' আখৰটো লিখি তাৰ ওপৰে ওপৰে বোলাবলৈ দিছিল। তদুপৰি ককাকে তেওঁক 'অমৰ কোষ' নামৰ কিতাপ এখনৰপৰা শব্দ মুখস্থ কৰিবলৈ দিছিল। ১৯০৪ চনত তেওঁ সৰ্বাইবন্ধা হেজাৰী স্কুলত ভৰ্তি হয। কিন্তু তাত তেওঁ কম দিন পঢ়ি, যোৰহাট চৰকাৰী স্কুলত পঢ়িবলৈ লয। সেইকালত তেওঁৰ অতি আত্মীয বন্ধু আছিল দেবেন্দ্ৰনাথ শৰ্মা আৰু মোখেশ্বৰ শৰ্মা। তিনিওগৰাকীযে সদায একেলগে স্কুললৈ অহা যোৱা কৰিছিল। সেই বিদ্যালযত তেওঁলোকে প্ৰধান শিক্ষকৰূপে পাইছিল বৈকুণ্ঠনাথ দাসগুপ্তক। মিত্ৰদেৱ মহন্তই ঘৰতে এ বি চি ডি কিতাপখন পঢ়িবপৰা হৈছিল। বিদ্যালযত প্ৰধান শিক্ষকে 'One morn I met a lame man close to my house' পাঠটি পঢ়িবলৈ দিয়াত তেওঁ ভালকৈ পঢ়িব পাৰিছিল। সেইদিনা তেওঁৰ পাঠ পঢ়াত সন্তুষ্ট হৈ, প্ৰধান শিক্ষকে সপ্তম মান শ্ৰেণীত নপঢ়াকৈযে অষ্টমমান শ্ৰেণীত নাম লগাই দিলে। ইযাৰ বাবে মিত্ৰদেৱ মহন্ত অত্যন্ত সুখী আৰু আনন্দিত হৈছিল।

সৰুকালত তেওঁ ককাকৰপৰাই যথেষ্ট শিক্ষা আহৰণ কৰিছিল। ককাকে তেওঁক সদায নিজৰ কাযতে ৰাখিছিল। তেওঁৰ খোৱা লোৱাটো ককাকেই চকু দিছিল। ককাকে যি বস্তু খাইছিল, সেই বস্তুও মিত্ৰদেৱ মহন্তক খাবলৈ দিছিল। ককাকে বৰালী মাছ নেখাইছিল বাবে তেওঁকো খাবলৈ নিদিছিল। ককাকে গাখীৰ দিয়া চাহ নেখাইছিল। তেওঁ খোৱা চাহত দুটোপাল মান নেমুৰ ৰস দিছিল। ককাকে তেওঁক সপ্তাহত এদিনকৈ চাহ খাবলৈ দিছিল। ককাকে কৈছিল যে চাহ খোৱা মানুহ কানীযা হয় আৰু চাহ পিত্তকাৰক। মিত্ৰদেৱ মহন্তই সৰুতে পানীত সাঁতুৰি-ডুবাই আৰু পানীত ভুৰ চলাই বৰ আনন্দ লাভ কৰিছিল। বৰশী বাইও তেওঁ ভাল পাইছিল। তেওঁ স্কুলত 'স্কাউটিং ভাল পাইছিল আৰু 'চাৰ্কাছ' চাবলৈ পালে নথৈ আনন্দিত হৈছিল। যোৰহাট চৰকাৰী স্কুলত পঢ়াকালত একেখন বেঞ্চত বহা তেওঁৰ সহপাঠী দুগৰাকী হ'ল— পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত

সন্দিকৈ আৰু সাহিত্যিক সাংবাদিক লক্ষ্মীনাথ ফুকন। পঢ়াকালত তিনিওগৰাকীয়ে শ্ৰেণী শিক্ষক চন্দ্ৰকান্ত বৰপূজাৰীৰ পৰা আৰ্শীবাদ লাভ কৰিছিল। এই শিক্ষকগৰাকীয়ে ধেমালিতে কৃষ্ণকান্ত সন্দিকৈক মাতিছিল 'পণ্ডিত' বুলি, লক্ষ্মীনাথ ফুকনে স্কুলীয়া কালত হাতেলিখা আলোচনী এখন উলিয়াইছিল বাবে তেওঁক মাতিছিল 'এডিটৰ' বুলি আৰু গান-বাজনাৰ প্ৰতি মন আকৃষ্ট বাবে মিত্ৰদেৱ মহন্তক মাতিছিল 'আৰ্টিছ' বুলি। এদিনৰ এই গুৰু বাক্য সঁচাকৈয়ে ফলিছে। ১৯১২ চনত তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯১৪ চনত তেওঁ কটন মহাবিদ্যালয়ৰ পৰা আই এ পৰীক্ষা পাছ কৰে। ইমানতে তেওঁ কলেজীয়া শিক্ষাৰ সামৰণি মাৰি, চাকৰি জীৱন আৰম্ভ কৰে। ১৯১৫ চনৰ পৰা তেওঁ যোৰহাট চৰকাৰী হাইস্কুলত সহকাৰী শিক্ষকৰ ৰূপে নিযুক্ত হয। তেওঁ ঢাকাৰ পৰা এল, টি, উপাধি লাভ কৰে। ১৯৩৭ চনত তেওঁ যোৰহাট নৰ্মাল স্কুলত স হকাৰী অধীক্ষক আৰু ১৯৪৭ চনত অধীক্ষক নিযুক্ত হয। কিন্তু তেওঁ এই কাম এৰি, ১৯৪৭ চনৰপৰাই গোলাঘাট চৰকাৰী হাইস্কুলত প্ৰধান শিক্ষক নিযুক্ত হয। এই বিদ্যালযত তেওঁ ১৯৪৯ চনলৈ কাম কৰি, তাৰপিছত গোলাঘাট গুৰু ট্ৰেইনিং স্কুলত শিক্ষকতা কৰিবলৈ লয। ১৯৫০ চনত তেওঁ অৱসৰ লয। তেওঁ কেইবাবছৰো ধৰি যোৰহাট প্ৰাথমিক শিক্ষা পৰিষদৰ সভাপতি আছিল। অৱসৰ গ্ৰহণৰ পিছত তেওঁ নিজৰ সত্ৰৰ অধিকাৰ হয। সত্ৰৰ অধিকাৰৰূপে মূৰত সত্ৰীয়া পাগুৰী, আঠুৰ তললৈকে পিন্ধা চুৰিয়া আৰু ডিঙিত মেৰাই লোৱা চেলেংখনৰে সৈতে তেঁওক দেখাজনৰ শ্ৰদ্ধাত মূৰ দো খাই গৈছিল।

মিত্ৰদেৱ মহন্ত এগৰাকী সু অভিনেতা আৰু প্ৰখ্যাত নাট্যকাৰ আছিল। তেওঁ সৰুৰেপৰা অভিনয জীৱনৰ লগত জড়িত হয। তেওঁৰ অভিনয প্ৰথম ঘৰতে আৰম্ভ হয। এইক্ষেত্ৰত পিতৃৰ পৰা তেওঁ যথেষ্ট অনুপ্ৰেৰণা লাভ কৰে। পিতৃৰ অনুপ্ৰেৰণাতে তেওঁ শিৱসাগৰ শিৱদৌল প্ৰাংগনত শিৱৰাত্ৰি মেলা উপলক্ষে অনুষ্ঠিত হোৱা ভাওনাত অভিনয কৰাৰ সুবিধা লাভ কৰে। ইযে তেওঁ প্ৰথম আনুষ্ঠানিক অভিনয। দহ বছৰমান বযসত নামতিৰ ন-মাটি সত্ৰত অনুষ্ঠিত হোৱা ভাওনাত কৃষ্ণৰ ভূমিকাত ভাও দি তেওঁ ৰাইজৰ বিশেষ সমাদৰ লাভ কৰে। তাৰ পিছত, হাইস্কুলীযা জীৱনত মুকলীমূৰীযা গোঁসাইৰ টোলৰ সত্ৰলৈ গৈ অভিনযত মনোযোগ দিযে। এই ক্ষেত্ৰত মুকলীমূৰীযা টোলৰ অধ্যক্ষ কীৰ্তিচন্দ্ৰ গোস্বামী বিদ্যাভূষণৰ পৰা তেওঁ যথেষ্ট অনুপ্ৰেৰণা লাভ কৰে। বিশেষকৈ এবাৰ স্কুল টুৰ্ণামেণ্ট উপলক্ষে অনুষ্ঠিত এখন নাট অভিনযত তেওঁ বিশেষ শলাগৰ পাত্ৰ হয়। তাত অভিনীত 'ৰাম বনবাস' নাটকত তেওঁ মন্থৰা কুজীৰ ভাওটো অভিনয় কৰিছিল। তেওঁৰ অভিনয়ে তাত উপস্থিত থকা দৰ্শক মণ্ডলীৰ লগতে অসমৰ শিক্ষাধিকাৰ জি, এছ, স্মল চাহাবৰ আৰু শিক্ষক চন্দ্ৰকান্ত বৰপূজাৰীক অতিকৈ মোহিত

কৰিছিল। সেইদিনা মিত্ৰদেৱ মহন্তৰ অভিনয় চাই স্মল চাহাবে বোলে মন্তব্য কৰিছিল যে, আমেৰিকাত এনে অভিনয়ৰ বাবে মিত্ৰদেৱ মহন্তই লাখ লাখ টকা উপাৰ্জন কৰিব পাৰিলেহেতেন। মিত্ৰদেৱ মহন্তই জীৱনত অলেখ নাটকত ভাও দিছে, স্ত্ৰী ভূমিকাৰ পৰা আৰম্ভ কৰি, পুৰুষ ভূমিকা, ৰজা, খৰিভাৰী, পণ্ডিত, গজমূৰ্খলৈকে। ইয়াৰ লগে লগে তেওঁ নাটকো ৰচনা কৰি গৈছিল।

তেওঁ 'পোনাকণ' চলচ্চিত্ৰত অভিনয় কৰিছে। গ্ৰামোফোন কোম্পানীয়ে তেওঁৰ 'ৰুক্মিণী হৰণ ৰেকৰ্ড নাটিকা প্ৰচাৰ কৰে। উল্লেখ্য যে এইখনে অসমৰ প্ৰথম ৰেকৰ্ড নাটিকা। তেওঁৰ আন কেইখনমান গ্ৰামোফোন ৰেকৰ্ড হ'ল ঃ ভাগৱত ব্যাখ্যা, বৃদ্ধস্য তৰুণী ভাৰ্য্যা, তাই মোৰ প্ৰিয়া পানেশৈ, মিউনিচিপালিটিৰ ৰহস্য আদি।

মিত্ৰদেৱ মহন্ত শংকৰী সংস্কৃতিৰো এগৰাকী ওজা আছিল। তেওঁ অসম সত্ৰ সংঘৰ হোতা স্বৰূপ আছিল। তেওঁ গীতা, ভাগৱত, কীৰ্ত্তন, ঘোষা, বেদ, উপনিষদ আদি শাস্ত্ৰত পৰমজ্ঞানী লোক আছিল আৰু এইবিলাকৰ অনেকশ্লোক তেওঁৰ কণ্ঠস্থ আছিল। তেওঁৰ বৰগীত, ভটিমা মুখস্থ আছিল, নাম দিব জানিছিল, খোল তাল বজাব পাৰিছিল।

ইয়াৰ মাজতে তেওঁ সাহিত্য সাধনাত ব্ৰতী হৈছিল। তেওঁ অসমীয়া শিশু সাহিত্য, নাটক, গীত, কাব্য, চুটিগল্প আদি প্ৰাযবোৰ দিশতে মূল্যবান অৰিহণা আগবঢ়াই গৈছে। ধেমেলীয়া নাটক ঃ কুকুৰীকণাৰ আঠমঙলা (১৯১৮), বিয়া বিপৰ্য্যয় (১৯২৫), এটা চুৰট (১৯৩৫), টিপচহী (১৯৩৯), মেলটৰী (১৯৪৬), বম ফটকা (১৯৫০), ভোটৰ ৰগৰ (১৯৪৬), নিবোক ৰজা (১৯৫৫), অচিন কাঠৰ ঠোৰা (১৯৫৫), টেঁঙৰ ভেঙৰ, লেক লৌ লানি, চেঁচা জ্বৰ আদি।

নাটক ঃ চৰণ ধূলি (১৯৫৫), বলিছলন (১৯৫৬), বৈদেহী বিযোগ (১৯৬০), প্ৰচ্ছন্ন পাণ্ডৱ (১৯৫৬) আদি। শিশু সাহিত্য ঃ ধ্ৰুব (১৯২৫), মৌ মহাভাৰত (১৯২৫), প্ৰহ্লাদৰ ক-খ (১৯৩৫), ভাকুট কুট (১৯৪৮), জুনজুনি (১৯৫৫) আদি। কবিতা ঃ জ্ঞান লহৰী (১৯২৪), ৰাংঢালি, মদ হলাহল, মোহন ভোগ আদি।

গীতৰ পুথি ঃ গীতি শতদল আৰু ৰণৰঙ্গিনী আদি। তেওঁৰ অন্যান্য কেইখনমান গ্ৰন্থ হ'ল ঃ চন্দ্ৰহাৰ (১৯২০), অসমীয়া ধৰ্মাচাৰ্য্যৰ উপাধি (১৯২৬), থাপলি গুণ মালা (১৯৬০), গুৰুচক্ৰ (১৯৬০), ভুৰুকাত হাতী, বহাগ বিহুৰ সুৱাগী নাম, বৃটিছ সাম্ৰাজ্যৰ বুৰঞ্জী (যুটীয়াকৈ লিখা), টেঙৰী আইতা। ইয়াৰ উপৰিও তেওঁৰ বহুতো অপ্ৰকাশিত নাটক আছে। তেওঁ দুখন গ্ৰন্থৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ শিশু সাহিত্য বঁটা লাভ কৰিছে।

তেওঁ ১৯১৭ চনৰপৰা অসম সাহিত্য সভাৰ লগত জড়িত আছিল। ১৯৩২ চনৰপৰা ১৯৩৭ চনলৈকে তেওঁ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল।

অসম সাহিত্য সভাৰ তেওঁ দুবাৰো উপ-সভাপতি আছিল। ১৯৫৫ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ সংগীত শাখাৰ তেওঁ সভাপতি আছিল।

১৯৬১ চনত তেওঁ সংগীত নাটক অকাডেমি বঁটা লাভ কৰিছে। ১৯৮২ চনৰ জুনত অসম সাহিত্য সভাই তেওঁক 'সাহিত্যাচাৰ্য্য' উপাধিৰে সম্মানিত কৰে।

১৯৬৪ চনৰ ১ এপ্ৰিলত ডিগবৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ একত্ৰিংশ অধিবেশনৰ তেওঁ স ভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, 'সাহিত্যৰ (ৰচনাৰ) বিষয় বিচাৰি পৰ্ব্বত-ভৈয়াম চ'লাথ কৰিব নেলাগে, অৱশ্যে "নান দেশ ফুৰে যি নানা কথা শিকে সি"– একেজন হ'লে সোণত যে সুৱগা চৰে ইয়াকো অস্বীকাৰ কৰিব নোৱাৰি। তেনে অভিজ্ঞতাই ৰচনাৰ ঐশ্বৰ্য্য নথৈ বঢ়ায়, কিন্তু সাহিত্যৰ বিষয় সৰ্ব্বত্ৰ ব্যাপী। অন্তৰ্দৃষ্টিৰে চাব পৰাজনে কেচু মতাৰপৰা হিমালয়লৈকে, দুৱাৰ-চুকৰপৰা ৰাজকাৰেংলৈকে, শোৱাপাটীৰপৰা শ্মশান চিতালৈকে-সকলোবিলাকতে বিষয় বিচাৰি পায়, তেওঁলৈ ৰাজবাটে ৰিঙিয়ায, কপ্লিং ছিগা ৰেলে উকিয়ায়, ঘনচিৰিকাই চিকচিকায়, সমুদ্ৰে গৰ্জ্জে, জান জুৰিয়ে কলকলায়। "ঈশ্বৰ আছে ক'ত ?" বুলি প্ৰশ্নকৰ্ত্তাৰ উত্তৰত যিদৰে উত্তৰ দিব লাগিব "ঈশ্বৰনো নাই ক'ত ?" তেনেকৈয়ে সাহিত্যৰ বিষয়নো জগতত নাই ক'ত ?"

"যি দেশত তেওঁলোকৰ জন্ম, যি দেশত তেওঁলোকৰ জীৱিকা, যি দেশৰ মাটিত তেওঁলোকে দেহা এৰিবলৈকো আশা পালি আছে, সেই দেশৰ সাংস্কৃতিক জীৱনৰ লগত তেওঁলোকৰ সুকীয়া হৈ থাকিবৰ ইচ্ছা নকৰাটোৱেই অতি স্বাভাৱিক প্ৰেৰণা।"

১৯৮৩ চনৰ ২৬ মাৰ্চত তেওঁ এই সংসাৰৰপৰা চিৰ বিদায় লয়। ❑

ডিম্বেশ্বৰ নেওগ

"মৰে অসম, জীয়ে কোন? জীয়ে অসম, মৰে কোন? এয়ে আজি অসমীয়া জাতিৰ নতুন জীৱনৰ বিজয় হুঙ্কাৰ। অসমী জীয়াই থাকিব লাগিব, আৰু অসমীৰ বুকুৰ কুটুম কোনো মৰিব নোৱাৰিব ঃ এয়ে আমাৰ জাতীয় পণ। অসমীৰ কোলা মাতৃ হেৰুওৱা আন সন্তানৰ বাবেও সদায় মুকলি, অন্নপূৰ্ণা হৈ এই অসমীয়েই সবাওটিকে অন্ন যাচিছে, স্তন্যময়ী হৈ পুত্ৰ পোষ্য সদৌকে পুণ্য পীযুষ পিয়াইছে ঃ তাৰ বাবে অসমবাসী ধন্য আৰু চিৰ গৌৰৱান্বিত। অনেক বাৰ আমি দোহাৰিব পাৰোঁ, অসম ভাৰতৰ গৌৰৱ মুকুট, তেতিয়া সমগ্ৰ ভাৰত বিভিন্ন শাসনকাৰীৰ পদানত আছিল, তেতিয়াও অসমে সৌ দেড়শ বছৰৰ আগলৈকে স্বাধীনতাৰ বিজয়-পতাকা সগৰ্বে উৰাই আছিল। এই নতুন স্বাধীনতাৰ আন্দোলনতো এই বাবেই অসমে আগভাগ ল'ব পাৰিছিল, কিন্তু সেই স্বাধীনতা লাভৰ পাছত অসম আজি নিষ্ঠুৰভাৱে অৱহেলিত, এই লাঞ্ছনা দূৰ কৰিবলৈ অসমীৰ পুত্ৰ পোষ্যসকলো এক গোট হৈ অসমীৰ গৌৰৱ অম্লান কৰি ৰাখিব লাগিব।"

আজিৰ অসমীয়া জাতিক নতুন জীৱনৰ এনে বিজয় হুংকাৰ শুনোওৱা, বীৰ

অসমীয়া সাহিত্যিক গৰাকীয়ে ডিম্বেশ্বৰ নেওগ। তেওঁ আছিল একেৰাহে কবি, সমালোচক, নাট্যকাৰ, ঔপন্যাসিক আৰু চুটি গল্পকাৰ।

ডিম্বেশ্বৰ নেওগৰ জন্ম হয় ১৮৯৯ চনৰ ৭ আগষ্টত, শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। তেওঁৰ পিতাকৰ নাম মাণিকচন্দ্ৰ আৰু মাকৰ নাম চন্দ্ৰপ্ৰভা।

তেওঁ সৰু কালৰ শিক্ষা ১১৩ নং কমাৰফদীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ত আৰম্ভ কৰে। তেওঁৰ জীৱনৰ প্ৰথম শিক্ষক আছিল যোগধৰ শৰ্মা বৰুৱা। ১৯০৯ চনতে তেওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা শেষ কৰি শিৱসাগৰ উচ্চ ইংৰাজী বিদ্যালয়ত ভৰ্তি হয়।

১৯১৯ চনত তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ গুৱাহাটীলৈ আহি কটন মহাবিদ্যালয়ত বিজ্ঞান শাখাত ভৰ্তি হয়। ১৯২৪ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা বি এছ ছি উপাধি লাভ কৰে। তেওঁ এম এ আৰু বি টি উপাধিও লাভ কৰে। ১৯৩০ চনত তেওঁ বেণুধৰ ৰাজখোৱাৰ জীয়েক আজলীতৰাৰ লগত বিবাহ পাশত আৱদ্ধ হয়।

ডিম্বেশ্বৰ নেওগে শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰে। অসমৰ বিভিন্ন ঠাইত, বিশেষকৈ শিৱসাগৰ, গুৱাহাটী, ডিব্ৰুগড, ধুবুৰী, উত্তৰ লক্ষীমপুৰ আদিলৈ গৈ, সেইবোৰ ঠাইৰ বিদ্যালয়ত শিক্ষকতা কৰে। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলতো শিক্ষকতা কৰে। ১৯২৬ চনত যোৰহাট নৰ্মাল স্কুলত অধ্যক্ষৰূপে নিযুক্ত হয়। ১৯৫৭ চনত তেওঁ এই পদৰপৰা অৱসৰ গ্ৰহণ কৰে।

১৯২০-২১ চনত মহাবিদ্যালয়ৰ পঢ়া কালত, তেওঁ গুৱাহাটী এ এচ এল ক্লাবৰ সম্পাদক নিযুক্ত হৈছিল। ১৯২৪ চনত তেওঁ অসম ছাত্ৰ সন্মিলনৰ সম্পাদক নিযুক্তি হয়।

নেওগ ডাঙৰীয়াই ১৯২৩ চনৰপৰা ১৯২৬ চনৰ সময়ছোৱাত ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন' সম্পাদনা কৰে। তেওঁ দৈৱচন্দ্ৰ তালুকদাৰ আৰু শুকদেৱ গোস্বামীৰ সৈতে 'জন্মভূমি' নামৰ কাকত এখনো সম্পাদনা কৰিবলৈ লৈছিল। তেওঁ অসম সাহিত্য সভা পত্ৰিকাৰ ৫ম, ৭ম আৰু ৮ ম আৰু ১০ ম বছৰ সংখ্যাৰ সম্পাদক আছিল।

নেওগ ডাঙৰীয়া দীৰ্ঘদিন ধৰি অসম সাহিত্য সভাৰ লগত জড়িত আছিল। তেওঁ ১৯৪৪ চনৰপৰা ১৯৪৭ চনৰ কাৰ্যকালত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আছিল। তেওঁ অসম সাহিত্য সভাৰ কবি সন্মিলনৰো এবাৰ সভাপতি আছিল।

নেওগ ডাঙৰীয়া সৰু কালৰপৰা সাহিত্য সেৱাত ব্ৰতী হয়। পোনতে তেওঁ স্কুলৰ পৰা প্ৰকাশিত 'ভুমুকি' নামৰ হাতেলিখা আলোচনী এখনৰ সহকাৰী সম্পাদক আছিল। তেওঁৰ সাহিত্যিক সৌন্দৰ্য কৈশোৰতে ফুটি ওলাইছিল ঃ

'যি দেশত নাই দুখ - হুমুনিয়া
বিষাদৰ চকুপানী,
সকলো দেশৰ শিৰত সি দেশ
সি দেশ হিয়াৰ ৰাণী।'

সপ্তমমান শ্ৰেণীত পঢ়ি থাকোতে তেওঁৰ কাপ-মৈলামৰপৰা নিগঢ়ি ওলাইছিল ঃ

'তুমি সৰজিলা প্ৰভু, সুনীল আকাশ
শতেক বৰণে বিভূষিত,
দেখিলে ভাবুক হয় ভাবত মগন,
জগতৰো চিত বিমোহিত।"

স্কুলীয়া কালতে এদিন শিক্ষকে শ্ৰেণীত বহি থাকোতে তেওঁক আম বা কঠালৰ বিষয়ে কবিতা এটি ৰচিবলৈ কোৱাত, তেওঁ ৰচিছিল ঃ

'জেঠ আষাঢ়ত ধৰা অতি দিব্য ৰূপ,
ফলবৰ, হেৰা তুমি আম।
মোহিনী সেন্দুৰ সানা আলসুৱা গাত, —
দেখিলেই আলি যেন খাম।।
সোৱাদ ফলৰে হেৰা তুমি শিৰোমণি,
চাবলৈকো মন-প্ৰাণ হৰা,
বাহিৰ ৰূপত তুমি যেনে ধুনীযাটি,
হিয়া তেনে সোৱাদেৰে ভৰা।"

এইজন কবিয়ে তেওঁৰ জন্ম ঠাই কমাৰফদীয়া সৰু গাঁওখনিকো ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ বুলি কল্পনা কৰি কবি প্ৰতিভাৰ বিশেষ স্বাক্ষৰ দাঙি ধৰিবলৈ সক্ষম হৈছে ঃ

"কমাৰফদীয়া এই সৰু গাওঁখনি মোৰ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ
ইয়াতে শৈশৱ লীলা ইয়াতে এদিন মোৰ
কোনোবা শৰত ৰাতি
যৌৱনৰ ধীৰ জাগৰণ।"

'ইন্দ্ৰ ধনু'ৰ কবিৰূপে পৰিচিত, ডিম্বেশ্বৰ নেওগৰ অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা প্ৰকাশিত সাহিত্য-সম্ভাৰৰ ভিতৰত হ'ল— কবিতা ঃ মালিকা (১৯২২),

সঁফুৰা (১৯২৩), থুপিতৰা (১৯২৫), মালতী (১৯২৭), ইন্দ্ৰধনু (১৯৩০), দীপাৱলী (১৯৩২), মুকুতা(১৯৩২), শ্বহীদ কাৰবালা (১৯৪০), মানুহ (১৯৪১), মেঘদূত (১৯৪২), অসমা (১৯৪৭), বিচিত্ৰা (১৯৪৮), থাপনা (১৯৪৮), গুৱনী (১৯৫২), নেওগ কাব্যমালা (১৯৬৬) আদি। নেওগে বিজ্ঞানসন্মতভাৱে এলানি অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণযন কৰিছে। সেইবোৰৰ ভিতৰত হ'ল ঃ আধুনিক অসমীযা সাহিত্যৰ বুৰঞ্জী (১৯৩৭), অসমীয়া কথা প্ৰতিভা, অসমীযা সাহিত্যৰ বুৰঞ্জীত এভুমুকি(১৯৪০), অসমীযা সাহিত্যৰ জিলিঙনি, অসমীযা সাহিত্যৰ সংক্ষিপ্ত বুৰঞ্জী (১৯৫০), New Light of the History of Asamiya Literature (১৯৬২), নতুন পোহৰত অসমীযা সাহিত্যৰ বুৰঞ্জী (১৯৬৬), অসমীয়া ভাষা আৰু লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ, অসমীয়া ভাষা আৰু লিপিৰ কাহিনী (১৯৫১) আদি। বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় গ্ৰন্থ ঃ বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি (১৯৩৭), Jagatguru Sankardev (১৯৬২), যুগনায়ক শংকৰদেৱ (১৯৬৬), বৈষ্ণৱ ধৰ্মৰ ক্ৰম বিস্তাৰ আদি।

সংগ্ৰহ আৰু সম্পাদনা ঃ আকুল পথিক (১৯২২), ভোগজৰা (১৯২৮), কাব্য প্ৰতিভা (১৯৩৫), পুতলি, ৰহৰহী, পানী মিঠে আদি। তেওঁ কেইবাখনো ওখ-খাপৰ ইংৰাজী গ্ৰন্থও ৰচনা কৰিছে। তেওঁৰ সেই ইংৰাজী গ্ৰন্থ সমূহৰ ভিতৰত হ'ল ঃ Asmiya Language and script, Pre-historic Assam, History of Modern Assamese Literature, Introduction to Assam The origin and Growth of Asamiya Language আদি। নাটক ঃ শিশু লীলা, ৰাসক্ৰীড়া, কুণ্ডিল কুঁৱৰী, অকাল বসন্ত, কামৰূপ আদি।

১৯৬৫ চনৰ ১৮ জানুৱাৰীত নলবাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "সাহিত্য সমাজৰ শহ্ বাবেই সাহিত্যৰ উত্থান-পতনৰ হেতু যেনেকৈ সমাজৰ আভ্যন্তৰীণ গতিত বিচাৰিব লাগে, সমাজৰ উত্থান-পতনো তেনেকৈয়ে আমি সাহিত্যত বিচাৰি পাব পাৰোঁ, আনহে নালাগে, সাহিত্যৰ ৰুচি আৰু ৰচনা-ৰীতিৰ উত্থান-পতনৰো হেতু সমাজতেই লুকাই আছে। উদাহৰণভাৱে আমাৰ সাহিত্যত যদি বিজতৰীয়া ৰুচি বা বেবেজীয়া গঢ কিবা সোমাইছে, তাৰপৰা বুজিব লাগিব সমাজৰ অন্ততঃ এক শ্ৰেণী লোকৰ ৰুচি তেনে বিজতৰীয়া হৈছে, বা বেবেজীয়া গঢ ভাল পোৱা এক শ্ৰেণী লোক ওলাইছে। কিন্তু এয়ে লেখকবিলাকক স্বেচ্ছাচাৰিতাৰ পট্টাদাৰ নাপাতে, যি হেতুকে ইতৰ বা বৰাহ ৰুচি-পূৰণ তেওঁলোকৰ কাম নহয়, সমাজৰ আৰু জাতিৰ কল্যাণ-সাধনৰ মহৎ দায়িত্ব সাহিত্যকৰ সদায়েই আছে। সমাজৰ আৰু সাহিত্যৰ পতনমুখী অৱস্থাত

উন্নত ৰুচি আৰু উৎকৃষ্ট ভাবধাৰাৰে সমাজক উদ্বুদ্ধ কৰা আৰু সাহিত্যিক নতুন দিশ দৰ্শন কৰোৱা সাহিত্যিকৰ মহৎ কৰ্ত্তব্য ঃ অসমীয়া সাহিত্যত শংকৰদেৱৰ দৰে ইংৰাজী সাহিত্যত মিল্টন প্ৰভৃতিয়েই তাৰ উৎকৃষ্ট দৃষ্টান্ত। এই বাবেই কোনো অৱস্থাতে সমাজক বাদ দি সাহিত্যৰ বিচাৰ হ'বই নোৱাৰে, আৰু যিখিনিতে আমি সাহিত্যৰ কোনো চিন্তা-ধাৰা বুজিবলৈ টান পাওঁ সেইখিনিতে আমি পুলুকা মাৰি সমাজ-ক্ষেত্ৰত প্ৰৱেশ কৰিব লগা হয়; কিয়নো প্ৰত্যেক গ্ৰন্থৰ পাছত যেনেকৈ এজন লেখক আছে, প্ৰত্যেক লেখকৰ পাছত তেনেকৈ তেওঁৰ চিন্তাৰ পৰিপোষক এখন সমাজ আছে। অকল সমাজ বোলোঁ কিয়, জাতীয় জীৱনৰ বেলিকাও এই কথা অনেক পৰিমাণে খাটে ঃ জাতিৰ উত্থান-পতনৰ সঙ্কেত তাৰ সাহিত্যত, আন নালাগে ভাষাতো, পাবলৈ আছে, জাতিৰ অতীতৰ বিষয়ে যেতিয়া আন সাক্ষী একো নাথাকে, ভাষা-সাহিত্য তাত আগবাঢ়ি আহে; কিয়নো ভাষা সাহিত্যই জাতিৰ আত্মপ্ৰকাশৰ ঘাই সুঁতি।" তেওঁ কৈছিল, "অসমীয়া জাতিৰ ভূত-ভবিষ্যৎ, সুখ-দুখৰ লগত মোৰ প্ৰাণ গঁথা আছে, অসমীয়া ভাষা-সাহিত্যৰ উন্নতি মোৰ হেঁপাহৰ ধন।"

নেওগে শেষ নিশ্বাস ত্যাগ কৰে ১৯৬৬ চনৰ ১২ নবেম্বৰত। ☐

বিনন্দ চন্দ্ৰ বৰুৱা



"গড়গাঁও, গড়গাঁও, কথা শুনি তল যাওঁ, বাট দেখি পিছলে যে পাৰ,
দিখৌৰ সোঁতত যোৰা, ভটীয়নী বল পোৱা, উভতিব খোজে মাৰ নাও।
— ওচৰতে দেখি গড়গাওঁ।
ওলট্-পালট্ দেশ, কথাৰে নহয় শেষ, কটাৰীৰো ডাবে তাৰ কাটে,
বাঘ-গৰু হালে হালে, একে ঘাটে পানীখালে, নগৰৰ দেওলগা ঘাটে,
— দেও তাত ফুৰে হাটে-বাটে।
বিদেশীৰ চকু থিৰ, স্বদেশীৰ ওখ শিৰ, দেওলগা মানুহৰ দেশ,
উজুটিত ভাগে দাঁত, কোৎ্ৰালত হৰে মাত, অহা যোৱা নাই তাত শেষ,
— জনে জনে ভিন্ ভিন্ বেশ।
সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম, কাপুৰুষে সদা পায় লাজ,
নাই দিন, নাই ৰাতি, নাই পানী, নাই মাটি, আদেশ মাথোন হয় 'সাজ'।
— ইচ্ছা যেন স্বৰ্গ মহাৰাজ।"

'গড়গাঁৱ'ৰ এনে অতীত বৰ্ণনাৰে হৃদয়ত ধ্বনিৰ খলকনি তোলা, সেই ধ্বনি কবিগৰাকীয়ে বিনন্দ চন্দ্ৰ বৰুৱা। 'গড়গাঁও' এই কবিতা ৰচিয়ে তেওঁ গড়গাঁৱৰ কবিৰূপে পৰিচিত হয়। এই কবিতাত ব্যৱহৃত হোৱা 'গড়গাঁৱৰ কথা শুনি তল যোৱা,' 'ভটিয়নী সোঁতৰ বল পোৱা', 'গড়গঞা কটাৰীৰ ডাবেও কাটে' আদি পটন্তৰবোৰ সৰ্বসাধাৰণৰ ভাষা হ'ল।

বিনন্দ চন্দ্ৰ বৰুৱাৰ জন্ম হয় ১৯০১ চনৰ জানুৱাৰী মাহত, টীয়কত। তেওঁৰ জন্ম হয় নহটিৰ মোমায়েকৰ ঘৰত। "টীয়ক নহটিৰ গাখীৰ খোৱা মৌজাৰ মৌজাদাৰ কমলেশ্বৰ বৰুৱাৰ দুৱাৰ চুকত মই জীৱনৰ প্ৰথম চকু মেলো ১৮২৩ শকৰ ১৫ মাঘ মংগলবাৰ কৃষ্ণা পঞ্চমীৰ দিনা।" তেওঁৰ পিতাকৰ নাম গোপালচন্দ্ৰ বৰুৱা আৰু মাকৰ নাম দময়ন্তী দেৱী। টীয়কীয়া অধ্যাপক শুকদেৱৰ পুত্ৰ হেমলতা বৰুৱা, তেওঁৰ দ্বিতীয় পুত্ৰ অচ্যুতানন্দ বৰুৱা। অচ্যুতানন্দ বৰুৱাৰ পাঁচজন পুত্ৰ। তেওঁলোক হ'ল — হেমচন্দ্ৰ বৰুৱা, গোলাপ চন্দ্ৰ বৰুৱা, কমলচন্দ্ৰ বৰুৱা, বিষ্ণুচন্দ্ৰ বৰুৱা আৰু উপেন্দ্ৰ নাথ বৰুৱা। গোপাল চন্দ্ৰ বৰুৱাৰ পুত্ৰ বিনন্দ চন্দ্ৰ বৰুৱা। বিনন্দ চন্দ্ৰ বৰুৱাৰ বৰদেউতাক কমলচন্দ্ৰ বৰুৱা 'বৰদৈচিলা'ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল।

টীয়ক পাঠশালাতে তেওঁৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয়। ৫৪ নং দুলীয়া গাওঁ পাঠশালাত পঢ়ি থকা কালত, সেই বিদ্যালয়ৰ শিক্ষক মুখ্যেশ্বৰ শৰ্মাই তেওঁলোকক শ্ৰুতলিপি দিওঁতে বিনন্দ চন্দ্ৰ বৰুৱাৰ ভুল হৈছিল আঠাইশটা। সেই ভুলৰ বাবে সেইদিনা তেওঁ শিক্ষকৰ ওচৰত আঠাইশটা বেতৰ কোব খালে।

এই সম্পৰ্কে তেওঁ কৈছে, "পণ্ডিতৰ আঠাইশ কোব বেতৰ বাবে মোৰ বহুত ভুলৰ সংশোধন হ'ল আৰু আঠাইশ বেতমান দিয়া হ'লে কিজানি মোৰ গোটেই জীৱনলৈকে ভুল কৰাৰ ভয় নেথাকিলহেতেন।" সৰতে তেওঁ আইতাকৰপৰাই বহুতো জ্ঞান আহৰণ কৰিছিল। সৰুতে আইতাকৰ কাষতে পদ-পুথি পঢ়ি আখৰ চিনাকি হৈছিল। আইতাকৰ ওচৰত তেওঁ পঢ়া প্ৰথম ধৰ্মমূলক গ্ৰন্থখন আছিল — 'অনাদি পাতন।' তাৰপিছত তেওঁ ৰামায়ণ, মহাভাৰত, পুৰাণ, কীৰ্ত্তন, ভাগৱত আদিও পঢ়ে। আইতাকে তেওঁক আশীৰ্বাদ দিছিল, বংশৰ পদুমফুল হ'বলৈ।

প্ৰাথমিক শিক্ষা শেষ কৰাৰ পিছত, তেওঁ যোৰহাট চৰকাৰী বিদ্যালয়ত ভৰ্ত্তি হয়। যোৰহাটত পঢ়োতে, তেওঁ যোৰহাটৰ তৰাজানত থকা দদায়েক বিষ্ণুচন্দ্ৰ বৰুৱাৰ লগত থাকে। ১৯২১ চনত তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৫ চনত তেওঁ গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰপৰা বুৰঞ্জীত সন্মান সহ স্নাতক উপাধি লাভ কৰে। ১৯২৬ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ আৰু আইন পঢ়িবলৈ লয় যদিও দুয়োটা বিষয়তে শিক্ষা শেষ কৰা নহ'ল।

তেওঁক এচ. ডি চি পদ যচা হৈছিল যদিও তেওঁ সেই পদ প্ৰত্যাখ্যান কৰে। তেওঁ শিক্ষকতা জীৱনহে বাচি ল'লে। ১৯২৯ চনত তেওঁ জাঁজী উচ্চ ইংৰাজী বিদ্যালযত শিক্ষকৰূপে নিযুক্ত হয়। পিছত তেওঁ এই বিদ্যালয়ৰ প্ৰধান শিক্ষক পদত অধিষ্ঠিত হয়। ১৯৬৭ চনত তেওঁ চাকৰিৰ পৰা অবসৰ গ্ৰহণ কৰে। তেওঁ টীয়ক মহাবিদ্যালয়তো অসমীয়া বিভাগৰ অবৈতনিক অধ্যাপকৰূপে কিছুদিন কাম কৰে।

বিনন্দ চন্দ্ৰ বৰুৱা নানা সাহিত্য-সংস্কৃতিমূলক কামৰ লগতো জড়িত আছিল। ১৯১৭ চনত তেওঁ অসম ছাত্ৰ সন্মিলনৰ লগত জড়িত হৈছিল আৰু এই অনুষ্ঠানৰ ১৯২৪ চনত তেওঁ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। ১৯১৭ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনত তেওঁ ছাত্ৰ-দৰ্শকৰূপে উপস্থিত আছিল। ১৯৫৮-১৯৫৯ চনৰ কাৰ্যকালত তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল।

১৯৫৯, ১৯৬০, ১৯৬১, ১৯৬৫ চনৰ সময়ছোৱাত তেওঁ অসম সাহিত্য সভাৰ উপসভাপতি আছিল। ১৯৬৫ চনত তেওঁ অসম সাহিত্য সভাৰপৰা গুৱাহাটী বিশ্ববিদ্যালযৰ ক'ৰ্টৰ সদস্য নিৰ্বাচিত হৈ কেইবাছৰো কাৰ্যনিৰ্বাহ কৰে। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰো ক'ৰ্টৰ সদস্য আছিল। তেওঁ ঢুলীয়া ওজা সন্মিলনৰো সভাপতি আছিল। তেওঁ লাচিত মেলাৰো সম্পাদক আৰু পিছত সভাপতি নিৰ্বাচিত হৈছিল।

বিনন্দ চন্দ্ৰ বৰুৱাই সংবাদ জগতলৈও বিশিষ্ট বৰঙণি আগবঢ়াইছে। ১৯২১ চনত তেওঁ ছাত্ৰ সভাৰ মুখপত্ৰ 'জেউতী'ৰ সম্পাদক আছিল। তাৰ পিছত, ১৯২৬ চনত গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা 'মিলন' আলোচনীৰ তেওঁ সম্পাদক আছিল আৰু ১৯৩১ চনত তেওঁ 'বৰদৈচিলা'ৰ সহযোগী সম্পাদক আছিল।

হাইস্কুলীযা জীৱনপৰাই তেওঁ সাহিত্য সাধনাত ব্ৰতী হয়। সেই সময়ছোৱাত তেওঁ হাতে লিখা আলোচনী 'প্ৰভাত' সম্পাদনা কৰে। আলোচনীখনৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'অসম' কবিতাটিযে তেওঁৰ ৰচনা কৰা প্ৰথম কবিতা। এই সময়ছোৱাৰ আভাস দি তেওঁ এঠাইত কৈছে, "এই আলোচনী লিখাৰ সময়তে মোক আৰু আমাৰ ক্লাবৰ সদস্যসকলক মুকুন্দ দাসৰ যাত্ৰা আৰু গানে বৰ উত্তেজিত কৰি তুলিছিল। তাৰ পিচতেই চন্দ্ৰনাথ শৰ্মা যোৰহাটলৈ আহি অসহযোগ আন্দোলনৰ বক্তৃতা দিয়েহি, আমি সকলো কাম পিছে পেলাই এই বক্তৃতা শুনো। এদিন মই স্কুলৰপৰাই গুচি গৈছিলোঁ। এইবোৰৰ পিছত মই জাতীয় ভাবৰ কবিতা লিখিবলৈ আৰম্ভ কৰোঁ।" তেওঁ কটন মহাবিদ্যালযত পঢ়ি থকা কালত, মহাবিদ্যালযৰ সাহিত্য সভা আৰু ধৰ্মালোচনী সভাৰো সম্পাদক আছিল।

এই সময়ছোৱাতে গুৱাহাটীত অসম সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল আৰু এই অধিবেশনৰ সভাপতি আছিল লক্ষ্মীনাথ বেজবৰুৱা। সাহিত্য সভা উপলক্ষে বেজবৰুৱা গুৱাহাটীলৈ আহোতে, কটন মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে সম্বৰ্দ্ধনা জনোৱা অনুষ্ঠানত বিনন্দ চন্দ্ৰ বৰুৱাই 'বীণৰ সুৰ' নামৰ এটি কবিতা পাঠ কৰি বেজবৰুৱাৰ উচ্চ প্ৰশংসা লাভ কৰিবলৈ আৰু ভৱিষ্যতে লিখি যাবলৈ প্ৰেৰণা লাভ কৰে। তাৰ পিছত 'স্বামী বিবেকানন্দ স্মৃতি সভা'ত 'ভাৰতবৰ্ষ' কবিতা পাঠ কৰি — অধ্যাপক, আশুতোষ চেটাৰ্জী, লক্ষ্মীনাথ চেটাৰ্জী আদিৰপৰাও উচ্চ প্ৰশংসা লাভ কৰে। তেওঁৰ প্ৰকাশিত কাব্য গ্ৰন্থ ঃ শঙ্খধ্বনি (১৯২৬), প্ৰতিধ্বনি (১৯৩৮), শিশুধ্বনি (১৯৪০), জয়ধ্বনি (১৯৪৫), সংকীৰ্ত্তন মালা, অন্তৰ ধ্বনি, ফুলকলি, বৰনামঘৰ আদি। গদ্যমূলক ঃ ৰাজস্থানৰ গল্প, মহাৰাজ নৰনাৰায়ণ (১৯২৬), ল'ৰাৰ বেজবৰুৱা (১৯৬৮), অসম গৌৰৱ (১৯৬৩), সাহিত্য ৰত্নাৱলী (১ম ভাগ), সাহিত্য ৰত্নাৱলী (২য় ভাগ) স্বদেশৰ বুৰঞ্জী (যুটীয়া), ভাৰতৰ শাসন নীতি (১ম ভাগ), ভাৰতীয় শাসন নীতি (২য় ভাগ), আদি। গহীন নাটকঃ পাৰ্থ সাৰথি (১৯৩১), শৰাইঘাট (১৯৩৭), শ্ৰীক্ষেত্ৰ আদি। ধেমেলীয়া নাটক ঃ টি টি হেই আৰু বেঙুনা ৰহস্য। তেওঁ 'কেৰপাই বাপু' আৰু 'বিশিষ্টানন্দ' উপনামেৰে ভালেমান প্ৰবন্ধ ৰচনা কৰে। 'অতীতৰ ৰং' তেওঁৰ আত্মজীৱনী।

মানৱ জীৱনৰ বিভিন্ন ধ্বনি তেওঁৰ কাব্যৰ মূল আধাৰ। নিষ্ঠুৰ কালৰ বুকুত বিভিন্ন অতীত গৌৰৱ হেৰাই যোৱাত আক্ষেপ কৰি তেওঁ ৰচিছে ঃ

"একালৰ বৃন্দাবন
একালৰ পৰে চন,
নিয়তীৰ এনুৱা বিধান,
বুৰঞ্জীয়ে দিয়ে সমিধান,
ক্ষণ স্থায়ী মান অপমান।"

তেওঁ অসমীয়া জাতিৰ অস্তিত বিপন্ন হোৱাৰ আকাংখা কৰি ৰচিছিল ঃ

"অসম দেশত অসমীয়া কথা নুবুজা ক'ত যে লোকৰ বাস,
কেতিয়া কৰিব কোনেনো বুজিছে গোটেই অসমৰ অস্তিত্ব গ্ৰাস।
সেয়েহে কৈছোঁ মাতষাৰি গ'লে সকলোটি যাব নেথাকে চিন,
সাজু হোৱা নতুন আহিছে সৌৱা মহাপ্ৰলয়ৰ ভীষণ দিন।"

(শ্মশান)

তেওঁৰ বেছিভাগ কবিতাই জাতীয় ভাবাপন্ন ঃ

"আগীয়া টুঁটীৰ গড়ৰ কাষত দৰঙী কোঁৱৰে পাতিছে ৰণ,
হয় বা মৰিব নহয় মাৰিব অসমৰ বীৰে কৰিছে পণ।
দিল্লীপতিৰ অলেখ সেনানী কত ৰাজপুত পাঠান বীৰ,
কৰোঁ বুলি জয় অসমৰ সেনা কৰি দিছে আগ আপোন শিৰ।"

তেওঁ যুৱ সমাজলৈ আহ্বান জনাই ৰচিছে ঃ

"উঠাহে উঠাহে শক্তিসাধক
জাগাহে জাগাহে দেশৰ যুৱক
তপত শোণিত শিৰে শিৰে বক,
উঠাহে কৰ্মবীৰ" (কৰ্মবীৰ)।

১৯৬৬ চনৰ ৫ মাৰ্চত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰয়ত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "ৰাইজৰ মাজত দেশাত্মবোধৰ ভাব যিমান হ'ব লাগিছিল সিমান হোৱা নাই। আমাৰ স্বাধীনতা প্ৰসূত জাতীয় উৎসৱবিলাকেই তাৰ একোটা জ্বলন্ত নিদৰ্শন। আমাৰ অনেক ডেকাই সংসাৰৰ সকলো মায়া মোহ ত্যাগ কৰি জননী জন্মভূমিৰ গৌৰৱ ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিলে আমি ঘৰত সোমায় থকা বিলাকে তেওঁবিলাকৰ এই মহৎ ত্যাগৰ আদৰ্শত দেশৰ বাবে সামান্য ত্যাগ স্বীকাৰ কৰিবলৈও কুণ্ঠিত হৈ আছো। অসমৰ সাহিত্যিক সমাজৰ গাত সৰ্ব্বসাধাৰণক এই কৰ্ত্তব্য সোঁৱৰাই দিয়াৰ দায়িত্ব নিশ্চয় আছে। সাহিত্যিক সকলে দেশাত্মবোধ কি তাক বুজি পায়। যদি নাপায় তেন্তে তেওঁ সাহিত্যিক নহয়। কোনো এজন মহাপুৰুষে একে দিনাই দেশৰ জনগণৰ অন্তৰ শুদ্ধ কৰি দিব নোৱাৰে।"

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৯৪ চনৰ ২২ মাৰ্চত। ❑

নকুল চন্দ্ৰ ভূঞা



"জাতিৰ জীৱনত জাতীয় বুৰঞ্জীৰ প্ৰভাৱ মন কৰিবলগীয়া। অসম বুৰঞ্জীৰ পাতৰ পৰা অসমীয়া জাতিয়ে জাতি হিচাপে জীয়াই থকাৰ সকলোখিনি শিক্ষা লাভ কৰিব পাৰে। অসম এখন বুৰঞ্জী- প্ৰসিদ্ধ দেশ। অতীতৰ কামৰূপ-প্ৰাগজ্যোতিষপুৰৰ ধাৰাবাহিক বুৰঞ্জী পাবলৈ নাই যদিও নৰকাসুৰ, ভগদত্ত, ভাস্কৰবাৰ্মা আদিৰ ঘটনাৱলীতো ভালেখিনি শিক্ষামূলক আৰু জাতি হিচাপে জীয়াই থকাৰ সম্বল পোৱা যায়। আদিৰেপৰা অসম ভাৰতবৰ্ষৰ ভিতৰত জাকত জিলিকা আৰু বুৰঞ্জী-প্ৰসিদ্ধ দেশ। দেশৰ হকে যুঁজি মৃত্যু বৰণ আৰু শত্ৰুক নিপাত কৰি দেশৰ গৌৰৱ অক্ষুন্ন ৰখা অসমীয়া জাতিৰ স্বভাৱ।"

অসমীয়াসকলক জাতি হিচাপে জীয়াই থাকিবলৈ অসম বুৰঞ্জীৰ এনে গৌৰৱ কাহিনী শুনোওৱা বিশিষ্ট সাহিত্যিক গৰাকীয়ে নকুল চন্দ্ৰ ভূঞা। নকুল চন্দ্ৰ ভূঞা একেৰাহে নাট্যকাৰ, বুৰঞ্জীবিদ, গল্পকাৰ, প্ৰবন্ধকাৰ, শিশু সাহিত্যিক আৰু জীৱনীকাৰ ৰূপে প্ৰখ্যাত।

নকুল চন্দ্ৰ ভূঞাৰ জন্ম ১৮৯৫ চনত (জেঠ), চাৰিঙত। তেওঁৰ বাৰভূঞা বংশত জন্ম হয়। তেওঁৰ পিতাকৰ নাম গোপাল চন্দ্ৰ ভূঞা আৰু মাকৰ নাম ডালিমী দেৱী।

তেওঁ যোৰহাট মধ্যম বঙলা বিদ্যালযত শিক্ষা আৰম্ভ কৰে। ১৯১৬ চনত যোৰহাট চৰকাৰী হাইস্কুলপৰা তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২০ চনত কলিকতাত মুদ্ৰালিখন আৰু সংক্ষিপ্ত লিখন পঢ়ি আহি, ডিব্ৰুগড ডিষ্ট্ৰিক্ট ক্লাব লাইব্ৰাৰীত পুথিভঁৰালী হিচাপে নিযুক্ত হয়। পিছত ডিব্ৰু-শদিয়া ৰেল বিভাগত কেৰাণী আৰু ডেপুটী কমিছনাৰৰ কাৰ্যালযত কেৰাণীহে ১৯২৩ চনত তেজপুৰলৈ বদলি হৈ যায। ১৯২৪ চনত তেওঁ চৰকাৰী চাকৰি এৰি, যোৰহাট চিনমৰা চাহ বাগিচাত সহকাৰী পৰিচালক ৰূপে কাম কৰিবলৈ লয। পিছত যোৰহাট টি কোম্পানীৰ মেনেজাৰ পদ পায। ১৯৫৪ চনত তেওঁ বৰ চাপৰি চাহ বাগিচাৰ পৰা অৱসৰ গ্ৰহণ কৰে।

তেওঁ অসম সাহিত্য সভাৰ লগত বিশেষভাৱে জড়িত আছিল। ১৯২৪ চনত তেওঁ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল। তাৰপিছত তেওঁ এই অনুষ্ঠানৰ ১৯৫৯-৬০ চনৰ সমযছোৱা ধনভঁড়ালী আৰু ১৯৬০ চনৰ পৰা বহু বছৰ চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ ধনভঁড়ালী আছিল।

তেওঁ সৰুকালৰেপৰা সাহিত্য সেৱাত ব্ৰতী হৈছিল। তেওঁ ছাত্ৰাৱস্থাতে সহপাঠী কৃষ্ণকান্ত সন্দিকৈৰ লগ লাগি হাতে লিখা আলোচনী এখন প্ৰকাশ কৰিছিল। তদুপৰি তেওঁ ডিব্ৰুগড়ৰপৰা প্ৰকাশিত আলোচনীত কবিতা লিখিবলৈ লয। তেওঁক তেজপুৰ নাট্যমঞ্চই বিশেষ প্ৰভাৱ পেলায। তেজপুৰত তেওঁ পদ্মনাথ গোহাঞি বৰুৱা আৰু দণ্ডিনাথ কলিতাৰ অনুপ্ৰেৰণা লাভ কৰি, নাটক ৰচিবলৈ ধৰে। তেওঁৰ প্ৰকাশিত সাহিত্য সম্ভাৰ সমূহৰ ভিতৰত হ'ল— নাটক ঃ বদন বৰফুকন (১৯২৭), চন্দ্ৰকান্ত সিংহ (১৯৩১), বিদ্ৰোহী মৰাণ (১৯৩৮), নুমলী কুঁৱৰী (১৯৬৩), শাহু আই (১৯২৫), স্বয়ম্বৰা, বাঁহ গড়ীয়া বুঢ়াগোহাঁই আতন আদি। বুৰঞ্জীমূলক ঃ বাৰ ভূঞা (১৯১৬), বৰ বাৰভূঞা লহকৰ ভূঞাৰ বংশাৱলী (১৯৬০), বাৰভূঞাৰ চমু বুৰঞ্জী (১৯৬১) আদি। গল্প ঃ চোৰাং চোৱাৰ চ'ৰা (১৯১৮), জোনোৱালি (১৯৩৩), গল্পৰ শৰাই (১৯৬২), গল্পৰ কুঁকি আদি। কবিতা ঃ ব'হাগী (১৯২৩), বুলনি। জীৱনী ঃ ৰাধাকান্ত সন্দিকৈ ডাঙৰীযা (১৯৬১)। আত্মজীৱনী ঃ স্মৃতিচাৰণ, পুৰণি কথা আদি। অন্যান্য ঃ চাহ বাগিচাৰ বনুৱা (১৯৬০), সোণহঁতৰ ভীষ্ম (১৯৫৬), আমাৰ পাঠ (১৯৫১)। ভাষণাৱলী ঃ বাট কেনি, মণিৰাম পিয়লীৰ তিথি, চাৰিঙৰ ছাত্ৰ সন্থা, জযমতীৰ তিথি আদি।

১৯৬৬ চনৰ ৩১ ডিচেম্বৰ আৰু ১৯৬৭ চনৰ ১ জানুৱাৰীত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুঃত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "যুগ পৰিবৰ্ত্তনশীল। সাহিত্যও পৰিবৰ্ত্তনশীল। যুগৰ প্ৰভাৱ সদায় আমাৰ সাহিত্যত পৰি আহিছে। সময়ে জাহ নিযাব নোৱাৰে এটা যুগ,

যেতিয়া ই জীয়াই থাকে সাহিত্যৰ বুকুত। বাস্তৱ জগতৰ প্ৰভাৱ সাহিত্যিকৰ লিখনিত পৰিবই। বৰ্তমান যুগ সংগ্ৰামৰ যুগ। প্ৰত্যেক কথাতে আমি সংগ্ৰাম কৰিবলগীয়া হৈছে — 'খোৱা মুঠিৰ কাৰণে, নিজৰ ভাষাটোৰ কাৰণে, নিজৰ দেশখনৰ কাৰণে, দুৰ্নীতিৰ বিপক্ষে, লাভখোৰ, সুদখোৰৰ বিৰুদ্ধে। আমাৰ আজি সমস্যা বহুত। এই সমস্যাৰ মাজত যি সাহিত্য সৃষ্টি হৈছে, তাতো এই সমস্যা হৈছে। দেশৰ জনগণৰ যি আৰ্থিক সংকট আছে, ব্যৱহাৰিক-সামাজিক ক্ষেত্ৰত যি সমস্যা আছে সেইবিলাকৰ প্ৰতিফলন হ'ব লাগে সাহিত্যত। কাৰণ সাহিত্যই যেতিয়া সহানুভূতি সৃষ্টি কৰিব পাৰে, তেতিয়াই জনসাধাৰণ সাহিত্যৰ প্ৰতি সজাগ হয়। বহুতো সাহিত্যিকে আজি সাহিত্য চৰ্চাত হাত দিছে, কিন্তু তেওঁলোকৰ সাহিত্যত ৰাইজে সিমান অনুমোদন কৰা নাই, তেওঁলোক সাহিত্যত কিছুমান ধাৰ কৰা ত্ৰুটি থকাৰ বাবে। ঐকান্তিকতাহীন, অভিজ্ঞতাহীন সাহিত্য কেতিয়াও কালজয়ী হ'ব নোৱাৰে।"

১৯৬৮ চনৰ ১৬ জানুৱাৰীত নকুল চন্দ্ৰ ভূঞাৰ মৃত্যু হয়। ❑

জ্ঞাননাথ বৰা

"বৰ্তমান আমাৰ ৰাজনীতি কেৰোণে ধৰিছে। যিদিনৰেপৰা ভাৰতে স্বাধীনতা পালে সেইদিনৰেপৰা ভাৰতীযই ৰাঁজনৈতিক ক্ষমতা লাভ কৰি দেশৰ শাসন কাৰ্য্য চলাবলৈ ধৰিছে। ভাৰতীযই অতদিন তেনে ক্ষমতা পোৱা নাছিল। আজ্ঞি বহুতলোকে সেই ক্ষমতাৰপৰা মান-মৰ্য্যাদা আৰু ধন-ঐশ্বৰ্য্য লাভ কৰি নিজ দলৰ ক্ষমতা কেনেকৈ নিজৰ হাতৰ তলুৱাত চিৰকাল ৰাখিব পাৰি তাৰ কাৰণে সকলো উপায় অবলম্বন কৰিছে। ক্ষমতাৰ ৰাগী অদ্ভুত। এই ৰাগীয়ে এবাৰ পালে মানুহৰ হিতাহিত জ্ঞান নাইকিয়া হয়। ক্ষমতাৰ লোভত পৰি অনেকে নকৰিব লগীয়া কাম কৰি ৰাজনীতি মলিয়ন কৰিছে। কোনো কোনোৱে এনেকুৱা ক্ষমতাৰপৰা ধন-ঐশ্বৰ্য্য লাভ কৰিছে। এযে ধন-লোভ দিনক দিনে বঢ়াই মানুহক মতলীয়া কৰিছে। এই ক্ষমতালোভ আৰু ধনৰ লোভে আমাৰ ৰাজনীতি পাপময় কৰিছে। দুৰ্নীতিৰ ঘন কুঁৱলীয়ে গোটেই দেশ আবৰি ধৰিছে। এই ৰাজনীতিক পাপ মুক্ত কৰা যায় কেনেকৈ? কোনে এই কলুষিত ৰাজনীতিক শুচি কৰি পৱিত্ৰ কৰিব পাৰিব? চৰকাৰে উগ্ৰ শাস্তিৰ বিধান কৰি ৰাজনীতিক কেতিয়াও নিষ্পাপ কৰিব নোৱাৰিব।

ৰাজনৈতিক দলবোৰে কোনো উপায়েৰে ৰাজনীতিক নিৰ্ম্মল কৰিব নোৱাৰিব। পাৰিব কোনে? কেৱল সাহিত্যই। সাহিত্যৰ গৰ্ভত অসীম শক্তি লুকাই আছে। ইয়াৰে কৰিব নোৱৰা কাম জগতত নাই। এটা জাতিৰ ভাগ্যৰ চকৰি সাহিত্যই ঘূৰাব লাগিছে। পৃথিবীত আজিলৈকে যিবিলাক ধৰ্ম-বিপ্লৱ, সমাজ বিপ্লৱ হৈছে সকলোৰে গুৰিত সাহিত্যই। সাহিত্যযো ক'ব পাৰে জগতৰ মানৱৰ কল্যাণৰ অৰ্থে মই কেতিয়াবা ধৰ্মশাস্ত্ৰ ৰূপ ধৰি, কেতিযাবা সমাজ-নীতি শাস্ত্ৰ ৰূপ ধৰি, কেতিযাবা ৰাজনীতি শাস্ত্ৰৰূপ ধৰি 'সম্ভৱামি যুগে যুগে'।"

সাহিত্যৰ চিৰন্তন সত্য এই ৰূপটোৰ বিষয়ে এনে বলিষ্ঠ মন্তব্য আগবঢোৱা লেখকগৰাকীযে জ্ঞাননাথ বৰা।

জ্ঞাননাথ বৰাৰ জন্ম হয় ১৮৯০ চনৰ ২০ মাৰ্চত, গুৱাহাটীত। তেওঁৰ পিতাকৰ নাম সত্যনাথ বৰা আৰু মাকৰ নাম ভুবনমোহিনী। সত্যনাথ বৰা এগৰাকী প্ৰখ্যাত সাহিত্যিক আৰু আইনবিদ। সত্যনাথ বৰাই সাৰথি, কেন্দ্ৰসভা, সাহিত্য বিচাৰ, বহল ব্যাকৰণ আদি কেইবাখনো মূল্যবান গ্ৰন্থৰ ৰচক। সত্যনাথ বৰাৰ দুজন পুত্ৰ। প্ৰথম পুত্ৰ অম্বিকানাথ আৰু দ্বিতীয়পুত্ৰ জ্ঞাননাথ বৰা।

তেওঁ গুৱাহাটীতে পঢাশলীয়া জীৱন আৰম্ভ কৰে। ১৯১২ চনত তেওঁ গুৱাহাটীৰ কলেজিয়েট হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯১৬ চনত তেওঁ কটন মহাবিদ্যালযৰপৰা বি, এ পৰীক্ষা আৰু ১৯২০ চনত গুৱাহাটী আৰ্লল কলেজৰপৰা বি, এল পৰীক্ষাত উত্তীৰ্ণ হয়।

আইন পৰীক্ষা পাছ কৰাৰ পিছত, তেওঁ গুৱাহাটীত ওকালতি ব্যৱসায় আৰম্ভ কৰে। কিছুদিন পিছত, তেওঁ কলিকতালৈ যায আৰু কলিকতা হাইকোৰ্টত আইন ব্যৱসায আৰম্ভ কৰে। তাত তেওঁ ১৯২৭ চনৰপৰা ১৯৪৭ চনলৈ ওকালতি কৰে। তাৰপিছত তেওঁ গুৱাহাটীলৈ আহি, গুৱাহাটীৰ ল কলেজৰ অধ্যক্ষ নিযুক্ত হয়। এই কলেজৰ অধ্যক্ষৰূপে তেওঁ ১৯৫১ চনৰ পৰা ১৯৫৮ চনলৈ সেৱা আগবঢ়ায।

১৯০৬ চনত গুৱাহাটী একতা সভাৰ জন্ম হয়। এই সভাৰ অন্যতম গুৰিয়াল আৰু প্ৰথম সম্পাদক নিৰ্বাচিত হয় জ্ঞাননাথ বৰা। অসম ছাত্ৰ সন্মিলনৰ লগতো জন্ম লগ্নৰেপৰা জ্ঞাননাথ বৰা জড়িত আছিল।

১৯১৮ চনত তেওঁ অসম ছাত্ৰ সন্মিলনৰ তৃতীয় অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁ অসম ৰাজ্যিক মহাসভাৰো সভাপতি আছিল।

জ্ঞাননাথ বৰা সৰু কালৰেপৰা সাহিত্য সাধনাত ব্ৰতী হয। ছাত্ৰাৱস্থাতে 'উষা'ত তেওঁৰ এলানি কবিতা প্ৰকাশিত হয। পোনতে তেওঁ ৰচনা কৰা কবিতাটি আছিল 'সখী

ঐ পৰেনে মনত।' তেওঁ বাঁহী, আৱাহন, মণিদীপ আদি আলোচনীত এলানি চিন্তামূলক প্ৰবন্ধ ৰচনা কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ হ'ল — অসমত বিদেশী (১৯২২), যুগতত্ত্ব (১৯২৪), শ্ৰীহট্ট বিচ্ছেদ (১৯৩৫), নতুন পৃথিৱী (১৯৪৫), অসমীয়া পুৰণি সাহিত্য (১৯৫০), আধুনিক সাহিত্য (১৯৬০), A plea for Sanskrit As National Language (১৯৫৪), Provincialism (১৯৫৫), কংগ্ৰেছ আৰু মুছলীম লীগৰ দ্বাৰা গৃহীত মন্ত্ৰী মিছনৰ আঁচনি আৰু আমাৰ কৰ্ত্তব্য আদি। অসমীয়া স্বৰাজ, অসম ভাৰতৰ ভিতৰত থাকিব কিয়? কামৰূপ আৰু ভাৰতবৰ্ষ, ভাৰতৰ নিৰপত্তা আৰু অসম দেশ আদি তেওঁৰ মূল্যবান প্ৰবন্ধ।

১৯৬৮ চনৰ ২৭ জানুৱাৰীত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, "আমাৰ নিজৰ অস্তিত্বৰ অৰ্থে দিনে-নিশাই অবিৰাম যুঁজিব লাগিছোঁ। আমাৰ কেউপিনে সংগ্ৰাম। পূবে সংগ্ৰাম, পশ্চিমে সংগ্ৰাম, উত্তৰে সংগ্ৰাম, দক্ষিণে সংগ্ৰাম। এই সংগ্ৰামত কোনে যুদ্ধ কৰি আমাক উদ্ধাৰ কৰিব?

এই সংগ্ৰাম নতুন নহয়। এশ বছৰ আগেয়ে ইংৰাজে অসম দেশ অধিকাৰ কৰাত আমাৰ মানুহৰ এনেকুৱা এটা সংগ্ৰামত কোনে যুঁজিলে? কেৱল সাহিত্যিকে। 'অৰুণোদয' আৰু 'জোনাকী' যুগৰ সাহিত্যকসকলে সেই সংগ্ৰামত নুযুঁজাহেঁতেন আমাৰ ভাষা কোনোবা দিনাই মৰি গ'লহেতেন।'

১৯৬৮ চনৰ ৩০ নবেম্বৰত জ্ঞাননাথ বৰাৰ মৃত্যু হয়। ❒

আনন্দ চন্দ্ৰ বৰুৱা

'বকুল বনৰ কবিতাত বিষয়-বস্তুৰ বিচিত্ৰতাৰ লগতে বিষয়ানুগ ভাষা আৰু ছন্দৰ ব্যৱহাৰ সঁচাকৈয়ে মন কৰিবলগীয়া। মোৰ এনে যেন লাগে, এই এজন কবিয়ে নিজে কোনো পূৰ্ণতা পালোঁ বুলি দাবী নকৰি, নিজকে নিজে অনুকৰণ নকৰি, নিজৰ বেশ আৰু ভংগী সলাই সলাই আগবাটি গৈ আছে। তেওঁ কোনো এটা ধাৰাৰ সমাপ্তিৰ কবি নহয়— তেওঁ সম-সাময়িক সকলোৰে সহযাত্ৰী কবি। এজন আধুনিক কবি হিচাপে মই এই কথা অনুভৱ কৰো, আমাৰ পূৰ্বজ বহুতো কবিৰ লগত আমাৰ বাট এৰা-এৰি (Parting of ways) ঘটিছে, কিন্তু আনন্দ বৰুৱাক আমি যেন লগ পাই আছোঁ। তেওঁ আমাৰ লগত আহিছে নে আমি তেওঁৰ লগত গৈছোঁ এতিয়াও ঠিক ক'ব নোৱাৰোঁ। অন্ততঃ তেওঁৰ শেষ বয়সৰ কবিতাকেইটি যেন এতিয়া গগৈ-দুৱৰা সুৰীয়া কবিতাতকৈ আমাৰ বেছি আপোন।' কবি নৱকান্ত বৰুৱাই এইদৰে চন্দনৰ ফোঁট পিন্ধোৱা কবি আনন্দ চন্দ্ৰ বৰুৱাৰ বিশাল প্ৰতিভাৰ আজিও অসমীয়া উপযুক্ত সমাদৰ নজনোৱাৰ আক্ষেপ কৰি লিখিছে — 'সাহিত্য অকাডেমিয়ে এই কবিজনক সন্মান যঁচাটো পলম হ'ল বুলি নকওঁ, কাৰণ অসমীয়া পাঠকে আনন্দ বৰুৱাৰ কবিতাক ভালকৈ চিনি পাবলৈ এতিয়াও বাকী।'

১৯৭৭ চনত সাহিত্য অকাডেমি বঁটা পোৱা 'বকুল বনৰ কবিতা' (১৯৭৬) এখন মূল্যবান কাব্য সংকলন। পৃথিৱীৰ প্ৰেমত দেৱলীয়া হোৱা মনটোৱে আনন্দময়, জীৱন সুধা বিচাৰি বিচাৰি ৰূপ-ৰস-গন্ধ-স্পৰ্শ-শব্দৰ এখনি শৰাই 'বকুল বনৰ কবিতা' বুলি কবিয়ে ভাষা-জননীৰ মন্দিৰলৈ আগবঢ়াইছে। তেওঁ প্ৰকৃতিৰ বিভিন্ন ৰূপ ত প্ৰেয়সীৰ লাৱণিত, নিজৰ মাজত, কবিতাৰ মাজত সৌন্দৰ্য আৰু সুন্দৰক প্ৰত্যক্ষ কৰিছে। তেওঁৰ কবিতাত ভাৰতীয় দৰ্শনৰ প্ৰভাৱো পৰিলক্ষিত হৈছে। বকুল বনৰ কবিতাত সন্নিবিষ্ট হোৱা এশটা কবিতাৰ কোনো কোনোটোত দেশ-প্ৰেমৰ উজ্জ্বল চানেকি আছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই বৰুৱাৰ কাব্য প্ৰতিভাৰ মূল্যায়ন কৰি লিখিছে— 'বৰুৱাৰ কবিতা পূৰ্ণ মাত্ৰাই ৰোমাণ্টিক লক্ষণাক্ৰান্ত। কল্পনাৰ চঞ্চল-বিলাস, অনুভূতিৰ সুকুমাৰতা আৰু আৱেগৰ তীব্ৰতা তেওঁৰ কবিতাত উপলব্ধি কৰা যায়। গভীৰ অন্তৰ্দৃষ্টি নাইবা ভাবৰ মহত্ত্ব সকলো কবিতাত সমভাৱে নাই যদিও কবিতাসমূহত স্বাভাৱিক মাধুৰ্য আৰু আৱেগ-সঞ্চাৰী গুণ বৰ্তমান।'

আনন্দ বৰুৱাৰ অন্যান্য সাহিত্য-সম্ভাৰৰ ভিতৰত — পৰাগ, পুষ্পক, ৰঞ্জন-ৰশ্মি, হাফিজৰ সুৰ, কুমাৰ সম্ভৱ, পাপৰিৰ পৰিমল, এচিযাৰ জ্যোতি, কপৌ কুঁৱৰী, পণ্ডিত মদন মোহন মালবীয়, মেঘদূতৰ পূৰ্বমেঘ, বিসৰ্জন, বিজয়া, কমতা কুঁৱৰী, নল-দময়ন্তীয়ে উল্লেখযোগ্য।

আনন্দ চন্দ্ৰ বৰুৱাই ১৯২৬ চনৰ কলেজীয়া জীৱনৰপৰাই কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ প্ৰথম কবিতাটি বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশিত হৈছিল। তাৰ পিছত 'আৱাহন'ত লিখিবলৈ লয়। আৱাহনৰ প্ৰথম বছৰ ১ম সংখ্যাৰ ১ম পৃষ্ঠাত প্ৰকাশিত 'আৱাহন' কবিতাটো বৰুৱাপ্ডাঙৰীয়াৰ। তেওঁৰ সৰুকালৰ কবিতাৰ চানেকি এনেধৰণৰ "আনিলো এদিন ধৰি/চৰাই পোৱালি এটি/বননিৰ পৰা"। তেওঁ মণিদীপ, অসম বাণী, অসম বাতৰি, জনমভূমি আৰু নৱযুগত অলেখ মূল্যবান প্ৰবন্ধ লিখিছে।

বাস্তৱ জীৱনত তেওঁক লগ পোৱা সকলে কয় যে, আনন্দ চন্দ্ৰ বৰুৱাই তেওঁৰ সমগ্ৰ জীৱন সাধুতা আৰু সৰলতাৰ মাজেৰে কটাইছে। তেওঁৰ সকলো মানুহৰ প্ৰতি আছিল সম-হৃদয়। তেওঁ যদি কোনো মানুহৰপৰা কেতিয়াবা এটা টকাও বাকী লৈছিল, তাক চাৰিবছৰ পিছতো পৰিশোধ কৰাৰ দৃষ্টান্ত আছে।

তেওঁৰ জীৱনৰ কৃতকাৰ্য্যতাৰ এটা প্ৰধান কাৰণ আছিল যে, তেওঁ যি কাম কৰিছিল — তাক নিয়াৰিকৈ আৰু অন্তঃকৰণেৰে কৰিবলৈ লৈছিল। তেওঁলোকৰ পৰিয়ালটোৱে আছিল কলা-সংস্কৃতিৰ টোল আৰু সেই পৰিৱেশৰ মাজতে আনন্দ চন্দ্ৰ বৰুৱা লালিত-পালিত হৈছিল। তেওঁলোকৰ ঘৰুৱা পৰিৱেশটো এক মহান আশ্ৰম যেন আছিল।

১৯০৭ চনৰ ৩১ ডিচেম্বৰত শিৱসাগৰ মহকুমাৰ আসাম কোম্পানীৰ চাহ বাগিচা খুমটাইত তেওঁৰ জন্ম। পিতৃ প্ৰেমধৰ বৰুৱা, মাতৃ ইন্দ্ৰাণী দেৱী। নিজা ঘৰ যোৰহাটৰ ডিহ্য ঢেকীয়াখোৱা গাঁৱত। ১৯১৮ চনত প্ৰাথমিক শিক্ষা শেষ কৰি ১৯১৯ চনত কাকজান চৰকাৰী মাইনৰ স্কুলত ভৰ্তি হয়। ১৯২১ চনত মাইনৰ স্কুল পাছ কৰি ১৯২২ চনত যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলত ভৰ্তি হয়। ১৯২৬ চনত তেওঁ প্ৰবেশিকা পাছ কৰি কাশী হিন্দু বিশ্ববিদ্যালযত কলেজীয়া শিক্ষা আৰম্ভ কৰে যদিও অসম্পূৰ্ণ হয়।

তেওঁৰ স্কুলীয়া জীৱনৰ অন্তৰংগ বন্ধু আছিল কবি গণেশ চন্দ্ৰ গগৈ। আনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যিক অনুপ্ৰেৰণাৰ গুৰিতে আছিল — গণেশ গগৈৰ মৰমৰ অত্যাচাৰ আৰু প্ৰেৰণা। পৰস্পৰে বন্ধুত্বৰ স্মৃতি ৰাখিবলৈ গণেশ গগৈয়ে তেওঁৰ কবিতা পুথি 'পাপৰি' আনন্দ বৰুৱাৰ নামত অৰ্পণ কৰিছে আৰু আনন্দ বৰুৱাই তেওঁৰ 'এচিযাৰ জ্যোতি' গণেশ গগৈৰ নামত অৰ্পণ কৰিছে।

তেওঁ সাংবাদিক জীৱনৰে কৰ্মময় জীৱনৰ পাতনি মেলে। চন্দ্ৰ কুমাৰ আগৰৱালাৰ সাদিনীয়া অসমীয়া আৰু পিছত নীলমণি ফুকন সম্পাদিত 'বাতৰি'ৰ সহকাৰী সম্পাদক নিযুক্ত হয়।

তেওঁ কিছুদিন তিনিচুকীয়া হাইস্কুলত শিক্ষকতা কৰে।

১৯৪৩ চনত তেওঁ ভাৰতীয় বিমান বাহিনী আৰু ১৯৪৭ চনত যোৰহাটত কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ আই-টি-আইত কেৰাণী হিচাপে কাম কৰি ১৯৬৮ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়। তেওঁ যোৰহাটৰ 'বাণী সন্মিলন'ৰ লগতো ওত-প্ৰোতভাৱে জড়িত আছিল।

১৯৬৯ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষট্‌ত্ৰিংশ বৰপেটা অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা তেওঁ সভাপতিৰ আসনৰপৰা কৈছিল, "এখন সমাজবাদী গণতান্ত্ৰিক দেশৰ নিম্নতম মানুহজনকো সন্মানৰ স্থান দিযা উচিত। চহাজীৱনৰ কথা ক'বলৈ যাওঁতে গাঁৱলীয়া চৰিত্ৰবিলাকক তই, সি, তাক বুলি হেয় জ্ঞান কৰা অনুচিত। আকাশবাণীয়ে খেতিয়কসকললৈ বিবিধ বাৰ্তা দিওঁতে যিটো ভাষা ব্যৱহাৰ কৰিছে তাৰপৰা ব্যংগৰ সুৰ এটাহে কাণত পৰিছে। অসমীয়া গাঁৱৰ মানুহবিলাকেও শংকৰ-মাধৱৰ ঘোষা-কীৰ্ত্তন পঢ়ি শুনি মাৰ্জিত, ৰঢ়িয়াকৈ কব পাৰে। উচ্চ শ্ৰেণীৰ কাৰণে এটা আৰু চহা মানুহৰ কাৰণে আন এটা ভাষা থকাটো গণতান্ত্ৰিক নীতিৰ সম্পূৰ্ণ বিৰোধী।"

১৯৭০ চনত তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰা হয়।

এই নীৰৱ সাহিত্য সাধকগৰাকীৰ পৰলোকপ্ৰাপ্তি ঘটে ১৯৮৩ চনৰ ২৭ জানুৱাৰীত। ❑

উপেন্দ্ৰ চন্দ্ৰ লেখাৰু



সমগ্ৰ জীৱনটোৱে মানুহৰ বাবে কাম কৰি যোৱা আৰু মানৱ প্ৰেমেৰে হৃদয় ভৰি থকা, ভাৰতীয় প্ৰাচীন ঋষি-মুনিৰ জীৱন-যাপন কৰি ভাল পোৱা— এই বিৰল ব্যক্তিত্বৰ সাহিত্যিকগৰাকীয়ে উপেন্দ্ৰ চন্দ্ৰ লেখাৰু। তেওঁ মানুহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ কোনোদিন পক্ষপাতি নাছিল। তেওঁ মানুহৰ লগত সহৃদয়তা স্থাপন কৰি, পৰস্পৰে পৰস্পৰৰ সুখ-দুখৰ সমভাগী হোৱাটোকে কামনা কৰিছিল। তেওঁ বিলাসী জীৱন ভাল নেপাইছিল, খোৱা-লোৱা, পিন্ধন-ওৰণ সকলো আছিল সাধাৰণ। তেনেদৰে তেওঁৰ চিন্তা-ভাৱনা আৰু কাম-কাজৰ মাজতো সৰলতা দেখা গৈছিল। তেওঁ সদায় নীতিৰ মাজত থাকি ভাল পাইছিল। তেওঁৰ এই নৈতিকবান মনটোক সততে জীপাল কৰি ৰাখিছিল ধৰ্মপৰায়ণ মনটোৱে। মন্দিৰ-দেৱালয়ৰে আগুৰা ৰুদ্ৰেশ্বৰ গাঁওৰ পৰাই তেওঁ সৰুতেই ধৰ্মপ্ৰাণ মনটো লাভ কৰিছিল। তেওঁ জীৱনৰ সাত-আঠ বছৰ বয়সৰপৰাই পুৱাই ব্ৰহ্মপুত্ৰৰ গা-ধুই গোঁসাই ধৰ মোচা আৰু দেৱতাক আৰধনা কৰাৰ পবিত্ৰ হৃদয় এখন লাভ কৰিছিল। সেই সময়তে তেওঁ 'ঈশ্বৰেহে সত্য' এই তত্ত্বটো আয়ত্ত কৰিছিল।

তেওঁ প্ৰতিটো কামকে ভগৱানৰ সেৱা বুলি জ্ঞান কৰিছিল। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসৰ পথক সত্যভাৱে বিশ্বাস কৰিছিল। তেওঁৰ কৃষ্ণ ভক্তিত অটল আছিল বাবেই নেকি, তেওঁৰ এসময়ত কৰ্মক্ষেত্ৰ বৃন্দাবন, গোকুল, মথুৰালৈ বিয়পিছিল।

লেখাকৰ জন্ম হয় ১৯০৫ চনৰ ১৩ জানুৱাৰীত, উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰত।তেওঁৰ পিতাকৰ নাম নন্দৰাম আৰু মাকৰ নাম সোণপাহি।

তেওঁৰ সৰু কালৰ শিক্ষা উত্তৰ গুৱাহাটীতে আৰম্ভ হয়। ১৯১৮ চনত তেওঁ উত্তৰ গুৱাহাটীৰ পৰা মাইনৰ স্কুল পাছ কৰি, গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত ভৰ্ত্তি হয়। ১৯২২ চনত তেওঁ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৬ চনত তেওঁ কটন কলেজৰ পৰা দৰ্শনত সন্মানসহ বি এ পাছ কৰে। ১৯৩২ চনত তেওঁ আৰ্ল ল কলেজৰ পৰা বি এল উপাধি লাভ কৰে। ১৯৪০ চনত তেওঁ এম এ পাছ কৰে।

তেওঁ প্ৰথমতে উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুলত শিক্ষকতা কৰে। তাৰপিছত কিছুদিন তেওঁ গুৱাহাটীত ওকালতি কৰে। ১৯৩৮ চনত তেওঁ কটন কলেজত অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয়। ১৯৫৯ চনত তেওঁ কটন কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৬০ চনত তেওঁ বৃন্দাবন বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ববিদ্যালয়ত ‘শ্ৰীশ্ৰীশংকৰদেৱ আসন’ৰ বাবে গৱেষনা অধ্যাপকৰূপে যোগদান কৰে। ১৯৭৪ চনলৈকে তেওঁ তাত অধ্যাপনা কৰে। অৱসৰৰ পিছত তেওঁ গুৱাহাটীৰ নিজা ঘৰতে থাকিবলৈ লয়।

তেওঁ বিভিন্ন সাহিত্য, সামাজিক, ধৰ্মমূলক কামত ব্ৰতী হৈছিল। তেওঁৰ যত্নতে ১৯৩১ চনত উত্তৰ গুৱাহাটীত ‘আনন্দৰাম বৰুৱা পুথিভঁৰাল’ স্থাপিত হৈছিল আৰু তেওঁ ‘আনন্দ সমিতি’ গঠন কৰিছিল। বৃন্দাবনত থাকোতে তেওঁ‘শ্ৰীশ্ৰীশংকৰদেৱ সেৱা সংঘ’ প্ৰতিষ্ঠা কৰে। তেওঁ এই সংঘৰ সংপাদকো আছিল।

লেখাৰু ডাঙৰীয়া স্কুলীয়া দিনৰপৰা সাহিত্য-সাধনাত ব্ৰতী হয়। অষ্টমমান শ্ৰেণীত পঢ়ি থাকোতে তেওঁ “শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ (১৯২২) গ্ৰন্থখন বঙলা ভাষাৰ পৰা অনুবাদ কৰি প্ৰকাশ কৰে। তেওঁ ‘অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ’ ‘মিলন’ৰ সম্পাদনা সমিতিৰ লগত জড়িত আছিল। ছাত্ৰাৱস্থাতে তেওঁৰ মিলন, বাঁহী, চেতনা, আৱাহন, জয়ন্তী আদি আলোচনীত ভালেমান প্ৰবন্ধ প্ৰকাশিত হয়। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ’ল— সম্পাদনামূলকঃ কথা -গুৰুচৰিত (১৯৫২), কথা-সাহিত্য (১৯৪০), আদৰ্শ ৰচনাৱলী (১৯৪৯), বিশ্ববিদ্যালয় ৰচনাৱলী (১৯৪৮), ভক্তি প্ৰদীপ আদি। অনুদিত ঃ ভক্তি বিবেক (১৯৫১), ধৰ্মপদ (১৯৪৭) আৰু ছায়ানুবাদ— এনক আৰ্ডেন (১৯৪৮)। তেওঁৰ আন গ্ৰন্থসমূহ হ’ল— অসমীয়া সাহিত্যৰ সেৱক ৰজনীকান্ত বৰদলৈ (১৯৪৮), অসমীয়া ৰামায়ণ সাহিত্য (১৯৪৮), লক্ষ্মীনাথ বেজবৰুৱা (১৯৭৯) আদি। তেওঁ ‘জনশিক্ষা’

নামৰ আলোচনী এখনো সম্পদনা কৰিছিল। তেওঁ ইংৰাজী আৰু বঙালী ভাষাতো প্ৰবন্ধ ৰচনা কৰিছে।

১৯৭০ চনৰ ১৩ ফেব্ৰুৱাৰীত ধিং চহৰৰ ৰত্ন নগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ অধিবেশনৰ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "অসমত স্থায়ীভাৱে বাস কৰা আৰু বাস কৰিবলৈ অহা অনা-অসমীয়া লোকসকলে-অসমীয়া ভাষা শিকাটো নিতান্ত বাঞ্ছনীয়, য'ত আমি সকলোৱে ঐক্য সূত্ৰত বান্ধ খাই থাকিব পাৰোঁ। অৱেশ্যে অনেক দিনৰপৰা বাস কৰি থকা লোকৰ ভিতৰত অসমীয়া ভাষা জনা লোক আছেও। অসমীয়া ভাষাৰ শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত আমাৰো কৰ্তব্য আছে। যাতে তেওঁলোকৰ সকলোৱে অসমীয়া ভাষা শিকিব পাৰে তাৰ বাবে ব্যৱস্থা কৰাটো আমাৰ সমাজ আৰু চৰকাৰৰ পক্ষে যুক্তিসংগত। যদি তেওঁলোকক আমি আমাৰ মাজত ঠায়েই দিছোঁ, নাইবা নানাভাৱে অনা-অসমীয়ালোক অসমত সোমাইছেহি, তেওঁলোকে আমাৰ সৈতে ঐক্য সূত্ৰত বান্ধখোৱা আৰু আমাৰ ভাষা শিকা উচিত।"

লেখাৰুয়ে ১৯৭৯ চনৰ ৩ জুনত গুৱাহাটীত ইহলীলা সম্বৰণ কৰে। ❑

তীৰ্থনাথ শৰ্মা

অন্নপ্ৰাশন্ন আৰু লগুণ দিয়নিৰ দিনা ল'ৰাটোৱে পুথিত হাত নিদি ধানৰ দোণত হাত দিযাত ককাদেউতাক সোমেশ্বৰ শৰ্মাই ভাবিছিল ল'ৰাজন বিদ্যানুৰাগী নহ'ব। কিন্তু কালক্ৰমত সেইজন ল'ৰাই ১৯৭১ চনৰ মাকুমত অনুষ্ঠিত অসম সাহিত্য সভাৰ অষ্টাত্ৰিংশ অধিবেশনৰ সন্মানীয সভাপতি হ'ল আৰু ১৯৮৬ চনৰ সাহিত্য অকাডেমিৰ নিচিনা বঁটাও লাভ কৰিবলৈ সক্ষম হ'ল। এদিনৰ সেই ল'ৰাজনেই হ'ল পণ্ডিত তীৰ্থনাথ শৰ্মা।

অসমৰ এই প্ৰাতঃস্মৰণীয় তথা ভাষা-সাহিত্যৰ নিপুণ খনিকৰজনক যেতিযাই মই লগ কৰিবলৈ যাওঁ, কিতাপ পঢ়ি থকাহে দেখিবলৈ পাওঁ। তেওঁক লগ পাই কথা-বতৰা পাতোতে মোৰ এনে হেন লাগে— তেওঁ যিটো বিষয ক'বলৈ লয় যেন কথা নহয়, মুখৰপৰা শাৰী শাৰী মুকুতা কিছুমানহে সৰিছে। তেওঁ চলি ফুৰি থাকিবপৰা অৱস্থালৈকে সদায তেওঁক ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এপাক মৰা প্ৰাযে মই লক্ষ্য কৰিছিলোঁ। শেষৰফালে তেওঁ ভালেমান দিন বেমাৰ ভুগি থকা দেখিছিলোঁ। কিন্তু ১৯৮৬ চনৰ ২৩ অক্টোবৰৰ দিনা ভৰলুমুখৰ নিজ বাসভৱনত তেওঁৰ পৰলোকপ্ৰাপ্তিৰ খবৰটি পোৱাৰ

লগে লগে মই মৰ্মাহত হৈছিলোঁ আৰু অনুভৱ হৈছিল যেন তীৰ্থনাথ শৰ্মাৰ মৃত্যুৰ লগে লগে অসমীয়া সাহিত্যৰ এটা যুগৰো অন্ত পৰিল।

শৰ্মাই তেওঁৰ ৭৫ বছৰীয়া জীৱনকালত অসমীয়া জাতিলৈ নানা যুগমীয়া বৰঙণি আগবঢ়াই গৈছে। তেওঁৰ প্ৰত্যেকখন গ্ৰন্থই সাহিত্যলৈ একো একোটা বিশিষ্ট অৱদান। তেওঁৰ শেহতীয়া সফল সাহিত্য-কীৰ্ত্তি হৈছে— 'বেণুধৰ শৰ্মা' গ্ৰন্থ। গ্ৰন্থখন পঢ়ি ভাব হৈছে, বেণুধৰ শৰ্মাই চিনিছিল মণিৰাম দেৱানক, তীৰ্থনাথ শৰ্মাই চিনিছিল বেণুধৰ শৰ্মাক। বৈচিত্ৰময় জীৱন বৃত্তান্ত, সাহিত্য-চৰ্চাৰ ক্ৰমগতি, প্ৰকাশিত গ্ৰন্থৰ পৰিচয়, ব্যক্তিত্ব, সাহিত্যকৰ্মৰ অন্য সাধাৰণ কাল পৰি ভুগী অৱদানসমূহৰ যেনেকৈ 'বেণুধৰ শৰ্মা'ত (১৯৮৩) সমাবেশ ঘটিছে, ভাব হয় যেন ই গ্ৰন্থ নহয়, জীৱন্ত বেণুধৰজনহে। তেওঁ লিখিছে, "জীৱনী নায়কজনৰ কোনো এটা প্ৰাক্-প্ৰকল্পিত ধাৰণা মনত লৈ তাকে ফুটাই তুলিবলৈ এই সাহিত্যকৰ্ম বিস্তাৰ কৰা নাই। কালানুক্ৰমিক জীৱন ঘটনাৰ গতিত ৰূপ লোৱা মানুহজনকে ৰাইজে পাওক এই নীতি লৈ চৰিত গ্ৰন্থখন প্ৰণয়ন কৰা হৈছে।"

তেওঁৰ অন্যান্য সাহিত্যিক বৰঙণিবোৰৰ ভিতৰত—'কাম সেন্দুৰ' কবিতাৰ সংকলন, 'পঞ্চপুষ্প' ভাষা সাহিত্য বিষয়ক প্ৰবন্ধ সংকলন, 'সাহিত্য বিদ্যা পৰিক্ৰমা' ছন্দ অলঙ্কাৰ সম্বন্ধে আলোচনাত্মক গ্ৰন্থ, 'গান্ধী-শিক্ষা সাৰ' আৰু 'মহাত্মাৰ বাণী' গান্ধীজীৰ জীৱন দৰ্শন আৰু আদৰ্শৰ ভিত্তিত ৰচিত, 'আউনিআটী সত্ৰৰ বুৰঞ্জী' সত্ৰ আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কে আলোচিত উল্লেখযোগ্য গ্ৰন্থ। ভক্তিবাদ, ঝান্সীৰ ৰাণী লক্ষ্মী বাঈ, কামাখ্যা ৰাম বৰুৱা, প্ৰবেশিকা কথা চানেকি, চানেকি পাঠ, তেওঁৰ আন আন গ্ৰন্থ। 'কামধেনু' তেওঁৰ সম্পাদিত আলোচনী। তেওঁ জয়ন্তী, আৱাহন আৰু ৰামধেনুত ছদ্ম নামেৰে ভালেমান গল্পও ৰচনা কৰিছিল।

তীৰ্থনাথ শৰ্মাৰ জন্ম জাঁজীত, ১৯১১ চনৰ ২৩ নবেম্বৰ তাৰিখে। পিতৃ গোপাল চন্দ্ৰ শৰ্মা আৰু মাতৃ চেনেহী দেৱী। যোৰহাট ১নং প্ৰেকটিচিং স্কুলৰ পৰা প্ৰাথমিক শিক্ষা শেষ কৰি ১৯২৯ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ কটন কলেজত ভৰ্ত্তি হৈ ১৯৩৪ চনত সংস্কৃতত অনাৰ্চ্ছ সহ বি-এ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৩৭ চনত সংস্কৃতত এম-এ ডিগ্ৰী লাভ কৰে।

চাকৰি জীৱনত ১৯৩৮ চনৰপৰা ১৯৫০ চনলৈ কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক, ১৯৫০ চনৰপৰা কটন কলেজত গ্ৰন্থাধ্যক্ষ আৰু ১৯৫৪ চনৰপৰা ১৯৭১ চনলৈকে প্ৰাগজ্যোতিষ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

তেওঁ ভালেমান ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত আছিল। কলিকতাৰ এ এছ, এল ক্লাব, গান্ধী সাহিত্য পৰিষদ, বিশ্ব হিন্দু পৰিষদৰ তেওঁ এগৰাকী নিষ্ঠাবান কৰ্মী আছিল।

মহাত্মা গান্ধীৰ দৰ্শন আৰু আদৰ্শৰে অনুপ্ৰাণিত শৰ্মা ডাঙৰীয়া ছাত্ৰাৱস্থাৰেপৰা ৰাজনীতিতো সক্ৰিয় আছিল। স্বদেশী আন্দোলনত অংশ লোৱা বাবে তেওঁ কাৰাবৰণো কৰিছিল। তেওঁ ১৯৬২ চনত সাধাৰণ নিৰ্বাচনত সংসদী আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

পঢ়াশলীয়া পুথিৰ চৌ-সীমা পাৰ হৈ অসমীয়া সাহিত্যৰ মুকলি পথাৰলৈ ওলাবলৈ তেওঁক প্ৰথমে বাট পোনাই দিছিল বেণুধৰ শৰ্মাই। 'ৰবিঞ্চন ক্ৰুচ' তেওঁৰ অসমীয়া সাহিত্য অধ্যয়নৰ প্ৰথম দীক্ষা-পুথি।

পণ্ডিত তীৰ্থনাথ শৰ্মা ডাঙৰীয়াৰ হৃদয় জাতীয় প্ৰেমেৰে ভৰা আছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "মহাবাহু ব্ৰহ্মপুত্ৰৰ গিৰিমালা বেষ্টিত এই ভূমিত ঈশ্বৰে আমাক অসমীয়া ভাষা দিছে। তাত আনক ভাগ বহুৱাবলৈ কদাপি এৰি দিব নোৱাৰি। মহাবাহুৰ দুইপাৰৰ ভূ-ভাগত অসমীয়া মাত-কথাই কাৰো অন্যায নকৰাকৈ, কাৰো ভাগত থপিয়া-থপি নকৰাকৈ আপোন গৰিমাৰে পোজ্বল আৰু অধিষ্ঠিত থকাৰ স্বাধিকাৰ বাহাল ৰাখিব লাগিব। এই স্বাধিকাৰ নতুনকৈ অৰ্জন কৰিবলগীয়া স্বাধিকাৰ নহয় — "উপজিয়ে ৰঙা হৈ লগত অহা জন্ম স্বত্ব আৰু স্বাধিকাৰ।"

হেম বৰুৱা

"বৰ্ত্তমান আমাৰ সমাজ কেৰোণ গ্ৰস্ত। ই সমাজ ডোখৰ ডোখৰ কৰিছে। অভাৱ-অনাটন, দাৰিদ্ৰত জনসাধাৰণৰ জীৱন বৰ্ত্তমান জুৰুলা হৈছে। জনসাধাৰণৰ জীৱন উন্নত নকৰিলে সমাজ উন্নত কৰিব নোৱাৰি। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সকলো ক্ষেত্ৰতে শোষণৰ অন্ত পৰিলেহে সমাজ উন্নয়ন কৰিবলৈ আশা কৰিব পাৰি। শোষণ অন্ত কৰিব নোৱাৰিলে সমাজবাদো সম্ভৱ নহয। সমাজবাদী নহ'লে উন্নতি হয় কেনেকৈ? এচাম মানুহে আন এচাম মানুহক হাড়লৈকে চেপি শোষণ কৰাৰ অৰ্থ সমাজবাদ নহয়। শোষণহীনতা হৈছে সমাজবাদৰ এক লেখত লবলগীয়া লক্ষণ।"

সমাজবাদৰ এনে ব্যাখ্যা দাঙি ধৰা তথা সমাজত সমাজবাদী আদৰ্শ প্ৰতিষ্ঠাৰ বাবে সমগ্ৰ জীৱন অহো-পুৰুষাৰ্থ কৰা, এই বিশিষ্ট সাহিত্যিকগৰাকীয়ে হেম বৰুৱা। হেম বৰুৱা আছিল একেৰাহে সাহিত্যিক, ৰাজনীতিবিদ, সাংবাদিক আৰু শিক্ষাবিদ।

হেম বৰুৱাৰ জন্ম হয ১৯১৫ চনৰ ২২ এপ্ৰিলত, তেজপুৰত। তেওঁৰ পিতাকৰ নাম বিনন্দীৰাম শৰ্মা বৰুৱা আৰু মাকৰ নাম আছিল পদ্মালোচনী দেৱী। তেওঁলোকৰ

পূৰ্বপুৰুষ কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ। মধ্যম খণ্ডৰ বিখ্যাত ভঁড়ালী বৰুৱাৰ বংশধৰ বুলি তেওঁলোক জনাজাত। সৰুতে বিনন্দীৰামে মাক দেউতাকক হেৰুৱাই অভাৱ-অনাটনৰ সন্মুখীন হয। সেই সময়ত তেওঁ জীৱিকাৰ পথ বিচাৰি, জাহাজেৰে তেজপুৰ পায়। তেজপুৰত থিতাপি লৈ, তেওঁ এটি ডাক পিয়নৰ পদত নিযুক্তি হয়। পিছত সেই কাম এৰি, জাহাজ কোম্পানীৰ ক'ল ক্লাৰ্ক আৰু পদোন্নতি হৈ চব-এজেন্ট হয। তেওঁ তেজপুৰৰ গমিৰিতো চাহ বাগিচাত ফৰোৱাডিং এজেন্টৰূপে কাম কৰিছিল। পিছত, যোৰহাট তৰাজানত স্থায়ী ভাৱে বস-বাস কৰিবলৈ লয।

সৰু কালত তেওঁৰ জীৱন বৰ অনিশ্চযতাৰ মাজেৰে আগবাঢ়িছিল। সেই কালত তেওঁৰ পঢ়া-শুনাৰ প্ৰতি অকণো মনোযোগ নাছিল। পিতাকে স্কুলত তেওঁৰ নামটো ভৰ্ত্তি কৰি দিছিল যদিও তেওঁ স্কুললৈ যোৱাতকৈ বাটে-পথে ঘূৰিহে ভাল পাইছিল। তেওঁ ভাল পাইছিল, ৰাজ আলিৰ কাষত পেকিং বাকচত দোকান খোলাৰ বাবে। সেই দোকানত তেওঁ তামোল-পান, পেন্সিল, নিব, কাগজ আদি বিবিধ সামগ্ৰী বিক্ৰী কৰিছিল। কিছুদিন মোমায়েকৰ ঘৰত ৰাখিও তেওঁক পঢ়ুৱালে, কি জানিবা তেওঁৰ মনৰ পৰিবৰ্তন হযে। কিন্তু তেওঁৰ কোনো পৰিবৰ্তন নেদেখি, পিতাকে হতাশ হৈ দুখ মনেৰে তেওঁৰ আগত এদিন নিশা শুবৰ সময়ত কৈছিল, "সৰুতে আই-বোপা মৰি গ'ল। আনৰ ঘৰত ভাত ৰান্ধি, খৰি ফালি জানো পঢ়িব পাৰো? তইঁতে পঢ়ি-শুনি ডাঙৰ মানুহ হৈ অলপ শান্তি দিবি বুলি আশা কৰিছিলোঁ।" এইষাৰ কথাই শিশু হেম বৰুৱাৰ মনত বাৰুকৈয়ে লাগি গ'ল। সেইদিনাৰ পৰা তেওঁ পঢ়া-শুনাত মনোযোগ দিলে। ১৯২৮ চনত তেওঁ যোৰহাট টাউন এম ই স্কুলৰপৰা সুখ্যাতিৰে এম ই শিক্ষা সাং কৰে। ১৯৩২ চনত তেওঁ তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯৩৬ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা অনাৰ্ছসহ বি-এ আৰু ১৯৩৮ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা এম এ পাছ্ কৰে।

তেওঁ চাকৰি জীৱনত পোনতে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালযত উপাধ্যক্ষৰূপে নিযুক্ত হয়। এই সময়ছোৱাতে বিযাল্লিচৰ আন্দোলন আৰম্ভ হয আৰু তেওঁ এই আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰিবলগীয়া হয়। জেলৰপৰা ওলাই আহি ১৯৪৪ চনত তেওঁ এইবাৰ গুৱাহাটীৰ বি, বৰুৱা মহাবিদ্যালয়ত উপাধ্যক্ষৰূপে যোগদান কৰে। ১৯৪৫ চনৰপৰা ১৯৬৭ চনলৈকে তেওঁ বি, বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্য নিৰ্বাহ কৰে। এই সময়ছোৱাত বি, বৰুৱা মহাবিদ্যালয়ৰ উন্নয়নৰ নামত তেওঁৰ ত্যাগ স্মৰণীয হৈ থাকিব। মাজতে তেওঁ গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয অংশকালীন অধ্যাপক আৰু অধ্যক্ষৰূপেও কাৰ্য নিৰ্বাহ কৰিছিল।

সৰুৰেপৰা তেওঁ ৰাজনীতিৰ লগতো জড়িত আছিল। তেওঁ স্কুলীয়া দিনতে অৰ্থাৎ ১৯৩০ চনতে অসহযোগ আন্দোলত অংশ গ্ৰহণ কৰিছিল। এই আন্দোলনত যোগদান কৰি তেওঁ পুলিচৰ লাঠিৰ কোব খাইছিল। ১৯৪১ চনত তেওঁ ছাত্ৰ ফেডাৰেছনৰ সভাপতি ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ১৯৪৬ - '৪৭ চনৰ সময়ছোৱাত তেওঁ চোছিয়েলিষ্ট দলৰ সদস্য ভৰ্তি হয়। ১৯৫২ আৰু ১৯৫৬ চনত তেওঁ দুবাৰো গুৱাহাটীৰ পৰা বিধান সভাৰ নিৰ্বাচন খেলি পৰাজিত হয়। তেওঁ ১৯৫৭ চন আৰু ১৯৬২ চনত গুৱাহাটী লোকসভা সমষ্টিৰ বাবে সদস্য নিৰ্বাচিত হয়। ১৯৬৭ চনত তেওঁ মংগলদৈ সমষ্টিৰ পৰা লোকসভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৭১ চনৰ লোকসভাৰ নিৰ্বাচনত তেওঁ পৰাজয় বৰণ কৰিবলগীয়া হয। তেওঁ সংসদী সদস্য হৈ থাকোতে, অসমৰ বিভিন্ন সমস্যা সংসদত দাঙি ধৰিব পাৰিছিল। অসমৰ তেল শোধনাগাৰ আন্দোলনত তেওঁ বিশেষ নেতৃত্ব বহন কৰিছিল। তেওঁ সংসদী সদস্য হৈ থাকোতে, আমেৰিকা, ৰাচিয়া, এচিয়া, ইউৰোপ আদিৰ বিভিন্ন ঠাই ভ্ৰমণ কৰে।

সংবাদ জগতলৈও হেম বৰুৱাই বিশিষ্ট বৰঙণি আগবঢ়াইছে। ১৯৪৮—'৪৯ চনৰ সময়ছোৱাত প্ৰকাশিত 'পচোৱা' আলোচনী তেওঁ সম্পাদনা কৰে। তেওঁ ১৯৭১ চনৰপৰা ১৯৭২ চনলৈ গুৱাহাটীৰ পৰা প্ৰকাশিত 'আসাম এক্সপ্ৰেছ' নামৰ এখন ইংৰাজী দৈনিক বাতৰি কাকত সম্পাদনা কৰে।

অসমীয়া সাহিত্য জগতত হেম বৰুৱাই এখন বিশিষ্ট আসন দখল কৰিছে। 'জয়ন্তী'ৰ পাতত হেম বৰুৱাৰ কাব্য জীৱন আৰম্ভ হয। 'আৱাহন'ত তেৰেঁ 'বান্দৰ' কবিতা লিখি আধুনিক কবিতাৰ জয়যাত্ৰা ঘোষণা কৰে। হেম বৰুৱাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল — কবিতা ঃ বালিচন্দা (১৯৬২) আৰু মন ময়ূৰী। Modern Assamese Poetry (১৯৬০) তেওঁৰ সম্পাদিত আধুনিক কবিতা সংকলন। কাহিনীমূলক ঃ কন্নকী (১৯৬০) আৰু কিউপিড আৰু ছাইকী (১৯৫৬)। ভ্ৰমণ কাহিনী ঃ সাগৰ দেখিছা (১৯৫৪), ৰঙা কৰবীৰ ফুল (১৯৫৯), ইজৰাইল (১৯৬৫), মেকং নৈ দেখিলোঁ (১৯৬৭) আদি। সমালোচনামূলক ঃ আধুনিক সাহিত্য (১৯৪৮) আৰু আনখন সাহিত্য আৰু সাহিত্য (১৯৬২)। তেওঁৰ সাহিত্য-সংস্কৃতি আৰু আন বিষযক গ্ৰন্থ হ'ল ঃ স্মৃতিৰ পাপৰি (১৯৭০), আঁচুফুল (১৯৬৪), সান মিহলি (১৯৫৮), সত্য আৰু অহিংসা ঃ গান্ধীজী (১৯৭১), ছিন্নমূল (১৯৭৩), এই গাঁও এই গীত (১৯৬১), বহাগতে পাতি যাওঁ বিযা (১৯৬৯), তলসৰা (১৯৭৬), বিয়াল্লিছৰ গণ বিপ্লৱত অসম, ডাক পখিলি আদি। প্ৰবন্ধ ঃ পছোৱাৰ বেঙণি (১৯৬৯)। ইংৰাজী গ্ৰন্থ ঃ August Revolution in Assam, The Red River and the Blue Hill (১৯৫৪), Idle Hours 1961 (১৯৬২), Folk songs

of India (১৯৬৫), Assamese Literature (১৯৬২), Lakshminath Bezbarua (১৯৬৭) আদি।

তেওঁৰ পত্নী অণু বৰুৱাও এগৰাকী আগশাৰীৰ লেখিকা।

১৯৭২ চনৰ ৮ এপ্রিলৰ ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ উনচত্বাৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "একোজন মানুহ প্রতিভাশালী শিল্পী বা সাহিত্যিক হোৱাটো একো আচৰিত কথা নহয়। কেৱল প্রতিভাই জানো মানুহ গঢ়ে? প্রতিভা শাণত দিয়া কথা এষাৰ আছে যদিও মানুহ, মানুহ বাবেই মহৎ। অন্তৰৰ সৎ গুণৰাশিৰ উৎকৰ্ষ সাধন কৰিব নোৱাৰিলে কোনো মানুহ কেতিয়াও মহৎ হ'ব নোৱাৰে। এই কাৰণেই শাস্ত্রসমূহত থকাৰ দৰে আমাৰ শঙ্কৰ-মাধৱেও অন্তৰৰ গুণৰাশিৰ উৎকৰ্ষ সাধনৰ ওপৰত অধিক গুৰুত্ব দিছিল। যি ধৰ্ম্মই অলপ গুণ 'বিস্তাৰ' কৰি লবলৈ শিকিছে, সেই ধৰ্ম্ম যে বিশ্ববৰেণ্য, সন্দেহ নাই। তাহানি 'নামঘোষা' পুথি বিশ্লেষণ কৰোঁতে আজিৰ যুগৰ এজনা লেখত ল'বলগীয়া মনীষী বিনোৱা ভাৱেই এইষাৰ কথা কৈছিল: ভগৱানৰ বাহিৰে মানুহ কেতিয়াও 'সম্পূৰ্ণ' হ'ব নোৱাৰে। আগতে পঢ়া স্বামী বিবেকানন্দৰ কথা এষাৰ এইখিনিতে মনত পৰিছে: "মানুহ কেতিয়াও সম্পূৰ্ণ নহয়। ভগৱানহে সম্পূৰ্ণতাৰ আলয়। সম্পূৰ্ণতাৰ পিনে আগবাঢ়িব পাৰিছে বাবেই মানুহ মহৎ।" অন্তৰৰ সৎ গুণৰাশি সজাই তুলিব নোৱাৰিলে মানুহ কেতিয়াও মহৎ হ'ব নোৱাৰে। এইষাৰ কথা উপলব্ধি কৰিছিল বাবেই শঙ্কৰ-মাধৱৰ লেখীয়া বৈষ্ণৱ কবি গুৰুসকল আধ্যাত্মবাদী সাহিত্যৰ সৃষ্টি কৰিছিল।"

তেওঁ শিল্পী-সাহিত্যিকৰ আৰ্থিক দিশটোলৈ চাই কৈছিল, "শিল্পী-সাহিত্যিক মৌ-পিয়া চৰাই নহয়। মৌ চুহিবলৈকো ফুলত মৌ থাকিব লাগিব।"

সাহিত্য সম্পৰ্কে উল্লেখ কৰি কৈছিল, "যি সাহিত্যই মানুহৰ মন চিৰকলীয়াকৈ পোহৰ কৰে, তেনে সাহিত্যহে বিশ্বজনীন আৰু সৰ্বব্যাপী হোৱাটো সম্ভৱ।"

হেম বৰুৱাৰ পৰলোকপ্রাপ্তি হয় ১৯৭৭ চনৰ ৯ এপ্রিলত। ❑

গিৰিধৰ শৰ্মা

"শিক্ষা প্ৰতিষ্ঠানবোৰক সৰ্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ হ'লে আৱশ্যকীয ঘৰ- দুৱাৰ আৰু সা- সঁজুলি, উপযুক্ত গ্ৰন্থাগাৰ, বিজ্ঞানাগাৰ আদিৰ যে নিতান্ত প্ৰযোজন তাত কোনো সন্দেহ নাই । সেই কাৰণে প্ৰায়েই শুনা যায যে উপযুক্ত ঘৰ- দুৱাৰ, সা-সঁজুলি, গ্ৰন্থাগাৰ, বিজ্ঞানাগাৰ আদিৰ অভাৱেই শিক্ষাৰ অৱনতিৰ ঘাই কাৰণ। কিন্তু প্ৰাক্- স্বাধীনতাৰ কালতো এইবোৰৰ অৱস্থা বেছি উন্নত আছিল বুলি ক'ব নোৱাৰি। তথাপি শিক্ষাৰ অৱনতিৰ কথা শুনা নগৈছিল। গতিকে শিক্ষাৰ অৱনতিৰ ঘাই কাৰণ হৈছে শিক্ষক - ছাত্ৰ - অভিভাৱক সকলোৰে সাধনা নাইবা নিষ্ঠাৰ অভাৱ আৰু তাকে আনিবপৰা আদৰ্শৰ অভাৱ। শিক্ষা প্ৰতিষ্ঠানলৈ অহা শিক্ষাৰ্থীৰ প্ৰকৃত শিক্ষা লাভৰ উদ্দেশ্যতকৈ কোনো পৰীক্ষাত উত্তীৰ্ণৰ নিদৰ্শন স্বৰূপ মানপত্ৰৰ হেঁপাহ বেছি। উপযুক্ত সা-সুবিধাৰ আৱশ্যক নাই বুলি নকওঁ, কিন্তু শিক্ষাদান আৰু শিক্ষা লাভৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোৰে মানসিক প্ৰস্তুতি, আত্মশক্তিৰ ওপৰত বিশ্বাস, নিশ্চিত লক্ষ্য আৰু একাগ্ৰতাইহে ঘাই কাৰণ।"

শিক্ষাদান আৰু শিক্ষা লাভৰ ক্ষেত্ৰত এনেদৰে গুৰুত্বপূৰ্ণ মন্তব্য দাঙি ধৰা, বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক গৰাকীযে গিৰিধৰ শৰ্মা।

গিৰিধৰ শৰ্মাৰ জন্ম হয ১৯১২ চনৰ ৩০ জুলাইত, নলবাৰীৰ ককযা গাঁৱত। তেওঁৰ পিতাকৰ নাম ৰাধানাথ শৰ্মা আৰু মাকৰ নাম দশমপ্ৰিযা দেৱী। তেওঁলোকৰ আদি পুৰুষ গোবিন্দ মিশ্ৰ।

গোবিন্দ মিশ্ৰ আছিল পদ্য-গীতাৰ ৰচক। গোবিন্দ মিশ্ৰৰ পিছৰ পুৰুষ ক্ৰমে — ধৰ্মেশ্বৰ, বলভদ্ৰ, মন্মথ, গাঙ্গেশ, জীৱনাথ আৰু ৰাধানাথ। ৰাধানাথৰ চাৰিটা সন্তান। তেওঁলোক হ'ল — কাত্যাযনী, গিৰিধৰ, উমাকান্ত আৰু কৈলাস। সৰুতে গিৰিধৰ শৰ্মাৰ পিতাক ঢুকুওৱাত, পৰিযালটো অঠাই সাগৰত পৰে।

১৯২৫ চনত তেওঁ ককযা নিম্ন প্ৰাইমাৰী স্কুলত ভৰ্তি হয। ১৯২৯ চনত চামতা এম ই স্কুলৰপৰা মাইনৰ পৰীক্ষাত উত্তীৰ্ণ হয। ১৯৩৩ চনত তেওঁ চামতা হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয। ১৯৩৫ চনত তেওঁ ককযা কামদা চতুস্পাঠীৰপৰা ব্যাকৰণ-শাস্ত্ৰী উপাধি লাভ কৰে আৰু কাব্য বিষযৰ আদ্য পৰীক্ষাত সুখ্যাতিৰে পাছ কৰি স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হয। ১৯৪০ চনত তেওঁ আই এ আৰু ১৯৪৩ চনত বি এ পাছ কৰে। ১৯৪৮ চনত তেওঁ এম এ পাছ কৰে। তেওঁ বিবাহ পাশত আৱদ্ধ হয সাবিত্ৰীবালা দেৱীৰ লগত।

১৯৩৭ চনত তেওঁ নলবাৰী ছোৱালী এম ই স্কুলত শিক্ষকতা কৰিবলৈ লয়। তাৰপিছত তেওঁ কহিমা, শিৱসাগৰ, ধুবুৰী, উত্তৰ লক্ষীমপুৰ আৰু গুৱাহাটী শিক্ষকতা কৰে। ১৯৫০ চনৰপৰা তেওঁ গুৱাহাটী সন্দিকৈ ছোৱালী মহাবিদ্যালযৰ অধ্যাপনা কৰিবলৈ লয। এই চনতে তেওঁ কটন মহাবিদ্যালযত অধ্যাপক ৰূপে নিযুক্তি লাভ কৰি ১৯৬২ চনলৈ তাক সেৱা আগবঢায। ১৯৫৮ চনত গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ মহাবিদ্যালয স্থাপন হোৱাত, ১৯৬২ চনৰপৰা তেওঁ এই মহাবিদালযৰ অধ্যক্ষ নিযুক্ত হয। তেওঁ এই মহাবিদ্যালযৰপৰা ১৯৭৫ চনত অৱসৰ গ্ৰহণ কৰে। আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত গিৰিধৰ শৰ্মাৰ বৰঙণি অতুলনীয।

গিৰিধৰ শৰ্মা বিভিন্ন সাহিত্য, শিক্ষা আৰু সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ ৰিহাবাৰী উন্নযন সমিতি, ৰিহাবাৰী নামঘৰ, ৰিহাবাৰী এম ই স্কুল, দাস-ভ্ৰাতৃ ৰঙ্গমঞ্চ, বাণীকান্ত বি টি মহাবিদ্যালয, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অকাডেমী কাউন্সিল, একজিকিউটিভ কাউন্সিল, অসম মাধ্যমিক শিক্ষা পৰিষদ আদিৰ সদস্য আছিল। তেওঁ অসম কলেজ শিক্ষক সন্থা আৰু অসম কলেজ অধ্যক্ষ সম্মিলনৰ প্ৰতিষ্ঠাতা সম্পাদক আছিল। তেওঁ হৰিদেৱ সংঘৰো সভাপতি আছিল। ১৯৬১ চনত তেওঁ অসম লাইব্ৰেৰী

সংঘৰ লগত জড়িত হয আৰু এই অনুষ্ঠানৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭২ চনৰ বিশ্ববিদ্যালযৰ শিক্ষাৰ মাধ্যম আন্দোলনত তেওঁ সক্রিয অংশ গ্রহণ কৰিছিল। ১৯৭৪ চনত তেওঁ ৰাষ্ট্রীয় স্বযং সেৱক সংঘৰ লগত জড়িত হৈ, এই অনুষ্ঠানৰ অসম প্রান্তীয় সংঘচালক ৰূপে কার্যনির্বাহ কৰে। ১৯৭২ চনৰ ১৮ আৰু ১৯ জানুৱাৰীত শুৱালকুছিত অনুষ্ঠিত কামৰূপ জিলা সাহিত্য সভাৰ তেওঁ সভাপতি আছিল।

গিৰিধৰ শৰ্মাই ভাষা-সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ প্রকাশিত গ্রন্থসমূহৰ ভিতৰত হ'ল — অনুবাদমূলক — 'গল্প-গুচ্ছ' আৰু 'দেৱী চৌধুৰাণী। সম্পাদনামূলক — চুটি গল্প সংকলন (১৯৫৯)। তেওঁ কেইবাখনো স্কুলীযা পাঠ্য-পুথিও ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত হ'ল — Sanskrit Grammar, Composition and Translation (১৯৪৭), প্রৱেশিকা ৰচনা শিক্ষা (১৯৪৮), আধুনিক অসমীযা ভাষাৰ ব্যাকৰণ (১৯৫৩), অসমীযা অভিধান (১৯৫২), সংস্কৃত ব্যাকৰণ চন্দ্রিকা (১৯৬৮), Sarma's Anglo Assamese Dictionary (১৯৫০), শুৱলা পাঠ ১ম ভাগ (১৯৫৯), শুৱলা পাঠ, ২য ভাগ (১৯৫৯), শুৱলা পাঠ, ৩ য ভাগ (১৯৫৯), প্রবন্ধ-বিচিত্রা আদি।

১৯৭৩ চনৰ ফেব্রুৱাৰীত ৰঙিযাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চত্বাবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "প্রগতিশীল জাতি এটাৰ জীৱনত দুর্যোগ, আৰু নানা ধৰণৰ সংঘাত আহি পৰাটো অস্বাভাৱিক একো নহয। যুগে যুগে পৃথিৱীৰ সমস্ত জাতিযেই নানা সংকটৰ সন্মুখীন হৈছে আৰু সেই সংকটাপন্ন অৱস্থাৰ মাজতেই ফুটি উঠিছে তেওঁলোকৰ শক্তি, ধৈর্য্য, বুদ্ধিমত্তা, আত্মচেতনা আৰু দেশাত্মবোধ। আমাৰ দেশ ভাৰতবর্ষতো যুগে যুগে অধর্মৰ অভ্যুত্থান হৈযে আছে আৰু যুগে যুগে হাজাৰ হাজাৰ নৰ-নাৰীযে আনকি আত্মবলি দিও অধর্মক পৰাজয় কৰি আহিছে। সেযে আমাৰ অতীত গৌৰৱ। আমাৰ প্রকৃতিৰ দান, প্রাকৃতিক ঐশ্বর্য আৰু সম্পদ হ'ল আমাৰ ভাগ্যৰ কথা, গৌৰৱৰ নহয। আমি গৌৰৱ কৰিব পাৰোঁ, আমাৰ নিজৰ শক্তি, বুদ্ধি আৰু পৰকাষ্ঠাকৈলৈ, আমাৰ দেশাত্মবোধক লৈ, আমাৰ স্বার্থত্যাগকলৈ। আমাৰ অসম দেশৰ ক্ষেত্রতো সেই একে কথা।"

গিৰিধৰ শৰ্মাৰ ১৯৭৮ চনৰ ১০ মে'ত গুৱাহাটীৰ ৰিহাবাৰীত থকা নিজ বাসভৱনত পৰলোকপ্রাপ্তি হয়। তেওঁৰ মৃত্যুত শ্রদ্ধাঞ্জলি জনাই বিনন্দ চন্দ্র বৰুৱাই লিখিছে ঃ

"জ্ঞানৰ সম্পদে কৰি দাৰিদ্র মোচন,
কর্মযোগী ৰূপ মাত্র জীৱনৰ পণ,
এলাহ ভাগৰ দুর্বলতা কৰি দূৰ,

জীৱনৰ প্ৰতিক্ষণ কৰ্মময় কৰি,
জনপ্ৰিয় অমায়িক মধুৰ ভাবেৰে,
প্ৰেৰণাৰ উৎস দিলা নৱ পুৰুষক।
ধৰণীত সাধি গ'লা কীৰিতি মহান,
হতাশৰ গ্লানি কৰি দূৰতে বিদূৰ।
একান্ত সেৱকৰূপে বাণী-জননীৰ
দেশ - জাতি আৰাধিলা সকলো প্ৰকাৰে;
থাপিলা সুউচ্চ অতি বাণীৰ মন্দিৰ।
গুণগ্ৰাহী ভ্ৰাতৃসবে তাৰে প্ৰতিদান,
দিলে ভাষা সাৰথিৰ জাতীয় সন্মান;
ধৰ্মে কৰ্মে গিৰিধৰ সবাতে মহান।" ❑

ডঃ মহেশ্বৰ নেওগ

অসমীয়া সমাজতে নহয়, ভাৰতৰ বিশিষ্ট পণ্ডিত মহলৰ মাজতো ডঃ মহেশ্বৰ নেওগ বুলিলে নজনা মানুহ বা তেওঁৰ প্ৰতি শ্ৰদ্ধা নজনোৱা মানুহ কম। ভাষা, লিপি, সাহিত্য, ধৰ্ম, বুৰঞ্জী, চিত্ৰকলা, দৰ্শন, নৃত্য-গীত, প্ৰত্নতত্ত্ব, নৃতত্ত্ব আদি প্ৰতিটো দিশতে তেওঁৰ অৱদানে আমাৰ ভাষাক গৌৰৱান্বিত কৰিছে। তেওঁৰ এই বিশিষ্ট অৱদানৰ বাবে অসম চৰকাৰে তেওঁক ১৯৮৯ চনৰ অসমৰ শ্ৰেষ্ঠ সন্মান 'শ্ৰীমন্ত শংকৰদেৱ বঁটা'ৰে সন্মানিত কৰে তেওঁক এই বঁটা প্ৰদান কৰে ভাৰতৰ তেতিয়াৰ ৰাষ্ট্ৰপতি ডঃ শংকৰদযাল শৰ্মাই।

মহেশ্বৰ নেওগৰ জন্ম হয় ১৯১৮ চনত শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। তেওঁৰ পিতৃ হ'ল মাণিক চন্দ্ৰ নেওগ আৰু মাতৃ চন্দ্ৰপ্ৰভা দেৱী। তেওঁৰ ককাইদেৱেক হ'ল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগ। সৰুতে আইতাকৰ লগত গোঁসাই ঘৰত সোমাই ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল আৰু থাপনাৰ গোঁসাইক এদিন আনকি তেওঁ এনেদৰে প্ৰাৰ্থনা জনাইছিল, "অ' গোঁসাই, গোঁসাই, তই মোক নামাতা। চাবি, কাহানিবা তোৰ কাপোৰত ধৰি তোক চোঁচোৰাই আনিম, চোঁচোৰাই আনিম, তেতিয়া

গম পাবি।" সৰুতে তেওঁ আয়েকে গোৱা আই নামবোৰ শুনি বৰ শান্তি পাইছিল। আয়েকৰ মুখতে শুনিছিল কৃত্তিবাসী ৰামায়ণ আৰু কালিদাসী মহাভাৰত।

১১৩ নং কমাৰফদীয়া নিম্ন প্ৰাথমিক পঢাশালিতে তেওঁ পঢা জীৱন আৰম্ভ কৰে। ১৯৩৪ চনত তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ষ্টাৰ আৰু চাৰিটা বিষয়ত লেটাৰ সহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তদুপৰি তেওঁ উক্ত পৰীক্ষাত অসমীয়া বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত ৰেকৰ্ড নম্বৰ আৰু ইংৰাজী বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰে। ১৯৩৬ চনত তেওঁ কটন কলেজৰপৰা প্ৰথম বিভাগত আই এছ চি আৰু ১৯৩৯ চনত ইংৰাজী বিষয়ত অনাৰ্ছসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৭ চনত তেওঁ প্ৰাইভেটকৈ পৰীক্ষা দি কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ এম এ পৰীক্ষাত আধুনিক ভাৰতীয় ভাষা (অসমীয়া) বিষযত প্ৰথম শ্ৰেণীৰ প্ৰথম হয। ১৯৫৫ চনত তেওঁ 'Sankardeva and His Times Early History of the Vaisnava Faith and Movement in Assam' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালযৰপৰা 'ডক্টৰেট' উপাধি লাভ কৰে।

চাকৰি জীৱনত তেওঁ যোৰহাট মিছন হাইস্কুল, শিৱসাগৰ ফুলেশ্বৰী হাইস্কুল, যোৰহাট চৰকাৰী হাইস্কুল আদিত শিক্ষকৰূপে কাম কৰে। নতুনকৈ প্ৰতিষ্ঠা হ'ব লগা গুৱাহাটী বিশ্ববিদ্যালযৰ ন্যাস সমিতিৰ প্ৰথম কাৰ্য্যালয সচিবৰূপে আৰু পিছৰফালে কাৰ্য্যাধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৪৮ চনৰ ১ ডিচেম্বৰৰপৰা তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ স্নাতকোত্তৰ অসমীয়া বিভাগত লেকচাৰাৰ ৰূপে নিযুক্ত হয। ১৯৫৪ চনত তেওঁ শান্তি নিকেতনৰ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালযৰ সাহিত্য-কৰ্মশালাৰ উপ-সঞ্চালক নিযুক্ত হয। ১৯৫৬ চনৰপৰা তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ ৰীডাৰ আৰু ১৯৬৬ চনৰপৰা ১৯৭৮ চনলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ জৱাহৰলাল নেহৰু অধ্যাপকৰূপে যোগদান কৰে। ১৯৭৮ চনৰপৰা ১৯৮৩ চনলৈ তেওঁ পঞ্জাবৰ পাতিযালা পাঞ্জাবী বিশ্ববিদ্যালযৰ ছেইণ্ট শংকৰদেৱ অধ্যাপক নিযুক্ত হয। ১৯৭৪ চনৰপৰা ১৯৭৭ চনলৈ তেওঁ আছিল গুৱাহাটী বিশ্ববিদ্যালযৰ কলাগুৰু।

তেওঁ ১৯৫৪ চনৰপৰা ১৯৫৯ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাচীন পুথি-সংৰক্ষণৰ দায়িত্বত থকাৰ উপৰিও বিশ্ববিদ্যালযৰ প্ৰকাশন বিভাগৰো দায়িত্ব পালন কৰে।

১৯৩৬-৩৭ চনত তেওঁ কটন কলেজত পঢ়ি থকা কালত মহাবিদ্যালযৰ মুখপত্ৰ 'কটনিয়ান'ৰ সহকাৰী সম্পাদক হয়। তেওঁ কিছুদিন ধৰি গুৱাহাটী এ, এছ, এল, ক্লাবৰো সম্পাদক নিৰ্বাচিত হয। ৰঘুনাথ চৌধাৰীৰ সম্পাদিত 'জয়ন্তী'ৰ ছাত্ৰমহল শিতানৰ তেওঁ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৪৯ চনৰপৰা ১৯৫০ চনলৈ তেওঁ 'ৰামধেনু'ৰ

সম্পাদক নিযুক্ত হয়। তেওঁ অসম সঙ্গীত সম্মিলনৰ মুখপত্ৰ 'ঝঙ্কাৰ' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা প্ৰকাশিত গৱেষণামূলক বছৰেকীয়া ইংৰাজী আলোচনী 'Journal of the University of Guwahati' ১৯৫৮ চনৰপৰা ১৯৭৮ চনলৈ সম্পাদনা কৰে।

ডঃ নেওগ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত হোৱাৰ উপৰিও অসম সাহিত্য সভা, সাহিত্য অকাডেমি, সংগীত নাটক অকাডেমি, সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলন আদিৰ লগতো সক্ৰিয়ভাৱে সহযোগ আগবাইছিল। উল্লেখযোগ্য যে, তেওঁ ১৯৬০ চনৰপৰা একেৰাহে চাৰি বছৰ ধৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ১৯৬৫ চনত গুৱাহাটী অনুষ্ঠিত হোৱা সৰ্বভাৰতীয প্ৰাচ্যবিদ্যা সম্মিলনৰ অন্যতম স্থানীয় সম্পাদকৰূপে তেওঁ সম্মিলনৰ সভা পৰিচালনা কৰাৰ ক্ষেত্ৰত গুৰি ধৰিছিল। ১৯৬৬ চনত আলিগড়ত অনুষ্ঠিত হোৱা সৰ্বভাৰতীযা প্ৰাচ্যবিদ্যা সম্মিলনৰ নেওগ ডাঙৰীযা Technical Science and Fine Arts Section- ৰ সভাপতি আছিল। তেওঁ সংগীত নাটক অকাডেমি আৰু সাহিত্য অকাডেমিৰো এগৰাকী সদস্য আছিল। পুণেৰ বাণ্ডাৰকৰ ওৰিয়েণ্টাল ৰিচাৰ্ছ ইন্‌ষ্টিটিউটৰ তেওঁ আজীৱন সদস্য আছিল।

১৯৭০ চনত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালযৰ সৌজন্যত হাঙ্গেৰি, ৰুমানিযা আৰু পূব জাৰ্মেনি আদি দেশ ভ্ৰমণ কৰে।

ডঃ নেওগ সৰুৰেপৰা সাহিত্য সেৱাৰ প্ৰতি আকৃষ্ট হয। তৃতীয়মান শ্ৰেণীত পঢ়োতে তেওঁ 'দুষ্ট ল'ৰা' নামেৰে এটি কবিতা ৰচনা কৰে। অষ্টমমান শ্ৰেণীত পঢ়োতে লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত 'বাঁহী'ত 'অপূৰ্ণ' নামৰ এটি কবিতা আৰু 'অলক্ষিতে' নামৰ এটি গল্প প্ৰকাশিত হৈছিল। বিহু সংখ্যা বাতৰিত প্ৰকাশিত হৈছিল 'বিহুবান' আৰু 'অসমীয়া' নামৰ দুটি কবিতা। 'কটনিযান'ত প্ৰকাশ পায 'My Joy and Sorrow' নামৰ কবিতা।

ডঃ নেওগে আমাৰ সাহিত্য জগতলৈ আগবঢ়োৱা বিশিষ্ট বৰঙণিসমূহৰ ভিতৰত হ'ল — (ক) জীৱনীমূলক গ্ৰন্থ ঃ শ্ৰীশ্ৰী শংকৰদেৱ (১৯৪৮), Anandaram Dhekiyal Phukan (1982), Anandaram Dhekiyal Phukan Plea for Assam and Assamese (1982), Lachit Barphuklan the Victor of the Battle of Saraighat (1983), বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য (১৯৮৪), Nidhi Leevi Farwell (1985) (খ) ভাষা আৰু সাহিত্যমূলক ঃ অসমীযা গীতি সাহিত্য (১৯৫৮), অসমীয়া প্ৰেম গাঁথা (১৯৬১), অসমীযা সাহিত্যৰ ৰূপৰেখা (১৯৬২), সাহিত্য-সমীক্ষা (১৯৬৭), আধুনিক অসমীয়া সাহিত্য (১৯৬৭), চিত্ৰলেখা (১৯৬৮), বিশ্ববিদ্যালয-ভাষা-ভাষণ-ভ্ৰমণ (১৯৭৪), Sankardeva and his predecessors (1953), Studies in the Early History of Assam (1973), Lakshminath Bezbaroa, the Sahityarathi of Assam (1972) (গ) সমাজ আৰু সংস্কৃতিমূলক ঃ পৱিত্ৰ অসম

(১৯৬০), পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি (১৯৫৭), অসমৰ ধৰ্মৰ বুৰঞ্জী : আদ্ধাৰ আৰু পোহৰ (১৯৮৮) Sankardeva and His times, Early History of the Vaisnava faith and movement in Assam (1965), The Religin of love and Devotion, Sankardeva (1968) (ঙ) কবিতা : ৰক্তকমল (১৯৪৩), মুছাফিৰখানা (১৯৭৪) সঞ্চাৰিণী দীপশিখা (১৯৭৯), Under one sky (1970)। (চ) নাটক : আৱৰ্তন, শ্ৰীমন্ত শংকৰ, ঋতু সুৰ আদি। (ছ) সংগীত নৃত্যমূলক : স্বৰেখাত বৰগীত (১৯৫৮), অভিলেখ বিজ্ঞান (১৯৭৪), শুভঙ্কৰ কবিৰ শ্ৰীহস্তমুক্তাৱলী (১৯৬৪), The Art of painting in Assam (1960), Rhythm in Vaishnava Music of Assam (1962), Assamese Drama and Theatre (1971), Sattriya Dances (1973), Folk Dances of Assam in Mulk Raj Anand (1960), Gita-Govinda in Assam School of Painting (1984) আদি।

তদুপৰি তেওঁ 'চন্দ্ৰকান্ত অভিধান'ৰ (১৯৬২) দ্বিতীয় তাঙৰণৰ সংশোধন কৰ্তা দুজনৰ এজন আৰু 'চন্দ্ৰকান্ত অভিধান'ৰ তৃতীয় তাঙৰণৰ (১৯৮৮) মুখ্য সম্পাদক। তদুপৰি তেওঁ 'আধুনিক অসমীয়া অভিধান'ৰ (১৯৭৭) তিনিজন সম্পাদকৰ এজন।

নেওগৰ সম্পাদিত কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল : — হিতেশ্বৰ বৰবৰুৱাৰ চকু'লো আৰু মালচ (১৯৪৯), বেণুধৰ ৰাজখোৱাৰ অসমীয়া খণ্ড-বাক্যকোষ (১৯৬১), সঞ্চয়ন, বেজবৰুৱাৰ পত্ৰলেখা (১৯৬৮), বেজবৰুৱাৰ দিনলেখা, অৰুণোদই (১৯৮৪), শংকৰদেৱৰ ভক্তি-প্ৰদীপ (১৯৪৫), উষা পৰিণয় (১৯৫৯), গীতি ৰামায়ণ (১৯৫৪), আচাৰ্য্য সংহতি (১৯৫৯), শ্ৰীহস্ত মুক্তাৱলী (১৯৬৪), তাহাপৰী উপখ্যান (১৯৬১), চটাই পৰবত আৰু চিৰি লুইত (১৯৬৪), মোৰ জীৱন সোঁৱৰণ, গুৰুচৰিত কথা, ভাগৱত কথা আদি।

১৯৭৯ চনত তেওঁ 'পদ্মশ্ৰী' সন্মান লাভ কৰে। অসম সাহিত্য সভাই তেওঁক সৰ্বোচ্চ সন্মান 'সদস্য মহীয়ান' উপাধি প্ৰদান কৰে।

১৯৭৪ চনত মংগলদৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ এক চত্বৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতি আসনৰপৰা তেওঁ কয়, "সাহিত্যৰ জগতৰপৰা বিচ্ছিন্ন হৈ অসমীয়া এটা দ্বীপ হৈ থাকিব নোৱাৰে, এফালে, তেনে হ'লেও সি হ'ব অস্বাভাৱিক। আনফালে আজিৰ দ্ৰুত পৰিবহন আৰু বিশ্ব ৰাজনীতিৰ পৰি ক্ৰমাত পৃথিৱীখন লাহে লাহে এটা সৰু চুবুৰীত পৰিণত হৈছেহি। আজি কোপেনহেগ বা কালিফৰ্ণিয়ালৈ যাবলগীয়া হ'লেও আগৰ দিনত ৰংপুৰৰপৰা জাঁজীলৈ যাবলগীয়া হোৱাৰ দৰে মৰমীয়াল হাঁহি মাৰি ভাত খাই যাব নালাগে। সাহিত্যৰ ক্ষেত্ৰতো বহল জগত আৰু বহল সমাজৰ এই আহ্বান ধ্বনিত হ'ব লাগিব। তেতিয়াহলেহে সি আজিৰ সাহিত্য হ'ব।"

১৯৯৫ চনত তেওঁ ইহলীলা সম্বৰণ কৰে। ☐

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা

অসমীয়া সাহিত্য, সমাজ আৰু শিক্ষা জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা বাবে ডঃ সত্যেন্দ্ৰ শৰ্মাক অসম চৰকাৰে ১৯৯১ চনৰ বাবে 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' প্ৰদান কৰে। তেওঁক এই বঁটা প্ৰদান কৰে তেতিয়াৰ ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ শংকৰদয়াল শৰ্মাই।

ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ জন্ম হ'য় শিৱসাগৰ জিলাৰ জাঁজী জৰাবাৰীত ১৯১৭ চনৰ ১০ ছেপ্টেম্বৰত (ভাদ মাহৰ পূৰ্ণিমা তিথিত)। তেওঁৰ পিতাকৰ নাম গোলাপ চন্দ্ৰ শৰ্মা আৰু মাকৰ নাম চেনেহী দেৱী। তেওঁৰ অগ্ৰজ দুগৰাকী হ'ল — পণ্ডিত তীৰ্থনাথ শৰ্মা আৰু অৱসৰপ্ৰাপ্ত ন্যাযাধীশ ভোলানাথ শৰ্মা।

তেওঁৰ ডেৰ বছৰ বয়সতে মাক ঢুকায়। মাকৰ অবিহনে বুঢ়ীমাক নুমলী দেৱী আৰু ককাদেউতাক সোমেশ্বৰ দেৱশৰ্মাই তুলি-তালি ডাঙৰ-দীঘল কৰে।

তেওঁলোকৰ পূৰ্বপুৰুষ নগাঁও জিলাৰ কলিযাৰৰ অঞ্চলৰ শাক মুঠি গাঁৱৰ। তেওঁলোকৰ এজন উপৰিপুৰুষ ৰামদেৱ শৰ্মা আউনিআটী সত্ৰ, তাৰ পিছত শিৱসাগৰ নামতি দ'ল, তাৰ পিছত জাঁজী জৰাবাৰী, তাৰ পিছত জাঁজী গড়মূৰ আৰু শেষত পৰিয়ালটো যোৰহাটৰ বাসিন্দা হয়।

১৯২২ চনত তেওঁ পঢাশলীয়া শিক্ষা যোৰহাট প্ৰেক্টিচিং স্কুলত আৰম্ভ কৰে। সৰুৰেপৰা তেওঁ প্ৰখৰ বুদ্ধিৰ ছাত্ৰ আছিল আৰু বিদ্যা শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি আছিল। সৰু কালতে তেওঁ প্ৰায় ৫৯ টি সংস্কৃত স্তোত্ৰ আৰু অনেক কীৰ্তনৰ পদ মুখস্থ দিব পাৰিছিল। ১৯৩৪ চনত তেওঁ জাঁজী হাইস্কুলৰপৰা সংস্কৃতত লেটাৰসহ প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰে। ১৯৩৬ চনত কটন মহাবিদ্যালয়ৰপৰা আই এ পাছ কৰে। ১৯৩৯ চনত ডিষ্টিংচনসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হয। ১৯৪১ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা আধুনিক ভাষা-সাহিত্য বিভাগত অসমীয়া বিষযত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতকোত্তৰ উপাধি লাভ কৰে। এই স্নাতকোত্তৰ উপাধি লাভ কৰি তেওঁ দেখুওৱা কৃতিত্বৰ বাবে তাৰপৰা আশুতোষ স্বৰ্ণপদক আৰু দুশ টকা মূল্যৰ কিতাপৰ টোপোলা উপহাৰ হিচাপে লাভ কৰে। ১৯৫৫ চনত তেওঁ 'নৱ-বৈষ্ণৱ আন্দোলন আৰু অসমৰ সত্ৰ অনুষ্ঠান' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে 'ডক্টৰেট' উপাধি লাভ কৰে।

তেওঁ চাকৰি জীৱনত ১৯৪২ চনৰপৰা ১৯৪৯ চনলৈ কটন মহাবিদ্যালযত উপ-প্ৰবক্তাৰূপে নিযুক্ত হয়। ১৯৪৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ প্ৰবক্তাৰূপে যোগদান কৰে। ১৯৫৭ চনৰপৰা ১৯৬৫ চনলৈ তেওঁ 'ৰীডাৰ' হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৬৪ চনত তেওঁ বিশ্ববিদ্যালযৰ শ্ৰেণীসমূহৰ অংশকালীন সচিব নিযুক্ত হয়। ১৯৬৭ চনৰপৰা ১৯৮০ চনলৈ তেওঁ 'আধুনিক ভাৰতীয ভাষা বিভাগ'ত ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ অধ্যাপক নিযুক্তহয়। ১৯৮০ চনৰ ফেব্ৰুৱাৰীৰপৰা তেওঁ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৯৮১ চনৰপৰা ১৯৮২ চনলৈ তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অসমীয়া বিভাগৰ ভিজিটিং অধ্যাপক, ১৯৮৬ চনত বিশ্ববিদ্যালয় অনুদান আযোগৰ 'জাতীয প্ৰবক্তা' আৰু ১৯৮৭ চনৰপৰা ১৯৯১ চনলৈ অসম গৱেষণা পৰিষদৰ সভাপতি নিযুক্ত হয।

তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিযভাৱে জড়িত আছিল। সেই অনুষ্ঠানৰ ভিতৰত উল্লেখযোগ্য হ'ল — ১৯৫৫ চনৰপৰা ১৯৫৭ চনলৈ অসম সাহিত্য সভাৰ কোষাধ্যক্ষ, ১৯৫৭ চনৰপৰা ১৯৬১চনলৈ অসম সাহিত্য সভাৰ মুখপত্ৰ পত্ৰিকাৰ সম্পাদক, ১৯৫৯ চনৰপৰা ১৯৮৭ চনলৈ দিল্লী কেন্দ্ৰীয় সাহিত্য অকাডেমিৰ সাধাৰণ পৰিষদৰ সদস্য, ১৯৬৪ চনৰপৰা ১৯৬৭ লৈ সাহিত্য অকাডেমিৰ কাৰ্যনিৰ্বাহৰ সদস্য, গুৱাহাটী অসম অকাডেমিৰ প্ৰতিষ্ঠাতা সম্পাদক, ১৯৬৪ চনৰপৰা ১৯৬৭ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ খেল-ধেমালি বিভাগৰ উপ-সভাপতি, গুৱাহাটী বিশ্ববিদ্যালযৰ Cultural Standing Committee-ৰ সভাপতি, ১৯৭৫ চনৰপৰা ১৯৮৬ চনলৈ ভাৰতীয জ্ঞানপীঠ পুৰস্কাৰৰ অসমীয়া ভাষা উপ-সমিতিৰ আহ্বায়ক, কামৰূপ অনুসন্ধান

সমিতিৰ আজীৱন সভ্য, পিছত সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সভ্য।

তেওঁ লাভ কৰা পুৰস্কাৰ আৰু সন্মানসমূহৰ ভিতৰত হ'ল — ১৯৭৫ চনত অসম সাহিত্য সভাৰ মোহন শৰ্মা বঁটা, ১৯৭৬ চনত অসম সাহিত্য সভাৰ দুৰ্গাধৰ বৰকটকী বঁটা, ১৯৮০ চনত অসম চৰকাৰৰ সাহিত্যিক পেন্সন, ১৯৮৩—৮৬ চনত নতুন দিল্লী, ভাৰতীয বুৰঞ্জী গৱেষণা পৰিষদৰ জ্যেষ্ঠ গৱেষণা বৃত্তি, ১৯৮৫ চনত ভাৰতীয় জাতীয কংগ্ৰেছৰ শতবাৰ্ষিকীত 'লেখক নিকায়' প্ৰশস্তিপত্ৰ প্ৰদান, ১৯৮৭ চনত অসম সাহিত্য সভাই তেওঁক 'সাহিত্যাচাৰ্য, উপাধিৰে বিভূষিত কৰে। ১৯৯৮ চনত তেওঁ আনন্দৰাম বৰুৱা বঁটা লাভ কৰে।

ছাত্ৰাৱস্থাৰপৰাই তেওঁ সাহিত্য চৰ্চা আৰম্ভ কৰে। স্কুলৰ হাতে লিখা আলোচনী 'ফুলনি'ত তেওঁ কবিতা-প্ৰবন্ধ প্ৰকাশ কৰিছিল। তদুপৰি ৰঘুনাথ চৌধাৰীৰ সম্পাদিত 'সুৰভি' আৰু কমল নাৰায়ণ দেৱ সম্পাদিত 'জয়ন্তী'তো তেওঁ লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ সাহিত্য জগতলৈ আগবঢ়োৱা অৰিহণাসমূহৰ ভিতৰত হ'ল — (ক) আলোচনামূলক গ্ৰন্থ — অসমীযা সাহিত্যৰ ইতিবৃত্ত (১৯৫৯), অসমীযা নাট্য সাহিত্য (১৯৬২), বাণী দীপ (১৯৬২), সাহিত্যৰ আভাস (১৯৬৩), অসমীযা উপন্যাসৰ গতিধাৰা (১৯৭৭), সাহিত্য চযন (১৯৭৯), অসমীযা উপন্যাসৰ ভূমিকা (১৯৬৫), অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ (১৯৭০), অসমীযা সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত (১৯৮৩), ৰামায়ণৰ ইতিবৃত্ত (১৯৮৪) আদি। (খ) সম্পাদনামূলক — উষা পৰিণয় (১৯৫১), কথা ৰামায়ণ (১৯৫৪), গীত গোবিন্দ (১৯৫৬), ৰূপকত্ৰযম (১৯৬৩), কথাগীতা, পাৰিজাত হৰণ (১৯৬২), ৰুক্মিণী হৰণ (১৯৬২), বেজবৰুৱাৰ ভাৱৰ বুৰবুৰণি, মনসা কাব্য (১৯৫৪), অংকুমালা আদি। (গ) অনুবাদমূলক — মাটিৰ মানুহ (১৯৬৫), আকবৰ (১৯৬৭) আদি। (ঘ) সংকলন আৰু সম্পাদনামূলক — শিশু জ্ঞানকোষ, বৈদিক যুগ, দাৰ্শনিক পৰিচয, মৌ আদি। তেওঁ ইংৰাজী ভাষাতো কেইবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — The Neo-Vaisnavite Movement and the Satra Institution of Assam (1966), Epics and Puranas in Early Assamese Literature (1972), Assamese Literature, (1977), Madhavadeva (1984), A Socio-Economic and Cultural History of Medieval Assam (1984), Education and Learning in Early Assam (1990) আদি।

১৯৭৫ চনত তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বিচত্বাবিংশ অধিৱেশনৰ বাবে তেওঁ সভাপতি নিৰ্বাচিত হয়। সেইদিনা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছে, "অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, অসমীয়া সাহিত্য বিকাশৰ অনুকূল

পৰিবেশ সৃষ্টিত সহায় কৰাই সাহিত্য সভাৰ মৌলিক উদ্দেশ্য। দৰাচলতে সাহিত্য ব্যক্তিগত চিন্তা-অনুভূতি, বুদ্ধি মত্তা আৰু প্ৰতিভাৰ ফল। কোনো অনুষ্ঠানে বা বাহ্যিক এজেন্সিয়ে এটা জাতিৰ সাহিত্যক ওপৰলৈ নিব নোৱাৰে, কিন্তু ব্যক্তিগত প্ৰতিভা বিকাশত অনুকূল বাতাবৰণ সৃষ্টি হোৱাত সাধ্যানুসাৰে সহায় কৰিব পাৰে। অসম সাহিত্য সভাই সাহিত্যৰ ক্ষেত্ৰত বিশেষ একো নাই কৰা বুলি কোনো মহলত বিৰূপ মন্তব্য কৰা শুনা গ'লেও এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে যোৱা অৰ্ধ-শতাব্দীৰো অধিককাল এই সভাই অসমীয়া ভাষা-সাহিত্যৰ স্বাৰ্থ সংৰক্ষণ আৰু প্ৰসাৰত ঐকান্তিকভাৱে চেষ্টা চলাই আহিছে।"

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ মৃত্যু হয ১৯৯৯ চনৰ ১১ আগষ্টত। □

যজ্ঞেশ্বৰ শৰ্মা



'অমৃতৰ ভাণ্ড খাই দেৱতা মৰিল
লাঞ্ছিত বঞ্চিত হে অসুৰ-দানৱ-দৈত্য হ'ল অমৰণ,
দিন দুপৰতে কেনে দুৰ্ঘোৰ ৰজনী।
অবাধে পিশাচ দল কৰে বিচৰণ।'

এই 'দেবতা মৰণ' কবিতাৰ ৰচকগৰাকীয়ে যজ্ঞেশ্বৰ শৰ্মা।

যজ্ঞেশ্বৰ শৰ্মাৰ জন্ম হয় ১৯০৬ চনৰ ৭ ডিচেম্বৰত, যোৰহাট জিলাৰ তিতাবৰৰ ওচৰৰ হামদৈ বগাৰ গাঁৱত। তেওঁৰ পিতাকৰ নাম লক্ষ্মীনাথ শৰ্মা আৰু মাকৰ নাম কোকিলেশ্বৰী দেৱী।

তেওঁ প্ৰাথমিক শিক্ষা ১১৫ নং বগাৰ গাঁও প্ৰাথমিক বিদ্যালয়ৰপৰা লাভ কৰে। তেওঁ প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাত বৃত্তি লাভ কৰা কাৰণে, তেওঁ পঢ়া বিদ্যালযখনে চৰকাৰী স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ বাবে বিদ্যালযৰ ফালৰপৰা তেওঁক 'ডবল প্ৰমোচন' দিয়া হয়। ১৯২৩ চনত তেওঁ যোৰহাট গবৰ্ণমেন্ট হাইস্কুলৰ পৰা মেট্ৰিক

পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ, আউনীআটী স্বৰ্ণপদক লাভ কৰে। ১৯২৫ চনত তেওঁ কটন মহাদ্যিালয়ৰপৰা আই এ, ১৯২৭ চনত ইংৰাজী সন্মনসহ বি এ আৰু ১৯২৯ চনত কলিকতাৰ প্ৰেচিডেন্সী কলেজৰপৰা এম এ পাছ কৰে।

তেওঁ চাকৰি জীৱনত ১৯৩০- '৪৪ চনৰ সময়ছোৱাত জগন্নাথ বৰুৱা কলেজত অধ্যাপনা আৰু ১৯৪০—৪১ চনত তেওঁ ছিলেটৰ এম চি কলেজত অস্থায়ীভাৱে অধ্যাপক নিযুক্ত হয়। ১৯৪৪ চনৰপৰা তেওঁ নগাঁও কলেজত অধ্যক্ষ নিযুক্ত হয। তেওঁ এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। ১৯৬৮ চনত তেওঁ নগাঁও কলেজৰপৰা অৱসৰ গ্ৰহণ কৰে।

তেওঁ এগৰাকী স্বাধীনতা সংগ্ৰামীও আছিল। ১৯২১ চনৰ বিদেশী বযবস্তু বৰ্জন আন্দোলনৰ কালত, তেওঁ যোৰহাটৰ দোকানৰপৰা বিলাতী কাপোৰ সংগ্ৰহ কৰি জুই দি থকা অৱস্থাত ধৰা পৰি, চৰকাৰৰ নিৰ্যাতন ভুগিব লগা হয়। সেই অপৰাধত তেওঁ শিৱসাগৰ জিলাৰ ডেপুটী কমিছনাৰ ফ্ৰিল চাহাবৰ বাৰ বেত কোব খায। তেতিয়া তেওঁ স্কুলীযা ছাত্ৰ আছিল।

তেওঁ বিভিন্ন শিক্ষা, সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ ১৯৪৯ চনৰপৰা ১৯৬২ চনলৈ গুৱাহাটী বিশ্ববিদ্যালযৰ কাৰ্যবাহী পৰিষদৰ সদস্য, ফেকাল্টি অৱ আৰ্টছৰ সদস্য, উচ্চ শিক্ষা পৰিষদৰ সদস্য আৰু অকাডেমীক কাউন্সিলৰ সদস্য আছিল। ১৯৪৯ চনত তেওঁ কলেজ শিক্ষক সংস্থাৰ আহ্বায়ক ৰূপে সেৱা আগবঢ়ায। ১৯৫০ চনত তেওঁ এই সংস্থাৰ সভাপতি নিৰ্বাচিত হয। ১৯৭৪ চনত তেওঁ বৰদোৱা শংকৰ গৱেষণা কেন্দ্ৰৰ সভাপতি নিৰ্বাচিত হয়।

তেওঁ আছিল এজন নীৰৱ সাহিত্য সাধক। যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত পঢ়ি থাকোতে, তেওঁৰ কেইজনমান লগৰীযা মথুৰানাথ গোস্বামী, আনন্দ চন্দ্ৰ বৰুৱা, চন্দ্ৰধৰ কলিতা, কৰুণাধৰ বৰুৱা আদিৰে সৈতে 'চুপহি' নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰিছিল। তেওঁ সপ্তমমান শ্ৰেণীত পঢ়ি থাকোতে, লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ত 'দিনৰ সপোন' কবিতা প্ৰকাশ কৰি, কবি জীৱনৰ পাতনি মেলে। তেওঁ 'ন-জোন', 'বাতৰি', মিলন, চেতনা, ৰামধেনু, প্ৰকাশ, প্ৰান্তিক, দৈনিক অসম, অসমবাণী, আজিৰ বাতৰি, পূৰ্বাচল, জাগৰণ আদিত বহুতো মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল — কবিতা সংকলন ঃ শতপত্ৰ (১৯৩৭)। কবিতা সংগ্ৰহ ঃ লেফাফা (১৯৭০), আজি দুপৰীয়া (১৯৮০), সেই বাহটো ক'ত? (১৯৮২), আমলখি কেহা আদি। প্ৰবন্ধ সংগ্ৰহ ঃ ফুল আৰু জুই (১৯৮৮)। সমালোচনামূলক ঃ সাহিত্য সংস্কৃতিৰ প্ৰবাহ (১ম খণ্ড, ১৯৭২), সাহিত্য সংস্কৃতিৰ প্ৰবাহ (২য় খণ্ড, ১৯৭৬),

সাহিত্য সংস্কৃতিৰ প্ৰবাহ (৩ য় খণ্ড, ১৯৮৮)। অন্যান্য ৰচনা - গুলিভানৰ সাধু (অনুবাদ, ১৯৭৪), বেজবৰুৱা আৰু গাঁৱলীয়া জীৱন (১৯৭৮), কণিকা (উপনিষদৰ শ্লোক ভাঙনি, ১৯৩২-৩৩), এৰিষ্টটলৰ কাব্য জিজ্ঞাসা (১৯৭৭), যাওঁতে যাওঁতে, বাটত কাব্য দেৱতা আৰু মানুহ (১৯৮৯), মহাত্মা গান্ধী(১৯২১-২২) আদি। তেওঁৰ এই বিশিষ্ট বৰঙণিৰ বাবে অসম সাহিত্য সভাই তেওঁক 'সাহিত্যাচাৰ্য্য' সন্মানেৰে সন্মানিত কৰিছে আৰু ১৯৯৬ চনৰ ৮ জুলাইত তেওঁক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়।

১৯৭৬ চনত টিহুত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "ঘৰ এটা থাকিলেই ঘৰ নহয়। ন গৃহং গৃহমিত্যাহ ঃ ঘৰত সুগৃহিণী থাকিলেহে ঘৰ বোলে। এটা ভাষা থাকিলেই নহয়, সেই ভাষাত সাহিত্যও থাকিব লাগে। ভাষা লিখিলে বা কলেই তাক সাহিত্য নোবোলে। উচ্চ আদৰ্শ আৰু সৌন্দৰ্যৰ বাহন হোৱাততে ভাষাৰ গৌৰব। গৰুড় পক্ষীযে জন্ম লৈযেই বিশ্ব ব্ৰহ্মাণ্ড গ্ৰাস কৰিবলৈ ওলাইছিল, কিন্তু বিষ্ণুৰ বাহন হোৱাত সকলো ৰক্ষা পৰিল। ভাষাকো মানুহে 'নিন্দাবাদ নৈশূন্য' হিংসাৰ কাৰণে, বিদ্বেষ আৰু অশান্তি সৃষ্টিৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। ভাষাৰ সৃষ্টি আৰু প্ৰলয় দুয়োটাৰে বীজ আছে। ভাষাৰ ব্যৱহাৰ পবিত্ৰ আৰু সংযত লোকৰ কাম। সৌন্দৰ্য্য সৃষ্টিৰ কাৰণে অদীক্ষিতলোকে ভাষাত হাত দিব নালাগে।"

তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৯৮ চনৰ ১৩ নবেম্বৰত।□

চৈয়দ আব্দুল মালিক



'সামাজিক আৰু ৰাজনৈতিক ব্যভিচাৰবোৰে মাজে মাজে মোক ক্ষিপ্ত আৰু বিদ্ৰোহী কৰি তোলে। মানুহৰ ওপৰত মানুহে কৰা অন্যায়ৰ বাবে মই কোনোদিন নিয়তি বা অদৃশ্য শক্তিক দোষাৰোপ কৰা নাই, মানুহকে কৰিছোঁ। আনহাতে মানুহ কোনোদিন মানুহৰ ঊৰ্ধলৈ যাব নোৱাৰিব বুলি ভবাৰ চিনিচিজিমও মোৰ নাই। মহাপুৰুষৰ ভাও লোৱাৰ ধৃষ্টতা নাই যদিও, এজন সাহিত্যিক হিচাপে মানুহৰ হকে মাত মতাৰ এটা পবিত্ৰ অধিকাৰ আৰু দায়িত্ব মোৰ আছে বুলি মই বিশ্বাস কৰোঁ। সেই অধিকাৰ প্ৰতিপন্ন কৰিবৰ কাৰণে লিখনীৰ আশ্ৰয় লওঁতে, মোৰ লিখাৰ কলাগুণ খৰ্ব হ'লেও মই অনুতাপ নকৰোঁ।' এনে আদৰ্শেৰে প্ৰতিষ্ঠিত চৈয়দ আব্দুল মালিকে এতিয়ালৈ প্ৰায ২৫ খনৰ অধিক চুটিগল্প সংকলন, ৫ খনৰ অধিক কবিতা সংকলন, ডেৰশৰ অধিক প্ৰবন্ধ, ৫৫ খনৰ অধিক উপন্যাস, ৩ খন শিশু সাহিত্য, ২০ খন মঞ্চ-অনাতাঁৰ গীতি নাটক, অনুবাদ গ্ৰন্থ, ব্যংগ ৰচনাকে ধৰি অন্যান্য ৰচনাৰ মেটমৰা সাহিত্য সম্ভাৰেৰে আমাৰ ভাষাক সমৃদ্ধ কৰিছে। উল্লেখ্য যে, বৰ্তমানলৈ প্ৰকাশ পোৱা অসমীয়া ঔপন্যাসিকসকলৰ ভিতৰত

মালিকৰে উপন্যাসৰ সংখ্যা সৰ্বাধিক। তেওঁৰ ভালেমান গ্ৰন্থ বঙলা, হিন্দী, ইংৰাজী, নেপালী, উৰ্দু, তামিল, তেলেগু, কন্নৰ, মালয়ালম, উড়িয়া, ইটালিয়ান ভাষালৈ অনূদিত হৈ, বিশেষ জনপ্ৰিয়তা লভিছে। মালিকৰ 'অঘৰী আত্মাৰ কাহিনী'য়ে (১৯৬৪) ১৯৭২চনত 'সাহিত্য অকাডেমি বঁটা লাভ কৰিছে।

'অঘৰী আত্মাৰ কাহিনী' মালিকৰ এক ব্যতিক্ৰমধৰ্মী সৃষ্টি বুলিব লাগিব। এই উপন্যাসৰখনৰ জৰিযতে তেওঁ পশুতুল্য পাপী আৰু জঘন্য মানুহৰ চৰিত্ৰক তীব্ৰ ভাষাৰে নিন্দা আৰু সমালোচনা কৰিব পাৰিছে। উপন্যাসখন আদিৰপৰা অন্তলৈ এক বিশেষ কৌতূহলোদ্দীপকভাবে আৱৰি ৰাখিছে। অপৰা আৰু শশাঙ্কৰ মাজৰ সম্পৰ্কটোৰ কথা ভাবি থাকোঁতেই কাহিনীভাগৰ সফল সামৰণি পৰিছে। আভিজাত্যপূৰ্ণ, বংশ-মৰ্যাদা গৌৰৱময, অৰ্থক্ষমতা, কৃষ্টি-সংস্কৃতিৰ পূজাৰী, ৰাজনৈতিক ক্ষমতাৱান তথা শিক্ষিত হৈও, বৰ্তমান আধুনিক সমাজ কেনে জটিল, দুৰ্বোধ্যময়, কণ্টকাকীৰ্ণ হৈ পৰিছে আৰু তেনে জীৱনৰ আৱৰ্ততপৰা কিছুমান নিঃসংগ, আদৰ্শৱান হৈও আদৰ্শভ্ৰষ্ট আত্মাৰ কাহিনীৰ উপন্যাসৰূপে 'অঘৰী আত্মাৰ কাহিনী'। শশাঙ্ক চৌধুৰী, মৃগাঙ্ক চৌধুৰী, অপৰাজিতা খাউণ্ড, নিৰঞ্জন খাউণ্ড, ছায়া আদি- কোনো হতাশগ্ৰস্ত, কোনো দুৰাকাংক্ষী, অব্যক্ত, কোনো মানসিক সংগতিহীনতা তথা ইম'চনেল।

উপন্যাসখনত নিৰঞ্জন খাউণ্ড আৰু অপৰাজিতা খাউণ্ডৰ সম্পৰ্কৰ কথা কোৱা হৈছে এনেদৰে,- 'ঘৰ এখন থাকিও অপৰাৰ প্ৰকৃত অৰ্থত ঘৰ এখন নাই। নিৰঞ্জনৰো একেই কথা। অপৰাৰ সকলো কথা নিৰঞ্জনে জানে। মৃগাঙ্কৰ লগত থকা অপৰাৰ অতীতৰ সম্পৰ্কৰ কথা তেওঁ যিদৰে জানে, সেইদৰে বৰ্তমানৰ কথাও নজনা নহয়। অপৰা নিজৰ খু চি- খে যাল মতে চলি ফুৰে। তেওঁৰ সমগ্ৰ সত্তাৰ মাজত ব্যাপ্ত হৈ থাকিলেও, অপৰা নিৰঞ্জনৰ জীৱনত নাই। অপৰাৰ গতিবিধিক নিৰঞ্জনে কোনো দিন হকা-বাধা কৰা নাই আৰু অপৰায়ো যেন নিৰঞ্জনৰ প্ৰতি কোনো বিশেষ দায়িত্ব তেওঁৰ নাই বুলিয়ে ধৰি লৈছে। অপৰা তেওঁৰ লগত নেথাকক, প্ৰকৃতাৰ্থত অপৰা তেওঁৰ হৈ নেথাকক, তথাপি 'অপৰা মোৰ'- এই সান্ত্বনাই তেওঁৰ জীযাই থকাৰ এক অৱলম্বন। অপৰা নেথাকিলে তেওঁ বৰ অসহায় অনুভৱ কৰে, কিন্তু অপৰা থাকিলেও তেওঁ প্ৰাণৰ এক কৰুণ নিঃসঙ্গতাৰ বেদনা উপলব্ধি কৰে। অপৰা যেন নিৰঞ্জনৰ কাৰণে এক ৰুগ্ন হৃৎপিণ্ড, ৰুগ্ন হ'লেও সেয়ে তেওঁৰ জীৱনৰ অৱলম্বন'। ছায়া চৰিত্ৰৰ বিষয়ে লিখিছে, 'হযতো এক অবচেতনৰ কাৰণে ছাযাই আত্মাহত্যা কৰিলে। নিজৰ প্ৰকৃত পৰিচয় জানিবৰ কোনো উপায় নথকাৰ কাৰণেও মাজে মাজে ছাযা উত্তেজিত হৈ পৰিছিল আৰু কেতিযাবা তাকেঁ চিন্তা কৰি বৰ বিমৰ্ষ আৰু মন-মৰা হৈ পৰিছিল। এজনী ভাৱপ্ৰৱণ ধুনীযা গাভৰু

ছোৱালীয়ে যেতিয়া কোনো এক দূৰ দেশত, অচিন-অজান হেজাৰ বিজাৰ মানুহৰ মাজত নিজকে একেবাৰে অকলশৰীয়া আৰু অসহায় অনুভব কৰে আৰু সেই নিঃসঙ্গতাৰ চেতনাই যেতিয়া তেওঁক অধীৰ, উন্মনা কৰি তোলে, তেতিয়া আত্মাসম্বৰণ কৰিবলৈ কেনো উপায় নেথাকে। থিয়েটাৰ, চিনেমা, খেল-ধেমালি, আমোদ-প্ৰমোদ তেতিয়া শান্তি দিব নোৱৰা হয় আৰু অকলশৰীয়া মানুহৰ নিঃসঙ্গতাৰ উপলব্ধি কেতিয়াবা বৰ ভয়াবহ আৰু মাৰাত্মক হ'ব পাৰে।' উপন্যাসৰ প্ৰধান নায়ক শশাঙ্কৰ বিষয়ে কোৱা হৈছে এনেদৰে, "নাছিল — আছিল মাথোন আশা আৰু আনন্দৰ কথা। প্ৰত্যেকখন চিঠিতে ছায়াই লিখিছিল — চৌধুৰী, আমি এদিন নিশ্চয় নিজকে জয় কৰিব পাৰিম, সিমান দিনলৈ তুমি বাট চাব পাৰিবা নহয়? মই বাট চাম। পৃথিৱীৰ য'তেই থাকোঁ, মই তোমাৰ কাষলৈকে ঘূৰি যাম, তোমাক মই বিচাৰি উলিয়াম। কিন্তু ছায়া আৰু ঘূৰি নাহিল। এটা গভীৰ, নীৰৱ হুমুনিয়াহ শশাঙ্কৰ বুকু ভেদি ওলাই আহিল। এটা সঁচা সমবেদনাত অপৰাৰ মনটোও ভাৰাক্ৰান্ত আৰু বিষণ্ণ হৈ পৰিল। এয়া যেন জীৱনৰ ওপৰত নিয়তিৰ অকাৰণ প্ৰতিশোধ। অনুভূতি জগতৰ লগত যিয়েই মিতালি পাতিলে সিয়েই প্ৰতিদান পালে এক মৰ্মন্তুদ, অন্তৰ্দাহী বেদনা।" 'শশাঙ্কক অপৰাৰ এটা অসহায় সৰু ল'ৰা যেন লাগিল। বাহিৰে দেখাত ইমান সুঠাম, বলিষ্ঠ, নিৰ্ভীক এজন ডেকা মানুহৰ বুকুৰ ভিতৰখনত ইমানবোৰ দুখ-দুৰ্ভাগ্যৰ যন্ত্ৰণা সোমাই আছে বুলি কল্পনাও কৰিব নোৱাৰি।'

মালিকৰ অন্যান্য জনপ্ৰিয় উপন্যাসসমূহৰ ভিতৰত হ'ল — বনজুই (১৯৫৮), ৰথৰ চকৰি ঘূৰে (১৯৫৮), ছবিঘৰ (১৯৫৯), সূৰুযমুখীৰ স্বপ্ন (১৯৬০), কণ্ঠহাৰ (১৯৬০), আধাৰশিলা (১৯৬৬), জীয়া জুৰিৰ ঘাট (১৯৬০), অন্য আকাশ অন্য তৰা (১৯৬২), পহুমৰা হাবিৰ বাট, জেতুকা পাতৰ দৰে (১৯৭৩), অৰুণাভৰ অসম্পূৰ্ণ জীৱনী (১৯৭৫), একাবেঁকা বৃত্ত (১৯৭৫), জয়া মণিকা, ৰূপাবৰিৰ পলস, মৌ ডিমৰুৰ কোঁহ, ৰূপ তীৰ্থৰ যাত্ৰী (১৯৬৩), ওমলা ঘৰৰ ধূলি (১৯৬৪), ৰজনী গন্ধাৰ চকুলো (১৯৬৭), প্ৰাচীৰ আৰু প্ৰান্তৰ (১৯৬৮), বিহ মেটেকাৰ ফুল (১৯৬৯), অমৰ মায়া (১৯৭০), মাটিৰ চাকি, ধন্য নৰ তনু ভাল আদি। এই উপন্যাসমূহত তেওঁ আমাৰ গাঁও আৰু নগৰৰ মধ্যবিত্ত নিম্নমধ্যবিত্তৰ দুখ-দৈন্য আশা-আকাংক্ষা, নৈতিকতাৰ চিত্ৰ প্ৰতিফলিত কৰিছে।

মালিক এগৰাকী নিপুণ চুটি গল্পকাৰো। উপন্যাসৰ দৰে চুটিগল্পটো তেওঁৰ বিশেষ সুনাম আছে। উপন্যাসৰ দৰে চুটিগল্পসমূহৰ মাজেৰেও তেওঁ আমাৰ বিভিন্ন সামাজিক, অৰ্থনৈতিক, শ্ৰেণী-বৈষম্য আদিৰ দ্বাৰা লাঞ্ছিত, নিপীড়িত, নিষ্পেষিতসকলৰ চৰিত্ৰকে অংকিত কৰিছে। মানৱতাবোধ আৰু সাৰ্বজনীন আবেদন তেওঁৰ সাহিত্যৰ এক বিশেষ

বৈশিষ্ট্য। যিকোনো ঘটনাকে সুন্দৰ আৰু সংযত প্ৰকাশভংগীৰে ক'ব পৰাটোও তেওঁৰ এক বিশেষ কৃতিত্ব বুলিব লাগিব। মালিকৰ কেইখনমান চুটিগল্প হ'ল- পৰশমণি (১৯৪৬), ৰঙা গড়া (১৯৫৩), মৰহা পাপৰি (১৯৫৪), এজনী নতুন ছোৱালী, শিল আৰু শিখা (১৯৬২), শিখৰে শিখৰে (১৯৬৩), অস্থায়ী অন্তৰা (১৯৬৫), বহুত বেদনা এটোপা চকুলো (১৯৬৬), প্ৰাণাধিকা (১৯৬৮), ছয় নম্বৰ উত্তৰ (১৯৬৮), আদি। 'আৱাহন' আৰু 'বাঁহী'ৰ দিনৰেপৰা গল্প লিখিবলৈ লোৱা মালিকে আজি পৰ্যন্ত নিৰবচ্ছিন্নভাৱে গল্প লেখিয়ে আছে।

কবিৰূপেও তেওঁ বিশেষ খ্যাতি লভিছে। 'মই অসমীয়া', 'মোৰ স্বৰ্গ', 'ক'লৈ পলাবি তই', 'আমাক কোনে মাৰে' আদি কবিতাৰ মূল্য কোনোদিন ম্লান নহ'ব। স্বাক্ষৰ (১৯৬৭), পোৰা গাঁৱত পহিলা ব'হাগ, আবৰ্ত, আদি তেওঁৰ কবিতা সংকলন। 'মাজত মাথোন হিমালয়' তেওঁৰ এখন সফল ভ্ৰমণ কাহিনী। তেওঁৰ আজান ফকীৰৰ গীতবোৰৰ সংকলন হ'ল— 'জিকিৰ আৰু জাৰি'। 'জীৱনৰ সাৰথি নাম' আৰু 'চুফী আৰু চুফীবাদ' দুয়োখনে মূল্যবান গ্ৰন্থ।

মালিকে কেনেকৈ লিখে, এই প্ৰশ্নৰ উত্তৰ দিছে মালিকৰ সহধৰ্মিণী চৈয়দ হাচ্‌না মালিকে, — 'তেখেতে প্ৰায়ে সোনকালে উঠে। আগে নাইঁৰণিত থাকোতে খেতিৰ দিনত সদায়ে পথাৰলৈ যায়। পথাৰৰপৰা আহিহে পঢ়িবলৈ বা লিখিবলৈ বহে। য'তে খালী ঠাই পায় তাতে বহি লিখিবলৈ লয়। আমাৰ নাহৰণিৰ ঘৰত বা যোৰহাটৰ ঘৰতো তেখেতৰ লিখা-মেলা, পঢ়া-শুনা কৰা কোনো বিশেষ কোঠালি বা বিশেষ ঠাই নাই, য'তে খালী ঠাই পায়, তাতে মূঢ়া এটাত বহি, চাপৰ মেজ এখন লৈ লিখে। কেতিয়াবা বিচনাত বহিও লিখে। লিখা পীৰা এখন আছে। তাৰ ওপৰতো লিখে, নহ'লে বিচনাতে চুটকেছ্ এটা লৈ তাৰ ওপৰতো লিখে, নহ'লে কেতিয়াবা আঠুৰ ওপৰত ডাঠ ক'ভাৰৰ বহী এটা লৈ লিখে। বতৰ ভাল থাকিলে ঘৰৰ ছাঁত বহিও লিখে। আমাৰ ঘৰখনত সদায় চিঞৰ-বাখৰ, হুলস্থূল চলি থাকে। ল'ৰা-ছোৱালী আৰু তেখেতক লগ পাবলৈ অহা মানুহ সদায় থাকে। লিখা এৰি থৈ তেখেতে সেইসকলৰ লগত কথা পাতি বহি থাকেগৈ, মই পৰাপক্ষত সকলোকে চাহ-জলপান দিওঁ। এনেকৈ লিখাৰ পৰা বাৰে বাৰে উঠি যায় যদিও, তাৰ পাছত সময় উলিয়াব পাৰে সেই সময়তে লিখিবলৈ বহে, লিখাৰ কোনো নিৰ্ধাৰিত সময় নাই, ৰাতিপুৱা লিখে, দুপৰীয়া লিখে, ৰাতি লাইট নুমাই গ'লেহে লিখিবলৈ এৰি বহি থাকে, মনৰ পোহৰত লিখিবলৈ টান পায়। কোনোবা দিনা ৮-১০ ঘণ্টাও লিখে। কেতিয়াবা একে বহাতে একোটা গল্প বা প্ৰবন্ধ বা কবিতা লিখি শেষ কৰে আৰু শেষ হ'লে মোক কয় — 'শেষ কৰিলো জানিছা।'

১৯১৯ চনৰ ১৬ জানুৱাৰীত শিৱসাগৰৰ ওচৰত নাহৰণিত মালিকৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল চৈয়দ ৰহমত আলি আৰু মাতৃ আছিল চৈয়দা লুতিফুন্নিছা। খাজা মইনুদ্দিন চিস্তীৰ হজৰত খোন্দকৰ পীৰ তেওঁলোকৰ পূৰ্বপুৰুষ। ১৯২৮ চনত তেওঁ প্ৰাইমাৰী পৰীক্ষাত বৃত্তি লাভ কৰি উত্তীৰ্ণ হয। তাৰ পিছত তেওঁ দেৰগাওঁ হাইস্কুলত ভৰ্তি হয। এই সময়ছোৱাতে তেওঁ খেলা-ধুলা, গীত-বাদ্য আৰু নাট অভিনযো কৰিছিল। সৰুতে তেওঁ যিবোৰ নাটকত অভিনয কৰিছিল, তাত তেওঁ স্ত্ৰী চৰিত্ৰ ৰূপাটিত কৰিছিল। ১৯৩৭ চনত তেওঁ ফাৰ্চীত লেটাৰসহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৪১ চনত তেওঁ কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্ছসহ বি-এ আৰু ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এম এ পৰীক্ষাত উত্তীৰ্ণ হয।

চাকৰি-জীৱনত গোলাঘাট হাইস্কুলত শিক্ষকতা কৰি, পিছত জগন্নাথ বৰুৱা কলেজত অধ্যাপনা কৰিবলৈ লৈছিল। তেওঁ কিছুদিনৰ কাৰণে আবকাৰী পৰিদৰ্শক আৰু অনাতাঁৰ কেন্দ্ৰৰ প্ৰগ্ৰেম এছিষ্টেন্টৰো কাম কৰিছিল।

মালিক চৰকাৰী-বেচৰকাৰী বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত। 'সৰ্বভাৰতীয় গণ নাট্য সংঘ'ৰ একালৰ উপ-সভাপতি আৰু সদৌ অসম গণনাট্য সংঘৰ ১৯৫২-'৫৫ কালছোৱাৰ তেওঁ সভাপতি আছিল। এই সংঘত থাকোঁতে, তেওঁ জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ফণী শৰ্মা আদি শিল্পী-সাহিত্যিসকলৰ লগত মিলি সংঘলৈ সেৱা আগবঢাইছিল। সাহিত্য অকাডেমি, সংগীত নাটক অকাডেমি, বিশ্বকোষ প্ৰণযন সমিতি, ললিত কলা অকাডেমি, নেচনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়াৰ লগতো তেওঁ জড়িত আছিল। ১৯৬৫ চনত তেওঁ সাংবাদিকতাৰ বাবে "ছোভিযেট দেশ" নেহৰু পুৰস্কাৰ লাভ কৰিছিল। ১৯৮৪ আৰু ১৯৯২ চনত তেওঁ ক্ৰমে 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' সন্মানেৰে ভূষিত হয। ১৯৮৯ চনত ডিব্ৰুগড বিশ্ববিদ্যালযে তেওঁক সন্মানীয ডি-লিট ডিগ্ৰী প্ৰদান কৰে। ১৯৯২ চনত তেওঁ অসম উপত্যকা বঁটা লাভ কৰে।

১৯৭৭ চনত মালিকক অসম সাহিত্য সভাৰ চতুশ্চত্বাৰিংশ অভয়াপুৰী অধিৱেশনৰ সভাপতি হিচাপে বৰণ কৰা হৈছিল। সেইদিনা তেওঁ জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, — 'সাহিত্যৰ জগতখনত পক্ষ মাথোন দুটা ঃ লেখক আৰু পাঠক। এটা কবিতাৰ, এটা গল্পৰ, এখন নাটক বা উপন্যাসৰ লেখক এজন, সহস্ৰজন হ'লেও, পাঠক এজনেই — প্ৰতিজন পাঠকেই একক। দুয়োৰে মাজৰ যোগসূত্ৰ সংবেদনশীল, ভাবোদ্দীপক সহজবোধ্য ভাষা, সাহিত্যিকে সৃষ্টি কৰা এক চিনিব আৰু বুজিবপৰা পৃথিৱী। লেখকে যদি পাঠকৰ কথা মনত নৰখাকৈ লিখে, পাঠকে যদি সেই লিখা গ্ৰহণ কৰিবলৈ অক্ষম হয়, লেখক-পাঠকৰ সম্পৰ্ক ৰচনা হ'ব পাৰে জানো?' অসমীয়া ভাষা-সাহিত্যৰ

সমৃদ্ধি আশা কৰি মালিকে কয়, — 'আমাক বহুত কবি লাগে, আৰু বহুত ভাল কবিতা লাগে। আমাক বহুত চুটি গল্প লিখক লাগে আৰু বহুত ভাল চুটিগল্প লাগে। আমাক বহুত ঔপন্যাসিক লাগে, আৰু বহুত ভাল উপন্যাস লাগে।'

মালিকে অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা তেওঁৰ সীমাহীন প্ৰীতি আৰু শ্ৰদ্ধা প্ৰকাশ কৰিছে এনেদৰে —

'অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ।
অসমৰ প্ৰকৃতিয়ে ৰচা
বিহগ কিন্নৰ য'ত শুনিলে নীৰৱ হয
অসমীয়া গীত মোৰ হৃদয ওপচা।'

মালিকৰ সাহিত্যই বিশ্ব-প্ৰসাৰতা লভক, তাকে আমি কামনা কৰোঁ। ❐

প্ৰসন্নলাল চৌধুৰী

"শিশুক বিলাওঁ লৱনু কান্তি,
দৰিদ্ৰতাত ভোগৰ তৃপ্তি,
পতিতক অধিকাৰ,
আকাশে পবনে স্পন্দিত কৰোঁ
মানুহৰ জয় জয়কাৰ।"

পুৰণি ৰক্ষণশীল সমাজখন ধ্বংস কৰি, এখন মানৱতাবাদী সমাজ গঢ়াৰ বাবে বিদ্ৰোহ কৰি যোৱা বিশিষ্ট কবি গৰাকীয়ে প্ৰসন্নলাল চৌধুৰী।

প্ৰসন্নলাল চৌধুৰীৰ জন্ম হয় ১৮৯৮ চনত, কামৰূপ জিলাৰ পলাশবাৰীত। তেওঁৰ পিতাকৰ নাম শ্যামলাল চৌধুৰী আৰু মাকৰ নাম প্ৰমীলা চৌধুৰী। এওঁলোকৰ পূৰ্বপুৰুষ ৰাজপুতনাৰ লোক। তেওঁলোকৰ আদি পুৰুষ বিজয় সিংহ। এওঁ ষোড়শ শতিকাত অসমলৈ আহিছিল। দিল্লীত লগ পাই কোচ ৰজাৰ ভাতৃ চিলাৰায় দেৱানে

চৰ্দাৰৰূপে নৰ নাৰায়ণৰ ৰাজসভালৈ আমন্ত্ৰণ কৰি আনিছিল। তেওঁ পোন প্ৰথমে কোচ ৰাজ্যৰ ৰাজধানীত বস-বাস কৰি, অসমীয়া ছোৱালীৰ পাণি গ্ৰহণ কৰে। বিজয় সিংহ চৰ্দাৰৰ পুত্ৰ কৃপাময় উজিৰ। এওঁ ৰজা ঘৰৰপৰা উজীৰ পদ লাভ কৰিছিল। কৃপাময় উজিৰৰ পুত্ৰ খীৰা মৰলে বৰপেটাৰ সুন্দৰীদিযা সত্ৰত বাস কৰিছিল। এওঁ সুন্দৰীদিয়া সত্ৰত বাস কৰা সময়তে মাধবদেৱে এওঁৰ ঘৰতে প্ৰথম আশ্ৰয় লৈছিল। খীৰামৰলৰ পুত্ৰ মাধৱ মৰলে মাধৱ দেৱৰ লগত 'মিতা' পাতিছিল। মাধৱ মৰলৰ পুত্ৰ হৰিচৰণৰ পৰা তেওঁলোকৰ উপাধি 'চৌধুৰী' হয। শ্যামলাল চৌধুৰীযে পলাশবাৰী মৌজাৰ তহবিলদাৰ ৰূপে কাম কৰি, পিছত হাকিম হয়।

প্ৰসন্নলাল চৌধুৰীয়ে পোনতে পলাশবাৰী ছাত্ৰ বৃত্তি স্কুলত শিক্ষা লাভ কৰে। তাৰ পিছত পলাশবাৰী এম ই স্কুলত ভৰ্তি হয। এই বিদ্যালয়ত তেওঁ শিক্ষকৰূপে পাইছিল শিক্ষাবিদ অবলাকান্ত গোস্বামীৰ পিতৃ কৃষ্ণকান্ত গোস্বামীক। কিন্তু ১৯০৭ চনত প্ৰসন্নলালৰ পিতৃৰ মৃত্যু হোৱাত, তেওঁলোক বৰপেটালৈ গুচি যায়। তেওঁ গৈ বৰপেটা হাইস্কুলত ভৰ্তি হয। এই বিদ্যালযত তেওঁ সপ্তমমান শ্ৰেণীলৈ পঢ়ি, তেওঁ যোৰহাটলৈ যাবলগীযা হয। তাত গৈ যোৰহাট বেজবৰুৱা হাইস্কুলত ভৰ্তি হয় আৰু এই বিদ্যালয়ৰপৰা ১৯১৯ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ কটন মহাবিদ্যালযত ভৰ্তি হয যদিও তাত এবছৰ পঢ়ি কলিকতাৰ চেণ্ট পল মহাবিদ্যালয়ত ভৰ্তি হয। ১৯২৮ চনত ডিষ্টিংচন সহ স্নাতক উপাধি লাভ কৰে। ইযাৰ পিছত তেওঁ গুৱাহাটীত আইন পঢ়িবলৈ লয যদিও শেষ পৰীক্ষা নিদিলে।

১৯২৭ চনত তেওঁ শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰে। পোনতে তেওঁ পলাশবাৰী হাইস্কুলত এবছৰ শিক্ষকতা কৰে। তাৰ পিছত গুৱাহাটীৰ কামৰূপ একাডেমী, বজালী হাইস্কুল আৰু ১৯৩০ চনৰপৰা বৰপেটা বিদ্যাপীঠত শিক্ষকতা কৰে। বৰপেটা বিদ্যাপীঠৰ প্ৰধান শিক্ষকৰূপে কাম কৰি ১৯৬৪ চনত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছত তেওঁ কিছুদিন ধৰি 'জীৱনলতা ছোৱালী হাইস্কুল'ত প্ৰধান শিক্ষকৰূপে শিক্ষাদান কৰে। ১৯৭১ চনৰ পৰা ১৯৭৪ চনলৈকে বৰপেটা গোমুৱা বিদ্যা নিকেতন হাইস্কুলত প্ৰধান শিক্ষকৰূপে কাম কৰিবলগীযা হয।

প্ৰসন্নলাল চৌধুৰী আছিল এগৰাকী সু অভিনেতা। ১৯২২-২৩ চনত তেওঁৰ নাট্য জীৱন আৰম্ভ হয। এই সময়ছোৱাতে তেওঁ বৰপেটাৰ মঞ্চ জগতত প্ৰৱেশ কৰি, পোনতে বিয়া উপলক্ষে আয়োজিত নাটকত অভিনয় কৰিবলৈ লয়। পোনতে তেওঁ বৰদা চৌধুৰীৰ বিয়া উপলক্ষে অনুষ্ঠিত 'দেৱলা দেৱী' নাটকত কৰুণ সিংহৰ ভাওটি ৰূপায়ণ কৰে। এই অভিনয়ত তেওঁ প্ৰশংসিত হোৱাত, অভিনয় জীৱনৰ প্ৰতি আকৃষ্ট

হয় আৰু তেওঁ ১৯৩১-৩৩ চনৰ সময়ছোৱাত 'মিলন মন্দিৰ' নাট্য দল গঠন কৰে। এই বিষয়ত তেওঁৰ অগ্ৰজ গণেশ লাল চৌধুৰীয়েও গুৰি ধৰে। মেৱাৰ পতন, ছাজাহান, বনবীৰ, জনা, কালাপাহাৰ, চন্দ্ৰগুপ্ত, বিজয়া, কৰ্ণাৰ্জ্জুন, ধৰ্ম পৰীক্ষা, নীলাম্বৰ, মানৱ দিন আদি বিভিন্ন নাটকত তেওঁ বিভিন্ন ভাওত অভিনয় কৰে। তেওঁ তেজপুৰ বাণ ৰংগ মঞ্চতো অভিনয় কৰি সুনাম অৰ্জন কৰে।

চৌধুৰী এগৰাকী চিকাৰীৰূপেও জনাজাত।

তেওঁ ৰাজনীতিৰ লগতো জড়িত আছিল। তেওঁ জনসংঘৰ এগৰাকী নিযমীগা সভ্য আছিল। আৰু এই দলৰপৰা তেওঁ ১৯৭১ চনত প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদৰ লগত বৰপেটা সংসদী আসনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়।

প্ৰসন্নলাল চৌধুৰী এগৰাকী বিশিষ্ট সাহিত্য সাধক। তেওঁ আছিল একেৰাহে কবি, নাট্যকাৰ, শিশু সাহিত্যিক আৰু গল্পকাৰ। ১৯১৯ চনত তেওঁ প্ৰথম কবিতা 'পূৰ্ণ প্ৰাণ' ৰচনা কৰে আৰু এই কবিতাটি 'সেউতী' নামৰ আলোচনীত প্ৰকাশ পায। তেতিয়াৰপৰা তেওঁ কবিতা ৰচনা কৰিবলৈ ধৰে। ১৯১৮ চনত 'আসাম বান্ধৱ'ত তেওঁৰ চুটি গল্প প্ৰকাশিত হয়। তেওঁৰ প্ৰকাশিত বুৰঞ্জীমূলক নাটক-নীলাম্বৰ (১৯৩৩)। কাব্য নাটক ঃ অপেশ্বৰী (১৯১৬)। অনাতাঁৰ নাটক ঃ চুলতানা ৰেজিযা (১৯৪৯), ৰণজিৎ সিংহ ১৯৪৯), বাৰিষাৰ খঙা ৰ'দ (১৯৫৯) আদি। কবিতা ঃ অগ্নিমন্ত্ৰ (১৯৫০), চানেকি কবিতা (১৯৬৫) আদি। প্ৰবন্ধ ঃ জাতিৰ ফুল (১৯৬৭)। শিশু সাহিত্য ঃ মৌচাক, তেজৰ অৰিহণা, ৰাণা প্ৰতাপ আদি। গল্প ঃ বহুত কথা, আমাৰ দেশৰ সাধু আদি। গীতৰ পুথি ঃ গুঞ্জৰী, ৰঙ্গে ফাগু খেলে। সম্পাদনামূলক ঃ মাধৱ কন্দলীৰ 'ৰামাযণ'। তেওঁ অপ্ৰকাশিত কেইবাখনো গ্ৰন্থ আছে। ১৯৫১ চনত তেওঁ 'প্ৰকাশ' নামেৰে এখন সাপ্তাহিক বাতৰি কাকত সম্পাদনা কৰিছিল। তেওঁ অসমৰ 'বিদ্ৰোহী কবি' ৰূপে জনাজাত।

১৯৭৮ চনত গোলাঘাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা তেওঁ সভাপতিৰ আসনৰপৰা কৈছিলঃ

"তুমি আজি লোৱা সাজি
বিচিত্ৰ বাহিনী,
কবি তুমি কণ্ঠ ভৰা আছে বজ্ৰবাণী
নয়নত দিব্য-দৃষ্টি মৃত সঞ্জীৱনী।
অন্তৰত অগ্নি শিখা
ঠাৰতে বিজুলী লিখা,
বিপ্লৱৰ নটৰাজে

তাণ্ডবৰ ডম্বৰু বজায়
পৰে যদি তোমাৰ তৰ্জ্জণী।
স্বপ্ন বিলাসৰ বাবে দিন আৰু নাই
সময় তাকৰ।
বিজুলী বাহিনী লাগে
সমগ্ৰ সমৰ
গাথা অগ্নিগড়।'

তেওঁৰ মৃত্যু হয় ১৯৮৬ চনৰ ২০ জানুৱাৰীত। ☐

অতুল চন্দ্ৰ বৰুৱা

"জাতীয় জীৱনৰ বৃহত্তৰ পটভূমিত দেখা দিয়া সংকট শিক্ষা ব্যৱস্থাৰ ত্ৰুটী; ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা, শিক্ষাৰ্থীৰ সন্মুখত দেখা দিয়া অনিশ্চিত্ত ভৱিষ্যৎ, ৰাজনৈতিক অনিশ্চয়তা, অসমৰ ক্ৰম সংকুচিত ভূচিত্ৰ, আন্তঃৰাজ্যিক সীমা-বিবাদ, অৰ্থনৈতিক জীৱনৰ সংকট, গ্ৰন্থ প্ৰকাশনৰ সমস্যা, লেখক, অসমীয়া পুথিৰ সীমিত বজাৰ, ৰাজহুৱা প্ৰকাশন অনুষ্ঠানৰ নিৰাশাজনক ভূমিকা ইত্যাদি এশ এটা কাৰণত সাহিত্যৰ অগ্ৰগতি আজি মন্থৰ হৈ পৰিছে। এই সকলোবোৰৰ ওপৰত নতুনকৈ দেখা দিয়া বহিৰাহতৰ সমস্যাই আকৌ ভূতৰ ওপৰতে দানহ হৈ অসমীয়াৰ নিজা পৰিচয়কে বিপন্ন আৰু সংশয়গ্ৰস্ত কৰি তুলিছে। এনে পৰিস্থিতিত উপস্থিত হোৱা কৰ্তব্যৰ প্ৰত্যাহ্বান সাহসেৰে গ্ৰহণ কৰিব লাগিব— ৰাইজেও, চৰকাৰেও। বিভিন্ন সমস্যাত জুৰুলা হোৱা অথচ নিজা সাংস্কৃতিক ঐতিহ্য আৰু প্ৰাকৃতিক সম্পদেৰে চহকী আমাৰ এই ৰাজ্যখনৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত উন্নত আৰু মহীয়ান কৰি তোলাত এপিনে যেনেকৈ প্ৰজ্ঞাবান, স্থিতধী আৰু দূৰদৰ্শী নেতৃবৃন্দ নিজৰ দায়িত্ব পালনত সচেতন হ'ব লাগিব, আনপিনে তেনেকৈ আত্মনিৰ্ভৰশীলতাৰ মহান আদৰ্শক সাৱটি লৈ জীৱনৰ প্ৰতিটো

ক্ষেত্ৰত স্বাধীনতাৰ প্ৰতিষ্ঠা কৰিবলৈ আমাৰ ৰাইজেও বীৰদৰ্পে আগবাঢ়ি আহিব লাগিব। অবিৰাম সজাগতা আৰু সৰ্বাত্মক স্বাবলম্বিতা-এয়ে হব আমাৰ আত্মপ্ৰতিষ্ঠাৰ মূল মন্ত্ৰ।"

জীৱনৰ প্ৰতিটো ক্ষেত্ৰত অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ অবিৰাম সজাগতা আৰু সৰ্বাত্মক স্বাবলম্বিতাৰ পোষকতা কৰা, বিশিষ্ট লেখকগৰাকীয়ে অতুলচন্দ্ৰ বৰুৱা।

অতুল চন্দ্ৰ বৰুৱাৰ জন্ম হয় ১৯১৬ চনৰ ২৯ মে'ত দৰং জিলাৰ মাৰৈ গাৱঁত (ডুবাহাটী)। পিতাকৰ নাম ভোগৰাম বৰুৱা আৰু মাকৰ নাম প্ৰমিলা বৰুৱা। তেওঁ মাৰৈ গাৱঁতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা আৰম্ভ কৰে। ১৯৩৬ চনত তেওঁ মংগলদৈ চৰকাৰী হাইস্কুলত পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। ১৯৪০ চনত তেওঁ কটন কলেজৰপৰা বি. এ আৰু ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম এ পাছ কৰে।

বৰুৱাই শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰে। ১৯৩৭ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত তেওঁ ছিপাঝাৰ হাইস্কুল, পাথৰিঘাট এম ই স্কুল আৰু মংগলদৈ স্কুলত শিক্ষকতা কৰে। ১৯৪৩ চনৰপৰা ১৯৪৯ চনলৈ তেওঁ শ্বিলং অসম সচিবালয়চত চাকৰি কৰে। ১৯৪৭ চনত তেওঁ হিৰণপ্ৰভা বৰুৱাৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। ১৯৪৪-৪৯ চনৰ সময়ছোৱাত তেওঁ শ্বিলঙৰ ছেণ্ট মেৰীজ কলেজ আৰু এণ্ড মাগুছ্ কলেজত প্ৰবক্তাৰূপে কাৰ্য্যনিৰ্বাহ কৰে। ১৯৪৯ চনত তেওঁ এ চি এছ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫০ চনৰপৰা ১৯৫৩ চনলৈকে তেওঁ ৰঙিয়াত এছ্ ডি চি নিযুক্ত হয়। ১৯৫৩ চনৰ পৰা ১৯৫৮ চনৰ সময়ছোৱাত তেওঁ গুৱাহাটীত এচ ডি চি আৰু এছিষ্টেণ্ট ছেটলমেণ্ট অফিচাৰৰূপে কাৰ্য্য নিৰ্বাহ কৰে। ১৯৬৯-৭০ চনত তেজপুৰৰ সদৰ এছ্ ডি ও আৰু ১৯৭১-৭২ চনত এপেক্স মাৰ্কেটিং ছোচাইটিৰ মেনেজিং ডাইৰেক্টৰ নিযুক্ত হয়। ১৯৭২-'৭৪ চনৰ সময়ছোৱাত তেওঁ কামৰূপ জিলাৰ এ ডি চি আৰু ১৯৭৪ চনত কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰূপে অৱসৰ গ্ৰহণ কৰে।

বৰুৱা বিভিন্ন সাহিত্য সংস্কৃতি আৰু শিক্ষামূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ১৯৪৫ চনৰ ১৪ জানুৱাৰীত শ্বিলং মুকুল সংঘৰ জন্ম হয় আৰু বৰুৱা এই অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সম্পাদক হয়। ১৯৪৬-৪৮ চনৰ সময়ছোৱাত তেওঁ কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ পৰীক্ষক নিযুক্ত হয়। ১৯৫৫ চনৰ ২৭ ফেব্ৰুৱাৰীত তেওঁ গুৱাহাটী আলোচনী চক্ৰৰ সম্পাদকৰূপে সেৱা আগবঢ়ায়। ১৯৭৭-৭৯ চনত তেওঁ দৰং জিলা সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৮৮-৯৩ চনৰ সময়ছোৱাত তেওঁ অসমীয়া চলন্ত অভিধান প্ৰণয়ন সমিতিৰ সহকাৰী সম্পাদক আছিল। ১৯৭৭ চনত তেওঁ গুৱাহাটী মেট্ৰপলিটান ইনষ্টিটিউটৰ উপাধ্যক্ষ নিযুক্ত হয়।

অতুল চন্দ্ৰ বৰুৱাই অসমীয়া ভাষা-সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থৰাজি হ'ল– শৰৎ চন্দ্ৰ গোস্বামীৰ চমু জীৱনী (১৯৪৬), সাহিত্যৰ ৰূপৰেখা (১৯৫৭) প্ৰজাপতিৰ নিবন্ধ (১৯৫৭), সমালোচনা সাহিত্য (১৯৫৮) ভূমি আৰু জীৱন (১৯৫৮), সাহিত্য দৃষ্টি (১৯৬০), মদন আৰু বসন্ত (১৯৬১), নবী কথা (১৯৬৩), ডাকে বোলে শুনা উপায় (১৯৬৪), সাহিত্য জীৱন (১৯৬৫), লোকদেৱতা শিৱ (১৯৬৭), গল্প ভৰতী (১৯৬৯), অসমীয়া কাব্যত প্ৰেমৰ বৌৰতী সুঁতি (১৯৭০), মনসা কাব্য আৰু ওজাপালি (১৯৭৪), বাগ্মীনেতা দেশভক্ত ফুকন (১৯৭৭), অসমীয়া অভিধান আৰু ভাষা (১৯৭৭), ছন্দশিল্পী ভোলানাথ দাস, অসমীয়া লোক সাহিত্য (১৯৮১), সানমিহলি (১৯৮৬), নৱৰত্ন (১৯৮৮)। শিশু সাহিত্য — পুৰণি পুথিৰ সাধু (১৯৫১), সন্ধিয়াৰ সাধু (১৯৬৩), খেলিমেলি (১৯৭৮) আদি। ভাঙনি— মহাপুৰুষ শংকৰদেৱ (১৯৭৫) সম্পাদনামূলক — কাব্য প্ৰভা (১৯৪১), অতীত আৰু-বৰ্তমান (১৯৫২), মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য (১৯৭৪), ভোলানাথ দাস ৰচনাৱলী (১৯৭৭), ৰঘুনাথ চৌধাৰী ৰচনাৱলী (১৯৮০)। অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী (প্ৰথম খণ্ড) ১৯৯৩ আৰু অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী (দ্বিতীয় খণ্ড) ১৯৯৬ প্ৰকাশ পাইছে।

১৯৭৯ চনৰ ১০ ফেব্ৰুৱাৰীত শুৱালকুছিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষট চত্বাৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "অসম মৰিলে আমিও মৰিম। অসমৰ উন্নতিয়ে আমাৰ উন্নতি। অসমৰ গৌৰৱে আমাৰ গৌৰৱ, তথা ভাৰতৰ গৌৰৱ। অসমীয়া, তুমি য'তেই নাথাকা— সদিয়া সীমান্ততে হওক বা ধুবুৰীৰ প্ৰান্ততে হওক, পৰ্বত পাহাৰতে হওক বা ভৈয়ামতে হওক, তুমি নৈ পৰীয়া চৰুৱাই হোৱা বা খিলঞ্জীয়া আদিবাসীয়ে হোৱা— তোমাৰ এটাই পৰিচয় ঃ তু মি অসমীয়া , শত বাধা-বিঘিনীৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জলিকি থাকে। ❒

যতীন্দ্ৰ নাথ গোস্বামী

"অসমৰ জাতীয় জীৱনৰ এটা সন্ধিক্ষণত আমি এই সাহিত্য ক্ষেত্ৰত সমবেত হৈছোঁ। আমাৰ কেউফালে সংগ্ৰাম। আপোনালোকক নকলেও হ'ব যে অসমীয়া জাতিয়ে বিভিন্ন ক্ষেত্ৰত কেইবাখনো শৰাইঘাট অতিক্ৰম কৰিবলগীয়া হৈছে। অসমীয়া ভাষা পুনৰ প্ৰচলন অসমত শোধনাগাৰ স্থাপন, অসমীয়া ভাষাক ৰাজ্য ভাষা কৰা, অসমীয়া ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰা আদি আমাৰ সংগ্ৰামৰ একো একোটা স্তম্ভ। এতিয়া লোক গণনাৰ প্ৰাক কালতঅসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰম্ভ হৈছে। জীৱনৰ আন এটা সংগ্ৰাম। অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে যি জন জাগৰণে দেখা দিছে সেই জাগৰণৰ কালত আবেগ-অনুভূতিক প্ৰাধান্য নিদি আমি মানসিক আৰু অৰ্থনৈতিক উন্নতিৰ আঁচনি কৰি কামত আগবাঢ়ি যাব লাগিব। আমাৰ ভাগ্য আমি নিজেই ৰচনা কৰিব লাগিব। অসমীয়াই আত্মপ্ৰতিষ্ঠা কৰাৰ এয়ে সুবৰ্ণ সুযোগ। অসমত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ সমূহীয়া প্ৰচেষ্টাৰ ওপৰতে অসমৰ উন্নতি নিৰ্ভৰ কৰিছে।"

অসমীয়া জাতিৰ আত্মপ্ৰতিষ্ঠাৰ এনে সুবৰ্ণ সুযোগৰ সন্ধান দিয়া বিশিষ্ট লেখকগৰাকীয়ে যতীন্দ্ৰনাথ গোস্বামী।

যতীন্দ্ৰনাথ গোস্বামীৰ জন্ম হয় ১৯১৮ চনত, যোৰহাটৰ ওচৰৰ টীয়কৰ নেপালী সত্ৰত। তেওঁৰ পিতাকৰ নাম প্ৰাণকৃষ্ণ দেৱগোস্বামী আৰু মাকৰ নাম নৰ্মদা দেৱী।

তেওঁৰ সৰুকালৰ শিক্ষা টীয়ক প্ৰাথমিক বিদ্যালয়ত আৰম্ভ হয়। ১৯৩৭ চনত তেওঁ চেনাইৰাম হাইস্কুলৰপৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰে। ১৯৪১ চনত তেওঁ কলিকতা ৰিপণ কলেজৰপৰা বি এ আৰু ১৯৪২ চনত শ্বিলঙৰ পৰা বি টি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫০ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়খ পৰা এম এ পাছ কৰে।

পোনতে তেওঁ প্ৰতিৰক্ষা বিভাগত চাকৰি কৰে। পিছত শ্বিলং লাবান বইজ স্কুলত প্ৰধান শিক্ষকৰ পদ লাভ কৰি শিক্ষকতা কৰিবলৈ লয়। তেওঁ কিছুদিন কটন কলেজ আৰু জগন্নাথ বৰুৱা কলেজতো অধ্যাপনা কৰে। ১৯৮০ চনত তেওঁ চাকৰিৰপৰা অৱসৰ লয়।

যতীন্দ্ৰনাথ গোস্বামীয়ে অসম সাহিত্য সভাৰ লগত দীৰ্ঘদিনৰপৰা জড়িত হয়। ১৯৫৩ চনত অসম সাহিত্য সভাৰ শ্বিলং অধিবেশনৰ তেওঁ কাৰ্যনিৰ্বাহকৰ সদস্য আছিল। ১৯৫৪ চনৰপৰা ১৯৫৯ চনলৈ তেওঁ পাঁচবাৰ ধৰি অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল। তেও ১৯৫৯, ১৯৭০-৭১, ১৯৭১-৭২, ১৯৭২-৭৩ বৰ্ষৰ তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ১৯৭৪-১৯৭৫ চনত তদুপৰি তেওঁ অসম সাহিত্য সভাৰ উপ-সভাপতি নিৰ্বাচিত হয়। তদুপৰি তেওঁ অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতি, ৰাধাকান্ত সন্দিকৈ সমাৰোহ পুঁজি, চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা পুঁজিৰ ধনভঁৰালী আছিল। তেওঁ ১৯৬৭ চনৰ পৰা ১৯৬৮ চনলৈ অসম কলেজ শিক্ষক সন্থাৰ উপ-সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৬-৭৭ বৰ্ষৰ সময়ছোৱাত তেওঁ এই অনুষ্ঠানৰ সভাপতি নিৰ্বাচিত হয়।

তেওঁ অসমীয়া ভাষা সাহিতত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢাইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল — অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, সাহিত্য চিন্তা, জগন্নাথ বৰুৱা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ভাষাৰ ওজা হেমচন্দ্ৰ গোস্বামী, ওজাৰপৰা প্ৰাসাদলৈ, মৌচাক, মাতৃভাষাৰ শিক্ষা, শিক্ষা মনোবিজ্ঞানৰ আভাষ, মেম, দস্যু সম্ৰাট, কালিকা লগা মিছা আদি। সম্পাদিত বেজবৰুৱাৰ প্ৰবন্ধ বাছনি, মোৰ জীৱন সোঁৱৰণ-লক্ষ্মীনাথ বেজবৰুৱা, অসম সাহিত্য সভাৰ ভাষণাৱলী চতুৰ্থ ভাগ, আনন্দৰাম ঢেকিয়াল ফুকন, শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী, ক্ষেত্ৰধৰ বৰগোসাইৰ প্ৰবন্ধ সংকলন, ভীম চৰিত, অশ্বকৰ্ণ বধ, বলিচলন কাব্য, অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা, কৃষ্ণকান্ত সন্দিকৈৰ ৰচনা-সম্ভাৰ আদি।

১৯৮০ চনৰ ২১, ২২, আৰু ২৩ মাৰ্চত বহ্যাৰ শ্ৰীমন্ত শংকৰ ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "সাধাৰণ কথাত শব্দ আৰু অৰ্থৰ সমন্বয়াত্মক সৃষ্টিকেই সাহিত্য বোলা হয়। সাহিত্যৰ আত্মপ্ৰকাশ একান্তভাৱে শব্দাশ্ৰয়ী। শব্দই সাহিত্যৰ প্ৰাণ। চিন্তা, কল্পনা আৰু অনুভূতিৰ বৈচিত্ৰ অনুসৰি এই শব্দ বিচিত্ৰ জ্যোতিৰে প্ৰকাশিত হয়। ই কেতিযাবা ছন্দোবদ্ধ আৰু ধ্বনিমধুৰ, কেতিয়াবা সংলাপাশ্ৰিত, কেতিয়াবা আখ্যান আৰু বৰ্ণনাধৰ্মী, কেতিয়াবা আড়ম্বৰপূৰ্ণ আৰু বিস্তাৰিত ইত্যাদি। শব্দৰ অৰ্থগত পাৰ্থক্য আৰু শব্দ বিন্যাসৰ কৌশল অনুযায়ী সাহিত্যৰ ৰূপভেদ প্ৰকট হৈ উঠে।" ❑

সীতানাথ ব্ৰহ্মচৌধুৰী

"অসমৰ ডেকাচামে যদি স্বাবলম্বী হোৱাৰ পথত অগ্ৰসৰ হয়, শ্ৰমৰ মৰ্য্যাদা দি নিবনুৱা সমস্যা লাঘৱ কৰাৰ ব্যৱস্থা হাতত লয, থলুৱা লোকসকলক ব্যৱসায় বাণিজ্য প্ৰতিষ্ঠা কৰাত সাহায্য আগবঢ়ায়, তেনেহলেও আমাৰ সমস্যা বিলাকৰ বৃদ্ধি হ'ব নোৱাৰে বুলি বিশ্বাস কৰিব পাৰি। উদ্যোগজীৱী, শ্ৰমজীৱী বা ব্যৱসায়ী হৈ যদি অসমৰ নতুন পুৰুষে নতুন শক্তিৰে আগুৱাই যায়, তেনেহলে আমাৰ দেশৰ সম্পদ আমাৰ হাততে থাকি যায়। বাহিৰৰপৰা অহা লোকসকলে যদি ব্যৱসায়-বাণিজ্য কৰাৰ সুযোগ আৰু নতুনকৈ নাপায় তেনেহলে এদিন নহয় এদিন বহিৰাগতৰ সুঁতি বন্ধ হৈ পৰাটো স্বাভাৱিক কথা। এতিয়াৰপৰাই যদি অসমীয়া মানুহৰ মন এনেধৰণে তৈয়াৰী নহয়, তেন্তে যুগ যুগ ধৰি আন্দোলন চলালেও আমাৰ এই সমস্যাবিলাকৰ সমাধান নহয়। বৰ্তমান আন্দোলনৰ পৰিপ্ৰেক্ষিততো এই দিশবিলাকৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা হাতত ললেও আৰু সেই মতে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে নতুন অসমৰ জন্ম হবলৈ আৰু বেছি সময় নালাগে।"

অসমলৈ প্ৰবাহিত হৈ থকা বিদেশী বহিৰাগতৰ স্ৰোত ৰোধ কৰিবলৈ অসমীয়া ডেকাচামক এনে নৈতিক বলেৰে সবল হ'বলৈ আহ্বান জনোৱা বিশিষ্ট লেখকগৰাকীয়ে সীতানাথ ব্ৰহ্মচৌধুৰী।

সীতানাথ ব্ৰহ্মচৌধুৰীৰ জন্ম হয় ১৯০৮ চনৰ ৮ অক্টোবৰত, কোকৰাঝাৰৰ ভালুকমাৰী গাঁৱত। তেওঁৰ পিতাকৰ নাম মনবৰ আৰু মাকৰ নাম লক্ষ্মী।

তেওঁলোকৰ পূৰ্বপুৰুষ ভোটানৰ ৰীপু দুৱাৰৰ সামন্ত ৰজাৰ বংশধৰ।

তেওঁ সৰু কালৰ শিক্ষা তেওঁলোকৰ ঘৰতে স্থাপন কৰা বিদ্যালয়ৰপৰা লাভ কৰে। সদানন্দ ব্ৰহ্ম এই বিদ্যালয়ৰ শিক্ষক আছিল। ঘৰুৱা স্কুলখনো বন্ধ হোৱাত, তেওঁ ঘিলাগুৰি প্ৰাথমিক বিদ্যালয়ত ভৰ্তি হয়। তাৰপিছত পুঠিমাৰী মজলীয়া স্কুল, ধুবুৰী চৰকাৰী হাইস্কুল, তেজপুৰ চৰকাৰী হাইস্কুল আৰু ১৯৩০ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলত পঢ়ে। ১৯৩০ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। ১৯৩৬ চনত তেওঁ কটন কলেজৰ পৰা বি এ পাছ কৰে। গুৱাহাটীৰ আৰ্ল ল কলেজৰতো তেওঁ আইন পঢ়ে যদিও আধৰুৱা হয়।

শিক্ষা সাং কৰাৰ পিছত তেওঁ সমাজৰ উন্নয়নমূলক কামত মনোনিবেশ কৰে। তেওঁ কেইবাখনো বিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লয। সেই বিদ্যালয়সমূহৰ ভিতৰত প্ৰধানকৈ হৈছে— বীৰঝৰা হাইস্কুল, বিজনী বিদ্যাপীঠ, বঙাইগাঁও কলেজ আদি। ১৯৪৬ চনত তেওঁ ধুবুৰী লোকেল বোৰ্ডৰ উপ-সভাপতি নিৰ্বাচিত হয় আৰু পিছৰ বছৰত তেওঁ স্কুল বোৰ্ডৰ সদস্য মনোনীত হয়। এই সময়ছোৱাতে তেওঁ ধুবুৰী মহকুমাৰ প্ৰাথমিক বিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম অসমীয়া প্ৰবৰ্তন কৰাৰ প্ৰচেষ্টা হাতত লোৱাৰ উপৰিও পিছপৰা বড়ো অঞ্চলত বহুতো নতুন বিদ্যালয় স্থাপন কৰে।

১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত তেওঁ গোৱালপাৰা গাৰোপাহাৰ সংসদী সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে লোকসভালৈ নিৰ্বাচিত হয। ১৯৫৫ চনত তেওঁ ৰাষ্ট্ৰ সংঘৰ ফুড এণ্ড এগ্ৰিকালচাৰ অৰ্গেনাইজেশ্যনৰ ভাৰতীয প্ৰতিনিধি আছিল।

সীতানাথ ব্ৰহ্মচৌধুৰীয়ে অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁ পুঠিমাৰী মজলীয়া স্কুলত পঢ়ি থকা কালৰেপৰা সাহিত্য সাধনাত মনোনিবেশ কৰে। ১৯২৬ চনত বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত ধুবুৰীত অসম সাহিত্য সভাৰ নৱম অধিবেশন অনুষ্ঠিত হোৱাৰ সময়ত তেওঁ আছিল স্কুলীয়া ছাত্ৰ। এই অধিবেশনত তেওঁ স্বৰচিত কবিতা পাঠ কৰিছিল। তেওঁৰ প্ৰকাশিত কবিতা সংকলন হ'ল-কমলকলি (১৯২৫), চকুলো, আবেগ, ফুলেশ্বৰী দৈমাৰী (১৯৭৬), ব্ৰহ্মচৌধুৰীৰ কাব্য সম্ভাৰ আদি। ১৯৩৯ চনত তেওঁ গাওঁ সংগঠন নামৰ আন এখন পুথি ৰচনা কৰে। ১৯৭৫

চনৰ পৰা তেওঁ অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰে। ১৯৭৫, '৭৭ আৰু '৭৯ চনত অসম সাহিত্য সভাই তেওঁক সমৰ্দ্ধনা জনায়।

১৯৮১ চনৰ ৮, ৯, ১০ মেত তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰত আৰু ১৯৮২ চনৰ ২৩ এপ্ৰিলত ডিফুত অনুষ্ঠিত হোৱা অসম সাহিত্য সভা অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, 'অসমীয়া জাতি আৰু অসমীয়া ভাষা কেতিয়াও মৰিব নোৱাৰে। বাহিৰৰ কোনো শক্তিয়ে অসমীয়া জাতি আৰু অসমীয়া ভাষাক মাৰিব নোৱাৰে।' তেওঁ কৈছিল, "আমাৰ আত্ম-বিশ্লেষণৰ সময় আহিল। অসমীয়া জাতিৰ গঠন বুজিব লাগিব। অসমীয়া জাতি অসমৰ সকলো জনগোষ্ঠীৰ এটা মিশ্ৰিত জাতি। ইয়াৰ কোনো অংগ গোষ্ঠীক অৱহেলা কৰিবৰ ক্ষমতা আমাৰ নাই।"

তেওঁৰ মৃত্যু হয় ১৯৮২ চনৰ ২৩ নবেম্বৰত। ❐

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

'মই ক'তো ৰৈ থাকিব নোখোজোঁ। বোঁৱতী লুইতে মোৰ সৃষ্টিৰ আদৰ্শ।'

সৃষ্টিৰ এই মহান হাবিলাষ লৈ এক মন এক প্ৰাণে সমগ্ৰ জীৱন বাগ্‌দেৱীৰ আৰাধনাতে অটল হৈ, এজন অসমীয়া সাহিত্যিক সৰস্বতীৰ বৰপুত্ৰ হ'ল— তেঁৱেই ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। ডঃ ভট্টাচাৰ্য নিজৰ গৰিমাৰে এজন জাতীয় বীৰ হ'ল। জ্যোতিপ্ৰসাদে অসমীয়া ভাষাক 'জগত সভালৈ নিয়াৰ যি সপোন ৰচিছিল, সেই সপোনক বাস্তৱত ৰূপ দিলে ডঃ ভট্টাচাৰ্য্যই।

ডঃ ভট্টাচাৰ্য্যৰ সাধনাৰ বিষয় হ'ল-মানুহ, মানুহৰ কল্যাণ সাধনা। জনতাৰ দৰবাৰ জনতাৰ চৰকাৰ এখন তেওঁ বিছাৰিছে। তেওঁ মানুহক নিজৰ আগমণ্ডহৰ থাপনাত থাপিছে। তেওঁ কৈছে—

'মই বুকুত সাৱটি লওঁ যিবোৰে কাৰো বুকুৰ
উম পোৱা নাই,

মই সাজিবলৈ আহিছোঁ ভগা ঘৰবোৰ সুপ্ত ঘৰ
জেউতি জগাই।'

তেওঁ কৈছে, — 'মই লণ্ডণতকৈ মানুহতহে বিশ্বাস কৰোঁ। তেওঁ বিশ্বাস কৰে, 'সকলোৰে ওপৰত মানুহ সত্য' এই মানৱতাবাদে ডঃ ভট্টাচাৰ্য্যক এগৰাকী মহৎ লেখকৰ শাৰীত তুলিছে। জীৱনৰ আদি ছোৱাত তেওঁ মাৰ্ক্সীয় চিন্তাধাৰাৰ দ্বাৰা কিছু প্ৰভাৱান্বিত হৈছিল যদিও, পিছত মহাত্মাগান্ধী, ডঃ ৰাম মনোহৰ লোহিয়া, জয় প্ৰকাশ নাৰায়ণৰ আদৰ্শৰে প্ৰভাৱান্বিত হয়, তেওঁৰ আদৰ্শ হৈছে মানুহৰ মাজত অহিংস উপায়েৰে শান্তি আৰু সত্য প্ৰতিষ্ঠা কৰা। এই কথা তেওঁ চৰিত্ৰৰ মুখেৰে কোৱাইছে, — "মানুহ নমৰাকৈ যদি যুঁজিব পাৰিলোহেতেন, তেন্তে কিমান সুন্দৰ হ'লহেতেন।" ডঃ ভট্টাচাৰ্য্য সত্যম শিৱম সুন্দৰম চিৰপূজাৰী। তেওঁৰ পূজাত আছে — মৰম-স্নেহ, ক্ষমা-দয়া পৰোপকাৰ, সত্য অহিংসা আৰু প্ৰেম।

তেওঁৰ ৰাজনৈতিক আৰু সামাজিক দৰ্শনেও পদদলিত শ্ৰেণীৰ হৈ মুক্তিৰ বাণীকে কঢ়িযাই আনিছে। গৰীৱ জনসাধাৰণৰ হৈ ৰাজনৈতিক শ্ৰেণীৰ মুক্তিৰ ব্যাখ্যা দাঙি ধৰি তেওঁ কব বিচাৰিছে যে, আমাৰ ভাৰতবৰ্ষই বৰ্তমানৰ যি স্বাধীনতা পাইছে সেই স্বাধীনতাৰ প্ৰতি তেওঁ অকণো আস্থা পোষণ কৰিবপৰা নাই। ভাৰতৰ দৰে শতকৰা আশীভাগ কৃষি কৰ্মেৰে পেট প্ৰবৰ্তোৱা মানুহৰ দেশত পোনতে খেতিয়সকলৰ অৰ্থনৈতিক স্বাধীনতাৰহে বেছি প্ৰয়োজন। কাৰণ অৰ্থনৈতিক স্বাধীনতাই পুঁজিপতি শোষণকাৰীৰ পৰা গৰীৱ শ্ৰেণীক উদ্ধাৰ কৰে। অৰ্থনৈতিক স্বাধীনতা নাপালে ধনী আৰু ধনী হয়, দুখীয়া আৰু দুখীয়া হয়হৈ গৈ থাকে। বৰ্তমান আমি যি স্বাধীনতা পাইছোঁ, সেই স্বাধীনতা অৰ্থনৈতিক স্বাধীনতা নহয় বুলি তেওঁ কয়। ফলত আমাৰ জনসাধাৰণ ভাত কাপোৰৰ অভাৱ আৰু নিবনুৱা সমস্যাত জলাকলা হৈ পৰিছে। সেয়ে এই স্বাধীনতাৰ তেওঁ আন নাম নিবনুৱা হোৱা বুলিও কৈছে। তেওঁ খেতিয়ক বনুৱাৰ স্বাধীনতাতহে প্ৰথম গুৰুত্ব আৰোপ কৰিব বিচাৰিছে। তেওঁ ক'ব বিচাৰে যে, আমাক লাগে জনতাৰ দৰবাৰ আমাক লাগে জনতাৰ চৰকাৰ। এনে এখন সমাজৰ কাৰণেই কোটি কোটি জনতাই ভাৰতৰ স্বাধীনতাৰ অহিংস সংগ্ৰামত যোগ দিছিল। কিন্তু স্বাধীনতা লাভৰ পিছত জনসাধাৰণে কি পালে? দেশত শোষণকাৰী মালিক জমিদাৰ হৈয়ে থাকিল, আগৰ দালাল শ্ৰেণী দালাল হৈয়ে থাকিল। যেতিয়ালৈকে খেতিয়কে স্বাধীনতা নেপায়, যেতিয়ালৈকে খেতিয়কে খাজনা মাফ নেপায়, যেতিয়ালৈকে গাঁৱৰ মাটিহীন ডেকাই মাটি নেপায়-তেতিয়ালৈকে সংগ্ৰাম চলাই যোৱাৰ যি সংকল্প গ্ৰহণ কৰিছে—সেই চামৰে ডঃ ভট্টাচাৰ্য্য এজন। এই অৰ্থনৈতিক শোষণৰ পৰা জনসাধাৰণক মুক্ত কৰিবলৈ,

দেশবাসীৰ মাজত প্ৰকৃত স্বৰাজ আনিবলৈ ডঃ ভট্টাচাৰ্য্যৰ দৰে এচামে এক সৰ্বাত্মক বিপ্লৱৰ পোষকতা কৰি আহিছে। সৰ্বহাৰাৰ মুক্তি সংগ্ৰাম কৰোঁতে, তেওঁ সমাজবাদী অৰ্থনৈতিক চেতনাৰে উদ্বুদ্ধ টমপেইন, আব্ৰাহিম লিংকন, মাৰ্ক্স, লেলিন, মহাত্মা গান্ধী, বিনোবা, সুভাষ বসু, জয়প্ৰকাশ নাৰায়ণ, ৰাম মনোহৰ লোহিয়া আদি চিন্তানায়কসকলৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰতি আকৃষ্ট হৈছে। ডঃ ভট্টাচাৰ্য্যই কৈছে, 'হিংসাৰে আমি একো কৰিব নোৱাৰিমইঁক। সশস্ত্ৰ আক্ৰমণে সভ্যতা আৰু মানৱ জাতি ধংস কৰে। তাকে ৰাম মনোহৰ লোহিয়াই কৈছে, 'অসাম্য আৰু অন্যায়ক অস্ত্ৰৰে মষিমূৰ কৰিব নোৱাৰি।' মহাত্মা গান্ধীয়ে কৈছে, 'সত্যই ঈশ্বৰ। ইয়াক অহিংসাৰেহে উপলব্ধি কৰিব পাৰি।' ডঃ ভট্টাচাৰ্য্যই কৈছে, 'নিভাঁজ প্ৰেমৰ দৰে সুন্দৰ একো নাই'। জনতাক শোষণ কৰা, জনতাক বিপথে চালিত কৰা ৰাজনৈতিক দল মাত্ৰে তেওঁৰ দৃষ্টিত সামাজিক উন্নতিৰ সহায়ক নহয়। স্বৰাজ বুলিলে তেওঁ কৰ্মৰ সাহস বুলি কৈছে। অন্তৰৰ সকলো ভয় দূৰ কৰি কৰ্তব্য পথত আগবঢ়াটোকে তেওঁ স্বৰাজ বুলি কৈছে। মনৰ স্বাধীনতাই তেওঁৰ মতে প্ৰকৃত স্বৰাজ।

সামাজিক মূল্যায়নৰ ক্ষেত্ৰত তেওঁ ব্যক্তিতকৈ সমাজক অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ সাতামপুৰুষীয়া উৱলা সমাজখনৰ কিছুমান ৰীতি-নীতি, লোক-বিশ্বাসত আলাগ্ধু দেখিছে আৰু সমাজৰ পৰা সেই আলাগ্ধুবোৰো আতঁৰোৱাৰ বাবে বিপ্লৱৰ পোষকতা কৰিছে। তেওঁ নতুন সংস্কৃতি পথৰ সন্ধানী। প্ৰকৃত সমাজ এখন পাবলৈ হ'লে, শ্ৰেণী-জাত সংস্কাৰ হোৱা তেওঁ বিচাৰে। তেওঁৰ মতে, সমাজৰ সকলো শ্ৰেণীয়ে সমান মৰ্য্যাদা বা আদৰ পোৱা উচিত। কিন্তু এইক্ষেত্ৰত অসমৰ ধৰ্মগুৰু আৰু পণ্ডিত সমাজ এতিয়াও সংৰক্ষণশীল বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। তেওঁ দুখেৰে কৈছে যে, এইসকলৰ ওচৰত বৈপ্লৱিক পথ এটা বিচাৰি পোৱাৰ অৰ্থ পৰ্বতত কাছ কণী বিচৰাৰ বাহিৰে আন একো নহয়। ডঃ ভট্টাচাৰ্য্যৰ অনুষ্ঠান আৰু আচৰণগত ধৰ্মত অৰ্থাৎ আচাৰ-সৰ্বস্ব ধৰ্মৰ প্ৰতি তেওঁ আস্থা সদায় কম। তেওঁ কৰ্মকহে ধৰ্ম বুলি ব্যাখ্যা দি আহিছে। বৰং এনে ধৰ্মতকৈ তেওঁ প্ৰেমকহে সৰ্ব শ্ৰেষ্ঠ বুলি কৈছে, 'যি গীৰ্জাই গাঁৱত বিভেদৰ গুটি সিঁচে তাত যীশু থাকিব নোৱাৰে। মোৰ বাবে প্ৰেমেই ধৰ্ম, গীৰ্জা নহয়।' তেওঁ প্ৰকৃত প্ৰেমত জাত বিচাৰো থাকিব নোৱাৰে বুলি কৈছে। মানৱ আৰু মানৱতাৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস। তেওঁ মানৱতাক ঈশ্বৰ, গীৰ্জা, নামঘৰ আৰু মজিদতকৈ ওপৰত স্থান দিছে। তেওঁ ঈশ্বৰ বোলা বস্তু এটাক যুক্তিৰে বিচাৰি পোৱা টান হ'ব বুলি কৈছে। এই কথাকে তেওঁৰ চৰিত্ৰৰ মুখেৰে কোৱাইছে, 'মই পাপ, পুণ্য, ঈশ্বৰ, এইবোৰ একোতে বিশ্বাস নকৰোঁ। শালগ্ৰাম হ'ল শিল, থাপনা হ'ল মাটিৰ টিপ।' আন এটা

চৰিত্ৰৰ মাজেৰে কোৱাইছে, 'আল্লা দুনিয়াত নাই? আল্লা থাকিলেও থাকিব পাৰে, কিন্তু ভাত দিয়া আল্লা বা ভগৱান একো নাই এইটো ঠিক।' ডঃ ভট্টাচাৰ্য্যৰ মতে মানুহৰ আচল পৰিচয় কুসুমিত প্ৰাণ শতদলতহে। 'এই গীৰ্জাই আমাক বিশ্ব ভ্ৰাতৃত্বৰ বাণী শিকাওক ছাবি গাঁৱৰ মানুহৰ ভিতৰত এক কাজিয়াৰ সূত্ৰপাত কৰি দিলে। এনেকুৱা গীৰ্জা যদি এশটাও হয় গাঁৱত তথাপি যীশুৰ স্বপ্ন পূৰ্ণ নহয়। এই গীৰ্জা ক্ষত কৰাই নহয়, এই গীৰ্জা ভাঙি ছিঙি দলিয়াই চুৰমাৰ কৰি দিব লাগে। গীৰ্জা ডাঙৰ নে মানুহ ডাঙৰ?'

ডঃ ভট্টাচাৰ্য্যই সংসাৰ ধৰ্মত থাকিও আশ্ৰমবাসীৰহে জীৱন যাপন কৰা আমি লক্ষ্য কৰিছোঁ। জীৱনৰ আধাকাল তেওঁ ভাবিব নোৱাৰা অভাৱত কটাইছে। বহুতো বিপৰ্যয়ৰ কথাও শুনিছো। উচ্চ শিক্ষাৰ অধিকাৰী যিহেতু, নিজ গুণে কোনো বিশেষ পদবী এটাত তেওঁ নিয়োজিত হ'ব পাৰিলেহেঁতেন। সেই সময়ছোৱাত তেওঁলৈ ক্ষমতা আৰু বিশেষ পদ-মৰ্যদা আহ্বানো আহিছিল। কেৱল তেওঁ নিজৰ কলমটোৰ উপাৰ্জ্জনতে একমাত্ৰ নিৰ্ভৰশীল আৰু আস্থাশীল হৈ সমাজসেৱা আৰু সাহিত্যসেৱাৰ চৰম ত্যাগৰ দৃষ্টান্ত দেখুৱাব পাৰিছে। ঘৰত অভাৱৰ কথা ওলালে তেওঁ কৈছিল—'মই কি খাম, সেইটো মোৰ উদ্দেশ্য নহয়,মই কি লিখিম সেইটোহে।'

ডঃ ভট্টাচাৰ্য্য এজন জীৱনজোৰা সাহিত্য সাধক, বিশিষ্ট কলাকাৰ। সাহিত্যৰ ক্ষেত্ৰত তেওঁক আমি অত্যন্ত বিবেকসম্পন্ন নাগৰিক, দ্ৰষ্টা আৰু স্ৰষ্টা ৰূপত লগ পাইছোঁ। তেওঁ এজন প্ৰথম শ্ৰেণীৰ স্ৰষ্টা সাহিত্যিক। তেওঁ অৰ্ন্তমুখী সাহিত্য ৰচনা কৰে। সাম্বাদিকতাৰ ক্ষেত্ৰতো তেওঁ সংবাদ পৰিবাহক, যুগৰ ভাট বা চাৰণৰ ভূমিকা নিষ্ঠাৰে পালন কৰিছে। আধুনিক জ্ঞান আৰু শ্ৰেষ্ঠ সাহিত্য শিল্পৰ সৌন্দৰ্য্য আহৰণৰ উপযোগী শিক্ষাৰেও পুষ্ট তেওঁ এজন পৰিপূৰ্ণ লেখক। তেওঁক আমি নতুন সৌন্দৰ্য্যৰ বাহকৰূপেও গ্ৰহণ কৰিব পাৰোঁ।

ডঃ ভট্টাচাৰ্য্যক অসমীয়া জাতিয়ে এজন মহান খনিকৰৰ ৰূপত গ্ৰহণ কৰিছে। তেওঁৰ দেশসেৱাৰ পৰিধি বৰ বহল। চিন্তা, দৰ্শন, কাব্য, সাহিত্য সংবাদ জগত, সমাজনীতি আৰু ৰাজনীতি আদি প্ৰতিটো দিশলৈ তেওঁৰ অবদান অতুলনীয়।

ডঃ ভট্টাচাৰ্য্য অসমীয়া জাতিৰ গৌৰৱ। ১৯৭৯ চনত তেওঁ 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছে। অসমত এই বঁটা লাভ কৰোঁতা বৰ্তমানলৈকে ডঃ ভট্টাচাৰ্য্যই একমাত্ৰ আৰু প্ৰথম গৰাকী অসমীয়া। ইয়াৰ আগতে তেওঁ ১৯৬১ চনত 'ইয়াৰুইঙ্গম' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমিৰ বঁটাৰে সন্মানিত হৈছে। ১৯৮৩ চনত তেওঁ সাহিত্য অকাডেমি বঁটাৰ উপ-সভাপতি আৰু ১৯৮৭ চনৰ ফেব্ৰুৱাৰীপৰা তেওঁ

ইয়াৰ সভাপতি ৰূপেও কাৰ্যনিৰ্বাহ কৰিছে। তেওঁ জড়িত হৈ পৰা আন কেইখনমান অনুষ্ঠান হ'ল—ভাৰতীয় জ্ঞানপীঠ বঁটাৰ চয়ন কমিটীৰ সদস্য, ভাৰত চৰকাৰৰ পাব্লিকেশ্যনছ ডিভিজনৰ তিনিবছৰ ধৰি উপদেষ্টা সমিতিৰ সভাপতি, ইণ্ডিয়ান কাউন্সিল ফৰ কালচাৰেল ৰিলেছনৰ গৰ্ভণিং বডিৰ সদস্য, নেশ্যনেল বুক ট্ৰাষ্টৰ বৰ্ড ট্ৰাষ্টিৰ সদস্য, পি ইউ চি, এলৰ আজীৱন সদস্য, প্ৰেছ কাউন্সিলৰ সদস্য। ১৯৮৩ চনত বঙাইগাঁৱৰ সাহিত্য নগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ 'সোণালী জয়ন্তী' অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "আমি স্থিতিশীলতাৰ ভেটিত কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰো। আমি বৰ্তমানৰ জাতীয় চেতনাক এক নৱজাগৰণৰ কৰ্মসূচীলৈ ৰূপান্তৰিত কৰিব লাগিব। অন্ধকাৰত অন্ধ নহৈ আমি পোহৰৰ সন্ধান কৰিম। মিলি আৰু মিলাই আমি অগ্ৰগতিৰ পথ ৰচিম। অসমীয়া জাতি সৰু জাতি। সৰু জাতি উধোৱাৰ পথ এক মাত্ৰ সংহতিয়েই নহয়, প্ৰত্যেকজনেই সচেতন ভাৱে নিজ নিজ ক্ষেত্ৰৰ তাৎপৰ্যপূৰ্ণ কামত শ্ৰেষ্ঠত্ব অৰ্জন কৰাও। এই শ্ৰেষ্ঠত্ব লাভৰ পথ আবিষ্কাৰ আৰু সৃষ্টিৰ পথ। তাৰ বাবে সমূহীয়া মন আৰু ব্যক্তি মনৰ সমন্বয় সাধন হ'ব লাগিব। বাণীকান্তই লিখিছিল, মহাপুৰুষ শংকৰদেৱ এজন পূৰ্ণ ৰসজ্ঞ লোক আছিল। গীত গাওঁতে অভিনয় কৰোঁতে, বিৰোধীৰ লগত তৰ্ক যুদ্ধত প্ৰবৃত্ত হওঁতে, তেওঁ মানসিক সমতা বা বুদ্ধি বিবেচনা হেৰুওৱা নাছিল। শৰীৰ আৰু মনৰ এই সমন্বয় সাধনেই হ'ল সকলো মহৎ কাম সমাধানৰ প্ৰথম খোজ। আমি যেন প্ৰত্যেকেই এনে সঞ্চলিত ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰো। তেহে আমি জীৱন-যুদ্ধত জয়ী হৈ অসমীয়াৰ জাতীয় বিকাশক ভাৰতৰ ৰাষ্ট্ৰীয় বিকাশ আৰু পৃথিৱীৰ মানুহৰ বিকাশৰ সৈতে ভাবৰ ঐক্য-সূত্ৰেৰে লগ লগাই আমাৰ সাধনাক অৰ্থপূৰ্ণ কৰি তুলিব পাৰিম।" ইয়াৰ উপৰিও তেওঁ বৰ্তমানলৈকে আন বহুতো সাহিত্য সংস্কৃতি, শিক্ষামূলক আদি অনুষ্ঠানৰ সভাপতি আৰু সদস্যৰূপেও জড়িত।

ডঃ ভট্টাচাৰ্য্যই আমাৰ সাহিত্যলৈ আগবঢোৱা অৱিহণাসমূহ হ'ল— (ক) উপন্যাস-—ৰাজপথে ৰিঙিয়ায় (১৯৫৫), আই, (১৯৬০), ইয়াৰুইংগম (১৯৬০), শতঘ্নী (১৯৬৫), নষ্টচন্দ্ৰ (১৯৬৮), ভাৰতী (১৯৬৯), প্ৰতিপদ (১৯৭০), মৃত্যুঞ্জয় (১৯৭০), চিনাকি সুঁতি (১৯৭১), অগ্নিগড় (১৯৭১), কবৰ আৰু ফুল (১৯৭২), পৰিব্ৰাজক (১৯৭২), বল্লৰী (১৯৭৩), এটি নিশা (১৯৭৩), টব আৰু ইডা (১৯৭৩), ডাইনী (১৯৭৬), ৰঙা মেঘ (১৯৭৬), শৰত কোঁৱৰ (১৯৭৮), মুনি চুনিৰ পোহৰ (১৯৭৯), কালৰ হুমুনিয়াহ (১৯৮২), ফুল কোঁৱৰৰ পখী ঘোঁৰা (১৯৮৮), প্ৰেম আৰু মৃত্যু (১৯৯২), বুঢ়ী আইতাৰ পুৰাণ। (খ) চুটি গল্প— কলং আজিও বয়, সাতসৰী আৰু খিৰিকী কাষৰ

আসন। (গ) কবিতা— সান্ধ্যস্বৰ (ঘ) জীৱনী— শ্ৰীঅৰবিন্দ, বংগদেশৰ নৱজাগৰণ আৰু ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা (ঙ) সাহিত্য সংস্কৃতিমূলক— ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি আৰু মপিন উছৱ। তেওঁৰ অন্যান্য কেইখনমান গ্ৰন্থ হ'ল— সংবাদ সাহিত্য, অসমীয়া সাহিত্যত হাস্যৰস, দুন্দুভি বাজে কাৰ বাবে, ভাৰতৰ ইতিহাস, একুৰি এটা চুটি গল্প, সীমাই আমনি কৰে, ৰাছিয়া যাত্ৰা, গোপীনাথ বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্য-চিন্তা, চীনত কি দেখিলোঁ আদি।

'মৃত্যুঞ্জয়'ৰ দৰে 'ইযাৰুইঙ্গম' ডঃ ভট্টাচাৰ্য্যৰ কালোত্তীৰ্ণ আৰু সফল সৃষ্টি। এইখন উপন্যাসেই তেওঁ নাম যশ আনে। ১৯৬১ চনত তেওঁ এই গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বটা লাভ ক ৰোঁতা ডঃ ভটাচাৰ্যই হৈছে তৃতীয়গৰাকী অসমীয়া। কিতাপখনৰ নামকৰণৰ ক্ষেত্ৰত তেওঁ কৈছে, — 'ইয়াৰুইঙ্গম শব্দটো টাংখুন শব্দ। কোনো নগাৰ ঘৰৰ আঁগত কেতিয়াবা একেডালে ফেৰেঙ্গনি মেলা গছ থিয় হৈ থকা। দেখা যায় সেইডালে গিৰিহতঁৰ অৱস্থাৰ কথা ঘোষণা কৰে। মোৰ উপন্যাসখনৰ দুৱাৰ মুখতো এই শব্দটো পুতিছোঁ, ই উপন্যাসখনৰ বিশেষ পৰিবেশৰ জাননী দিব।'

ডঃ ভট্টাচাৰ্য্য'ই টাংখুন নগাবিলাকৰ লগত বহুদিন বাস কৰিছিল। তেওঁলোকৰ হৃদয়ৰ লৌহ-বৰ্মৰ অন্তৰালত এক বিশেষ ধৰণৰ মানুহ বুলি জ্ঞান হয়। তেওঁলোকৰ হৃদয়ত থকা সনাতন মানৱতাৰ অপূৰ্বৰূপ কুসুম ফুলি থকাৰ গোন্ধ পায়। সেই গোন্ধে তেওঁৰ মন আমোল মোলায। সৌন্দৰ্য্যই চিত্ত হৰণ কৰে। ইয়াৰুইঙ্গমৰো জন্ম ইয়াতেই। কাহিনী ভাগ দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰপৰা ভাৰতে স্বাধীনতা পোৱাৰ কেইবছৰমান আগলৈ অৰ্থাৎ জাপানী সৈন্য দলত সুভাষ বসুৰ আজাদ হিন্দ ফৌজত এজন নগা যোদ্ধা ভিডেশ্যেলীও আছিল। ভিডেশ্যেলীৰ বৃটিছৰ বিৰুদ্ধে যুঁজ দি ভাৰতক স্বাধীন কৰাই আছিল আকাংক্ষা—আকাংক্ষা আছিল ভাৰত প্ৰশাসনকাৰী আঁতৰাই নগা পাহাৰক সাৰ্বভৌম নগা ৰাজ্য হিচাপে গঠন কৰা। ইয়াক ফলৱতী কৰাৰ কাৰণে তেওঁ আত্মগোপন কৰি এটা গুপ্ত কাহিনী গঠন কৰাত ব্যস্ত। আন এজন নেতা ৰিশাঙৰ আদৰ্শ ভিডেশ্যেলীৰ বিপৰীত। তেওঁ খ্ৰীষ্টান মিশনেৰীসকলৰ পৰা শিক্ষা, প্ৰেম, শান্তি আহৰণ কৰিছে আৰু সেইমতে মিশ্যনেৰী আদৰ্শত গাঁও প্ৰতিষ্ঠাত বদ্ধপৰিপক্কৰ হৈছে। এই দুয়ো নেতাৰ আদৰ্শৰ সংঘৰ্ষ আৰু পৰিণতিৰে কাব্যিকৰূপ 'ইয়াৰুইঙ্গম'। ভিডেশ্যেলীৰ স্বপ্নৰ সাৰ্বভৌম নগা ৰাজ্যৰ পৰিকল্পনাত ৰিশাঙে নিজৰ মনৰ প্ৰতিক্ৰিয়া এনেদৰে প্ৰকাশ কৰিছে, "ৰিশাঙে বুজিলে খনমাৰ ভিজল বুঢ়াৰ পুতেক ভিডেশ্যেলী। সি জাপানীৰ লগত কহিমালৈ গৈছিল। ভিজলৰ মুখৰপৰা ৰিশাঙে তাৰ উদ্ভট পৰিকল্পনাবোৰৰ কথা শুনিছিল। সমগ্ৰ দেশখন স্বাধীন কৰি এখন সাৰ্বভৌম ৰাষ্ট্ৰ গঢ়াৰ স্বপ্নত সি বোলে বাউল। ৰিশাঙৰ

প্ৰশ্নমুখৰ মুখখন নীৰৱ হৈ বেছি পৰ নৰ'ল। ই দুৰ্দান্ত দুঃসাহসী নগাটোৰ কথা জানিবলৈ সি বৰ ব্যগ্ৰ হৈ পৰিল। কহিমাৰপৰা আহোঁতে বাটৰ বহুত গাঁৱত মানুহে ভিডেশ্যেলীৰ এই পৰিকল্পনাবোৰৰ কথা পতা সি শুনিছে। সম্পূৰ্ণ স্বাধীন ৰাজ্য এখনৰ স্বপ্নই মানুহবোৰৰ মনত দ সাঁচ বহুৱাইছিল, কিন্তু তাৰ মনে মনে হ'লে প্ৰশ্ন জাগিছিল 'ইয়ো জানো সম্ভৱ'।

'এটা পৰ্বতীয়া নিগনিয়ে নগা পাহাৰখন খানি পেলোৱাৰ আশা কৰা যেনে হাস্যকৰ তাৰ আশাও তেনে হাস্যকৰ।' ৰিশ্বাঙে মনে মনে ভাবিলে এটা মানুহৰ অদমনীয় আশাৰে এখন ৰাজ্য গঢ়ি নুঠে, ৰাজ্য গঢ়িছে বৃটিছে জাপানে আৰু আন সভ্য দেশবোৰে- যিবোৰৰ হাতত বিৰাট সৈন্যবাহিনী আৰু বিমাৰু বিমান আছে। ৰাজ্য পাতিছে ইংৰাজে, যাৰ ৰাজ্যত সূৰ্য ডুব নেযায়। ৰাজ্য পাতিছে আমেৰিকাই— যাৰ ধনেৰে পৃথিৱী কিনিব পাৰি। তেনে ৰাজ্য পাতিব এটা অহৌবলিয়া আঙ্গামীয়ে। তদুপৰি ৰাজ্যখনেই বা কেলেই? সিহঁতক লাগে স্কুল, হাস্পতাল, ৰাস্তা। ৰাজ্য সিহঁতৰ হাৰমালহে হ'ব। ধন সোণ অস্ত্ৰ এইবোৰ ক'ৰপৰা পাব ? তাতকৈ বৰং এতিয়া যেনেকৈ আছে তেনেকৈ থকাই ভাল।' ডঃ ভট্টাচাৰ্য্যই নগা সমাজৰ অন্তৰ্দ্বন্দ্বৰ প্ৰতিফলন কৰিছে এইদৰে--'ৰিশ্বাঙে গাঁৱৰ আন কথাৰ বিষয়েও বহু প্ৰশ্ন কৰিলে। স্কুলটো কেনে চলিছে, ঙাঠিঙকুই আৰু ভিড্যেশ্যেলীৰ লগত কিবা যোগাযোগ আছে নে নাই, ফানিটফাঙে গাঁৱত কি কি কাম কৰেহি আৰু মানুহবোৰে ভিডেশ্যেলীৰ কথাবোৰ কেনেভাৱে গ্ৰহণ কৰিছে। প্ৰশ্নবোৰৰ উত্তৰত ৰিশ্বাঙে সন্তুষ্ট হ'ল। তাৰ ধাৰণা হ'ল, এতিয়াও সিহঁতৰ গাঁৱত সেই জীৱন-ধ্বংসী বিদ্ৰোহৰ উতলা বতাহ বলা নাই। অৱশ্যে বলিবলৈ বেছি সময় নেলাগে। বহুদিনৰ সঞ্চিত ক্ৰোধ আৰু প্ৰতিশোধৰ পুঞ্জীভূত অগ্নি বাষ্প মানুহৰ হৃদয়ৰ স্তৰে স্তৰে জমা হৈ আছে। কমতো অত্যাচাৰ আৰু উৎপীড়ন হোৱা নাই এই পৰ্বতীয়া নগা খিনিৰ ওপৰত। মহাযুদ্ধই সিহঁতক ঘৰতে বন বাস দিলে, ভঁৰাল উদং কৰিলে, ঘৰ-দুৱাৰ সম্পত্তি বোমা বৰ্ষণত উজাৰ কৰিলে। তাৰ পিছত আহিল বিশাল মাৰি মৰক। সৈন্যবাহিনী আৰু চৰকাৰে প্ৰতিশ্ৰুতি দিছিল ক্ষতিপূৰণৰ, সেই ক্ষতিপূৰণৰ আশাত সিহঁতৰ অল্পাহাৰী আৰু গৃহহাৰা প্ৰাণ আজিও উদ্বাউল। খাইখোক-গাঁৱৰ পঞ্চায়তে বাৰে বাৰে সুধিছে, কেতিয়া আহিব সেই বহুদিনৰপৰা প্ৰত্যাশা কৰি থকা ক্ষতিপূৰণ। খাইখোই ক'ব নোৱাৰে। ক'ব নোৱাৰাৰ মাজেৰেই যুদ্ধ লগোৱা চৰকাৰ গ'ল, এৰিযা আহিল জাতীয় চৰকাৰ ইউনিয়ন। জেকৰ ঠাইত যিদিনা উখ্রুলৰ সদৰ অফিচত তিনিৰঙীয়া পতাকা উৰিল, সেইদিনাও সিহঁতে কেৱল একান্ত মনে কামনা কৰিছিল নতুন চৰকাৰৰ অনুদান ক্ষতিপূৰণ। কিন্তু আজিও তাৰ কোনো দিহা হোৱা নাই। ইফালে ভিডেশ্যেলীৰহতঁৰ অবিৰাম প্ৰচাৰ কাৰ্য চলিছে, গাঁৱে-ভূঞে, সিহঁতৰ দুৰ্গম্য গাঁৱত ৰণশিঙা বাজো বাজো হৈ আহিছে,

আৰু যদি কিছুদিন এনেকৈ থাকে তেন্তে সমগ্ৰ নগা ভূমি জুৰি বনজুই জ্বলি উঠিব- আকৌ যুদ্ধ হ'ব।'

এগৰাকী সাংবাদিকৰূপেও ডঃ ভট্টাচাৰ্য্যৰ সমাজত এখন বিশিষ্ট আসন আছে। 'সত্যে সূৰ্য আছে ৰহি, সত্যতে চলে মহী, সত্য সম ধৰ্ম নাই আন।' সেই সত্যৰ ওপৰতে ডঃ ভট্টাচাৰ্য্যৰ সাংবাদিকতা প্ৰতিষ্ঠিত। তেওঁৰ সংবাদৰ ভাষা সৰ্বসাধাৰণৰ ভাষা-বাক্যৰ গাঁথনিতো সুকীয়া বৈশিষ্ট্য আছে। চুটি অনুচ্ছেদৰ মাজতে বাতৰি পৰিবেশন কৰিব পৰাটো তেওঁৰ সাংবাদিক জীৱনৰ বাবে বিশেষ কৃতকাৰ্যতা। ১৯৫১ চনত তেওঁ নগা ভূমিৰপৰা চাকৰি এৰি গুৱাহাটীলৈ আহে আৰু উক্ত বছৰৰপৰাই তেওঁ 'ৰামধেনু'ৰ সম্পাদনা কৰিবলৈ লয। তেওঁ 'ৰামধেনু' পঞ্চম বছৰ ১ম সংখ্যা ১৯৫২ চনৰ এপ্ৰিলৰপৰা ১৯৬৩ চনৰ এপ্ৰিল ষোড়শ বছৰ ১ম সংখ্যালৈ সম্পাদনাৰ দায়িত্ব লয়। ১৯৬৩ চনৰ চনৰ ২৩ অক্টোবৰৰ পৰা সাদিনীয়া 'নৱযুগ' তেওঁ সম্পাদনা কৰে। ১৯৬৮ চনৰপৰা ১৯৭৩ চনলৈ তেওঁ বোম্বেৰপৰা প্ৰকাশ পোৱা 'ইকনমিক এণ্ড পলিটিকেল উইকলি'ৰ গুৱাহাটীস্থ সংবাদদাতাৰূপে কাম কৰে। ইয়াৰ আগতে কলিকতাত পঢ়া কালত তেওঁ বাঁহী'ৰ সহকাৰী সম্পাদক আছিল। হেমেন্দ্ৰপ্ৰসাদ ঘোষ সম্পাদিত 'দৈনিক এডভান্স' কাকততো তেওঁ কিছুদিন কাম কৰিছিল। তেওঁ 'জনতা' আৰু 'প্ৰকাশ' আলোচনীৰ সম্পাদনাৰ দায়িত্ব লৈছিল।

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ১৯২৪ চনৰ ১৪ অক্টোবৰত শিৱসাগৰৰ চফ্ৰাই চাহ বাগিচাত জন্ম হয। ডঃ ভট্টাচাৰ্য্যৰ পিতৃ শশীধৰ আৰু মাতৃ আইদেউ ভট্টাচাৰ্য্য। চফ্ৰাই বাগানতে পঢ়াশলীয়া শিক্ষা আৰম্ভ কৰি ১৯৪১ চনত তেওঁ যোৰহাত চৰকাৰী হাইস্কুলৰপৰা সুখ্যাতিৰে প্ৰৱেশিকাত উত্তীৰ্ণ হয। ১৯৪৫ চনত তেওঁ কটন কলেজৰপৰা বি এছ চি পাছ কৰে। ১৯৫৩ চনত এম এ পাছ কৰে। ১৯৭৭ চনত তেওঁ 'হিউমাৰ এণ্ড চেটায়াৰ ইন এছামিছ লিটাৰেচাৰ' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা 'ডক্টৰেট' উপাধি লাভ কৰে। কিছুদিন তেওঁ নগা পৰ্বতৰ উখৰুল হাইস্কুলত শিক্ষকতা কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয় জাৰ্ণেলিজম শাখাতো অধ্যাপনা কৰে। শেষত তেওঁ হাৰিয়ানা বিশ্ববিদ্যালয়ৰ ৰাম মনোহৰ লোহিয়া আসনৰ অধ্যাপক হয়।

তেওঁ কয় যে, মই প্ৰগতিত বিশ্বাস কৰো, কাৰণ জীৱনৰ ই ধৰ্ম স্বৰূপ। তেওঁ কয়, "প্ৰকৃত পক্ষে প্ৰাণৱন্ত লেখক চনকা ডালৰ দৰে ক্ষণভঙ্গুৰ নহয়। তেওঁ বজ্ৰৰ দৰে দৃঢ় আৰু নিজৰাৰ দৰে গতিশীল।" ❒

যোগেশ দাস

১৯৮০ চনত সাহিত্য অকাডেমি পুৰস্কাৰ লাভ কৰা গ্ৰন্থখন হ'ল 'পৃথিৱীৰ অসুখ' (১৯৭৯) আৰু সেই গ্ৰন্থৰ লেখকগৰাকী হ'ল প্ৰথিতযশা গদ্যশিল্পী যোগেশ দাস। 'পৃথিৱীৰ অসুখ' এটি মনোৰম গল্প সংকলন। ইয়াত সৰ্বমুঠ ১৬টা গল্প সন্নিবিষ্ট হৈছে। গল্পখনৰ নামটোৱে অৰ্থব্যঞ্জক। আমাৰ সমাজত থকা বিভিন্ন স্তৰৰ মানুহৰ বিভিন্ন অশান্তি থাকে। এই অশান্তি আমাৰ সামাজিক ব্যৱস্থাৰ কাৰণেই হ'ব পাৰে। এই মানসিক অশান্তিবোৰৰ প্ৰতিফলনে হ'ল — 'পৃথিৱীৰ অসুখ'। লেখকৰ ভাষাৰে,— "মোৰ লেখক জীৱনৰ যোৱা দহবছৰমানৰ ভিতৰত এই গল্পবিলাক লেখা হৈছিল। এই সময়ছোৱাত আমাৰ সমাজলৈ বহুত পৰিবৰ্তন আহিছে। সেই পৰিবৰ্তনত মানুহ নানান ধৰণে অসুখ অশান্তি ভোগ কৰিছে। তাৰেই একো একোটা খণ্ডচিত্ৰ কৰিবলৈ মই চেষ্টা কৰিছিলোঁ।"

'সাহিত্য অকাডেমি বঁটা' পোৱাৰ পিছত তেওঁৰ মনৰ প্ৰতিক্ৰিয়াৰ কথা জানিব বিচৰা এজন সমালোচকক কৈছিল— 'সৎ কামৰ স্বীকৃতিয়ে মানুহক সদায় আনন্দ

দিয়ে। মোকো এই স্বীকৃতিয়ে আনন্দ দিছে। মই ভাবিছোঁ যে কোনো বিশেষ স্বাৰ্থ নোহোৱাকৈ ইমান দিনে মই লিখা মেলা কামত লাগি আছোঁ। ইয়াৰ পৰা পাঠকসকলে হয়তো কিবা নহয় কিবা এটা পাইছে। তাক যদি বৰঙণি বুলি ধৰিব পাৰি তেনেহলে তাৰ স্বীকৃতি নিশ্চয় আনন্দদায়ক"।

সামাজিক ন্যায় বিচাৰ আৰু সমতা স্থাপনৰ আদৰ্শৰ ভেটিত ৰচিত তেওঁৰ কেইবাখনো গল্প সংকলন আৰু কেইবাখনো উপন্যাস প্ৰকাশিত হৈছে। পপীয়া তৰা (১৯৫৬), আন্ধাৰৰ আঁৰে আঁৰে (১৯৫৮), ত্ৰিবেণী (১৯৬১), মদাৰৰ বেদনা (১৯৬৩), হেজাৰ লোকৰ ভিৰ (১৯৬৫) আদি গল্প সংকলন আৰু উপন্যাসকেইখনৰ ভিতৰত হ'ল — সঁহাৰি পাই (১৯৫৩), ডাৱৰ আৰু নাই (১৯৫৫), জোনাকীৰ জুই (১৯৫৬), নিৰুপায় নিৰুপায় (১৯৬৩), উৎকণ্ঠ উপকণ্ঠ (১৯৬০), ছাঁ জুই খেদি (১৯৬১), অবৈধ (১৯৭২), এমুঠি ধূলি (১৯৬৫), হেজাৰ ফুল (১৯৬৭), নেদেখা জুইৰ ধোৱা (১৯৭২), নৰেশ, মালতী আৰু (১৯৭৭), ৰজনী বিদুৰ (১৯৮১), একাবেঁকা, এজন খঙাল মানুহ, এনাজৰী, পোহৰ বিচাৰি, পোহৰৰ ফালে, বগুহৰ মগুহ আদি উল্লেখযোগ্য। তেওঁৰ অন্যান্য গ্ৰন্থ হৈছে— আমাৰ কবি, ব্ৰাহ্মণ কন্যা, ৰবিন হুড, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, গল্পৰ কুঁকি, হেম বৰুৱা, সমকালীন গল্প (সম্পাদনা) বনে বনে, Folk lore of Assam আদি।

যোগেশ দাস সংবাদ জগতৰ সৈতেও জড়িত। কিছুদিন সংবাদদাতা আৰু পিছত 'নতুন অসমীয়া' কাকতৰ উপ সম্পাদক, 'দৈনিক অসম'ৰ সহকাৰী প্ৰধান সম্পাদক, অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক, 'প্ৰহৰী'ৰ সম্পাদক আৰু 'অধিনায়ক'ৰ সম্পাদক হয়।

যোগেশ দাস বিভিন্ন বঁটা আৰু সন্মানেৰে সন্মানিত হৈছে। ১৯৮৬ চনত তেওঁ 'আকৌ বনে বনে'ৰ বাবে মোক্ষদানন্দ পাঠক শিশু সাহিত্য বঁটা, ১৯৮৯ চনত 'এনাজৰী' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ সীতানাথ ব্ৰহ্মচৌধুৰী বঁটা আৰু ১৯৯৪ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

১৯৮৫ চনৰ ৮, ৯, আৰু ১০ ফেব্ৰুৱাৰীত বিহপুৰীয়াৰ শ্ৰী শ্ৰী মাধৱদেৱ ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ এক পঞ্চাশত্তম অধিবেশনৰ যোগেশ দাস সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, "অসমীয়া জাতিটোৰ অস্তিত্ব আৰু অসমীয়া ভাষাটোৰ স্বতন্ত্ৰতা, এই দুয়োটা পৰস্পৰৰ সৈতে জড়িত। বৰ্তমান পৰিস্থিতিত সেই বাবেই সমস্যাৰ কথা আমাৰ মনলৈ বেছিকৈ আহিছে। আমাৰ বক্তব্যখিনি আপোনালোকে বিবেচনা কৰি চাব। সেইবিলাক কথাৰপৰাই

আমি কেইটামান পৰামৰ্শ সদৌ অসমীয়া ৰাইজৰ আগত দাঙি ধৰিলোঁ। এইবিলাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা হলে আমাৰ ভাষা আৰু জাতিৰেই মংগল হ'ব বুলি আমি ধাৰণা কৰিছোঁ। (১) অসমত সুদীৰ্ঘ কাল ধৰি বস-বাস কৰি অহা সমূহ ৰাইজৰ মাজত সম্প্ৰীতি আৰু সমন্বয়ৰ অতিশয় প্ৰয়োজন হৈছে বুলি আজি বিশেষভাৱে অনুভূত হৈছে। সেয়ে যেতিয়াই কিবা প্ৰশ্নত লাগি সম্প্ৰীতি-সমন্বয়ত বাধাৰ সৃষ্টি হ'ব খুজিব পাৰে তেতিয়াই প্ৰতিকাৰৰ চেষ্টা চলোৱা উচিত হ'ব। সাহিত্য সভাৰ উদ্যোগত এনে এখন সমন্বয়-ৰক্ষী সমিতি গঠন কৰিব লাগে যাৰ বিবেচনাৰ অৰ্থে আৰু প্ৰতিকাৰৰ উপায় নিৰ্দ্ধাৰণৰ অৰ্থে তেনে প্ৰশ্ন পঠিয়াব পাৰি। এই সমিতিলৈ তেনে প্ৰশ্নৰ লগত জড়িত পক্ষৰ প্ৰতিনিধি আমন্ত্ৰিত হ'ব। (২) অসমীয়া ভাষাৰ প্ৰাধান্য অক্ষুণ্ণ হৈ থকাকৈ অসমত শিক্ষা লাভ কৰা আৰু অসমত চাকৰি কৰিবলৈ অহা সকলোলোকৰ কাৰণেই অসমীয়া শিকাটো বাধ্যতামূলক কৰাৰ ব্যৱস্থা হ'ব লাগে। (৩) অসমীয়া পঢুৱৈ সমাজে চলিত বিশ্ব-সাহিত্যৰ সৈতে সততে পৰিচিত হৈ থাকিব পৰাকৈ ধাৰাবাহিক অনুবাদ কৰা আৰু কেৱল বিভাষী সাহিত্য বিষয়ক এখনি আলোচনী প্ৰকাশ কৰাৰ উপায় নিৰ্দ্ধাৰণ কৰিব লাগে। দুয়োটা বিষয়তে সাহিত্য সভায়ো সহযোগিতা আগবঢ়াব পাৰে। (৪) অসমৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানসমূহৰ বিবেচনাৰ্থে কওঁ যে (ক) ৰাইজৰ মাজত গ্ৰন্থ-প্ৰীতি বৃদ্ধি কৰিবৰ কাৰণে প্ৰতি বছৰে একোটা কেন্দ্ৰত এখনকৈ গ্ৰন্থ-মেলাৰ আয়োজন কৰিব লাগে, আৰু (খ) ভৱিষ্য বংশধৰসকলৰ মনত অসমীয়া পঢ়াৰ আগ্ৰহ সৃষ্টি তথা বৃদ্ধি কৰি ৰাখিবৰ কাৰণে আকৰ্ষণীয়াকৈ নানান শিশু-পুথিৰ প্ৰণয়ন, প্ৰকাশ আৰু প্ৰচলনৰ এটা উপায় উদ্ভাৱন কৰিব লাগে।"

তেওঁ কেনেকৈ লিখাৰ সমল আহৰণ কৰে সেই সম্পৰ্কত কৈছে– "বাটে - ঘাটে লগ পোৱা, বন্ধু-বান্ধৱ, বন্ধু-বান্ধৱে আনৰ বিষয়ে কোৱা কাহিনী, কেতিয়াবা কিতাপ পত্ৰ কাহিনী পঢ়োতে খেলাই যোৱা আইডিয়া—এই বিলাককে অৱলম্বন কৰি কাহিনী সজাওঁ। অত্যন্ত সুপৰিচিত আৰু ওচৰ চুবুৰীয়াৰ পৰা চৰিত্ৰ ফুটাই তুলিবলৈ গৈ বহু সময়ত লাজ লগা আৰু শ'ল ঠেকত পৰিব লগা হৈছে। মোৰ নিয়মীয়া ডায়েৰী লেখাৰ অভ্যাস নাই কিছু মাজে সময়ে কৌতুহল-উদ্দীপক ঘটনা একোটা পালে যদি তেতিয়াই লেখিবলৈ সময় নাথাকে-তেনেহলে তাক ন'ট বুক এখনত চমুকৈ থওঁ আৰু সেই বিলাককে পিছত গল্পৰ ৰূপ দিওঁ।'

দাসৰ সাহিত্যকৃতিৰ আভাস দি ডঃ হেমন্ত কুমাৰ শৰ্মাই লিখিছে, – "প্ৰাঞ্জলতা আৰু সংযম তেওঁৰ (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য) ৰচনাৰ বৈশিষ্ট্য — যিটো যোগেশ দাসৰ গল্পত দেখা যায়। দাসৰ গল্পত সমাজৰ অৱহেলিতজনৰ মানৱীয় দিশ আৰু তথাকথিত ভাল মানুহৰ স্বাৰ্থপৰতাৰ কথা উদঙাই দাঙি ধৰাৰ চেষ্টা আছে।"

দাস ডাঙৰীয়াৰ জন্ম হয় ১৯২৭ চনত ডুমডুমাৰ হাঁহচৰা বাগানত। পিতৃ সূৰ্যকান্ত দাস আৰু মাতৃ চিন্তামণি দাস। চাহ বাগানৰ পাঠশালাতে শিক্ষা জীৱনৰ পাতনি। ডুমডুমা মাইনৰ স্কুলৰপৰা মজলীয়া পাঠ্যক্রম পাছ কৰাৰ পিছত ডিব্ৰুগড়ৰ জৰ্জ ইন্‌ষ্টিটিচনত ভৰ্তি হয়। তেওঁ ১৯৪৯ চনত স্নাতক আৰু ১৯৫৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিভাগত স্নাতকোত্তৰ উপাধি লাভ কৰে।

তেওঁ চাকৰি জীৱনত ডুমডুমা হাইস্কুলত শিক্ষকতা কৰাৰ পিছত ১৯৫৩ চনৰপৰা বি-বৰুৱা কলেজত অধ্যাপনা কৰিছে। তেওঁ বি বৰুৱা মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগৰ মুৰব্বীৰ ৰূপে ১৯৮৮ চনৰ পৰা অৱসৰ গ্ৰহণ কৰে। অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী সমিতিয়ে জ্যেষ্ঠ সাংবাদিকৰূপে ১৯৯৬ চনৰ জানুৱাৰীত তেওঁক সম্বৰ্ধনা জনায়।

যোগেশ দাসৰ মৃত্যু হয ১৯৯৯ চনৰ ৯ ছেপ্টেম্বৰত, গুৱাহাটী। ☐

বেন বৰকটকী

"উপন্যাস মানুহৰ জীৱনৰে কথা। কিন্তু মানুহৰ জীৱনৰ বিস্তৃতিযে আজি পৃথিৱীৰ বহুতো জটিলতাৰ মাজত সোমাই দিনে দিনে জটিল হৈ আহিছে। অকল সেয়ে নহয়, পৃথিৱীৰ সীমা এৰি মানুহে মনেৰেই নহয়, শৰীৰেৰেও মহাকাশ যাত্ৰা আৰম্ভ কৰিছে। মানুহৰ জীৱনৰ অভিযান সাগৰৰ অটল গৰ্ভৰপৰা মহাকাশৰ গ্ৰহান্তৰলৈকে আৰম্ভ হৈছে। গতিকে এনে মানব জীৱনৰ বিচিত্ৰতা দিনে দিনে বৃদ্ধি পাইছে। মানৱ জীৱনৰ এই বিচত্ৰতাক ৰূপায়িত কৰোঁতে আজি সাহিত্যৰ বিভিন্ন শাখাৰ ভিতৰত উপন্যাসেই আগভাগ লৈছে। য'তেই বৈচিত্ৰৰ জীৱন, জটিল পৰিস্থিতিৰ সমাবেশ তাতেই বিচিত্ৰ কাহিনী আৰু জটিল বিশ্লেষণো আছে, গতিকে আজি উপন্যাসৰ ৰূপায়ণৰ দৃষ্টি ভঙ্গীত আছে বিচিত্ৰতা আৰু জটিলতা।"

উপন্যাস সম্পৰ্কে এনে ব্যাখ্যা দাঙি ধৰা বিশিষ্ট লেখকগৰাকীয়ে হ'ল বীৰেন বৰকটকী।

বীৰেণ বৰকটকীৰ জন্ম হয় ১৯২৪ চনৰ ২৩ মার্চত, শোণিতপুৰ জিলাৰ চতিয়া অঞ্চলৰ কালীবাৰী গাঁৱত। তেওঁৰ পিতাকৰ নাম পদ্মনাথ বৰকটকী আৰু মাকৰ নাম চন্দ্ৰপ্ৰভা বৰকটকী। তেওঁলোকৰ পুত্ৰ তিনিজন আৰু তিনিগৰাকী কন্যা।

তেওঁ সৰু কালৰ শিক্ষা চতিয়া এম ভি স্কুলৰ পৰা লাভ কৰে। তাৰ পিছত তেওঁ চতিয়া হাইস্কুলত ভৰ্তি হয়। এই হাইস্কুলৰপৰাই তেওঁ ১৯৪২ চনত প্ৰৱেশিকা পৰীক্ষা পাছ্ কৰে। এই সময়ত চলা ভাৰতৰ স্বাধীনতা আন্দোলনে বীৰেন বৰকটকীৰ মন আকৃষ্ট কৰে। তেওঁ প্ৰবেশিকা পৰীক্ষা দি উঠিযে ভাৰত স্বাধীনতা আন্দোলনত জপিয়াই পৰে। ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰা বাবে তেওঁ এবছৰ জেলত থাকিব লগীয়া হয়। তাৰপিছত তেওঁ উচ্চ শিক্ষা লবলৈ কাশী হিন্দু বিশ্ববিদ্যালয়লৈ যায়। তাত দুবছৰ পঢি তেওঁ আই এ পাছ্ কৰে। সেই সময়ত কাশী হিন্দু বিশ্ববিদ্যালযত উপাচার্য আছিল সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ। তেওঁ কটন কলেজৰপৰা বি এ পাছ্ কৰে আৰু ১৯৫২ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালযৰ পৰা এম এ পাছ্ কৰে।

১৯৪৩ চনত তেওঁ গুৱাহাটী 'নিউ প্ৰেছ'ত প্ৰথম চাকৰি জীৱন আৰম্ভ কৰে। তাত তেওঁ Despatching cleark হিছাপে কিছুদিন কাম কৰে। এই প্ৰেছৰপৰাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সম্পাদনাত 'সাদিনীয়া অসমীয়া' প্ৰকাশ পায়। এই কাকতত তেওঁ সহকাৰী সম্পাদক নিযুক্ত হয়। তেওঁ বি এ পাছ্ কৰাৰ পিছত, 'দৈনিক অসমীয়া'ত সহযোগী সম্পাদক তথা ষ্টাফ ৰিপৰ্টাৰ নিযুক্ত হয়। তেওঁ 'ৰামধেনু' আলোচনীও সম্পাদনা কৰে। তেওঁ 'দৈনিক অসম' কাকতৰ জন্ম-লগ্নৰপৰা শিৱসাগৰৰ সংবাদদাতা আছিল। কিন্তু তেওঁ সাংবাদিক জীৱন বাদ দি, শিক্ষকতা কৰিবলৈ লয়। ১৯৫০ চনত তেওঁ জামুগুৰি হাইস্কুলত সহকাৰী শিক্ষকৰূপে যোগদান কৰে। ১৯৫৩ চনত তেওঁ শিৱসাগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা নিযুক্ত হয়। পিছত তেওঁ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰ পদ পায়। ১৯৭১ চনত তেওঁ শিৱসাগৰ ছোৱালী মহাবিদ্যালযৰ অধ্যক্ষৰূপে যোগদান কৰে। ১৯৮৫ চনত তেওঁ চাকৰিৰপৰা অবসৰ গ্ৰহণ কৰে।

তেওঁ অভিনয় জীৱনৰ লগতো জড়িত আছিল। তেওঁ 'কুৰুক্ষেত্ৰ', পিয়লি ফুকন,' 'শিবাজী', মগ্ৰিবৰ আজান আদি বিভিন্ন নাটকত অভিনয় কৰাৰ উপৰিও শিৱসাগৰ নাট্য মন্দিৰত অনুষ্ঠিত কেইবাখনো নাটকৰ অভিনয়ত ভাগ লয়।

তেওঁ সৰুকালৰপৰাই সাহিত্য সাধনাত মনোনিৱেশ কৰে। তেওঁ পঞ্চমমান শ্ৰেণীত পঢি থাকোতে হাতে লিখা আলোচনী সম্পাদনা কৰে। তেওঁ সাহিত্যৰ নাটক, উপন্যাস, কবিতা, প্ৰবন্ধ, সমালোচনা, ৰম্য-ৰচনা আদি বিভিন্ন দিশলৈ বিশিষ্ট

বৰগুণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল — কবিতা— মন্বন্তৰ (১৯৫৯), চিৰন্তন, চিনাকি পৃথিৱী আদি। উপন্যাস — ভৰলীৰ পাৰে পাৰে। অনুবাদমূলক— কুমাৰী পৃথিৱী, প্ৰেম আৰু শংকাৰে। জীৱনী — খোজতে মিলাও খোজ। আলোচনামূলক— সাহিত্যৰ পটভূমি (১৯৬৯), সাহিত্য সংস্কৃতিৰ দুটি এটি, পাশ্চাত্য সাহিত্যত এভুমুকি, ইংৰাজী ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা আদি। সম্পাদিত— বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ, তুলিকাৰ প্ৰাণ আৰু দৃষ্টি আদি। তেওঁৰ অন্যান্য গ্ৰন্থ হ'ল — শিশু মনৰ সাধু, মহৰ্ষি টলষ্টয়ক বুজাৰ চেষ্টাৰে, মৃত্যু গচকি আহা জয় জিনি আদি। তেওঁ কবিতা সম্পৰ্কে কয়, "কবিৰ প্ৰধান কাম বাণী দিয়া নহয়। জ্ঞান বঢ়োৱাহে। কবিয়ে তেওঁৰ অন্তৰত ওপজা ভাবৰাশি কবিতাত প্ৰকাশ কৰি জীৱন আৰু জগত সম্পৰ্কে চিৰন্তন সত্যক মানুহৰ মানস চকুৰ আগত দাঙি ধৰে। মানুহ তেতিয়া জীৱনৰ সমস্যা সম্পৰ্কে সচেতন হয়। কাব্যিক সৌন্দৰ্য্য অটুট ৰাখি জীৱনৰ কোনো কথা দাঙি ধৰাতেই কাম শেষ হয়। তাকে লৈ বেযাক সংশোধন কৰা বা বাণী দিযাৰ মনোবৃত্তিৰে লেখনী ধৰিলে কবি নিজে ক'ব নোৱাৰাকৈয়ে ধৰ্ম্মগুৰুলৈ বা প্ৰচাৰলৈ ৰূপান্তৰিত হ'ব। কবিৰ কাব্যিক অনুভূতি যদি দাঙি ধৰোতেই কবিৰ ব্যক্তিগত মানৱ মনৰ বা সমাজৰ সংস্কাৰ হৈ যায তাত ক'বলৈ একো নাই।"

১৯৫৭ চনৰপৰা তেওঁ অসম সাহিত্য স ভাত লগত জড়িত হয। ১৯৭৫ চনত তিতাবৰ আৰু ১৯৮৫ চনত বিহপুৰীয়াত অনুষ্ঠিত হোৱা অসম সাহিত্য স ভাৰ অধিবেশৰ আলোচনা-চক্ৰত তেওঁ সভাপতিত্ব কৰিছিল। ১৯৭৭ চনত অভয়াপুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনৰ কবি সন্মিলনত তেওঁ সভাপতিত্ব কৰে। ১৯৮৫ চনত দিল্লীত অনুষ্ঠিত হোৱা নিখিল ভাৰত কবি সন্মিলনত তেওঁ অংশ গ্ৰহণ কৰে।

১৯৮৬ চনৰ ২১, ২২, আৰু ২৩ ফেব্ৰুৱাৰীত কামপুৰৰ মাধৱ কন্দলী ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-পঞ্চাশত্তম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "অসম বিচিত্ৰ সংস্কৃতি অধিকাৰী ৰাজ্য। গতিকে আমাৰ লেখকসকলে জনজীৱনৰ কাষ চাপি বিচিত্ৰ সংস্কৃতিৰ অধিকাৰী, জনসাধাৰণৰ জীৱনৰ ওপৰত আলোকপাত কৰা কৈ সাহিত্য সৃষ্টি কৰিব লাগে। গল্প, উপন্যাস, নাটক আদিত এনে জনজীৱন কলাৰ ৰূপত কলা সমাজৰ কাৰণে, এই ভাৱেৰে উদ্বুদ্ধ হৈ সাহিত্যিকসকলে ৰূপায়িত কৰিব পাৰে।"

"অসমৰ বুকু উদং কৰি দিয়া তেলে কোটি কোটি টকা লাভ দিয়ে। তেল অসমৰ; কিন্তু অসমৰ বিশেষ উন্নতিৰ ক্ষেত্ৰত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, অইল ইণ্ডিয়াকে ধৰি বিভিন্ন তেল উদ্যোগে একো উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা

নাই। অসমৰ সংৰক্ষিত বনাঞ্চলকে ধৰি ৪৫, ১৫০ বৰ্গ কিলোমিটাৰ বনাঞ্চল কাটি খান্তাং কৰি কাঠ ব্যৱসায়ী আৰু প্লাইউড কাৰখানাই কোটি কোটি টকা অসমৰ বাহিৰলৈ লৈ যায়। এই ক্ষেত্ৰত প্লাইউডৰপৰা অসমৰ বাহিৰলৈ বছৰি যায় ছশ কোটি টকা। অসমৰপৰা অসমৰ বাহিৰৰ পুঁজিপতিয়ে বছৰি তিনি হেজাৰ কোটি টকা লুটি নিয়ে। কেন্দ্ৰীয় চৰকাৰেও বছৰি অসমৰপৰা বিভিন্ন শিতানত ৰাজহ নিয়ে তিনি হাজাৰ কোটি অথচ অসমৰ গাঁৱে-ভূঞে থকা সৰহভাগ প্ৰাথমিক বিদ্যালয়ৰ বেৰ-ছাল নাই, টকাৰ অভাৱত সাহিত্য সভাই বিশ্বকোষ উলিয়াব নোৱাৰে, সাহিত্যৰথী বেজবৰুৱাৰ জন্মস্থান আহতগুৰিত অসমৰ জনজাতীয় কলা-কৃষ্টি অনুশীলন গৱেষণাৰ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ প্ৰস্তাৱতে ৰয়, বৰদোৱাৰ গৱেষণা-কেন্দ্ৰও আগবঢ়া নাই, চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদত পণ্ডিত প্ৰবৰ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈদেৱৰ দানেৰে সাজিবলৈ লোৱা গৱেষণা কেন্দ্ৰটিও আধা সজা হৈ থাকে।" ❑

ডঃ মহেন্দ্ৰ বৰা



অসমৰ শিক্ষা আৰু সাহিত্য জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱাৰ বাবে ডঃ মহেন্দ্ৰ বৰালৈ অসম চৰকাৰৰ ১৯৯৪ চনৰ বাবে অসমৰ সৰ্ব শ্ৰেষ্ঠ সন্মান 'শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা' প্ৰদান কৰে। তেওঁক এই বঁটা প্ৰদান কৰে ভাৰতৰ প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওয়ে।

ডঃ মহেন্দ্ৰ বৰাৰ জন্ম হয় ১৯২৯ চনৰ ২২ আগষ্টত তিনিচুকীয়া জিলাৰ টিংখঙত। তেওঁৰ পৈত্ৰিক গৃহ ঢুলীয়াপাৰ, শিৱসাগৰ।

তেওঁ ছৈখোৱা প্ৰাথমিক বিদ্যালয়ৰপৰা প্ৰাথমিক বিদ্যালযৰ শিক্ষা লাভ কৰে আৰু ১৯৪৭ চনত তেওঁ শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৯ চনত কটন কলেজৰ পৰা তেওঁ ইণ্টাৰমেডিয়েট (কলা) পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫১ চনত কটন কলেজৰ পৰা বি এ (ইংৰাজীত সন্মান সহ) আৰু ১৯৫৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ (ইংৰাজী) পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৭১ চনত তেওঁ Fundamentals of Assamese Metre' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ডি, ফিল উপাধি লাভ কৰে।

তেওঁ কৰ্মময় জীৱনৰ ১৯৫৪ চনৰ জানুৱাৰীৰপৰা ছেপ্টেম্বৰ মাহলৈ ডিব্ৰুগড় আইন মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ প্ৰবক্তা, ১৯৫৪ চনৰ ছেপ্টেম্বৰৰপৰা ১৯৫৫ চনৰ জুলাই পৰ্যন্ত তেজপুৰ দৰং মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ প্ৰবক্তা, ১৯৫৫ চনৰ জুলাইৰপৰা ১৯৬০ চনৰ ডিচেম্বৰলৈ কটন মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ প্ৰবক্তা, ১৯৬১ চনৰ জানুৱাৰীৰ পৰা ১৯৭৩ চনৰ জুনলৈ গোৱালপাৰা মহাবিদ্যালযৰ অধ্যক্ষ আৰু ১৯৭৩ চনৰ জুনৰ পৰা ১৯৭৩ চনৰ ছেপ্টেম্বৰ পৰ্যন্ত বিলাসীপাৰা মহাবিদ্যালযৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৩ চনৰ ছেপ্টেম্বৰৰপৰা ১৯৭৬ চনৰ মে' লৈ তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক নিযুক্ত হয়।

তেওঁ হাইস্কুলীয়া জীৱনৰেপৰা সাহিত্য সাধনাত মনোনিৱেশ কৰে। তেওঁ উল্লেখযোগ্য সাহিত্য সম্ভাৰৰ ভিতৰত হ'ল—(ক) কবিতা ঃ জাতিস্মৰ (১৯৬১) এই নদীয়েদি (১৯৭০), ৰূপৰ টিলিঙৰ মাত (১৯৮১), আলি দোমোজাৰ ক্ৰুচৰপৰা (১৯৮৭), নীলা ধতুৰাৰ ফুল (১৯৮৭) আদি (খ) আলোচনামূলক গ্ৰন্থঃ ফুল তৰা গান (১৯৫৭), অসমীয়া কবিতাৰ ছন্দ (১৯৫৭), ৰমন্যাসবাদ (১৯৭৬), সমাজবাদৰ কথা (১৯৮৯), সাহিত্য উপক্ৰমনিকা (১৯৮৬), সাহিত্য আৰু সাহিত্য (১৯৮৮), অসমীয়া ছন্দৰ শিল্পতত্ত্ব (১৯৯০), গৱেষণা প্ৰণালী তত্ত্ব (১৯৯২), উপলা নদীৰ দৰে (১৯৯০) আদি। (গ) অনুবাদ সাহিত্য ঃ গালিভাৰ (১৯৫২), ডন কুইকচোট (১৯৫৩), নীল সাগৰৰ সাধু (১৯৭৫), ইয়েৰ্লিং (১৯৬৮), পিনক্বিঅ' (১৯৭০), পিটাৰ পেন (১৯৮৯), আফকেজ টেন (১৯৯২), ভূত, ৰক্তা, বিনোদিনী, ফেডাৰেলিষ্ট পেৰ্পাচ, দেশে দেশে গল্প, গীতা (শ্ৰীমদ্ভাগৱত গীতাৰ ছন্দোবদ্ধ অসমীয়া অনুবাদ), মহাভাৰত আদি। (ঘ) সংকলিত আৰু সম্পাদিত ঃ নতুন কবিতা (১৯৫৬), আনন্দ চন্দ্ৰ আগৰৱালা ৰচনাৱলী (১৯৭৪), দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী (১৯৭৭) আদি। (ঙ) ইংৰাজী বিষয়ক গ্ৰন্থ ঃ 1857 in Assam (1957), Fundamentals of Assamese Metre (1977), The Evolution of Assamese Script (1981), weissalisa(1977), The Swooping Sparrow (1994) আদি। (চ) পাঠ্যপুথি ঃ সাহিত্য কাকলি, (১৯৭০) সাহিত্য জেউতি (১৯৭০), কবিতা চয়ন (১৯৭৪), কথা চয়ন (১৯৭৪), কবিতা কৰণি (১৯৮২), কথা চানেকি (১৯৮২), বাণিজ্য লখিমী (১৯৮৩) কথা চয়নিকা (১৯৮৪), ৰাজনীতি বিজ্ঞানৰ ভূমিকা (১৯৭২) আদি।

তেওঁ সাহিত্য-সংস্কৃতিমূলক মাহেকীয়া আলোচনী 'মণি দীপ' (নবেম্বৰ) ১৯৬০ চনৰপৰা ১৯৬৬ জুলাই) প্ৰতিষ্ঠাপক সম্পাদক আৰু ১৯৭৪ চনৰ জুনৰপৰা ১৯৭৫

চনৰ এপ্ৰিল পৰ্যন্ত অসম সাহিত্য সভাৰ মুখপত্ৰ পত্ৰিকাও সম্পাদনা কৰে। ১৯৯১ চনৰ মে মাহৰপৰা ১৯৯২ চনৰ মে' লৈ যোৰহাটৰপৰা প্ৰকাশিত 'ইষ্টাৰ্ণ ক্ৰেৰিযণ' নামৰ ইংৰাজী দৈনিক বাতৰি কাকত এখন সম্পাদনা কৰে।

তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত হৈ আছিছে। তেওঁ সদস্য পদ গ্ৰহণ কৰা অনুষ্ঠানসমূহ হ'ল— ভাষা উপদেষ্টা কমিটী (অসমীয়া), ভাৰতীয় জ্ঞানপীঠ, নতুন দিল্লী, এম-আই-এল প্যানল বিশ্ববিদ্যালয় অনুদান আযোগ, নতুন দিল্লী, কাৰ্যবাহী পৰিষদ, ডিব্ৰুগড বিশ্ববিদ্যালয় (১৯৮৪-৮৬), শিক্ষা পৰিষদ, ডিব্ৰুগড বিশ্ববিদ্যালয় আদি।

তেওঁক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বঁটা আৰু সন্মানেৰে বিভূষিত কৰিছে। ১৯৪৭ চনত প্ৰবেশিকা পৰীক্ষাত অসমীযা বিষযত সৰ্ব্বোচ্চ নম্বৰ পোৱা বাবে তেওঁ লাভ কৰে আউনীআটী সোণৰ পদক, ১৯৪৯ চনত ইণ্টাৰমিডিয়েট পৰীক্ষাত অসমীয়াত সৰ্ব্বোচ নম্বৰ পোৱা বাবে লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালযৰ 'দুখুৰাম স্মাৰক বঁটা', ১৯৬১ চনত আকাশবাণীৰ দ্বাৰা বছৰটোৰ ৰাষ্ট্ৰীয কবি সন্মান, ১৯৬৮ চনত অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনৰ সাহিত্য আলোচনা চক্ৰৰ সভাপতি, নতুন দিল্লী, বিশ্ববিদ্যালয অনুদান আযোগৰ দ্বাৰা 'নেশ্বনেল ফেলো' (১৯৮২-৮৪), ১৯৮৩ চনত কেৰেলাৰ মহাকবি আসন স্মাৰক বঁটা, ১৯৭৮ চনত অসম সাহিত্য সভাৰ মোহনৰাম শৰ্মা স্মাৰক বঁটা, ১৯৮৩ চনত অসম সাহিত্য সভাৰ ৰঘুনাথ চৌধাৰী স্মাৰক বঁটা লাভ কৰে।

১৯৮৭ চনৰ ১৪ ফেব্ৰুৱাৰীত পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিপঞ্চাশত্তম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল, "অসম সাহিত্য সভা আপোন পৰিচয হেৰুৱাই পেলোৱা নিজকে অসমীয়া বুলি যহাই ফুৰা মাথোন এমুঠি লেখা-পঢ়া কৰা মানুহৰ এটা সাহিত্যিক সংস্থা নহয়। এই ডেৰ কোটিৰো অধিক মানুহৰ- যিবোৰৰ অনেক ধৰণৰ দ্বিতীয় পৰিচয় আছে, যিবোৰৰ মাত কথাত বুৰঞ্জীৰ হাত বুলনি লাগি বহু বিচিত্ৰ ৰঙৰ আভাস বিৰিঙি আছে। সেই সকলোবোৰ অসমীয়াৰ প্ৰাণৰ স্পন্দন। আমাৰ অহৈতুক পৰা শক্তিৰ ফলস্বৰূপে অসমীয়া ভাষাই তাৰ আপোন কালিকা-শক্তি হেৰুৱাই পেলাবলৈ লৈছে।"

"এইখনেই অসম। দুখীয়া কাঁডী-পাইকৰ দেশ চহকী অসম। ইয়াত সকলো মানুহেই জোখত মাথোন এপোৱা। চাৰিটা মানুহ গোট খালেহে একোটা গোট পাইক। পৃথিৱীৰ ক'তো নাই মানুহৰ এইটো জোখ। অকলশৰীয়াকৈ কোনেও একো ঐহিক

অথবা পাৰত্ৰিক কৰ্ম সম্পাদন কৰিব নোৱাৰে। আকৌ, ভাৰতবৰ্ষৰ ভিতৰত এইখনেই এচমকা ঠাই, য'ত হিন্দুৰ ল'ৰা-ছোৱালীও উজনিত বৰা-শইকীয়া-হাজৰিকা আৰু নামনিত সৰকাৰ, মুছলমান ল'ৰা-ছোৱালীও তেনেদৰে উজনিত বৰা-শইকীয়া-হাজৰিকা আৰু নামনিত সৰকাৰ, য'ত ব্ৰাহ্মণৰ ল'ৰা-ছোৱালীও ফুকন-বৰুৱা, আহোমৰ ল'ৰা-ছোৱালীও ফুকন-বৰুৱা; য'ত পূজাৰীৰ পো-পোৱালি শৰ্মা, নাপিতৰ পো-পোৱালিও শৰ্মা, য'ত ক্ষত্ৰিয় দ্বিবেদী-ত্ৰিবেদী-চতুৰ্বেদীৰ লেখীয়া উপাধিৰ দেওধনি নাচ নাই। সকলো সমান অসমীয়াৰ অসম এইখন।”

ডঃ মহেন্দ্ৰ বৰাৰ পৰলোকপ্ৰাপ্তি হয় ১৯৯৬ চনৰ এপ্ৰিল মাহত। ❐

কীৰ্তিনাথ হাজৰিকা

অসমৰ বিভিন্ন সমস্যা, সংকট আৰু বিশেষকৈ বিপন্ন হ'ব খোজা অসমৰ অস্তিত্ব ৰক্ষাৰ হেতু বিদেশী নাগৰিক বহিষ্কৰণৰ সমস্যাটোকে সৰ্বাগ্ৰ স্থান দিয়া ব্যক্তিগৰাকীয়ে হ'ল— কীৰ্তিনাথ হাজৰিকা। তেওঁ মনে-প্ৰাণে এগৰাকী জাতীয় ভাবাপন্ন ব্যক্তি। অসমৰ অস্তিত্বৰ সংকট সম্পৰ্কীয় তেওঁ দিয়া এক সাক্ষাৎকাৰত এনেদৰে কৈছিল, "যি গতিৰে বিদেশী নাগৰিকৰ সংখ্যা বাঢ়িছে, তালৈ চাই অসমৰ ভাৰতীয় নাগৰিকৰ অস্তিত্ব নিশিহ্ন হ'বলৈ বেছি দিন নাই বুলিলেই মোৰ ধাৰণা। এইটো শক্তি ইতিমধ্যে ইমান প্ৰভাৱশালী হৈ পৰিছে যে তেওঁলোক দিল্লীত তথা অসমৰ আগৰ প্ৰশাসনত থকা ভালেমানক তেওঁলোকৰ ফলীয়া কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ আগতে পাকিস্তানী নাগৰিকৰ অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে তেতিয়াৰ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ মুৰব্বী ভোলানাথ মল্লিকৰ উদ্যোগত গৃহীত হোৱা আঁচনি ব্যৰ্থ কৰাৰ বাবে বিভিন্ন কাৰ্যব্যৱস্থা লোৱা হৈছিল। প্ৰশাসন তথা নেতৃত্বৰ উচ্চ আসনত থকা লোকৰ তলগুজীয়া কাৰ্যৰ বাবে এই গঠিত ন্যায়াধিকৰণ অচল হৈ পৰে আৰু সীমান্ত ৰক্ষাৰ বাবে আৰক্ষী দল গঠিবলৈ দিয়া ধন

সেই কামত ব্যৱহৃত নহৈ আৰক্ষীৰ ঘৰ সজা কামত ব্যৱহৃত হোৱাৰ উদাহৰণ আছে। সীমান্তৰখীয়া পুলিচক ট্ৰেফিক পুলিচৰ পদত বাহাল কৰিলে। সেইদেখি বাংলাদেশী নাগৰিকৰ ক্ষেত্ৰত এনে পৰিণতিয়ে পূৰ্ণাঙ্গ ৰূপ লোৱাৰ আগতে সকলো ন্যস্তস্বাৰ্থ আঁওকাণ কৰি ৰাষ্ট্ৰৰ স্বাৰ্থতে কঠোৰ ব্যৱস্থা ল'বই লাগিব।

বিদেশী চিনাক্তকৰণ, সীমান্ত ৰক্ষা, ভাৰতীয নাগৰিকত্ব প্ৰমাণ-পত্ৰ দিয়াৰ ক্ষেত্ৰত সৰ্তকতা, বিদেশী নাগৰিকক মাটি আৰু চাকৰি দিয়াৰ বাট বন্ধ কৰা, সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ দিযা, নদীয়েদি আৰু ৰাজ্যন্তৰৰ পৰা স্থলপথ বা ৰেলেৰে বিদেশী নাগৰিক অসমলৈ চালান দিয়াৰ বাট বন্ধ কৰা লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত বিদেশী নাগৰিকৰ বেলিকা একে আৰ্হিৰ নীতি প্ৰবৰ্তন কৰা এনে পূৰ্ণাংগ ব্যৱস্থা এটা অসমত অস্তিত্ব ৰক্ষাৰ বাবে আৱশ্যক। অক্সিজেন টেণ্টত ৰাখি অসমক সমৃদ্ধি কৰি গঢ়ি তোলাৰ আশা কৰাটো বাতুলতা মাত্ৰ। ৰাজ্যখনক অৰ্থনৈতিকভাৱে সমৃদ্ধ কৰি গঢ়ি তোলাৰ পূৰ্ণাঙ্গ ব্যৱস্থা কৰিব লাগে। অসম চুক্তিত উল্লেখ কৰা ৰক্ষা কবচৰ দফাটোৰ সন্দৰ্ভত কেন্দ্ৰীয আৰু ৰাজ্য চৰকাৰে ৰাইজৰ ইচ্ছা আকাংশা পূৰণ কৰিব পৰাকৈ কাৰ্যকৰি ব্যৱস্থা যুগুত কৰি উলিওৱাটো নিতান্ত আৱশ্যক।

কীৰ্তিনাথ হাজৰিকাৰ জন্ম হয় ১৯২২ চনৰ ২২ জুলাইত, গোলাঘাট চহৰৰ আমোলাপট্টিত। তেওঁৰ পিতাকৰ নাম হৰনাথ হাজৰিকা আৰু মাতৃ কৃষ্ণা হাজৰিকা। তেওঁ যোৰহাটৰ প্ৰেকটিচিং স্কুলৰপৰা প্ৰাথমিক শিক্ষা লাভ কৰে। গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলৰ পৰা তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয। ১৯৪২ চনত তেওঁ কটন কলেজৰ পৰা আই, এছ, চি আৰু ১৯৪৫ চনত চিলেটৰ মুৰাৰীচাঁদ কলেজৰ পৰা বি এছ চি, পৰীক্ষাত উত্তীৰ্ণ হয। তেওঁ বিদ্যালয়ত পঢ়ি থকা সময়ৰপৰাই দিনপঞ্জী লিখাৰ অভ্যাস গঢ়িছিল। অভ্যাস গঢ়িছিল ভাল লগা কথা, কবিতা, তথ্য সংগ্ৰহ কৰা আৰু তাক টুকি ৰখা। এই সময়ছোৱাতে তেওঁ বাহিৰা কিতাপ পঢ়িবলৈ খুব ভাল পাইছিল। বিশেষকৈ ডঃ সূৰ্য্যকুমাৰ ভূঞাই লিখা আনন্দৰাম বৰুৱাৰ জীৱনীখনে তেওঁৰ মনত সাহস আৰু সাধনাক শ্ৰদ্ধা কৰাৰ মন এটা দিছিল। তদুপৰি এই সময়ছোৱাত খেলা ধূলা আৰু অভিনয়ৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ অনুৰাগ জন্মে। কলেজত বেডমিণ্টন খেলত চিংগলচ আৰু ডবলচত চেম্পিয়ন হয়। নাট অভিনয়ৰ ক্ষেত্ৰৰ তে ওঁ গোলাঘাট আৰু গুৱাহাটী নাট্য মঞ্চত অভিনয় কৰে। তেওঁ বিশেষকৈ নাৰী চৰিত্ৰৰ অভিনয কৰিছিল।

বেজবৰুৱা হাইস্কুলৰ নবমমান শ্ৰেণীত পঢ়া কালৰপৰাই তেওঁৰে সাংবাদিক জীৱনৰ পাতনি বুলিব পাৰি। সেই সমযেত বিদ্যালযৰ মুখপত্ৰখন সহপাঠী তুলসী বৰগোহাঁইৰ লগত যুটীয়াভাৱ সম্পাদনা কৰি উলিয়াইছিল। এইক্ষেত্ৰত বিদ্যালয়ৰ কৃতী শিক্ষক গোলাপ চন্দ্ৰ গোস্বামীৰ উদ্‌গনি লাভ কৰিছিল।

১৯৪৫ চনত তেওঁ গোলাঘাটৰপৰা গুৱাহাটী পোৱাত তেওঁ একেবাৰে 'ৰিক্ত হস্তে' অহা বুলি কৈছে। ১৯৪৬ চনত সেই উদং হাতত পৰিছিল তেওঁ কৰা ৰুছ ভাষাৰ উপন্যাস 'ৰেইন ব'ৰ অসমীয়া অনুবাদ 'ৰামধেনু' কিতাপখন। কলিকতাৰ 'এলেম' প্ৰেছত কেতিয়াবাই ছপাবলৈ দিওঁতে হেনো পাণ্ডুলিপিখন কলিকতাত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত প্ৰায় লোপ পাবলগীয়া অৱস্থা হৈছিল। কিন্তু তেওঁৰ ভাগিনীয়েক সুকুমাৰ বৰুৱা আৰু ডিব্ৰুগড়ৰ ৰত্ন দত্তৰ চেষ্টাত যেনিবা পাণ্ডুলিপিখন অক্ষত অৱস্থাত থাকিল আৰু ছপাঁও হ'ল। সেই সময়ত 'ৰামধেনু'খনেই তেওঁৰ কাল'' ম্পদ হ'ল। কিতাপখন পঢ়ি ডঃ বাণীকান্ত কাকতিয়ে তেওঁলৈ যিখন কাৰ্ড পঠাং... । সেই কাৰ্ড তেওঁ এতিয়াও যতনাই ৰখা কথা উল্লেখ কৰিছে। ডঃ বাণীকান্ত কাকতিৰ মন্তব্যই হাজৰিকাৰ জীৱনলৈ প্ৰত্যাশ্যা আৰু সাহস কঢ়িয়াই আনে।

হাজৰিকা ডাঙৰীয়াই কয় যে, 'ৰামধেনু'ৱেই হেনো তেওঁক সাংবাদিক জগতলৈ আনে। সেই বছৰতে নতুনকৈ ওলোৱা 'দৈনিক অসমীয়া'কাকতত তেওঁ উপ-সম্পাদকৰূপে নিযুক্তি লাভ কৰে। তৰুণ চন্দ্ৰ আগৰৱালাই 'নিউ প্ৰেছ'ৰপৰা প্ৰকাশ কৰা কাকতখনৰ সম্পাদক আছিল দেৱকান্ত বৰুৱা। দেৱকান্ত বৰুৱাযেই হাজৰিকা আৰু নগাঁৱৰ ৰূপৰাম সুতকে ধৰি আন কেইবাজনকো নিযুক্ত কৰে। দেৱকান্ত বৰুৱাই হ'ল কীৰ্তিনাথ হাজৰিকাৰ সাংবাদিক জীৱনৰ গুৰু। তাৰ পিছত 'দৈনিক অসমীয়া'ৰ শ্বিলং কাৰ্যালয়ৰ দায়িত্বত শ্বিলঙত কাম কৰোঁতে গুৰু হিচাপে গ্ৰহণ কৰিছিল — 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড' কাকতৰ সেই সময়ৰ শ্বিলং কাৰ্যালয়ৰ মুৰব্বী হেমন্ত কুমাৰ গুপ্তক। সাংবাদিকতাত শিকিবলগীয়া বহুতো কথাই তেওঁ গুপ্তৰপৰা শিকিছিল। তেওঁৰ লগত হাজৰিকাৰ এটা মধুৰ সম্পৰ্ক আছিল। অসম আৰু অসমীয়াৰ স্বাৰ্থত আৰু জৰুৰী অৱস্থাৰ সময়ত দেশৰ গণতন্ত্ৰৰ স্বাৰ্থত 'দৈনিক অসম'ৰ জৰিয়তে দেৱকান্ত বৰুৱাক দিব লগা হোৱা গুৰুদক্ষিণাৰ বাবে কীৰ্তিনাথ হাজৰিকাৰ অন্তৰে আজিও কান্দে বুলি দুখ প্ৰকাশ কৰে। কীৰ্তিনাথ হাজৰিকাই কয়, "অসমৰ তথা দেশৰ স্বাৰ্থতকৈ মোৰ অনুভূতিৰ স্বাৰ্থ ডাঙৰ হ'ব নোৱাৰে। তথাপি আজিও মনত অনুভূতিৰ কঁপনি একোটা অনুভৱ কৰি থাকোঁ।

১৯৪৮ চনত 'দৈনিক অসমীয়া' কাকতখন বন্ধ হয়। এই কাকতখন সম্পৰ্কত হাজৰিকা ডাঙৰীয়াই কয়, "কিন্তু পৰবৰ্তী জীৱনত সাংবাদিকতাৰ বজাৰত সোমাই দেখিলো যে, নিজক সক্ষম কৰিবৰ বাবে ডেধাৰ কথা শিকিবলগীয়া আছে, সেই কাৰণেই অপৰিসীম কষ্ট কৰিব লগা হ'ল। সেই সময়তে কেইবাটাও জোঁকাৰণি খাবলগীয়া হৈছিল। হঠাৎ মোৰ সুহৃদ শ্ৰীৰূপৰাম সুত চাকৰিৰ পৰা বিতাৰিত হ'ল। অন্যায়ভাবে

তেওঁক চাকৰিৰ পৰা আঁতৰোৱা হ'ল যদিও শ্ৰী সুতে একো প্ৰতিবাদ নজনোৱাকৈ নিজক আতৰাই নিলে। তাৰ পিছতে 'দৈনিক অসমীয়া' কাকত খন নব গঠিত কে এম পি দলৰ মুখপত্ৰ স্বৰূপ হৈ পৰাত কাকতৰ কৰ্তৃপক্ষ আৰু সম্পাদকৰ মাজত মনোমালিন্য ঘটিল। এনেতে কেতবোৰ আপত্তি তুলি কাকতৰ একাংশ লোক ধৰ্মঘট কৰিবলৈ আগবাঢ়িল। অত পৰিশ্ৰমৰ মূৰত গঢ় লোৱা কাকতখন তেতিয়া ধৰ্মঘটৰ বোজা বব পৰা অৱস্থাত নাছিল। ধৰ্ণঘটৰ বিকল্প ব্যৱস্থা ল'ব পৰাৰ থলো আছিল। সেই দেখি মই ধৰ্মঘটৰ পক্ষপাতী নাছিলো আৰু অকলে হ'লেও কাম কৰি কাকতখন উলিওৱাৰ জেদ এটাই মোক আগুৰি ধৰিছিল। সেই দেখি ৰাতিপুৱাৰ পৰা বা-বাতৰি সম্পাদনা কৰা, অনুবাদ কৰা, শিতান দিয়া, সম্পাদকীয় লিখা, আৰ্হি কাকত চোৱা, প্ৰিণ্ট অৰ্ডাৰ দিয়াকে ধৰি সকলো কাম দিনে নিশাই কৰি পিছদিনা নিয়মিত সময়ত কাকতখন উলিওৱাত সহায় কৰিছিলো। তাৰ বাবে মই অৱশ্যে অপ্ৰিয় হৈছিলো— কিছুমানৰ কাৰণে। কিন্তু দলীয় আনুগত্যৰ অধীনত বাতৰি কাকতত কাম কৰাৰ স্পৃহা মোৰ তেতিয়াও নাছিল, পিছতো নাছিল। কিন্তু ইমান হেঁপাহৰ 'দৈনিক অসমীয়া' কাকতখন তিষ্ঠি নেথাকিল। ১৯৪৮ চনত সামান্য অজুহাততে মালিকে কাকতখন বন্ধ কৰি দিলে।" সেই একে বছৰতে প্ৰকাশ পায় 'নতুন অসমীয়া 'কাকতখন। লগে লগে হাজৰিকাই এইখন কাকততে সহকাৰী সম্পাদক ৰূপে যোগদান কৰে।

১৯৪৯ চনৰপৰা তেওঁ 'নতুন অসমীয়া' কাকতখনৰ সম্পাদকৰূপে নিযুক্ত হয। এই কাকতত তেওঁ ১৯৫৬ চনলৈ সেৱা আগবঢ়ায়। এই সময়ছোৱাত তেওঁ 'ৰামধেনু' আলোচনীখনো কিছুদিনৰ বাবে সম্পাদনা কৰে। 'নতুন অসমীয়া'ৰ কাৰ্য্যালয়ত তেওঁ অসমৰ জাতীয় স্বাৰ্থৰ হকে যথেষ্ট বৰঙণি আগবঢ়ায়। বিশেষকৈ ৰাজ্য পুনৰ গঠন আয়োগৰ ওচৰত উত্থাপিত বিভিন্ন প্ৰস্তাৱৰ সম্পৰ্কত কাকতখনো বিশিষ্ট ভূমিকা পালন কৰিছিল। কিন্তু কাকতখনৰ পৰিচালন সঞ্চালকৰপৰা অহা কেইটামান নিৰ্দেশ যেনে-- এটা বিশেষ ৰাজনৈতিক দলৰ বাহিৰে অন্য দলৰ খবৰ কমোৱা, চাহ শ্ৰমিকৰ বাতৰি প্ৰকাশ নকৰা, মূল্যবৃদ্ধিৰ খবৰ প্ৰচাৰ নকৰা এনেবোৰ পৰামৰ্শৰ বাবে তেওঁ অপমানবোধ কৰি সেই কামো এৰিবলগীয়া হয়।

ইয়াৰ পিছত তেওঁ ডাঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ উদ্যোগত আকাশবাণী গুৱাহাটী কেন্দ্ৰত ষ্টাফ আৰ্টিষ্টৰ চাকৰি এটা লাভ কৰে। অনাতাঁৰ কেন্দ্ৰত তেওঁ অকণি মেল, গাঁৱলীয়া ৰাইজ, নেফাৰ অনুষ্ঠান আদি পৰিচালনা কৰে। তদুপৰি আকাশবাণীৰ বাবে নাট ৰচি- তাক অভিনয়ো কৰিছিল। পিছত কেন্দ্ৰত আঞ্চলিক বাতৰি বিভাগত পৰিবেশন কৰিবলৈ লৈছিল।

১৯৬৫ চনত তেওঁ 'দৈনিক অসম' কাকতত সম্পাদক নিযুক্ত হয়। ১৯৮৬ চনত ৩১ ডিচেম্বৰত তেওঁ কাকতখনৰ পৰা অৱসৰ গ্ৰহণ কৰে। 'দৈনিক অসম' সম্পাদনাৰ সময়ছোৱাতো তেওঁ অসমৰ প্ৰতিটো সমস্যাৰ হকে বলিষ্ঠ ভূমিকা লৈছিল। বিশেষকৈ অসমত ফেডাৰেল গাঁথনিৰ বিৰোধিতা, শিক্ষাৰ মাধ্যম আন্দোলন, লিপি আন্দোলন, অস্তিত্ব ৰক্ষাৰ ছবছৰীয়া আন্দোলন, জৰুৰী অৱস্থা আদি বিভিন্ন সমস্যাৰ বিৰুদ্ধে থিয় হৈ জাতীয় কৰ্তব্য পালন কৰিছিল। তেওঁ চেঞ্চৰ ব্যৱস্থাৰ বিৰুদ্ধেও যুঁজ দিছিল। চেঞ্চৰ ব্যৱস্থাৰ বিৰুদ্ধে তেওঁ সম্পাদকীয় স্তম্ভ আৰু বাতৰিৰ স্তম্ভ উকা ৰাখি তাৰ প্ৰতিবাদ জনাইছিল। অৱসৰৰ পিছতো বৰ্তমান তেওঁ 'দৈনিক অসম' কাকতৰ মুখ্য সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি নিষ্ঠাৰে সেৱা আগবঢ়াই আছে।

কীৰ্তিনাথ হাজৰিকাই অসমীয়া সাহিত্য জগতলৈও উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। তেওঁ প্ৰধানতঃ অনুবাদ সাহিত্য, ব্যংগ সাহিত্য আৰু নাট্য সাহিত্য ৰচনা কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল— এৰাবিযান নাইটছৰ অসমীয়া অনুবাদ 'এহেজাৰ এনিশাৰ সাধু', লুই কেৰেলৰ 'এলিচ ইন ৱাচলেণ্ড'ৰ আসমীয়া অনুবাদ 'দাপোণৰ দেশত এলিচ', ইংৰাজী গ্ৰন্থৰ অনুবাদ 'মতিলাল ঘোষ', গৌতম বুদ্ধ, নৈখনে কথা কোৱাৰ দিনা, ছেমুৱেল ইজৰাইলৰ গ্ৰন্থৰ অনুবাদ 'কিতাপৰ বিচিত্ৰ পৃথিৱীখনৰ কথা', হুছৰি এ হাওঁ (১৯৫৭), ফুটুকাৰ ফেন (১৯৫৬), অলৌ গুটি তলৌ গুটি (১৯৮১), নাৰদৰ ডাযেৰি,' বিকৰ্ষণ আকৰ্ষণ, 'অসমীয়া সাংবাদিকতা, অসম আৰু নেতৃত্ব' আদি উল্লেখযোগ্য। তেওঁ দৈনিক অসম কাকতত 'কাহঁদি' আৰু 'সমযৰ শৰ' ব্যংগ ৰচনাৰে ব্যংগ সাহিত্যৰ দিশলৈ স্মৰণীয় বৰঙণি আগবঢ়াই আহিছে। 'দৈনিক অসম'ৰ অকণিৰ চ'ৰাৰ দদাইজুনো আছিল তেওঁ।

১৯৮৮ চনৰ ২৩ ফেব্ৰুৱাৰীত হাইলাকান্দিৰ সাহিত্য তীৰ্থত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুঃ পঞ্চাশত্তম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "ভাষিক, ধৰ্মীয আৰু অন্যান্য পৰ্য্যায়ৰ সংখ্যালঘু স্বাৰ্থ সংৰক্ষণৰ বাবে সংবিধান মতেই সকলো দায বদ্ধ। সেই দেখি বিভিন্ন ক্ষেত্ৰত এনেবোৰ স্বাৰ্থ ৰক্ষা কৰাৰ বিশেষ ব্যৱস্থা লোৱা হৈছে আৰু যত বিচ্যুতি ঘটিছে, তেনে ক্ষেত্ৰতো তাৰ প্ৰতিকাৰ ঘটোৱা হৈছে।। এই বিষযত কৰিবলগীয়া আৰু কাম ওলাব। কিন্তু এই ক্ষেত্ৰত এটা কথা কৈ থোৱা উচিত যে সংখ্যালঘু ধ্বনি তুলি সংখ্যাগৰিষ্টক 'ভেটো' দিযাৰ অধিকাৰো সংবিধানে কাকো দিযা নাই। সংখ্যালঘু আৰু সংখ্যাগুৰু উভযে উভযৰ প্ৰতি সহনশীল, সহযোগী হ'ব লাগিব— তেতিযাহে দেশৰ অগ্ৰগতি সম্ভৱপৰ। সম্প্ৰতি ৰাজনৈতিক প্ৰৰোচনাত সংখ্যালঘুৰ 'ভেটো' প্ৰযোগৰ নিচিনা ঘটনাও ঘটিছে— যাৰ ফলত সমাজত তিক্ততাৰ সৃষ্টি হৈছে।

এইক্ষেত্ৰত আমাৰ দেশৰ কৰ্ণধাৰসকলৰ কৰ্মধাৰাৰ কথাও আলোচনা কৰিবলগীয়া হ'ব। সৰু সৰু ৰাজ্যবোৰৰ স্বাৰ্থৰক্ষাৰ কৰিবপৰাকৈ সংবিধানত উপযুক্ত ব্যৱস্থা থকা হ'লে সম্প্ৰতি বহুতো সমস্যাৰ সৈতে মুখামুখি হ'বলগীয়া নহ'লহেতেন। কিন্তু আমাৰ সংবিধান ৰচোঁতাসকলে তাকে নকৰিলে। ডাঙৰ ৰাজ্যবোৰৰ স্বাৰ্থইহে প্ৰাধান্য পালে। ডাঙৰ ৰাজ্যবোৰত জনসংখ্যাৰ চাপ বেছি, ঔদোগিক কাৰ্য্যাৱলীও বেছি-সেই দেখি সেইবোৰ ৰাজ্যৰ জনশক্তি অনগ্ৰসৰ অঞ্চললৈ প্ৰবাহিত হ'বই। এইটো অৱশ্যে হ'বই ; তাক কোনেও বাধা দি ৰাখিব নোৱাৰে। কিন্তু মূলতঃ অকল সেইসকলৰ স্বাৰ্থলৈ চকু দি সাংবিধানিক ব্যৱস্থা আৰু আইনৰ ব্যৱস্থা আদি ৰখাৰ ফলত অনগ্ৰসৰ অঞ্চলবোৰত বিভিন্ন সমস্যাৰ সৃষ্টি হ'ল।"

১৯৮৭ চনত অসম চৰকাৰে তেওঁক সাহিত্যিক পেঞ্চন প্ৰদান কৰে। ১৯৮৬ চনত শিল্পী কমলনাৰায়ণ চৌধুৰী স্মৃতিত ব্ৰুহিলচ ট্ৰেভেলছৰ ফালৰপৰা তেওঁক কমল নাৰায়ণ চৌধুৰী সোঁৱৰণী বঁটাৰে সন্মানিত কৰা হয়। ইণ্ডিয়ান এক্সপ্ৰেছ গোষ্ঠীয়ে তেওঁক নিৰ্ভীক নিৰপেক্ষ সংবাদ সেৱাৰ বাবে আগবঢ়ায় বি ডি গোৱেংকা বঁটা। সাংবাদিকতাৰ বাবে ১৯৮৭ চনত দিল্লীৰ দুৰ্গা দাস ৰতন দেৱী ন্যাসে আগবঢ়ায় সৰ্বভাৰতীয় ভিত্তিত দুৰ্গাৰতন বঁটা। ১৯৮৭ চনৰ ১৫ আগষ্টৰ দিনা অসম চৰকাৰে তেওঁক ১৯৮৯ চনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ বঁটা ঘোষণা কৰে। সেই বঁটা তেওঁ ১৯৮৮ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকট ৰমণৰ হাতৰপৰা গ্ৰহণ কৰে। ১৯৯৬ চনৰ ২৮ জানুৱাৰীত অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন সমিতিয়ে তেওঁক জ্যেষ্ঠ সাংবাদিকৰূপে সম্বৰ্ধনা জনায়। অনুবাদ সাহিত্যৰ বাবে তেওঁ ১৯৯৭ চনৰ সাহিত্য অকাডেমি বঁটা লাভ কৰে।

কীৰ্তিনাথ হাজৰিকা মানুহজন সম্পৰ্কে পৰিচয় দি তেওঁৰ পত্নীয়ে লিখিছে,—"হাজৰিকাৰ জীৱনটোৱে হৈছে সংগ্ৰামৰ জীৱন। আৰম্ভৰেপৰা শেষলৈকে প্ৰায় সংগ্ৰামেই কৰিলে। জীৱনত বহুত সমস্যাৰ সন্মুখীন হৈছে— আৰ্থিকভাৱেও মানসিকভাৱেও। কিন্তু নিজৰ ধৈৰ্য্য আৰু একাগ্ৰতাৰ বাবে তাক মানি ল'ব পৰা গুণ এটা আছে। জুমুৰি দি ধৰা বিপদতো ধৈৰ্য নেহেৰুৱাই তাৰ বিৰুদ্ধে থিয় দিয়া মই দেখিছোঁ। 'নতুন অসমীয়া'ত থাকোতে কামৰপৰা পদচ্যুত হৈছিল— সেয়া আছিল আমাৰ জীৱনৰ এক চৰম দুৰ্যোগ। অথচ সেই বিপদৰ সময়তো মই তেওঁৰ মনৰ যি দৃঢ়তা দেখিছিলো—সেয়ে মোক সাহস যোগাইছিল। তেতিয়া সংস্থানৰ কাৰণে বিভিন্ন ঠাইত বিভিন্ন ধৰণে লেখা-মেলা কৰি সংগ্ৰাম চলাইছিল। কিন্তু ভাগি পৰা নাছিল। মানুহজন আছিল কৰ্তব্যৰ প্ৰতি অতি সচেতন। নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰাটোৱেই আছিল তেওঁ জীৱনৰ ব্ৰত।" ☐

মহিম বৰা

"বুৰঞ্জী আৰু বুৰঞ্জীয়ে কোনো মতে চুই যাবপৰা দিন ধৰি আমাৰ উমৈহতীয়া ভাষাটো আমাৰ ৰীতি-নীতি, জীৱনধাৰাটোৱে আমাক নিজা বৈশিষ্ট্য দান কৰি আহিছে। সম্প্ৰতি কালৰ ধামখুমীয়াত পৰি ভিতৰৰ বদন আৰু বাহিৰৰ মানৰ হেঁচাত আমাৰ এই অট্টালিকাৰ ভেঁটি খৰক বৰক হৈছে, ইয়াত ভিতৰ বাহিৰ দুয়োফালৰ পৰা ষড়যন্ত্ৰ চলিছে। এই দেশ যদি এক খণ্ড ভাৰতবৰ্ষ তেনেহ'লে ইয়াত নিগাজিকৈ থাকিবলৈ অহাসকলে এইখনকো নিজৰ ভাৰতবৰ্ষ বুলি মনে-প্ৰাণে গ্ৰহণ কৰিব লাগিব। ধৰ্মৰ নামত, ভাষাৰ নামত নিজা এখন ৰাজ্য স্থাপনৰ কথা সপোনতো ভাবিব নালাগিব। সংবিধানৰ দোহাই দি ইয়াত এখন ত্ৰিপুৰা বা চিকিম কৰিবলৈ দিয়া নহব। স্বাধীন দেশত আমি অসমীয়াসকলো ভাৰতৰ অন্যান্য প্ৰান্তৰ অধিবাসীসকলৰ দৰেই স্বাধীন। আমি কাৰো বহুতীয়া হৈ নাথাকিম, সেইটো আমাৰ তেজত নাই। আমাৰ গোপন শত্ৰুসকল, বা আমাৰ চুকত থাকি বুকুত কামুৰিব খোজাসকলে এই কথা যেন পাহৰি নাযায়। এয়া মোৰ ভাবাবেগ নহয়, এয়া আমাৰ বুৰঞ্জীৰ কণ্ঠস্বৰ।"

বুৰঞ্জীৰ এই কণ্ঠস্বৰ সোঁৱৰাই দিয়া জাতীয় বীৰগৰাকীয়ে মহিম বৰা। মহিম বৰা এগৰাকী শক্তিশালী গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, নাট্যকাৰ আৰু শিশু সাহিত্যিক।

মহিম বৰাৰ জন্ম হয় ১৯২৬ চনত, দৰঙৰ সাধাৰোঘোপ চাহ বাগিচাত। তেওঁলোকৰ পিতৃ পুৰুষৰ ঘৰ নগাঁও জিলাৰ কলিয়াবৰ অঞ্চলৰ হাটবৰত। তেওঁৰ পিতৃ দৰঙৰ সাধাৰোঘোপ চাহ বাগিচাত কৰ্মচাৰী আছিল। তেওঁৰ পিতাকৰ নাম আছিল গজেন্দ্ৰনাথ বৰা আৰু মাকৰ নাম আছিল চন্দ্ৰকান্তি বৰা। মহিম বৰাই চাহ বাগিচাৰ সেউজীয়া পৰিবেশৰ মাজত ডাঙৰ-দীঘল হয়। তেওঁ শিক্ষা জীৱন আৰম্ভ কৰে হাটবৰ এক নম্বৰ প্ৰাথমিক বিদ্যালয়ত। তাৰ পিছত তেওঁ কুঁৱৰীটোল কমবাইণ্ড মজলীয়া বিদ্যালয়ত পঢ়িবলৈ লয়। মজলীয়া বিদ্যালয় পাছ্ কৰাৰ পিছতক তেওঁ কলিয়াবৰ হাইস্কুলত (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যলয়) ভৰ্তি হয়। ১৯৪৪ চনত তেওঁ দ্বিতীয় বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপিছত, তেওঁ নগাঁও মহাবিদ্যালযত ভৰ্তি হয়। নতুনকৈ প্ৰতিষ্ঠা হোৱা নগাঁও মহাবিদ্যালয়ৰ তেওঁ প্ৰথম দলৰ ছাত্ৰ আছিল। ১৯৪৬ চনত তেওঁ প্ৰথম বিভাগত আই এ পাছ কৰি, কটন মহাবিদ্যালয়ত ভৰ্তি হয। ১৯৪৮ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা বি এ পৰীক্ষা পাছ কৰে। তাৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত এম এ পঢ়িবলৈ লয়। ১৯৫২ চনত তেওঁ অসমীযা বিভাগৰ ক শাখাত এম এ পৰীক্ষাত উত্তীৰ্ণ হয়।

তেওঁ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত চাকৰি জীৱনৰ পাতনি মেলে। তেওঁ অনাতাঁৰ কেন্দ্ৰৰ গাঁৱলীয়া ৰাইজৰ অনুষ্ঠানৰ পৰিচালক ধনবৰ কাই আছিল। ১৯৫০ চনত তেওঁ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপক নিযুক্ত হয। ১৯৫২ চনত তেওঁ নগাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয। ১৯৫৭ চন ২ মেত তেওঁ দীপ্তি বৰাৰ লগত বিবাহ পাশত আবদ্ধ হয। তেওঁলোকৰ দুজন পুত্ৰ— অমিতাভ বৰা আৰু অভিজিত বৰা। ১৯৮৭ চনত তেওঁ নগাঁও মহাবিদ্যালযৰ পৰাই অৱসৰ গ্ৰহণ কৰে।

মহিম বৰা সাংবাদিক জীৱনৰ লগতো জড়িত আছিল। হাইস্কুলৰ সপ্তমমান শ্ৰেণীত পঢ়ি থাকোতে তেওঁ তেওঁৰ সহপাঠী দেবেন গগৈৰ সৈতে বিদ্যালয়ৰপৰা 'ময়লা' নামৰ এখন হাতেলিখা আলোচনী উলিয়াইছিল। তাৰপিছত, নগাঁও মহাবিদ্যালয়ত আই-এ পঢ়া কালত দেবেন হাজৰিকাৰ সহযোগত মহাবিদ্যালয়ৰপৰা 'শেৱালী' নামেৰে হাতেলিখা আলোচনী এখন প্ৰকাশ কৰে। ১৯৪৯-১৯৫০ চনৰ সময়ছোৱাত তেওঁ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শিশু আলোচনী 'ৰংঘৰ'ৰ সহকাৰী সম্পাদক নিযুক্ত হয়। তেওঁ নতুন অসমীয়া কাকততো সহকাৰী সম্পাদক ৰূপে কিছুদিন কাম কৰে। ১৯৫৫ চন মানত নগাঁওৰ পৰা প্ৰকাশিত সাহিত্য সংকলন 'অৰুণাচল' তেওঁ সম্পাদনা কৰে। ডেকা অসম, ৰামধেনু, আবাহন, জয়ন্তী, বৰদৈচিলা আদিত তেওঁ ভালেমান গল্প প্ৰবন্ধ প্ৰকাশ কৰে।

হাইস্কুলীয়া জীৱনৰপৰাই তেওঁ সাহিত্য সাধনাত ব্ৰতী হয়। হাতেলিখা আলোচনী 'মযলা'তে 'হাভানাৰ চুৰট' নামৰ প্ৰথম গল্পটি লিখে। তেওঁ আই-এ পঢ়ি থকাকালৰেপৰা গল্প ৰচনাত বিশেষ মনোযোগ দিয়ে। তেওঁৰ প্ৰকাশিত গল্প সংকলন হ'ল— কাঠনিবাৰীৰ ঘাট (১৯৬১), বহুভুজী ত্ৰিভুজ (১৯৬৭), মই পিয়লি আৰু পূজা (১৯৬৭), দেহা গৰকা প্ৰেম (১৯৬৭), এখন নদীৰ মৃত্যু (১৯৭২), ৰাতি ফুলা ফুল (১৯৭৮), মোৰ প্ৰিয় গল্প (১৯৮৭), বৰ যাত্ৰী (১৯৮০) আদি। প্ৰবন্ধমূলক— 'চিন্তা-বিচিত্ৰা'। 'শংকৰদেৱৰ অংকাৱলী' তেওঁৰ আন এখন মূল্যবান গ্ৰন্থ। উপন্যাসিকা— 'হেৰোৱা দিগন্তৰ মায়া' (১৯৭২) আৰু 'পুতলাঘৰ' (১৯৭৩) আৰু এধানী মাহীৰ হাঁহি (১৯৯৮)। শিশু সাহিত্য— 'বত্ৰিশ পুতলাৰ সাধু'। অনুবাদমূলক— 'ৰাজা ৰামমোহন ৰায়'। ৰম্য ৰচনা—'মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা ।নাটক — অসম চকুলো', 'পদুম কুঁৱৰী', লাড্ডু গোপালৰ বিবাহ', 'লাড্ডু গোপালৰ ঘৰ সংসাৰ', তিনিৰ তিনি গ'ল' আদি। কলিকতাৰপৰা প্ৰকাশিত 'কুঁহিপাত' আলোচনীত 'অকণ আৰু ভয' নামেৰে কাব্য জীৱনৰ পাতনি মেলা মহিম বৰাৰ প্ৰকাশিত কাব্য–'ৰঙা জিএৰা'।

তেওঁৰ 'কাঠনিবাৰীৰ ঘাট' হিন্দী, বাংলা আৰু মাৰাঠী ভাষালৈ অনুদিত হৈছে। ১৯৮০ চনত তেওঁ 'ৰাতি ফুলা ফুল'ৰ গ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছে। তেওঁ অসম উপত্যকা সাহিত্য বঁটাও লাভ কৰিছে।

১৯৮৯ চনৰ ১৬, ১৭, ১৮ আৰু ১৯ ফ্ৰেব্ৰুৱাৰীৰপৰা ডুমডুমাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চ পঞ্চাছত্তম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "অসমীয়া ' কোন, এই প্ৰসঙ্গক্ৰমত এই খিনি কথা বাটিল। চাহ বাগানৰ অসমীয়া, পিছত অহা পূব- বঙ্গৰ মুছলমান অসমীযা (শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে নামকৰণ কৰিছিল 'ন-অসমীয়া' বুলি ব্যৱহাৰিক সুবিধাৰ কাৰণে, কিন্তু বৰ্তমান এনে প্ৰয়োজন উঠি গৈছে) অসমৰ শিখসকলৰ, বৌদ্ধসকল, বিভিন্ন জনগোষ্ঠী, পৰ্বত ভৈয়াম, নেপালীসকল, বঙালীসকল, সকলো মিলিয়েই 'অসমীয়া'। এই বিভিন্ন, বিচিত্ৰ জনগোষ্ঠীৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খাদ্যা-খাদ্য, বিয়া-বাৰু, জন্ম-মৃত্যুৰ সংস্কাৰ- পদ্ধতি, প্ৰত্যেকৰে সুকীয়া সুকীযা। কোনো ক্ষেত্ৰত মিল থাকিলেও অমিলৰ সংখ্যাই বেছি। ধৰ্মৰ ক্ষেত্ৰত বিভিন্ন বহল বিভাগ আছেই। প্ৰত্যেক জনগোষ্ঠীৰে নিজ নিজ ঘৰৱা ভাষাও আছে। বৰ্তমান এনে কিছুমান প্ৰধান ভাষাৰ লিখিত ৰূপ দি পুনৰুদ্ধাৰ কৰা হৈছে আৰু কোনো ক্ষেত্ৰত পুনৰুদ্ধাৰৰ চেষ্টা চলিছে। এই বিভিন্ন অনৈক্য সমূহেই আমাৰ বৈচিত্ৰ্যৰ সৃষ্টি কৰিছে। এই বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সৃষ্টি কৰাই হৈছে আমাৰ চিৰকালৰ জাতীয় সাধনা। অৰ্থাৎ ঐক্য সৃষ্টি কৰা মানে বৈচিত্ৰ ধ্বংস কৰা নহয়,

বৈচিত্ৰ্যৰ সংৰক্ষণ কৰাহে। বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব বাঢ়িলেহে ঐক্যৰ এনাজৰীডাল সুদৃঢ় হ'ব। অসমত এই ঐক্যৰ এনাজৰীডালেই হ'ল থলুৱা, উমৈহতীয়া এই ভাষাটো, — যাক আমি সিদিনাৰপৰাহে 'অসমীয়া' এই নতুন নামকৰণ কৰিছোঁ। তেতিয়াৰ দূৰদৰ্শী, দেশপ্ৰাণ বৰেণ্য নেতাসকলে সেই কাৰণেই 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'খনক 'অসমীয়া সাহিত্য সভা" নামকৰণ নকৰি 'অসম সাহিত্য সভা' নামকৰণ কৰি গ'ল— এই সভাই হ'ল অসমবাসী সকলোৰে একমাত্ৰ 'মিলন তীৰ্থ"। ❐

নৱকান্ত বৰুৱা

নৰকান্ত বৰুৱা একেৰাহে প্ৰথিতযশা কবি, ঔপন্যাসিক, শিশু-সাহিত্যিক, গীতিকাৰ, অভিধান ৰচোঁতা, চিত্ৰকৰ আৰু শিক্ষাবিদৰূপে জনাজাত। অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা তেওঁৰ বৰঙণিৰ বাবে জীৱিত কালতে তেওঁ আমাৰ সাহিত্যত প্ৰবাদ-পুৰুষ আখ্যায়িত হৈছে। তেওঁৰ প্ৰতিখন গ্ৰন্থক আমাৰ ভাষা সাহিত্যৰ চানেকি গ্ৰন্থৰূপেও গ্ৰহণ কৰিব পাৰোঁ।। কবিতাৰ ক্ষেত্ৰত তেওঁ একক অনুষ্ঠানস্বৰূপ হৈছে। নৱকান্ত বৰুৱাই তেওঁৰ সাহিত্যৰ মাজেৰে শান্তি, ঐক্য আৰু প্ৰেমৰ বাণী কঢ়িয়াই আনিছে। তেওঁ বুদ্ধৰ আদৰ্শ আৰু দৰ্শনেৰে বিশেষভাৱে প্ৰভাৱান্বিত। তেওঁ কয় যে, আমাৰ বিশ্ব ভ্ৰাতৃত্বৰ সলনি বিশ্বমৈত্ৰীত বেছি গুৰুত্ব দিব পাৰে। তেওঁ কয়ঃ

'মই স্ৰষ্টা সেই প্লাৱনৰ
মই মেঘ সেই শ্ৰাৱণৰ
মই যে ৰাৱণ—মই কালৰ স্নাতক
মই যে ৰাৱণ—মই প্ৰেমাতীত প্ৰেমৰ সাধক
মই যে ৰাৱণ,—মই কাব্যাতীত কাব্যৰ পাঠক
মই যে ৰাৱণ,—মই ক্ৰান্তদৰ্শী বিশ্ব প্ৰৱাহৰ।'

মানুহৰ প্ৰতি গভীৰ আস্থাশীল নৱকান্ত বৰুৱাই তেওঁৰ সাহিত্যত ইতিহাস চেতনা, বিজ্ঞান চেতনা, ৰাজনীতি, দৰ্শন আদিত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে।

নৱকান্ত বৰুৱাই তেওঁৰ এখন বিখ্যাত উপন্যাস 'ককা দেউতাৰ হাড়'ৰ (১৯৭৩) বাবে ১৯৭৫ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। 'ককা দেউতাৰ হাড়'ত দুটা বংশৰ দ্বন্দ্ব কাজিয়াই মূল বিষয় বস্তু হিচাপে আধাৰিত। সেই বংশ দুটা হৈছে খৰঙি বৰুৱা বংশৰ ভোগাই বা ভোগেশ্বৰ বৰুৱা আৰু আনটো হৈছে ন-নৈৰ বাখৰ বৰা বংশ। এই বংশ দুটাৰ পৰিচয় দি ঔপন্যাসিকে লিখিছে,— শুনিছোঁ আইতা, লাচিত বৰফুকনে শৰাইঘাটত বেমাৰী গাৰে নদাই খৰঙিৰ কান্ধত ভৰ দিয়েই নাওত উঠিবলৈ গৈছিল।'

'সেই নদাই মানে নন্দেশ্বৰ তইঁতৰ উপৰি পুৰুষৰ এজন। বৰফুকনৰ গা-ৰখীয়া আছিল। কল্লিযাবৰৰ পৰা আহি মিকিৰহাটত থিতাপি লোৱা বৰুৱা কেইঘৰৰে এজন হ'ল ভোগাই—ভোগেশ্বৰ বৰুৱা, নদাইৰ দুপুৰুষৰ তলত। পলৰীয়া ৰজা গৌৰীসিংহৰ দিনত তেওঁ ডেকা মানুহ।'

'আৰু এঘৰ মানুহ দোপতদোপে উঠি আহিছিল। ন-নৈৰ বাখৰৰ ঘৰ। বৰা। মৰ্য্যদাত হীন। এবাৰ ন দিনৰ বাবে বৰুৱা হৈছিল মাত্ৰ। কিন্তু নিজ এলাকাত অৰ্থাৎ আকাশী পথাৰৰ সিটো পাৰে তেওঁলোকৰ প্ৰভাৱ এই বৰুৱা কেইঘৰতকৈও বেছি। ভোগাইৰ প্ৰভাৱক যদি প্ৰতিপত্তি বুলিব পাৰি, এই বৰা ঘৰৰ প্ৰভাৱক বুলিব পাৰি প্ৰতাপ। কেৱল মাত্ৰ অৰ্থ বলৰ সহায়ত, ৰজা ঘৰীযা ডাঙৰ খিতাপ নোপোৱাকৈযো তেওঁলোকে নিজৰ প্ৰভাৱ গঢ়ি তুলিছিল— সাধাৰণ মানুহক বশ কৰি ৰাখিছিল। ভোগাইৰ দেউতাক ৰুদায়ে, অৰ্থাৎ ৰুদৰাম বৰুৱাই লক্ষ্য কৰিছিল এই উঠি অহা মানুহঘৰ। ন-নৈৰ এই মানুহ ঘৰক অলপ চম্ভালি ৰখা তেওঁৰো ইচ্ছা। কিন্তু আনৰ চোঙত বাঘ নোসোমায। গতিকেই তেওঁ মানুহ দুঘৰ ওচৰ চপাই আনিবৰ মন কৰিলে। বৰ পুতেক ভোগাইলৈ সেই ইচ্ছাৰেই তেওঁ বিয়া কৰাই আনিলে বাখৰৰ ভনীয়েক মাহিন্দ্ৰীক আধেৰ সোণৰ বাখৰামী অলংকাৰৰ সালংকৃতা হৈ মাহিন্দ্ৰী ভোগাইৰ টোলত সোমাল।' উপন্যাসখন এটি প্ৰচলিত কাহিনীৰ ওপৰত ৰচিত । ঔপন্যাসিকৰ ভাষাৰে, 'বাখৰ বৰাৰ বিষয়ে প্ৰচলিত কাহিনী এটাকে লৈ পুথিখন লিখি উলিযালোঁ। কল্পনাৰ ভাগেই ইযাত বেছি — বুৰঞ্জীৰ নামত জুমুঠিৰ খেৰকুটা দুডালমানো আছে নে নাই সন্দেহ।' 'ককা দেউতাৰ হাড়' তীৰ্থত বিসৰ্জন দিয়া পূৰ্ব পুৰুষৰ অস্থি নহয়, অতীতৰ জীৱাশ্ম নহয়। সি বন হৈ গজি আছে, ফুল হৈ ফুলি আছে আৰু শস্য হৈ পৰি পুষ্টি যোগাই আছে ভৱিষ্যতৰ নাতি সমাজক— এয়া থোৰতে 'ককা দেউতাৰ হাড়'ৰ মূল কথা। সমস্ত কাহিনীভাগ আইতাই নাতিৰ আগত কৈছে যদিও উপন্যাসখন পঢ়োতে কোনো

খোকোজা নেলাগে। স্বতঃস্ফূর্তভাৱে বৈ অহা ই যেন ফল্গুধাৰা । সুন্দৰ উপস্থাপন ৰীতি, কথা কোৱাৰ কৌশল, বাক্য ৰীতি, শব্দ প্ৰয়োগ, অলংকাৰ গাঁথনি, থলুৱা শব্দ ব্যৱহাৰে যেনেদৰে উপন্যাসখন ৰসোত্তীৰ্ণ কৰি তুলিছে, আনফালে এই গ্ৰন্থক আমি এখন পুৰণি কথাৰ ভঁৰালৰূপেও অভিহিত কৰিব পাৰোঁ।

তেওঁ আমাৰ অতীত আৰু বৰ্তমানৰ মানুহৰ মনৰ খবৰ দিছে এনেদৰে, 'ওঁহো বোপাই, দিন সলনি হৈছে, ধৰণ সলনি হৈছে, কিন্তু মন সলনি হোৱা নাই মানুহৰ। এতিয়াও শত্ৰুতা আছে, অৰিয়াঅৰি আছে। কেৱল এতিয়াৰ দিনত সহজে 'জান' মাৰিব নোৱাৰি 'মান'কে মাৰিব খোজে। মামলা-মোকৰ্দমা কৰি কষ্ট দিয়ে, কষ্ট খায়। ছল চাতুৰী কৰি ঠগ খায়। সকলো একেই আছে বোপাই।' 'এতিয়াৰ ভদ্ৰ সমাজত আইতা আইতাৰ সত্য নুই কৰিব নোৱাৰি আইতাই নিজৰ ভাষাৰে এতিয়াৰ চৰিত্ৰ নিধনৰ কথা ক'ব খুজিছে। হয়তো বুজাব খুজিছে এতিযাৰ ভোগাই বাখৰবোৰ দৈহিক হত্যাত লিপ্ত নহ'ব পাৰে, কিন্তু আত্ম প্ৰতিষ্ঠাৰ বাবে চৰিত্ৰ নিধন কৰে। এৰা, এতিয়াৰ দুজন ৰাজনৈতিক নেতাই অথবা যিকোনো সামাজিক প্ৰতিযোগীয়ে আত্মপ্ৰতিষ্ঠাৰ বাবে যেনে আচৰণ কৰে, ভোগাইহঁতেও তাকেই কৰিছিল। মাত্ৰ সময়ৰ লগত খাপ খোৱাকৈ সিহঁতৰ প্ৰকাশ ভংগী আছিল উগ্ৰ আৰু আজিৰ তুলনাত স্থূল। এতিযাও জানো নেতাবিলাকে মানুহৰ জীৱন লৈ হেতালি নেখেলে?'

তেওঁ অতীত আৰু বৰ্তমানৰ প্ৰশ্ন তুলি কৈছে, 'আইতা আমাৰ অতীতেই নে? আইতা জানো বৰ্তমানো নহয়। কি ? আইতাতকৈ মই বেছি বৰ্তমান। আইতা কম বৰ্তমান। মোৰ ছোৱালীটিৰ ওচৰত মই জানো অতীত নহয? আমাৰ মাজত কিমানখিনি অতীত আৰু কিমানখিনি বৰ্তমান? আৰু ভৱিষ্যত? অতীত সমাপ্ত, কিন্তু অনাদি। ভৱিষ্যত অনাগত কিন্তু অনন্ত ? বৰ্তমান ? বৰ্তমান ক'ত? 'তাৰ পিছত দিনৰ নানা কামত, বৰ্তমানত, মই হেৰাই গ'লো। পধূলিৰ লগে লগে মোৰ পৃথিৱীখন আকৌ সংকুচিত হৈ আহিল। মোৰ পিছফালে যেন থিয় দিলে অতীত নামৰ এটা ছাঁ। কিছু চিনাকি, কিছু অচিনাকি। দিনৰ পোহৰত যিবোৰ কথা অৰ্থহীন যেন, নিৰৰ্থক যেন লাগিছিল—সেই আটাইবোৰে এটা সুবিকাশ পৰিমাপ লৈ মোক যেন আগচি ধৰিলে। সকলোবোৰে অতীত-বৰ্তমানৰ বিন্দু যেন অতীতৰ মাজেৰে গৈ আছে। অতীতৰ মাজেৰে নগ'লে যেন আমাৰ কেনিও এখোজো আগবাঢ়িবৰ উপায় নাই। নিজৰ সময়খিনি বুজিবৰ বাবে আমাক অতীতৰ খবৰ লাগে। অতীত লাগে।'

নৱকান্ত বৰুৱাৰ আন কেইখনমান জনপ্ৰিয় আৰু বিশেষ ৰীতিৰ উপন্যাস হ'ল--কপিলীপৰীয়া সাধু (১৯৫৪), গৰুমা কুঁৱৰী (১৯৮০), মানুহ আটাইবোৰ দ্বীপ (১৯৮১)

আৰু অ-পদাৰ্থ (১৯৮২)। 'কপিলীপৰীয়া সাধু'ত কপিলী নৈৰ পাৰৰ এক সংগ্ৰামী জীৱনধাৰাক তেওঁ সুন্দৰকৈ প্ৰকাশ কৰিব পাৰিছে। নৱকান্ত বৰুৱা কপিলীপৰীয়া নগাওঁালোক। কপিলীপাৰক তেওঁ ভালকৈ জানে। ঔপন্যাসিকৰ মতে, 'উপন্যাসখন কপিলীৰ বানত উটি অহা ৰূপাই বোলা এটা ল'ৰাৰ জীৱন সংগ্ৰামৰ কাহিনী।' 'গৰমা কুঁৱৰী'ত পুৰণি অসম বুৰঞ্জীত উল্লেখিত গৰমা কুঁৱৰীৰ কাহিনীটোকে আদি বৈষ্ণৱ যুগৰ বাতাবৰণত উপন্যাসৰূপে সজাই তোলা হৈছে। গৰমা গৌড়ৰ বাদছাহৰ কন্যা। তেওঁক বিয়া কৰাইছিল (বহু পত্নীক) কমতা ৰজাই। গৰমা মনৰ প্ৰেমৰ একনিষ্ঠতাই বিভিন্নজনত আত্মপ্ৰকাশ বিচাৰিলে। প্ৰথমতে তেওঁ তৰুণ ব্ৰাহ্মণ চন্দ্ৰ শেখৰৰ প্ৰতি আকৃষ্ট হৈছিল। কমতাৰ ৰজাৰ দ্বাৰা পৰিত্যক্ত হৈ তেওঁ কছাৰি ৰজা ডেটচুঙৰো ৰাণী হ'ল। আহোম কঁছাৰিৰ সংঘৰ্ষত স্বৰ্গদেউ চুহুংমুং এওঁৰ ৰূপত আকৃষ্ট হৈ গড়গাঁৱলৈ পিঠি দিলে। এইদৰে তিনিখন ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত আলোড়নৰ সৃষ্টি কৰা এই নাৰী চৰিত্ৰটি অংকিত হৈছে গৰমা কুঁৱৰী উপন্যাসত। উপন্যাসখনত অসমৰ মধ্যযুগটো মূৰ্ত হৈছে। 'মানুহ আটাইবোৰ দ্বীপ' বৌদ্ধ সাহিত্যৰ থেৰী গাঁথাত উল্লেখিত বৌদ্ধ ভিক্ষুণীসকলৰ জীৱন-কাহিনী। ইয়াৰ কেন্দ্ৰস্থ চৰিত্ৰ হ'ল আপোনৰূপত মুগ্ধা এজনী শাক্য তৰুণী। উপন্যাসখনত বৌদ্ধ যুগৰ ধৰ্মীয় আৰু সামাজিক চিত্ৰসমূহ নিখুঁতভাৱে অংকন কৰা হৈছে। বৌদ্ধ সংঘবিলাকৰ গাঁথনিত থকা সামাজিক সাম্যভাৱ উপন্যাসখনৰ আন এটা উল্লেখনীয় দিশ। 'অ-পদাৰ্থ' তেওঁৰ এখন বিজ্ঞানভিত্তিক উপন্যাস। আধুনিক বিজ্ঞানৰ 'Anti Matter' ৰ তথ্যৰ ওপৰত এই উপন্যাস ৰচিত। ('Anti Matter') এতিয়াও আৱিস্কৃত হোৱা নাই। এজন বৃদ্ধ ডাক্তৰ আৰু তেওঁৰ তৰুণ সহকৰ্মীয়ে ইয়াক প্ৰস্তুত আৰু প্ৰয়োগ কৰিবলৈ যাওঁতে হোৱা মানৱীয় ট্ৰেজেদিয়ে হৈছে এই উপন্যাসৰ উপজীব্য। বৰ্ত্তমান ৰচনা কৰি থকা তেওঁ আন এখন উপন্যাসৰ পটভূমি হৈছে বিযাল্লিছৰ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰ।

নৱকান্ত বৰুৱাৰ মতে উপন্যাস সমতলৰ মাধ্যম। সেইবাবে তেওঁ ঘনিষ্ঠ অথচ নিৰ্বিকাৰভাৱে অকৃত্ৰিম মানুহৰ কথা কয়— যি মানুহ বিশেষ অঞ্চল আৰু বিশেষ সময়ৰ হ'লেও চিৰদিনীয়া। কিন্তু প্ৰকৃততে তেওঁৰ উপন্যাস তেওঁৰ কাব্যৰেই বিস্তৃত অভিক্ষেপ মাথোন। তেওঁৰ কবিতাত দেখা পোৱা মায়াময় ইতিহাস চেতনা তেওঁৰ উপন্যাসত কায়াময় হৈ ধৰা দিছে।

কবিৰূপেহে নৱকান্ত বৰুৱা সকলোৰে আদৰৰ।

তেওঁ জনতাৰ কবি। তেওঁৰ কবি প্ৰতিভাৰ উন্মেষ হৈছিল 'পছোৱা' আৰু 'জয়ন্তী'ৰ পাতত। তেওঁৰ প্ৰকাশিত কবিতা সংকলনকেইখনৰ ভিতৰত হ'ল— হে অৰণ্য, হে

মহানগৰ (১৯৫১), এটি দুটি এঘাৰটি তৰা (১৯৫৭), যতি আৰু কেইটামান স্কেচ্ছ (১৯৬১), সম্রাট (১৯৬২), ৰাৱণ (১৯৬৩), মোৰ আৰু পৃথিৱীৰ (১৯৭৩), ৰত্নাকৰ (১৯৮০), এখন স্বচ্ছ মুখাৰে (১৯৯০), সূৰ্যমুখীৰ অংগীকাৰ (১৯৯০) আদি।

শিশু সাহিত্যৰ ক্ষেত্ৰতো নৱকান্ত বৰুৱাৰ স্থান শীৰ্ষত । তেওঁৰ প্ৰকাশিত শিশু সাহিত্যসমূহ হ'ল— মৰুৱা ফুল, শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা, ভত উকাৰে ভু, মই টুনীযে টুন টুনালো, গোলাপ আৰু বেলিফুল, মনত পৰাৰ শব্দ, মাখনৰ কুকুৰাৰ পোৱালি, কিশোৰ ৰামায়ণ আদি। 'মনৰ খবৰ' এখন গীতৰ সংকলন। তেওঁ কেইবাখনো উপাদেয় স্কুলীয়া পাঠ্যপুথি সংকলন আৰু সম্পাদনা কৰিও কৃতিত্ব ভাগি হৈছে। সাহিত্যালংকাৰৰ ওপৰত ৰচা আলোচনামূলক গ্ৰন্থ দুখন হ'ল— 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা' আৰু আনখন হ'ল 'কবিতাৰ দেহবিচাৰ'। পুস্কিনৰ কবিতাৰ এগৰাকী সাৰ্থক অনুবাদকৰূপে ১৯৮০ চনত তেওঁক 'ছোভিয়েট দেশ নেহৰু বঁটা'ৰে সম্মানিত কৰা হৈছে। তেওঁ আনকেইখনমান অনুদিত গ্ৰন্থ হ'ল— হুইটমেনৰ এশ কবিতা, ৰবীন্দ্ৰনাথ চয়নিকা, ভাস্ক পপা আৰু অন্যান্য যুগোশ্লাভিয়া কবিৰ কবিতা আৰু সুমিত্ৰানন্দ পন্তৰ কবিতা।

সংবাদ জগতৰ লগতো তেওঁ জড়িত। অসম বাতৰিৰ 'ওমলাঘৰলৈ' সপোন ককা ছদ্ম নামেৰে অৰিহণা আগবঢোৱাৰ উপৰিও তেওঁ 'জোনবাই' আৰু 'পোহৰ' নামে দুখন শিশু আলোচনী সম্পাদনা কৰিছে। তেওঁ 'সীৰলু' নামৰ এখন উচ্চমানবিশিষ্ট আলোচনীও সম্পাদনা কৰিছে। ১৯৩৫ চনত তেওঁৰ প্ৰথম কবিতাটি প্ৰকাশ পাইছিল বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদিত 'অৰুণ ' নামৰ শিশু আলোচনীৰ পাতত । ১৯৩৮ চনত 'সুৰভি'তো তেওঁৰ কবিতা প্ৰকাশিত হৈছিল। তাৰ পিছত যতি নাৰায়ণ শৰ্মা সম্পাদিত 'আধুনিক অসমীয়া কবিতা'ত 'সাহস' আৰু কমল নাৰায়ণ দেৱ সম্পাদিত 'জয়ন্তী'ত প্ৰকাশিত হয় 'আমাৰ পৃথিবী' কবিতা।

তেওঁ নগাঁৱৰ ৰত্নকান্ত বৰকাকতী, মল্লিন বৰা, দেৱকান্ত বৰুৱা আদিৰ সান্নিধ্যলৈ আহিছিল। পঢাশালীৰ ছাত্ৰাৱস্থাৰে পৰা তেওঁ লেখা মেলাত মন দিয়ে। ফলিতে ইজনৰ এগৰাকী সিজনৰ এগৰাকী লগ লগাই কবিতা লিখিবলৈ চেষ্টা কৰিছিল। যেন লেখা লেখা খেলিছিল। তেতিয়াই তেওঁ কবিতা পঢ়িও এক বিশেষ আনন্দ লাভ কৰিছিল আৰু তেনে কবিতা সৃষ্টি কৰিবলৈ মন উদ্বাউল হৈছিল। তেওঁ চল্লিশৰ দশকৰ পৰাহে কবিতা ৰচিবলৈ ধৰিছিল। সেই কালত সত্যেন দত্ত, সুকুমাৰ ৰায়, লুইছ কেৰল আদিৰ কবিতাই তেওঁক অনুপ্ৰাণিত কৰিছিল।

বৰুবাৰ জন্ম ১৯২৬ চনত গুৱাহাটীত। ১৯৪১ চনত তেওঁ নগাঁও চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৩ চনত তেওঁ শান্তি নিকেতনৰপৰা আই-এ, ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ইংৰাজীত অনাৰ্ছসহ বি এ আৰু ১৯৫৩ চনত আলিগড মুছলীম বিশ্ববিদ্যালয়ৰপৰা ইংৰাজীত এম এ উত্তীৰ্ণ হয়।

তেওঁ চাকৰি জীৱনত শিকোহাবাদ এ কে কলেজ, যোৰহাট জগন্নাথ বৰুৱা কলেজ আৰু ১৯৫৪ চনৰ পৰা কটন কলেজত অধ্যাপনা কৰি শেষৰ সাত বছৰ উক্ত কলেজৰ উপাধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰে।

১৯৭৬ চনত তেওঁক পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হৈছে। তেওঁ 'অসম উপত্যকা সাহিত্য বঁটা' আৰু সম্বলপুৰ বিশ্ববিদ্যালয়ৰ 'গংগাধৰ বঁটা'ও লাভ কৰিছে। ১৯৯০ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত অসম সাহিত্য সভাৰ ষটপঞ্চাশতম অধিৱেশনৰ তেওঁ সন্মানীয় সভাপতি আছিল। সেইদিনা কমলাকান্ত ক্ষেত্ৰৰপৰা জাতিৰ উদ্দেশ্য দিয়া বাণীত তেওঁ কৈছিল, 'এটাই মাথোন জীৱন, এটাই মাথোন বাট। যি বাটেৰে আইতা এদিন আহিছিল, যি বাটৰ দাঁতিৰ গছৰ ছাঁত ককাদেউতা জিৰাইছিল, যি বাটেৰে দেউতা আই আহি গুচি গ'ল আৰু যাম মই আৰু মোৰ ভবিষ্যত মোৰ সন্তান আমাৰ উত্তৰ পুৰুষ! মই মাথোন এটাই আশা কৰিম ঃ মোৰ তৰুণ কবি বন্ধুৰ ভাষাৰে সেই বাটৰ দাঁতিত যেন যুদ্ধৰ শিবিৰ পতা নহয়। জাতি ভাষা ধৰ্মৰ বিষাক্ত কাঁইটেৰে কোনেও যেন সেই পথ বন্ধ নকৰে।

'খেলক শিশুৰ দলে মানুহৰ চোতালে চোতালে
সমাজৰ কৰণি ভৰক নিঘূণী সুঠাম ফুলে-ফলে।'

১৯৯০ চনত তেওঁ মধ্যপ্ৰদেশ চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত 'কবীৰ' সন্মানেৰে সন্মানিত হয়।

তেওঁ কবিতা কিয় লিখে তাৰ উত্তৰত কয়, মই কবিতা নেলেখাকৈ থকা হ'লে যেন মোৰ ওপৰত থকা সেই দায়িত্বটো অপূৰণ হৈ থাকিলহেঁতেন। জীৱনৰ সেই তাড়নাটোৱেই মোক মানুহৰ কথাৰ মাজত ছন্দ বিচৰাই ফুৰিছে। চকুৰে দেখা, কাণেৰে শুনা, নাকেৰে গোন্ধ পোৱা, ত্বকেৰে স্পৰ্শ কৰা, সকলো বস্তুৰে বাণীময়ৰূপ দেখা পাবৰ বাবে মোৰ মন উৎকণ্ঠিত হৈ থাকে।' তেওঁ কয়– 'পৰিবেশে মন সৃষ্টি কৰে। মনৰ সাংস্কৃতিক ভাৱৰাশিযে প্ৰকাশৰ মাধ্যম বিচাৰে। শব্দও ইয়াৰ এটা মাধ্যম। মই এই মাধ্যম বাছি ল'লো। কবিতা হ'ল শব্দৰ ঘনীভূত ৰূপ। গতিকে মই কবিতা লেখিবলৈ ল'লো।' ❒

ডঃ নির্মল প্ৰভা বৰদলৈ

১৯৮৩ চনৰ সাহিত্য অকাডেমি বঁটা পোৱা কবিতা গ্ৰন্থ "সুদীৰ্ঘ দিন আৰু ঋতু" (১৯৮২) আৰু সেই গ্ৰন্থৰ ৰচয়িত্ৰী গৰাকী হ'ল ডঃ নিৰ্মল প্ৰভা বৰদলৈ। এই গ্ৰন্থই অসমীয়া কাব্য সাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। গ্ৰন্থখনত এশ চাৰিটা কবিতা সন্নিবিষ্ট হৈছে। কবিতাবোৰ বাট চ'ৰাৰ কবিতা, সুদীৰ্ঘ দিনৰ কবিতা, ঋতু আৰু সুদীৰ্ঘ দিনৰ গানত বিভক্ত । মোৰ মনৰ এষাৰত কবি ডঃ বৰদলৈযে গ্ৰন্থ সম্পৰ্কে পৰিচয় দি লিখিছে,— "সুদীৰ্ঘ দিনত প্ৰতিবিম্বিত হৈছে জীৱন। এই জীৱন একে সময়তে ব্যক্তিগত, একে সময়তে সামাজিক, সামূহিক। দৃশ্য- অদৃশ্য, গভীৰ সুগভীৰ তাৰ অভিজ্ঞতা — বিভিন্ন তৰপত, নিজস্ব পটভূমিত।'

বাট চ'ৰাৰ কবিতাকেইটা মূল কবিতাগুচ্ছৰ তোৰণ স্বৰূপ। ঋতুৰ কবিতাকেইটা দগ্ধ প্ৰহৰত জীৱন বিচাৰোতে হেৰাই পোৱা এটোপাল যেন নিয়ৰ। সুগীৰ্ঘ দিনৰ গান সুদীৰ্ঘ দিনৰ কবিতাসমূহৰ 'বিস্তাৰ' (সুৰৰ ভাষাত) বুলিযেই সহৃদয় পাঠকে ধৰি ল'ব।" কবিতাবোৰৰ এঘাৰটা কবিতাৰ বাহিৰে, বাকীবোৰ ১৯৮২ চনৰ অসমৰ অস্বাভাৱিক প্ৰহৰক অৱলম্বন কৰি ৰচিত। তেওঁলৈ এই বঁটা প্ৰদান কৰাৰ পিছত তেওঁক মনৰ প্ৰতিক্ৰিয়াৰ কথা সোধাত তেওঁ কৈছিল— 'মোৰ সাহিত্য দায়বদ্ধ সাহিত্য। মোৰ

দায়বদ্ধতা আৰু বাঢ়িল। মোৰ বিবেকক একোৱে বন্দী কৰিব নোৱাৰে।” শক্তিশালী সমালোচক, কবি ভবেন বৰুৱাই ডঃ বৰদলৈৰ সাৰ্থক কবিতাখিনিক মৰ্মস্পৰ্শী মিতবাক, সংযম প্ৰসুত সূক্ষ্ম ব্যঞ্জনাময়, যথাৰ্থ কাব্যিক ভাৱনাশ্ৰয়ী বুলি পৰিচয় দি শ্ৰীযুক্তা বৰদলৈক এই যুগৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া মহিলা কবি বুলি আখ্যা দিছে।

ডঃ বৰদলৈৰ জন্ম হয় শিৱসাগৰত, ১৯৩৩ চনৰ ২০ জুনত। পিতৃ উদ্যোগপতি ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মাতৃ মুক্তাবালা বৰদলৈ । ডঃ বৰদলৈ এঘাৰ বছৰ বয়সতেই বিবাহ সম্পন্ন হৈ চৈধ্য বছৰ বয়সতেই বিবাহ বিচ্ছেদ হয। তেৰ বছৰ বযসতে জন্ম হোৱা তেওঁৰ একেটি সুযোগ্য কন্যা-নাম তেওঁৰ ডঃ স্বপ্না দেৱী (ভট্টাচাৰ্য্য)।

নিৰ্মল প্ৰভা বৰদলৈৰ সৰুকালৰ শিক্ষা শিৱসাগৰ ২নং প্ৰাইমাৰী স্কুলত আৰম্ভ হয়। তাৰপৰাই তেওঁ অসমৰ ভিতৰত প্ৰথম হৈ বৃত্তি লাভ কৰি ফুলেশ্বৰী ছোৱালী হাইস্কুলত ভৰ্ত্তি। ১৯৪৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ, শিৱসাগৰ কলেজৰপৰা আই-এ আৰু গুৱাহাটী সন্দিকৈ কলেজৰপৰা ১৯৫২ চনত বি- এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ বি-এ পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি শীৰ্ষ স্থান পায়। ১৯৫৪-৫৫ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা কৃতিত্বৰে অসমীযা বিষযত এম-এ পাছ কৰে । ১৯৭২ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা “দি ট্ৰিটমেণ্ট অব নেচাৰ ইন পযেট্ৰি” বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। তেওঁ স্কুলীয়া আৰু কলেজীয়া জীৱনত পৰীক্ষাত সদায় প্ৰথম স্থান লাভ কৰিছিল। সাহিত্যত গৱেষণা কৰি প্ৰথম উপাধি লোৱা তেঁৱেই প্ৰথম অসমীযা মহিলা।

ডঃ বৰদলৈয়ে ১৯৫৮ চনপৰা বি-বৰুৱা কলেজত অধ্যাপনা কৰাৰ পিছত ১৯৭৫ চনৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ত নিযুক্তি লাভ কৰি অসমীযা বিভাগত ক্ৰমান্বযে ৰীডাৰ, চিনিযৰ ৰীডাৰ, আৰু উক্ত বিভাগৰ মুৰব্বী অধ্যাপিকা নিযুক্ত হয়। কিছুদিন ধৰি তেওঁ গুৱাহাটী আকাশবাণীৰ অকণিৰ মেল আৰু মহিলা চ'ৰাৰ পৰিচালিকাও আছিল। ১৯৫৬ চনত তেওঁ 'নতুন অসমীয়া' আৰু 'ৰামধেনু' আলোচনীত সাংবাদিকতাও কৰিছিল।

বহুমুখী প্ৰতিভাসম্পন্না ডঃ বৰদলৈযে অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ অৰিহণা আগবঢাইছে। এতিয়ালৈকে তেওঁৰ ইংৰাজী আৰু অসমীয়া ভাষাত ৫৪ খনৰো অধিক গ্ৰন্থ প্ৰকাশিত হৈছে। সেই গ্ৰন্থসমূহৰ ভিতৰত — কবিতা ঃ মন ফৰিঙৰ ৰং (১৯৬৭), দিনৰ পিছত দিন (১৯৭৭), সমীপেষু (১৯৭৭), অন্তৰংগ (১৯৭৮) আদি। শিশু সাহিত্যঃ চিল চিল চিলা, অসমীয়া ওমলা গীত, কথা সৰিৎ সাগৰ, শালিকী ৰটো টৌ, সুৰদী মাত, সুৰীয়া মাত আদি। গৱেষণা আৰু সাহিত্য আলোচনীমূলক ঃ অসমৰ লোক সংস্কৃতি, কবিতাৰ কথা, অসমব লোক কবিতা, সাহিত্য আৰু সংস্কৃতি, শিৱ, দেৱী আদি। তেওঁৰ

অন্যান্য গ্ৰন্থসমূহৰ ভিতৰত কেইখনমান হ'ল : The Down, মেঘদূত, উৰ্বশী, তৃতীয় অংক, অগ্নিগৰ্ভা, বেউলা, ফুলকোঁৱৰ, ৰজা, মহাকাল, মেঘমল্লাৰ, কঙ্কু, বিহুৰ বিৰিণাপাত, সোণ বৰণী আই, সুৰুযমুখী আদি। তেওঁৰ অনূদিত গ্ৰন্থৰ ভিতৰত হৈছে : মীৰাবাঈ, তুলসী দাস, বিন্দু আৰু সিন্ধু, নামঘোষা (বঙলা ভাষালৈ), উৰিষ্যাৰ লোক-সংস্কৃতি আদি। তেওঁৰ 'আচামীজ চৰ্ট ষ্টৰী'য়ে আন্তৰ্জাতিক পঢ়ুৱৈৰ সমাদৰ লাভ কৰিছে। তেওঁৰ গৱেষণা পত্ৰ দুকুৰিৰো অধিক। তেওঁ ডেৰ হাজাৰৰ অধিক গীত ৰচনা কৰি এক বিশেষ খ্যাতি লাভ কৰিছে। তেওঁৰ এই গীতসমূহ অনাতাঁৰ কেন্দ্ৰ, চলচ্চিত্ৰ আৰু গ্ৰামোফোনত বাণীবদ্ধ হৈছে।

তেওঁ ইতিমধ্যে বিভিন্ন বঁটা সন্মানেৰে সন্মানিত হৈছে। ১৯৫৭-৫৮ চনত তেওঁ 'চিল চিল চিলা' শিশু সাহিত্যৰ বাবে ৰাষ্ট্ৰপতি বঁটা লাভ কৰিছে। ১৯৭৭ চনত তেওঁ 'দিনৰ পিছত দিন' কাব্য গ্ৰন্থৰ বাবে আৰু ১৯৮৯ চনত গৱেষণা গ্ৰন্থ "দেৱী"ৰ বাবে অসম সাহিত্য সভা বঁটা লাভ কৰিছে। ১৯৮৭ চনত তেওঁক সৰস্বতী উপাধিৰে বিভূষিত কৰা হয়। ১৯৭৬ চনত তেওঁ অসম সাহিত্য সভাৰ টিহু অধিবেশনৰ কবি সন্মিলনৰ সভানেত্ৰী আছিল।

ডঃ বৰদলৈয়ে আন্তৰ্জাতিক অধিবেশন উপলক্ষে আমন্ত্ৰিত হৈ চাৰিবাৰ বিদেশ ভ্ৰমণ কৰিছে আৰু সেই ভ্ৰমণকালত সেইবোৰ দেশৰ আন্তৰ্জাতিক অধিৱেশনবোৰত ভাষণ দি নিজৰ পাণ্ডিত্বৰ পৰিচয় দিছে। ১৯৭৯ চনত তেওঁ আমেৰিকাৰ মাচাচুচেটত কলা, সংগীত আৰু সাহিত্য বিষয়ত, ১৯৮২ চনত পশ্চিম জাৰ্মেনীৰ চাৰব্ৰুকেন বিশ্ববিদ্যালযৰ গৱেষণা কেন্দ্ৰত প্ৰাচ্য আৰু সুদূৰ প্ৰাচ্যৰ সম্বন্ধ, ১৯৮২ চনত ইউৰোপৰ ক্ৰেম্বিজ বিশ্ববিদ্যালয়ত সাহিত্য বিষয়ত বক্তৃতা দিয়াৰ উপৰিও, ১৯৮৩ চনত জাপানত অনুষ্ঠিত আন্তৰ্জাতিক অধিৱেশনৰ সাহিত্য শাখাৰ ডঃ বৰদলৈ এগৰাকী সভানেত্ৰী আছিল। তেওঁৰ কবিতা পৃথিৱীৰ প্ৰাযবোৰ ভাষালৈ অনূদিত হৈছে আৰু তেওঁৰ কবিতাই আন্তৰ্জাতিক সন্মান লাভ কৰিছে।

তেওঁ সৰ্বভাৰতীয় ভিত্তিক ভালেমান সাহিত্য সন্মিলন, সংস্কৃতি সন্মিলনী আৰু কবি সন্মিলনীৰ সভানেত্ৰীৰ আসন অলংকৃত কৰিছে। তেওঁ এগৰাকী সুবক্তা আৰু সুগায়িকাও। সমালোচক ভবেন বৰুৱাৰ ভাষাৰে— "এতিয়ালৈকে ওলোৱা মহিলা সাহিত্যিকসকলৰ ভিতৰত বোধকৰো শ্ৰীযুতা বৰদলৈযেই সাহিত্যৰ একাধিক ধাৰাক আৰু সংস্কৃতিৰ সৃষ্টিধৰ্মী, চিন্তাধৰ্মী আৰু আনুষ্ঠানিক শিক্ষাধৰ্মী এই একাধিক দিশক সামৰি লোৱা এটা বহল বিধৰ উল্লেখযোগ্য সাংস্কৃতিক ভূমিকা গ্ৰহণ কৰিছে।"

১৯৯১ চনত দুধনৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্ত পঞ্চাশতম অধিৱেশনৰ তেওঁ সভানেত্ৰী আছিল। সেইদিনা সভানেত্ৰীৰ আসনৰ পৰা তেওঁ কৈছিল,— "সাহিত্যৰ জাত নাই, ধৰ্ম নাই। সেইদৰে সাহিত্যিকৰো জাত নাই, ধৰ্ম নাই। সাহিত্যিকৰ ধৰ্ম সদায় মানৱ ধৰ্ম। লিখিলেই গীত, লিখিলেই গল্প নহয়। জীৱনৰ অভিজ্ঞতাৰ নিটোল নিৰ্য্যাস হ'লেহে সাহিত্য।"

"অসম সাহিত্য সভা অসমক আই বুলি প্ৰকৃততে গ্ৰহণ কৰা আটাইৰে অনুষ্ঠান। এই সূত্ৰত আমি এখন ঘৰৰ, এটা পৰিয়ালৰ?" "প্ৰতিখন শাখা যদি সক্ৰিয় হয়, এবছৰতে অসম সাহিত্য সভাৰ কাম উভৈনদী হ'ব।"

"অসম সাহিত্য সভাই নিজা সংস্কৃতিৰ পতনৰ প্ৰতিও নিশ্চয় লক্ষ্য ৰাখিব লাগিব।"

"ভাষাৰ ক্ষেত্ৰত হঠাৎ হোৱা উন্নাসিকতাই প্ৰগতিৰ অন্তৰায় হৈ উঠিবও পাৰে। আনহাতে আঞ্চলিক জাতীয়তাবাদ আগ্ৰাসিক মনোভাবাপন্ন হলেও ক্ষতিকাৰক হ'ব।" ❑

লক্ষ্যধৰ চৌধুৰী

সুঅভিনেতা, নাট্যকাৰ, চলচ্চিত্ৰ পৰিচালক, ৰাজনীতিবিদ, কবি, জীৱনীকাৰ, সাংবাদিক আৰু বাগ্মী পুৰুষৰূপে বৰ্তমান অসমত জনপ্ৰিয়তাৰ শীৰ্ষত থকা বিশিষ্ট লোককান্ত শিল্পী গৰাকীয়েই হৈছে লক্ষ্যধৰ চৌধুৰী। তেওঁৰ দৰে এনে বহুমুখী প্ৰতিভাৰ লোক বৰ্তমান আমাৰ সমাজত বিৰল। বৰ্তমান অসমৰ যিকোনো সভা সমাবেশত চৌধুৰীয়েই নিঃসন্দেহে এগৰাকী জনপ্ৰিয় বক্তাৰ আসন পুৰাইছে বুলি কব পৰি। তেওঁৰ বক্তৃতা শুনিবলৈ গাঁও-ভুঁইৰ মানুহ হিলদ'ল ভাঙি আহে। তেওঁ কোৱা মতে, হেজাৰ-বিজাৰ এনে সভা সমাবেশত যোগদান কৰি তেওঁ বক্তৃতা দি আহিছে। তেওঁৰ জনপ্ৰিয়তা সম্পৰ্কে নিজেই ৰগৰ কৰি কৈছে— "মোৰ সৰু ল'ৰাটোৱে কি কয় জানে? মোক বোলে সকলোৱে নিষ্কৰ্মা বুলি জানে। আন একো কাম নাই বুলি সকলোৱে সভা-সমিতিলৈ মাতে।"

চৌধুৰীৰ ভাষণ একপ্ৰকাৰ কলাখাৰ। বৰ্তমান আমাৰ সমাজত বিনষ্ট হোৱা একতা, সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি ক্ৰমে বাঢি যোৱা ৰাজনৈতিক ক্ষমতালোভ আদিৰ সম্পৰ্কত তেওঁ চোকা সমালোচনা কৰি আহিছে। সমাজত সংকীৰ্ণতা দূৰীকৰণৰ বাবে তেওঁ কৈছে,— "জীৱনত মোৰ এটাই আকাংক্ষা আছে। বান্দৰকেইটিৰে ব্ৰহ্মপুত্ৰৰ

মাজত থকা উমানন্দখন কেতিয়াবা যদি ৰাজ্য হয়, তাৰ যেন ৰাজ্যপাল পদটো মোৰ বাবে সংৰক্ষিত হয়"। নিজৰ থলুৱা গীত-মাত চৰ্চা কৰিবলৈ উৎসাহ যোগাই উঠি অহা চামলৈ তেওঁ আহ্বান জনাই কৈছে-"নিজৰ মাটিত খেতি কৰাজন খেতিয়ক । লোকৰ মাটিত খেতি কৰাজন আধিয়াৰ । মাটি থকা খেতিয়ক আৰু আধিখোৱা সন্মান একে নহয়। তেনেদৰে ক'ব পাৰি, নিজৰ সংস্কৃতি সাধনা কৰাসকল খেতিয়ক শিল্পী আৰু আনৰ সংস্কৃতি সাধনা কৰাসকল আধিয়াৰ শিল্পী।"

চৌধুৰীয়ে কৈছে—"ৰাজনীতি, নাট্যাভিনয়, চিনেমা আৰু সাহিত্য চৰ্চা এই চাৰিটা কৰ্মক্ষেত্ৰত মই আছোঁ। 'সূত্ৰধাৰ' এ কোবাৰ দৰে 'বিচৰণ ' কৰাই নহয়। এই সকলোতে মই আঠা লগা দি লাগি আছো।"

সৰুতেই তেওঁ নাটক অভিনয়ৰ ফালে আকৰ্ষিত হৈছিল । ১৯৩২ চনত 'একলব্য' নাটক ৰচনা কৰি তাত অভিনয় কৰিছিল। উত্তৰ গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলা মন্দিৰত নিজৰে ৰচিত নাটক 'ৰক্তকুমাৰ'ত বাস্বণ আৰু কুমাৰ ভাস্কৰ নাট্য মন্দিৰত ডাঃ আনন্দেশ্বৰ বৰঠাকুৰৰ দ্বাৰা ৰচিত নাটক 'মাটিৰ মৰম'ত ডাক্তৰৰ ভূমিকাত তেওঁ যি অভিনয কৰিছিল, সেই স্মৰণীয অভিনয়ৰ কথা আজিও কলামোদীয়ে পাহৰিব পৰা নাই। তেওঁ অভিনয জীৱনত কামৰূপ নাট্য সমিতিৰ জৰিয়তে নাট অভিনযৰ বাবে যথেষ্ট সুবিধা পাইছে। এই অনুষ্ঠানৰ তেওঁ সম্পাদক আৰু পিছত সভাপতিও হৈছে। এই অনুষ্ঠানটো তেওঁৰ বাবে বৰ আপোন।

১৯৩২ চনৰ পৰা ১৯৬০ চনলৈকে 'ঠিকনা'ৰ পৰা 'গাওঁবুঢ়া'লৈ বহুতো নাটকত তেওঁ অভিনয় কৰাৰ কথা আমাৰ আগত উল্লেখ কৰিলে। তেওঁ কয় যে, নাটকত তেওঁ যিকোনো চৰিত্ৰত অভিনয় কৰিব পাৰে। নাটকৰ সকলো চৰিত্ৰৰ প্ৰতি তেওঁৰ সমান আকৰ্ষণ । চলচ্চিত্ৰতো তেওঁৰ অভিনয় দক্ষতা উল্লেখযোগ্য । 'নিমিলা অংক'ৰ বাহিৰেও বদন বৰফুকন, লাচিত বৰফুকন আদি ছবিত অভিনয কৰি সুঅভিনেতাৰূপে প্ৰতিষ্ঠিত হৈছে।

তেওঁ এতিয়াও অভিনয় জীৱনৰপৰা অৱসৰ লব বিচৰা নাই। মঞ্চ, ৰেডিঅ', দূৰদৰ্শন আৰু চলচ্চিত্ৰতো অভিনয় কৰি আছে। অলপতে জাহ্নু বৰুৱাৰ ছবি এখনত অভিনয় কৰি অহাৰ কথাও আমাৰ আগত উল্লেখ কৰিলে।

তেওঁ ভাওনা, যাত্ৰা, মুকলি মঞ্চ আদিত অভিনয় কৰি বেছি আনন্দ পোৱাৰ কথা উল্লেখ কৰিলে। কাৰণ এনেবোৰ অভিনয়ত হেনো তেওঁলোকে মুখামুখি হৈ থাকি অভিনয় কৰাৰ সুবিধা পায়।

চৌধুৰীয়ে অসমীয়া সাহিত্যলৈও বিশিষ্ট বৰঙণি আগবঢ়াইছে। প্ৰথমতে তেওঁ কবিতা ৰচিছিল। পিছত সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাৰ উপদেশ মতে নাটক ৰচিবলৈ

ধৰে। তেওঁ ৰচনা কৰা নাটকৰ ভিতৰত সামাজিক নাটক 'নিমিলা অংক ' আৰু 'ৰক্ষকুমাৰ' বিশেষভাৱে সমাদৃত হৈছে। ৰক্ষকুমাৰ কৃত্তিবাসী ৰামায়ণৰ আধাৰত ৰচিত।

তেওঁ 'মানুহ বিচাৰি' (১৯৮৭) শীৰ্ষক এখন জীৱনী গ্ৰন্থও প্ৰকাশ কৰি ইতিমধ্যে পাঠক সমাজৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। এই গ্ৰন্থৰ বাবে ভাৰতীয় ভাষা পৰিষদে তেওঁক পুৰস্কৃত কৰিছে। গ্ৰন্থখনত,তেওঁ তেওঁৰ বহুদিনীয়া চিনাকি কিছুমান চৰিত্ৰক সৰস আৰু আকৰ্ষণীয় প্ৰকাশ ভংগীৰে উপস্থাপন কৰিছে। তেওঁৰ আন এখন এনে উল্লেখযোগ্য গ্ৰন্থ হ'ল– 'মইনামতী'। 'ভিন্নজন ভিন্নমন' শীৰ্ষক আন এখন গ্ৰন্থ প্ৰকাশ পাইছে।

ৰাজনৈতিক ক্ষেত্ৰতো তেওঁৰ বৰঙণি স্মৰণীয । ১৯৪২ ৰ আন্দোলনত তেওঁ সক্ৰিয ভূমিকা লৈছিল। ছচিয়েলিষ্ট দলত যোগদান কৰি, তেওঁ তিনিবছৰ কাল আত্মগোপন কৰিছিল। এই সময়ছোৱাত তেওঁ জযপ্ৰকাশ নাৰাযণ, ৰামমনোহৰ লোহিবা, অচ্যুত পট্টবৰ্দ্ধন, অৰুণা আশ্ৰফ আলি, আচাৰ্য নৰেন্দ্ৰদেৱৰ নিচিনা দেশনেতাৰ সান্নিধ্যলৈও আহিছিল। দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছত ছচিযেলিষ্টসকল থাকিব নোৱাৰিব বুলি সিদ্ধান্ত হোৱাত সেই লোকসকল ফালৰি কাটি যায। তেতিযা চৌধুৰীকে ধৰি এচামে অসমত ছচিযেলিষ্ট দল গঠন কৰিলে। তেওঁ দলৰ মুখপত্ৰ সাপ্তাহিক 'জনতা'ৰ (১৯৪৭-১৯৫২) সম্পাদনাৰ দায়িত্ব বহন কৰিছিল। চৌধুৰীয়ে ১৯৫২ চনত গুৱাহাটী সমষ্টিৰ পৰা লোকসভা আৰু ১৯৫৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচন খেলি পৰাজয় বৰণ কৰে। ১৯৬৪ চনত তেওঁ গুৱাহাটী পৌৰ সভাৰ সভাপতি নিৰ্বাচিত হয়। উল্লেখযোগ্য যে চৌধুৰীযে আছিল গুৱাহাটী পৌৰ সভাৰ প্ৰথমগৰাকী অকংগ্ৰেছী সভাপতি। ১৯৬৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা তেওঁ বিধায়ক নিৰ্বাচিত হয়। ১৯৭৫ চনত তেওঁ গুৱাহাটী পৌৰ নিগমৰ মেযৰ নিৰ্বাচিত হৈছিল। ১৯৭৮ চনত জনতা দলৰ প্ৰাৰ্থীৰূপে জালুকবাৰী সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। এই মন্ত্ৰীসভাত তেওঁ শিক্ষামন্ত্ৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰি এই দায়িত্বত ১৯৭৯ চনলৈ থাকে।

১৯৯২ চনত গোৰেশ্বৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্ট পঞ্চাশতম অধিবেশনৰ তেওঁ সভাপতি আছিল। অধিবেশনলৈ শোভাযাত্ৰা কৰি তেওঁক আদৰি নিওঁতে, তেওঁ হাতী, ঘোঁৰা বা ৰথ একোতে নুঠাৰ তেওঁৰ সিদ্ধান্তৰ কথা আদৰণি সমিতিক জনাই দিছিল। ৰাইজৰ লগত তেওঁ খোজ কাঢ়িযেই শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিছিল। সেইদিনা সভাপতিৰ আসনৰপৰা ৰাইজৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল "সমূহ দিশত এক সম্পূৰ্ণ বিপ্লৱ লাগে। ধ্বংসৰ কাৰণে এই বিপ্লৱ নহয়— ই সৃষ্টিৰ কাৰণে কৰা বিপ্লৱ। এই বিপ্লৱ হ'ব লাগিব সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত। সাহিত্যৰ সংজ্ঞা

বহুজনে বহুধৰণে দি গৈছে। সাহিত্য সভাৰ এগৰাকী সভাপতি আমাৰ নিজৰ শিক্ষাগুৰু ডঃ সূৰ্যকুমাৰ ভূঞাদেৱে কৈছিল — সাহেই স্যাহিত্য। আমি তাকে ধুই পখালি ক'ব বিচাৰো— সঁচা কথা সাহসেৰে সোবাদ লগাকৈ ক'ব পৰাটোৱেই সাহিত্য।"

"আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু আমাৰ শত্ৰু হৈছে দুষ্কৃতি। জনতাৰ অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈয়ে আছে — তাৰেই আমি জনতাক জ্ঞান দিব লাগিব। আমি জনগণৰ মনৰ সেই শিল্পীটোৰেই মূৰ্ত্ত প্ৰতীক হৈ জনগণক ক'ব লাগিব—

জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত
শিল্পী যে মই
লুকাই লুকাই আছোঁ।"

চৌধুৰীৰ জন্ম ১৯১৫ চনত, বুৰঞ্জী প্ৰসিদ্ধ উত্তৰ গুৱাহাটী শিলা সেন্দুৰী ঘোপা মৌজাৰ ৰংমহলত। তেওঁৰ পিতৃ ভূধৰ চৌধুৰী গুৱাহাটী কৰ্টৰ চিৰস্তাদাৰ আছিল। ভূধৰ চৌধুৰীৰ পুত্ৰ সন্তান ছজন। লক্ষ্যধৰ চৌধুৰী পিতৃৰ পঞ্চম সন্তান। তেওঁৰ মাতৃ হৈছে স্বৰ্গীয়া উমা কান্তি চৌধুৰী।

ৰংমহল প্ৰাথমিক বিদ্যালয়ৰ পৰা তেওঁ শিক্ষা লাভ কৰিছিল। পিছত গুৱাহাটীৰ লতাশিলৰ খুড়াযেকতৰ ঘৰত থাকি, কটন কলেজিয়েটৰপৰা ১৯৩৩ চনত মেট্ৰিক পৰীক্ষাত পাছ কৰে। ১৯৩৭ চনত তেওঁ কটন কলেজৰ পৰা বি-এছ- চি পাছ কৰে। কংগ্ৰেছৰ চাৰি অনীয়া সদস্য আছিল বাবে তেওঁ কোনো চৰকাৰী চাকৰি নাপালে। শেষত তেওঁ উত্তৰ গুৱাহাটী আউনীআটী কমলদেৱ হাইস্কুলতে শিক্ষকতা কৰিবলৈ লৈছিল। (১৯৩৯-১৯৪২)।

চৌধুৰীৰ দৈনন্দিন ৰুটিন তলত উল্লেখ কৰা হ'ল। তেওঁ প্ৰতিদিনে সাত ঘন্টাকৈ লিখা-পঢ়া কৰে। দিনৰ কাম পুৱা চাৰি বজাৰ পৰা আৰম্ভ কৰে। পুৱা উঠি নিজে বাকি একাপ ৰঙা চাহ খায়। চাহ খাই উঠি লিখা পঢ়াত ব্যস্ত হয় প্ৰায় চাৰে সাত বজালৈ। তাৰ পিছত গা-পা ধুই ঘৰুৱা বজাৰ কৰিবলৈ ওলাই যায়। বজাৰৰপৰা উভতি আহি পুনৰ একাপ চাহ খোৱাৰ আগেয়ে দুই তিনিজন কাকতৰ সম্পাদকৰ লগত বাতৰিৰ বিষয়ে কথা পতাৰ উল্লেখ কৰিলে। দুপৰীয়া নাতি-নাতিনীহঁতক সাধু শুনায়। আবেলি তিনিৰপৰা পাঁচ বজালৈ লিখা-পঢ়া কৰে বা সভা সমিতিত যোগদান কৰিবলৈ ওলায়। গধূলি বন্ধু-বান্ধৱৰ লগত কথা, পৰিয়ালৰ সেৱা আধা ঘন্টা, লিখা-পঢ়া, ন বজাত দিনটোৰ ডায়েৰী লিখি দহ বজাত বিছনালৈ যায়। ☐

ডঃ ভূপেন হাজৰিকা

১৯৩০ চনৰ ৩০ অক্টোবৰ। সেইদিনা গুৱাহাটী কটন কলেজিয়েট হাইস্কুলত ছাত্ৰ সমাজৰ দ্বাৰা এখন সভাৰ আয়োজন কৰা হৈছিল। সেই সভাত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সভাপতিৰূপে উপস্থিত আছিল। সেই সভাতে এটি পাঁচ বছৰীয়া শিশুৱে মুগাৰ ধুতি-পাঞ্জাবী পিন্ধি এখন মেজৰ ওপৰত উঠি নিৰ্ভয়- নিঃ সংকোচে গান এটি পৰিবেশন কৰিছিল। গানটো শুনি উপস্থিত দৰ্শক মণ্ডলীয়ে হাততালি বজাই তেওঁ উজ্জ্বল ভবিষ্যতৰ সঁহাৰি দিছিল। শিশুটিৰ গানত বাৰুকৈ অভিভূত হৈ পৰিছিল লক্ষ্মীনাথ বেজবৰুৱা। গান গোৱা শেষ হ'লত, শিশুটিক নিজৰ ওচৰলৈ মাতি আনি গা-মূৰ পিহি গালত চুমা খাই আশীৰ্বাদ দিছিল— 'এদিন এওঁ ডাঙৰ শিল্পী হ'ব'। লক্ষ্মীনাথ বেজবৰুৱাই তাহানিতে এনেদৰে গণি-পিটি থৈ যোৱা সেই শিশুটিয়ে ডঃ ভূপেন হাজৰিকা।

আজি এই নামটো কলাৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰিব পৰা হৈছে। তেওঁ গন্ধৰ্ব বিদ্যাৰ ওজা। ভূপেন হাজৰিকাৰ কণ্ঠ বুলিলে মানৱ হৃদয় কোমল হয়। তেওঁৰ কণ্ঠ বিষাদৰ শান্তি, শোকৰ সান্ত্বনা । তেওঁৰ এই বাণী আজি স্বদেশতে নহয়, বিশ্বই জানে। তেওঁ এজন শান্তিৰ অগ্ৰদূত । সকলোৰে 'ভূপেনদা' এক অমিয় ধ্বনি। এই ধ্বনিৰ ধমনিত সঞ্জীৱনী আছে—যিয়ে সহস্ৰজনক প্ৰেৰণা যোগাব পাৰে, উৎসাহ, প্ৰফুল্লতা

আদি দিব পাৰে। তেওঁৰ ভাষাৰে তেওঁৰ গান বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান, কল্পনা বিলাসৰ বিপৰীতে এক সত্য প্ৰশস্তিৰ ধ্যান, তেওঁৰ কলা-শৈলীত এক মধুৰ বৈশিষ্টৰ মান যি গানত জনৈক সংগ্ৰামী সৈনিকৰ মহাপ্ৰাণ, সম-সাময়িক সংঘাত জীৱনৰ জ্যোতি প্ৰপাত সেই গানতে ধন্য সমবেত শিল্পী অগণ্য, ধ্বংসমুখী দৃষ্টীভংগী কিম্বা মনোমালিন্য সেয়া তেওঁৰ গানৰ লক্ষ্য নহয়, লক্ষ্য শান্তি অনন্যা, তেওঁৰ সুৰ বিন্যাসত মূৰ্ত হৈছে অতীত বৰ্তমান চিৰ উজ্জ্বল ভৱিষ্যওে যেন তাতেই কৰে নিতে স্নান, তেওঁৰ গান বহু বাধাৰ বিপৰীতে এত তীব্ৰ গতিৰেই গান । সৌন্দৰ্য্যৰ চিৰন্তন সত্যৰ এই নিৰস গৱেষণাৰ বাবে সমাজে ডঃ হাজৰিকাক কলাৰত্ন বা কলা গুণ সিন্ধুৰেও বিভূষিত কৰিব বিচাৰিছে। কলা সংগীত আৰু গণ সংগীত দুযোটা ৰূপতেই তেওঁ স্ব-প্ৰতির্ভাবান। এই গুণে তেওঁ আমাৰ আৰু আমি তেওঁৰ। এজন অন্ধৰ পৰা গাঁৱৰ এগৰাকী আবাল বৃদ্ধাঁলৈ সকলো ভূপেন হাজৰিকাক চাওঁ বুলি তিনি-চাৰি ঘণ্টালৈ পৰ দি থকা সাধাৰণ কথা। ভূপেন হাজৰিকাৰ বাবে ইয়াতকৈ ডাঙৰ সামাজিক স্বীকৃতি আন একোৱে হ'ব নোৱাৰে বুলিযে আমাৰ বিশ্বাস। ইয়ে প্ৰতীযমান হয়, ভূপেন হাজৰিকাৰ জীৱনে গণ শিল্পীৰো বাখ্যা। সংগীতৰ সুৰে তেওঁৰ জীৱনৰ সুৰ, জীৱনৰ বৃত্তপথ । এই সুৰত মানৱ জীৱনৰ হাঁহি কান্দোন, আশা-আকাংশা, আৱেগ-অনুভূতি, উত্থান পতন, অতীত-বৰ্তমান—আটাইকেইটা সুৰে সমানে তুলিবলৈ তেওঁ চেষ্টা কৰিছে। যাৰ নাম 'ভূপেন্দ্ৰ সংগীত' দিয়া হৈছে। এই সুৰৰ তেওঁৰ নিজা বৈশিষ্ট আছে আৰু এই সুৰ এক সুকীয়া ধাৰালৈ গঢ় লৈছে। তেওঁৰ সুৰৰ আঁৰৰ প্ৰতিটো টানত আছে— মানৱতাবাদ, এখন সমাজবাদী সমাজ। তেওঁ এনে এখন মুক্ত আৰু স্বচ্ছ সমাজ বিচাৰে য'ত ধনী দুখীয়াৰ প্ৰভেদ নেথাকে। সাধাৰণ বনুৱা হজুৱাৰ পৰা সকলোৰে সমানে মানৱ অধিকাৰ আৰু মানৱ সুবিচাৰ ভোগ কৰিব পাৰে। এই সকলোৰে ওপৰত তেওঁ মানৱ প্ৰেমকে প্ৰথম স্থান দিছে । এই মানৱ প্ৰেম বা বিশ্ব প্ৰেম সুৰৰ মাজেৰে হৃদয়ত হৃদয় থৈ, প্ৰাণত প্ৰাণ থৈ সুৰৰ তালৰ আঁহ ফালি ফালি আমাৰ কৰ্ণেন্দ্ৰিয়ত সুখৰ অনন্ত প্ৰৱাহ ঢালিছে — মানুহ প্ৰেমেৰে জীয়াই থাকে, কৰ্মৰ মাজেৰে জীয়াই থাকে।

তেওঁ গাইছে— 'মুমুৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ।
আকাশ ধুমুহা আৰু বজ্ৰক তাৰ বাবে
শতবাৰ প্ৰণিপাত কৰো।'
— 'মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাৱে

অকণো সহানুভূতিৰে
ভাবিব কোনেনো কোৱা ? সমনীয়া'
'আকাশী গংগা' বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিষ্ঠুৰ জীৱন সংগ্ৰামত
বিচাৰো মৰমৰ মাত এষাৰ'
—'স্নেহেই আমাৰ শত শ্ৰাৱণৰ
ধাৰাসাৰ বৃষ্টিৰ প্লাৱন আনে।'
—'গংগাৰ চাপৰিৰ তলিতে দেখিবা
লুইতৰ পলসো আছে
তোমাৰে মোৰে আইয়ে কান্দিলে
একেই চকুপানী মচে।'
—'মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয়েই মানুহ
লাজ পাব কোনেনো কোৱা ?'

ডঃ হাজৰিকা অসমীয়া সংগীতৰ বাহক, সুৰৰ বৰ দ'ল সাজোতা, সত্যম শিৱম-সুন্দৰম চিৰ আৰাধক। এনে সুৰ নাই, যিটো সুৰ ভূপেন হাজৰিকাৰ কণ্ঠত নাই। অসমত এনে এটা চুক নাই, য'ত ভূপেন হাজৰিকাৰ কণ্ঠই ঢুকি পাবলৈ বাকী। অসমত এনে এজন মানুহ নাই যি ভূপেন হাজৰিকাৰ কণ্ঠ নিচিনে বা নুবুজে। পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ওলোৱা আমাৰ জাতীয় ঐতিহ্যময় সুৰ আৰু গীত মাতবোৰ আধুনিকতাৰ তালত বান্ধি বোকোচাত তুলি আলফুলকৈ বিশ্বক দেখুৱাই ফুৰোঁতাজন ডঃ ভূপেন হাজৰিকা। তেওঁ লোক সংগীতৰ সংগ্ৰহৰ এজন আগশাৰীৰ সংগ্ৰাহক। লোক-সংগীত বিচাৰি ফুৰা তেওঁৰ হবি। সেয়ে 'এ জয় ৰঘু নন্দন' স্বদেশতে নহয়, নিউইয়ৰ্ক, লণ্ডন পেৰিছ, মস্কো, লিউপোলদভিল, যি ঠাইলৈ গৈছে তাতে এই সুৰ জুৰিছে।

লোকগীত বিচাৰি আডিয়াট্ৰিক সাগৰৰ মাছমৰীয়াসকলৰ নাৱতে তেওঁ আনকি তেৰ দিন পৰ্য্যন্ত কটাইছে। পূৰ্ব ভাৰতীয় লোক-সংগীতৰ সুৰ সংগ্ৰহ আৰু প্ৰচাৰৰ দিহাৰ বাবে ১৯৭৭ চনত 'পূৰ্ব ভাৰত লোক সংস্কৃতি গৱেষণা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰিছে আৰু এই অনুষ্ঠানৰ ডঃ হাজৰিকা সভাপতি। লোক সংগীতৰ ব্যাখ্যা দি তেওঁ কয়,

"ঈশ্বৰ, দানব, জাৰ, জহ খেতি, তাঁতৰ শাল, সমাজ, মৰম, কান্দোন, সাহস একেলগে সাঙোৰা প্ৰকাশৰ মাধ্যম—লোক সংগীত, যাক মই মাটিৰ সংগীত বুলিছো। মাটিত ভৰি ৰাখি মাটিৰ কথা নেপাহৰি, মাটিৰ সুৰক সন্মান কৰি সঁচা মানুহে নিৰ্মল আনন্দ পায়।" এই লোকসংগীতসমূহ লোক সংস্কৃতিৰ অংগ।

ডঃ ভূপেন হাজৰিকাক অসমীয়া মানুহে কেতিয়াও পাহৰিব নোৱাৰে। ভাৰতীয় সংগীত আৰু অসমীয়া সংগীতৰ সমন্বয় সেতুখনো ডঃ হাজৰিকায়ে সজাই দিছে। অসমত চিল্ড্ৰেন্স ফিল্ম ছ'চাইটি, চিনে ক্লাব, বানপীড়িত-ৰুগ্নশিল্পী কলাক্ষেত্ৰ-বিপদাগ্ৰস্তৰ সাহায্যাৰ্থে গীতৰ সমদল বাহিৰ কৰাৰ পৰিকল্পনা, অসমীয়া কথাছবিৰ প্ৰথম মহোৎসৱ আয়োজন কৰাৰ অনুপ্ৰেৰণা, বম্বে কলিকতাৰ পৰা আগশাৰীৰ কণ্ঠশিল্পী আনি অসমত প্ৰথম সাংস্কৃতিক সমাৰোহ পতা, হিজ মাষ্টাৰ ভয়েজৰ দ্বাৰা অসমীয়া শিল্পীক ৰেকৰ্ডিঙৰ সুবিধা হাততে পোৱাকৈ দিয়া, অসমৰ ষ্টুডিঅ'টো বা ৰবীন্দ্ৰ ভৱনৰ অসম্পূৰ্ণ কামখিনি সম্পূৰ্ণ কৰাত প্ৰাণঢালি দিয়া, মিনি আলোচনী (বিন্দু) তথা আৰ্ট জাৰ্নেল (গতি) প্ৰকাশ কৰা, সোণৰ ৰেকৰ্ড পোৱা—এই বিলাকবোৰ গুৰি বিচাৰিলে ডঃ হাজৰিকাকে আমি শ্ৰদ্ধাৰে সোঁৱৰিব লাগিব। ডঃ হাজৰিকাই আমালৈ কঢ়িয়াই অনা গৌৰৱৰ কথা কৈ শেষ কৰিব নোৱাৰি।

১৯৫৮ চনৰ ডঃ হাজৰিকাই পৰিচালনা কৰা 'মাহুত বন্ধুৰে' চলচ্চিত্ৰখন তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে মাত্ৰ দহ মিনিট চাম বুলি আহি প্ৰায় দুঘণ্টা সময় উপভোগ কৰাটো ডঃ হাজৰিকাৰ চলচ্চিত্ৰ জীৱনৰ বিশেষ সাফল্য বুলিব লাগিব। এই চলচ্চিত্ৰখনে শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰাষ্ট্ৰিয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ১৯৬১ চনত ডঃ হাজৰিকাই নিৰ্মাণ কৰা 'শকুন্তলা' ছবিখনেও ৰাষ্ট্ৰপতিৰ পদকেৰে সন্মানিত হৈছে। ১৯৬৪ চনত নিৰ্মাণ কৰা 'প্ৰতিধ্বনি' ছবি ডঃ হাজৰিকাৰ জীৱনৰ চৰম কৃতিত্ব বুলিব লাগিব। এইখন ছবিয়েও ৰাষ্ট্ৰপতি পদকেৰে সন্মানিত হয়। উল্লেখ্য যে, ডঃ হাজৰিকাৰ 'প্ৰতিধ্বনি' ছবি ফ্ৰান্সৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হৈছিল। ছবিখন 'কা শ্বৰতি' বুলি খাচী ভাষালৈ 'ডাব' কৰা হৈছে। ১৯৬৬ চনত ডঃ হাজৰিকাই নিৰ্মাণ কৰা 'লটি ঘটি' প্ৰথম অসমীয়া ব্যংগ চিনেমা। এইখন ছবিৰ বাবেও তেওঁ ৰাষ্ট্ৰপতি পদক লাভ কৰিছে। ১৯৭৬ চনত আব্দুল মজিদ পৰিচালিত 'চামেলি মেম চাব'ত সংগীত পৰিচালনা কৰে ডঃ হাজৰিকাই। এই চলচ্চিত্ৰৰ সংগীতে বছৰৰ সৰ্বশ্ৰেষ্ঠ সংগীত পৰিচালনাৰ সন্মান ডঃ হাজৰিকালৈ কঢ়িয়াই আনে। এই সংগীতৰ বাবে ৰাষ্ট্ৰপতিয়ে তেওঁক 'ৰজত কমল বঁটা' আৰু নগদ দহ হাজাৰ টকাৰে সন্মানিত কৰে। ডঃ হাজৰিকালৈ ভাৰতীয় ৰাষ্ট্ৰীয় পৰ্য্যায়ত এইটো এটা ডাঙৰ সন্মান বুলি কব

লাগিব। ১৯৭৮ চনত দুটা অসমীয়া গানৰ বিশেষ ৰেকৰ্ড বাহিৰ কৰাৰ উপৰিও তেওঁ 'আমি এক যাযাবৰ' বুলি আঠোটা বঙালী গীতৰ এল পি ৰেকৰ্ড উলিয়াই এইছ এম ভি ৰ পৰা এখন এম্বেচাদৰ গাড়ী আৰু লগতে এখন সোণৰ ৰেকৰ্ড (Dis) লাভ কৰিব পৰাটো উল্লেখযোগ্য। উল্লেখযোগ্য যে সংগীতত সোণৰ ৰেকৰ্ড লাভ কৰা ডঃ হাজৰিকা সেই সময়ত কলিকতাত সপ্তমগৰাকী শিল্পী আছিল। ১৯৭৭ চনত পশ্চিম বংগৰ 'বাংলা চলচ্চিত্র পুৰস্কাৰ সমিতি'য়ে 'দম্পতী' নামৰ বঙালী চলচ্চিত্রত ডঃ হাজৰিকাই সংগীত পৰিচালনাৰে দেখুওৱা দক্ষতাৰ শলাগৰূপে তেওঁক বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰূপে আদৰিছিল। এই ছবিত আশা ভোছলে, অসিত কুমাৰ, আৰতী মুখাৰ্জী, মান্না দে আদিৰ নিচিনা বৰেণ্য গায়কসকলক ডঃ হাজৰিকাই গান গোৱাইছিল। 'সীমানা পেৰিয়ে'ত সংগীত পৰিচালনা কৰি ১৯৭৮ চনত 'বাংলাদেশ ফিল্ম ইণ্ডাষ্ট্ৰিজ'ৰ ফালৰ পৰা ডঃ হাজৰিকা বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰূপে সন্মানিত হৈছিল। উক্ত ছবিত ডঃ হাজৰিকাই গোৱা 'মেঘ থম্ থম্ কৰে কিছু নেই' গীতটো বৰ সমাদৃত হৈছে। ১৯৮১ চনৰ ২৩ মাৰ্চত কলিকতাত থকা মস্কো নিউজ ক্লাবে ডঃ হাজৰিকাক সম্বৰ্দ্ধনা জনাবলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছিল। ১৯৮১ চনৰ ২৩ মে'ত পশ্চিম বংগ চৰকাৰে অসমৰ সাংস্কৃতিক অনুষ্ঠান এটিৰ আয়োজন কৰিছিল। অসমৰ এই অনুষ্ঠানে পশ্চিম বংগৰ জনসাধাৰণক বিশেষ আমোদ দিব পৰাকৈ অনুষ্ঠান পৰিচালনা কৰিছিল ডঃ হাজৰিকাই। ডঃ হাজৰিকাই সংগীত পৰিচালনা কৰা অ 'একপল' ছবিৰ ছয়খন ৰেকৰ্ড নিলামত বিক্ৰী কৰি পোৱা চল্লিছ হাজাৰ টকা আৰু প্ৰীমিয়াৰ শোৰ সমুদায় টকা অসমীয়া ৰাইজৰ কাৰণে মুখ্যমন্ত্ৰী পুঁজিলৈ ডঃ হাজৰিকাই দান দিছিল। ডঃ হাজৰিকা সংগীত পৰিচালিত 'আৰোপ'ৰ বাবে ব্যৱহাৰ কৰা বৰগীত এটি হৈ, ডঃ হাজৰিকাই আঠ হাজাৰ এক টকা, শংকৰী কলা প্ৰচাৰৰ বাবে মুখ্যমন্ত্ৰীক দান কৰিছিল। ১৯৭৭ চনত অসম সাহিত্য সভাই তেওঁক অভয়াপুৰী অধিবেশনত সম্বৰ্দ্ধনা জনোৱাৰ লগতে, ১৯৬৩ চনত নাজিৰাত বহা অসম সাহিত্য সভাৰ সাংস্কৃতিক সন্মিলনৰ তেওঁ আছিল সভাপতি। ১৯৮০ চনৰ আঠ জানুৱাৰীত কলিকতাৰ ৰবীন্দ্ৰ ভৱনত 'দি গ্ৰামফোন কোম্পানী অব ইণ্ডিয়াৰ' হৈ এইচ এম. ভিৰ তৰফৰ পৰা ছয়জন শিল্পীক সম্বৰ্দ্ধনা জনাইছিল আৰু তাৰ ভিতৰত ডঃ হাজৰিকাও এজন আছিল। ১৯৮৪ চনৰ ৮ মে'ৰ পৰা ৩০ মে'লৈকে 'বাংলাদেশ শিল্প কলা অকাডেমি'য়ে বাংলাদেশত আয়োজন কৰা সংগীত সন্মিলনৰ ভাৰতৰ তিনিগৰাকী শিল্পীয়ে যোগদান কৰিছিল। তেওঁলোক হ'ল— ডঃ হাজৰিকা, পাৰ্বতীন সুলতানা আৰু সুচিত্ৰা মিত্ৰ। এই সন্মিলনত বিশ্বৰ কুৰিখন দেশে অংশ গ্ৰহণ কৰিছিল। বাংলাদেশৰ বিভিন্ন অনুষ্ঠানে তেওঁক সম্বৰ্দ্ধনা জনাইছিল আৰু বিভিন্ন সংগীতানুষ্ঠানত তেওঁ সংগীত পৰিবেশনো কৰিছিল। তেওঁক সম্বৰ্দ্ধনা জনোৱা

বাংলাদেশৰ বিশেষ অনুষ্ঠানৰ কেইখনমান আছিল— বাংলাদেশ সাহিত্য অকাডেমি, ঢাকা ক্লাব, বাংলাদেশ নেচনেল প্ৰেছ ক্লাব, বাংলাদেশ মহিলা সমিতি, ঋত্বিজ শিল্পী গোষ্ঠী, বাংলাদেশ শিল্পকলা অকাডেমি, ঢাকা বিশ্ববিদ্যালয় ছাত্ৰ সন্থা, ইত্তেফাক কাকত গোষ্ঠী আদি। লগতে ঢাকা টেলিভিশ্যন কেন্দ্ৰই তেওঁ আমন্ত্ৰণ কৰি নি তেওঁলোকৰ 'এক্ষুনি' অনুষ্ঠান অংশ গ্ৰহণ কৰাৰ সুবিধা দিছিল। বাংলাদেশৰ এইবোৰ অনুষ্ঠানে তেওঁক উপহাঁৰ হিচাপে আগবঢোৱা বঁটাৰ পৰিমাণ প্ৰায় ৯০ কিলোগ্ৰাম হৈছিল। বলৰাজ চাহানীৰ প্ৰিয় জুহু আৰ্ট থিয়েটাৰ কৰ্মীসকলে চাহানীৰ কুটীৰত অনুষ্ঠিত `এখন সভাত ডঃ হাজৰিকাক সম্বৰ্দ্ধনা জনাইছিল। আৰু সেই সভাত খাজা আহমেদ আব্বাচ আৰু প্ৰেম ধাৱান উপস্থিত থাকি ডঃ হাজৰিকাক আদৰিছিল। ১৯৭৬ চনৰ ২৬ জানুৱাৰীত অৰুণাচল চৰকাৰে তেওঁক "মেৰা ধৰম মেৰি মা' নামৰ হিন্দী ছবি নিৰ্মাণ কৰাৰ বাবে সম্বৰ্দ্ধনা জনাই সোণৰ পদক উপহাৰ দিছিল।

অল ইণ্ডিয়া ক্ৰিটিকচ এচোচিয়েশ্যনৰ তৰফৰ পৰাও কলা গুণসিন্ধু ডঃ হাজৰিকাক লোক সংগীতৰ শিল্পীৰূপে মানপত্ৰৰে বিভূষিত কৰিছে। ১৯৫৪ চনত ডঃ হাজৰিকাই নতুন দিল্লীত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় যুব মহোৎসৱত অসমৰ পৰা যোৱা সাংস্কৃতিক দলটোৰ পৰিচালকৰূপে গৈছিল। অসমৰ পৰা যোৱা এই দলটোৱে প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান' নাটখনি মঞ্চস্থ কৰি শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৫৩ চনত গণ নাট্য সংঘৰ গুৱাহাটীত অনুষ্ঠিত অধিবেশনখনো স্মৰণীয়। এই অধিবেশনত বলৰাজ চাহানী, সুচিত্ৰা মিত্ৰ, সলিল চৌধুৰী, হেমন্ত মুখোপ্যাধ্যায, অমৰ শেখ, দেবব্ৰত আদি বিখ্যাত শিল্পীসকলে যোগদান কৰিছিল। এই অধিবেশন কৃতকাৰ্য কৰাত ডঃ হাজৰিকাৰ ভূমিকা উল্লেখনীয় । এই অধিবেশনত ডঃ হাজৰিকাই 'সাগৰ সংগমত কতনা সাঁতুৰিলো' সংগীতটি পৰিবেশন কৰি — বাহিৰৰপৰা অহা শিল্পীসকলৰপৰা উচ্চ প্ৰশংসা লাভ কৰিছিল।

জালুকবাৰীত অৱস্থিত গুৱাহাটী বিশ্ববিদ্যালয় উদ্বোধন কৰাৰ দিনা মুকলি অনুষ্ঠানত ডঃ হাজৰিকাই গোৱা 'জিলিকাব লুইতৰ পাৰ —আন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয়--জেউতি নিজৰাৰে পাৰ।' এই সংগীতৰ ধ্বনিয়ে আজিও লুইতপৰীয়াক প্ৰেৰণা যোগাই আছে। তেওঁৰ এই সেৱাৰ বাবে ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধিৰে তেওঁক সন্মান জনাইছে, লগতে অসম চৰকাৰেও তেওঁ অসমৰ শীৰ্ষ সন্মান 'শংকৰদেৱ বঁটা'ৰে বিভূষিত কৰিছে।

তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্মদাতা, গুৰি ধৰোঁতা আৰু বিষয়-পদবীৰ লগত জড়িত। ভাৰতীয় চলচ্চিত্ৰ বিদেশলৈ পঠোৱাৰ বাবে বাছনি কৰা সৰ্বভাৰতীয়

কমিটীৰ চেয়াৰমেনৰূপেও তেওঁক মনোনীত কৰা হৈছিল। সেই কমিটীৰ অন্যান্য সদস্যসকল আছিল— গুলজাৰ, পূৰ্ণেন্দু পত্ৰী, ৰামানন্দ সাগৰ। তদুপৰি ডঃ হাজৰিকাক কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অনাতাঁৰ দপ্তৰে তিনি বছৰৰ কাৰণে 'প্ৰডিউচৰ এমেৰিটাচ'ৰূপে স্বীকৃতি দিয়ে। এই স্বীকৃতিৰ ফলত ডঃ হাজৰিকাই ভাৰতৰ যিকোনো অনাতাঁৰ কেন্দ্ৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ পৰা বিশেষ অনুষ্ঠান পৰিবেশন কৰাৰ সুবিধা পাইছিল। কেইবাটাও অসমীয়া গল্পৰ আধাৰত চুটি চিত্ৰ নিৰ্মানৰ বাবেও দূৰদৰ্শনে ডঃ হাজৰিকাক অনুমতি দিছিল। ১৯৭৭ চনৰ এক জানুৱাৰীত কলিকতাত প্ৰতিষ্ঠা কৰা 'পূব ভাৰত লোক- সংস্কৃতি গৱেষণা কেন্দ্ৰ'ৰ ডঃ হাজৰিকা সভাপতি আছিল। বিহাৰৰ পৰা মণিপুৰলৈ লোকগীত সংগ্ৰহ আৰু তাৰ প্ৰচাৰ কৰাই এই অনুষ্ঠানৰ উদ্দেশ্য আছিল। অসমৰ কাজিৰঙা কুঠুৰীত এই উদ্দেশ্য তেওঁ এটি গৃহ নিৰ্মাণ কৰাৰ কথাও উল্লেখযোগ্য। ডঃ হাজৰিকা আমেৰিকাত থকা ভাৰতীয় ছাত্ৰ সম্থাটোৰ সৈতেও নিবিড়ভাৱে জড়িত। এই অনুষ্ঠান তেওঁ অবৈতনিক প্ৰধান সচিবো নিযুক্ত হৈছিল। আৰু অনুষ্ঠানৰ মুখপত্ৰ (New India) ৰ সম্পাদনাৰ দায়িত্বও গ্ৰহণ কৰিবলগীয়া হৈছিল। ১৯৬৯ চনত তেওঁ 'সাগৰ সংগম' অনুষ্ঠানৰ দ্বাৰা ফ্ৰান্সৰ লগত ভাৰতৰ বন্ধুত্ব গঢ়ি তাৰ দ্বাৰা ফ্ৰান্সৰ পৰা ভাৰতৰ চিত্ৰ নিৰ্মাতালৈ প্ৰামাণ্য যন্ত্ৰপাতি তথা সহযোগিতা লাভ কৰাৰ সুযোগ দিছিল। ডঃ হাজৰিকাৰ পৰামৰ্শমতেই অচ্যুত লহকৰে ভ্ৰাম্যমান থিয়েটাৰ নটৰাজৰ জন্ম দি অভিনয় জগতত এক নতুন আলোক বিয়পায। ১৯৫৩ চনত অসম গণ নাট্য সংঘৰ সৌজন্যত গুৱাহাটীৰ নবীন চন্দ্ৰ হলত প্ৰথম 'জ্যোতি-দিৱস' পাতি জ্যোতি প্ৰসাদকে নহয় শিল্পীক এক বিশেষ আসমত বহুৱাইছিল ডঃ হাজৰিকাই।

১৯৯৩ চনৰ ৪, ৫, ৬ আৰু ৭ ফেব্ৰুৱাৰীত শিৱসাগৰৰ ৰংপুৰ ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ঊনষাঠিতম অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰ পৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, 'সুলিক্ষিত ৰচনা মাত্ৰেই সাহিত্য নহয়। যেনেকৈ সুলিখক মাত্ৰেই সাহিত্যিক নহয়, সুলিখকৰ আত্মদৰ্শন নঘটিলেও হয়, কিন্তু সাহিত্যিকৰ বাবে ই অপৰিহাৰ্য্য। সাহিত্যিকে স্ব-কালৰ সত্যক অন্বেষণ কৰি চিৰকালৰ সত্যক স্পৰ্শ কৰে। সেই কাৰণেই আৱশ্যক হয় ঘটনাৰ নিখুঁত নিৰ্বাচন আৰু ঘটনাৰ গভীৰত থকা সত্যৰ যথাৰ্থ উন্মোচন। যথাৰ্থ সাহিত্যিকে পণ্য ফেৰি কৰি নুফুৰে। তেওঁ সৰ্ব অৰ্থত দায়বদ্ধ সত্য আৰু সামাজিক দাযৰ প্ৰতি। সু-সাহিত্যিকে 'লিখা লিখা খেলো আহা' বুলি সত্যৰ ফালে পিঠি দি নেখেলে তেওঁলোকে, যি চকুৰ আগত দেখে তাকে ৰঙে চঙে ঢঙে সজাই নি লিখে ।

আজিৰ সময়-জীৱন অ-সৰল সময়। এই সময়ত সাহিত্য অকল সময় কটাবৰ কাৰণেই নে ? নহয়। অকল ক্লান্তি কমাবৰ বাবেই নে ? নহয়? অথচ অসমত অধিক

ভাগ 'সাহিত্য' এই পথসমূহেৰে ছেদিলি ভেদেলি হৈ ধাবমান হৈছে যেন লাগে। বিচ্ছিন্ন, অসম্পূৰ্ণ, অসুস্থ মানসিকতাৰে বিভ্ৰান্ত, মানৱতাক সুস্থতা যাচিব লাগে সাহিত্যই । ই হ'ব লাগে উত্তৰণৰ পাথেয় । সাহিত্যিকে দাসত্ব নেমানে । তেওঁ এক বনস্পতিসদৃশ ঋতুত বিবৰ্তিত হৈও, নিজত্বত অটল।"

তেওঁ অসমীয়া জাতিক এক সতৰ্ক সূচক বাণী শুনাই কয়, "লুইতে সদায় অহংকাৰ কৰিয়ে থাকিবনে ? লুইত বাম হৈ যাব, যদি আমি দেখো— নৈ, নিজৰা, উপনৈবিলাকৰ গতিৰ পথত জাবৰ জমিছে, সেইবোৰ নৈ, নিজৰাত স্বকীয় বিকাশৰ সোঁত আনিব খোজা প্ৰচেষ্টাত হাতে কামে সহায় কৰাটো লুইতৰ কৰ্তব্য। নৈ, উপনৈ, নিজৰাৰ বিকাশৰ সোঁত মন্থৰ হৈ গ'লে, গতিহীন হৈ গ'লে লুইতো হৈ পৰিব অগভীৰ, নিজৰাৰ মন যাব ভাগি—এনাজৰী হ'ব আউল জাউল।" ডঃ হাজৰিকাই অসমত এখন সৰ্বাধুনিক অভিধান আৰু এখন সহজ ব্যাকৰণ অভাব অনুভৱ কৰিছে। তেওঁ অনুভৱ কৰা অভিধানখনত থলুৱা বিভিন্ন শব্দৰাজিৰ উপৰিও নতুনকৈ আমাৰ ভাষাত প্ৰৱেশ কৰা ৰাজনীতি, বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ শব্দ আৰু তাৰ মূল উৎস গঠন সম্পৰ্কেও থাকিব লাগিব বুলি কয় । তেওঁ কয় যে থলুৱা শব্দৰ মুকলি ব্যৱহাৰে বিভিন্ন জনজাতীয় গোষ্ঠী আৰু আন জনগোষ্ঠীক বিশাল ভাষাক নিজৰ ভাষা বুলি, উমৈহতীয়া ভাষা বুলি, (link Language) বুলি, সংযোগী ভাষা বুলি ভাবিবলৈ উৎসাহিত কৰিব বুলি আমাৰ বিশ্বাস— ইয়াৰ প্ৰতি তেহে সকলোৰে আপোন ভাব জাগি উঠিব । ডঃ হাজৰিকাই আমাৰ সাহিত্যিকসকলৰ মনোযোগ আকৰ্ষণ কৰি কয়— "বিভিন্ন ৰাজনৈতিক সমস্যা, সামাজিক সংঘাত আদিৰ ছবি, অন্যান্য সমস্যা প্ৰাকৃতিক দুৰ্যোগ বা সমস্যা, আৰ্থ- সামাজিক উন্নয়নমুখী প্ৰকল্পসমূহৰ বিশ্লেষণ থকা মানৱীয় কাহিনীক জীৱন্ত ৰূপ দিয়াৰ সময় আহি পৰিছে।"

অসমত সোনকালে ভাষা-সাহিত্যৰ প্ৰকল্প এটা নিৰ্মাণ হোৱা, অসমীয়া ভাষা-সাহিত্য জানিব খোজাসকলৰ নিমিত্তে বৰ্ণনাত্মক গ্ৰন্থপঞ্জী এখন প্ৰস্তুত কৰা, বিজ্ঞানভিত্তিক গৱেষণামূলক অসমৰ বাবে বহুণীয়া সংস্কৃতিকৰ সম্পূৰ্ণাংগ একক গ্ৰন্থ এখন প্ৰকাশ কৰা, অসমীয়া সাহিত্যক জগত সভালৈ নিবলৈ অনুবাদ কোষ এটা গঠন কৰা, সাহিত্য প্ৰকল্পতে এটি বিনোদন কেন্দ্ৰ আৰম্ভ কৰা, সৰ্বসাধাৰণৰ মাজত অধ্যয়নৰ অভ্যাস ব্যাপক কৰিবলৈ পুঁথিভঁৰাল আন্দোলনটোক নৰূপ দি প্ৰতি বছৰে পুঁথিভঁৰাল সপ্তাহৰ আয়োজন কৰা, অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থৰ বেচৰকাৰী প্ৰকাশকক প্ৰতি বছৰে নগদ ধনেৰে পুৰস্কৃত কৰি পুথি প্ৰকাশনৰ ক্ষেত্ৰত উৎসাহিত কৰা, অসমত মুদ্ৰণ প্ৰযুক্তি বিষয়ক এটি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰা, চলচ্চিত্ৰ বিত্ত নিগমৰ আৰ্হিত গ্ৰন্থ প্ৰকাশন বিত্ত

নিগম আদি প্ৰতিষ্ঠা কৰাৰ বাবেও ডঃ হাজৰিকাই দাবী জনায়। হাজৰিকাই ভাৰতৰ বোলছবি নিৰ্মাতাসকলে ধ্ৰুপদী ধাৰাৰ সাহিত্য সৃষ্টিক বোলছবিলৈ আৰু (T V Serial) অলৈ ৰূপান্তৰিত কৰিবলৈও আহ্বান জনায়।

আধুনিক গীত আৰু গীতিকাৰ সম্পৰ্কত তেওঁ কয়—"ৰবীন্দ্ৰনাথ ঠাকুৰে জনৈক কবিলৈ লিখিছিল—

> "ওৰাতো সব পথেৰ মানুষ
> তুমি পথেৰ ধাৰেৰ।"
> (সিহঁততো সকলো বাটৰুৱা
> তুমি বাটৰ দাঁতিৰ।)

আজিৰ সঁচা আধুনিক গীতিকাৰেও ঠিক তেনেকৈ জীৱনৰ বাটৰ দাঁতিত থিয় হৈ চিৰ প্ৰবাহমান সামূহিক বা ব্যক্তিগত মানৱ গতিক নিৰীক্ষণ কৰি গীতেৰে প্ৰকাশ কৰে। পিছে আজিৰ গীতিকাৰে বাটৰ দাঁতিত থিয় নহৈ মাজে মাজে জীৱনৰ বাটৰুৱাৰ সৈতে লৰবি লৰবি ধাৱমান কথিকা বা (Runing Commentary) ও কৰিব লাগিব। সঁচা আধুনিক গীত সৃষ্টিয়ে মানৱতাক বিশ্বাস কৰে। জনজীৱনৰ প্ৰতীকেৰে স্পৰ্শ কৰিব খোজে।"

ডঃ হাজৰিকাই সাহিত্যিক ৱাল্ট হুইটমেনৰ 'সংগীত হৈছে জনসাধাৰণৰ কলা' আৰু 'আমাৰ সুৰীয়া আত্মা আছে কাৰণেই আনৰ সুৰীয়া আত্মাক বুজিব পাৰো' এই কথা দুফাঁকিৰ প্ৰতি সদায় শ্ৰদ্ধা জনাই আহিছে আৰু এই কথা দুষাৰিৰ মাজতে তেওঁকো আমি বিচাৰি চাব পাৰোঁ।

ডঃ হাজৰিকা আজি সমগ্ৰ বিশ্বৰে আস্থাভাজন হৈছে। কলিকতাত যেনেদৰে তেওঁ 'আমাদেৰ ভূপেনদা', ঠিক জাপানীসকলে তেওঁক লৈ গৌৰব কৰি কয় 'জাপানৰ ভূপেনচান।' ঢাকাবাসীয়ে, তেওঁকে ক'বলৈ লৈছে— 'তোমাকে যে দেখলাম মনে হয় পৃথিবীকে দেখলাম।' লণ্ডনৰ শ্বেতাংগীসকলে কয়– "Sonny, God bless you."

১৯৪৯ চনৰ পৰা ১৯৫২ চনলৈ ডঃ হাজৰিকা আমেৰিকাত থকা কালত, আমেৰিকাত বিশেষ এখন আন্তৰ্জাতিক সন্মিলন অনুষ্ঠিত হৈছিল। সেই অনুষ্ঠানত ভাৰতৰ সাংস্কৃতিক দলেও অংশ গ্ৰহণ কৰিছিল। ভাৰতীয় সাংস্কৃতিক দলটোৰ পৰিচালনাৰ দায়িত্ব সেই সময়ৰ লণ্ডনৰ ভাৰতীয় হাই কমিচনাৰ বিজয়লক্ষ্মী পণ্ডিতে ডঃ হাজৰিকাৰ হাতত অৰ্পণ কৰিছিল। বিশেষ গৌৰৱৰ কথা যে, সেই অনুষ্ঠানত ভাৰতীয় দলটোৱে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৪৯ চনতে নিউইয়ৰ্ক

টেলিভিশ্যনৰ কাৰ্য্যসূচীতো ভাগ লোৱাৰ গৌৰৱ বোধ কৰিব পাৰিছিল ডঃ হাজৰিকাই। ১৯৫৫ চনৰ জুন মাহত ৰাছিয়াত অনুষ্ঠিত বিশ্ব শান্তি সন্মিলনখনতো ভাৰতীয় সাংস্কৃতিক সন্থাৰ এগৰাকী সদস্যৰূপে ডঃ হাজৰিকা নিৰ্বাচিত হৈছিল। সেই দলত যোৱা আন্যান্য প্ৰতিনিধিবৰ্গৰ ভিতৰত কেইবাগৰাকীমান হ'ল— ৰাজ আনন্দ, ৰাজেন্দ্ৰ সিং বেদী, শচীন সেনগুপ্ত, বিবেকানন্দ মুখোপাধ্যায়, প্ৰহ্লাদ আট্ৰে, কিষাণ খান্না, এম এফ, হুছেইন আদি। দলটোৰ নেতাৰূপে গৈছিল বৈজ্ঞানিক ডঃ মেঘনাথ সাহা। ১৯৭২ চনৰ ১৪ ফ্ৰেব্ৰুৱাৰীত ডঃ হাজৰিকা বাৰ্লিনত অনুষ্ঠিত বিশ্ব সংগীত সন্মিলনত ভাৰতীয় প্ৰতিনিধিৰূপে অংশ গ্ৰহণ কৰিছিল। সেই সন্মিলনত যোগদান কৰা দেশৰ সংখ্যা আছিল কুৰিখন। সেই সংগীত সন্মিলন উপভোগ কৰিবলৈ বাৰ্লিনৰ বিৰাট কংগ্ৰেছ ভবন দৰ্শকৰে উদুলী মুদুলী হৈ পৰিছিল। সংগীত সন্মিলন মুকলি কৰিছিল ডঃ হাজৰিকাৰ গানেৰে। প্ৰত্যেককে ত্ৰিশ মিনিটকৈ গান পৰিবেশনৰ বাবে সময় ধৰি দিছিল। ডঃ হাজৰিকা 'দোলা দোলা' গানটোৰে সংগীত জুৰি 'গংগা আমাৰ পদ্মাও আমাৰ মা' 'বিহুৰেনো বিৰিণা', 'জয় জয় নৱজাত বাংলাদেশ', লগতে পল ৰ'বচনৰ We are on the same boat brothers' আদি কৰি কেইবাটাও সংগীত মনোলোভা আৰু ৰেহালগাকৈ গাই গৈছিল। নিৰ্দিষ্ট সময়ৰ তেওঁ ত্ৰিশ মিনিট পাৰ কৰি দিছিল। কলাসুলভ দৰ্শক নিতাল। সকলোৰে সময়ৰ কথা পাহৰি কেবল ডঃ হাজৰিকাৰ মুখলৈ চাই আছিল একেথৰে। চাৰিওফালে পৰা জোৱাৰ উঠিছিল ডঃ হাজৰিকাই যেন গান বন্ধ নকৰে। ১৯৭৩ চনৰ জুলাইত পুনৰ্বাৰ বাৰ্লিনত গান গোৱাৰ আমন্ত্ৰণ ৰক্ষা কৰিবলগীয়া হৈছিল ডঃ হাজৰিকাই। এই সন্মিলনত সংগীত পৰিবেশন কৰি ডঃ হাজৰিকাই সোনৰ পদক লাভ কৰিছিল। ১৯৭৮ চনৰ ১০ চেপ্টেম্বৰত ডঃ হাজৰিকা লণ্ডনত সংগীত পৰিবেশন কৰিবলৈ আমন্ত্ৰিত হৈছিল। লণ্ডনৰ এক জনসমুদ্ৰৰ আগত বৰ্ণ বৈষম্যৰ বিৰুদ্ধে গান গাই ডঃ হাজৰিকাই সাহসিকতাৰ পৰিচয় দিছিল। অন্যায়ৰ বিৰুদ্ধে, বৰ্ণ বৈষণ্যৰ বিৰুদ্ধে এনে সাহসী প্ৰতিবাদী কণ্ঠৰ বাবেহ লণ্ডনৰ মঞ্চতে বি. বি চি এ ডঃ হাজৰিকাক ওলগ জনাবলৈ আগবাঢ়ি অহাটো উল্লেখযোগ্য। ১৯৮১ চনৰ এক অক্টোবৰত জাপানলৈ গৈ তাত প্ৰায় এমাহ কাল থাকি জাপানৰ টোকিঅ' আদিৰ উপৰিও ইয়কহামা ফকাগাৱা, অবিহিৰো হাকাডাটা, টাৱাহাচি, নাগাৱা, হিৰোচিমাৰ হিমেজি, কোৰাচিকা, ইবাগোচি আদি ঠাইত ডঃ হাজৰিকাই সংগীত পৰিবেশন কৰিবলগীয়া হৈছিল। নিজৰ দেশ কলিকতা, বোম্বাই, দিল্লী আদিৰ উপৰিও বিদেশত যেনে আমেৰিকা, কানাডা, লণ্ডন, ৰাছিয়া ছোদি আৰব, ইজিপ্ত, বাংলাদেশ জাৰ্মানী আদিৰ পৰা ডঃ হাজৰিকাই এতিয়ালৈ কিমান পৰিমাণৰ সোণ, ৰূপ প্লেটিনাম উপহাৰ হিচাপে লাভ কৰিলে, তাৰ হিচাপ লৈ অন্ত কৰিব নোৱাৰা অবস্থা এটা হৈছে।

তেওঁ অসমীয়া ভাষাত গোৱা প্ৰায়বোৰ গীত হিন্দী আৰু বঙালী ভাষালৈ ভাষান্তৰিত হৈ ৰেকৰ্ড হৈ ওলাইছে। অন্যান্য ভাৰতীয় ভাষালৈও তেওঁৰ গীত অনূদিন হৈ, বহুল প্ৰচাৰ লাভ কৰিছে। সেই গীতসমূহ ভাৰতৰ কেইবাগৰাকী প্ৰখ্যাত গায়ক গায়িকাৰ কণ্ঠতো তুলিছে। সেই গায়কসকলৰ ভিতৰতে মহম্মদ ৰফী, আশা ভোছলে, অসিত কুমাৰ, আৰতি মুখাৰ্জী, মান্না দে আদিৰ নাম উল্লেখ কৰিব পাৰি। তেওঁ কুমাৰ কিশোৰ, লতা মঙ্গেশকাৰক গুৱাহাটীলৈ সংগীত পৰিবেশন কৰিবলৈ অনাৰ ক্ষেত্ৰতো আগভাগ লৈছিল। আমেৰিকাত থাকোতে ডঃ হাজৰিকাই পল ৰ'বছন, হাৱাৰ্ড ফাষ্ট, চেপলিন লচন, ৰুজভেল্ট, পালবাৰ্ক আদি প্ৰখ্যাত শিল্পীসকলৰ সান্নিধ্য লভিছিল। ভাৰতীয় শিল্পী বলৰাজ চাহানী, খাজা আহমেদ আব্বাচ, প্ৰেম ধাৱন, হেমন্ত মুখোপাধ্যায়, সুচিত্ৰা মিত্ৰ, দেবব্ৰত, অমৰ শ্বেখ আদিয়ে সদায় আদৰিছিল। এই ক্ষেত্ৰত জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভা, ফণী শৰ্মা, হেমাংগ বিশ্বাস আদিৰ কথাও তেওঁ উল্লেখ কৰি আহিছে।

স্বাভাৱজাত কণ্ঠশিল্পী ডঃ হাজৰিকা প্ৰতিভা বহুমুখী। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, শিক্ষাবিদ, ৰাজনীতিবিদ, সাংবাদিক, সাহিত্যিক, কলা সমালোচক, বোলছবি প্ৰজোজক পৰিচালক, কাহিনীকাৰ চিত্ৰ-নাট্যকাৰ আৰু গণ নাট্য সংঘৰ এজন নীৰৱ কৰ্মী। এই প্ৰতিভাক প্ৰথম আৱিস্কাৰ কৰিছিল ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই। ডঃ হাজৰিকাৰ পৰিয়ালটো তেতিয়া তেজপুৰত সেই সময়ত, তেজপুৰত জ্যোতি, বিষ্ণু, ফণী শৰ্মা আৰু সাহিত্যিক দণ্ডিনাথ কলিতাই জ্যোতি বিলাইছিল। সেই সময়ছোৱাত তেজপুৰ অসম সাংস্কৃতিক পথাৰৰ বৰঘৰ। বাণাষ্টেজক সকলোকে শ্ৰদ্ধা কৰে। তেনে সময়তে ডঃ হাজৰিকাই তেজপুৰৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ ৬ষ্ঠ শ্ৰেণীত পঢ়োতে মাহীযেক আৰু মাকে শিকাই দিয়া বৰগীত এটা এখন ৰাজহুৱা সভাত গাইছিল। সেইকালত তেওঁ গান-গোৱাৰ প্ৰেৰণা পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ পৰাই লাভ কৰিছিল। তেজপুৰৰ ৰাজহুৱা সভাত গোৱা এই বৰগীতটোৱে তেওঁৰ জীৱনৰে পট সলাই দিলে। ল'ৰাটোৱে ভাল গান গাব পৰা কথাটো তেজপুৰৰ চাৰিওফালে আলোচনা হ'বলৈ ধৰিলে। খাটি জুহুৰীৰ দৰে খাটি সোণ বিচাৰি ফুৰা দুজন মানুহে লগে লগে সেই প্ৰতিভাৰ অন্বেষণ চলালে । তেওঁলোকে এদিন নীলকান্ত হাজৰিকাৰ ঘৰত উপস্থিত হ'ল। সেই বিশিষ্ট ব্যক্তি দুগৰাকী আছিল জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ। আগেয়ে সেই মানুহ দুজনৰ শিশু হাজৰিকাই নাম শুনিছিল, দেখা নাছিল। সেইদিনাইহে তেওঁ তেওঁলোককক দেখিছিল আৰু তেওঁলোকে তেওঁক গা মূৰ পিহি মৰম কৰাত তেওঁলোকৰ প্ৰতি শ্ৰদ্ধাত মূৰ দো খাইছিল। পিছত তেওঁলোকে অহাৰ উদ্দেশ্য মাকৰ মুখৰ পৰা শুনিছিল যে, ইন্দ্ৰ মালতী, কাৰেঙৰ

লিগিৰি আৰু শোণিত কুঁৱৰীৰ বাবে গ্ৰামোফোনত ৰেকৰ্ড কৰিবলৈ তেওঁক কলিকতালৈ নিব খুজিছে। ডঃ হাজৰিকাৰ এনেদৰেই সংগীত জীৱনৰ আৰম্ভণি জ্যোতি-বিষ্ণুৰ সৈতে প্ৰথম সান্নিধ্য।

জীৱনৰ দহ বছৰতে অৰ্থাৎ ৬ষ্ঠ শ্ৰেণীৰ ছাত্ৰ হাজৰিকাই ৰচিছিল আৰু গাইছিল--'কুসুম্বৰ পুত্ৰ শংকৰ গুৰুৱে।' সেই দিনটোৰ পৰা পৰ্বতৰ টিঙৰ পৰা যেন মণি নোপোৰা ভাৱে নিৰন্তৰ সাধনাৰে, গন্ধৰ্ব ধ্যানেৰে তেওঁ সৃষ্টি কৰিছে বাবে ৰঙী সুৰৰ উপচি পৰা সংগীতৰ পথাৰ। তাকে নগাওঁ কিশলয় সাংস্কৃতিক গোষ্ঠী আৰু সাংস্কৃতিকপ্ৰেমী মিলিত হৈ 'নগাঁৱ জিলা ভূপেন্দ্ৰ-সংগীত সমিতি' গঠন কৰিছিল। এই সমিতিৰে উদ্যোগত ১৯৮২ চনৰ ১২ আগষ্টত প্ৰথমবাৰৰ বাবে অসমত 'সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতা অনুষ্ঠিত হৈ গৈছে। তেওঁৰ সংগীত সাহস, উদ্দীপনা আৰু জাতীয়তাবোধৰ--

আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।'
'পুত্ৰ হৈ মই কিমতে তৰোঁ?
আই তোৰে হৈ মই মৰোঁ?'
'বিপদৰ কালতো মাহ হালধিৰে
জাতিটোক দেহমন ধুৱাবাচোন'
'নতুন অসম গঢ়িম'
'অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ'
'জিলিকাব লুইতৰে পাৰ'
তেওঁৰ সংগীত অতীত প্ৰীতিৰ--
--'আকাশী যানেৰে'
--'চিয়াঙৰে গালং।'
'কহিমাৰে আধুনিকা ডালিমী।'
--'মিচিং ডেকাটি।'
'মংগলদৈ তোমাৰে নাম।'
'টিহু হ'ল তোমাৰে নাম।'
ডিফু হ'ল তোমাৰে নাম।'

তেওঁৰ সংগীত শ্ৰদ্ধাৰ সৌৰৰণি—
—'তেৰশ চৌৱন্নৰ মাঘঁৰে মাহতে'
—'মহা মানৱৰ ত্যাগ অগনিয়ে'
—জ্বেঠৰে তেৰৰে দুপৰীয়া'
—'নাই নাই নাই হেনো'
তেওঁৰ সংগীত সম্প্ৰীতি-ঐক্যৰ—
—'ঘৰত নহ'বে মন সমনীয়া'
—'আজি মালিক বহে, নৱ বহে এ আৰু বহে নিৰ্মলপ্ৰভা—
হিন্দু মুছলমান বহে, বহে বড়ো ৰাভা।
সুভাষ মুখোপাধ্যায় আজি হে আমাৰ মাজত আছে।
বংগ অসমৰে সেতু কবিতাৰে ৰচে।'
—'গংগা মোৰ মা পদ্মাও মোৰ মা'
—'ৰাম ৰহিমে ঘাম মচি এটা জাতি গঢ়িছে'
—'মহাত্মাই হাঁসি বোলে, ৰাম অ' ৰহিম',
তেওঁৰ সংগীত বহাগৰ উম—
—'বহাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।'
—'বিহুটি ঐ বছৰি আহিবা
অসমী আইকে জগাবাচোন
বিপদৰ কালতো মাহ হালধিৰে
জাতিটোৰ দেহমন ধুৱাবাচোন।'
তেওঁৰ সংগীত ৰণ কবচ—
—'ৰণ ক্লান্ত নহও?
সেই মুহূৰ্তলৈ
যি মুহূৰ্ততে
মোৰ সীমান্ততে
শেষ শত্ৰু দৈত্যটিৰ
নহয় মৰণ।'

—'কত জোৱানৰ মৃত্যু হ'ল'
—'বুকু হম হম কৰে'
তেওঁৰ সংগীত বিদ্ৰোহৰ ফিৰিঙতি—
—'আহ আহ ওলাই আহ'
'মুক্তি কামী লক্ষ্যজনৰ'
—'ৰাইজ আজি ভাৱৰীয়া
—'জুই লৈ নেখেলিবি'
—'লুইত পৰীয়া ডেকা বন্ধু
তোমাৰ তুলনা নাই
জীয়াই থকাৰ যুঁজত নামিছা
মৃত্যু শপত খাই।'
—'ছহিদ প্ৰণামো তোমাক
লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা
তুমিয়েতো বুকু পাতি দিলা
ভাৰতীয় নুলমী জীক বচাবলৈ
তুমিযেতো মৃত্যু কৰিলা।'
তেওঁৰ সংগীত অমাতৰ মাত—
—'ৰং কিনিবা কোনে।'
—'আমি ভাইটি-ভণ্টি।'
—'ভুপেন মামাৰ
গীতে মাতে অ আ, ক খ'
—'চেনেহৰ অকণি বীৰ'
তেওঁৰ সংগীত কবিৰ হিয়াৰ গান—
—'কাণপাতি শুনো মই বুজিব নোৱাৰোঁ
চকুমেলি চাওঁ মই মনিব নোৱাৰো।
চকু মুদি ভাবো মই ধৰিব নোৱাৰো
হেজাৰ পাহাৰ মই বগাব নেজানোঁ
নিশাৰ চিঞৰটিৰ প্ৰতিধ্বনি শুনো
প্ৰতিধ্বনি শুনো।'
—'ফুলটো নহয় এইয়া মৰমেৰে জুই'

—'এটুকুৰা আলসুৱা মেঘ ভাঁহি যায়।'
—'জুগনুৰ দেহা কুন্দত কটা
মাদল কাঠৰ ৰং
তাকে দেখি ৰাধাই হাঁহে
কত যে তাইৰ ঢং।'
—'কপি উঠে কিয় তাজমহল'
—'আগলি বাঁহৰে যদি লাহৰী গগনা
শুনিব খুজিছা যদি বজাই শুনাম মইনা।'
—'জিক মিক দেৱালীৰ বন্তি জ্বলে
এন্ধাৰত কান্দে কোনে অকলে অকলে।'
—'গুপুতে গুপুতে কিমান খেলিম।'
—'সাগৰ সংগমত'
—'শীতৰ সেমেকা ৰাতি'
—'মেঘে গিৰ গিৰ কৰে'

তেওঁৰ আনটো তেজোদ্দীপ্ত আৰু কলা নৈপুণ্যৰ প্ৰকাশ হ'ল, তেওঁৰ পৰিচালনা কৰা ছবিসমূহ চলচ্চিত্ৰৰ সংগীত আৰু পৰিচালনা। চলচ্চিত্ৰৰ সংগীত পৰিচালনাৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সন্মানৰ বাহিৰেও বিদেশতো সন্মানিত হৈছে। তেওঁৰ পৰিচালনা ক ৰা ছবিসমূহ— এৰা বাটৰ সুৰ (১৯৫৬), মাহুত বন্ধুৰে (১৯৫৮), শকুন্তলা (১৯৬১), প্ৰতিধ্বনি (১৯৬৪), লটিঘটি (১৯৬৬),ভাগ্য (১৯৬৮), চিকমিক বিজুলী (১৯৬৯) মেৰাধৰম মেৰি মা (১৯৭৫), ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু জয়মতী (১৯৭৬), মন প্ৰজাপতি (১৯৭৯), ছিৰাজ (১৯৮৯), মিৰি জীয়ৰী (১৯৯০)। তেওঁ সংগীত পৰিচালনা কৰা অসমীয়া ছবিসমূহ—পিয়লি ফুকন, ধুমুহা, কেঁচাসোণ, সতী বেউলা, এৰাবাটৰ সুৰ, পুৱতি নিশাৰ সপোন, শকুন্তলা, মণিৰাম দেৱান, প্ৰতিধ্বনি, লটিঘটি, চিকমিক বিজুলী, খোজ, চামেলি মেম চাব, কাঁচঘৰ, পলাশৰ ৰং, বনহংস বনজুই, মন প্ৰজাপতি, অকণ, অপৰূপা, অংগীকাৰ, যুগে যুগে সংগ্ৰাম, মা, সংকল্প, চিৰাজ, প্ৰিয়জন, অশান্ত প্ৰহৰ, পানী গজমুক্তা আদি। হিন্দী ছবিসমূহ আৰোপ, মেৰা ধৰম মেৰী মা, টুয়েণ্টি চেভেন ডাউন, চামেলি মেম চাব, অপেক্ষা, একপল, ৰুদালি আদি। ভোজপুৰী ছবি—ছুট মাইয়া কী মহিমা। বাংলা ছবিসমূহ— কড়ি ও কমল, জীৱন তৃষ্ণা, জোনাকীৰ আলো, মাহুত বন্ধুৰে, দুই বেচেৰা, এখানে পিঞ্জৰ, সীমানা পেড়িয়ে,

চামেলি মেম চাব, নাগ পাশ, দম্পতী, গজমুক্তা আদি। দূৰদৰ্শন কাহিনী আৰু চিৰিয়েল--স্বীকাৰোক্তি, লোহিত কিনাৰে, মিৰি জীয়ৰী, ব্ৰু মেলডি এশু বিডম। তথ্যচিত্ৰ—ফৰ হুম দা চান চাইন, এমুঠি চাউলৰ কাহিনী আদি।

অসমীয়া চলচ্চিত্ৰ ইতিহাসৰ গৌৰৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাত শুভ উদ্বোধন কৰিছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই। উল্লেখ্য যে, এই চলচ্চিত্ৰৰ লগত ডঃ হাজৰিকা প্ৰত্যক্ষ ভাৱে জড়িত নাছিল যদিও এই চলচ্চিত্ৰ ১৯৪৮ চনত পুনঃ নিৰ্মাণ কৰোতে শব্দগত কাৰিকৰী আৰু সংগীতৰ উৎকৰ্ষ সাধনত প্লেবেক কৰিছিল ডঃ হাজৰিকাই। জ্যোতিপ্ৰসাদৰ 'ইন্দ্ৰমালতী'তো (১৯৩৯) তেওঁ শিশু ভাও লৈছিল আৰু প্লেবেক কৰিছিল। বদন বৰফুকনৰ (১৯৪৬) অভিনয় আৰু প্লেবেক শিল্পী, বিপ্লবীৰ (১৯৪৭) গীতিকাৰ সুৰকাৰ-প্লেবেক শিল্পী, চিৰাজৰ (১৯৪৮) অভিনয়-গীতিকাৰ-সুৰকাৰ-প্লেবেক শিল্পীৰূপে ডঃ হাজৰিকাৰ কৃতিত্ব স্মৰণীয়।

সংগীত পৰিবেশন কৰোতে কেনে গুণৰ আৱশ্যক তাৰ ব্যখ্যা বিচাৰোতে তেওঁ কয়, 'সংগীত এটা পৰিবেশন কৰোতে সুৰটোলৈ গুৰুত্ব দিব লাগে। সুৰটো কি ৰোমাণ্টিক নে বৈপ্লবিক, সুখৰ নে দুখৰ, আনন্দৰ নে নিৰানন্দৰ তাক বুজিব লাগে।' তেওঁৰ হেনো গীত ৰচিবলৈ বহিলে সুৰ এটাও সমান্তৰালকৈ আহি যায। তেওঁ কয যে তেওঁ গীত পৰিবেশন কৰিবলৈ লওঁতে, তেওঁ গীতৰ কথাৰ লগত এক হৈ যায। ডঃ হাজৰিকাৰ গানৰ এটা অভিনব আৰু সোৱাদ লগা গতিশীল ৰীতিটো তেওঁ পল ৰ'বছনৰ পৰা আহৰণ কৰা বুলি কৈছে।

সংগীতত তেওঁৰ এই প্ৰখ্যাতিৰ গুৰিতে তেওঁ জ্যোতিপ্ৰসাদৰ নামটি উল্লেখ কৰিছে। ভাৰতীয শাস্ত্ৰীয সংগীতৰ ব্যাকৰণ জ্ঞান বংশীলাল পাণ্ডেৰ পৰা আহৰণ কৰিছিল বুলি কয। ১৯৩৬ চনত তেওঁ বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত 'উলাহেৰে নাচি বাগি হলি বিয়াকুল' গাইছিল। ১৯৩৯ চনত তেওঁ প্ৰথমবাৰৰ বাবে কলিকতা অনাতাঁৰ কেন্দ্ৰত তেওঁৰ পিতৃ নীলকান্ত হাজৰিকাৰ ৰচিত সংগীত—'অ' মইনা কেতিয়া আহিলি তই' পৰিবেশন কৰিছিল। চৈধ্য বছৰ বযসতে জ্যোতিপ্ৰসাদে 'ইন্দ্ৰমালতী', 'জয়মতী', আৰু 'শোণিত কুঁৱৰী'ত গান গোৱাইছিল।

'ইন্দ্ৰমালতী'ত 'বিশ্ব বিজয়ী ন জোৱান' গাই ডঃ হাজৰিকাই জনমানসত বিশেষভাবে প্ৰবেশ কৰিছিল। এই সময়তে ৰচিছিল প্ৰখ্যাত গান—'অগ্নি যুগৰ ফিৰিঙতি মই।' তেওঁৰ প্ৰথম গ্ৰামোফোনৰ ৰেকৰ্ড দুখনৰ এখনৰ গীত দুটা হৈছে— 'কাষতে কলচী লৈ' আৰু 'উলাহতে নাচি বাগি।' আনখন ৰেকৰ্ডৰ গীতচ দুট'—'কোন কলীয়াই'

আৰু 'আজলী হিয়াৰ মাজে।' ১৯৪৮ চনৰ পৰা তেওঁ আজি পৰ্যন্ত অনাতাঁৰ কেন্দ্ৰতো গান গাই আছে।

সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰত তেওঁ এতিয়ালৈ প্ৰবন্ধ সংকলন সুন্দৰৰ ন দিগন্ত, সুন্দৰৰ সৰু বৰ আলিয়েদি, সময়ৰ পৰী ঘোঁৰাত উঠি আদি আৰু গীতি-সংকলনৰ ভিতৰত জিলিকাব লুইতৰে পাৰ, সংগ্ৰাম লগ্নে আজি, আগলি বাঁহৰ লাহৰি গগনা, বহ্নিমান ব্ৰহ্মপুত্ৰ আদি প্ৰকাশ কৰিছে। কাকত আলোচনীৰ ভিতৰত নিউ ইণ্ডিয়া, গতি বিন্দু আমাৰ প্ৰতিনিধি আৰু প্ৰতিধ্বনি সম্পাদনা কৰিছে।

ৰাজনীতিৰ ক্ষেত্ৰলৈ আহি তেওঁ নাওবৈচা সমষ্টিৰ এবাৰ বিধায়ক আৰু ১৯৭১ চনত লোকসভাৰ মধ্যকালীন নিৰ্বাচনৰ প্ৰাৰ্থী হৈ পৰাজিত হয়।

১৯৯৩ চনত ডঃ হাজৰিকাক ১৯৯২ চনৰ বাবে ভাৰতৰ চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সম্মান 'দাদা চাহেব ফালকে বঁটা'ৰ নিচিনা বিৰল সন্মানেৰেও সন্মানিত কৰাত অসমবাসী গৌৰবান্বিত হৈ পৰিছে। ক'বলৈ গ'লে, এই বঁটা তেওঁৰ সমস্ত জীৱনৰ কলা সাধনাৰ এক ডাঙৰ স্বীকৃতি বুলিব পাৰি। এই বঁটা ভাৰতৰ 'ফৰ দা আউট ষ্টেণ্ডিং কণ্ট্ৰিবিউচন টু দা কজ অব ইণ্ডিয়ান চিনেমা'ৰ বাবে প্ৰতি বছৰে আগবঢ়োৱা হয়। ১৯৬৯ চনত এই বঁটা প্ৰথম লাভ কৰে দেৱীকা ৰাণীযে। তাৰ পিছত বি-এন সৰকাৰ, পৃথ্বিৰাজ কাপুৰ, পংকজ মল্লিক, সুলোচনা (ৰুবী মেযাৰ্চ) বি-এন ৰেড্ডি, ধীৰেণ গাংগুলী, কানন দেৱী, নিতিন বোস, ৰাইচাঁদ বডাল, সোহৰাব মোদী, পি জযৰাজ, নৌশাদ আলি, এল, ভি প্ৰসাদ, দুৰ্গা খোটে, সত্যজিৎ ৰায, ভি শান্তৰাম, বি নাগি ৰেড্ডি, ৰাজকাপুৰ, অশোক কুমাৰ, লতা মংগেশকাৰ, এ নাগেশ্বৰ ৰাও, ভালজী পেন্ধাৰকৰ আদিয়ে লাভ কৰে। ধুন্দিৰাজ গোবিন্দ ফালকে অৰ্থাৎ দাদা চাহেব ফালকে, যাৰ চিনাকি ভাৰতীয় কাহিনী চিত্ৰৰ প্ৰথম নিৰ্মাতাৰূপে। তেওঁ ১৯১৩ চনৰ ৩ মে' তাৰিখে বহু ত্যাগ স্বীকাৰ কৰি ভাৰতত প্ৰথমখন কাহিনী চিত্ৰ নিৰ্মাণ কৰি উলিয়াইছিল। ১৯৬৯ চনৰ পৰা সৰ্বভাৰতীয় চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰাৰ লগতে এই চনৰ পৰাই এইজন দাদা চাহেব ফালকেৰ নামত 'দাদা চাহেব ফালকে বঁটা'ও প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয। ১৯৯৩ চনৰ ৫ মে' তাৰিখে নতুন দিল্লীত অনুষ্ঠিত এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ শংকৰদয়াল শৰ্মাৰ হাতৰ পৰা ডঃ হাজৰিকাই এই বঁটা লাভ কৰাৰ পিছত, তেওঁৰ মনৰ প্ৰতিক্ৰিয়া সম্পৰ্কে জানিবলৈ লগ কৰোঁতে ডঃ হাজৰিকাই আমাক কয, "এই সন্মানে মোক সমাজৰ প্ৰতি নিজৰ দাযবদ্ধতা বঢ়োৱা বুলি ভাবিছোঁ। মই সদায় চেষ্টা কৰিম যাতে আমাৰ সংস্কৃতিয়ে বিশ্বত আগ স্থান লাভ কৰি আমাৰ জাতীয় তথা দেশীয় গৌৰৱ বিশ্ববাসীৰ মাজত ঘোষিব পৰাকৈ সামৰ্থ্যতা লাভ কৰিব পাৰে।

ডঃ হাজৰিকাৰ জন্ম ১৯২৬ চনত, শদিয়াৰ এখন আদি গাঁৱত। পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকা। তেওঁলোকৰ দহোটা সন্তান। ডঃ হাজৰিকা পিতৃ মাতৃৰ প্ৰথম সন্তান। বাকী কেইবাগৰাকী হৈছে- অমৰ হাজৰিকা, প্ৰবীণ হাজৰিকা, সুদক্ষিণা শৰ্মা, নৃপেন হাজৰিকা, বলেন হাজৰিকা, কবিতা বৰুৱা, স্তুতি পেটেল, জয়ন্ত হাজৰিকা, সমৰ হাজৰিকা। নীলকান্ত হাজৰিকাৰ আচল ঘৰ নাজিৰাৰ আমোলাপট্টিত। শান্তিপ্ৰিয়া হাজৰিকা গুৱাহাটী ভৰলুমুখৰ জীয়াৰী । চাকৰিৰ দায়িত্বত নীলকান্ত হাজৰিকাই শদিয়া, ধুবুৰী, তেজপুৰ, গুৱাহাটী আদি বিভিন্ন ঠাইত ঘূৰি ফুৰিব লগা হৈছিল। ডঃ হাজৰিকাই তেওঁৰ সংগীতপ্ৰাণ মনটো শৈশৱতে ঘৰখনৰপৰাই লাভ কৰিছিল। তেওঁৰ পিতাক শিক্ষক, ধুবুৰী বিদ্যালয়সমূহৰ উপ পৰিদৰ্শকৰ পিছত তেজপুৰলৈ মাটিৰ হাকিম হৈ আহে। বাণ ৰজাৰ এই শোণিতপুৰেই ডঃ হাজৰিকাক শিল্পী জীৱনৰ বৰ ভেটি গঢ়ি দিযে।তেজপুৰত থকা সেই সময়ছোৱাতে তেওঁ সান্নিধ্য লা ভ কৰিছিল অসমীযা সংস্কৃতি জগতৰ প্ৰবাদ পুৰুষ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাক।

ডঃ হাজৰিকাই শৈশৱৰ শিক্ষালাভ কৰিছিল গুৱাহাটীৰ ভৰলুমুখৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা। তেজপুৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯৪০ চনত প্ৰৱেশিকা, ১৯৪২ চনত কটন কলেজৰ পৰা ইণ্টাৰমিডিয়েট, ১৯৪৪ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু ১৯৪৫ চনত ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। Role of Mass Communication in India's Adult Education' বিষযত অধ্যয়ন কৰি আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা 'ডক্টৰেট' উপাধি লাভ কৰে। তেওঁ শ্ৰীপ্ৰিযম্বদা পেটেলৰ (প্ৰিয়ম হাজৰিকা) লগত বিবাহ পাশত আবদ্ধ হয়। এতিয়া তেওঁ থাকে কেনাডাত। তেওঁলোকৰ পুত্ৰ এজন। তেওঁ থাকে নিউয়ৰ্কত। ডঃ হাজৰিকাই কিছুদিন বি-বৰুৱা কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়তো অধ্যাপনা কৰিছিল। ১৯৪৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাত, উক্ত অনুষ্ঠানৰ লৈতে তেওঁ জড়িত হৈছিল। ডঃ হাজৰিকাৰ সেবা আজি বহুমুখী।

ডঃ হাজৰিকাই বৰ্তমান দুৰ্যোগপূৰ্ণ আৰু আৰু এনাজৰীত ঘূণ লগা অসমখনক সনম্বয় বাহিনীৰ দ্বাৰা নতুনকৈ গঢ়াৰ বৃহৎ পৰিকল্পনাৰ কথা উল্লেখ কৰা আমি লক্ষ্য কৰিছোঁ। তেওঁ প্ৰস্তুত কৰা সেই পৰিকল্পনাৰ সম্পৰ্কত কয়— "মই আজি এহেজাৰ যুৱক-যুৱতী, সাহিত্য -কৰ্মী, সংস্কৃতি কৰ্মী বিচাৰিছো- এটি বাহিনীৰ বাবে ।এই এহেজাৰ স্বেচ্ছাসেৱক, সেৱিকা, সকলো জাতি ভাষা গোষ্ঠীৰ আৰু জনগোষ্ঠীয় সাহিত্য সভাৰ লৈতে জড়িত লোক হ'ব লাগিব। যেনে— বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা,

কাৰ্বি সাহিত্য সভা, নেপালী সাহিত্য সভা, মণিপুৰী সাহিত্য সভা, বৰাকৰ সাহিত্য সভা প্ৰমুখ্যে আন আন ভাষা গোষ্ঠীৰ পৰা আহিব লাগিব এই বাহিনীৰ কৰ্মীবৃন্দ। আজিৰ পৰা এটা বছৰ, অসমৰ মানচিত্ৰখন চাই সমন্বয় মঞ্চই কাম ত্বৰান্বিত কৰিব পাৰিব-সাহিত্য সৃষ্টিৰ মাজেৰে। আৰ্থ সামজিক উন্নয়নৰ প্ৰকল্প যেনে — কৃষি পাম, কুটীৰ শিল্প, ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প আদিৰ ওচৰতে যদি পোৱা হয় সেই স্থানৰ নিকট স্থানত সাহিত্য কৰ্মশালা পাতি কবিতা কৰ্মশালা, লোক সাহিত্য কৰ্মশালাৰ পৰিকল্পনা ল'ব পাৰিব। কৌটিকলীয়া এনাজৰী, য'তেই ছিগি যাব খুজিছে তাতে পুননিৰ্মাণ কৰিবলৈ তালৈকে আন্তৰিকতাৰে লৰৰি যাব এই বাহিনী। প্ৰতি স্বেচ্ছাসেৱক-সেৱিকাৰ মন হ'ব লাগিব উদাৰ—সমন্বয়ৰ জৰী সবল কৰাৰ অৰ্থে সকলো প্ৰকাৰৰ দলগত ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা আৰু স্বাৰ্থৰ উৰ্ধত থাকি কাম কৰিবলৈ সাজু থাকিব লাগিব এই বাহিনী — জীৱনৰ স্ৰোত বন্ধ কৰি দিয়া ৰাজনৈতিক বিস্ফোৰণ বা ৰাজনৈতিক 'বন্ধ' অথবা কাৰ্ফুৰ কবলৰ পৰা ভয়াবহ স্থানতো আমাৰ এই বাহিনীয়ে শিশুৰ দুগ্ধ বিতৰণকাৰী বা ৰেডক্ৰছৰ দৰে মুমুৰ্ষুজনক নিশ্বাস ওভতাই দিয়াৰ দৰে নিস্বাৰ্থ সেৱা কৰাৰ দৃষ্টিভংগী থাকিব লাগিব- এনে এক পৰিস্থিতিত—

সুখ নাই দুখ নাই
একো যেন নাই।
হাঁহি নাই
চকুৰো অশ্ৰু শুকায়
নৈ আছে পানী নাই
সৰু বৰ ঢৌ নাই
জীয়াই থকাৰ নাই
অকণো জোৱাৰ
ঘড়ীৰ কাঁটা নাই
সময়ৰ গতি নাই
সময়ে বগৰাব নোৱাৰে হেঙাৰ,
সময়ত দেখো আজি
ভাগি ছিগি যায়
এই ভয়াবহতা ক্ষণে
নিহিত প্ৰতিজ্ঞনে

গলি যোৱা আইনাত
মুখবোৰ চায়
কাৰ নীতি কেনি যায়
পৰিণতি একো নাই
মৃত্যুৱে দিনে ৰাতি
পাশা খেলি যায়।
সুন্দৰতা আজি অসমতে প...।।

এই বাহিনীৰ নামকৰণ কৰিছোঁ-সমন্বয় বাহিনী—এই সমন্বয় বাহিনীৰ দৃষ্টিভংগী হ'ব মানৱতাবাদ আৰু শান্তি

অস্ত্ৰ হ'ব জি ইউ এন GUN নহয়—"

নিঃসন্দেহে অসমীয়া সংগীত জগতৰ প্ৰবাদপুৰুষ, অসমীয়া কলাৰ আৰ্হি পুৰুষ ডঃ হাজৰিকা এই সামাজিক প্ৰাণটো নিষ্কলুষ, স্বচ্ছ, স্বাৰ্থশূন্য। এনে সেৱাকে ডঃ হাজৰিকাই নিজে নামকৰণ কৰিছে সচাঁ উদাৰতাৰূপে।

'যিমানে বিলাই দিবা
সিমানে মহান হবা
তাৰে নাম সচাঁ উদাৰতা।'

আজি এই মুকুতা মালাধাৰিকে ওলোটাই ডঃ হাজৰিকাকে আমি পিন্ধাই দিবলৈ ওলাইছো। তাৰে নাম থলোঁ, উদাৰতাৰ অন্য নাম ডঃ ভূপেন হাজৰিকাৰূপে।

ডঃ লীলা গগৈ



"আমাক এখন আধুনিক বিজ্ঞান সম্মত বুৰঞ্জী লাগে। অসমৰ বুৰঞ্জী। কোনখন অসমৰ? আজিৰ ৰাজনীতিয়ে ভেটা মাৰি দিয়া জকাইচুকীয়া অসম নে তাহানিৰ উত্তৰে হিমালয় পৰ্বত, দক্ষিণে সাগৰৰ পাৰ, পূবে পাটকাই পৰ্বত আৰু পশ্চিমে আজিৰ বিহাৰ ৰাজ্যৰো এছোৱা সামৰি থকা প্ৰাগ্‌জ্যোতিষ কামৰূপ অসম? ভৌগোলিক অসম নে সাংস্কৃতিক অসম? আজিৰ অসমৰ বুৰঞ্জী লিখিবলৈ হ'লে তাহানিৰ প্ৰাগ্‌জ্যোতিষ কামৰূপৰ সীমা ধৰি বিষয়-বস্তু বিচাৰ কৰিব লাগিব। সেইদৰে ৰজাৰ বা ৰজা ঘৰৰ বুৰঞ্জী নহৈ দেশৰ মানুহৰ বুৰঞ্জী লিখিব খুজিলেও সকলো জাতি-গোষ্ঠীৰ মানুহৰ জীৱনৰ সম্যক বাতৰি দিব লাগিব। ভাৰতবৰ্ষলৈ অহা মূল জনগোষ্ঠী অষ্ট্ৰিক, দ্ৰাবিড়, মংগোলীয়, নেগ্ৰিটো, আলপাইন আৰু নৰ্দিক আৰ্য্যৰ তেজৰ সংমিশ্ৰন ঘটি যেনেকৈ ভাৰতীয় জাতিটো গঢ় লৈ উঠিছে, তেনেকৈ অসমৰ পৰিবেশত অসমীয়া জাতিটোও গঢ় লৈ উঠিছে। মানুহৰ শ্ৰী-চেহেৰা, অভ্যাস-ৰীতি আদিত ভৌগলিক প্ৰভাৱ অনন্য। লুইতৰ উপত্যকা আৰু পৰ্বত উভয়ৰে ভৌগলিক পৰিবেশ একে, গতিকে সাংস্কৃতিক বিষয়ত পৰ্বত-ভৈয়াম উভয়তে কিছুমান উমৈহতীয়া লক্ষণ আছে, জীৱন-ধাৰণৰ পদ্ধতিৰ

ক্ষেত্ৰতো সেয়ে। এই মূল কথাখিনি অনুধাৱন কৰি আমি এখন আধুনিক বিজ্ঞানসন্মত বুৰঞ্জী ৰচনা কৰিব লাগিব।"

অসমৰ এখন আধুনিক বিজ্ঞানসন্মত বুৰঞ্জী ৰচনা কৰাৰ বাবে এনেদৰে পৰিকল্পনা কৰা বিশিষ্ট বুৰঞ্জীবিদ তথা সাহিত্যিকগৰাকী হ'ল ডঃ লীলা গগৈ। অসমৰ মানুহৰ বিষয়ে লিখিব খোজা এই বিস্তৃত বুৰঞ্জীখন সম্পৰ্কে তেওঁ আৰু কৈছে, "কিন্তু আমাৰখন বুৰঞ্জীত থাকিব মানুহৰ গতিশীল জীৱনৰ ইতিহাস। ক'ৰ মানুহ, কেনেকৈ আহি, মূল জাতীয় জীৱনৰ ঘাই সুঁতিটোত মিলি গৈ স্থানীয় মানুহৰ পৰা কিমান গ্ৰহণ কৰিলে আৰু কিমান বৰঙণি দিলে তাৰ বিবৰণ তাত সন্নিবিষ্ট হ'ব লাগিব। ইয়াৰ বাবে যথাৰ্থতে জনচেৰেক কষ্টসহিষ্ণু, অধ্যৱসায়ী, অনুসন্ধিৎসু কৰ্মী লাগিব। ইয়াৰ ভিতৰত কেৱল বুৰঞ্জী বা ৰাজনীতি চৰ্চা-অধ্যয়নকাৰী লেখকৰে নহ'ব, সমাজনীতি, নৃতত্ত্ব, ধৰ্ম আদি বিষয়ৰো সম্যক জ্ঞান লাগিব। আজিকালি অসমৰ বিষয়ে একান্ত উদ্দেশ্য প্ৰণোদিত ভাবে লিখা দুই-এখন গ্ৰন্থও দেখা যায়। দুই-এটা তেনে প্ৰবন্ধেৰে জেওৰা লগোৱাও দেখা যায়। এই ক্ষেত্ৰত ন্যস্ত স্বাৰ্থই কাম কৰি থাকে। এনে বিধৰ লেখকৰ পৰা দূৰৈত থাকিব লাগিব। অনুভূতি আৰু উচ্ছ্বাসেও আউল লগায়। ইয়াৰপৰা মুক্ত হৈ ৰাজতৰংগিনীৰ আদৰ্শৰে বীতৰাগ-ভয়-দ্বেষ হৈ বুৰঞ্জী লিখিব লাগিব। সংশ্লিষ্ট বিষয়সমূহৰ সহায়কাৰী গৱেষকসকলে সমল বিচাৰি যোগাৰ দিব। আমাৰ এষাৰ কথা আছে, "ৰাজহুৱা মেলে ফটা জালে সমান।" কিন্তু যথাৰ্থতে "সংহতি কাৰ্যসাধিকা।" আশাশুধীয়াকৈ কাম কৰিলে অসাধ্য একো নাই।"

লীলা গগৈৰ জন্ম হয় ১৯৩০ চনৰ ২৫ নবেম্বৰত (কোনো কোনোৰ মতে ১৯২৮ চন), শিৱসাগৰৰ চেৰেকাপাৰ হাতীমূৰীয়া গাঁৱত। তেওঁৰ পিতাকৰ নাম ধনীৰাম গগৈ আৰু মাকৰ নাম সৰুমলা গগৈ। সৰুতে বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ নগৰৰ ঐতিহ্যই তেওঁক বাৰুকৈ মোহিত আৰু আকৰ্ষিত কৰিছিল। বিশেষকৈ প্ৰাচীন কীৰ্ত্তিচিহ্ন শিৱসাগৰ পুখুৰী, ৰংঘৰ, কাৰেং ঘৰ, গড, শিলৰ সাঁকো আৰু দ'ল-দেৱালয়সমূহৰ উপৰিও তেওঁ চিত্ত আকৰ্ষণ কৰিছিল সাঁচিপতীয়া পুথি, ফুল-কোঁৱৰ, মণি-কোঁৱৰ, চিকণ সঁৰিয়হৰ গীতসমূহে। এসময়ত খৃষ্টান মিচনেৰীসকলে 'অৰুনোদই' কাকত প্ৰকাশ কৰিছিল এই শিৱসাগৰ নগৰৰ পৰাই। তেওঁ শিক্ষাৰম্ভ কৰে চেৰেকাপাৰ প্ৰাথমিক বিদ্যালয়ত। তাৰপিছত তেওঁ শিৱসাগৰ চৰকাৰী এম, ভি স্কুলত ভৰ্তি হয়। ১৯৫০ চনত তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উঠিয়ে ঘৰুৱা দুৰৱস্থাৰ কাৰণে শিৱসাগৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫৪ চনত তেওঁ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত গৱেষক পদত নিযুক্ত হয়। সেই সময়ত উক্ত বিভাগৰ

সঞ্চালক আছিল ডঃ সূৰ্য কুমাৰ ভূঞা। ১৯৫৬ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা আৰু জনজাতীয় সংস্কৃতি বিভাগত গৱেষকৰূপে নিযুক্ত হয়। এই সময়চোৱাতে তেওঁ "নতুন অসমীয়া" বাতৰি কাকততো সম্পাদনা বিভাগত কাম কৰিবলৈ লয়। ১৯৫৮ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতক আৰু ১৯৬২ চনত উক্ত বিশ্ববিদ্যালয়ৰপৰাই স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৬০ চনত তেওঁ শিৱসাগৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৬৩ চনত তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত "স্পকেন-ৱৰ্ড" প্ৰডিউচাৰপে কাম কৰে। ১৯৬৪ চনৰপৰা তেওঁ শিৱসাগৰ মহাবিদ্যালযত অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয়। ১৯৬৫ চনত তেওঁ চন্দ্ৰপ্ৰভা গঁগৈৰ লগত বিবাহ পাশত আৱদ্ধ হয়। তেওঁলোকৰ কন্যা সন্তান দুগৰাকী হ'ল — জুৰি গঁগৈ আৰু লনি (বুলি) গঁগৈ। ১৯৬৮ চনৰপৰা তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীযা বিভাগৰ প্ৰবক্তা নিযুক্ত হয। ১৯৭৩ চনত তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি প্ৰস্তুতি সমন্বয সমিতিৰ সচিবৰূপেও কাৰ্যনিৰ্বাহ কৰে। ১৯৮২ চনত তেওঁ 'অসমীযা বুৰঞ্জী-সাহিত্যৰ সমালোচনাত্মক অধ্যযন' শীৰ্ষক গ্ৰন্থৰ বাবে ডিব্ৰুগড বিশ্ববিদ্যালযৰপৰা ডক্টৰেট উপাধি লাভ কৰে। তাৰপিছত তেওঁ অসমীযা বিভাগৰ ৰিডাৰ নিযুক্ত হয। ১৯৮৩ চনৰপৰা ১৯৯০ চনলৈ তেওঁ বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি প্ৰস্তুতি সমন্বয সমিতিৰ সচিবৰূপে অতিৰিক্ত দাযিত্বভাৰ গ্ৰহণ কৰে। ১৯৮৬ চনৰপৰা ১৯৯১ চনলৈ তেওঁ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালকৰূপে কাৰ্য নিৰ্বাহ কৰে। ১৯৯০ চনত তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয় আৰু এই চনতে তেওঁ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে।

ডঃ লীলা গঁগৈয়ে অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢাইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল ঃ বুৰঞ্জীমূলক ঃ বুৰঞ্জীয়ে পৰশা নগৰ (১৯৫৭), হেৰোৱা দিনৰ কথা (১৯৫৭), শৰাইঘাটৰ যুদ্ধৰ কথা (১৯৭৭), বেলি মাৰ গ'ল (১৯৮৩), বুৰঞ্জী সাহিত্য (১৯৮৮), বুৰঞ্জীয়ে কথা কয় (১৯৯১), চিন্তাৰ স্বাক্ষৰ (১৯৯২), বুৰঞ্জীৰ ৰূপৰেখা ঃ শিৱসাগৰ (১৯৯৪), হাঁহি আৰু বাঁহী (১৯৮৫) আদি। লোক সাহিত্য বিষয়ক ঃ মণিৰাম দেৱানৰ গীত (১৯৫৭), অসমীয়া লোক-গীতি (১৯৫৭), জোন বাই এ এটি তৰা দিয়া (১৯৫৭), অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা (১৯৬৮), বিহুগীত আৰু বনঘোষা (১৯৬৯) আদি। সংস্কৃতি মূলক ঃ আহোম জাতি আৰু অসমীয়া সংস্কৃতি (১৯৬১), বিহু ঃ এটি সমীক্ষা (১৯৬৯), টাই সংস্কৃতিৰ ৰূপৰেখা (১৯৭১), সাহিত্য-সংস্কৃতিৰ বুৰঞ্জী (১৯৭২), অসমৰ সংস্কৃতি (১৯৮২) আদি। ৰম্য ৰচনা — ৰূপলিং ছিগা বেজ (১৯৫৯), বিয়েৰিং চিঠি (১৯৭৬), বৃকোদৰ বৰুৱাৰ বিয়া (প্ৰথম খণ্ড, ১৯৭৭), বৃকোদৰ বৰুৱাৰ বিয়া (দ্বিতীয় খণ্ড, ১৯৭৭), বিশেষ কি লিখিম

(১৯৭৮), ঘেৰঘেৰী বাহু (১৯৮১), মুকলি চিঠি (১৯৮৫) আদি। শিশু সাহিত্যমূলক — সোণভৰা (১৯৫৪), খঁৰা শিয়ালৰ বিয়া (১৯৫৪), পোণাকণৰ মৰম (১৯৫৫), অনুপম কোঁৱৰৰ সাধু (১৯৫৯), লাচিত বৰফুকন (১৯৬২), ৰংমনৰ কথা (১৯৬৩), জয়মতী কুঁৱৰী আৰু মুলা গাভৰু (১৯৬৩), ভাৰতৰ কথা (১৯৭২) আদি। উপন্যাস — ডকাইত কোন (১৯৫৭), সৰগৰ মুকুতা (১৯৫৭), নীলা খামৰ চিঠি (১৯৬৩), নৈ বৈ যায় (১৯৮৩) আদি। গীত আৰু কবিতা — গীতি মালঞ্চ (১৯৬৪), সোণালী (১৯৭৮), জোনাকৰ গীত (১৯৭৯) আদি। প্ৰবন্ধ বিষয়ক — সাহিত্য-সংস্কৃতিৰ বুৰঞ্জী (১৯৭২), সাহিত্য ঃ দুটিমান আলোচনা (১৯৮৩), চিন্তাৰ স্বাক্ষৰ (১৯৯১) আদি। অনুবাদমূলক — বংগৰ লোক-সংস্কৃতি (১৯৮৩), সম্পাদনা — অসমীয়া সংস্কৃতি (১৯৬৬), অসমীয়া গ্ৰন্থপঞ্জী (১৯৭২), কুমাৰ হৰণ (১৯৭২), কালিয়া দমন (১৯৭১), চোৰধৰা (১৯৭২), যতীন্দ্ৰনাথ দুৱৰা ঃ কবি আৰু কবি প্ৰতিভা (১৯৮৭), আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় (১৯৯০) আদি। ১৯৬৩ চনত প্ৰকাশিত 'সীমান্তৰ মাটি আৰু মানুহ' আন এখন মূল্যবান গ্ৰন্থ। তেওঁৰ ৰচিত ইংৰাজী গ্ৰন্থ হ'ল — The Tai Khamtis North-East India (1971), The Buranjis Historical Literature of Assam (1986), The History of the System of Ahom Administration (1991)।

গগৈ অসম সাহিত্য সভাৰ লগত এক দীৰ্ঘকাল জড়িত আছিল। ১৯৬২ চনৰপৰা ১৯৯৩ চনলৈকে তেওঁ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য থকাৰ উপৰিও বিভিন্ন উপসমিতিসমূহৰ সদস্য আছিল। ১৯৭৮-৭৯ আৰু ১৯৭৯-৮০ বৰ্ষৰ বাবে তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। ১৯৮০-'৮১ চনত তেওঁ অসম সাহিত্য সভাৰ উপ সভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৩ চনত তেওঁ অসম সাহিত্য সভাৰ বঙাইগাঁও অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতি নিৰ্বাচিত আছিল।

১৯৮৪ চনত অসম সাহিত্য সভাই আয়োজন কৰা 'ব্ৰহ্মপুত্ৰ সভ্যতা' শীৰ্ষক আলোচনা চক্ৰত সভাপতিত্ব কৰে ডঃ লীলা গগৈয়ে। ১৯৯৪ চনৰ ৫, ৬, ৭, আৰু ৮ ফেব্ৰুৱাৰীত মৰিগাঁওৰ মতিৰাম বৰা ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষষ্টিতম অধিবেশনৰ ডঃ লীলা গগৈ সভাপতি আছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল, "আমি এদিন আমাৰ দেশ, আমাৰ ভেটি-মাটি ৰক্ষা কৰিবলৈ মাৰ বান্ধি থিয় দিছিলোঁ; আমিয়েই শৰাইঘাটত সম্মিলিত হৈ জয়ৰ নিচান উৰুৱাই আগবাঢ়ি গৈছিলোঁ। আজিও আমি আমাৰ পৰ্বত-ভৈয়ামৰ জাতি-উপজাতি-জনজাতি সম্মিলিত হৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ ভাষা-সাহিত্য সংস্কৃতি ৰক্ষা কৰিবলৈ আগবাঢ়ি যাওঁ। মনত ৰাখিব, আমি মানুহ, আমি একে মানুহৰ তেজ মঙহৰ সন্তান, আমাৰ আশা-আকাংক্ষা একে, আমাৰ

সমস্যা একে। মানৱতাৰ আদৰ্শৰে উদ্বুদ্ধ মহান সাহিত্যই আমাক ঐক্যবদ্ধ হৈ কাম কৰিবলৈ প্ৰেৰণা দিয়ক আৰু অমৰ হৈ জীয়াই থাকক। ষড়যন্ত্ৰকাৰীৰ কূট কৌশল, আক্ৰমণকাৰীৰ গতি দুৰ্বাৰ শক্তিৰে প্ৰতিহত কৰিবলৈ আমাৰ দেহত বল, মনত শক্তি আৰু বুকুত সাহস দিয়ক।"

"দেশ যেতিয়া বিপন্ন হৈছিল, তেতিয়াই জন্ম হৈছিল অসম আৰু অসমীয়া জাতি সত্তাৰ। আজিও অসমীয়া ভাষী তথা অসমবাসীৰ ভাষা-সাহিত্য-সংস্কৃতি আৰু অস্তিত্বৰ সংকট আহিছে। ইতিহাসৰপৰা শিকলি লৈ আজি পূৰ্বৰ ঐক্য-সংহতি ৰক্ষা কৰাৰ উপৰিও অধিক সজাগ সচেতন হৈ দূৰদৰ্শিতাৰে আগবাঢ়িব লাগিব।"

১৯৯৪ চনৰ ২৩ জুলাইত ডঃ লীলা গগৈ হৃদ্‌ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। ❒

হিতেশ ডেকা

"মাতৃ-মন্দিৰৰ দুৱাৰ-দলিত থিয় দিছোঁ ,
নাচাওঁ মান, যশ, ঐশ্বৰ্য্য-বিভূতি—
চাওঁ মাথোঁ মাতৃৰ এফেৰি আশীৰ্ব্বাদ।"

এনে আদৰ্শৰে ভাষা-সাহিত্যৰ সেৱাত ব্ৰতী হোৱা বিশিষ্ট ঔপন্যাসিক গৰাকীয়ে হিতেশ ডেকা।

হিতেশ ডেকাৰ জন্ম হয় ১৯২৪ চনৰ ১৮ ফেব্ৰুৱাৰীত, সৰ্থেবাৰীত। সৰ্থেবাৰী কাঁহ বাচনৰ বাবে এখন বিখ্যাত ঠাই। তেওঁৰ পিতাকৰ নাম ৰবিৰাম ডেকা আৰু মাতৃৰ নাম সুন্দৰীপ্ৰিয়া ডেকা। তেওঁৰ সাত বছৰ বয়সতে পিতৃ ঢুকায়। ৰবিৰামৰ চাৰিটা সন্তান। তেওঁলোক হ'ল— শুভেশ্বৰ, থানপতি, ধাতু আৰু হিতেশ ডেকা। পিতৃৰ অবিহনে মাক আৰু ককাযেক থানপতি ডেকাৰ তত্ত্বাৱধানত তেওঁ ডাঙৰ-দীঘল হয়। কিন্তু থানপতিও নলবাৰীত থাকিবলৈ লোৱাত, ডেকাৰ চোৱা-চিতাৰ সকলো ভাৰ মাকৰ ওপৰতে পৰে। আঠ বছৰ বয়সৰপৰাহে ডেকা স্কুলত ভৰ্তি হয়। তেওঁক সৰ্থেবাৰী এম ভি স্কুলত নাম লগাই দিয়া হয়। সেই সময়ত তেওঁ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে পাইছিল হৰিচৰণ তালুকদাৰক আৰু তৃতীয় শ্ৰেণীত তেওঁলোকক পঢ়ুৱাইছিল পিতাম্বৰ ভূঞাই। এই

দুয়োজন শিক্ষকে ছাত্র-ছাত্রীক আখৰ ভাল কৰাত গুৰুত্ব দিছিল আৰু সেইবাবে ডেকাই সৰুৰেপৰা আখৰত জোৰ দিছিল। সৰুতে তেওঁ চোকা বুদ্ধিৰ ছাত্র আছিল। তেওঁৰ মেধা শক্তিৰ বাবে শিক্ষকে তেওঁক 'ক' মানত ছয় মাহ পঢ়াৰ পিছতে 'খ' মান, 'খ' মানত ছয়মাহ পঢ়াৰ পিছতে প্ৰথম মানলৈ প্ৰমোচন দিছিল। প্ৰথম মানৰ সাহিত্যৰ পাঠ্য-পুথি ত থকা দুষাৰমান কথা আজিও তেওঁৰ মনত পৰে— ১। 'যাৰ নাই মূৰত পাগ, সি সকলোতকৈ আগ।' ২। 'কোটৰ ঘৰৰ কুটি, লোকলৈ হুল পুতি নিজে মৰে ফুটি।' তেওঁ প্ৰথম মান শ্ৰেণীৰপৰা ষষ্ঠমান শ্ৰেণীলৈকে পঢ়োতে, শ্ৰেণীত প্ৰথম হৈছিল। ১৯৪০ চনত তেওঁ সৰ্থেবাৰী এম. ভি স্কুল সুখ্যাতিৰে উত্তীৰ্ণ হয়। এই পৰীক্ষা উত্তীৰ্ণ হওঁতে, তেওঁ অসমীয়া বিষয়ত অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল। এম ভি. স্কুলত পঢ়ি থকা কালত তেওঁ হৰেণ লহকৰৰ দোকানৰপৰা মিঠাতেল নি গাত মিঠাতেল ঘঁহি, লগৰ বন্ধুৰে সৈতে সদায় ৰাস্তাৰ বালিৰ ওপৰত মল্লযুদ্ধ আৰু কুস্তি শিক্ষা কৰিছিল। খেল শেষ কৰি, 'আলপা' জানত গা ধুই স্কুললৈ গৈছিল।

১৯৪০ চনত সৰ্থেবাৰী হাইস্কুল স্থাপন হয় আৰু এই বিদ্যালয়তে ডেকাই হাইস্কুলীয়া জীৱন আৰম্ভ কৰে। সেই সময়ত বিদ্যালয়খনৰ প্ৰধান শিক্ষক আছিল ৰঘুনাথ দেৱ চৌধুৰী।

১৯৪২ চনত দেশ ব্যাপি স্বাধীনতা আন্দোলনৰ আহ্বান অহাত, বহু ছাত্র-ছাত্রীয়ে স্কুল ত্যাগ কৰি আন্দোলনত যোগদান দিয়ে। ডেকাইও স্কুল ত্যাগ কৰি আন্দোলনত জপিয়াই পৰে। সেই সময় তেওঁলোকৰ আন্দোলনৰ নেতা আছিল মহেন্দ্ৰমোহন চৌধুৰী আৰু ধনীৰাম তালুকদাৰ আদি। ডেকা সেই সময়ছোৱাত সদৌ অসম ছাত্র সন্মিলনীৰ আঞ্চলিক গোটৰ সম্পাদক আছিল। সেই সময়ত আন্দোলনকাৰীয়ে সৰ্থেবাৰী বঙলা আৰু টিহুলৈ যোৱা পথৰ দলংখন ভাঙি পেলাইছিল। সেই অভিযোগত ডেকাকো অভিযুক্ত কৰা হৈছিল। তাৰ বাবে ডেকা ঘৰ এৰি পলাবলৈ বাধ্য হৈছিল। তিনিবছৰ ধৰি তেওঁ ঘৰ এৰি বাহিৰে বাহিৰে কটাব লগীয়া হৈছিল। ছয়গাঁওৰ ওচৰৰ খাটিৰা পাহাৰত অকা-বাভাৰ ঘৰত, তাৰপিছত বকোত, তাৰ পিছত ছয়গাঁওৰ কাৰৈমাৰীত বন বিভাগৰ কাৰ্যালয়ত কাম কৰা সম্বন্ধীয় ককায়েক অৰবিন্দ ডেকাৰ আশ্ৰয়ত থাকিবলৈ লয়। তাৰপিছত তেওঁ গোলাঘাটলৈ যায়। তাত থকা সৰ্থেবাৰীৰ কঁহাৰৰ পৰা বাচন-বৰ্তন লৈ ব্যৱসায় আৰম্ভ কৰে। কিন্তু তাত তেওঁ পুলিচৰ নজৰত পৰাত, এইবাৰ তেওঁ ডিমাপুৰলৈ যায়। সেই সময়তে ডিমাপুৰত সুভাষ চন্দ্ৰ বসুৰ ফৌজে ব্ৰিটিছ সৈন্যৰ লগত মুখামুখি হৈ এক উত্তপ্ত পৰিবেশ সৃষ্টি কৰাত, ডেকাই সেই ঠাই ত্যাগ কৰে। এইবাৰ তেওঁ গুৱাহাটী, গুৱাহাটীৰ পিচত বৰমা পায়। বৰমা আশ্ৰমৰ অধ্যক্ষ বি-কে-ভাণ্ডাৰীৰ অধীনত থাকি, গাৱেঁ গাৱেঁ মেলেৰীয়াৰ ঔষধ যোগানত ব্যস্ত হয়। লাহে লাহে আন্দোলন শাম

কাটে আৰু ১৯৪৫ চনত তেওঁ ঘৰমুৱা হয়। কিন্তু পুনৰ তেওঁ স্কুললৈ যোৱাৰ মন নেমেলিলে। এইবাৰ তেওঁ সম্বন্ধীয় ককায়েক যাদৱ চন্দ্ৰ ডেকাৰ সৈতে কলিকতা পালে। কলিকতাত কিছুদিন থাকি, পুনৰ তেওঁ নিজ ঘৰলৈ উভতি আহে। এইবাৰ তেওঁ ব্যৱসায়ত মনোযোগ দিয়ে। কঁহাৰে ব্যৱহাৰ কৰা কাগজ আৰু ৰেটিৰ (কঁহাৰৰ এবিধ অস্ত্ৰ) ব্যবসায়ত তেওঁ মনোযোগ দিয়ে। ছয়মাহ এই ব্যৱসায় কৰাৰ পিছত তেওঁৰ হাতত প্ৰায় ডেৰ হাজাৰমান টকা জমা হয়। টকা অলপৰ মুখ দেখি, ১৯৪৫ চনত তেওঁ কেইজনমান কলাপ্ৰেমিৰ লগত আৰম্ভ কৰে সৰ্থেবাৰীত এটি যাত্ৰী দল। এই যাত্ৰা দল সমবায় ভিত্তিত চলোৱা হৈছিল। দলটোৰ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল ডেকাই। এই দলৰ পিছত তেওঁ ৰাউলিৰ যাত্ৰ দল আৰু লচিমাৰ যাত্ৰা দলত অভিনয় কৰিবলৈ লয। এইবোৰ যাত্ৰা দলত দুৰ্গমাসুৰত-দুৰ্গমাসুৰ, গন্ধাসুৰত গন্ধাসুৰ, দাতাকৰ্ণত কৰ্ণ, হৰিচন্দ্ৰত হৰিচন্দ্ৰ ৰজাৰ ভাওত অভিনয় কৰি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। নাট্যাভিনযৰ মাজতে, তেওঁ পুনৰ স্কুলত ভৰ্তি হয়। সেই সমযত তেওঁ একেলগে তিনিটা কামত মনোযোগ দিছিল,- ডাঃ যাদৱ ডেকাৰ ফাৰ্মাচীত ঔষধ দিযা ল'ৰা, যাত্ৰা দলৰ এজন অভিনেতা আৰু অষ্টম মান শ্ৰেণীৰ এজন ছাত্ৰৰূপে। সেই সমযত সৰ্থেবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক চন্দ্ৰমোহন শৰ্মাৰপৰা (এই গ্ৰন্থৰ প্ৰকাশক ৰাজেন্দ্ৰ মোহন শৰ্মাৰ পিতৃ) লাভ কৰা মৰম-স্নেহ আৰু আশীৰ্বাদৰ বাবে যথেষ্ট উৎসাহিত হৈছিল। ১৯৪৮ চনত তেওঁ সৰ্থেবাৰী হাইস্কুলৰপৰা মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হয়। মেট্ৰিক পৰীক্ষা পাছ কৰিয়ে তেওঁ কলিকতালৈ যায় চলচ্চিত্ৰৰ অভিনেতা হোৱাৰ আশাৰে। কিন্তু সেই আশা বাস্তৱত পৰিণত কৰিব নোৱাৰি, ঘৰলৈ উভতি আহে। এইবাৰ তেওঁ নতুনকৈ স্থাপন হোৱা নলবাৰী মহাবিদ্যালয়ত ভৰ্তি হয়। সেই সময়ত তেওঁ নলবাৰী মহাবিদ্যালয়ত অধ্যক্ষৰূপে পায়, বিশিষ্ট সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীক। মহাবিদ্যালযত পঢ়াকালতো তেওঁ ব্যৱসায় কৰিহে পঢ়িব লগা হয। সেই সময়ত তেওঁ এণ্ডাৰৰ ব্যৱসায় কৰিছিল। পলাশবাৰীৰপৰা এণ্ডাৰ আনি, তেওঁ সৰ্থেবাৰীত বিক্ৰী কৰিছিল। এণ্ডাৰৰ ব্যৱসায়ৰে তেওঁ এটি টিনৰ ঘৰো সজাই লয়।

১৯৪৯ চনত নলবাৰী মহাবিদ্যালযত পঢ়া কালত তেওঁৰ জীৱনৰ এটা নতুন দিশৰ সূচনা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীৰ নিচিনা এজন গুৰুৰ সংগ লাভে তেওঁক সাহিত্যৰ দিশত আত্ম-নিযোগ কৰিবলৈ প্ৰেৰণা যোগায়। এই সম্পৰ্কে ডেকাই লিখিছে, "গুৰুয়ে জ্ঞান নিদিয়ে বৰং গুৰু জ্ঞানৰ উৎসহে, সেয়েহে একলব্যই দ্ৰোণাচাৰ্য্যৰ শাৰীৰিক অৱস্থিতিৰ অবিহনেও ধনুবিদ্যা লাভ কৰিব পাৰিছিল। আচলতে গুৰুজনে শিক্ষা নিদিয়ে, শিষ্যই গুৰুৰপৰা শিক্ষা লাভ কৰে গুৰুৰ অনুপ্ৰেৰণাতহে। গুৰুই শিষ্যক অনুপ্ৰেৰণা দিয়ে, শিষ্যই সেই প্ৰেৰণাৰ বলত আন্তৰিক ভাবে চিত্ত সমাহিত

কৰি গুৰুৰ জ্ঞান আহৰণ কৰে। শিষ্যৰ শক্তি অনুযায়ী গুৰুৰপৰা জ্ঞান আহৰণ কৰে। সেয়েহে এজন গুৰুৰ অনেক শিষ্য থাকিলেও সকলোৱে সমান জ্ঞান লাভ নহয়। অন্তৰৰ বিদ্যা লাভ হয় আন্তৰিকতা আৰু অনুপ্ৰেৰণাৰ জৰিয়তেহে। গুৰু হ'ল কৰ্ম্ম প্ৰেৰণাৰ উৎস। সৎ গুৰুৰ প্ৰেৰণাৰে শিষ্যই মহৎ জ্ঞান লাভ কৰিব পাৰে। নিজ-আত্মা আৰু মনৰ উৎকৰ্ষ সাধনত গুৰুৰ শৰীৰ গৌণ, গুৰুৰ আত্মিক শক্তিহে মুখ্য। যিজনা গুৰুৰ আত্মিক শক্তিয়ে শিষ্যৰ চিত্তত প্ৰেৰণা আৰু উদ্দীপনা জগাই সাধনাত ব্ৰতী কৰাব পাৰে সেই জনাইহে প্ৰকৃত গুৰু তেহেঁকৈ গুৰুৰ শাৰীৰিক গঠন আৰু মানসিক সৌন্দৰ্য্য যিমানেই লক্ষণীয় নহওক লাগে। যিজনৰ ভাগ্যত এই মহৎ গুৰু লাভ হৈছে তেৱেঁই ধন্য। সৌভাগ্য-বশতঃ মোৰ জীৱনতো তেনে এজন গুৰুৰ সংগ লাভ হৈছিল, আজি বাইশ বছৰ আগত ১৯৪৯ চনত, যাৰ অনুপ্ৰেৰণাত মই সাহিত্যত আত্ম-নিযোগ কৰিবলৈ প্ৰেৰণা লাভ কৰিলোঁ। সেইজন গুৰুই হ'ল অসমৰ স্বনামধন্য সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীদেৱ।"

তেওঁ হাইস্কুলত পটি থকা কালতে সাহিত্য সাধনাত ব্ৰতী হৈছিল। অষ্টমমান শ্ৰেণীত পটি থাকোতে তেওঁ 'গাঁৱলীয়া' নামেৰে এখন উপন্যাস ৰচনা কৰিছিল। এম ভি স্কুলত পটি থাকোতে তেওঁ বহুতো কবিতাও ৰচনা কৰিছিল। প্ৰায় পোন্ধৰ বছৰ মানত তেওঁৰ সহপাঠী বন্ধু প্ৰসন্নকুমাৰ ডেকাৰ সৈতে লগ-লাগি 'ৰেণু' নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰিছিল সৰ্থেবাৰীৰ পৰা। তাত তেওঁ হাঁহি-ধেমালিমূলক কেইবাটাও প্ৰবন্ধ লিখিছিল। মহাবিদ্যালযত পটি থকা কালত ১৯৪৯ চনত তেওঁ 'প্ৰায়শ্চিত্ত' গল্প পুথিখন প্ৰথম প্ৰকাশ পায। ১৯৫৩ চনত তেওঁ বাসন্তী ডেকাৰে সৈতে বিবাহ পাশত আৱদ্ধ হয়।

১৯৫৪ চনত হিতেশ ডেকাই কনিহা হাইস্কুলত সহকাৰী শিক্ষকৰূপে নিযুক্ত হয। তাৰপিছত ১৯৫৫ চনত সৰ্থেবাৰী হাইস্কুলত চাৰিমাহৰ বাবে শিক্ষকতা কৰে। তাৰপিছত ১৯৫৬ চনত নতুনকৈ স্থাপন হোৱা বনগাঁও হাইস্কুলত তেওঁ প্ৰধান শিক্ষকৰূপে নিযুক্ত হয়। ১৯৫৭ চনত তেওঁ গুৱাহাটীৰ জালুকবাৰী হাইস্কুলত শিক্ষকৰূপে যোগদান কৰে। উক্ত বিদ্যালয়ত ১৯৬৩ চনৰপৰা সহকাৰী প্ৰধান শিক্ষক আৰু ১৯৮৩ চনৰপৰা প্ৰধান শিক্ষক নিযুক্ত হয়। ১৯৮৫ চনৰপৰা তেওঁ প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে।

ডেকা বিভিন্ন সাহিত্য-সামাজিক আৰু সংস্কৃতিক মূলক অনুষ্ঠানৰ লগত জড়িত । ১৯৫৬ চনত তেওঁ সৰ্থেবাৰী নগৰ পৰিচালনা কমিটীৰ প্ৰধান সম্পাদক আছিল। ১৯৬০ চনত অসমৰ ৰাজ্য ভাষা আন্দোলনৰ লগত তেওঁ জড়িত হৈছিল। এই সময়ছোৱাতে তেওঁৰ 'মাটিকাৰ' উপন্যাস বাজেয়াপ্ত হয। এই উপন্যাস বাজেয়াপ্ত কৰাৰ বাবে কলিকতাত বিধান সভাৰ প্ৰস্তাৱ গ্ৰহণ আৰু দিল্লীৰ সংসদত এই উপন্যাসকলৈ নানা বিতৰ্ক আৰম্ভ

হৈছিল। আনকি এগৰাকী বঙালী এম পি আৰু অসমৰ এম. পি. ধৰণীধৰ বসুমতাৰীৰ মাজত হতাহতি পৰ্যন্ত আৰম্ভ আৰু প্ৰধানমন্ত্ৰী জবাহৰলাল নেহৰুৰ মধ্যস্থতাত ইয়াৰ মীমাংসা হয়। ১৯৬২ চনত নিৰ্বাচনত তেওঁ বৰপেটা সমষ্টিৰপৰা লোকসভালৈ সদস্যপদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰে। ১৯৭২ চনত শিক্ষাৰ মাধ্যম আন্দোলনত সহযোগিতা কৰা বাবে তেওঁ চৰকাৰৰ ৰোষত পৰে আৰু সেইবাবে তেওঁ নাগালেণ্ডৰ মোককচাংত পলায় থাকে। ১৯৭৯ চনত অসমৰ বিদেশী বহিৰাগত বহিষ্কৰণ আন্দোলনলৈ ডেকাই পূৰ্ণ সমৰ্থন আগবঢ়ায়। গণ সংগ্ৰাম পৰিষদৰ ফালৰ পৰা আৰু অসম সাহিত্য সভাৰ হৈ প্ৰতিনিধিত্ব কৰি আন্দোলনৰ দিল্লী আলোচনাৰ ১৪ লানিতে তেওঁৰ অংশ গ্ৰহণ কৰে। এই আন্দোলনৰ সময়ছোৱাত তেওঁ পুলিচৰ হাতত কেইবাবাৰো নিৰ্যাতিত হয় আৰু আনকি পুলিচৰ অত্যাচাৰত তেওঁৰ দাঁত দুপাৰি নষ্ট হয়। ১৯৬৬ চনত তেওঁ জালুকবাৰী সাহিত্য সভা প্ৰতিষ্ঠা কৰে আৰু এই অনুষ্ঠানৰ তেওঁ সভাপতি নিৰ্বাচিত হয়। ১৯৭২, ৭৩ আৰু ৭৪ চনত একেৰাহে তিনি বাৰলৈ সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ উপসভাপতি নিৰ্বাচিত হয। ১৯৭৫ চনত তেওঁ কামৰূপ সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭৬ চনত তেওঁ অসম সাহিত্য সভাৰ উপ-সভাপতি নিৰ্বাচিত হয়। ১৯৮১ চনতো তেওঁ পুনৰবাৰ অসম সাহিত্য সভাৰ উপ-সভাপতি নিৰ্বাচিত হয়। ১৯৭৫ চনত তেওঁ সদৌ অসম সাংস্কৃতিক সন্মিলনৰ উপদেষ্টা আছিল। ১৯৭২ চনৰপৰা তেওঁ গুৱাহাটী মহানগৰৰ ১ নং ওৱাৰ্ডৰ পোষ্ট ওৱাৰ্ডেনৰূপে অসামৰিক প্ৰতিৰক্ষা সেৱক নিযুক্ত হয়। ১৯৮৬ চনত গুৱাহাটী মহানগৰৰ ১ নং ৱাৰ্ডৰ অসম গণ পৰিষদৰ সভাপতি আছিল। ১৯৯০ চনত তেওঁ সদৌ অসম কবি সমাজৰ উপদেষ্টা আছিল।

হিতেশ ডেকাই অসমীয়া সাহিত্য জগতলৈ অতুলনীয় অবদান আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল — গল্পৰ পুথি ঃ প্ৰায়শ্চিত্ত (১৯৪৯), গৰাখহনীয়া (১৯৫৪), এইখন আমাৰ সমাজ (১৯৭২), এথুপি গল্প (১৯৮২), আকৌ গৰাখহনীয়া (১৯৯২), গল্পটো লিখা নহ'ল (১৯৯২) আদি। নাটক ঃ অসমীৰ প্ৰাণৰ কথা (১৯৬১), বিহ্বান (১৯৭৬), শীৰ্ষ সন্মিলন (১৯৮২), মন্ত্ৰীৰ হুকুম (১৯৮৩)। আদি। প্ৰবন্ধমূলক ঃ পশ্চিমবংগত মাটিকাৰ (১৯৬২), জাতীয় চৰকাৰ (১৯৮২), অসমীয়া জাতি টিকিব নে? (১৯৮৩)। উপন্যাস ঃ আজিৰ মানুহ (১৯৫২), নতুন পথ (১৯৫৪), মাটিকাৰ (১৯৫৬), ভাৰাঘৰ (১৯৫৮), এয়েতো জীৱন (১৯৬০, এই গ্ৰন্থৰ তিনিখণ্ড আছে), সীমাৰ কাজিয়া (১৯৬২), আচল মানুহ (১৯৬৩), বৈৰী মানুহ (১৯৬৫), জীৱন সংঘাত (১৯৬৯), ইতিহাসে সঁকীয়ায় (১৯৬৭), সুখৰ সংসাৰ (১৯৭৫), নিৰ্য্যাতিতা সতী (১৯৮০) গাঁৱৰ মানুহ (১৯৯৬) আদি।

তেওঁ উপন্যাসৰ সম্পৰ্কে লিখিছে ঃ

"কল্পনাৰ কুহেলিকা নোহে উপন্যাস ঃ
ই যে সমাজৰ সত্য জীৱন বিন্যাস।"

ডেকাই তেওঁৰ 'আজিৰ মানুহ' সম্পৰ্কে নিজে লিখিছে ঃ

"জীৱন বসন্ত মাথো আহে এটিবাৰ,
ফলে ফুলে হৃদিখনি হয জাতিস্মাৰ।"

'বৈৰী মানুহ' উপন্যাসখন সম্পৰ্কে তেওঁ লিখিছে, "১৯৬২ চনত চীন-ভাৰত আৰু ১৯৬৫ চনত পাক-ভাৰত যুদ্ধৰ অৱতাৰণা হয়। এই যদ্ধ দুখনে ভাৰতীয় জনগণ তথা অসমীযাৰ মনত যি দেশাত্মবোধৰ আলোড়ন তুলিলে তাৰ প্ৰতিধ্বনি এতিয়াও মাৰ যোৱা নাই। ঐতিহাসিক দৃষ্টি-কোণৰ পৰা পৰ্যালোচনা কৰিলে দেখা যায় এই দুই যুদ্ধই ভাৰতীয গণতন্ত্ৰৰ সুদূৰ প্ৰসাৰী নীতি পৰীক্ষা গৃহত যেন প্ৰৱেশ কৰাইছিল, আৰু তাৰ যোগ্য প্ৰত্যুত্তৰ ভাৰতীয জনগণে দিছে। তাৰে ঐতিহাসিক পটভূমিত দেশৰ ৰাজনৈতিক সমস্যাৰাজিৰ পৰিপ্ৰেক্ষিতত এই উপন্যাসৰ জন্ম।"

'এথুপি গল্প' সম্পৰ্কে তেওঁ লিখিছে, "সমাজৰ সৰু-বৰ বিভিন্ন ঘটনাৰ সমষ্টিৰ এই গল্পসমূহ ৰচিত হৈছে। সমাজৰ বিশ্লেষণৰ প্ৰচেষ্টা ইযাত নাই, মাথো সমাজ জীৱনৰ অন্তৰালত আত্মগোপন কৰি থকা বিভিন্ন সমস্যাৰ স্বৰূপ প্ৰকাশ কৰাৰহে চেষ্টা কৰা হৈছে।"

সাহিত্যত হৃদয়গ্ৰাহিতা সম্পৰ্কে তেওঁ কয, "বাস্তৱ অভিজ্ঞতা নাথাকিলে উকা কল্পনাকে লৈ লিখা সাহিত্য সপোন-বুলীযা হ'লেও হৃদয়গ্ৰাহী হোৱা কঠিন, সেযেহে লিখকৰ বাস্তৱ অভিজ্ঞতা লিখাৰ ক্ষেত্ৰত অপৰিহাৰ্য্য। অভিজ্ঞতা যিমানেই পূৰঠ হ'ব, কল্পনা হ'ব তিমানে তীব্ৰ— সৃষ্টি হ'ব তিমানেই প্ৰাণস্পৰ্শী। জীৱন অভিজ্ঞতাৰে পৰিপুষ্ট লিখনিত কল্পনাৰ অনুৰণন হয ফলপ্ৰসু কলাসৃষ্টি হয শাশ্বত। প্ৰত্যেক ঘণ্টাৰ বুকুতে ঘড়ীৰ কাঁটা দুডালৰ অনিবাৰ্য্য মিলনৰ দৰে প্ৰত্যেক কল্পনাৰ কোনো এক প্ৰান্তত হ'লেও স্পৰ্শ কৰিব লাগিব বাস্তৱ এটি ক্ষীণ ৰেখা। তেতিযাহে ৰূপ লব ভাবে আৰু সজীৱ হ'ব ৰস। কল্পনা আৰু বাস্তৱৰ মিলন সেতুত হে ৰূপ সৃষ্টি সাৰ্থক হয়। সীমাহীন কল্পনাৰ বুকুত সীমিত বাস্তৱৰ মৃদু পৰশত হে কলা সৃষ্টিৰ সম্ভাৱনা। উকা কল্পনাৰ বুকুত বাস্তৱৰ সংঘাত লাগিলেহে অনুভূতি তীক্ষ্ণ হয় — ভাবৰ ছন্দ ফুটে-শিল্পকলাৰ জন্ম হয। বাস্তৱ অভিজ্ঞতাহীন আকাশ কুসুম কল্পনাত অনুভূতিৰ চাকনৈযাৰ সৃষ্টি হ'ব পাৰে কিন্তু শ্ৰেষ্ঠ কলা সৃষ্টিৰ উদ্ভৱ নহয়- পানী হিঁলৈ পানীৰ বুকুত মাৰ যোৱাৰ দৰে কল্পনাৰ বুকুতে সি লয় হয়। সেইদেখি বাস্তৱ অভিজ্ঞতাৰে পৰিপুষ্ট লিখনিহে সবল আৰু সাৰ্থক লিখনি। কিন্তু এই লিখনিৰ শ্ৰেষ্ঠত্ব বহুখিনি নিৰ্ভৰ কৰে লিখকৰ উচ্চভাবৰ ওপৰত আৰ

লিখনি সবল হয় লিখকৰ প্ৰকাশ ভংগীৰ নিপুণতাৰ ওপৰত।" সাহিত্য সৃষ্টিৰ এই গুণৰাজি তেওঁৰ সাহিত্যত কিমানদূৰ সফল প্ৰতিফলন ঘটিছে, তেওঁৰ ভাষাৰে, "মোৰ প্ৰত্যেক লিখাৰ মাজতে ব্যক্তিগত বাস্তৱ অভিজ্ঞতা একোটিৰ ক্ষীণ সাঁচ আছে যদিও ভাব প্ৰকাশৰ অক্ষমতা আৰু প্ৰকাশ-ভংগীৰ ন্যূনতাৰ বাবে তাৰ সাৰ্থক প্ৰকাশ হয়তো এতিয়াও বহু দূৰত। মোৰ যিমান ভাব আছে তাৰ একদশমাংশও প্ৰকাশ কৰিবপৰা নাই, যিমান অভিজ্ঞতা হৈছে তাৰ এক চতুৰ্থাংশৰো ৰূপ দিব পৰা নাই, তথাপি এই অক্ষমতা আৰু ন্যূনতাৰ মাজেৰেই শক্তি অনুসাৰে যি পাৰো তাক ব্যক্ত কৰিবলৈ চেষ্টা কৰিছোঁ। অপ্ৰকাশৰ বেদনা গভীৰ আৰু এই গভীৰ বেদনাকে বুকুত বান্ধি কিঞ্চিত পৰিমাণে হ'লেও তাক প্ৰকাশ কৰিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছে— সাৰ্থকতাৰ আশাত নহয় সান্ত্বনাৰ আশাতহে।"

১৯৯৫ চনৰ ২২, ২৩, ২৪, ২৫, আৰু ২৬ ফেব্ৰুৱাৰীত সৰ্থেবাৰীৰ কৌঁহিৰাম-হলীৰাম ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৬১ তম অধিবেশনৰ হিতেশ ডেকা সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "পাশ্চাত্য সভ্যতাৰ বতাহ জাক সোমাবৰ আমাৰ মনৰ খিৰিকিহে খুলি ৰাখিব লাগে, আমাৰ মনৰ দুৱাৰ খুলিব নেলাগে। ভাৰতীয় আদৰ্শ আৰু সংস্কৃতিৰ বাবে মনৰ দুৱাৰ খুলি থব লাগে। খিৰিকিৰে ফুলৰ সুগন্ধ আৰু নৰ্দ্দমাৰ দুৰ্গন্ধ দুয়োটাই সোমায়। আগতে বহু সুগন্ধি বতাহ সোমাল, এতিয়া দুৰ্গন্ধি সোমাব ধৰিছে, সেইবাবে অপসংস্কৃতিয়ে দেশ চানি ধৰিছে। অপসংস্কৃতি ৰোধ কৰিবলৈ দেশৰ মানুহে সাৱধান হ'বৰ হ'ল। নতুন ডেকাসকল আজি ধনত মত্ত। সমাজত আজি ধনৰ পূজা চলিছে, গুণৰ পূজা নাই। উন্নয়নশীল দেশবোৰত এই নিম্নগামী চিন্তা প্ৰায়ে গা-কৰি উঠা দেখা গৈছে। অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ ন্যূনতম চাহিদাখিনি পূৰণ নহ'লে এনে হীনমান্য চিন্তা স্বাভাৱিক তে আহি পৰে। আমাৰ ভাৰতবৰ্ষও উন্নয়নশীল দেশ হোৱা বাবে এই আদৰ্শহীন চিন্তাই সমাজ জীৱন কলুষিত কৰি তুলিছে। সাহিত্য-সংস্কৃতিৰ সাধকসকলে ইয়াৰ প্ৰতিবিধান নকৰিলে নৈতিক আদৰ্শবিহীন সাহিত্যই জাতিৰ অধঃপতন মাতি আনিব।" "দেশাত্মবোধৰ জুয়ে যাৰ অন্তৰ পুৰিছে সিহে দেশক চিনি পায়, দেশৰ মানুহক ভাল পায়।" ❐

ডঃ লক্ষ্মীনন্দন বৰা

লক্ষ্মীনন্দন বৰাই ১৯৮৮ চনত 'পাতাল ভৈৰবী' (১৯৮৬) উপন্যাসখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। এই উপন্যাসখন তেওঁৰ ব্যতিক্ৰমধৰ্মী সৃষ্টি। ডিব্ৰুগড়ৰপৰা ডিবঁগৈলৈকে আৰু উত্তৰে লক্ষীমপুৰ জিলালৈকে এই বিস্তীৰ্ণ এলেকাটোৰ নানা জাতি, অনা-অসমীয়াৰ ব্যৱসায-বাণিজ্য আৰু অপৰাধপ্ৰৱণ পাতাল জীৱনৰ ঔপন্যাসিক ৰূপ 'পাতাল ভৈৰবী'। উপন্যাসখনৰ বিশেষ বৈশিষ্ট্য হ'ল ব্যাপ্তি, বৈচিত্ৰ্য আৰু গতিশীলতা। ব্যৱসায়িক অসাধুতা, চোৰাংবজাৰ, অপৰাধ পাপচেতনাৰে ভীতি সঞ্চাৰিত সমাজখনৰ পৰিচয় দি কৈছে, -- "দেশত এতিয়া অন্যায চলিছে, সমাজ পচি উৰঁলি গৈছে। এইখন সমাজ সলাব নোৱাৰিলে দেশৰ বেছিভাগ মানুহেই জীৱনটোত একো নেপাই হা ভাত-কানিকৈ মৰিব।"

......"কিন্তু দুৰ্নীতি আৰু সহজে সোনকালে আঢ্যৱন্ত হ'বলৈ বেঙা মেলা ঠিকাদাৰ -ইঞ্জিনীয়াৰৰ যুগত ভা লকৈ মথাউৰি বনোৱাটো তেওঁলোকৰ কৰ্তব্যৰ ভিতৰত নপৰে। গতিকে দু বছৰৰ পিছত মথাউৰি দুটা ছিগিল। কাম্বুলিজনীযাই জীযাতু ভুগিলে। অঞ্চলটো ইমান অৱহেলিত যে সঠিক সময়ত ৰাইজে কৰ্তৃপক্ষক সোঁৱৰাই দিয়া সত্বেও আঠ-ন বছৰ ধৰি ছিগা অৱস্থাত থকা মথাউৰিত মাটি নপৰিল।" লক্ষ্মীনন্দন

বৰাৰ চৰিত্ৰ চিত্ৰণ, বিষয়-বস্তুৰ বাছনি আৰু বক্তব্য বৰ শক্তিশালী। উপন্যাস তথা চুটিগল্প উভয়ৰ মাজেৰে সামাজিক বিভ্ৰান্তি, স্খলন, শোষণ-নিষ্পেষণৰ হকে আগবঢ়োৱা তেওঁৰ বাণী অকাট্য আৰু সাৰ্বজনীন। লক্ষ্মীনন্দন বৰাৰ অন্যান্য সাহিত্য সম্ভাৰসমূহ হ'ল— উপন্যাস— নিশাৰ পূৰবী (১৯৬২), গঙা চিলনীৰ পাখি (১৯৬৩), ছাঁ জুইৰ পোহৰত (১৯৬৬), শিখাৰ সুৰভি (১৯৬৮), মেঘালী দুপৰ (১৯৬৮), বলুকাত বিজুলী (১৯৬৯), আকাশ চমকি ৰয় (১৯৬৯), মাটিৰ মেঘৰ ছাঁ (১৯৭০), উত্তৰ পুৰুষ (১৯৭০), দহন দুলড়ী (১৯৭১), পতন (১৯৭৯), আকৌ শৰাইঘাট (১৯৮০), ৰাধিকাপুৰ (১৯৮২), মালক্ষ্মী নিকেতন (১৯৮২), ঘাতক পলাতক (১৯৮৫), প্ৰতিৰোধ (১৯৮৭), বিপন্ন বিস্ময় (১৯৮৮), গণেশগুৰি (১৯৮৮), কাল ডিঙৰাৰে পাল (১৯৮৮), হিয়াত তিৰেবিৰায় (১৯৯৩), যাকেৰি নাহিকে উপাম (১৯৯৩), মদাৰ গছৰ পাণ (১৯৯৫), মৎস্য-কন্যা (১৯৯৬) আদি। চুটি গল্প — দৃষ্টিৰূপা (১৯৫৮), সেই সুৰে উতলা (১৯৬০), কাঁচিয়লিৰ কুঁৱলী (১৯৬১), গোপন গধূলি (১৯৬১), মন মাটি মেঘ (১৯৬২), অচিন কইনা (১৯৬৩), এই ৰূপ এই ছন্দ (১৯৬৩), কঠিন মাযা (১৯৬৬), দেৱতাৰ ব্যাধি (১৯৬৬), আবেশ ইন্দ্ৰজাল (১৯৬৭), মাজত তুষাৰ নৈ (১৯৬৭), ব্যতিক্ৰম (১৯৭৬), নিষিদ্ধ চেতনা (১৯৭৬), সেহি অনুৰাগে (১৯৮০), এৰাবাৰীৰ লেছেৰি (১৯৮৩), দুস্তৰ কাৰাগাৰ (১৯৮৪), প্ৰেয়সী (১৯৯৩) আদি। ন-শিকাৰুৰ বাবে - গাঁৱৰে সৰগ ৰঁচো (১৯৬০), জনম ৰহস্য আৰু পৰিযাল আঁচনি (১৯৬৮) আদি। শামুকৰ পেটত মুকুতা (১৯৯০) আৰু মেঘনাদ সাহা (১৯৮৯) তেওঁৰ অনুবাদমূলক গ্ৰন্থ। মই ধনীৰামৰ খেতি (১৯৯০) তেওঁৰ এখন কৃষি বিষয়ক গ্ৰন্থ। পশ্চিমৰ পম খেদি (১৯৯১) তেওঁৰ প্ৰকাশিত ভ্ৰমণ কাহিনী। তেওঁৰ তিনিখন বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ আৰু দুখন একাংকিকা নাট প্ৰকাশিত হৈছে। তেওঁৰ প্ৰথম প্ৰকাশিত গল্প সংকলন দৃষ্টিৰূপা, প্ৰথম প্ৰকাশিত উপন্যাস নিশাৰ পূৰবী। ন-শিকাৰুৰ বাবে ৰচিত পুথৰ বাবে তেওঁ ১৯৬৮ চনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পুৰস্কৃত হৈছে। 'ৰামধেনু'ত প্ৰকাশিত তেওঁৰ প্ৰথম গল্পটি আছিল ভাওনা (১৯৫৪)।

১৯৯৬ চনৰ ২২ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ বোকাখাতৰ সমন্বয়ভূমিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-ষষ্ঠিতম অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, — "অসমীয়া ভাষী লোকৰ সংখ্যা কমি অহাৰ কাৰণ তিনিটা ঃ (১) বহু-সংখ্যক ভগনীয়াৰ পুনঃ সংস্থাপন, (২) বিদেশীৰ অবাধ প্ৰব্ৰজন আৰু (৩) আন ৰাজ্যৰপৰা অহা মানুহৰ অসমত বসতি স্থাপন।" . "অসমবাসীৰ কাৰণে এতিয়া ঘাইকৈ দক্ষ আৰু জনমুখী প্ৰশাসনৰ প্ৰয়োজন হৈছে। প্ৰশাসনত অসমীয়া ভাষাৰ যথাযথ প্ৰযোগ নাই। তদুপৰি

ইয়াৰ সৰলীকৰণৰ প্ৰয়োজন হৈছে।" "কৰ্ম-সংস্কৃতিৰে আমি দেশক গঢ়িব পাৰিম আৰু আমাৰ ভাষা-সাহিত্য-সংস্কৃতিকো নকৈ গঢ় দিব পাৰিম বুলি এই অভাজনৰ দৃঢ় বিশ্বাস।" .. "এটা ভাষাত জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰে গ্ৰন্থ থাকিব লাগে। ই এটা সমৃদ্ধ ভাষাৰ লক্ষণ। এনে হ'লেহে একোটা ভাষা স্বয়ং সম্পূৰ্ণ হয়।"

লক্ষ্মীনন্দন বৰাৰ জন্ম হয় ১৯৩২ চনত, নগাঁও জিলাৰ হাতীচোং কুজীদাহ গাঁৱত। তেওঁৰ পিতাকৰ নাম ফেটুৰাম বৰা আৰু মাকৰ নাম ফুলেশ্বৰী বৰা আছিল। ১৯৪৮ চনত তেওঁ নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ আই এছ চি ত ভৰ্তি হয। ১৯৫২ চনত তেওঁ পদাৰ্থ বিজ্ঞানত অনাৰ্ছসহ কটন কলেজৰপৰা বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালযৰপৰা পদাৰ্থ বিজ্ঞানত এম এছ চি পৰীক্ষাত উত্তীৰ্ণ হয। ১৯৫৫ চনত তেওঁ শ্বিলঙৰ ছেইণ্ট এছনী কলেজত পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তাৰূপে কৰ্মজীৱনৰ পাতনি মেলে। তাৰ পিছত ক্ৰমে যোৰহাট জে বি কলেজ, নগাওঁ কলেজ, কটন কলেজ, ধুবুৰীৰ বি এন কলেজত অধ্যাপনা কৰে। ১৯৫৮ চনত তেওঁ যোৰহাট কৃষি কলেজত শিক্ষকৰূপে যোগদান কৰে। ১৯৬০ চনত ডাঃ মহানন্দ বৰুৱাৰ প্ৰথমা কন্যা মাধুৰী বৰুৱাৰ সৈতে তেওঁ বিবাহ পাশত আৱদ্ধ হয। ১৯৬৯ চনত তেওঁ অসম কৃষি কলেজৰ অধ্যাপক নিযুক্ত হয। ১৯৭৭ চনত অন্ধ্ৰ বিশ্ববিদ্যালযৰপৰা 'The Water balance and drought climatology of Assam and Vicinity'ৰ গৱেষণাৰ বাবে পি এইছ ডি উপাধি লাভ কৰে। ১৯৭৯ চনৰপৰা তেওঁ কলিকতাৰপৰা প্ৰকাশিত 'দি ইকনমিক্স টাইম' কাকতৰ যোৰহাটৰ সংবাদদাতা নিযুক্ত হয। তেওঁ ১৯৮৭-৮৮ চনৰ কাৰ্যকালৰ বাবে অসম সাহিত্য সভা আৰু অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৮ চনত তেওঁ অসম পৰিবেশ সংৰক্ষণ সমিতিৰো উপ-সভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৯ চনত তেওঁ ইণ্ডিয়ান নেচনেল ছায়েন্স অকাডেমিৰ এক চেইঞ্জ প্ৰগ্ৰেমৰ অধীনত বতৰ-বিজ্ঞান বিষয়ৰ ভিজিটিং প্ৰফেছৰৰূপে জাৰ্মানলৈ যায়। ১৯৯১ চনত তেওঁ আমেৰিকাবাসী অসমীয়াসকলৰ আমন্ত্ৰণক্ৰমে আমেৰিকা আৰু কানাডা ভ্ৰমণ কৰে। ১৯৯২-'৯৫ চনত তেওঁ সাপ্তাহিক 'ৰংপুৰ' কাকতৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৯২ চনত তেওঁ কৃষি বিশ্ববিদ্যালয়পৰা অৱসৰ গ্ৰহণ কৰে আৰু দ্বিতীযবাৰৰ বাবে জাৰ্মান ভ্ৰমণ কৰে। ১৯৯৫ চনত তেওঁ অসম সেউজ সমিতিৰ সভাপতি নিৰ্বাচিত হয। এই চনতে তেওঁ 'যাকেৰি নাহিকে উপাম' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা লাভ কৰে।□

ডঃ নগেন শইকীয়া

ডঃ নগেন শইকীয়া অসমীয়া ভাষা—সাহিত্যৰ এজন নীৰৱ সাহিত্য সাধক। তেওঁ একেৰাহে মননশীল, সৃষ্টিশীল গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ আৰু কবি। তেওঁ অনুবাদ আৰু ভ্ৰমণ সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

ডঃ নগেন শইকীয়াৰ জন্ম হয় ১৯৩৯ চনৰ ১১ ফেব্ৰুৱাৰীত, গোলাঘাট জিলাৰ হাতীযেখোৱা গাঁৱত। তেওঁৰ পিতাকৰ নাম উমাৰাম শইকীয়া আৰু মাকৰ নাম হেমপ্ৰভা শইকীয়া। উমাৰাম শইকীয়া এগৰাকী শিক্ষক, খেলুৱৈ আৰু সাহিত্যসেৱী আছিল। ১৯৪৬ চনত নগেন শইকীয়া বৰকাঠনি এল পি স্কুলত ভৰ্ত্তি হয়। সেই সময়ত তেওঁ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে পাইছিল দুৰ্গানাথ শৰ্মাক। ১৯৪৮ চনত তেওঁ কাকডোঙা এম. ই. স্কুলত ভৰ্ত্তি হয়। তেওঁ হাইস্কুলীয়া শিক্ষা লাভ কৰে ঢেকীয়াল হাইস্কুলৰপৰা। ১৯৫৭ চনত ঢেকীয়াল হাইস্কুলৰপৰা তেওঁ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপিছত তেওঁ যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ভৰ্ত্তি হয়। ১৯৬১ চনত তেওঁ গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়পৰা স্নাতক উপাধি লাভ কৰে। ১৯৬৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৮২ চনত তেওঁ "A Critical

Study oF the Social and Intellectual Back ground of Modern Assamese Literature 1826-1903.।

ডঃ নগেন শইকীয়াই আই এ পৰীক্ষা দি উঠিয়ে হাতীয়েখোৱা গাঁৱত হাইস্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰে। তাৰপিছত ১৯৬১ চনত তেওঁ ঢেকীয়াল হাইস্কুলত শিক্ষকতা কৰিবলৈ লয়। ১৯৬৪ চনত তেওঁ চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'অসম বাতৰি' কাকতত সহকাৰী সম্পাদক ৰূপে কাম কৰে। ১৯৬৫ চনৰপৰা তেওঁ ডিফু মহাবিদ্যালয়ত অধ্যাপক নিযুক্ত হয়। ১৯৬৫ চনতে তেওঁ নিউ যোৰহাট মহাবিদ্যালয় আৰু ১৯৬৭ চনত দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ত নিযুক্তি হয। ১৯৭২ চনত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয। ১৯৭৩ চনৰপৰা তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালযৰ পাঠ্যপুথি প্ৰস্তুতি প্ৰকাশন সমিতিৰ অস্থায়ী সচিবৰূপেও কাৰ্য নিৰ্বাহ কৰে। ১৯৮৩ চনৰপৰা তেওঁ ডিব্ৰুগড়ৰ অসমীযা বিভাগৰ মূৰীডাৰ নিযুক্ত হয। ১৯৮৬ চনত তেওঁ ৰাজনীতিত প্ৰৱেশ কৰে আৰু ৰাজ্যসভালৈ সদস্য মনোনীত হয। ডঃ শইকীযা ১৯৯০ চনৰপৰা ৰাজ্যসভাৰ উপ-স ভাপতিৰ পেনেললৈও নিৰ্বাচিত হয। ১৯৯২ চনৰপৰা তেওঁ ডিব্ৰুগড বিশ্ববিদ্যালযত অসমীযা বিভাগত অধ্যাপনা কৰিবলৈ লয।

ডঃ নগেন শইকীয়া ১৯৫৪ চনৰপৰা অসম সাহিত্য সভাৰ লগত জড়িত হয। ১৯৬৬ চনৰপৰা ১৯৭০ চনলৈ তেওঁ অসম সাহিত্য সভাৰ যোৰহাট কাৰ্যালয়ৰ সহকাৰী সম্পাদক আছিল। ১৯৭১ চনত তেওঁ আছিল ভাষাজ্ঞান সংসদৰ সচিব। ডঃ নগেন শইকীয়া ১৯৭৩-৭৫ আৰু ১৯৮০-৮৩ চনৰ সময়ছোৱাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিযুক্ত হৈছিল। ডঃ নগেন শইকীযা অসম সাহিত্য সভাৰ সম্পাদকৰূপে থকাকালত, সভাক তেওঁ এক গতিশীলৰূপ দিবলৈ সমৰ্থ হৈছিল। তেওঁ অসম সাহিত্য সভাৰ কোষাধ্যক্ষও নিৰ্বাচিত হৈছিল। ১৯৮৭ চনত তেওঁ অসম সাহিত্য সভাৰ পাঠশালা অধিবেশনত আলোচনা চক্ৰৰ সঞ্চালক আছিল।

ডঃ নগেন শইকীয়া বিভিন্ন শিক্ষা, সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো নানা বিষয় পদত জড়িত আছিল। তেওঁ জড়িত থকা অনুষ্ঠানৰ ভিতৰত কেইটামান হ'লঃ ডিব্ৰুগড় বিশ্ববিদ্যালয কোৰ্ট, ডিব্ৰুগড বিশ্ববিদ্যালয় শিক্ষা পৰিষদ, উত্তৰ পূৰ্ব পাৰ্বত্য বিশ্ববিদ্যালয় কোৰ্ট, ডিব্ৰুগড বিশ্ববিদ্যালয উপাচাৰ্য বাছনি সমিতি, সাহিত্য অকাডেমীৰ সাধাৰণ পৰিষদ, জ্ঞানপীঠ বঁটা অসমীয়া উপদেষ্টা সমিতি, নেচনেল বুক ট্ৰাষ্টৰ অসমীয়া উপদেষ্টা সমিতি, সৰস্বতী সন্মান অসমীয়া উপদেষ্টা সমিতি, অথৰ্ছ গীল্ড অব ইণ্ডিয়া, বিশ্বকোষ সমিতি, শংকৰদেৱ কলা-ক্ষেত্ৰৰ সাধাৰণ পৰিষদ, ৰাজ্যিক পাঠ্যপুথি প্ৰকাশন সমিতি আদি।

তেওঁ ইতিমধ্যে নানা বঁটা আৰু সন্মানেৰেও বিভূষিত হৈছে। বিশেষকৈ অসম সাহিত্য সভাই তেওঁক 'মোহন চন্দ্ৰ শৰ্মা বঁটা'ৰে সন্মানিত কৰিছে। ১৯৯২ চনত দিল্লীত অনুষ্ঠিত হোৱা "Peace and Harmony" ৰ এটি অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল।

ডঃ শইকীয়াই কেইবাটাও স্মাৰক-বক্তৃতা প্ৰদান কৰিছে। সেইবোৰৰ ভিতৰত হ'ল- ১৯৮৮ চনত অসম সাহিত্য সভাই আয়োজন কৰা 'লক্ষীধৰ শৰ্মা স্মাৰক-বক্তৃতা' অনষ্ঠানত তেওঁ 'উনবিংশ শতিকাত অসমীয়া ভাষাৰ সংকট' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ১৯৯৪ চনত অসম সাহিত্য সভাই আয়োজন কৰা "বেজবৰুৱা স্মাৰক বক্তৃতা" অনুষ্ঠাত তেওঁ "জাতীয়তাবাদ আৰু অসমীয়া সাহিত্য' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ১৯৯৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত 'সূৰ্যকুমাৰ ভূঞা স্মাৰক-বক্তৃতা' অনুষ্ঠানত তেওঁ 'সূৰ্যকুমাৰ ভূঞাৰ ইতিহাস চৰ্চা' সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। ১৯৯৬ চনত অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিয়ে আয়োজন কৰা "দীননাথ শৰ্মা স্মাৰক-বক্তৃতা" অনুষ্ঠনত "অসমীযা সাহিত্যৰ বিকাশত আলোচনী-কাকতৰ ভূমিকা" শীৰ্ষক বক্তৃতা প্ৰদান কৰে।

ডঃ নগেন শইকীয়াই সৰুকালৰপৰা সাহিত্য চৰ্চাত মনোযোগ দিছিল। চতুৰ্থমান শ্ৰেণীত পটি থাকোতে, তেওঁ এখন হাতে লিখা আলোচনী প্ৰকাশৰ বাবে চেষ্টা চলাইছিল। সপ্তমমান শ্ৰেণীত পঢ়ি থাকোতে তেওঁ কবিতা ৰচনা কৰিছিল আৰু সেই কবিতা 'সদিনীয়া অসমীয়া'ত প্ৰকাশিত হৈছিল। নৱম মান শ্ৰেণীত পঢ়া কালত, তেওঁ এখন নাটক ৰচনা কৰিছিল। সেই নাটকখনৰ নাম আছিল 'উদয়াদিত্য'। এইখন এখন পূৰ্ণাংগ নাটক আছিল। তাৰ পিছত তেওঁ দশমমান শ্ৰেণী পাওঁতে গল্প ৰচনা কৰিবলৈ লয়। তেওঁ ৰচনা কৰা প্ৰথম গল্পটোৰ নাম আছিল 'শিল্পীৰ চকুলোঁ'।

ডঃ নগেন শইকীয়াই সাহিত্যৰ বিভিন্ন দিশলৈ বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল ঃ- উপন্যাস- ভগা ঘাট (১৯৬৮)। চুটি গল্প — কুবেৰ হাতীবৰুৱা (১৯৬৭), ছবি আৰু ফ্ৰেম (১৯৬৯), বন্ধ কোঠাত ধুমুহা (১৯৭১), অস্তিত্বৰ শিকলি (১৯৭৬), মাটিৰ চাকিৰ জুই (১৯৭৬), অপাৰ্থিব-পাৰ্থিব (১৯৮২), আন্ধাৰত নিজৰ মুখ (১৯৯১), আদি। ভ্ৰমণ কাহিনী — আমেৰিকাত দহদিন (১৯৮৮) আৰু মহাচীনৰ দিনলিপি। প্ৰবন্ধ সংকলন— চিন্তা আৰু চৰ্চা (১৯৭৮), ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা (১৯৯৩), অগ্নিগৰ্ভা অসম (১৯৮৩), গবেষণা- পদ্ধতি পৰিচয় (১৯৯৬), অসমীয়া কবিতা আৰু অন্যান্য বিষয় (১৯৯৬) আদি। সম্পাদনামূলক গ্ৰন্থ — গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু', সাহিত্যৰ বাদ-বৈচিত্ৰ্য (১৯৮৭), আধুনিক

অসমীয়া সাহিত্যৰ অভিলেখ, অধ্যয়ন পৰিচয় (১৯৭৮), অসমৰ লিপি সমস্যা, শ্ৰীশ্ৰী শংকৰদেৱ, আচাম এগু আচামিজ মাইণ্ড, চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী, মহেশ্বৰ নেওগ ৰচনাৱলী (৩ য় খণ্ড), অসমীয়া গল্প কৌমুদী, কবিতা মঞ্জৰী আদি প্ৰায় দুকুৰিখন গ্ৰন্থ তেওঁ সম্পাদনা কৰিছে। অনুবাদমূলক 'শান্তিনাথ দেশাইৰ 'মুক্তি' (কানাডা উপন্যাস) আৰু আনখন হ'ল প্ৰভাকৰ মাছুৱৈৰ 'কেশৱসুত'। 'মিতভাষ' তেওঁৰ আন এখন মূল্যবান গ্ৰন্থ।

তেওঁ ১৯৮৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ১৯৯৩ চনত চীন দেশ ভ্ৰমণ কৰে।

তেওঁ ১৯৯৭ চনত 'আন্ধাৰত নিজৰ মুখ' শীৰ্ষক গ্ৰন্থখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছে।

১৯৯৭ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিবেশনৰ ডঃ নগেন শইকীয়া সভাপতি আছিল। পুনৰবাৰ ১৯৯৮ চনৰ ২৪ মাৰ্চত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুঃষষ্টিতম হাওৰাঘাট (কিৰাত আক্ৰাম) অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেওঁ কৈছিল, "মই ৰাজনৈতিক দল আৰু আমাৰ ৰাজ্যখনৰ যুৱ আৰু ছাত্ৰ শক্তি আৰু উগ্ৰবাদী সংগঠনসমূহক সোঁৱৰাই দিব খোজোঁ - জনসাধাৰণে তেওঁবিলাকক আজি ভয় কৰে, সৰহ ক্ষেত্ৰতে মনে প্ৰাণে সমৰ্থন নকৰে। কাৰণ ৰাজনৈতিক দলৰ আছে ৰাজনৈতিক ক্ষমতা, ছাত্ৰ আৰু যুৱ শক্তিৰো আছে শক্তি, আৰু উগ্ৰবাদী সংগঠনৰ হাতত আছে মাৰণাস্ত্ৰ। মই অসমৰ ছাত্ৰ আৰু যুৱশক্তিকো সোঁৱৰাই দিব খোজোঁ- আপোনাসকলে নিজৰ সীমা আৰু কৰ্মক্ষেত্ৰ চেৰাই গৈ দিয়া আহ্বানে যেতিয়া 'নিৰ্দেশ'ৰ আকাৰ লয়, সাধাৰণ মানুহে বিপদৰ আশংকা কৰি তেনে নিৰ্দেশ মানি চলে। তাৰ অৰ্থ এইটো নহয় যে জনসাধাৰণে তেনে সকলো আহ্বান সমৰ্থন কৰে। মই নিষিদ্ধ-অনিষিদ্ধ সকলো সংগঠনকে আহ্বান জনাওঁ জন সাধাৰণক নিৰ্ভয় মনেৰে নিজৰ মনোভাব প্ৰকাশৰ সুযোগ দিয়ক আৰু আপোনাসকলৰ নিজৰ স্থিতি আৰু কৰ্মসূচী তাৰ পিছত ঠিক কৰক। জনসাধাৰণৰ ওপৰত আপোনালোকৰ ইচ্ছা-অনিচ্ছা জাপি নিদি মুক্তভাৱে জনসাধাৰণক মনোভাব প্ৰকাশৰ সুযোগ দিয়ক। জনসাধাৰণক সন্মান কৰিবলৈ শিকক। তেতিয়াহে গম পাব কিমান দূৰলৈকে আপোনালোক গ্ৰহণীয়। মনত ৰাখিব সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ কোনো ৰাজনৈতিক স্বাৰ্থ নাই, আকাংক্ষাও নাই। অসমৰ, অসমৰ মানুহৰ, অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নয়নৰ স্বাৰ্থই অসম সাহিত্য সভাৰ স্বাৰ্থ। মানৱিকতাবোধ আৰু গণতান্ত্ৰিক মূল্যবোধেই আমাৰ আধাৰ। সেই বাবেই অসমৰ

জনসাধাৰণে সংকটৰ সময়ত সাহিত্য সভাৰ দৰে অনুষ্ঠানলৈ চায়, সাহিত্যিক-শিল্পী-বুদ্ধিজীৱী সকললৈ চায়-'এওঁবিলাকে কি কয়, কি পৰামৰ্শ দিয়ে, জানিবলৈ। মই জনসাধাৰণৰ এই আস্থা আৰু বিশ্বাস অটুট ৰখাৰ স্বাৰ্থতে সাহিত্য সভাৰ মঞ্চখন যথাৰ্থ সাহিত্যিকৰ মঞ্চ কৰি ৰখাৰ ওপৰত আৰু এই মঞ্চলৈ হাতমেলা স্বাৰ্থান্ধসকলক দূৰত ৰখাৰ ওপৰত গুৰুত্ব দি আহিছোঁ। মই মৰ্মে মৰ্মে অনুভৱ কৰি আহিছো— এই অনুষ্ঠানটোত ন্যস্ত স্বাৰ্থৰ হাতোৰা মাৰিবলৈ হ'লে অসমৰ মানুহৰ বাবে থৰণী ধৰিবলৈ ঠাই নোহোৱা দৰে হ'ব।' ❐

চন্দ্ৰপ্ৰসাদ শইকীয়া

১৯৯৫ চনত 'মহাৰথী' (১৯৯২) গ্ৰন্থৰ বাবে চন্দ্ৰপ্ৰসাদ শইকীয়াই অসমীয়া ভাষাত সাহিত্য অকাডেমী বঁটা লাভ কৰিছে। এই উপন্যাসখনৰ মাজেৰে শইকীয়াই তেঁওৰ সৃষ্টিশীল বিশাল প্ৰতিভাৰে মহাভাৰতৰ এক মহাপ্ৰাণ চৰিত্ৰ কৰ্ণক আলোক সন্ধানীৰূপে চিত্ৰিত কৰিব পৰিছে। আধুনিক দৃষ্টিৰে মহাভাৰতক প্ৰত্যক্ষ কৰাই হ ল 'মহাৰথী'ৰ মূল কথা। উপন্যাসখন সম্পৰ্কে কৰা এক প্ৰশ্নৰ উত্তৰত শইকীয়াই আমাক কয়,"আজি আমাক জীৱনক নকৈ বিশ্লেষণ কৰি চাবৰ বাবে ধ্ৰুপদী সাহিত্য অপৰিহাৰ্য্য। আমি জীৱনত যি বিচাৰিছোঁ, আজিৰ দিনত সেইটো আমি পোৱা নাই। তাৰ কাৰণ হ'ল- চাৰিওফালে অসত্য, দুৰ্নীতিৰ পয়োভৰ। জাতীয় জীৱনত এনে কোনো নেতা নাই, যাৰ কথা শুনি আমি অভিভূ ত হ'ব পাৰো। এনে এক নিমজ্জিত অন্ধকাৰত একমাত্ৰ শক্তি হ'ল- শব্দৰ শক্তি। সেই শব্দৰ শক্তিৰ আশ্ৰয় লোৱাৰ বাহিৰে আমাৰ বৰ্তমান কোনো উপাই নাই। সেই বাবে বৰ্তমান সময়ত শংকৰদেৱ, মাধৱদেৱ বা আন ধ্ৰুপদী সাহিত্যৰ প্ৰভাৱ বাঢ়ি গৈছে। এইটো হৈছে সাহিত্যৰ সত্য। এই সাহিত্যৰ সত্যৰ আশ্ৰয় লৈ লেখক সকলে বৰ্তমান অসহায় দেশবাসীক নৈতিক নেতৃত্ব দিয়াৰ সময় উপস্থিত। সমাজৰ নৈতিকতাৰ স্খলন আৰু মূল্যবোধহীনতা ৰোধ কৰিবলৈ স্বদেশপ্ৰেম আৰু

সাহিত্য- সংস্কৃতিৰ পুনৰুত্থান ঘটাব লাগিব।”

শইকীয়াই সাহিত্য- জীৱন আৰম্ভ কৰে ‘এদিন’ নামৰ উপন্যাসিকাৰে। সেইখন তেওঁ ৰচনা কৰে যেতিয়া তেওঁ কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যত এম. এ পঢ়ি আছিল (১৯৫৩)। স্বাধীনতা আন্দোলনত যোগ দি তেওঁৰ হোৱা অভিজ্ঞতাৰে লিপিবদ্ধ সেইখন উপন্যাসক তেওঁৰ আত্মজীৱনীমূলক জ্ঞান কৰিব পাৰি। তেওঁৰ প্ৰকাশিত অন্যান্য গ্ৰন্থকেইখনৰ ভিতৰত হ’ল ঃ গল্প- সংকলনঃ মায়ামৃগ, নাচপতি ফুল, অংগীকাৰ আৰু চক্ৰবৎ। উপন্যাস ঃ মন্দাক্ৰান্তা, মেঘমল্লাৰ, উত্তৰ কাল, অগ্নিস্নান, প্ৰতিধ্বনি, জন্মান্তৰ, তোৰে মোৰে আলোকৰে যাত্ৰা, মহাৰথী। ভ্ৰমণ কাহিনী ঃ আমেৰিকাৰ চিঠি। নিৰ্বাচিত সম্পাদকীয, দৃষ্টিকোণ। তেওঁৰ বিভিন্ন আলোচনী-কাকতত লিখা প্ৰবন্ধৰ দুটা খণ্ড আৰু বিখ্যাত ব্যক্তিৰ লগত সাক্ষাৎকাৰ এক খণ্ডত প্ৰকাশৰ পথত। তেওঁৰ মুখ্য সম্পাদনাত ‘অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীযা ইতিহাস’ (১৯৯৮) গ্ৰন্থ প্ৰকাশিত হৈছে।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ জন্ম হয় ১৯২৭ চনৰ ৮ জুলাইত, শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলৰ জালুক গাঁৱত। তেওঁৰ পিতৃ দুৰ্লভচন্দ্ৰ শইকীয়া মৌজাদাৰ আছিল। জাঁজী হাইস্কুলৰ অষ্টম শ্ৰেণীত পঢ়োতে তেওঁ বিয়াল্লিছৰ আন্দোলত যোগ দিয়ে। পুলিচৰ প্ৰহাৰত তেওঁ গুৰুতৰভাৱে আহত হয়। সেই আন্দোলত তেওঁৰ দুবাৰ কাৰাদণ্ড হয় ঃ প্ৰথমবাৰ চাৰিমাহৰ বাবে দ্বিতীয়বাৰ এমাহৰ বাবে। তেওঁ জেলৰ পৰা ওলাই প্ৰাইভেটকৈ মেট্ৰিক পাছ কৰে। ১৯৫০ চনত তেওঁ কটন কলেজৰ পৰা বি এ পাছ কৰি, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম এ পাছ কৰে। ১৯৫৫ চনৰ পৰা ১৯৬৩ চনলৈ তেওঁ ‘আছাম ট্ৰিবিউন’ৰ সম্পাদকীয় বিভাগত কাম কৰে। ‘ট্ৰিবিউন’ৰ তেতিয়া সম্পাদক আছিল প্ৰখ্যাত সাহিত্যিক লক্ষ্মীনাথ ফুকন। ১৯৬৩ চনত তেওঁ ‘অসম বাতৰি’ নামৰ দ্বি-সাপ্তাহিক কাকতৰ সম্পাদক হয়। ১৯৬৭ চনত তেওঁ অসম প্ৰকাশন পৰিষদৰ সচিব নিযুক্ত হয়। সেই পদত উনৈশ বছৰ-কাল থাকি তেওঁ যথেষ্ট সংখ্যক বহুমূলীয়া আৰু দুষ্প্ৰাপ্য গ্ৰন্থ প্ৰকাশ কৰে। তাৰে কেইবাখনো গ্ৰন্থই সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছিল।

শইকীয়াই হ’ল একমাত্ৰ অসমীয়া, যি ছখন কাকত-আলোচনী সম্পাদনা কৰিছে। তেওঁ ‘অসমীযা’ (১৯৭২) আৰু ‘প্ৰকাশ’ ‘(১৯৭৪)’ আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। কেইবা মাহো তেওঁ ‘মণিদীপ’ আলোচনীৰো সম্পাদক আছিল। ১৯৮৮ চনৰ এক জানুৱাৰীত তেওঁ ‘নতুন দৈনিক’ কাকতৰ প্ৰতিষ্ঠাপক—সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। বৰ্তমান তেওঁ ‘গৰীয়সী’ নামৰ মাহেকীয়া সাহিত্য আলোচনীৰ সম্পাদক। এই আলোচনীয়ে ১৯৯৫ চনত সৰ্বভাৰতীয় ‘কথা’ পুৰস্কাৰ লাভ কৰে।

শইকীয়াই তিনিবাৰ বিদেশ ভ্ৰমণ কৰে। ১৯৯৯ চনৰ ১৭ ফেব্ৰুৱাৰীৰপৰা ২০ ফেব্ৰুৱাৰীলৈ হাজো সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চ-ষষ্ঠিতম অধিবেশনৰ তেওঁ সভাপতি আছিল। সেইদিনা সভাপতিৰ আসনৰপৰা ৰাইজৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল, "অসমৰ মানুহক প্ৰবঞ্চনা কৰা, উপেক্ষা কৰাৰ মনোভাব সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰকট হোৱাৰ যথেষ্ট প্ৰমাণ আছে। এই ক্ষেত্ৰত অসমক ৰক্ষা কৰাৰ দায়িত্ব অসমৰ মানুহৰ নিজৰ। এই বিশাল দেশখনৰ এক সংখ্যক স্বাৰ্থপৰ, নিজৰ নিজৰ ৰাজ্যৰ উন্নতিত উৎসাহী, সৰ্বভাৰতীয় সংস্কৃতিৰ লগত সম্পৰ্ক নথকা নেতৃত্বৰপৰা অসমৰ দৰে সৰু ৰাজ্য এখনে যথাৰ্থ মৰ্যাদা আৰু সুযোগ নেপাব পাৰে। এই ক্ষেত্ৰত আমাৰ ন্যায্য দাবী গণতান্ত্ৰিক উপায়ে সাব্যস্ত কৰিবলৈ অসম সাহিত্য সভাই নিজক ব্ৰতী কৰিব। কাৰণ, অসমৰ মানুহৰ ন্যায্য দাবী পূৰণৰ লগত এই ৰাজ্যৰ সাহিত্য-সংস্কৃতিৰ বিকাশ ওতপ্ৰোতভাৱে জড়িত হৈ আছে।" "মহৎ সাহিত্যৰ আবেদন হ'ল, মানুহক হিংসা-বিদ্বেষ-কামভাবৰ সৰ্বব্যাপী প্ৰভাৱৰপৰা আঁতৰাই মানুহক মোহমুক্ত, আসক্তিশূন্য, শান্ত সমাহিত কৰা। মহৎ লিখকে ভাল আৰু বেয়া দুয়ো দিশকে নিজৰ ৰচনাত বিবৃত কৰেঃ সেইটো হ'ল সাহিত্যৰ সত্য। কিন্তু ৰচনাৰ শেষত মানুহক শান্ত আৰু সমাহিত কৰাটো তেওঁলোকৰ সৃষ্টিৰ লক্ষ্য।"

"প্ৰতিজন সত্যান্বেষী সাহিত্যিকেই প্ৰকৃতাৰ্থত এজন শ্ৰেষ্ঠ দেশপ্ৰেমিক। তেওঁ দেশৰ মানুহ-সংস্কৃতি-ভাষা-প্ৰকৃতি পৰম্পৰাৰপৰাই সাহিত্যিক সমল সংগ্ৰহ কৰি তাকেই অধিক সংস্কৃতি কৰি সেই মানুহকে দান কৰি যায়। তেওঁলোকৰ মনত উদ্ভাসিত হৈ থাকে ৰামচন্দ্ৰৰ সেই অমৃত উক্তি ঃ জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী। জন্মভূমি স্বৰ্গতকৈয়ো গৰীয়সী, এই কথাই দেশ মাতৃৰ প্ৰতিজন সন্তানকে অনুপ্ৰাণিত কৰে।"

অসমীযা সাহিত্য সম্পৰ্কে কৰা এক প্ৰশ্নৰ উত্তৰ দি তেওঁ আমাক কয় ঃ অসমীয়া সাহিত্যত বৰ্তমান কোনো বিদেশী প্ৰভাৱ নাই। অসমীয়া সাহিত্যক পুনৰ ঐশ্বৰ্যশালী কৰিবলৈ হ'লে অসমৰ মানুহ, অসমৰ কিম্বদন্তী, সাধুকথা, প্ৰবচন, মাটি-পানী-বায়ুৰ পৰাই সমল সংগ্ৰহ কৰি তাকে অসমীযাক দান কৰিব লাগিব। বৰ্তমানৰ নিগনি-চঞ্চল জীৱনক এক চৰিত্ৰ আৰু দৰ্শন দান কৰিবলৈ অসম ভূমিত এক পৰম শক্তিশালী সৃষ্টিৰ পৰিবেশ অপৰিহাৰ্য।

শইকীয়াৰ মতে, সাহিত্যৰ সভাৰ লগত সামাজিক, ৰাজনৈতিক, বৈজ্ঞানিক সত্যৰ কোনো মিল নাই। সাহিত্যৰ শক্তি নিহিত আছে শব্দৰ শক্তিৰ মাজতে। সেই শক্তি অপৰাজেয়। সাহিত্যই সত্যৰ কোনো ইংগিত নিদিয়ে, কাৰণ তাৰ মাজতে সত্য এককভাৱে নিহিত হৈ আছে। ৰামায়ণ, মহাভাৰত, মহাভাগৱত ৰচনা-কালৰ সামাজিক,

ৰাজনৈতিক অৱস্থাৰ দুৰ্যোৰ পৰিৱৰ্তন হৈছে, সেই পৰিৱৰ্তনে আমাৰ জীৱনক আজি প্ৰভাৱিত নকৰে। কিন্তু সেই ধ্ৰুপদী ৰচনাৰাশিয়ে আজিও আমাক উদ্বেলিত, প্ৰভাৱিত কৰে। সেয়েই হ'ল সাহিত্যৰ সত্য। শব্দ আৰু তাৰ অৰ্থৰ যি যুগমীয়া সম্পৰ্ক, তাৰ লগত কালিদাসে শিৱ আৰু পাৰ্বতীৰ মাজত সম্পৰ্কৰ তুলনা কৰিছে।

তেওঁৰ মতে, দেশৰ মানুহৰ শ্বাস-প্ৰশ্বাসৰ লগত একাকাৰ কৰিব পাৰিলেহে সাহিত্যই অমৰত্ব লাভ কৰে।

১৯৫৮ চনত শইকীয়াই অসমৰ এগৰাকী সুলেখিকা প্ৰবীণা শইকীয়াৰ লগত বিবাহ পাশত আবদ্ধ হয়। শইকীয়া তিনিটা সন্তানৰ (এক পুত্ৰ আৰু দুই কন্যা) পিতৃ। তেওঁৰ পুত্ৰ শান্তনু শইকীয়াই নতুন দিল্লীৰ "ফিনান্সিয়েল এক্সপ্ৰেছ' কাকতৰ সম্পাদকীয় বিভাগত কাম কৰে। ❐

পৰিশিষ্ট

অসম সাহিত্য সভাৰ উপ-সভাপতিসকল

মিত্ৰদেৱ মহন্ত	১৯৫৬	জয়ছিং দলৈ	১৯৮২
অতুলচন্দ্ৰ হাজৰিকা	১৯৫৮	ৰাজেন ৰাভা	১৯৮৪
বিনন্দ চন্দ্ৰ বৰুৱা	১৯৬০	লংকাম টেৰণ	১৯৮৬
পৰাগধৰ চলিহা	১৯৬২	লক্ষ্মীনন্দন বৰা	১৯৮৮
পৰাগধৰ চলিহা	১৯৬৪	ৰাম গগৈ	১৯৯০
পৰাগধৰ চলিহা	১৯৬৬	যতীন গোস্বামী	১৯৯২
মহেশ্বৰ নেওগ	১৯৬৮	যতীন গোস্বামী	১৯৯৩
পৰাগধৰ চলিহা	১৯৭০	বিশ্ব বৰুৱা	১৯৯৪
মহেশ্বৰ নেওগ	১৯৭২	বিশ্ব বৰুৱা	১৯৯৫
যতীন্দ্ৰ নাথ গোস্বামী	১৯৭৪	ৰাম গোস্বামী	১৯৯৬
হিতেশ ডেকা	১৯৭৬	ৰাম চৰণ ঠাকুৰীয়া	১৯৯৭
যোগেশ দাস	১৯৭৮	ইদ্ৰিছ আলী	১৯৯৮
লীলা গগৈ	১৯৮০	ইদ্ৰিছ আলী	১৯৯৯-২০০১

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকসকল

স্থান	প্ৰধান সম্পাদক	কাৰ্যকাল
শিৱসাগৰ	শৰৎ চন্দ্ৰ গোস্বামী	১৯১৭-১৮
গোৱালপাৰা	পদ্মনাথ গোহাঞি বৰুৱা	১৯১৮-১৯
বৰপেটা	সত্যনাথ বৰা	১৯১৯-২০
তেজপুৰ	শৰৎ চন্দ্ৰ গোস্বামী	১৯২০-২৩
যোৰহাট	শৰৎ চন্দ্ৰ গোস্বামী	১৯২৩-২৪
ডিব্ৰুগড	শৰৎ চন্দ্ৰ গোস্বামী	১৯২৪
গুৱাহাটী	শৰৎ চন্দ্ৰ গোস্বামী	১৯২৪-২৫
নগাঁও	শৰৎ চন্দ্ৰ গোস্বামী	১৯২৫-২৬
ধুবুৰী	শৰৎ চন্দ্ৰ গোস্বামী	১৯২৬-২৭
	পূৰ্ণানন্দ শৰ্মা পাঠক	১৯২৭-
গোৱালপাৰা	পূৰ্ণানন্দ শৰ্মা পাঠক	১৯২৭-
যোৰহাট	পূৰ্ণানন্দ শৰ্মা পাঠক	১৯২৮-৩০
গোলাঘাট	কমলাকান্ত বৰুৱা	১৯৩০-৩১
	দেবেশ্বৰ চলিহা	১৯৩১-

স্থান	প্ৰধান সম্পাদক	কাৰ্যকাল
শিৱসাগৰ	দেৱেশ্বৰ চলিহা	১৯৩২-৩৩
উত্তৰ লক্ষীমপুৰ	দেৱেশ্বৰ চলিহা	১৯৩৩-৩৪
মঙ্গলদৈ	চন্দ্ৰধৰ বৰুৱা	১৯৩৪-৩৬
তেজপুৰ	দেৱানন্দ শৰ্মা	১৯৩৬-৩৭
গুৱাহাটী	ৰামেশ্বৰ বৰুৱা	১৯৩৭-৩৯
যোৰহাট	পূৰ্ণানন্দ শৰ্মা পাঠক	১৯৪০-৪২
	ৰামেশ্বৰ বৰুৱা	১৯৪২-৪৪
শিৱসাগৰ	ডিম্বেশ্বৰ নেওগ	১৯৪৪-৪৭
ডিব্ৰুগড	মুক্তানাথ বৰুৱা	১৯৪৭-৫০
মাৰ্ঘেৰিটা	কেশৱ নাৰায়ণ দত্ত	১৯৫০-৫৩
চিলং	অতুল চন্দ্ৰ হাজৰিকা	১৯৫৩-৫৪
যোৰহাট	অতুল চন্দ্ৰ হাজৰিকা	১৯৫৫-
গুৱাহাটী	অতুল চন্দ্ৰ হাজৰিকা	১৯৫৫-৫৬
ধুবুৰী	পৰাগধৰ চলিহা	১৯৫৬-৫৮
তিনিচুকীয়া	বিনন্দ চন্দ্ৰ বৰুৱা	১৯৫৮-৫৯
নগাঁও	যতীন্দ্ৰ নাথ গোস্বামী	১৯৫৯-৬০
মিৰ্জা	মহেশ্বৰ নেওগ	১৯৬০-৬১
	(দুবছৰীয়া কাৰ্য্যকাল)	
গোৱালপাৰা	মহেশ্বৰ নেওগ	১৯৬১-৬৩
নাজিৰা	মহেশ্বৰ নেওগ	১৯৬৩-৬৪
	(দুবছৰীয়া কাৰ্য্যকাল)	
ডিগবৈ	মহেশ্বৰ নেওগ	১৯৬৪-৬৫
নলবাৰী	হৰিপ্ৰসাদ নেওগ	১৯৬৫-৬৬
উত্তৰ লক্ষীমপুৰ	হৰিপ্ৰসাদ নেওগ	১৯৬৬-৬৭
ডিব্ৰুগড	হৰিপ্ৰসাদ নেওগ	১৯৬৭-৬৮
তেজপুৰ	হৰিপ্ৰসাদ নেওগ	১৯৬৮-৬৯
বৰপেটা	চৈয়দ আব্দুল মালিক	১৯৬৯-৭০
ধিং	যতীন্দ্ৰ নাথ গোস্বামী	১৯৭০-৭১
মাকুম	যতীন্দ্ৰ নাথ গোস্বামী	১৯৭১-৭২
ধুবুৰী	যতীন্দ্ৰ নাথ গোস্বামী	১৯৭২-৭৩
ৰঙিয়া	নগেন শইকীয়া	১৯৭৩-৭৪
মঙ্গলদৈ	নগেন শইকীয়া	১৯৭৪-৭৫

স্থান	প্ৰধান সম্পাদক	কাৰ্য্যকাল
তিতাবৰ	নগেন শইকীয়া	১৯৭৫-৭৬
টিহু	হেমন্ত কুমাৰ শৰ্মা	১৯৭৬-৭৭
অভয়াপুৰী	আব্দুছ ছাত্তাৰ	১৯৭৭-৭৮
গোলাঘাট	লীলা গগৈ	১৯৭৮-৭৯
গুৱালকুছি	লীলা গগৈ	১৯৭৯-৮০
ৰহা	নগেন শইকীয়া	১৯৮০-৮১
তিনিচুকীয়া	দুৰ্গেশ্বৰ শৰ্মা	১৯৮১-৮২
ডিফু	নগেন শইকীয়া	১৯৮২-৮৩
বঙ্গাইগাঁও	নগেন শইকীয়া	১৯৮৪-৮৫
বিহপুৰীয়া	প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য	১৯৮৫-৮৬
কামপুৰ	অমল ৰাজখোৱা	১৯৮৬-৮৭
পাঠশালা	অমল ৰাজখোৱা	১৯৮৭-৮৮
হাইলাকান্দি	অমল ৰাজখোৱা	১৯৮৮-৮৯
ডুমডুমা	সতীশ চন্দ্ৰ চৌধুৰী	১৯৮৯-৯০
বিশ্বনাথ চাৰিআলি	সতীশ চন্দ্ৰ চৌধুৰী	১৯৯০-৯১
দুধনৈ	নাহেন্দ্ৰ পাদুন	১৯৯১-৯২
গোৰেশ্বৰ	ৰামচৰণ ঠাকুৰীয়া	১৯৯২-৯৩
শিৱসাগৰ	ৰামচৰণ ঠাকুৰীয়া	১৯৯৩-৯৪
মৰিগাঁও	সতীশ চন্দ্ৰ চৌধুৰী	১৯৯৪-৯৫
সৰ্থেবাৰী	সতীশ চন্দ্ৰ চৌধুৰী	১৯৯৫-৯৬
বোকাখাত	সতীশ চন্দ্ৰ চৌধুৰী	১৯৯৬-৯৭
বিলাসীপাৰা	শৈলেন দাস	১৯৯৭-৯৮
হাওৰাঘাট	শৈলেন দাস	১৯৯৮-৯৯
হাজো	ডঃ বসন্ত কুমাৰ গোস্বামী	১৯৯৯-২০০১

অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকসকল

দেবেশ্বৰ শৰ্মা

চন্দ্ৰনাথ শৰ্মা আৰু দণ্ডিনাথ কলিতা

চন্দ্ৰনাথ শৰ্মা আৰু জ্যোতিৰাম লহকৰ

হৰিনাথ পাঠক চৌধুৰী আৰু হৰিনাৰায়ণ দত্তবৰুৱা

হৰিনাথ পাঠক চৌধুৰী আৰু হৰিনাৰায়ণ দত্তবৰুৱা

দেবেন্দ্ৰ নাথ বেজবৰুৱা আৰু হৰিনাথ পাঠক চৌধুৰী

হৰিনাথ পাঠক চৌধুৰী আৰু নকুল চন্দ্ৰ ভূঞা
বিষ্ণু চন্দ্ৰ বৰুৱা আৰু হৰিনাৰায়ণ দত্তবৰুৱা
হৰিনাৰায়ণ দত্তবৰুৱা আৰু বিষ্ণু চন্দ্ৰ বৰুৱা
লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু ৰাধানাথ হাজৰিকা
লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱা
লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু মিত্ৰদেৱ মহন্ত
লক্ষেশ্বৰ শৰ্মা বৰুৱা আৰু মিত্ৰদেৱ মহন্ত

দেবেন্দ্ৰ নাথ বেজবৰুৱা আৰু তুলসীনাৰায়ণ শৰ্মা	১৯৩৪-৩৫
মিত্ৰদেৱ মহন্ত	১৯৩৬-৩৭
মুক্তানাথ বৰুৱা	১৯৩৭-৩৯
মুক্তনাথ বৰুৱা	১৯৩৯-৪০
ধীৰেশ্বৰ ভট্টাচাৰ্য্য	১৯৪০-৪১
মুক্তানাথ বৰুৱা আৰু ধীৰেশ্বৰ ভট্টাচাৰ্য্য	১৯৪২-৪৪
বলীনাৰায়ণ বৰা	১৯৪৪-৪৭
জিতেন্দ্ৰ কুমাৰ বৰুৱা	১৯৪৭-৫০
হেমচন্দ্ৰ দত্ত	১৯৫০-৫৩
যতীন্দ্ৰ গোস্বামী আৰু হৰিচন্দ্ৰ ভট্টাচাৰ্য্য	১৯৫৩-৫৪
যতীন্দ্ৰ গোস্বামী আৰু কৰুণাধৰ বৰুৱা	১৯৫৪-৫৫
যতীন্দ্ৰ গোস্বামী	১৯৫৫-৫৬, ৫৬-৫৮, ৫৮-৫৯
হৰিপ্ৰসাদ নেওগ	১৯৫৯-৬০, ৬০-৬৩
হৰিপ্ৰসাদ নেওগ আৰু হেমন্ত কুমাৰ শৰ্মা	১৯৬৩-৬৫
ৰমা বৰঠাকুৰ আৰু দুৰ্গেশ্বৰ শৰ্মা	১৯৬৫-৬৬
নগেন শইকীয়া আৰু নন্দ তালুকদাৰ	১৯৬৬-৬৭
নগেন শইকীয়া আৰু নন্দ তালুকদাৰ	১৯৬৭-৬৮
নগেন শইকীয়া আৰু নন্দ তালুকদাৰ	১৯৬৮-৬৯
নগেন শইকীয়া আৰু নন্দ তালুকদাৰ	১৯৬৯-৭০
ডিম্বেশ্বৰ শৰ্মা আৰু ভগগিৰী ৰায়চৌধুৰী	১৯৭০-৭১
ডিম্বেশ্বৰ শৰ্মা আৰু ভগগিৰী ৰায়চৌধুৰী	১৯৭১-৭২
ডিম্বেশ্বৰ শৰ্মা আৰু প্ৰসন্নৰাম দাস	১৯৭২-৭৩
অমল ৰাজখোৱা আৰু গোবিন্দ মহন্ত	১৯৭৩-৭৪
অমল ৰাজখোৱা আৰু প্ৰসন্নৰাম দাস	১৯৭৪-৭৫
বসন্ত কুমাৰ গোস্বামী, প্ৰসন্নৰাম দাস, ৰামচৰণ ঠাকুৰীয়া	১৯৭৫-৭৬
বসন্ত কুমাৰ গোস্বামী আৰু নিশিপদ চৌধুৰী	১৯৭৬-৭৭

বসন্ত কুমাৰ গোস্বামী আৰু নিশিপদ চৌধুৰী	১৯৭৭-৭৮
অমল ৰাজখোৱা আৰু নিশিপদ চৌধুৰী	১৯৭৮-৭৯
প্ৰকাশ গোস্বামী আৰু সতীশচন্দ্ৰ চৌধুৰী	১৯৮০-৮১
কুতুবুদ্দিন আহমেদ আৰু সতীশচন্দ্ৰ চৌধুৰী	১৯৮১-৮২
অমল ৰাজখোৱা আৰু সতীশচন্দ্ৰ চৌধুৰী	১৯৮২-৮৩
মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য; গগণ চন্দ্ৰ অধিকাৰী আৰু শৈলেন দাস	১৯৮৩-৮৪-৮৫
কুতুবুদ্দিন আহমেদ, পৱন কুমাৰ বৰুৱা আৰু শৈলেন দাস	১৯৮৬-৮৭
প্ৰদীপ কুমাৰ বৰুৱা, পৱন কুমাৰ বৰুৱা আৰু মনজিৎ সিং	১৯৮৭-৮৮
প্ৰদীপ কুমাৰ বৰুৱা, মঃ মতিউৰ ৰহমান আৰু শৈলেন দাস	১৯৮৮-৮৯
মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য, পৱন বৰদলৈ আৰু বিজন গোস্বামী	১৯৮৯-৯০
মুকুল হাজৰিকা, প্ৰমোদ কাকতি আৰু শৈলেন দাস	১৯৯০-৯১
মুকুল হাজৰিকা, পৱন কুমাৰ বৰুৱা আৰু শৈলেন দাস	১৯৯১-৯২
মুকুল হাজৰিকা, বিমল ভূএগ্ৰা আৰু পাৰি ৰংপি	১৯৯২-৯৩
মুকুল হাজৰিকা, বিমল ভূএগ্ৰা আৰু পাৰি ৰংপি	১৯৯৩-৯৪
মুকুল হাজৰিকা, দীপক কাকতি আৰু পাৰি ৰংপি	১৯৯৪-৯৫
হৰেন্দ্ৰ কুমাৰ ভৰালী, দীপক কাকতি আৰু কামিনী দাস	১৯৯৫-৯৬
হৰেন্দ্ৰ কুমাৰ ভৰালী, সুমন্ত চলিহা আৰু জিৎ ৰংপি	১৯৯৬-৯৭
ডঃ নিবুংহল গোবিন্দ সিংহ, খগেন্দ্ৰ নাথ তালুকদাৰ আৰু কৰুণা কান্ত ভৰালী	১৯৯৭-৯৮
প্ৰদীপ বৰুৱা, নৃপেন শৰ্মা, কামিনী দাস আৰু অৰুণ বায়ন	১৯৯৮-৯৯
ডঃ নিবুংহল গোবিন্দ সিংহ, জয়ন্ত তালুকদাৰ, কৰেণ দাস আৰু অৰুণ বায়ন	১৯৯৯-২০০১

অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদকসকল

১ম, ২য়, ৩য় বছৰ	—	চন্দ্ৰধৰ বৰুৱা
৪ৰ্থ বছৰ	—	দেবানন্দ ভঁৰালী
৫ম বছৰ	—	পূৰ্ণানন্দ শৰ্মা পাঠক আৰু ডিম্বেশ্বৰ নেওগ
৬ষ্ঠ বছৰ	—	চন্দ্ৰধৰ বৰুৱা
৭ম, ৮ম বছৰ	—	ডিম্বেশ্বৰ নেওগ
৯ম, ১০ম বছৰ	—	ৰামেশ্বৰ বৰুৱা
১১শ বছৰ	—	ডিম্বেশ্বৰ নেওগ
নতুন প্ৰকাশ (১৮৭৪ শক)	—	কেশৱনাৰায়ণ দত্ত

১৩শ বছৰ	—	ৰজনীকান্ত দেৱ শৰ্মা
১৪শ বছৰ	—	প্ৰেমধৰ ৰাজখোৱা
১৫শ বছৰ	—	ৰজনীকান্ত দেৱশৰ্মা
১৬শ,১৭শ,১৮শ, ১৯শ বছৰ	—	সত্যেন্দ্ৰনাথ শৰ্মা
২০শ, ২১শ, (১,২) বছৰ	—	যতীন্দ্ৰনাথ গোস্বামী
২১শ (৩),২২শ বছৰ	—	বিশ্বনাৰায়ণ শাস্ত্ৰী
২৩শ,২৪শ বছৰ	—	যোগেশ দাস
২৫শ বছৰ	—	সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
২৬শ বছৰ	—	দুৰ্গেশ্বৰ শৰ্মা
২৭শ বছৰ	—	হৰিচন্দ্ৰ ভট্টাচাৰ্য্য
২৭শ,(২,৩),২৯শ, (১) বছৰ	—	যতীন গোস্বামী
২৮শ,(২,৩),২৯শ, (১) বছৰ	—	আব্দুছ ছাত্তাৰ
২৯শ, (২,৩) বছৰ	—	পৰেশমল্ল বৰুৱা
৩০শ, বছৰ (মাহেকীয়া)	—	হেমন্ত কুমাৰ শৰ্মা
৩১শ বছৰ	—	মহেন্দ্ৰ বৰা
৩২শ বছৰ	—	যোগেন্দ্ৰ নাৰায়ণ ভূঞা
৩৩শ বছৰ ১৯৭৬-৭৭	—	যতীন গোস্বামী
৩৪শ, বছৰ ১৯৭৭-৭৮	—	যোগেন্দ্ৰ নাৰায়ণ ভূঞা
৩৫শ, বছৰ ১৯৭৮-৭৯	—	যোগেন্দ্ৰ নাৰায়ণ ভূঞা
৩৬শ, বছৰ ১৯৭৯-৮০	—	পৰীক্ষিত হাজৰিকা
৩৭শ, বছৰ ১৯৮০-৮১	—	পৰীক্ষিত হাজৰিকা
৩৮শ, বছৰ ১৯৮১-৮২	—	নাহেন্দ্ৰ পাদুন
৩৯শ বছৰ ১৯৮১-৮২	—	নাহেন্দ্ৰ পাদুন
৪০শ বছৰ ১৯৮৩-৮৪-৮৫	—	নাহেন্দ্ৰ পাদুন
৪১শ বছৰ ১৯৮৫-৮৬	—	ছামছিং হাঞ্চে
৪২শ, বছৰ ১৯৮৬-৮৭	—	প্ৰহ্লাদ কুমাৰ বৰুৱা
৪৩শ বছৰ ১৯৮৭-৮৮	—	ভগগিৰী ৰায়চৌধুৰী
৪৪শ বছৰ ১৯৮৭-৮৯	—	নৰেন কলিতা
৪৫শ বছৰ ১৯৮৯-৯০	—	নৰেন কলিতা
১৯৮৯-৯০	—	নাহেন্দ্ৰ পাদুন
৪৬শ, বছৰ ১৯৯০-৯১	—	ৰামচৰণ ঠাকুৰীয়া
৪৭শ বছৰ ১৯৯১-৯২	—	উপেন্দ্ৰ বৰকটকী
৪৮শ বছৰ ১৯৯২-৯৩	—	ডঃ দয়ানন্দ পাঠক

৪৯শ বছৰ	১৯৯৩-৯৪	—	ডঃ দয়ানন্দ পাঠক
৫০	১৯৯৪-৯৫	—	প্ৰকাশ গোস্বামী
৫১	১৯৯৫-৯৬	—	খগেন্দ্ৰ নাথ তালুকদাৰ
৫২	১৯৯৬-৯৭	—	খগেন্দ্ৰ নাথ তালুকদাৰ
৫৩	১৯৯৭-৯৮	—	ডঃ বসন্ত কুমাৰ গোস্বামী
৫৪	১৯৯৮-৯৯	—	ডঃ বসন্ত কুমাৰ গোস্বামী
৫৫	১৯৯৯-২০০১	—	পৰমানন্দ ৰাজবংশী

আদৰণী সমিতিৰ সভাপতিসকল

স্থান	বছৰ	সভাপতি
শিৱসাগৰ	১৯১৭	গুণ্ডানন বৰুৱা
গোৱালপাৰা	১৯১৮	যতীন্দ্ৰনাৰায়ণ চৌধুৰী
বৰপেটা	১৯১৯	ৰামপ্ৰসাদ দাস
তেজপুৰ	১৯২০	চন্দ্ৰনাথ শৰ্মা
যোৰহাট	১৯২৩	ৰাধাকান্ত সন্দিকৈ
ডিব্ৰুগড়	১৯২৪	শিৱৰাম শৰ্মা
গুৱাহাটী	১৯২৪	সত্যনাথ বৰা
নগাঁও	১৯২৫	জ্ঞানদাভিৰাম বৰুৱা
ধুবুৰী	১৯২৬	ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী
গোৱালপাৰা	১৯২৭	ভোলানাথ চৌধুৰী
যোৰহাট	১৯২৯	শিৱপ্ৰসাদ বৰুৱা
গোলাঘাট	১৯৩০	ব্ৰহ্মানন্দ দত্ত
শিৱসাগৰ	১৯৩১	ভুৱনচন্দ্ৰ গগৈ
উত্তৰ লক্ষীমপুৰ	১৯৩৩	সৰ্বেশ্বৰ বৰুৱা
মঙ্গলদৈ	১৯৩৪	তপেশ্বৰ শৰ্মা
তেজপুৰ	১৯৩৬	আনন্দ চন্দ্ৰ আগৰৱালা
গুৱাহাটী	১৯৩৭	গোপীনাথ বৰদলৈ
যোৰহাট	১৯৪০	হেৰম্বপ্ৰসাদ বৰুৱা
শিৱসাগৰ	১৯৪৪	মহম্মদ মুহিবুল্লা
ডিব্ৰুগড়	১৯৪৭	বেণুধৰ ৰাজখোৱা

স্থান	বছৰ	সভাপতি
মাৰ্ঘেৰিটা	১৯৫০	বিপিনকুমাৰ বৰগোঁহাই
ছিলং	১৯৫৩	মতিৰাম বৰা
যোৰহাট	১৯৫৪-৫৫	ৰাধানাথ ফুকন
গুৱাহাটী	১৯৫৫	হলিৰাম ডেকা
ধুবুৰী	১৯৫৬	প্ৰমথনাথ চক্ৰৱৰ্তী
তিনিচুকীয়া	১৯৫৮	সোমেশ্বৰ বৰা
নগাঁও	১৯৫৯	মহীচন্দ্ৰ বৰা
মিৰ্জা	১৯৬০	অম্বলাকান্ত গোস্বামী
গোৱালপাৰা	১৯৬১	খগেন্দ্ৰ নাথ নাথ
নাজিৰা	১৯৬৩	বেদনাথ বৰঠাকুৰ
ডিগবৈ	১৯৬৪	প্ৰফুল্লচন্দ্ৰ বৰুৱা
নলবাৰী	১৯৬৫	ত্ৰৈলোক্যনাথ গোস্বামী
উত্তৰ লক্ষীমপুৰ	১৯৬৬	যোগানন্দ বৰগোহাঞি
ডিব্ৰুগড়	১৯৬৬-৬৭	লক্ষীপ্ৰসাদ দত্ত
তেজপুৰ	১৯৬৮	কমলাপ্ৰসাদ আগৰৱালা
বৰপেটা	১৯৬৯	মহেন্দ্ৰমোহন চৌধুৰী
থিং	১৯৭০	চন্দ্ৰকান্ত বৰকাকতী
মাকুম	১৯৭১	ৰমেশচন্দ্ৰ বৰুৱা
ধুবুৰী	১৯৭২	দীনেশৰঞ্জন সৰকাৰ
ৰঙিয়া	১৯৭৩	প্ৰাণেশ্বৰ শৰ্মা
মঙ্গলদৈ	১৯৭৪	বাহাদুৰ বসুমতাৰী
তিতাবৰ	১৯৭৫	চন্দ্ৰেশ্বৰ শইকীয়া
টিহু	১৯৭৬	ডাঃ ভূমিধৰ বৰ্মন
অভয়াপুৰী	১৯৭৭	উত্তমচন্দ্ৰ ব্ৰহ্ম
গোলাঘাট	১৯৭৮	মোহিনীকুমাৰ শইকীয়া
গুৱালকুছি	১৯৭৯	লক্ষ্যধৰ চৌধুৰী
বহা	১৯৮০	দুলালচন্দ্ৰ বৰুৱা
তিনিচুকীয়া	১৯৮১	চাইফ উদ্দিন আহমদ

স্থান	বছৰ	সভাপতি
ডিফু	১৯৮২	ছত্ৰছিং টেৰণ
বঙাইগাঁও	১৯৮৩	বিনন্দচন্দ্ৰ পাঠক
বিহপুৰীয়া	১৯৮৫	ডম্বৰুধৰ শইকীয়া
কামপুৰ	১৯৮৬	গিৰীন্দ্ৰনাথ বড়া
পাঠশালা	১৯৮৭	ডাঃ কৃষ্ণকান্ত লহকৰ
হাইলাকান্দি	১৯৮৮	শ্বহীদুল আলম চৌধুৰী
ডুমডুমা	১৯৮৯	যোগেশ দাস
বিশ্বনাথ চাৰিআলি	১৯৯০	ডাঃ কোমেশ্বৰ বৰা
দুধনৈ	১৯৯১	ৰাজেন ৰাভা
গোৰেশ্বৰ	১৯৯২	হৰিকান্ত ডেকা
শিৱসাগৰ	১৯৯৩	যোগেন চেতিয়া
মৰিগাঁও	১৯৯৪	নৰেন্দ্ৰ নাথ কেওট
		সুচেন্দ্ৰ নাথ ডেকা
		বিৰিঞ্চিধৰ বুঢ়াগোহাঁঞি
সৰ্থেবাৰী	১৯৯৫	প্ৰসন্ন কুমাৰ ডেকা
বোকাখাত	১৯৯৬	চিদানন্দ শইকীয়া
বিলাসীপাৰা	১৯৯৭	শৰৎ চন্দ্ৰ সিংহ
হাওৰাঘাট	১৯৯৮	চন্দ্ৰকান্ত তেৰাং
হাজো	১৯৯৯	নুৰুল হুছেইন

বুৰঞ্জী সন্মিলনৰ সভাপতিসকল

নগাঁও	১৯২৫	হিতেশ্বৰ বৰবৰুৱা
ধুবুৰী	১৯২৬	সূৰ্য্যকুমাৰ ভূঞা
যোৰহাট	১৯২৯	প্ৰমথ নাথ চক্ৰৱৰ্তী
গোলাঘাট	১৯৩০	ৰজনীকুমাৰ পদ্মপতি
শিৱসাগৰ	১৯৩১	সোণাৰাম চৌধুৰী
উত্তৰ লক্ষীমপুৰ	১৯৩৩	সৰ্বেশ্বৰ শৰ্মা বৰকটকী
গুৱাহাটী	১৯৩৭	কনকলাল বৰুৱা
ডিব্ৰুগড়	১৯৪৭	সৰ্বানন্দ ৰাজখোৱা

শ্বিলং	১৯৫৩	বেণুধৰ শৰ্মা
যোৰহাট	১৯৫৪-৫৫	সুৰেশ চন্দ্ৰ ৰাজখোৱা
গুৱাহাটী	১৯৫৫	বিৰিঞ্চি কুমাৰ বৰুৱা
ধুবুৰী	১৯৫৬	ৰূপনাথ ব্ৰহ্ম
তিনিচুকীয়া	১৯৫৮	ৰাজমোহন নাথ
নগাঁও	১৯৫৯	পদ্মেশ্বৰ গগৈ
গোৱালপাৰা	১৯৬১	প্ৰেমধৰ চৌধুৰী
নাজিৰা	১৯৬২	প্ৰতাপ চন্দ্ৰ চৌধুৰী
নলবাৰী	১৯৬৪	সৰ্বেশ্বৰ বৰুৱা
উত্তৰ লক্ষীমপুৰ	১৯৬৬	কৰুণানন্দ দত্ত
ডিব্ৰুগড	১৯৬৬-৬৭	কেশৱনাৰায়ণ দত্ত
তেজপুৰ	১৯৬৮	গুণগোবিন্দ দত্ত
বৰপেটা	১৯৬৯	লক্ষ্মীপ্ৰসাদ দত্ত
থিং	১৯৭০	ভুবন চন্দ্ৰ সন্দিকৈ
ধুবুৰী	১৯৭২	হেৰম্বকান্ত বৰপূজাৰী
ৰঙিয়া	১৯৭৩	মুৰাৰিচৰণ দাস
মংগলদৈ	১৯৭৪	সদানন্দ চলিহা
গোৰেশ্বৰ	১৯৯২	ড° সূৰ্যকান্ত বৰপূজাৰী

(তালিকা সম্পূৰ্ণ নহয়)

সংগীত সন্মিলনৰ সভাপতিসকল

ডিব্ৰুগড	১৯২৪	ইন্দ্ৰেশ্বৰ বৰঠাকুৰ
গুৱাহাটী	১৯২৪	ৰজনীকান্ত বৰদলৈ
নগাঁও	১৯২৫	চন্দ্ৰধৰ বৰুৱা
মংগলদৈ	১৯৩৪	পদ্মধৰ চলিহা
তেজপুৰ	১৯৩৬	নগেন্দ্ৰনাৰায়ণ চৌধুৰী
গুৱাহাটী	১৯৩৭	কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ
শিৱসাগৰ	১৯৪৪	অম্বিকাগিৰী ৰায়চৌধুৰী
ডিব্ৰুগড	১৯৪৭	এন কে. ৰত্নোমজী
মাৰ্ঘেৰিটা	১৯৫০	ইন্দ্ৰেশ্বৰ বৰঠাকুৰ
শ্বিলং	১৯৫৩	কুলধৰ চলিহা
গুৱাহাটী	১৯৫৫	মিত্ৰদেৱ মহন্ত অধিকাৰ
ধুবুৰী	১৯৫৬	প্ৰফুল্ল চন্দ্ৰ বৰুৱা

তিনিচুকীয়া	১৯৫৮	বিষ্ণুপ্ৰসাদ ৰাভা
নগাঁও	১৯৫৯	পদ্মধৰ চলিহা
মিৰ্জা	১৯৬০	শ্ৰীমান গোবিন্দ চক্ৰবৰ্তী
গোৱালপাৰা	১৯৬১	পাৰ্বতীপ্ৰসাদ বৰুৱা
নাজিৰা	১৯৬৩	ডঃ ভূপেন হাজৰিকা
ডিগবৈ	১৯৬৪	শান্তিদেৱ ঘোষ
নলবাৰী	১৯৬৫	মুক্তিনাথ শৰ্মা বৰদলৈ
উত্তৰ লক্ষীমপুৰ	১৯৬৬	পৰাগধৰ চলিহা
ডিব্ৰুগড়	১৯৬৭	জীবেশ্বৰ গোস্বামী
তেজপুৰ	১৯৬৮	প্ৰফুল্ল চন্দ্ৰ বৰুৱা
বৰপেটা	১৯৬৯	গহনচন্দ্ৰ গোস্বামী
ধিং	১৯৭০	ফণী শৰ্মা
মাকুম	১৯৭১	কমলনাৰায়ণ চৌধুৰী
ধুবুৰী	১৯৭২	আনন্দ চৰণ দাস
বঙিয়া	১৯৭৩	গজেন বৰুৱা
মংগলদৈ	১৯৭৪	নাৰায়ণ বেজবৰুৱা
তিতাবৰ	১৯৭৫	সত্যপ্ৰসাদ বৰুৱা
		(তালিকা সম্পূৰ্ণ নহয়)

আলোচনা-চক্ৰৰ সভাপতিসকল

ন্যায়াধীশ হলিৰাম ডেকা	১৯৫৮	তিনিচুকীয়া
ডঃ মহেশ্বৰ নেওগ	১৯৫৯	নগাঁও
তীৰ্থনাথ শৰ্মা	১৯৬০	মিৰ্জা
ইন্দিৰা মিৰি	১৯৬৩	নাজিৰা
দেৱকান্ত বৰুৱা	১৯৬৪	ডিগবৈ
হেম বৰুৱা	১৯৬৫	নলবাৰী
ত্ৰৈলোক্যনাথ গোস্বামী	১৯৬৬	উত্তৰ লক্ষীমপুৰ
ডঃ মহেশ্বৰ নেওগ	১৯৬৬-৬৭	ডিব্ৰুগড়
ডঃ যোগীৰাজ বসু	১৯৬৮	তেজপুৰ
মহেন্দ্ৰ বৰা	১৯৬৯	বৰপেটা
বিপিন কুমাৰ বৰগোহাঁই	১৯৭০	ধিং
ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য	১৯৭১	মাকুম

খনীন্দ্র চন্দ্র বৰুৱা	১৯৭২	ধুবুৰী
ছগনলাল জৈন	১৯৭৩	বঙিয়া
মুনীন বৰকটকী	১৯৭৪	মংগলদৈ
ডঃ বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্য্য	১৯৭৫	তিতাবৰ
ছৈয়দ আব্দুল মালিক	১৯৭৬	ঢিহু
বীৰেন বৰকটকী	১৯৮৫	বিহপুৰীয়া
ডঃ গোবিন্দপ্ৰসাদ শৰ্মা	১৯৯৯	হাজো
		(তালিকা সম্পূৰ্ণ নহয়)

প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচকসকল

ছাৰ চৈয়দ মহম্মদ ছাদুল্লা	১৯৪৪	শিৱসাগৰ
ৰত্নকুমাৰী ৰাজখোৱা	১৯৪৭	ডিব্ৰুগড়
জয়ৰাম দাস দৌলতৰাম (ৰাজ্যপাল)	১৯৫৩	শ্বিলং
এম শৰ্মা	১৯৫৪	যোৰহাট
অমিয় কুমাৰ দাস	১৯৫৫	গুৱাহাটী
হৰিপ্ৰসাদ গোৰ্খাৰায়	১৯৫৬	ধুবুৰী
দেবেশ্বৰ শৰ্মা	১৯৫৮	তিনিচুকীয়া
ডঃ সূৰ্য্যকুমাৰ ভূঞা	১৯৫৯	নগাঁও
নীলমণি ফুকন	১৯৬০	মিৰ্জা
ৰূপনাথ ব্ৰহ্ম	১৯৬১	গোৱালপাৰা
বিমলাপ্ৰসাদ চলিহা	১৯৬৩	নাজিৰা
গোবিন্দচন্দ্ৰ পৈৰা	১৯৬৪	ডিগবৈ
প্ৰমথনাথ চক্ৰৱৰ্তী	১৯৬৫	নলবাৰী
অমিয় কুমাৰ দাস	১৯৬৬	উত্তৰ লক্ষীমপুৰ
বিষ্ণুৰাম মেধি	১৯৬৭	ডিব্ৰুগড়
হেম বৰুৱা	১৯৬৮	তেজপুৰ
মথুৰানাথ গোস্বামী	১৯৬৯	বৰপেটা
সত্যৰঞ্জন বৰুৱা	১৯৭০	খিং
নীলমণি ফুকন	১৯৭১	মাকুম
ডঃ মহেশ্বৰ নেওগ	১৯৭২	ধুবুৰী
যুগল কুমাৰ দাস	১৯৭৩	বঙিয়া
হৰেন্দ্ৰনাথ তালুকদাৰ	১৯৭৪	মংগলদৈ
হৰেন্দ্ৰনাথ তালুকদাৰ	১৯৭৫	তিতাবৰ

নীলপৱন বৰুৱা	১৯৯১	দুধনৈ
বুদ্ধীন্দ্র কুমাৰ ৰাজ খনিকৰ	১৯৯২	গোৰেশ্বৰ
নিৰুপমা বৰগোহাঞি	১৯৯৭	বিলাসীপাৰা
বিকাশ চন্দ্ৰ বৰা	১৯৯৯	হাজো

(তালিকা সম্পূৰ্ণ নহয়)

কবি সন্মিলনীৰ সভাপতিসকল

প্ৰসন্নলাল চৌধুৰী	১৯৬৬	ডিব্ৰুগড়
নলিনীবালা দেৱী	১৯৬৯	বৰপেটা
নৱকান্ত বৰুৱা	১৯৭০	থিং
কমলেশ্বৰ চলিহা	১৯৭১	মাকুম
বৈকুণ্ঠনাথ চেতিয়া ফুকন	১৯৭২	ধুবুৰী
অম্বেশ্বৰ চেতিয়া ফুকন	১৯৭৩	ৰঙিয়া
ভবানন্দ ৰাজখোৱা	১৯৭৪	মংগলদৈ
কেশৱ মহন্ত	১৯৭৫	তিতাবৰ
ডঃ নিৰ্মলপ্ৰভা বৰদলৈ	১৯৭৬	টিহু
ডঃ লক্ষহীৰা দাস	১৯৭৯	গুৱালকুছি
ৰাম গগৈ	১৯৮৫	বিহ্‌পুৰীয়া
হীৰেন ভট্টাচাৰ্য্য	১৯৮৬	কামপুৰ
প্ৰফুল্ল ভূঞা	১৯৮৭	পাঠশালা
দিনেশ গোস্বামী	১৯৮৮	হাইলাকান্দি
হীৰেন্দ্ৰ নাথ দত্ত	১৯৮৯	ডুমডুমা
অজিৎ বৰুৱা	১৯৯০	বিশ্বনাথ চাৰিআলি
	১৯৯১	দুধনৈ
ভবেন বৰুৱা	১৯৯২	গোৰেশ্বৰ
অমলেন্দু গুহ	১৯৯৩	শিৱসাগৰ, ৰংপুৰ
ৰাম গোস্বামী	১৯৯৪	মৰিগাওঁ
জ্ঞানানন্দ শৰ্মা পাঠক	১৯৯৫	সৰ্থেবাৰী
ৰবীন্দ্ৰ বৰা	১৯৯৬	বোকাখাত
গৌতম প্ৰসাদ বৰুৱা	১৯৯৭	বিলাসীপাৰা
দিলীপ কুমাৰ বৰুৱা	১৯৯৮	হাওৰাঘাট
হৰেকৃষ্ণ ডেকা	১৯৯৯	হাজো

সহায় লোৱা গ্ৰন্থ

১)	চিৰ চেনেহী মোৰ ভাষা জননী	নন্দ তালুকদাৰ
২)	প্ৰকাশ — ১৯৮৮, আগষ্ট, দশম সংখ্যা	
৩)	জীৱনী-চয়ন	ডঃ দুৰ্গেশ্বৰ শৰ্মা
৪)	জীৱনী সৌৰভ	ডঃ হেমন্ত কুমাৰ শৰ্মা
৫)	অসমীয়া জীৱনী অভিধান	ডঃ শিৱনাথ বৰ্মন
৬)	দিনপঞ্জী ১৯৯৩ খ্ৰীষ্টাব্দ	আদৰণী সমিতি, ৫৯ তম অধিবেশন, শিৱসাগৰ।
৭)	শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ, মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী	সম্পাদক - আব্দুছ ছাত্তাৰ
৮)	কমলাকান্ত ভট্টাচাৰ্য্য ৰচনাৱলী	ডঃ প্ৰফুল্ল দত্ত গোস্বামী
৯)	অসম সাহিত্য সভা পত্ৰিকা — ডঃ লীলা গগৈ সোঁৱৰণী সংখ্যা	সম্পাদনা- খগেন্দ্ৰনাথ তালুকদাৰ
১০)	নগেন শইকীয়া জীৱন আৰু কৰ্ম	হেম বৰা
১১)	ধ্বনি কবিৰ জীৱনৰ ধ্বনি	জিতাঞ্জলি বৰপূজাৰী
১২)	ল'ৰাৰ মিত্ৰদেৱ	প্ৰসেনজিৎ কুমাৰ গোস্বামী
১৩)	সাহিত্য অকাডেমী বঁটা বিজয়ী অসমীযা	সমীন কলিতা
১৪)	শিল্পীৰ পৃথিৱী	সমীন কলিতা
১৫)	শ্ৰীমন্ত শংকৰদেৱ বঁটা লাভকৰা ব্যক্তিসকল	সমীন কলিতা
১৬)	জোনাকী যুগৰ ত্ৰিমূৰ্ত্তি	সমীন কলিতা
১৭)	অসম সাহিত্য সভা (নিয়মাৱলী, ১৯৯৮)	